ভৱিষ্যদৰ্শন ঃ অসম

অদীপ কুমাৰ ফুকন

GOVT. OF ASSAM ★
DIRECTORATE OF LIBRARY SERVICES

কিৰণ প্ৰকাশন
ধেমাজি

BHABISHYA DARSHAN : ASAM : A collection of essays written by **Shri Adip Kumar Phukan,** & published by **Shri Naba Kalita,** ***M/s. Kiran Prakashan***, D.K Market, Dhemaji-787057
First Edition : December, 2005. Price Rs. **90.00** only.

ভৱিষ্যদৰ্শন ঃ অসম

অদীপ কুমাৰ ফুকন

প্ৰকাশক
নৱ কলিতা
কিৰণ প্ৰকাশন
ডি কে মাৰ্কেট, ধেমাজি চাৰিআলি
ধেমাজি-৭৮৭০৫৭
ফোন ঃ (০৩৭৫৩) ২২৫৮০৩

প্ৰচ্ছদ
দেৱৰাজ বৰঠাকুৰ

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ২০০৫ চন

মূল্য ঃ ৯০.০০ টকা

মুদ্ৰক
ধেমাজি অফচেট্ প্ৰিণ্টাৰ্চ
ৰতনপুৰ, ধেমাজি-৭৮৭০৫৭

'যিসকলৰ ওপৰত অসমৰ
ভৱিষ্যৎ নিৰ্ভৰ কৰে,
সেই যুৱ প্ৰজন্মৰ হাতত'

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES

সূচীপত্ৰ

ভৱিষ্যদৰ্শন ঃ অসম-সামাজিক

- সময় কম ঃ কৰিব লগা বহু আছে ১
- ঐক্যবদ্ধভাৱে পৰিৱৰ্তনৰ পথ মুকলি কৰিবৰ হ'ল ঃ আমি ক'ত থিয় হৈ আছোঁ ৪
- অসমীয়া জাতি গঠনৰ ধাৰণা স্পষ্ট হ'ব লাগিব ৯
- জনজাতি সমস্যাসমূহ অসমবাসীৰ জাতীয় সমস্যা ১৩
- অসমৰ মুছলমানসকল এটা জনগোষ্ঠী হিচাপে পৰিচয় হওক ১৮
- চাহ জনগোষ্ঠীৰ সমস্যা অসমবাসীৰ সমস্যা ২২
- অসমৰ বহু সমস্যাৰ সমাধান সূত্ৰ নাগৰিক পঞ্জী ২৬
- উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এটা সুকীয়া সময় মণ্ডল লাগে ৩১
- দেশাত্মবোধৰ প্ৰতি জাগ্ৰত কৰা শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন হৈছে ৩৪
- বহুজাতিক গোষ্ঠীৰ কবলৰপৰা উচ্চ শিক্ষাক উদ্ধাৰ কৰিব লাগিব ৩৮
- অসমীয়া ভাষা কোৱাৰ সংখ্যা সংকুচিত হোৱাত বাধা দিব লাগিব ৪২
- শ্ৰমিকৰ হাতত ৰাজনৈতিক ক্ষমতা দিয়াৰ প্ৰয়োজন হ'ব ৪৬

ভৱিষ্যদৰ্শন ঃ অসম - ৰাজনৈতিক

- আজিৰ অৱস্থাৰ পৰিৱৰ্তনৰ বাবে ঐক্যবদ্ধ ৰাজনৈতিক সংগ্ৰাম লাগিব ৫০

- জাতীয় শোষণৰ বিলুপ্তিৰ বাবে পূৰ্ণ স্বায়ত্ত শাসনৰ প্ৰয়োজন হ'ব ৫৭
- ঐক্যবদ্ধ সংগ্ৰামৰ ধাৰা আৰম্ভ কৰিব লাগিব ৬৪
- অসমত উচ্চ সদনৰ প্ৰয়োজন ৬৮
- ৫৮ বছৰীয়া প্ৰহসনৰ পৰা আমি শিক্ষা ল'ব লাগিব ৭০

ভৱিষ্যদৰ্শন ঃ অসম - অৰ্থনৈতিক

- বিশ্বায়নৰ প্ৰতিবাদ কৰা প্ৰয়োজন ঃ তোমালো'ক জি এইট আমি ৬০০ কোটি ৭৪
- জাতীয় অৰ্থনৈতিক কাৰ্যসূচীৰ খচৰা ৭৯
- ৰাজ্যৰ বিত্তীয় পদ্ধতিত পুনৰ্বিন্যাসৰ প্ৰয়োজন হৈছে ৯০
- কেন্দ্ৰৰ ৰাজকোষত অসমৰ পোন্ধৰ হেজাৰ কোটি ৯৩
- কৰ ফাকিৰ প্ৰতিৰোধৰ বাবে পৰীক্ষণ চকীসমূহ শক্তিশালী কৰিব লাগিব ৯৬
- বাণিজ্যিক দিশলৈ লক্ষ্য ৰাখি পূবৰ দুৱাৰ মুকলি কৰিব লাগিব ৯৮
- সীমান্ত বাণিজ্যৰ সুযোগ অসমে ল'ব লাগিব ১০৩
- গ্ৰাম্য অঞ্চলৰ পৰাই আৰম্ভ হওঁক অসমৰ অৰ্থনৈতিক পুনৰ গঠনৰ সংগ্ৰাম ১০৯

কৃষিখণ্ড ঃ

- এটুকুৰা মাটিৰ স্বত্ব পোৱাটো নাগৰিকৰ অধিকাৰ হোৱা উচিত ১১৪
- চাহ বাগিচাৰ ভূমিৰ ক্ষেত্ৰত দৃষ্টিভঙ্গী পৰিৱৰ্তন কৰিব লাগিব ১২০

✦ অসমৰ কৃষিক্ষেত্ৰৰ পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে ১২৪
✦ কৃষিক্ষেত্ৰত বিনিয়োগ হোৱাৰ পৰিবেশ সৃষ্টি কৰিব লাগিব ১৩২
✦ অসমত সাৰ উৎপাদনত গুৰুত্ব দিয়া প্ৰয়োজন ১৩৬
✦ গ্ৰামোন্নয়ন বিভাগে নেতৃত্ব ল'ব লাগিব ১৪০
✦ উদ্যান শস্যত গুৰুত্ব দিব লাগিব ১৪৩
✦ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে কাঠফুলা অন্য এক পথ ১৪৬
✦ অসমত শীতলীকৰণ উৰালৰ প্ৰয়োজন ঃ
আলুখেতিক বাণিজ্য খেতি কৰিব পৰা যায় ১৪৯

ঔদ্যোগিক খণ্ড ঃ

✦ বোকাজান চিমেণ্ট কাৰখানাক স্বতন্ত্ৰ কৰিব লাগি ১৫১
✦ নিৰ্দিষ্ট সময়ৰ ভিতৰত অসমত গেছ
ক্ৰেকাৰ প্ৰকল্প গঢ়ি তোলক ১৫৫
✦ লাভজনক উদ্যোগ ঃ বি. আৰ. পি এলক
ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণত ৰাখিব লাগিব ১৬২
✦ অসমৰ পৰা ১০,০০০ কোটি টকাৰ বহিৰ্গমন ঃ
বেংক উদ্যোগক অসমৰ স্বাৰ্থত ব্যৱহাৰ কৰিব লাগিব ১৬৬
✦ জাতীয় পুঁজি গঠনৰ বাবে অন্য এক প্ৰস্তাৱ ঃ
অসমৰ জৈৱ-প্ৰযুক্তিত গুৰুত্ব দিব লাগিব ১৭০
✦ চাহ উদ্যোগক সামাজিক দায়িত্ব পালন কৰোৱাৰ প্ৰয়োজন হ'ব ১৭৪
✦ অগ্ৰাধিকাৰ দিব লগা বিষয় ঃ বিদ্যুৎ শক্তি উৎপাদন ১৭৭
✦ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ বাণিজ্যিক গুৰুত্ব ১৮৬
✦ বিশ্ব বাণিজ্যত অসমে স্থান ল'বপৰা অন্য এক দিশ ঃ
ক্ষুদ্ৰ চাহ উদ্যোগক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিব লাগিব ১৯২
✦ হাজাৰ কোটি টকাৰ বহিৰ্গমন বন্ধ কৰাৰ স্বাৰ্থত ঃ
দেশৰ বস্ত্ৰ উদ্যোগৰ বজাৰখনত অসমে খোপনি পুতিব লাগিব ১৯৮

✦ বাৰীৰ ঢাপত হোৱা ভোট-এৰা জোপাক ব্যৱহাৰ কৰোঁ আহক ঃ
জৈৱ-ডিজেল উৎপাদনৰ ক্ষেত্ৰত অসমে নেতৃত্ব ল'ব পাৰে ২০৩

খনিজখণ্ড ঃ

✦ ৰয়েল্টীৰ প্ৰসঙ্গত আমাৰ প্ৰস্তাৱ ২০৭
✦ খাৰুৱা তেলৰ পিছত বিকল্প সম্পদৰ সন্ধান কৰিব লাগিব ২১১
✦ শতবছৰ গৰকা তৈল উদ্যোগকলৈ অসমৰ
স্বাৰ্থত নতুন চিন্তাৰ প্ৰয়োজন ২১৬
✦ প্ৰাকৃতিক গেছৰ অবাধ প্ৰজ্বলন ঃ
অন্য এক অক্ষমনীয় অপৰাধ ২২২

ভৱিষ্যদৰ্শন ঃ অসম-সংস্থাপন

✦ অসমৰ অৰ্থনৈতিক বিকাশৰ বাবেই সংস্থাপনৰ প্ৰয়োজন ঃ
নিয়োগৰ ক্ষেত্ৰত এখন জাতীয় কৰ্মসূচীৰ প্ৰয়োজন হ'ব ২২৭
✦ সংস্থাপনৰ বাবে এখন বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰয়োজন ২৩১
✦ চাহ কোম্পানীয়ে প্ৰয়োজনীয় সামগ্ৰী অসমত কিনিব লাগিব ২৩৬
✦ বিশেষ ভাড়াৰ আঁচনি ঃ নিবনুৱাক প্ৰবঞ্চনাৰ অন্য এপাট অস্ত্ৰ ২৪০
✦ গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকটকাল আঁতৰাব লাগিব ২৪৩
✦ কাৰ্যালয়সমূহৰ পৰা অসম বঞ্চিত হ'ব নালাগিব ২৪৬
✦ আবকাৰী মুখ্য কাৰ্যালয় অসমৰ প্ৰাপ্য ২৫০
✦ বি.আৰ পি. এলক সংস্থাপনৰ এক আধাৰ কৰিব পৰা যায় ২৫৪
✦ সেনা বাহিনীৰ বাবে প্ৰয়োজনীয় সামগ্ৰী অসমতে
ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব লাগিব ২৫৮

ভৱিষ্যদৰ্শন ঃ অসম

- সামাজিক
- ৰাজনৈতিক
- অৰ্থনৈতিক
  - কৃষি খণ্ড
  - ঔদ্যোগিক খণ্ড
  - খনিজ খণ্ড
- সংস্থাপন

ভৱিষ্যদৰ্শন ঃ অসম সামাজিক

সময় কম ঃ কৰিবলগা বহু আছে

অসমৰ আজিৰ অনুন্নত অৱস্থাৰ অন্যতম কাৰক দুৰ্বল ৰাজনৈতিক নেতৃত্ব। ৰাজ্যখনৰ উন্নয়নৰ যিকোনো স্তৰৰ কথা আলোচনা কৰি কাৰ্যসূচী প্ৰস্তুত কৰিলেও তাক কাৰ্যকৰী কৰাত ৰাজ্য চৰকাৰৰ ওপৰতেই নিৰ্ভৰ কৰিবলগা হয়। প্ৰচলিত ব্যৱস্থাৰ ভিতৰত চৰকাৰক বাহিৰত ৰাখি অৰ্থনৈতিক পৰিৱৰ্তন তথা পুনৰ্গঠনৰ চিন্তা কৰা সম্ভৱ নহয়। এনে অৱস্থাত ৰাজনৈতিক নেতৃত্বৰ অৰ্থনৈতিক ধাৰাসমূহৰ ক্ষেত্ৰত ধাৰণা স্পষ্ট নহ'লে অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ নহ'ব। কেন্দ্ৰীয় পৰিকল্পনা আয়োগ, বিত্ত আয়োগৰ পৰা পোৱা পুঁজিৰ ব্যৱহাৰ অসমে আজিও প্ৰকৃতভাৱে কৰিব পৰা নাই। বিভিন্ন ক্ষেত্ৰৰ লগতে বিশ্ববেংকৰ পৰা লাভ কৰা বৃহৎ অংকৰ ঋণৰ টকা পৰিকল্পিতভাৱে ব্যৱহাৰ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। বৃহৎ পৰিমাণৰ ঋণৰ বোজাৰে পৰিচালিত হ'ব লগা হোৱাত আৰু ৰাজহ সংগ্ৰহ অতি নগণ্য হোৱাত ৰাজ্যখনে এটা ভয়াবহ অৱস্থাৰে গতি কৰিবলগীয়া হৈছে। ৰাজ্যৰ পৰিকল্পনা বহিৰ্ভূত ব্যয় নিয়ন্ত্ৰণহীনভাৱে বৃদ্ধি পাইছে, ৰাজ্যখন এনে এটা অৰ্থনৈতিক অৱস্থাৰে পৰিচালিত হৈছে য'ত ৰাজ্যৰ নিজস্ব ৰাজহৰ প্ৰায় তিনিগুণ কেৱল মন্ত্ৰী, বিধায়ক,বিষয়া, কৰ্মচাৰীক দিব লগা দৰমহা আদি বুনিয়াদী ক্ষেত্ৰতেই ব্যয় কৰিবলগা হয়। ক্ষমতাকেন্দ্ৰিক চৰকাৰৰ গাদীৰক্ষা কৰাটোৱেই মুখ্য বিষয় হৈ পৰাত ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত এক ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ঊৰ্ধ্বতম অমাত্যবৰ্গ তথা ৰাজন্যবৰ্গৰ উচ্ছৃংখল ব্যয়ৰ হেঁচাত আধুনিক অৰ্থশাস্ত্ৰই দিয়া ব্যৱস্থাসমূহৰ সংজ্ঞা অসমত হেৰাই গৈছে। আয় আৰু ব্যয়ৰ তাৰতম্যৰ চূড়ান্ত বৃদ্ধিয়ে ৰাজ্যৰ আৰ্থিক অৱস্থাক ক্ৰমাগতভাৱে শোচনীয় অৱস্থালৈ ঠেলি নিছে। এনে এক সংকট অৱস্থাত অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে জাতীয় পুঁজি গঢ়ি তোলাৰ স্বাৰ্থত এখন জাতীয় কাৰ্যসূচী প্ৰস্তুত কৰা প্ৰয়োজন হ'ব। অতি গুৰুত্বপূৰ্ণ দিশটো হ'ল যিটো সময়ত অসমত পুঁজি গঠন কৰিব পৰা নাই, ঋণৰ ওপৰত নিৰ্ভৰশীল অৰ্থনীতি পৰিচালিত হৈছে, সেইটো সময়ত অসমৰ পৰা বৃহৎ অংকৰ পুঁজি বিভিন্ন ক্ষেত্ৰৰ পৰা বহিঃগমন হৈছে। পুঁজিৰ এনে বহিঃগমনে অসমৰ অৰ্থনৈতিক অৱস্থাত অতি বেয়া প্ৰভাৱ পেলাইছে। খাদ্য-সামগ্ৰীৰ লগতে অন্যান্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰা আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা জমা পুঁজিত অসমৰ পৰা বাহিৰলৈ ওলাই গৈছে। তাৰ অনুপাতে অসমলৈ বহিঃ পুঁজিৰ

আগমন অতি নগণ্য। অসমৰ সম্পদসমূহৰ সুষম ব্যৱহাৰৰ দ্বাৰা জাতীয় পুঁজি বৃদ্ধি কৰাটো অৰ্থনৈতিক পৰিকল্পনাৰ অন্যতম বিষয় হ'ব লাগিছিল যদিও ৰাজ্যৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহত সেইটোত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। সম্পদসমূহক উৎপাদনশীলতা বৃদ্ধিত ব্যৱহাৰ কৰিব নোৱাৰিলে পুঁজি গঠন নহয়। উন্নয়নশীল ৰাষ্ট্ৰত বিশেষ গুৰুত্ব পোৱা সম্পদসমূহ অসমত থকাৰ পিছতো ৰাজ্যখন আজি অনুন্নত অৱস্থাত থাকিবলগা হৈছে। এনে পৰিস্থিতিৰ পৰিৱৰ্তন সাধিব লাগিব। অসমক এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। তাৰ বাবে জনমত গঠন কৰিব লাগিব। চৰকাৰক বাধ্য কৰিব লাগিব আৰু অৰ্থনৈতিক চিন্তা-চৰ্চা কৰাৰ বাবে এক সামাজিক পৰিবেশৰ সৃষ্টি কৰিব লাগিব।

জাতীয় পুঁজি গঠন আৰু জনমূৰি আয়ৰ বিকাশৰ অন্যতম দিশ অসমৰ কৃষি ক্ষেত্ৰক আত্মনিৰ্ভৰশীল হ'বলৈ বহল আঁচনি প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব। গৰিষ্ঠসংখ্যক গ্ৰামাঞ্চলত বসবাস কৰা অংশটোৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ অৰ্থনৈতিক পৰিকল্পনা বা উন্নয়নৰ দিশ গ্ৰামাঞ্চলক মুখ্য কৰি হ'ব লাগিব। কৃষি আৰু কুটীৰ শিল্পৰ অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত গ্ৰাম্য অৰ্থনীতিক গতি দিয়াত চৰকাৰসমূহক নীতি প্ৰস্তুত কৰাত আৰু পৰিকল্পনা কৰাত বাধ্য কৰিব লাগিব। আন্তঃগাঁঠনিৰ সমস্যাসমূহক চিনাক্ত কৰি তাৰ সমাধানৰ বাবে এক বিশেষ পৰিকল্পনা যুগুত কৰাৰ প্ৰয়োজন হ'ব। কৃষি ক্ষেত্ৰৰ বিকাশ আৰু কৃষিভিত্তিক ঔদ্যোগিক গাঁৱৰ সৃষ্টি কৰি উক্ত স্থানতে প্ৰতিযোগিতামূলক বাণিজ্যিক ক্ষেত্ৰলৈ যাব পৰাকৈ সকলো স্তৰৰ সহযোগ লাগিব। অসমৰ বানিজ্যিক আয় আৰু জনমূৰি আযক প্ৰভাৱান্বিত কৰিব পৰাকৈ আমাক পৰিকল্পনা লাগে। তাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰখন আগত ৰাখি অসমত শিল্পায়নৰ গুৰুত্ব দিয়া উচিত হ'ব। কৃষিভিত্তিক অৰ্থনৈতিক ব্যৱস্থাই বিশেষভাৱেই গ্ৰামাঞ্চলৰ জনমূৰি আয় বৃদ্ধি কৰাত সহায় কৰে যদিও জাতীয় আয় বৃদ্ধি কৰাত সহায় কৰাৰ ক্ষেত্ৰত শিল্পায়ন অপৰিহাৰ্য। শিল্পায়নৰ মাজেৰে অতি উন্নত অৰ্থনীতি গঢ়ি তোলাৰ যোগেদিহে ৰাজ্যৰ ৰাজকোষ শক্তিশালী কৰিব লাগিব। জাতীয় পুঁজি গঠনৰ প্ৰশ্নত শিল্পায়ন মুখ্য বিষয় হ'লেও শিল্পায়নৰ বিকাশৰ ক্ষেত্ৰত বিদ্যুত শক্তিক গুৰুত্ব দিব লাগিব। অসমৰ জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুত শক্তি উৎপাদনৰ বাবে পৰিকল্পনা কৰিব লাগিব। এই শতিকাটোৰ প্ৰথম দশকৰ ভিতৰতে অসমৰ জলসম্পদক বিকল্প সম্পদ হিচাপে গুৰুত্ব দি এক বহুমুখী পৰিকল্পনা যুগুত কৰা উচিত হ'ব। অসমৰ চাহ উদ্যোগৰ উত্তৰণত বাধা নপৰাকৈ অসমৰ ৰাজকোষ শক্তিশালী কৰাত চাহ উদ্যোগক ব্যৱহাৰ কৰিব লাগিব। অসমত বস্ত্ৰ উদ্যোগৰ এখন বহল বজাৰ আছে। তাক ব্যৱহাৰ কৰিব লাগিব। অসমৰ খনিজ সম্পদৰ লগতে প্ৰাকৃতিক গেছৰ স্থিতি আৰু এই

সম্পদৰ প্ৰকৃত ব্যৱহাৰৰ পথ নিৰ্দিষ্ট কৰি অসমৰ জাতীয় পুঁজি বৃদ্ধিৰ দিশটো আগত ৰাখি এক পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। প্ৰস্তাবিত গেছ ক্ৰেকাৰ প্ৰকল্প, বেনজিন প্ৰকল্প আৰু এৰ'মেটিক প্ৰকল্প স্থাপনৰ বাবে গুৰুত্ব দিয়াৰ প্ৰয়োজন হ'ব। বিশ্বত ইলেকট্ৰনিক সামগ্ৰীৰ উৎপাদনৰ বজাৰখনত অসমে খোজ দিব পৰাকৈ অসমত হাৰ্ডৱেৰ, ছফ্‌টৱেৰ, যোগাযোগৰ সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে পৰিকল্পনা কৰিব লাগিব। অহা বছৰসমূহ বায়োটেকন'লজিৰ যুগ হিচাপে চিহ্নিত হ'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত থকা জৈৱ্য বিচিত্ৰতাই বিশ্বৰ বজাৰত এক নতুন দিশৰ সন্ধান দিয়াৰ পূৰামাত্ৰাই সম্ভাৱনা আছে। অসমত থকা ঔষধি বৃক্ষৰ সঠিক সন্ধান কৰাৰ সময় হ'ল। বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ জৰিয়তে অসমৰ জাতীয় অৰ্থনীতিক শক্তিশালী কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অসমত পৰ্যটন উদ্যোগৰো সম্ভাৱনা বহুত। জনমুৰি আয়, ঔদ্যোগিক উৎপাদন আৰু নিয়োগৰ অৱস্থা আদিৰ দ্বাৰা সচৰাচৰ এখন ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ মূল্যায়ন কৰা হয়। অন্যহাতে যাতায়াত আৰু সংযোগৰ অবিহনে আয় আৰু নিয়োগ সৃষ্টিকাৰী অৰ্থনীতি গঢ়ি তুলিব নোৱাৰি। ৰাজ্যখনৰ স্বাৰ্থত এনে প্ৰতিটো দিশতে আমি চিন্তা কৰা, আলোচনা কৰা, ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন হ'ব।

সময় কম— কৰিবলগা বহুত আছে।

❑ ❑ ❑

ঐক্যবদ্ধভাৱে পৰিৱৰ্তনৰ পথ মুকলি কৰিবৰ হ'ল ঃ আমি ক'ত থিয় হৈ আছোঁ

আজিৰ সময় ভয়, সংশয়, সংঘাত, সন্ত্ৰাস, বিশ্বাসৰ সংকটৰ সময়। ৰাজ্যখনৰ অৰ্থনৈতিক অনগ্ৰসৰতা, ৰাজকোষৰ অবাধ লুণ্ঠন আৰু ৰাজনৈতিক অসহযোগিতাই অসমবাসীৰ মনত আশাহীনতাৰ জন্ম দিছে। পৰস্পৰৰ মাজত হোৱা দ্বন্দ্ব আৰু অহমিকাই সামাজিক পৰিস্থিতিটোৰ প্ৰতিয়েই সাধাৰণ মানুহক বিতুষ্ট কৰি তুলিছে। অসমৰ জাতীয় ঐক্য আৰু সংহতি বিপদাপন্ন হোৱাত ৰাজ্যব্যাপি উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। ১৯৪৭ৰ স্বাধীনতা, সংবিধান,ৰাষ্ট্ৰৰ চৰিত্ৰ, অৰ্থনৈতিক লুণ্ঠন, লুণ্ঠনৰ সহায়ক শক্তি, লুণ্ঠন-প্ৰৱঞ্চনাৰ স্বাৰ্থত সৃষ্টি কৰা পৰিবেশ আদি চক্ৰবৃদ্ধি হাৰত বৃদ্ধি হোৱা সমস্যাসমূহ সম্পৰ্কত আজি আলোচনাৰ সময় নহয়। সাতাৱন্ন বছৰৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা আৰু ইতিমধ্যে বহু চৰ্চিত হৈ পৰা বিষয়সমূহ সম্পৰ্কত অসমবাসী অভিজ্ঞ। এতিয়া

যোৱা দহ বছৰৰ জনমূৰি-আয়ৰ গতি

বিত্তীয় বছৰ	ভাৰত	অসম
১৯৯০-৯১	৭৩২১	৫৫৪৪
১৯৯৫-৯৬	৮৪৮৯	৫৭৬০
১৯৯৯-২০০০	১০,০৪৭	৫৯৭৮
২০০০-০১	১০,২৫৪	৫৮৬৮
২০০১-০২	১০,৭৫৪	৫৯৮৯
২০০২-০৩	১১,০১৪	৬১০২

সমস্যাসমূহৰ সমাধান সূত্ৰ নিৰ্ণয়ৰ সময়। তত্বগত আলোচনা আৰু বৌদ্ধিক কচৰতৰ দ্বাৰা বিষয়সমূহ জটিল আৰু দুৰ্বোধ্য কৰাৰ বিপৰীতে অতি সহজভাৱে কেইখোজমান আগুৱাই যোৱাৰহে সময়। তত্বৰো প্ৰয়োজন আছে, বিজ্ঞানসন্মত তথা যুক্তিগত বিতৰ্কৰো প্ৰয়োজন আছে। কিন্তু এই প্ৰয়োজনখিনি সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ন্যস্ত হোৱাকৈ হোৱা উচিত। অন্ততঃ আজিৰ সংকটকালত আমি এই ক্ষেত্ৰত দৃঢ়

হোৱা উচিত যে আমাৰ সমস্যাসমূহ আনে সমাধান নকৰে। নিশ্চিতভাৱে আমিয়ে সমস্যা সমাধান কৰিব লাগিব। তাৰ আগতে অসম আৰু অসমবাসীৰ সমস্যাসমূহৰ প্ৰসংগত আমাৰ ধাৰণা স্পষ্ট কৰিব পাৰিব লাগিব। আজিৰ ৰাজনৈতিক ব্যক্তি আৰু শক্তিসমূহক ৰাইজে প্ৰশ্ন কৰা উচিত যে সেইসকলে অসমৰ সামূহিক উন্নয়নৰ বাবে নিজস্বভাৱে কি ধাৰণা ৰাখিছে, নিজস্ব পৰিকল্পনা কি? অসমৰ প্ৰতিটো জনগোষ্ঠীৰ প্ৰতি সেইসকলৰ দৃষ্টিভংগী সহযোগিতামূলক আৰু মুক্তনে?

অসমৰ ওপৰত ৰাষ্ট্ৰৰ বহিঃ আৰু আভ্যন্তৰীণ শক্তিৰ অবিৰত শোষণ, প্ৰৱঞ্চনা, ৰাষ্ট্ৰই সৃষ্টি কৰা বিদেশী প্ৰব্ৰজনৰ সমস্যা, কদৰ্য দুৰ্নীতিৰ পৰিবেশ, অসমতাপূৰ্ণ সমাজ আৰু শাসনব্যৱস্থাৰ লগতে আৰ্থ-সামাজিক অনগ্ৰসৰতাৰ বিৰুদ্ধে উচিতভাৱেই অসমত এক আঞ্চলিক ৰাজনৈতিক মতবাদৰ খোপনি শক্তিশালী হৈছে। অসমত আঞ্চলিক ৰাজনীতিৰ আদৰ্শগত দিশটো এতিয়াও স্পষ্ট হোৱা নাই যদিও আঞ্চলিকতাবাদে মানুহৰ মনত শক্তিশালীভাৱে চাপ পেলোৱা আৰম্ভ কৰিছে। আজিৰ ব্যক্তিকেন্দ্ৰিক ৰাজনীতিক সমাজকেন্দ্ৰিক ৰাজনীতিলৈ ৰূপান্তৰ কৰাৰ বাবে ক্ষমতাকেন্দ্ৰিক আপোচৰ ৰাজনীতিৰ বিপৰীতে এক সংগ্ৰামী ৰাজনীতিৰ ধাৰা আৰম্ভ হ'বলৈ লৈছে। পলমকৈ হ'লেও অসমৰ মানুহে জাতীয় পুঁজিৰ স্থিতি শক্তিশালী কৰাৰ বাবে চিন্তা আৰু আলোচনা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। এনে অৱস্থাত আজি ভাৰতৰ অন্যান্য ৰাজ্য আৰু ভাৰতবাসীৰ তুলনাত অসম আৰু অসমবাসীৰ অৱস্থান ক'ত, আমি ক'ত থিয় হৈ আছোঁ— সেইটো উপলব্ধি কৰি লোৱা হ'ব।

নতুন দিল্লীৰ ৰাজীৱ গান্ধী ইন্ষ্টিটিউটে ওঠৰখন ৰাজ্যৰ মাজত ২০০২ চনত চলোৱা এক সমীক্ষাত অসমৰ স্থান যোল্ল নম্বৰত পৰিছে। ইন্ষ্টিটিউটৰ দ্বাৰা চৌধ্যটা বিষয়ৰ ওপৰত সমীক্ষা চলাইছিল। সমীক্ষাটোৰ মতে, ওঠৰখন ৰাজ্যৰ ভিতৰত সাধাৰণ সাফল্যত অসমৰ স্থান যোল্ল নম্বৰত। একেদৰে আন্তঃগাথনিৰ পৰিৱৰ্তন, ক্ৰয় ক্ষমতা আৰু কৃষিখণ্ডত অসমৰ স্থান যোল্ল নম্বৰত। আইন-শৃংখলাৰ দিশত অসম ওঠৰ নম্বৰত। সমৃদ্ধি আৰু গণ-মাধ্যমৰ শিতানত অসমৰ স্থিতি সোঁতৰত। পুঁজিৰ বিনিয়োগ, বিত্তীয় ক্ষেত্ৰ আৰু উচ্চ মূল্যৰ কৃষিক্ষেত্ৰত অসমৰ স্থান পোন্ধৰত। কেৱল পৰিবেশ শিতানতহে অসম ওঠৰখন ৰাজ্যৰ ভিতৰত পঞ্চম স্থানত।

সমীক্ষাটোৰ মতে, ওঠৰখন ৰাজ্যৰ ভিতৰত চৌধ্যটা শিতানৰ চাৰিটাত পঞ্জাব, তিনিটাত মহাৰাষ্ট্ৰ, তিনিটাত কেৰালা, দুটাত তামিলনাডু আৰু এটাকৈ শিতানত হিমাচল আৰু ঝাৰখণ্ড প্ৰথম স্থানত। স্বাধীনতাৰ সাতাৱন্ন বছৰৰ পিছতো অসমৰ এনে স্থিতিৰ প্ৰসংগত আজি মুকলিকৈ আলোচনা কৰা উচিত। এনে সন্ধিক্ষণত আমাৰ মাজত দুটা প্ৰশ্ন— আমি এতিয়া কি কৰা উচিত আৰু ৰাজ্যখনক সঠিকভাৱে নিবৰ বাবে আমাক কোনে নেতৃত্ব দিব?

জনমূৰি আয়, ঔদ্যোগিক উৎপাদন আৰু নিয়োগৰ এক সন্তোষজনক অৱস্থা আদিৰ দ্বাৰা সচৰাচৰ এখন ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ মূল্যায়ন কৰা হয়। এই তিনিটা ক্ষেত্ৰতে অসমৰ স্থান পুতৌলগা। এই দিশত পৰিৱৰ্তনৰ বাবে বহু কৰিবলগা আছে। 'কেট'ৰ জেনেৰেলৰ এক প্ৰতিবেদন মতে, অসম চৰকাৰৰ বিত্তীয় দিশটোৰ অপচয়, পৰিহাৰ্য ব্যয়, অবাবত ব্যয়, বিধি উলংঘা কৰি ব্যয়, অন্যায়ভাৱে ধন আদায় দিয়া আদি বিষয়বোৰ স্পষ্ট হৈ আছে। ৰাজ্যৰ বিত্তীয় প্ৰশাসনিক দিশটো শৃংখলিত নহয়। প্ৰশাসনৰ অতি দুৰ্বল দিশটোৱেই হ'ল দুৰ্নীতি। আমাৰ আমোলাতন্ত্ৰত দুৰ্নীতিয়ে উলম্বভাৱে অৱস্থান কৰিছে। ফলত দুৰ্নীতিয়ে আজি বিধিগত ৰূপ লৈছে। লগে লগে উৎকোচৰ চাহিদাও বৃদ্ধি পাইছে। ৰাজ্যখনৰ সকলো দিশতে অৰ্থনৈতিক অচলাৱস্থা। আয়ৰ উৎস যত সামান্য। দুৰ্নীতিৰ জৰিয়তে আয়ৰ এক বুজন অংশ মন্ত্ৰী, আমোলা আদি ব্যক্তিগত হাতলৈ গুচি যায়। এটা নিৰ্দিষ্ট শ্ৰেণীৰ হাতত ধন আবদ্ধ হৈ পৰাৰ ফলত ৰাজ্যৰ অৰ্থনীতিৰ ভাৰসাম্যতাত আঘাত পৰে— লগে লগে সমাজতো তাৰ প্ৰভাৱ পৰে। আমাৰ প্ৰস্তাৱ হ'ল অসমে আজি নিজস্ব ৰাজহ বৃদ্ধি কৰিব লাগিব আৰু ঘৰুৱা উৎপাদন বৃদ্ধি কৰিব লাগিব। অসমৰ জনমূৰি আয়ৰ সৰ্বভাৰতীয় হাৰৰ তুলনাত ক্ৰমাৎ গুৰুত্ব বাঢ়ি গৈছে। ১৯৯০-৯১ বিত্তীয় বছৰত সৰ্বভাৰতীয় হাৰৰ জনমূৰি আয়ৰ তুলনাত অসমে ১,৭৭৭টকা পিছপৰি আছিল। ২০০২-০৩ বিত্তীয় বছৰত অসমৰ জনমূৰি আয় ৬,১০২টকাৰ বিপৰীতে সৰ্বভাৰতীয় হাৰ ১১,০১৪টকা। অৰ্থাৎ যোৱা দহটা বছৰতে জনমূৰি আয়ৰ সৰ্বভাৰতীয় হাৰৰ তুলনাত অসম ৪,৯১২টকাত পিছপৰি ৰ'ল। তাৎক্ষণিকভাৱে জনমূৰি আয়ৰ এই দূৰত্ব কমাব নোৱাৰিলে অসমৰ পৰিৱৰ্তন সম্ভৱ নহ'ব।

অন্য এক গুৰুত্বপূৰ্ণ দিশ হ'ল ৰাজ্যিক ঘৰুৱা উৎপাদন। অসমৰ অৱস্থা অতি পুতৌলগা। অষ্টম পৰিকল্পনা অৰ্থাৎ ১৯৯২-১৯৯৭ত সৰ্বভাৰতীয় ৬.৭শতাংশৰ বিপৰীতে অসমৰ ঘৰুৱা উৎপাদন মাত্ৰ ২.৮শতাংশ। নৱম পৰিকল্পনাত অৰ্থাৎ ১৯৯৭-২০০২-ত সৰ্বভাৰতীয় হাৰ ৫.৪ শতাংশলৈ নামিল। লগে লগে অসমৰো নামিল ২.১ শতাংশলৈ। ৰাজ্যৰ অৰ্থনৈতিক ছবিখনৰ বাবে এনে স্থিতি অতি ভয়াবহ। অৱশ্যে দশম পৰিকল্পনাত ২.১শতাংশক ৯শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছে যদিও ই এক আভুৱা-ভাঁৰা প্ৰস্তাৱৰ বাহিৰে একো নহয়। উন্নয়নৰ প্ৰচেষ্টাত জনসংখ্যা আৰু আয় বৃদ্ধিৰ হাৰত এটা সামঞ্জস্য আনিব নোৱাৰিলে অসমৰ অৰ্থনৈতিক পৰিস্থিতি অতি শোচনীয় হ'ব। অসমৰ জনসংখ্যা ১৯৭১ চনত ১.৪১কোটি। ২০০১ত ২.৬৬কোটি। যোৱা দশকটোৰ জনসংখ্যা বৃদ্ধিৰ গতিলৈ লক্ষ্য কৰি এটা সিদ্ধান্তলৈ আহিব পৰা যায় যে ২০১১, ২০২১ আৰু ২০৩১ চনত অসমৰ জনসংখ্যা হ'ব ক্ৰমে ৩.০৩কোটি, ৩.৪৮কোটি আৰু ৪কোটি। অহা ২৫ বছৰত অসমৰ জনসংখ্যা

চাৰি কোটি হোৱাৰ লক্ষ্য আগত ৰাখিহে আমাৰ ভৱিষ্যৎ পৰিকল্পনা হ'ব লাগিব। অসমৰ ঔদ্যোগিক তথা কৃষি অৰ্থনীতিৰ বিকাশেৰে জাতীয় পুঁজিক শক্তিশালী কৰিবলৈ হ'লে অসমত আভ্যন্তৰীণ বজাৰ-ব্যৱস্থা

ৰাজীৱ গান্ধী ইন্‌ষ্টিটিউটৰ সমীক্ষাত অসমৰ স্থান

শিতানসমূহ	অসমৰ স্থান	প্ৰথম স্থান
সাধাৰণ সাফল্য	১৬	পাঞ্জাব
পুঁজিৰ বিনিযোগ	১৫	তামিলনাডু
আন্তঃগাঁথনিৰ পৰিৱৰ্তন	১৬	মহাৰাষ্ট্ৰ
বিত্তীয় ক্ষেত্ৰত	১৫	মহাৰাষ্ট্ৰ
সামাজিক ক্ষেত্ৰত	১২	কেৰালা
পৰিৱেশ	৫	ঝাৰখণ্ড
আইন-শৃংখলা	১৮	কেৰালা
সমৃদ্ধিত	১৭	কেৰালা
গণ মাধ্যম	১৭	তামিলনাডু
ক্ৰয় ক্ষমতা	১৬	পাঞ্জাব
ব্যক্তিগত বিত্তীয় ক্ষেত্ৰত	১৭	পাঞ্জাব
কৃষি শিতান	১৬	পাঞ্জাব
উচ্চ মূল্যৰ কৃষি	১৫	হিমাচল
কৰ্মবাহিনী	১৩	মহাৰাষ্ট্ৰ

গঢ়ি তোলাৰ প্ৰযোজন হ'ব। বজাৰ-ব্যৱস্থাটোক শক্তিশালী কৰিবলৈ হ'লে অসমৰ জনগণৰ ক্ৰয় ক্ষমতা বৃদ্ধি পাব লাগিব আৰু ক্ৰয় ক্ষমতা বৃদ্ধি হ'বলৈ হ'লে সংস্থাপন অপৰিহাৰ্য। সমস্যাবহুল অসমত এই মুহূৰ্তত সংস্থাপনৰ বিষয়টো অতিশয় গুৰুত্বপূৰ্ণ। বিভিন্ন সামাজিক সংঘাতৰ ক্ষেত্ৰত সংস্থাপনৰ অভাৱক অন্যতম কাৰণ বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। অসমৰ প্ৰতিজন ব্যক্তিৰ জনমূৰি আয় বৃদ্ধি কৰাৰ স্বাৰ্থ আগত ৰাখি নিযোগ ব্যৱস্থাটোক গতিশীল কৰিব পাৰিলে আৰু প্ৰতিজন ব্যক্তিক এক ব্যস্ততাৰ মাজত ৰাখিব পাৰিলে সামাজিক সংঘাতৰ বৰ্দ্ধখিনি উপশম কৰিব পৰা যাব।

অসমৰ ৭৩.৯৯শতাংশ মানুহ কৃষিৰ লগত জড়িত যদিও প্ৰকৃত কৃষক ৫০.৯০শতাংশ। ১২.০৮শতাংশ কৃষি শ্ৰমিক। ১০.৫২ শতাংশই হাঁহ-কুকুৰা-মীন

পালন কৰে আৰু ০.৪৯শতাংশই কুৰেৰী, খনি আদিত শ্ৰমিক হিচাপে কাম কৰে। কৃষিক্ষেত্ৰত গৰিষ্ঠসংখ্যাক জড়িত যদিও অসমৰ এই ক্ষেত্ৰখনৰ অৱস্থান অতি নিৰাশাজনক। জনমূৰি কৃষিভূমিৰ পৰিমাণ সৰ্বভাৰতীয় হাৰ ১৯হেক্টৰ অৰ্থাৎ ১৩০ বিঘাৰ পৰিবৰ্তে অসমত ১১ হেক্টৰ অৰ্থাৎ ৮৩ বিঘা। জনমূৰি খাদ্য উৎপাদন পঞ্জাৱত ৯১৩ কে জি, হাৰিয়ানাত ৫৮৩ কে জি, পশ্চিমবঙ্গত ২৭০ কে জি, উৰিষ্যাত ২৩০ কে জি, মধ্য প্ৰদেশত ২৪৪ কে জি। অসমত মাত্ৰ ১৩৫ কে জি। প্ৰতি হেক্টৰত ফচল উৎপাদনৰ পৰিমাণ পঞ্জাৱত ৩,৩৮৯ কে.জি, হাৰিযানাত ২,৩৫০ কে.জি, পশ্চিমবঙ্গত ১,৭২৭ কে জি ৰ বিপৰীতে অসমত উৎপাদন মাত্ৰ ১,২৫৬ কে জি। ইয়াৰ পৰিবৰ্তনৰ প্ৰয়োজন হ'ব। বিত্তীয় প্ৰতিষ্ঠানে ৰাজ্যত বিনিয়োগ কৰাৰ বিপৰীতে অসমৰ নিজস্ব পুঁজি এনে প্ৰতিষ্ঠানৰ জৰিয়তে বহিঃগমন হৈ আছে। যিটো অসমৰ অৰ্থনৈতিক অৱস্থাৰ বাবে অতি ভয়ংকৰ কাৰ্য। বেংকসমূহে অসমত জমা পুঁজিৰ ষাঠি শতাংশ বিনিয়োগ কৰিবলগাৰ বিপৰীতে মাত্ৰ ৩৩শতাংশহে অসমত বিনিয়োগ কৰিছে। অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহেও সৰ্বভাৰতীয় তুলনাত মাত্ৰ ০.৪৩শতাংশহে অসমত বিনিয়োগ কৰিছে। এনে পৰিস্থিতিত অসমৰ আৰ্থিক ব্যৱস্থাটোৰ সন্মুখত এক নতুন প্ৰত্যাহ্বান আহি পৰিছে। সংস্কাৰৰ প্ৰচলিত পথেৰে আগবাঢ়িম নে অসমৰ বাবে নিজস্ব এক সংস্কাৰৰ ব্যৱস্থা কৰিম?

❑ ❑ ❑

অসমীয়া জাতি গঠনৰ ধাৰণা স্পষ্ট হ'ব লাগিব

নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সৈতে হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ ত্ৰিপাক্ষিক বৈঠকত অসমীযাৰ সংজ্ঞা নিৰূপণ কৰাত ব্যৰ্থ হ'ল। উল্লেখ্য যে বিদেশী নাগৰিক বহিষ্কাৰ কৰা সম্পৰ্কত হোৱা চুক্তিৰ ৰক্ষাকবচ আৰু অৰ্থনৈতিক বিকাশ শীৰ্ষক এটা শিতান আছিল। উক্ত শিতানত 'অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্ৰশাসনীয় ৰক্ষাকবচ দিয়া হ'ব' বুলি প্ৰতিশ্ৰুতিৰ চুক্তি কৰা হৈছিল। ত্ৰিপাক্ষিক বৈঠকত আছুৱে এই গুৰুত্বপূৰ্ণ দিশটোত হেঁচা দিযাত চুক্তি স্বাক্ষৰ কৰা বিছটা বছৰ অতিক্ৰম কৰাৰ মুহূৰ্তত কেন্দ্ৰীয় চৰকাৰে জনালে— তেওঁলোকৰ ওচৰত অসমীযাৰ সংজ্ঞা নাই। এক মৰ্মান্তিক ঘটনা। তাতোকৈ দুখজনক কথা হ'ল— আমি কোন, আমাৰ পৰিচয় কি, সেই প্ৰসংগটো দিল্লীৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। শেহতীযাভাৱে অসম সাহিত্য সভাই অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে আলোচনা-বিলোচনা আৰম্ভ কৰা পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক অসমত গোষ্ঠীগত প্ৰৱণতাই জাতীয় চেতনাবোধক সংকুচিত কৰি অনা পৰিলক্ষিত হৈছে। শাসন তথা ক্ষমতাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত এক শ্ৰেণী অসমীয়া লোকৰ ধ্যান-ধাৰণাই গোষ্ঠীগত প্ৰৱণতাৰ অংকুৰণৰ অন্যতম কাৰণ। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক আজিও স্পষ্টভাৱে দাঙি ধৰিব নোৱৰাত আৰু জাতি গঠন প্ৰক্ৰিয়াত জনগোষ্ঠীসমূহৰ যোগাত্মক সহযোগক আমি স্বীকাৰ কৰিব নিবিচৰাৰ বাবেই আমাৰ মাজত আজি সংঘাতৰ সৃষ্টি হৈছে। জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ প্ৰকৃত বিকাশৰ বাবে আৰু এক সন্মানজনক স্থিতিলৈ অনাৰ ক্ষেত্ৰত আমাৰ অ-সহযোগিতাই আজি অসমত এক বিশ্বাসৰ সংকটৰ সৃষ্টি কৰিছে। অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত স্থায়ীভাৱে বাস কৰি অসমৰ সমাজজীৱনত একাকাৰ হৈ পৰা বিভিন্ন ধৰ্ম, বৰ্ণ, গোষ্ঠীৰ ওপৰত আমাৰ এক স্পষ্ট ধাৰণা থকা উচিত। এই ধাৰণাৰ লগত অসমীয়া জাতি গঠনৰ সূত্ৰৰ সম্পৰ্ক কেনে,

এই দিশবিলাকৰ ওপৰতো মুক্ত আলোচনা হোৱা প্ৰযোজন। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া বহু হাজাৰ বছৰৰ পূৰ্বে আৰম্ভ হৈছিল। বিভিন্ন যুগৰ বিভিন্ন সময়ত জাতি গঠনৰ প্ৰসংগত বেলেগ বেলেগ দৃষ্টিভংগীৰে ব্যাখ্যা কৰাৰ বাবে অসমীয়া জাতি গঠনৰ স্পষ্ট মতবাদ প্ৰকৃততে আজিও স্পষ্ট হোৱা নাই। যাৰ বাবে বৰ্তমান অসমীযা জাতি গঠনৰ ক্ষেত্ৰত এক জটিল প্ৰক্ৰিযাৰ সৃষ্টি হৈছে।

ভৌগোলিক আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে অসমত বিভিন্ন জনগোষ্ঠীৰ এক অনন্য ৰূপ লোৱা পৰিলক্ষিত হয়। নৃতাত্বিক দৃষ্টিকোণৰ পৰা বিশ্বৰ মানৱৰ নৃতাত্বিক বিৱৰ্তনৰ ফলত বিশ্বৰ বিভিন্ন মানৱ প্ৰজাতিৰ প্ৰব্ৰজন আৰু সংমিশ্ৰণে অসমত এক নতুন দিশৰ সঞ্চাৰ কৰিছে। এই প্ৰব্ৰজন আৰু সংমিশ্ৰণে অসমৰ সমূহ জনগোষ্ঠীৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিযাত এক বিশেষ ৰূপ ধাৰণ কৰাইছে, যিটো প্ৰচলিত জাতি গঠনৰ সূত্ৰৰ লগত সাদৃশ্য নাই। সেই কাৰণেই অসমীযা জাতি গঠনৰ ভিত্তিৰ ওপৰত বহলাই আৰু বিশেষ গুৰুত্বসহকাৰে আলোচনা হোৱা প্ৰয়োজন। জাতি গঠনৰ সূত্ৰৰ বিষয-বস্তুক হৃদয়ঙ্গম কৰিব নোৱাৰিলে অসমৰ গোষ্ঠীগত প্ৰৱণতা আৰু জাতিগত দাম্ভিকতা আঁতৰ কৰা সম্ভৱ নহয। এই দিশটোক পৰিষ্কাৰ নকৰাকৈ অসমৰ সামূহিক জনগণৰ আৰ্থ-সামাজিক সমস্যাৰ উত্তৰণ অসম্ভৱ।

ঐতিহাসিক দৃষ্টিভংগীৰে জাতি হ'ল ঐতিহাসিকভাৱে সংগঠিত এটা স্থাযী জনগোষ্ঠী। যিয়ে এটা উমৈহতীয়া ভাষা, এক উমৈহতীয়া বাসভূমি, এক উমৈহতীযা অৰ্থনৈতিক জীৱন আৰু এটা উমৈহতীযা মানসিকতা— এই চাৰিটা প্ৰধান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গঢ লৈ উঠিছে। কিন্তু অসমীযা জাতি গঠনৰ ক্ষেত্ৰত প্ৰচলিত সূত্ৰৰ স্থান, কাল আৰু পাত্ৰৰ লগতে ছেদবিন্দুগত বৈশিষ্ট্যক সামৰি ত্ৰিবিৰ্মীতিয় ধাৰণাৰ সলনি চতুৰ্বিৰ্মীতিয় ধাৰণাৰ উত্থাপন কৰিবলগা হয। জাতি এটা গঢি উঠাৰ ক্ষেত্ৰত উমৈহতীয়া ভাষা, উমৈহতীয়া বাসস্থান, আভ্যন্তৰীণ অৰ্থনৈতিক যোগসূত্ৰ আৰু মানসিক গঢ বিশেষ বৈশিষ্ট্য হ'লেও অসমত এই বৈশিষ্ট্যসমূহ এটা ধাৰাৰ নহয় বা এটা গোষ্ঠীৰ নহয়। প্ৰতিটো বিষযেই বিভিন্ন জনগোষ্ঠীৰ নিজস্ব বিষয়ৰ সংমিশ্ৰণ। যি সংমিশ্ৰণক এক ছেদবিন্দুগত বৈশিষ্ট্য বুলি ক'ব পৰা হয়। অসমলৈ বহু শতিকাৰ পূৰ্বে অষ্ট্ৰিয়া আৰু প্ৰাচীন ককেচিয় প্ৰজাতিৰ লোকৰ প্ৰব্ৰজন হয় বুলি নৃতাত্বিকসকলে কয। ইয়াৰ পিছতে মংগোলীয়সকল, আৰু তাৰ পিছতে ককেচিয় প্ৰজাতিৰ লোকসকলৰ প্ৰব্ৰজন হয়। মংগোলীয় লোকসকলে উত্তৰ-পূব দিশেৰে আৰু প্ৰাচীন ককেচিয় প্ৰজাতিৰ লোকসকলৰ পূব-পশ্চিম দিশেৰে প্ৰব্ৰজন হয় বুলি কয়। প্ৰব্ৰজনকাৰী এই বিভিন্ন প্ৰজাতিসমূহৰ সংমিশ্ৰণেই অসমীয়া জাতি গঠনৰ মূল ভিত্তি। অসমীয়াৰ জৈৱিক চৰিত্ৰত এই প্ৰজাতিসমূহৰ অৱদান স্পষ্ট। প্ৰজাতিৰ

বিভিন্নতাই অসমত বহু জনগোষ্ঠী সৃষ্টিৰ উৎস। অসমৰ ভৌগোলিক সীমাৰেখাৰ ভিতৰত বাস কৰা এই বিভিন্ন জনগোষ্ঠীয়ে ইতিহাসৰ ঘটনাপ্ৰবাহৰ লগত এক সংহতিপূৰ্ণ ভৌগোলিক অৱস্থান লৈছে আৰু এক অৰ্থনৈতিক কাঠামোৰ সৃষ্টি কৰিছে। এই জনগোষ্ঠীসমূহৰ ভৌগোলিক অৱস্থান আৰু অৰ্থনৈতিক দিশে অসমীয়া জাতিৰ এক উমৈহতীয়া বাসভূমি আৰু উমৈহতীয়া অৰ্থনৈতিক যোগসূত্ৰ স্থাপন কৰিছে। যিয়ে জাতি গঠনৰ সূত্ৰৰ এক জনগোষ্ঠীৰ ত্ৰিবিৰ্মীতিয় ধাৰণাৰ ঠাইত চতুৰ্বিৰ্মীতিয় ধাৰণাৰ সৃষ্টি কৰিছে। মূলতঃ অসমৰ ভৌগোলিক খণ্ডত যিকেইটা জনগোষ্ঠীয়ে ইতিহাসৰ বিভিন্ন ঘটনাপ্ৰবাহৰ মাজেৰে এক সংহতিপূৰ্ণ বসতি স্থাপন কৰি আহিছে, তেওঁলোকৰ বাসভূমি আৰু অৰ্থনৈতিক জীৱনে অসমীয়া জাতিগত প্ৰক্ৰিয়াক গতিশীল কৰিছে।

আজিৰ অসমীয়া সংস্কৃতি অসমৰ বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত সৃষ্টি হোৱা এক সংস্কৃতি। ভাষা-সংস্কৃতিৰ এক মৌলিক উপাদান। প্ৰজাতিসমূহৰ বিভিন্ন জনগোষ্ঠীৰ নিজৰ ভাষা-সংস্কৃতিৰ এক সংমিশ্ৰণত সৃষ্টি হৈছে অসমীয়া ভাষা। প্ৰতিটো জনগোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতি আছে। আৰু এই ভাষা-সংস্কৃতিৰ বিকাশ এক মৌলিক বিষয়। জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ সংমিশ্ৰণ আৰু অৱদানত সৃষ্টি হোৱা অসমীয়া ভাষা সংস্কৃতিৰ বিকাশ সম্পূৰ্ণ হ'ব নোৱাৰে, যদিহে জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিসমূহৰ বিকাশ সম্ভৱ নহয়। আমি মনত ৰখা নিশ্চয় উচিত হ'ব যে মানৱ প্ৰজাতিসমূহৰ সংমিশ্ৰণ আৰু অৱদানেৰে সৃষ্টি হোৱা অসমীয়া ভাষাক প্ৰাচীন প্ৰজাতীয় লোকসকলে অসমলৈ আহি নিজৰ মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। অসমৰ বিভিন্ন জনগোষ্ঠীসমূহেও নিজৰ ভাষাক সংৰক্ষণ আৰু উন্নত কৰাৰ লগতে অসমীয়া ভাষাক এক উমৈহতীয়া ভাষা ৰূপে বহু যুগৰ পূৰ্বেই গ্ৰহণ কৰি আহিছে। অসমীয়া ভাষাক উমৈহতীয়া ভাষা হিচাপে গ্ৰহণ কৰা জনগোষ্ঠীসমূহৰ ভাষাৰ মৰ্যাদা দিব নিবিচাৰিলে গোষ্ঠীগত সংঘাত সৃষ্টি হোৱাটো স্বাভাৱিক, যিটো আজিৰ অসমত স্পষ্ট হৈছে। বিভিন্ন **প্ৰজাতিৰ** লোকে যি ভাষা-সংস্কৃতি লৈ অসমত প্ৰৱেশ কৰিছিল আৰু পূৰ্বৰে পৰা অসমত আছিল, সময়ত সেইবোৰৰ পৰিৱৰ্তন ঘটিল। তেওঁলোকৰ ভাষা যিয়েই নহওক, বৰ্তমান তেওঁলোকে নিজে যি ভাষা কয়, সেইবোৰেই পৰিৱৰ্তিত হৈ বৰ্তমানৰ ৰূপ লৈছে অসমত। এই ভাষাও অসমৰ ভাষা। অসমৰ ভাষা কোৱা বিভিন্ন জনগোষ্ঠীসমূহেই অসমীয়া। অসমৰ বিভিন্ন প্ৰজাতি আৰু জনগোষ্ঠীৰ সংমিশ্ৰণৰ ফলত যি অসমীয়া ভাষাৰ সৃষ্টি হ'ল, ইয়েই জাতি গঠনৰ ত্ৰিবিৰ্মীতিয় ধাৰণাৰ সলনি চতুৰ্বিৰ্মীতিয় ধাৰণাৰ সৃষ্টি কৰি অসমীয়া জাতি গঠনৰ সূত্ৰৰ পূৰ্ণতা কৰিছে।

পূৰ্বৰ মানৱ প্ৰজাতিসমূহৰ প্ৰব্ৰজন আৰু সংমিশ্ৰণৰ বহু পাছত প্ৰাচীন ককেচিয়

প্ৰজাতিৰ অন্তৰ্গত আজিৰ চাহ জনগোষ্ঠী শ্ৰেণীৰ অসমলৈ প্ৰব্ৰজন হৈছে। আনহাতে, প্ৰায় বাৰশ শতাব্দীৰ পৰাই অসমলৈ ককেচিয় প্ৰজাতিৰ ইছলামধৰ্মীয় সম্প্ৰদায়ৰ লোকসকল আহি অসমীয়া জাতিৰ মাজত এক জনগোষ্ঠী হিচাপে অসমীয়া জাতিৰ শক্তি বৃদ্ধি কৰিছে। এই সংঘটনৰ ফলস্বৰূপে অসমৰ সামূহিক জনগোষ্ঠীৰ জাতিগঠনৰ প্ৰক্ৰিয়া এতিয়াও শেষ হোৱা নাই। ভাৰতৰ অন্য ৰাজ্যৰ পৰাও অসমলৈ এনেদৰে প্ৰব্ৰজন হৈছিল ব্ৰিটিছৰ শাসনকালৰে পৰা। পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, পঞ্জাব, ৰাজস্থানৰ লগতে নেপাল আৰু পূৰ্বৰ পূব পাকিস্তানৰ পৰা অসমলৈ প্ৰব্ৰজিত হৈ স্থায়ীভাৱে অসমত বসবাস কৰি অসমীয়া জাতিৰ লগত সম্পূৰ্ণৰূপে জাহ যোৱা বহু লোক আছে। এনে ক্ষেত্ৰত অসমীয়া জাতিৰ এই প্ৰক্ৰিয়াটোক হৃদয়ঙ্গম কৰিব নোৱাৰাকৈ আমি অসমৰ সামূহিক পৰিৱৰ্তনৰ বাবে আগুৱাই যোৱাটো কাৰ্যকৰী হ'ব নোৱাৰে। এই দিশত বৌদ্ধিক কছৰৎ কৰাৰ পৰিৱৰ্তে মুক্ত আৰু আত্মিক ভাব গঢ়ি তুলিব পাৰিলে আৰু পৰস্পৰৰ প্ৰতি সহায় আৰু সন্মানজনক স্থিতি ৰাখিব পাৰিলেহে গোষ্ঠীগত চিন্তাৰে সংকুচিত হৈ পৰা অসমৰ সমাজখনক বিশ্বত নহ'লেও ভাৰতত থিয় কৰাব পৰা যাব। লগে লগে অসমৰ ভৌগোলিক খণ্ডৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক সমস্যাৰো সমাধানৰ সূত্ৰ নিৰ্ণয় হ'ব।

❑ ❑ ❑

জনজাতিৰ সমস্যাসমূহ
অসমবাসীৰ জাতীয় সমস্যা

সমস্যাসমূহৰ ঐতিহাসিক পটভূমি ঃ

দীৰ্ঘদিন ধৰি অ-সমাধান হৈ থকা জনজাতীয় সমস্যাই এক জাতীয় সমস্যাৰ ৰূপ ধাৰণ কৰিছে। আধুনিক ভাৰতবৰ্ষত বিভিন্ন জাতিসমূহৰ বিকাশ যিদৰে আৰম্ভ হ'ল তেনেদৰে, জনজাতিৰ বিকাশৰ ক্ষেত্ৰত কোনো উল্লেখযোগ্য পৰিৱৰ্তন দেখা নগ'ল। ভাৰতৰ পুঁজিবাদী বিকাশৰ ধাৰাত পৰি সকলো জাতিগত বৈশিষ্ট্য থাকিও জনজাতিসকলে আৰ্থ-সামাজিক দিশত প্ৰগতি লাভ কৰা নাই।

ভাৰতৰ বিভিন্ন গোষ্ঠী আৰু উপগোষ্ঠীত বিভক্ত হৈ থকা জনজাতিসকলৰ বেছিভাগৰে নিজস্ব ভাষা আছে, সাংস্কৃতিক ঐতিহ্য আছে আৰু বহুতৰে নিজস্ব অৰ্থনৈতিক গাঁঠনি আৰু ইতিহাসগত বাসভূমি আছে। ভাৰতৰ দৰে বহুজাতিক ৰাষ্ট্ৰত জাতিসমূহৰ সকলোৰে ক্ষেত্ৰত সকলো স্তৰত সম-অধিকাৰ আৰু সম-মৰ্যাদাৰ অতি প্ৰয়োজন। এইটোৱেই হৈছে গণতান্ত্ৰিক আৰু বহুজাতিক দেশত ঐক্য আৰু সংহতি বজাই ৰখাৰ মূল ভিত্তি। কিন্তু স্বাধীনতাৰ ক্ষমতা হস্তান্তৰৰ পিছত ভাৰতৰ শাসন ধনীক শ্ৰেণীটোৰ হাতত তুলি দিয়াত এই শাসকসকলে জাতিসমূহৰ তথা জনগোষ্ঠীসমূহৰ গণতান্ত্ৰিক অধিকাৰক মূল্য দিব নিবিচাৰিলে। ব্ৰিটিছৰ সাম্ৰাজ্যবাদৰ শোষণত কঁকাল ভাঙি দিয়া জনজাতিৰ অৰ্থনীতিক পুঁজিবাদী শাসনে শেষ পৰ্যায়লৈ ঠেলি দিলে। আদিম জনজাতীয় অৰ্থনীতিৰ প্ৰগতিশীল ৰূপটোৰ বিপৰীতে পুঁজিবাদী শাসনে নিজস্ব এক আৱেগিক দৰ্শনেৰে গতি কৰিব বিচৰাটোৱেই আছিল জনজাতিৰ ওপৰত প্ৰথমটো ভুল পদক্ষেপ। স্বাধীনতাৰ পিছত পুঁজিবাদী শাসনে জনজাতিৰ নিজস্ব বিকাশমুখী যৌথ অৰ্থনৈতিক ভেঁটিৰ ওপৰত গুৰুত্ব নিদি নতুন ৰাষ্ট্ৰনীতিৰে জনজাতি লোকৰ মাজত পুঁজিবাদী নীতিৰ অনুপ্ৰৱেশ ঘটালে। পুঁজিবাদীৰ প্ৰতিক্ৰীয়াশীল নীতিৰে জাতিগত বৈষম্য আৰু অসমতাৰে জনজাতিসকলৰ ওপৰত শোষণ চলাই ৰাখিলে। জনজাতিসকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক সম্পূৰ্ণ উলাই কৰি গ'ল। সেইবাবেই আজি ভূমি, চাকৰি, শিক্ষাৰ ক্ষেত্ৰত সংৰক্ষণ; ভাষা-সংস্কৃতিৰ

স্বীকৃতি আৰু সুৰক্ষা, নিজস্ব লিপি আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীৰ ভিত্তিত জনজাতীয়সকল আন্দোলনমুখী হ'বলৈ বাধ্য হৈছে।

বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত গঠিত অসমীয়াসকলৰ প্ৰতিনিধিলৈ ক্ষমতাৰ হস্তান্তৰ ঘটিছিল স্বাধীনতাৰ ঠিক আগে আগে। ব্ৰিটিছৰ শাসনকালত অসমত এটা শ্ৰেণীৰ সৃষ্টি হৈছিল, যিসকলে ব্ৰিটিছক ইয়াকে প্ৰতীয়মান কৰিছিল যে অসমৰ উত্তৰাধিকাৰী তেওঁলোকেই, অসমৰ উন্নতিৰ বাবে কায়মনোবাক্যে কাম কৰা ব্যাক্তিসকল তেওঁলোকেই। তেওঁলোকেই অসমৰ ত্ৰাণকৰ্তা। ওপৰোক্ত শ্ৰেণীটোৰ অন্তৰ্ভুক্ত কিন্তু সৰ্বসাধাৰণ ৰাইজ নাছিল, আছিল অসমৰ তথাকথিত বুদ্ধিজীৱী আৰু আমোলাসকল। বিভিন্ন কৌশলৰ আশ্ৰয় লৈ এই শ্ৰেণীটোৱেই এদিন অসমৰ শাসনভাৰ দখল কৰিলে আৰু এই শ্ৰেণীটো বিভিন্ন দিশত এনেধৰণে সোমাই পৰিল যে অতি কম সময়তে তেওঁলোকে সৰ্বত্ৰ নিজৰ আধিপত্য স্থাপন কৰি ল'লে আৰু অসমৰ আন আন থলুৱা জনগোষ্ঠীৰ প্ৰতি এক আওঁকণীয়া মনোভাব গ্ৰহণ কৰিলে যাৰ ফলত বিকাশমান স্তৰত থকা থলুৱা জনগোষ্ঠীৰ বিকাশ স্থবিৰ হৈ গ'ল। এই তথাকথিত অসমীয়া শ্ৰেণীটোৰ অৱহেলা আৰু এওঁলোকৰ দ্বাৰা গঠিত বা নিয়ন্ত্ৰিত অসম চৰকাৰৰ ভূমিকা আৰু কাৰ্যই বৰ্তমান অসমত বিভিন্ন থলুৱা জনগোষ্ঠীৰ সমস্যাসমূহৰ সৃষ্টিৰ বাবে দায়ী বুলি কৈ জগৰীয়া। অসমৰ ওপৰত যদি কাৰোবাৰ অধিকাৰ আছে সেয়া জনজাতীয়সকলৰহে। পৃথক গৃহভূমিৰ দাবীক স্বীকাৰ কৰি নল'লেও আমি স্বীকাৰ কৰিব লাগিব যে অসমত অসমীয়াসকলৰ সমপৰ্যায়ৰ এক জনগোষ্ঠী হ'ল এই জনজাতীয়সকল আৰু জনজাতীয়সকলৰ লগত ক্ষমতাৰ সমবিতৰণ স্বীকাৰ কৰিবই লাগিব।

মৌলিক সমস্যাসমূহৰ চিনাক্তকৰণ ঃ

জনজাতিসকলৰ বেছি অংশই কৃষক। প্ৰাক্-ঐতিহাসিক যুগৰে পৰা দেখা গৈছে অসমত কৃষিয়েই অৰ্থনীতিৰ মূল ভেঁটি। যাৰ মাটি আছে, তেওঁৰেই খেতি আছে আৰু তেঁৱেই অৰ্থনৈতিকভাৱে টনকিয়াল। সেইবাবেই এচাম চতুৰ লোকে অধিক মাটি নিজৰ হাতলৈ আনিবলৈ চেষ্টা কৰে। এনেকৈয়ে এচাম মাটিৰ মালিকৰ জন্ম হৈ আহিছে। এই শ্ৰেণীটোৰ পৰাই আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে জনজাতীয় লোকসকল। সুদখোৰ মহাজন আৰু মালিক শ্ৰেণীৰ লগতে জনজাতিৰ বাবে সংৰক্ষিত ভূমি জনজাতীয় কৃষকৰ হাতৰ পৰা অ-জনজাতীয় লোকৰ হাতলৈ হস্তান্তৰ হৈছে। এই শ্ৰেণীটোৰ ভূমিৰ ওপৰত ধাৰাবাহিক শোষণে জনজাতীয় কৃষকৰ ভূমি সংকুচিত কৰি আনিছে যিয়ে জনজাতিসকলৰ অৰ্থনীতিৰ ওপৰত চাপ পেলাইছে। জনজাতিসকলৰ মূল সমস্যা হ'ল ভূমি-সমস্যা। ভূমি-সমস্যাৰ পটভূমিতে সমগ্ৰ জনজাতীয় কৃষক একত্ৰিত হৈ সংগ্ৰামত নামিবলৈ বাধ্য হৈছে। প্ৰকৃতাৰ্থত অসমৰ

ভূমি-ব্যৱস্থাক জনগণৰ স্বাৰ্থত আজিও পৰিৱৰ্তন নকৰাৰ বাবে জনজাতীয় লোকৰ ভূমিৰ সংকট তীব্ৰতৰ হৈছে। জনজাতিৰ সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে ১৯৪৮ চনত ঘোষণা কৰিছিল যে "জনজাতিসকলৰ ভূমিত অ-জনজাতীয লোকক বাস কৰিবলৈ দিয়া নহ'ব আৰু জনজাতিসকলৰ ভূমি অজনজাতীযৰ হাতলৈ হস্তান্তৰ কৰা নচলিব।" জনজাতিসকলৰ সুৰক্ষা আৰু ভূমি হস্তান্তৰ বন্ধৰ উদ্দেশ্য আগত ৰাখি ১৯৪৭ চনত Assam Land and Revenue Regulation Act 1886-ত Chapter-X সংযোজন কৰা হ'ল। তিনিবাৰকৈ সংশোধন কৰি যিমানেই সংৰক্ষণ শক্তিশালী কৰিব বিচৰা হ'ল, সিমানেই বেল্ট আৰু ব্লক এলেকাৰ ভূমি অধিগ্ৰহণ বাঢ়িল। ১৯৯০ চনত ১এপ্ৰিলত জনজাতি এলেকাৰ ভূমি হস্তান্তৰ কৰিলে ছমাহ জেইল অথবা এহেজাৰ টকা জৰিমনাৰ বিধান সংযোগ কৰা হ'ল। লাখ টকা মুনাফাৰ বাবে এহেজাৰ টকা জৰিমনা অতি সহজ হৈ পৰাত জনজাতীয় এলেকাৰ ভূমি আৰু অধিক সংকুচিত হৈ পৰিল। অসমৰ ৪৭টা বেল্ট আৰু ব্লক এলেকাত ৮৫,৮০,৮৪২ বিঘা মাটি জনজাতিৰ বাবে বিশেষভাৱে সংৰক্ষিত হৈ থাকিব লাগিছিল। যিদিনাই জনজাতীয় ৰাইজৰ অবগত হ'ল যে, আইন মতে ট্ৰাইবেল বেল্টত ভূমিৰ অধিকাৰী কেৱল জনজাতীযলোকহে, অজনজাতীয লোক নহয, লগে লগে নিজৰ ভূমি পুনৰ ঘূৰাই পোৱাৰ বাবে তেওঁলোক সংগ্ৰামৰ পথত অৱতীৰ্ণ হ'বলগা হ'ল। ব্যাপক ভূমি দখলে জনজাতিৰ মাজত অস্তিত্ব লুপ্ত হোৱাৰ শংকাৰ ভাবৰ অংকুৰণ ঘটালে। ভূমি হস্তান্তৰ চৰকাৰৰ সহযোগত ঘটিছে। চৰকাৰৰ দৃষ্টিভংগী জনজাতীয় ৰাইজৰ পৰিপন্থী।

জনজাতিসকলৰ ওপৰত অৰ্থনৈতিক শোষণৰ লগতে জাতিগত বৈষম্য আৰু উৎপীডনে সমভাৱে ক্ৰিয়া কৰিছে। স্বাধীনতাৰ প্ৰথম অৱস্থালৈ জনজাতিসকলক তুচ্ছ জ্ঞান কৰা হৈছিল। পিছলৈ উৎপীডন কমি আহিলেও বৈষম্য সম্পূৰ্ণ নাইকিয়া হোৱা নাই। জনজাতিৰ প্ৰতি আচৰণ, কথা-বাৰ্তা, অনুভূতি সকলোতে বৈষম্য দেখা যায় আৰু ইযাকেই স্বাভাৱিক বুলি শাসক শ্ৰেণীয়ে ক'ব বিচাৰে। জনজাতীয় সংস্কৃতি আৰু ভাষাৰ ক্ষেত্ৰতো চৰকাৰৰ পৃষ্ঠপোষকতাৰ অভাৱ। পুঁজিবাদী শাসনৰ জাতিদম্ভৰ ফলত জনজাতিসকলৰ ভাষা-সংস্কৃতিৰ বিকাশ পদে-পদে বাধাগ্ৰস্ত হোৱাটো স্পষ্ট। চাকৰি আদিৰ ক্ষেত্ৰতো বৈষম্যৰ চাপ স্পষ্ট।

সমস্যাসমূহৰ সমাধানৰ পথ ঃ

জনজাতীয় সমস্যাসমূহৰ এক বাস্তৱ ভিত্তি আছে। মিশ্ৰিত বহুজাতিক দেশত জনজাতি সমস্যাক জাতিগত সমস্যাৰূপে ল'ব পৰা যায়। প্ৰকৃততে জাতিসমূহৰ সমস্যা সমাধানৰ বাবে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ মূল উপাদান। আত্মনিয়ন্ত্ৰণৰ অধিকাৰক সাব্যস্ত কৰাৰ শেষ পৰ্যায় হিচাপে পৃথক ৰাজ্য গঠনৰ অধিকাৰক সাব্যস্ত কৰিব

পাৰে। কিন্তু পৃথক ৰাজ্য হোৱাৰ অধিকাৰ পোৱা আৰু অধিকাৰ সাব্যস্ত কৰাৰ মাজত পাৰ্থক্য আছে। পৃথক হোৱাৰ অধিকাৰ পোৱাৰ বাবে পৃথক হোৱা উচিত হ'বনে নহয় তাক ভালদৰে বিবেচনা কৰা উচিত। জনগোষ্ঠীসমূহৰ মাজত জোৰ কৰি যেনেকৈ ঐক্য আৰু সংহতি আনিব নোৱাৰি তেনেকৈ সম্পূৰ্ণ পৃথক হৈ গ'লেও মূল সমস্যাৰ সমাধান নহয়। সেয়েহে জনজাতি সমস্যাৰ সমাধানৰ বাস্তৱ পৰিবেশৰ ওপৰত ভিত্তি কৰি এটা সূত্ৰ তৈয়াৰ কৰা প্ৰয়োজন। মূলতঃ জনজাতিসকল একত্ৰিত হৈ থকা অঞ্চলসমূহত স্থানীয় স্বায়ত্তশাসনৰ দ্বাৰা জনজাতি ৰাইজৰ সমস্যা সমাধানৰ বাবে পদক্ষেপ লোৱা প্ৰয়োজন। আনহাতে অসমৰ সমতল অঞ্চলত সিঁচৰতি হৈ থকা জনজাতিসকলৰ দ্ৰুত উন্নয়নৰ স্বাৰ্থত অঞ্চলভিত্তিত স্বায়ত্তশাসিত এলেকা গঠন কৰা সমীচীন হ'ব। সংৰক্ষিত ব্লক আৰু জনজাতীয় বসতিৰ পঞ্চায়ত এলেকাত বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত হ'ব। জনজাতীয় লোকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কেইটামান দিশত গুৰুত্ব দিয়া প্ৰয়োজন হ'ব।

জনজাতীয় বসতিপ্ৰধান এলেকাসমূহৰ প্ৰশাসনৰ ক্ষেত্ৰত অধিকসংখ্যক জনজাতীয় লোকক নিযুক্তি দিব লাগে যাতে জাতীয় বৈষম্যৰ দ্বাৰা উন্নয়ন আদি বাধাপ্ৰাপ্ত নহয়। জনজাতীয় বেল্ট আৰু ব্লকসমূহক জৰীপ কৰি শক্তিশালীভাৱে জনজাতিৰ বাবে সংৰক্ষণ কৰিব লাগে আৰু অ-জনজাতীয় লোকে সংৰক্ষিত এলেকাত কৰি অহা হস্তান্তৰ আৰু মহাজন শ্ৰেণীৰ শোষণক বন্ধ কৰিব লাগে। সংৰক্ষিত অঞ্চলত অ-জনজাতীয় লোকে দখল কৰা অঞ্চলসমূহ জৰীপ কৰি সম-পৰিমাণৰ ভূমি ভূমিহীন হৈ থকা ৰাইজৰ বাবে চৰকাৰী মাটিত পট্টন দিব লাগে। জনজাতীয় অঞ্চলত শিক্ষা বিস্তাৰৰ বাবে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। জনজাতীয় এলেকাৰ শিক্ষানুষ্ঠানসমূহৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ হাতলৈ আনিব লাগে আৰু জনজাতিৰ স্বাৰ্থত কৰা আইনসমূহ সকলো স্তৰৰ জনজাতি লোকৰ মাজত প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে। স্বায়ত্ত শাসিত জনজাতি এলেকাত প্ৰশাসনিক ক্ষমতা বৃদ্ধি কৰাৰ লগতে বাজেট তথা পৰিকল্পনাৰ ক্ষেত্ৰত স্বতন্ত্ৰতা দিব লাগে। জনজাতিসকলৰ ভাষা-সংস্কৃতিৰ উন্নতি -প্ৰযোগৰ বাবে বাস্তৱ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন। জনজাতিসকলৰ বিভিন্ন ভাষাসমূহৰ উন্নতি সাধন কৰি স্বীকৃতি দিব পৰা অৱস্থালৈ অনাৰ ব্যৱস্থা কৰা প্ৰয়োজন যাতে তেওঁলোকে নিজে মাতৃভাষাৰে নিজৰ বক্তব্য ৰাখিব পাৰে। জনজাতীয় ভাষাসমূহৰ বিকাশৰ বাবে এটা সঞ্চালক পৰ্য্যায়ৰ সুকীয়া বিভাগ হোৱা উচিত। ভাষাৰ প্ৰয়োগ আৰু প্ৰণয়নৰ ক্ষেত্ৰত ভাষাসমূহৰ উন্নয়নৰ বাবে কাম কৰা সাহিত্য সভাসমূহৰ লগত আলচ কৰি ল'লে গ্ৰহণযোগ্য সমাধান পোৱা যাব পাৰে। জনজাতীয় ভূমিহীন লোকৰ সমীক্ষা কৰি তেওঁলোকক চৰাকৰৰ ভূমিত পট্টন দিব লাগে। ভূমি নথকাৰ বাবে যিসকল লোক সংৰক্ষিত বনাঞ্চলত বসবাস কৰিছে, সেই ক্ষেত্ৰত যি

কেইখন সংৰক্ষিত বনাঞ্চল সম্পূৰ্ণৰূপে বনাঞ্চল ৰূপত গঢ দিব পৰা যায় সেই কেইখন বনাঞ্চলক সংৰক্ষণ কৰি বাকী কেইখন বেদখল হোৱা বনাঞ্চলক ৰাজহ গাঁও হিচাপে চিহ্নিত কৰি ভূমিহীন জনজাতিৰলোকসকলক বাসভূমি আৰু বনাঞ্চল গঢ়ি তোলা চুক্তিৰে পট্টন দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়। সীমান্ত অঞ্চলত বেছি অংশই জনজাতীয় লোক। সীমান্ত অঞ্চলত পৰোক্ষভাৱে দেশৰ দযিত্ব পালন কৰা জনজাতীয় ৰাইজৰ উন্নয়ন আৰু সুৰক্ষাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা উচিত হ'ব।

জনজাতীয় ৰাইজৰ সৈতে ভাতৃত্ববোধ ঃ

অসমৰ সমূহ জনগোষ্ঠীৰ মিশ্ৰিত উপাদানেৰে ভাৰতৰ জাতিসমূহৰ মাজত অসমীয়া জাতিয়ে নিজৰ স্বকীয় বৈশিষ্ট্য বজাই আহিছে। স্বাধীনতাৰ পিচৰে পৰা পুঁজিবাদী শাসনৰ সংকীৰ্ণ শ্ৰেণীস্বাৰ্থ আৰু ইতিহাস জ্ঞান শূণ্যতাৰ বাবেই অসমীয়া জাতিৰ নিজস্ব বৈশিষ্ট্যত আঘাত হানিছে। বৃহৎসংখ্যক জাতিসত্বা বসবাস কৰা অসমৰ ক্ষেত্ৰত জাতীয় স্বাৰ্থৰ প্ৰতি একমাত্ৰ শুদ্ধ দৃষ্টিভংগী হৈছে জনগোষ্ঠীসমূহৰ সৰ্বাপেক্ষী সন্তোষ আৰু কোনো বিষয়ৰ ওপৰত যাতে পৰস্পৰৰ মাজত কোনো ধৰণৰ সংঘৰ্ষৰ সম্ভাৱনা হ'ব নোৱাৰে তাৰ বাবে পৰিবেশৰ সৃষ্টি কৰা। বিভিন্ন জনগোষ্ঠীসমূহৰ স্বাৰ্থৰ প্ৰতি সূক্ষ্ম দৃষ্টি দিলেহে জাতিসমূহৰ পাৰস্পৰিক সংঘৰ্যৰ কাৰণ দূৰ কৰিব পৰা যাব আৰু পাৰস্পৰিক ষডযন্ত্ৰৰ ভয় আৰু অবিশ্বাস দূৰ কৰিব পৰা যাব। অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন ভাষা-ভাষীৰ লোকৰ মাজত বুজাবুজি আৰু বিকাশৰ ঐকান্তিক চেষ্টাৰেহে অসমীয়া জাতিক সংঘবদ্ধ প্ৰণালীলৈ পৰিৱৰ্তিত কৰিব পৰা যাব। জনগোষ্ঠীসমূহৰ পৰস্পৰৰ মাজত সম-অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ মুক্ত পথেৰেহে জনগোষ্ঠীসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা সম্ভৱ। এই ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য কৰা প্ৰযোজন যে কোনো ক্ষেত্ৰতে এটা জনগোষ্ঠীক তাৰ প্ৰাপ্যৰ পৰা যাতে বঞ্চিত কৰা নহয়। এই ক্ষেত্ৰত সাংস্কৃতিক সমন্বয় একান্ত বাঞ্ছনীয়। জনগোষ্ঠীসমূহৰ নিজস্ব সাহিত্য সভাসমূহে নিজৰ ভাষা-সংস্কৃতিৰ বিকাশৰ বাবে কাৰ্যসূচী প্ৰণয়ন কৰা প্ৰয়োজন। বিভিন্ন জনগোষ্ঠীৰ ভাষা আৰু সাংস্কৃতিক বৈশিষ্ট্যই অসমীয়া ভাষাক চহকী কৰাৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই অসমীয়া ভাষাৰ স্বকীয বৈশিষ্ট্য বজাই ৰখা জনজাতীয় ভাষা-সংস্কৃতিসমূহৰ সম বিকাশৰ বাবে নিজকে দায়বদ্ধ কৰা উচিত।

সুকীয়া সুকীয়া চিন্তাধাৰাৰে অসমৰ জনজাতিৰ বৈশিষ্ট্যক বিভাজন নকৰি সুস্থ আৰু বাস্তৱসন্মত পদক্ষেপেৰে আগবঢ়া প্ৰয়োজন। জনজাতি সমস্যা অসমৰ সমগ্ৰ জনসাধাৰণৰ সমস্যা। এই সমস্যা সমাধানৰ বাবে জনসাধাৰণৰ সংগ্ৰামী ঐক্যহে প্ৰকৃত সংগ্ৰামৰ কাৰ্যসূচী হ'ব।

❑ ❑ ❑

অসমৰ মুছলমানসকল এটা জনগোষ্ঠী হিচাপে পৰিচিত হওক

এক উচিত সিদ্ধান্ত গ্ৰহণৰ বাবে এটা সম্প্ৰদায়ক আমি ধৰ্ম আৰু পৰিসংখ্যাৰ ভিত্তিত চিনাক্তকৰণ কৰিম নে এটা নিৰ্দিষ্ট গোষ্ঠী হিচাপে নামকৰণ কৰিম। এই বিষয়ত মুক্ত আলোচনা হোৱাৰ প্ৰয়োজন। অপ্ৰিয় হ'লেও সত্য যে অসমীয়া জাতিসত্তাৰ এক শক্তিশালী অংগ বুলি ধৰ্মীয় সংখ্যালঘুসকলক গণ্য কৰা হয় যদিও জাতীয় প্ৰশ্নত আলোচনা কৰিবলৈ যাওঁতে আমি সংখ্যালঘু বা মুছলমানক অসমীয়াৰ পৰা ভিন্ন হিচাপে চিনাক্তকৰণ কৰি আহিছোঁ। সংখ্যালঘুৰ নেতৃত্ব দিয়াসকলেও এই সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হৈছে যে নিজস্ব গোষ্ঠীক ধৰ্মীয় দৃষ্টিভংগীৰে পৰিচয় দিব নে অসমীয়া জাতিসত্তাৰ অন্যতম অংশ হিচাপে পৰিচিত কৰিব। অসমৰ বিভিন্ন জনগোষ্ঠী, বিশেষতঃ ভাষা আৰু সংস্কৃতিৰ ওপৰত ভিত্তি কৰি নিজস্ব পৰিচয়েৰে অসমীয়া জাতিসত্তাৰ অন্যতম অংশীদাৰ হৈ পৰিছে। অসমৰ ধৰ্মীয় সংখ্যালঘুসকলৰ অৱশ্যে মুছলমান হিচাপেই এক সাংস্কৃতিক পৰিচয় স্পষ্ট। ইয়াৰ পৰিপ্ৰেক্ষিতত ধৰ্মীয় সংখ্যালঘু বুলি নিৰাপত্তাৰ প্ৰশ্ন উত্থাপন কৰাৰ পৰিৱৰ্তে অসমীয়া জাতিসত্তাৰ মুছলমান জনগোষ্ঠী হিচাপে নিজস্ব প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰা উচিত হ'ব। মুছলমান বুলি এক ভিন্ন শ্ৰেণী হিচাপে স্বীকৃত হৈ থকাৰ পৰিপ্ৰেক্ষিতত অসমৰ মুছলমানসকলক লৈ এক জনগোষ্ঠী বুলি পৰিচয় দিয়াটো নিশ্চয় অযুক্তিকৰ নহয়। নিজস্ব পৰিচয় স্পষ্ট বাখ্যা অবিহনে নিজস্ব অধিকাৰ সাব্যস্ত কৰাটো সম্ভৱ নহ'ব। আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ সংখ্যালঘু বুলি নিজকে পৰিচয় দি অহাসকলে গণতান্ত্ৰিকভাৱে অসমীয়া জাতিসত্তাৰ মাজত নিজৰ পৰিচয় স্পষ্ট কৰাৰ বাবে আজিৰ স্থিতিৰ ওপৰত নৱ-মূল্যায়ণ কৰা উচিত।

আমি দৃঢতাৰে ক'ব খোজো যে অসমীয়া জাতিৰ মাজত বড়ো, কাৰ্বি, তিৱা, মিচিং, চাহ জনগোষ্ঠী আদি জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰ আৰু মুছলমান জনগোষ্ঠীৰ অধিকাৰৰ মাজত ভিন্নতা নাই। সকলোৰে সম-অধিকাৰ, সম-স্থিতি আৰু গণতান্ত্ৰিক সহযোগিতাইহে প্ৰত্যেককে আগুৱাই যোৱাত সহায় কৰিব। সমূহ জনগোষ্ঠীৰ মিশ্ৰিত উপাদানেৰে ভাৰতৰ জাতিসমূহৰ মাজত অসমীয়া জাতিয়ে নিজস্ব বৈশিষ্ট্য বজাই

ৰাখিছে। অধিকসংখ্যক জনগোষ্ঠীয়ে বসবাস কৰা অসমৰ ক্ষেত্ৰত জাতীয় স্বাৰ্থৰ প্ৰতি একমাত্ৰ শুদ্ধ দৃষ্টিভংগী হ'ল মুছলমান জনগোষ্ঠীক লৈ সকলো জনগোষ্ঠীৰ মাজত যাতে কোনোধৰণৰ সংঘৰ্ষৰ সৃষ্টি হ'ব নোৱাৰে, তাৰ বাবে অনুকূল পৰিবেশ সৃষ্টি কৰা। আমি সকলোৱে এই কথা স্বীকাৰ কৰো যে অৰ্থনৈতিক স্বাধীনতাৰ অবিহনে ৰাজনৈতিক স্বাধীনতাৰ মূল্য নাই। ৰাষ্ট্ৰীয বা ৰাজ্যিক প্ৰেক্ষাপটত আমি সকলোৱে এই কথাক সমৰ্থন জনাওঁ যদিও জনগোষ্ঠীসমূহৰ ক্ষেত্ৰত কিন্তু পক্ষপাতমূলক দৃষ্টিভংগী গ্ৰহণ কৰোঁ। অন্যান্য জনগোষ্ঠীৰ লগতে মুছলমান জনগোষ্ঠীৰ অৰ্থনৈতিক দিশটো অতি পুতৌজনক। প্ৰকৃতাৰ্থত মুছলমান জনগোষ্ঠীৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত আজিলৈকে ভিতৰৰ পৰাই হওক, উচিত পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। স্বাধীনতাৰ আগৰ কথা আলোচনা কৰিবলৈ নগৈ যোৱা ৫৭টা বছৰত মুছলমান জনগোষ্ঠীযে নিৰাপত্তা, ভয, সংশয়, সংকট, আৰু আপোচৰ মাজেৰে অতিবাহিত কৰা পৰিলিক্ষিত হৈছে। মুছলমান জনগোষ্ঠীৰ এচাম নেতাই জনগোষ্ঠীটোক নিজস্ব অধিকাৰৰ ক্ষেত্ৰত গণতান্ত্ৰিকভাবে সজাগ কৰাৰ পৰিবৰ্তে নিৰাপত্তাৰ প্ৰশ্নৰে ভীতিগ্ৰস্ত কৰি তুলিছে। এজনে আনজনক ভীতিগ্ৰস্ত কৰি নিজস্ব স্বাৰ্থ সিদ্ধি কৰাৰ দৰে নিজস্ব গোষ্ঠীকো ভীতিগ্ৰস্ত কৰি ব্যাক্তিগত মুনাফা লাভ কৰিব পাৰি। আজিৰ সমাজত এনে প্ৰৱণতাই বিশেষভাৱে গা কৰা পৰিলক্ষিত হয়।

মুছলমান জনগোষ্ঠী অসমৰ মাটি, পানী, আৰু ভাষা-সংস্কৃতিৰ অংশীদাৰ। নিৰাপত্তাৰ প্ৰশ্নত অসমীযা জাতিসত্তাৰ এই জনগোষ্ঠীটো শংকিত হোৱাৰ কোনো কাৰণ নাই। যি সমযত মুছলমান জনগোষ্ঠীক সামাজিক প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, সেইটো সময়ত প্ৰশাসনিক আৰু ৰাজনৈতিক সমস্যাক টানি আনি তেওঁলোকৰ আৰ্থ-সামাজিক উত্তৰণৰ প্ৰয়োজনীয় দিশটোত বাধা প্ৰদান কৰি অহা পৰিলক্ষিত হৈছে। প্ৰাযবিলাক ৰাজনৈতিক শক্তি আৰু সংখ্যালঘুৰ নামত এচাম নেতাই বেছিভাগ সমযেই ভোটাৰ তালিকা, আই এম ডি টি আইনৰ দৰে সমাধান কৰিব পৰা বিষয়সমূহক সমস্যা হিচাপে জীযাই ৰাখি ব্যাক্তিগত ৰাজনীতি কৰি থকা পৰিলক্ষিত হয়। মুছলমান জনগোষ্ঠীৰ নিৰাপত্তাৰ প্ৰশ্নত এই দুয়োটা বিষয়ৰ গুৰুত্ব নিশ্চয় আছে। কিন্তু ইয়াৰ লগতে মুছলমান জনগোষ্ঠীৰ মানুহ হিচাপে জীয়াই থকাৰ বাবে অন্যান্য সমস্যাও আছে। আৰ্থ সামাজিক সমস্যাসমূহৰ গুৰুত্ব কমাই ভোটাৰ তালিকা আৰু আই এম ডি টি আইনৰ সমস্যাৰ গুৰুত্বক অধিক কৰি তুলিলে মুছলমান জনগোষ্ঠীৰ মাজত নাগৰিকত্বৰ বিষয়টোৱে সন্দেহ আৰু সংকটৰ সৃষ্টি কৰে। কিয় আমি এই কথাটো স্পষ্ট কৰিব নোৱাৰোঁ আৰু পতিয়ন নিয়াবলৈ চেষ্টা কৰিব নোৱাৰোঁ যে অসমৰ মুছলমান জনগোষ্ঠী অসমৰ নাগৰিক, ভাৰতৰ নাগৰিক।

মুছলমান জনগোষ্ঠীক নিৰাপত্তাৰ ভয় দেখুৱাই শাসক গোষ্ঠীটোৱে ৰাজনীতি কৰাৰ স্বাৰ্থত জীয়াই ৰখা ভোটাৰ তালিকা, আই এম ডি টি আইন আদিৰ সমাধানসূত্ৰ মুছলমান জনগোষ্ঠীয়ে নিজেই দাঙি ধৰা উচিত। সমাধানসূত্ৰ দাঙি ধৰাৰ পিছত কোনো শক্তিয়ে সমস্যা সমাধানত সমৰ্থন জনাব নিবিচাৰিলে ৰাজনৈতিক স্বাৰ্থত কৰি থকা কূটনীতিসমূহ স্পষ্ট হৈ পৰিব।

অসমৰ মুছলমান জনগোষ্ঠীয়ে দৃঢ়তাৰে সকলোকে বুজাবলৈ সমৰ্থ হ'ব লাগিব যে অসমীয়া জাতিসত্তাৰ ভাষা-সংস্কৃতি হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয় দায়িত্ব পালনত মুছলমান জনগোষ্ঠীয়ে কৃপণালি কৰা নাই। জাতিটোৰ প্ৰতিটো সংকটকালত সংকট মোচনৰ বাবেঁ আৰু অসমীয়া জতিক প্ৰতিষ্ঠিত জাতি হিচাপে থিয় কৰোৱাত মুছলমান জনগোষ্ঠীয়ে নিজস্ব দাযিত্ব হিচাপে পাৰ্যমানে চেষ্টা কৰি আহিছে। জাতিটোৰ কৃষি- অৰ্থনীতিৰ বিকাশ আৰু কৰ্ম-সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰতো এই জনগোষ্ঠীৰ আজিও বৰঙণি অনন্য। অতি দুখ আৰু পৰিতাপৰ বিষয় যে আজিও এই জনগোষ্ঠীৰ জনমূৰি আয় আৰু শৈক্ষিক পৰিবেশ অতি নিম্নস্তৰত। এই দিশটো আগত ৰাখি দ্ৰুত উন্নয়নৰ চিন্তা কৰাৰ বিপৰীতে আজিও মুছলমান জনগোষ্ঠীক নিৰ্বাচনৰ পাল্লাৰ দগা হিচাপেই ব্যৱহাৰ কৰি থকা হৈছে। আমাৰ প্ৰস্তাৱ হ'ল— মুছলমান জনগোষ্ঠীৰ সচেতন ব্যক্তিসকলে নিজস্ব জনগোষ্ঠীৰ অৰ্থনৈতিক দিশটোৰ ওপৰত আলোকপাত কৰিবলৈ চেষ্টা কৰক। শিক্ষাৰ পোহৰ আৰু গ্ৰাম্য অৰ্থনীতিৰ বিকাশতহে মুছলমান জনগোষ্ঠীৰ প্ৰকৃত নিৰাপত্তা জড়িত হৈ আছে। অসমৰ আত্মনিৰ্ভৰশীলতাৰ অন্যতম অৰ্থনৈতিক কাৰ্যসূচী হ'ল কৃষি উৎপাদন আৰু বিকাশ। এই দিশটোত মুছলমান জনগোষ্ঠীৰ অৱদান সকলোৱে স্বীকাৰ্য। কিন্তু তেওঁলোকৰ প্ৰতি চৰকাৰ বা সংশ্লিষ্টসকলৰ সহযোগ ইতিবাচক নহয়। কেৱল উৎপাদনৰ ক্ষেত্ৰতেই নহয়, নাগৰিকৰ এক আৱেগিক সম্পৰ্ক বিজড়িত স্বত্ব ভূমিস্বত্বৰ ক্ষেত্ৰতো স্বাধীনতাৰ পিছৰে পৰা শাসকগোষ্ঠীৰ সহযোগিতা নেতিবাচক। চৰ অঞ্চলৰ মাটিত আজিও ম্যাদীপট্টাৰ ব্যৱস্থা হোৱা নাই। অ-বিভক্ত গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাওঁ জিলাৰ প্ৰায় ১৯লাখ ৯০হাজাৰ বিঘাৰ চৰ অঞ্চলৰ মাটিৰ ভিতৰত আজিলৈকে মাত্ৰ ১লাখ ৯০হাজাৰ বিঘা মাটিতহে স্বত্ব দিয়াৰ ব্যৱস্থা দিয়া হৈছে। চৰ অঞ্চলত থকা মুছলমান জনগোষ্ঠীয়ে মাটিৰ স্বত্ব পোৱাৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিলে কৃষিক্ষেত্ৰত অধিক বিকাশ লাভ কৰাত সহায়ক হ'লহেঁতেন। আধুনিক বিজ্ঞানসন্মত কৃষিক্ষেত্ৰৰ সম্প্ৰসাৰণত চৰকাৰ আৰু বিত্তীয় অনুষ্ঠানসমূহৰ সহযোগৰ বাবেও মাটিৰ ম্যাদিপট্টাৰ ব্যৱস্থাৰ প্ৰয়োজন আছে। এজন নাগৰিকক ন্যূনতম মাটিৰ অধিকাৰ দিয়াটো চৰকাৰৰ প্ৰাথমিক দাযিত্ব। মাটিক কেন্দ্ৰ কৰি বৰ্তমান গা কৰি উঠা সংঘাতে গোষ্ঠীসংঘৰ্ষৰ সৃষ্টি কৰিছে। আৰু তাৰ বাবে মুছলমান জনগোষ্ঠীয়েই অধিক কষ্ট ভোগ কৰিবলগীয়া

হৈছে। তৰুণ গগৈয়ে তেওঁৰ বাজেট ভাষণত কৈছে যে চৰ-চাপৰিসমূহত মাটি জৰিপ কৰাই যোগ্য ব্যক্তিক মাটিৰ বন্দৱস্তি দিয়াৰ প্ৰক্ৰিয়া খৰটকীয়া কৰাৰ নিৰ্দেশ দিছে। ইযাৰ ফলত ১,৪১৬টা পৰিযালক ১৩,৮৬২ বিঘা মাটি ইতিমধ্যে বন্দোবস্তি দিয়া হৈছে আৰু ৪১৭টা পৰিয়ালক ১,১৭৫ বিঘা মাটি ইতিমধ্যে আবণ্টন দিয়া হৈছে। চৰ অঞ্চলত ভূমিৰ অধিকাৰ দিয়াৰ এযাই নমুনা।

সংখ্যালঘুৰ নামত বা মুছলমান জনগোষ্ঠীৰ অৰ্থনৈতিক উন্নয়নৰ নামত থকা সংশ্লিষ্ট বিভাগসমূহ যথোচিতভাবে কাৰ্যক্ষম নহয। চৰ উন্নযন পৰিষদ, সংখ্যালঘু উন্নয়ন পৰিষদ আদি বিভাগসমূহৰ মাজত পুঁজিৰ আবণ্টন অতি পুতৌজনক। প্ৰায় ২,৩০০খন চৰ গাঁৱৰ উন্নযনৰ হকে অসম চৰকাৰে চৰ উন্নয়ন বিভাগৰ জৰিযতে ১৯৮৫-৮৬ বিত্তীয বছৰত ৫০ লাখ টকা আবণ্টন দিছিল। ২০০১-০২ বছৰত ৯৬লাখ টকা কৰা হ'ল। চৰৰ জনসংখ্যাৰ অনুপাতে এই ধন অতি সামান্য। ২০০৫-০৬ৰ বাজেটত চৰ-চাপৰিৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনিৰ অধীনত ২ ৯৩ কোটি টকা ধাৰ্য কৰা হৈছে। অৰ্থাৎ চৰৰ প্ৰতিজন লোকৰ উন্নয়নৰ বাবে বছৰি ১২ ৭৩ টকা। অৱশ্যে উন্নযনৰ শিতানৰ আধাতকৈ বেছি ব্যয় হয চৰকাৰৰ প্ৰশাসনিক ক্ষেত্ৰত। গতিকে চৰ অঞ্চলৰ লোক এজনৰ বাবে বছৰেকীযা উন্নযনৰ শিতানত ৬ টকাতকৈ বেছি খৰচ কৰাৰ পৰিকল্পনা গগৈ চৰকাৰৰ নাই।

যি সময়ত দেশৰ পৰা নিৰক্ষৰতা নিৰ্মূলৰ আঁচনি গ্ৰহণ কৰা হৈছে আৰু তেনে আঁচনিৰ নামত কোটি কোটি টকা খৰচ কৰা হৈছে, সেই সময়ত চৰৰ শিক্ষিতৰ হাৰ মাত্ৰ ১৯ ৩১ শতাংশহে। এতিযাও নিৰক্ষৰতা ৮০ ৬৯ শতাংশ। এনে অৱস্থাৰে অসমৰ মুছলমান জনগোষ্ঠীৰ পৰিৱৰ্তন সম্ভৱ নহব। অন্যহাতে চৰ অঞ্চলৰ ৭৫ ভাগ লোকে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে। ইয়াৰ পৰিৱৰ্তনৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ সময হৈছে। আমাৰ প্ৰস্তাব হ'ল— অসমীয়া জাতিৰ সামূহিক উত্তৰণৰ বাবে চিন্তা কৰিবলৈ হ'লে মুছলমান জনগোষ্ঠীৰ দৰিদ্ৰতা, নিৰক্ষৰতাক দূৰ কৰিব লাগিব। শংকামুক্তভাৱে জাতিটোৰ বাবে কাম কৰাৰ পৰিবেশ সৃষ্টি কৰি দিব লাগিব। মুছলমান জনগোষ্ঠীৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অসমৰ সমাজ-জীৱনৰ নেতৃবৰ্গই প্ৰযোজনীয় পদক্ষেপ গ্ৰহণ কৰি চৰকাৰকো বাধ্য কৰোৱাৰ সময় হৈছে। একেদৰে অসমৰ সমাজ-জীৱনত আঘাত হনা বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰাৰ বাবে মুছলমান জনগোষ্ঠীৰ নেতৃত্বত থকাসকলেও পৰিবেশৰ সৃষ্টি কৰিব লাগিব, যাতে পৰস্পৰৰ মাজত বুজা-বুজিৰ সাঁকোডাল দৃঢ় হয়।

❑ ❑ ❑

চাহ্ জনগোষ্ঠীৰ সমস্যা অসমবাসীৰ সমস্যা

অৰ্থনৈতিক শোষণ আৰু ক্ষমতাকেন্দ্রিক ৰাজনৈতিক স্বাৰ্থত অসমৰ চাহ জনগোষ্ঠীসমূহ যে ব্যবহৃত হৈ আছে, তাক আজি চাহ জনগোষ্ঠীৰ সচেতন লোকসকলে উপলব্ধি কৰিবলৈ লৈছে। আনৰ স্বাৰ্থত ব্যৱহাৰ হোৱাৰ বিপৰীতে চাহ জনগোষ্ঠীয়ে আজি নিজৰ স্থিতি নিজেই শক্তিশালী কৰাৰ বাবে চিন্তা-চৰ্চা আৰম্ভ কৰিছে। আমাৰ অহমিকা, অ-সহিষ্ণুতা আৰু অ-সহযোগিতাৰ বাবে অসমৰ জনগোষ্ঠীয় শক্তিসমূহৰ মাজত গা কৰি উঠা অবিশ্বাস আৰু সংশয় ভাব চাহ জনগোষ্ঠীসমূহৰ ক্ষেত্ৰতো যাতে গা কৰি উঠিব নোৱাৰে, তাৰ বাবে আমি প্ৰতিটো ক্ষেত্ৰতে সজাগ হোৱাৰ সময় আহিছে। ভাৰতীয়সকলৰ ওচৰত আমি নিজকে অসমীয়া বুলি গৰ্ব কৰা মূল উৎস যে অসমৰ জনজাতিসকলৰ লগতে মুছলমান জনগোষ্ঠী আৰু চাহ জনগোষ্ঠীসকল, এই দিশটোক পাহৰি যাবলৈ চেষ্টা কৰা উচিত নহ'ব। অসমীয়া জাতি গঠনৰ এই মূল তিনিটা উৎসৰ পৰা আমি কি পাইছোঁ আৰু অসমবাসী হিচাপে আমি কি দিছোঁ, তাৰ মূল্যাংকন কৰাৰ সময় হৈছে। আৱেগিক স্বাৰ্থান্বেষী দৃষ্টিভংগীৰে পৰিচালিত হ'বলৈ যোৱাটোক আজিৰ সময়ে সমৰ্থন নকৰে। আজিৰ পৰিসংখ্যাৰ ৰাজনীতিত আমাৰ সকলোৰে নিজস্ব স্থিতিক শক্তিশালী কৰিবলৈ হ'লে অতি মুক্তভাবে আমাৰ মাজত সংঘবদ্ধভাৱে প্ৰয়োজনীয়তাক স্বীকাৰ কৰিব লাগিব আৰু তাৰ বাবেই পৰস্পৰৰ প্ৰতি সহযোগিতা আজিৰ সময়ত একমাত্ৰ যত্ন লোৱা উচিত।

অসমীয়া জাতি গঠনত চাহ জনগোষ্ঠীৰ অবস্থিতি অতি শক্তিশালী হ'লেও ব্যৱহাৰিক জীৱনত চাহ জনগোষ্ঠীৰ স্থান অতি দুৰ্বল। এই বিশাল জনগোষ্ঠীটোক আজিও আনৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখা হৈছে। প্ৰকৃততে আজিৰ পুঁজিবাদী সমাজৰ সকলোতকৈ নিষ্পেষিত গোষ্ঠীটোৱেই হ'ল অসমৰ চাহ জনগোষ্ঠী, যাৰ সামাজিক স্থিতি আজিও প্ৰকৃততে স্বীকৃত নহয়। ভাৰতৰ ৰাঁচী, গোৰখপুৰ, হাজাৰিবাগ, তেলেংগানা, নাচিক, ভিজিয়ানাগ্ৰাম, বড়মপুৰ, পুৰুলিয়া, কেল্টনগঞ্জ, বিলাসপুৰ, চৈবাচা, ডোমকা, জগদলপুৰ, সম্বলপুৰ, ৰায়পুৰ, ৰামপুৰহাট, জব্বলপুৰ, যোশপুৰ আদি অঞ্চলৰ পৰা ডেৰশ বছৰৰ আগতে আহি অসমীয়া জাতিসত্তাৰ শক্তিশালী অংশীদাৰ হোৱা এই জনশক্তিৰ আজিও প্ৰকৃততে নামকৰণ আমি কৰিব পৰা নাই।

অসমীয়া জাতিৰ স্থিতি শক্তিশালী হৈ থকা সময়ত আমি এই জনশক্তিক 'কুলি' বুলি সম্বোধন কৰিছিলোঁ। আজি অসমীয়া জাতিৰ এক সংকটকালত চাহ জনগোষ্ঠী বুলি সম্বোধন কৰিবলৈ লৈছোঁ যদিও এই বিশাল জনশক্তিয়ে জনজাতিকৰণৰ দাবী উত্থাপন কৰাত আমি কিন্তু অংশীদাৰ হ'ব পৰা নাই।

অসমত থকা চাহ জনজাতি সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত এশ এটা বিভিন্ন উপজাতি আছে যদিও আৰ্থ-সামাজিক ক্ষেত্ৰখনত এই জনগোষ্ঠীটোক আমি তিনিটা ভাগত বিভক্ত হৈ থকা দেখিবলৈ পাওঁ। অসমৰ চাহ বাগিচাসমূহত শ্ৰম কৰি থকাসকল, যিসকল আজিৰ সমাজত চাহ শ্ৰমিক বা চাহ জনজাতি বুলি চিহ্নিত হৈ আছে। আনটো হ'ল চাহ বাগিচাত উপৰি-পুৰুষে শ্ৰম কৰিলেও আজিৰ পুৰুষে চাহ বাগিচাৰ বাহিৰৰ ক্ষেত্ৰখনত জড়িত আৰু চাহ বাগিচাত কাম কৰি নাম কটাৰ পিছত বাহিৰৰ সমাজখনৰ লগত বসতি স্থাপন কৰাসকল, যিসকল প্ৰাক্তন চাহ জনজাতি বুলি পৰিচিত। আৰু তৃতীযতো হ'ল অসমৰ পশ্চিম অঞ্চলত সিঁচৰতি হৈ থকা চাহ জনজাতিৰ শ্ৰেণীভুক্ত, যিসকল আদিবাসী, চাওতাল বা ঝাৰখণ্ডী বুলি পৰিচিত— এই তিনিওটা ভাগত বিভক্ত হৈ থকা অসমৰ চাহ জনজাতিৰ সামাজিক স্থিতিৰ ভিন্নতা আছে। অৰ্থনৈতিকভাৱে তিনিওটা ভাগেই শোষিত আৰু সামাজিকভাৱে উপেক্ষিত। অসমৰ পশ্চিম অঞ্চলত থকা আদিবাসী বুলি পৰিচিতসকলৰ সামাজিক স্থিতি এতিযাও অস্পষ্ট। স্থায়ী ক্ষেত্ৰ আজিও স্বীকৃত নহয়। আদিবাসী বা চাওতালৰ বাবে থকা গ্ৰাণ্ট এলেকাৰ ভূমি আজি আদিবাসীসকলৰ পৰা হস্তগত হৈছে। ভূমি সংকুচিত হৈ অহাৰ ফলত চৰকাৰী ভূমি আৰু বনাঞ্চলত থাকিবলগা হোৱা আদিবাসীসকল আজি কাষৰীয়া অন্য গোষ্ঠীৰ লগত সংঘাতৰ সন্মুখীন হ'বলগা হৈছে। এই আদিবাসীসকল ঝাৰখণ্ডি হিচাপে পৰিচিত হ'লেও অসমীয়া জাতিসত্তাৰ অংশীদাৰ। অথচ মানুহ হিচাপে জীযাই থকাৰ ক্ষেত্ৰত, অৰ্থনৈতিকভাৱে স্বাৱলম্বিতাৰ ক্ষেত্ৰত আৰু সামাজিকভাৱে নিজস্বতা ৰক্ষাৰ ক্ষেত্ৰত আমি আজিও আদিবাসীসকলক সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব পৰা নাই। ধুবুৰী, কোক্ৰাঝাৰ, গোসাঁইগাঁও, বঙাইগাঁও, অঞ্চলত সিঁচৰতি হৈ থকা এই বৃহৎ সংখ্যক আদিবাসীৰ চাহ উৎপাদনৰ লগত আজি সম্পৰ্ক নাই। স্থায়ী সংস্থাপনৰ অন্যান্য দিশ তেওঁলোকৰ বাবে আজিও মুকলি হোৱা নাই। ব্যক্তিগত কৃষিক্ষেত্ৰত জড়িত হৈ আৰু শ্ৰম বিক্ৰী কৰি উপাৰ্জন কৰা ধনেই আদিবাসীসকলৰ অৰ্থনৈতিক অৱস্থা। পৰিকল্পনাৰ ধন নিৰ্ধাৰণত জনসংখ্যাৰ পৰিসংখ্যাত আদিবাসীসকলৰ স্থান আছে, কিন্তু পৰিকল্পনাৰ ধন প্ৰাপ্তিত তেওঁলোকৰ স্থান নাই। লোকপ্ৰিয়লত আদিবাসীক অসমীয়া জাতিসত্তাৰ অংশীদাৰ কৰোঁ, কিন্তু অসমৰ সামাজিক ইতিহাসত আদিবাসীক স্থান দিয়াত আমি কৃপণালি কৰোঁ।

সামাজিক স্থিতি আজিও অস্পষ্ট হৈ থকা চাহ জনগোষ্ঠীৰ আনটো অংশ হ'ল চাহ বাগিচাৰ বাহিৰত সিঁচৰতি হৈ থকা চাহ জনজাতিৰ অন্তৰ্ভুক্ত উপজাতিসমূহ। যাৰ পৰিচিত নাম প্ৰাক্তণ চাহ শ্ৰমিক বা প্ৰাক্তন চাহ জনজাতি। এই শ্ৰেণীৰ প্ৰতি যেন আমাৰ কোনো দায়বদ্ধতা নাই। চৰকাৰৰো তেওঁলোকৰ প্ৰতি দায়বদ্ধতা স্পষ্ট নহয়। অসমৰ সমাজ-জীৱনত, অসমীয়া ভাষা-সাহিত্যত এই শ্ৰেণীটোৰ সহযোগ অতি শক্তিশালী। অতি কষ্টেৰে শিক্ষা গ্ৰহণ কৰিও প্ৰাক্তন চাহ জনজাতিসকলৰ বেছিভাগেই আজিও সংস্থাপিত হোৱা নাই। এই জনগোষ্ঠীৰ পৰা ৰাজনৈতিক নেতা, ৰাজ্যিক, তথা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী পৰ্যন্ত দায়িত্ব গ্ৰহণ কৰিছে যদিও প্ৰকৃত সংস্থাপন অতি পুতৌজনক।৮

নব ঔপনিবেশিকতাৰ অন্যতম বাহক চাহ উদ্যোগৰ পুঁজিবাদী শক্তিৰ দ্বাৰা শোষিত আৰু প্ৰৱঞ্চিত জনগোষ্ঠীটোৱেই হ'ল চাহ বাগিচাৰ উৎপাদনৰ লগত জড়িত চাহ জনজাতিসকল। পুঁজিবাদৰ আগ্ৰাসনত চাহ জনজাতিৰ মানৱীয় মূল্যবোধৰ আজি কোনো গুৰুত্ব নাই। সামান্য পৰিশ্ৰমিকৰ বিনিময়ত চাহ জনগোষ্ঠীৰ শ্ৰম শোষণ কৰি চাহ উদ্যোগৰ দেশীয় আৰু বহুজাতিক গোষ্ঠীৰ মালিকপক্ষই ব্যাক্তিগত পুঁজি বৃদ্ধি কৰিছে। ১৯৫১ চনৰ বাগিচা শ্ৰম আইন আগত লৈ পোন্ধৰ ফুট দীঘল, এঘাৰ ফুট বহল আৰু এঘাৰ ফুট দীঘল, দহ ফুট বহলৰ দুটা কোঠাত আধা ইঞ্চি গোবৰ আৰু মাটিৰ এটা লেপন দিয়া মজিয়াৰ ঘৰ, ছবছৰৰ পৰা বাৰ বছৰ বয়সৰ ভিতৰত শ্ৰমিকৰ সন্তানৰ সংখ্যা পাঁচিছতকৈ অধিক হ'লে প্ৰাথমিক স্কুল মুকলি কৰা, এটা ৰেডিঅ' আৰু কেৰম, লুডু খেলৰ সুবিধা থকা, এটা বিনোদন কেন্দ্ৰ, মাতৃসকলৰ পৰা শ্ৰম আদায় কৰাৰ স্বাৰ্থত শিশু ৰাখিবলৈ ক্ৰেচঘৰ, চিকিৎসাৰ বাবে হাস্পতাল, এশ পঞ্চাশজনৰ অধিক শ্ৰমিক থকা এখন বাগিচাত কেণ্টিন দি অতি সামান্য মূল্যৰ বিনিময়ত শ্ৰম শোষণ কৰাটো যুক্তিসংগত কৰা হ'ল। চাহপাতৰ অধিক উৎপাদনৰ সুবিধা আগত ৰাখি বছৰেকত এযোৰ ৰবৰৰ চেন্দেল আৰু কম্বলৰ লগতে সাপ্তাহিক কিছু চাউল-আটা দি চাহ বাগিচাৰ কৰ্তৃপক্ষই শিশু শ্ৰমিক আইন, ন্যূনতম মজুৰি আইন, বেতন প্ৰদত্ত আইন, ঔদ্যোগিক নিয়োজন আইন, শ্ৰমিক ক্ষতিপূৰণ আইনৰ কাৰ্যকৰিতাক অমান্য কৰিব পৰাটো যোগ্যতা কৰি ল'লে। এনে এক বেহুৰ মাজত আজি চাহ জনজাতিসকলৰ দিন অতিবাহিত হৈছে।

১৯৭৯ চনত চাহখেতিৰ মুঠ মাটি-কালিৰ পৰিমাণ ১,৯৫,৪৫৯ হেক্টৰৰ পৰা ১৯৮৬ চনত ২,২৪,৭১৮ হেক্টৰলৈ বাঢ়িল। কিন্তু ১৯৭৯ চনত চাহ শিল্পত জড়িত ৪,৮৬,৩০৪জন স্থায়ী শ্ৰমিকৰ সংখ্যা ১৯৮৬ চনত ৩,৬৪,১১৯ জনলৈ হ্ৰাস কৰা হ'ল। ১৯৯০ চনত চাহ খেতি ২,৩০,৩৬৩ হেক্টৰলৈ বৃদ্ধি পালে। কিন্তু স্থায়ী

শ্ৰমিকৰ সংখ্যা পুনৰ ৩,৫০,৮৫৫ জনলৈ হ্ৰাস পালে। আজি চাহ খেতি কৰা মাটি ২,৭০,১৬৩ হেক্টৰলৈ বৃদ্ধি পালে যদিও ১৯৭৯ চনৰ তুলনাত প্ৰায় ৬৩ হাজাৰ স্থায়ী শ্ৰমিকৰ সংখ্যা কম, অৰ্থাৎ ৪,২৩,৪৩৭ জনহে। অসমৰ চাহ বাগিচাত স্থায়ী আৰু অস্থায়ী ৬,০২,৫৩১ জন চাহ জনগোষ্ঠীৰ শ্ৰমিকে কাম কৰে। চাহ শ্ৰমিকৰ বেতন নিৰ্ধাৰণ চৰকাৰ, মালিক গোষ্ঠী আৰু শ্ৰমিক সংগঠনৰ নেতাৰ মাজতে সীমাবদ্ধ থকাত শ্ৰমিকে প্ৰকৃত বেতন পোৱাৰ পৰা আজিও বঞ্চিত হৈ আহিছে। প্ৰতিদিনে ৯ ঘণ্টাকৈ, সপ্তাহত ৫৪ ঘণ্টা শ্ৰম কৰাৰ নিযমক বৰ্তমান পৰিৱৰ্তন কৰি দিনে ৮ ঘণ্টাকৈ, সপ্তাহত ৪৮ ঘণ্টা কামৰ সময় কৰা হ'ল। কিন্তু সপ্তাহৰ এদিনৰ বিশ্ৰামৰ বেতন দিযা ব্যৱস্থা প্ৰযোজ্য কৰা নহ'ল। সকলো স্তৰৰ শ্ৰমিকে সপ্তাহত ৪৮ ঘণ্টা কাম কৰে, কিন্তু ৫৬ ঘণ্টাৰ বেতন পায়। চাহ শ্ৰমিকে কিন্তু প্ৰতি সপ্তাহত আঠ ঘণ্টাৰ বেতন পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। অসমৰ চাহ শ্ৰমিকে দেওবাৰে বেতন নাপায়। এনেদৰেই চাহ বাগিচাৰ কৰ্তৃপক্ষৰ বছৰি প্ৰায ৮৭কোটি টকা প্ৰৱঞ্চনাৰ ধন লাভ হৈছে। আৰু চাহ জনজাতিসকল ৮৭ কোটি টকাৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। মাহেকীয়া বেতনৰ পৰিৱৰ্তে সাপ্তাহিক (ছদিনৰ) বেতন দি চাহ শ্ৰমিকৰ জীয়াই থকাৰ পৰিকল্পনা কৰিব নোৱৰা অৱস্থালৈ ঠেলি দিয়া হৈছে।

অসম চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক অনগ্ৰসৰতাৰ এই অৱস্থাত আমি সকলোৱে উদাসীনতাৰ মনোভাব গ্ৰহণ কৰিলে অচিৰেই আমি নিজেই এক ভয়ংকৰ সংঘাতৰ সন্মুখীন হ'বলগা হ'ব পাৰে। বহল দৃষ্টিভংগী আৰু মুক্ত সহযোগিতাৰহে আজি প্ৰযোজন হৈছে। চাহ জনগোষ্ঠীৰ সমস্যাক অসমৰ সমস্যা, প্ৰতিজন অসমীয়াৰ সমস্যা বুলি ধাৰণ কৰিব পাৰিলেহে বহল অসমীয়া জাতি গঠন সহজ হ'ব। অন্যথা সংঘাত আহিব। আমি সকলো সংকটত পৰিব লাগিব।

❑ ❑ ❑

অসমৰ বহু সমস্যাৰ সমাধান সূত্ৰ নাগৰিকপঞ্জী

অৱশেষত অসমত নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে সহমত প্ৰকাশ কৰিলে। অসম-চুক্তিৰ প্ৰসংগত হোৱা ত্ৰিপাক্ষিক বৈঠকত সদৌ অসম ছাত্ৰ সন্থাৰ যুক্তিক স্বীকাৰ কৰি প্ৰধানমন্ত্ৰীযে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন ১৯৭১ চনলৈ উন্নীতকৰণত ঐক্যমত হ'ল। অসমৰ সমাজ-জীৱনৰ বাবে এই ঘটনা অতি গুৰুত্বপূৰ্ণভাৱে ইতিবাচক। আমি ব্যক্তিগতভাৱেও এই সিদ্ধান্তত সন্তোষ লাভ কৰিছোঁ। অসম আন্দোলনৰ মজিযাৰ পৰাই ১৯৮০ চনতে বিদেশী নাগৰিকৰ সমস্যা সমাধান সূত্ৰ হিচাপে আমি নাগৰিকপঞ্জীৰ প্ৰয়োজন বুলি তথ্যসহ প্ৰতিবেদন প্ৰস্তুত কৰি দিছিলো। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নেতৃত্বত থকাৰ সুবাদতে অসমত নাগৰিকপঞ্জীযেই বিদেশী চিনাক্তকৰণৰ অন্যতম আধাৰ হ'ব পাৰে বুলি জনমত গঠন কৰিবলৈ চেষ্টা কৰিছিলোঁ। নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ জৰিয়তে বহু বিতৰ্কিত আই এম. ডি টি আইনৰ সমস্যা সমাধান কৰাৰ বাবেও সংখ্যালঘু সংগঠনসমূহৰ লগত বহুলানি আলোচনাৰে সহমত প্ৰকাশ কৰাৰ পৰিৱেশৰ সৃষ্টি কৰা হৈছিল। অসমীয়া জাতি গঠনৰ স্বাৰ্থত নাগৰিকপঞ্জী এক গুৰুত্বপূৰ্ণ বিষয় হ'ব বুলি আমি অতি আগ্ৰহেৰে আশা কৰি আহিছোঁ। ত্ৰিপাক্ষিক বৈঠকত দুবছৰৰ ভিতৰতে পূৰ্ণাংগ নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তক আমি স্বাগতম জনাইছোঁ।

ভাৰতীয় সংবিধানে নাগৰিকৰ সূত্ৰ দাঙি ধৰিছে যদিও নাগৰিকসকলৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বা তালিকা সংৰক্ষণ কৰাৰ ক্ষেত্ৰত প্ৰকৃতভাৱে বিধি-ব্যৱস্থা সংবিধাণ ভিত্তিত নথকা বাবে নাগৰিকত্বৰ প্ৰশ্নত হোৱা সংঘাতসমূহে এক স্থায়ী ৰূপ লৈছে। অসমৰ ক্ষেত্ৰত ই এক সংকটপূৰ্ণ অৱস্থালৈ গতি কৰিছে। ভাৰতৰ সংবিধান প্ৰস্তুত কৰাৰ পৰাই ভাৰতলৈ বিভিন্ন ৰাষ্ট্ৰৰ পৰা দুই ধৰণৰ প্ৰব্ৰজন হৈ আছে। এক শ্ৰেণীয়ে নাগৰিক প্ৰমান-পত্ৰ, ৰিফিউজী প্ৰমান-পত্ৰ লৈ আহিছে আৰু আনতো শ্ৰেণীয়ে কোনোধৰণৰ নথি-পত্ৰ নোহোৱাকৈ অনুপ্ৰৱেশ কৰিছে, দ্বিতীয় শ্ৰেণীৰ তুলনাত প্ৰব্ৰজনৰ সংখ্যা প্ৰথম শ্ৰেণীটোতকৈ অতি সামান্য। কিন্তু ভাৰতীয় নাগৰিকৰ

কোনো পঞ্জী নথকাৰ ফলত প্ৰমাণ পত্ৰ তথা নামবিহীন প্ৰব্ৰজন হোৱা লোকক ভাৰতীয়সকলৰ পৰা চিনাক্তকৰণ কৰাটো অতি জটিল। প্ৰকৃততে ভাৰতীয় নাগৰিকৰ পঞ্জীখন নথকা হেতু যিকোনো আইন প্ৰনয়নৰ দ্বাৰা ভাৰতত তথা অসমত বিদেশী নাগৰিকক চিনাক্তকৰণ কৰাটো বৰ সহজ নহয়। বহুক্ষেত্ৰত শ্ৰেণীগত আৰু ভাষাগত মিল থকাৰ হেতুকে, বিশেষকৈ বাংলাদেশৰ পৰা অহা লোকসকলক সম্পূৰ্ণ চিনাক্তকৰণ কৰাটো বাস্তৱিক নহয়। জন্ম-মৃত্যুৰ পঞ্জী আৰু ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন সম্পূৰ্ণভাৱে থকা হ'লে, যিসকলৰ নাম এই ৰাষ্ট্ৰীয় পঞ্জীখনত নাথাকিব, সেইসকলক ভাৰতীয় নাগৰিক নহয় বুলি প্ৰমাণ কৰা অসুবিধা নহ'লহেঁতেন। ১৯৮৫ চনৰ ১৫ আগষ্টত ৰাষ্ট্ৰই অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ গুৰুত্বক স্বীকাৰ কৰাৰ পিছতো কেন্দ্ৰীয় চৰকাৰে নিজৰ ৰাজনৈতিক স্বাৰ্থত আজিও কাৰ্যকৰী কৰা নাই। অসম চুক্তিৰ ভিত্তিত বিদেশী নাগৰিকৰ চিনাক্তকৰণত থকা হেঙাৰৰ বাবে বিদেশী আজিও চিনাক্ত কৰিব পৰা নাই, বহিষ্কাৰ সম্ভৱ হ'ব পৰা নাই। ভাৰত চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব প্ৰকাশ নকৰিলেও আমাৰ নিজৰ সমস্যা সমাধানৰ স্বাৰ্থত কিছু পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ আগতে অসমত থকা নাগৰিকসকলৰ ক্ষেত্ৰত যিহেতু মতপাৰ্থক্য নাই, উক্ত তাৰিখলৈকে আমি অসমত নাগৰিক পঞ্জীখন প্ৰস্তুত কৰি ল'ব পাৰোঁ। উক্ত নাগৰিক পঞ্জীখনক যোগসূত্ৰ হিচাপে লৈ ২০০১ চনলৈকে অসমত থকা ভাৰতীয় নাগৰিকৰ সম্পূৰ্ণ পঞ্জীখন প্ৰস্তুত কৰিব পৰা যায়। নাগৰিকপঞ্জীত নাম সন্নিৱিষ্ট নোহোৱাসকলক বিদেশী নাগৰিক বুলি প্ৰাথমিক পৰ্যাযত চিনাক্ত কৰিব পৰা যাব। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজনৈতিক সুবিধা বিচৰা ৰাজনৈতিক শক্তিসমূহে বাধা দি থকালৈকে আমি এনে বিকল্প পথেৰে এই সমস্যা সমাধানৰ কিছু পদক্ষেপ গ্ৰহণ কৰিব পাৰোঁ। ১৯৭১ চনৰ ২৫ মাৰ্চলৈ অসমত থকা সমূহ নাগৰিকৰ নাম সন্নিৱিষ্ট কৰি পঞ্জীয়ন প্ৰস্তুত হৈ উঠিলে ১৯১৭ চনৰ ২৫ মাৰ্চৰ আগতে অসমত থকা সংখ্যালঘুসকলৰ হাৰাশাস্তি হোৱাৰ সন্দেহ দূৰ হ'ব। নাগৰিকত্বৰ প্ৰশ্নত বাৰে বাৰে জবাবদিহি হোৱাৰ প্ৰয়োজন নাথাকিব আৰু আই এম. ডি. টি. আইনক লৈ চলি থকা বিতৰ্কও আঁতৰ হ'ব।

অসমত নাগৰিক পঞ্জীখন নথকাৰ বাবে বিভিন্ন ক্ষেত্ৰত জনসংখ্যাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা পৰিকল্পনাসমূহ সম্পূৰ্ণ শুদ্ধ বুলি ক'ব নোৱাৰি। আনহাতে, বিভিন্ন ক্ষেত্ৰৰ নিৰ্বাচনসমূহ যাতে নিকা আৰু শুদ্ধ হয়, তাৰ বাবে ভোটাৰ তালিকা সম্পূৰ্ণ শুদ্ধ হোৱাটো একান্ত বাঞ্চনীয়। সংবিধানৰ ৩২৬নং অনুচ্ছেদ অনুসৰি কেৱল ভাৰতীয় নাগৰিকসকলহে ভোটাধিকাৰৰ প্ৰাপ্য। ১৯৫০-ৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৬নং অনুচ্ছেদত এইটো স্পষ্ট কৰি দিছে যে এজন লোকক ভোটাৰ তালিকাত নাম

অন্তৰ্ভুক্ত কৰা নহয়, যদিহে তেওঁ ভাৰতীয় নাগৰিক নহয়। সংবিধানপ্ৰদত্ত আইন অনুসৰি বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ'ব নোৱাৰে। কিন্তু বৰ্তমান এইটো সকলোৰে জ্ঞাত যে এক বৃহৎসংখ্যক বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে। ভোটাৰ তালিকাত বিদেশী নাগৰিকৰ নাম অন্তৰ্ভুক্ত হোৱাত নিৰ্বাচনসমূহৰ ওপৰত প্ৰকৃততে বৈধতাৰ প্ৰশ্ন উত্থাপন কৰিবলগা হৈ পৰিছে। ভাৰতীয় সংবিধানৰ ৩২৬,৩২৭ আৰু ৩২৮ নং অনুচ্ছেদে ভোটাৰৰ যোগ্যতা, লোকসভা আৰু বিধানসভাৰ ক্ষমতা আৰু ভোটাৰ তালিকাত বিদেশী নাগৰিক থাকিব নোৱাৰিব আদি নিয়মসমূহক সান্নিৱিষ্ট কৰি দিছে যদিও আলোচ্য নাগৰিকপঞ্জী নথকা হেতু সংবিধানপ্ৰদত্ত বিধিসমূহ পালন হোৱা নাই। নাগৰিকত্বৰ বিধিসমূহৰ লগতে নিৰ্বাচনৰ প্ৰক্ৰিয়াসমূহত কেৰোণ থাকি গৈছে।

- সংবিধানৰ পঞ্চম অনুচ্ছেদত যথেষ্ট সুৰুঙা থকাৰ বাবে ব্যক্তিগত লাভৰ বাবেই হওক বা ৰাজনৈতিক অভিসন্ধিৰ বাবেই হওক, বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়।
- নাগৰিকপঞ্জী নথকাৰ হেতু বহুসংখ্যক মৃত লোকৰ নাম ভোটাৰ তালিকাত থাকি গৈছে আৰু বহুসংখ্যক প্ৰকৃত ভোটাৰৰ নাম তালিকাত অন্তৰ্ভুক্ত হোৱাৰ পৰা বঞ্চিত হৈছে।
- নাগৰিকপঞ্জী নথকাৰ বাবে আৰু ভোটাৰ তালিকা নাগৰিকপঞ্জীৰ পৰা প্ৰস্তুত নকৰাত নিৰ্বাচনৰ সময়ত যথেষ্ট আইনবহিৰ্ভূত কাম কৰা হোৱা দেখা যায়।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী নথকাৰ বাবে এনেধৰণৰ অলেখ অ-সাংবিধানিক ভুল অন্যান্য কাৰ্যৰ লগতে ভোটাৰ তালিকাতো থাকি গৈছে। ভাৰতবৰ্ষৰ ৰাজনীতিত আৱেগ এটা শক্তিশালী চাপ। এই আৱেগেই ভাৰতৰ বিভিন্ন সমস্যাৰ প্ৰকৃত সমাধানত বাধা হৈ আহিছে। আৱেগতকৈ বাস্তৱ দিশেৰে সমস্যা সমাধানত গুৰুত্ব দিয়া উচিত। সেয়েহে ভাৰতীয় নাগৰিকৰ জন্ম-মৃত্যুপঞ্জী সম্পূৰ্ণকৈ বাধ্যতামূলকভাৱে প্ৰস্তুত কৰিব লাগে। ভৱিষ্যতৰ ভোটাৰ তালিকাবিলাক বৰ্তমানৰ দৰে ঘৰে ঘৰে নগৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰাই প্ৰস্তুত কৰিব পাৰিব। নাগৰিকপঞ্জীৰ ভিত্তিত নাগৰিকসকলক প্ৰমাণ-পত্ৰ দিব পৰা হ'ব।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত কেইটামান দিশ নিৰ্দিষ্ট কৰি লোৱা উচিত হ'ব।

- নাগৰিকপঞ্জীখন প্ৰদেশভিত্তিক হ'ব লাগে আৰু প্ৰদেশভিত্তিত থকা পঞ্জীত এজন নাগৰিকে কেৱল এখন প্ৰদেশৰ নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব লাগে।

- প্ৰদেশখনত নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ সময়ত সেই প্ৰদেশত থকা অন্য প্ৰদেশৰ ভাৰতীয় নাগৰিকসকলে তেওঁলোকৰ নাম কোন প্ৰদেশৰ নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব তাক ঘোষণা কৰিব লাগে।
- অন্য ৰাষ্ট্ৰৰ পৰা ভাৰতলৈ আহি যিখন প্ৰদেশত ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰে, সেইখন প্ৰদেশৰ নাগৰিকপঞ্জীতহে তেনে ব্যক্তিৰ নাম অন্তৰ্ভুক্ত হ'ব লাগে।
- ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত প্ৰদেশভিত্তিত নাম স্থানান্তৰ কৰিবলৈ হ'লে জন্ম-মৃত্যুৰ পঞ্জীৰ ওপৰত ভিত্তি কৰি আইনৰ সহায়তহে কৰিব পৰা হ'ব লাগে।
- ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ নাগৰিকৰ নাম আৰু নম্বৰ থকা সুবিধাত প্ৰদেশখনৰ পৰা দূৰত থকা লোকসকলে নিৰ্বাচনৰ সময়ত ভোট দিয়া সহজ ব্যৱস্থা হ'ব।
- ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পৰা ভাৰতীয় নাগৰিকৰ প্ৰমাণ-পত্ৰ দিব পৰা যাব। চিনাক্তকৰণ-পত্ৰত আঙুলিৰ চাপ, চহী আৰু ফটোৰ ব্যৱস্থা থাকিব লাগে। চিনাক্তকৰণ-পত্ৰ দিয়াৰ আগতে ভাৰতবৰ্ষৰ সমূহ ৰাজ্য, জিলা, মহকুমা, নগৰ-পৌৰ এলেকা, গাঁও পঞ্চায়ত প্ৰত্যেকৰে ক্ষেত্ৰত এক নিৰ্দিষ্ট সংখ্যা স্থিৰ কৰিব লাগে। ডাক সেৱাৰ পিন-কোডৰ দৰে নম্বৰ স্থিৰ হোৱাৰ পিছত এই সংখ্যাসমূহৰ ভিত্তিতে নাগৰিক পঞ্জীখনত ভাৰতীয় লোকসকলৰ বিপৰীতে থকা নম্বৰটোৰ সহাযত নাগৰিক চিনাক্তকৰণ প্ৰমাণ- পত্ৰ দিব পৰা যাব। ফলত আকাৰ সৰু হ'ব আৰু তথ্য-বিজ্ঞানৰ সহায়ত সংগ্ৰহ কৰা সহজ হৈ পৰিব। এনে ব্যৱস্থা আমি অসমৰ পৰাই আৰম্ভ কৰিব পাৰোঁ ।

অসমৰ এনে বিশেষ পৰিস্থিতিত ভোটাৰ তালিকা প্ৰস্তুতকৰণৰ বিষয়তো নিৰ্বাচন আয়োগে অন্য ৰাজ্যৰ লগত একেটা শ্ৰেণীতে ৰখা উচিত নহ'ব। ভোটাৰ তালিকাৰ বিষয়টোৱে অসমৰ সংখ্যালঘু ৰাইজক বাৰে বাৰে এক শংকাৰ মাজলৈ ঠেলি দি আছে। অসমৰ সংখ্যালঘুসকল যাতে সদায় সংকটৰ মাজত থাকিবলগা নহয়, তাৰ বাবে অসমৰ ভোটাৰ তালিকাৰ বিতৰ্কটোৰ তৎকালেই নিষ্পত্তি হোৱা উচিত। ভোটাৰ তালিকাৰ দৰে স্পৰ্শকাতৰ হৈ পৰা সমস্যা সমাধানৰ ক্ষেত্ৰত একক চিন্তাৰ বিপৰীতে যাতে সামূহিক চিন্তা হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। অসমৰ সমূহ গণতান্ত্ৰিক শক্তিয়ে ঐক্যবদ্ধভাৱে এই সমস্যা সৰ্বকালৰ বাবে সমাধান কৰি লোৱা উচিত হ'ব। আয়োগক প্ৰশ্ৰয় নিদি প্ৰকৃত সমাধানসূত্ৰ আমি নিজেই উলিয়াই লোৱাটো বৰ্তমানৰ

দাবী। কাৰণ সমস্যা সমাধানৰ পৰিৱৰ্তে তাক অধিকতৰ সংঘাতপূৰ্ণ কৰি তোলাটোৱেই দিল্লী-দিশপুৰৰ চৰিত্ৰ। আনহাতে, নিৰ্বাচন আয়োগৰ চৰিত্ৰ আমোলাতান্ত্ৰিক। এনে ক্ষেত্ৰত এই ব্যৱস্থাসমূহৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বিপৰীতে এক ঐক্যবদ্ধ সমাধানসূত্ৰ নিৰ্ণয় কৰাটোৱে এতিয়া অসমবাসীৰ কৰ্তব্য। ত্ৰিপাক্ষিক বৈঠকত নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি আমাক এটা সুযোগ দিছে। অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়া অধিক শক্তিশালী কৰাৰ স্বাৰ্থতো এই পদক্ষেপক গুৰুত্ব দিয়া প্ৰয়োজন হ'ব।

নাগৰিক চিনাক্তকৰণ-পত্ৰৰ আৰ্হি

প্ৰদেশখনৰ সংখ্যা	জিলাখনৰ সংখ্যা	মহকুমাৰ, সংখ্যা	নগৰ-চহৰ গাঁৱৰ সংখ্যা	জন্ম-মৃত্যুৰ পঞ্জীয়ন সংখ্যা	নাগৰিক-পঞ্জীৰ ভিত্তিত নামৰ বিপৰীতে থকা সংখ্যা
A-01	A-011	A-0111	A-01111	A-0111A	100001

ভাল খবৰ ঃ যোৱা ৩এপ্ৰিলত অসম ৰাজ্যিক জমিয়ত উলামাৰ স্থানীয় সোণাৰাম হাইস্কুল খেলপথাৰত গণ-সমাবেশত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল— 'বিদেশী সমস্যাৰ স্থায়ী সমাধানৰ পথ সুচল কৰিবলৈ অসম-চুক্তিৰ আধাৰত ২৫মাৰ্চ, ১৯৭১-ক ভিত্তি বছৰ মানি এখন সম্পূৰ্ণ পৰ্যায়ৰ নাগৰিকপঞ্জী প্ৰস্তুত কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।' উল্লেখ্য যে জমিয়তৰ এটি প্ৰতিনিধি দলেও এই প্ৰস্তাৱ লৈ নতুন দিল্লীত দেশৰ প্ৰধান-মন্ত্ৰী আৰু কংগ্ৰেছৰ অধ্যক্ষক লগ কৰিবলৈ ৰাওনা হৈছে।

❑ ❑ ❑

উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এটা সুকীয়া সময় মণ্ডল লাগে

ৰাজীৱ গান্ধী ইনষ্টিটিউতে ওঠৰখন ৰাজ্যৰ মাজত চলোৱা এক সমীক্ষাত অসমৰ স্থান যোল্ল নম্বৰত পৰিছে, সমীক্ষাটোৰ মতে দেশৰ ওঠৰখন ৰাজ্যৰ ভিতৰত সাধাৰণ উন্নয়নৰ ক্ষেত্ৰত অসমৰ স্থান সোতৰ, ব্যক্তিগত বিত্তীয় ক্ষেত্ৰত সোতৰ, শিক্ষা-স্বাস্থ্যত স্থান যোল্ল, আইন-শৃংখলাত যোল্ল, ক্ৰয় ক্ষমতাত পোন্ধৰ, শ্ৰমৰ ক্ষেত্ৰত তেৰ, ৰাজ্যৰ বিত্তীয় অৱস্থাত বাৰ নম্বৰ স্থান আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত অসমৰ স্থান এঘাৰ নম্বৰত। সমীক্ষাটোৱে এইটো স্পষ্ট কৰি দিছে যে ভাৰতৰ ,ওঠৰখন ৰাজ্যৰ ভিতৰত অসমৰ স্থান সকলোতে পিচত। ইমানৰ পিছতো আমি ৰাজ্যখনৰ এক প্ৰয়োজনীয় পৰিৱৰ্তনৰ বাবে গুৰুত্ব দিয়া নাই। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সকলোতকৈ আগেযে সূৰ্যই পোহৰ পেলায় অথচ আমি বিশ্বৰ চেৰত অসমক পোহৰাবলৈ সক্ষম হোৱা নাই।

উল্লেখ্য যে বৰ্তমান উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ চহৰৰ স্থানীয় সময়ক মান সময় হিচাপে গ্ৰহণ কৰি অহা হৈছে। ভাৰতীয় এই মান সময় আন্তঃৰাষ্ট্ৰীয় গ্ৰীণিজ মান সময়তকৈ চাৰে পাঁচ ঘণ্টা আগবঢ়া, কিন্তু উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰতকৈ অসমত প্ৰায় এঘণ্টা আগতে সূৰ্যোদয় হয়। আন্দামানৰ কাইচাল দ্বীপত প্ৰথম সূৰ্যোদয় হয় বুলি ধৰা হৈছিল যদিও প্ৰকৃতাৰ্থত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচলৰ ম্যানমাৰৰ সীমান্তৰ গাঁও ডঙত কাইচালতকৈ পোন্ধৰ মিনিট পূৰ্বে সূৰ্যোদয় হয়, ৰাজীৱ গান্ধী ইন্‌ষ্টিটিউটে চলোৱা সমীক্ষাৰ মতে প্ৰথম ছটা স্থানত থকা ৰাজ্য ক্ৰমে দিল্লী, গোৱা, কেৰেলা, পঞ্জাব, মহাৰাষ্ট্ৰ আৰু তামিলনাডুতকৈ অসমত প্ৰায় এঘণ্টা আগতে সূৰ্যোদয় হয়। আমাৰ প্ৰস্তাৱ হ'ল এই এঘণ্টা আগতে হোৱা সূৰ্যোদয়ক ভিত্তি কৰিয়েই আমি আন ৰাজ্যতকৈ এঘণ্টা আগবাঢিবলৈ চেষ্টা কৰিব লাগিব। মিৰ্জাপুৰৰ ওপৰত ভিত্তি কৰি সৃষ্টি কৰা ভাৰতীয় মান সময় অনুসৰি দিল্লী, গোৱা, মহাৰাষ্ট্ৰত পুৱা ৬টা বাজিলেও অসমতো পুৱা ৬টা বজা বুলি গ্ৰহণ কৰা নিয়মৰ পৰিৱৰ্তন কৰিব লাগিব। প্ৰকৃততে দিল্লী, গোৱা, মহাৰাষ্ট্ৰত পুৱা ৬টা বজা মানে পুৱা অসমত ৫টা বাজে। এই সত্যটোকে উপলব্ধি কৰি আমি অন্য ৰাজ্যতকৈ এঘণ্টা আগতে উন্নয়নৰ পথত দৌৰিব লাগিব।

আমাৰ প্ৰস্তাৱ হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক সুকীয়া মান সময়লৈ এক সময় মণ্ডল সৃষ্টি কৰিব লাগে। সূৰ্যোদয়ক কেন্দ্ৰ কৰি এখন দেশত কেইবাটাও মান সময় নিৰ্ধাৰণ কৰিব পাৰে। ছুপাৰ পাৱাৰ হ'বলৈ হ'লে অধিক নিউক্লিয়াৰ অস্ত্ৰৰ প্ৰয়োজন হ'ব। আৰু তাৰ বাবেই দুটাতকৈ অধিক সময় মণ্ডলৰ প্ৰযোজন বুলি দেশৰ বিজ্ঞান আৰু কাৰিকৰী বিভাগৰ বিশেষজ্ঞসকলে গুৰুত্ব দিব বিচাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত পাঁচটা মান সময় আছে। ৰাছিযাত আঠটা মান সময় আছে। ভাৰতৰ প্ৰচলিত মান সময মতে অসম পৰিচালিত হ'বলগা হোৱা বাবে অসমে এঘণ্টা সময় অপচয় কৰিবলগা হৈছে। দিল্লীত ১০টা বজাত চৰকাৰী কাম-কাজ আৰম্ভ কৰে মানে একেমান সময়ত চলা বাবে অসমত প্ৰকৃতাৰ্থত এঘাৰটা বজাতহে কাম আৰম্ভ কৰা হয। ভাৰতীয় মান সময়লৈ পুৱা ৬টা বজাত আমি শোৱাৰ পৰা উঠা মানে পুৱা ৭টা বজাতহে আমি শোৱাৰ পৰা উঠো। এই অবস্থাৰ পৰিৱৰ্তন কৰিব লাগিব। সূৰ্য এঘণ্টা আগতে অসমক পোহৰ কৰি আনতকৈ আমাক এঘণ্টাৰ আগত থকাৰ সুবিধা কৰি দিয়াৰ পিছতো আমি এই সুযোগ গ্ৰহণ কৰিব পৰা নাই। ভাৰতীয মান সময মতেই অসমত দিনৰ বাৰটা বাজিলে কলকতাত দিনৰ বাৰটা বাজে। কিন্তু একেটা সময়ত বাংলাদেশৰ ঘড়ীত দিনৰ ১১ ৩০ বাজে।

সাংবাদিক নীতিন গোখলেই ১৯৯৯ চনৰ ১ ডিচেম্বৰত ডিব্ৰুগড, গুৱাহাটী আৰু গোৱালপাৰাৰ ওপৰত সময মানৰ তক অধ্যযন কৰিছিল।

ডিব্ৰুগড় (অসমৰ পূব প্ৰান্তৰ চহৰ)

২৭ ডিগ্ৰী, ২৯ মিনিট উত্তৰ অক্ষাংশ আৰু ৯৫ ডিগ্ৰী, ১ মিনিট পূব দ্ৰাঘিমাংশ *সূৰ্যোদয় ঃ* ১ ডিচেম্বৰ ১৯৯৯, ০৫৪৭ ঘণ্টা আই এছ টি, *সূৰ্যাস্ত ঃ* ১ ডিচেম্বৰ, ১৯৯৯, ১৬১৯ ঘণ্টা আই এছ টি

গুৱাহাটী ঃ ২৬ ডিগ্ৰী আৰু ৬ মিনিট উত্তৰ অক্ষাংশ, ৯১ ডিগ্ৰী আৰু ৩৫ মিনিট পূব দ্ৰাঘিমাংশ

সূৰ্যোদয় ঃ ১ ডিচেম্বৰ, ১৯৯৯, ০৫৫৪ ঘণ্টা আই এছ টি

সূৰ্যাস্ত ঃ ১ ডিচেম্বৰ, ১৯৯৯, ১৬৩১ ঘণ্টা আই এছ টি

গোৱালপাৰা (অসমৰ পশ্চিম প্ৰান্তৰ চহৰ)

২৬ ডিগ্ৰী আৰু ১১ মিনিট উত্তৰ অক্ষাংশ,

৯০ ডিগ্ৰী আৰু ৩৮ মিনিট পূব দ্ৰাঘিমাংশ

সূৰ্যোদয় ঃ ১ ডিচেম্বৰ, ১৯৯৯, ০৫৫৮ ঘণ্টা আই এছ টি

সূৰ্যাস্ত ঃ ১ ডিচেম্বৰ, ১৯৯৯, ১৬৩৪ ঘণ্টা আই এছ টি।

বিশিষ্ট সাংবাদিক নীতিন গোখলেৰ সমীক্ষাত এইটো স্পষ্ট হৈ পৰিছে যে

গোৱালপাৰাতকৈ ডিব্ৰুগড়ত ১১ মিনিট আগতে সূৰ্যোদয় হয় আৰু ১৫ মিনিট আগতে সূৰ্যাস্ত হয়। ইয়াৰ পৰাই আমাৰ ধাৰণা কঠিন নহয় নে ডিব্ৰুগড় আৰু গুজৰাটৰ মাজত ভাৰতীয় মান সময়ৰ তুলনাত প্ৰকৃততে সূৰ্যোদয়ৰ পাৰ্থক্য কিমান। ডেৰশ বছৰ আগতে ব্ৰিটিচসকলে চাহ বাগান আৰম্ভ কৰাৰে পৰা অসমত সূৰ্যোদয়ৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় মান সময়ৰ এঘণ্টা আগতে বাগান সময় বা স্থানীয় সময় বুলি এক নিয়ম প্ৰচলন কৰে। তেওঁলোকে বুজি পাইছিল যে সূৰ্যৰ পোহৰৰ লগে লগে কৃষিত ব্যস্ত হ'ব পাৰিলে উৎপাদন বৃদ্ধি হ'ব, এঘণ্টা ওপৰঞ্চি সময় আগলৈ আহিব। কৃষিকামৰ লগত সৌৰশক্তিৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে। গতিকে এই শক্তিক যথাসময়তে ব্যৱহাৰ কৰিব লাগিব। অসমৰ কৃষকসকলে পুৱা চাৰে চাৰিটাৰ পূৰ্বে খেতি পথাৰলৈ যায়? কাৰণ সূৰ্য পুৱা পাঁচটাৰ আগতে উদয় হয়। সূৰ্যৰ প্ৰথম পোহৰত কৃষিকাৰ্য কৰাটো কৃষি আৰু কৃষক দুয়োটাৰে বাবে সহযোগী। তৈলখণ্ডৰ উদ্যোগসমূহেও ভাৰতীয় মান সময়ৰ সমান্তৰালকৈ ১৯৭৩ চনলৈ স্থানীয় সময় ব্যৱহাৰ কৰিছিল। ভাৰতীয় মান সময়ৰ ওপৰত নিৰ্ভৰ কৰি চলা বাবে অসমবাসীয়ে সন্ধিয়াটো উপভোগ তথা ব্যৱহাৰ কৰিব নাপায়। কাৰ্যালয় আৰু শিক্ষানুষ্ঠানৰ পৰা ঘৰ পোৱাহি'মাত্ৰে অন্ধকাৰ হয়। আমি সন্ধিয়াটো আমাৰ বাবে মুকলি কৰিব লাগিব। ভাৰতীয় মান সময়তকৈ এঘণ্টা আগুৱাই আনিব পাৰিলে বিয়লী বেলাটো যুৱশক্তিৰ বিকাশৰ সময় হিচাপে পোৱা যায়, ক্ৰীড়াৰ লগতে বিভিন্ন প্ৰতিযোগিতামূলক ক্ষেত্ৰত জড়িত হোৱাৰ বাবে সূৰ্যাস্তৰ আগতেই সময় ওলাব। দহটা বজাত বিদ্যালয়লৈ গৈ দিনৰ তিনি বজাত বিদ্যালয়ৰ পৰা ওলাই চাৰিটাত ঘৰ পায় মানে খেলপথাৰলৈ যোৱাৰ আগতেই সূৰ্যাস্ত হয়। কৰ্মচাৰীসকলে দহটা বজাত কাৰ্যালয়ৰ পৰা ওলাই ঘৰ পোৱা মানে অন্ধকাৰ হয়। এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগিব।

আমাৰ প্ৰস্তাৱ— উত্তৰ-পূৰ্বাঞ্চলত সূৰ্য উদয়ৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক সুকীয়া সময় মণ্ডল হ'ব লাগে। অসম চৰকাৰ, সাংসদসকলৰ লগতে সকলো পক্ষই কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাব লাগে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সুকীয়া সময় মণ্ডল নকৰা পৰ্যন্ত আমি সকলোৱে অসমৰ সকলো ক্ষেত্ৰত কাম ভাৰতীয় মান সময়তকৈ এঘণ্টা আগৰে পৰা আৰম্ভ কৰিব লাগে। প্ৰথম পৰ্যায়ত শিক্ষানুষ্ঠান-সমুহেৰে আৰম্ভণীৰ সময়পুৱা ৮টা বজালৈ আনিব লাগে। পুৱা ৮টা বজাৰ পৰা দিনৰ ২টা বজালৈ শিক্ষানুষ্ঠানত আৰু দিনৰ ২ বজাৰ পৰা ৫বজালৈ সূৰ্যৰ পোহৰত প্ৰতিযোগিতাৰ অন্যান্য ক্ষেত্ৰসমূহত অসমৰ যুৱশক্তিয়ে খোজ দিব পাৰিব। পৰ্যাযক্ৰমে প্ৰতি বিভাগতে এঘণ্টা আগুৱাই আনিলে আমি প্ৰতিযোগিতাৰ বিশ্বত কিছু হ'লেও আগুৱাই যোৱাত নিশ্চয় সক্ষম হ'ম।

❑ ❑ ❑

দেশাত্মবোধৰ প্ৰতি জাগ্ৰত কৰা শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন হৈছে

৪১ কোটি নিৰক্ষৰ মানুহৰ দেশ ভাৰতবৰ্ষ। কুসংস্কাৰ, অন্ধবিশ্বাসৰ পৰা এতিয়াও সম্পূৰ্ণ ওলাই আহিব পৰা নাই। জাত-পাত, ধৰ্মৰ সংঘাতে সমাজ জীৱনত বাৰুকৈয়ে সংকটৰ সৃষ্টি কৰি আছে। বিজ্ঞান শিক্ষাৰ দূৰৰ কথা, ভাৰতীয় মানুহৰ বেছি অংশই জ্ঞাত নহয় শিক্ষা কি? জাতীয় শিক্ষানীতিত কি আছে? কাৰ্যকৰীভাৱে নিৰক্ষৰতাক এক সময়সীমাৰ ভিতৰত দূৰ কৰাৰ বাবে আজিও কোনো সবল কাৰ্যসূচী প্ৰনয়ণ হোৱা নাই। জীৱন-ধাৰণৰ মানদণ্ড পৃথিৱীৰ ১৯০ খন ৰাষ্ট্ৰৰ পিচত অৱস্থান কৰা ভাৰতৰ সামাজিক আৰু শৈক্ষিক মানদণ্ড কেনে স্তৰৰ হ'ব, অনুমান কৰিবলৈ নিশ্চয় অসুবিধা নহয। এনে এটা স্তৰৰ ভাৰতীয় জাতীয় শিক্ষানীতিৰ লগত খোজ মিলাই অসমৰ শৈক্ষিক ক্ষেত্ৰখন আগুৱাই যাবলগা হ'লে আমাৰ গন্তব্য স্থান কি হ'ব আৰু গৈ কেতিয়া পামগৈ, ই এক চিন্তনীয় বিষয়।

ভাৰতবৰ্ষত শিক্ষাৰ প্ৰসাৰৰ অৰ্থে দেশৰ স্বাধীনতাৰ পিচত বহু শিক্ষাবিদৰ বহু আয়োগ গঠন কৰা হ'ল, কিন্তু কোনো এখন আয়োগৰে পৰা এক স্থায়ী আৰু গঠনমূলক ৰূপান্তৰ দেখা যোৱা নাই। বৰ্তমান কোঠাৰী আয়োগৰ চিন্তাৰ ভিত্তিত দেশৰ শিক্ষাই প্ৰসাৰতা লাভ কৰিছে যদিও ইয়াৰো সুস্থ ফল পোৱা যাব বুলি আশা কৰিব নোৱাৰি। শিক্ষিত নিবনুৱাৰ দ্ৰুততম বৃদ্ধিয়ে ইতিমধ্যে কোঠাৰী আয়োগৰ শিক্ষাৰো নিস্ফলতাৰ প্ৰমাণ দাঙি ধৰিছে। শিক্ষাৰ প্ৰকৃত উদ্দেশ্যক আজিও দেশত স্পষ্ট কৰি ফুটাই উঠাব পৰা নাই।

শিক্ষাৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ সম্পৰ্কত শিক্ষাবিদসকলে, মনীষীসকলে বিভিন্ন মন্তব্য প্ৰদান কৰে। শিক্ষাৰ ওপৰত হোৱা বিভিন্ন আলোচনা-গৱেষণাৰ পৰা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু উদ্দেশ্যত কেইবাটাও দিশত পৰ্যবেক্ষণ কৰিব পাৰি। মানুহৰ মাজত নিহিত হৈ থকা শক্তিৰ সদ্ব্যৱহাৰ, ব্যক্তিত্বৰ সুষম বিকাশ, জীৱনক উন্নত আৰু সুন্দৰ কৰা, মানুহৰ মাজত থকা মানৱীয় গুণৰাশিৰ বিকাশ কৰা আদিয়ে শিক্ষাৰ উদ্দেশ্য। মূলতঃ শিক্ষা এক মানৱ সম্পদ আৰু এই সম্পদৰাজিৰ বিকাশ সাধন কৰা উচিত, কিন্তু এই শিক্ষাৰ বিকাশৰ ধাৰা কি হ'ব আৰু শিক্ষাক কি

উদ্দেশ্যেৰে ব্যৱহাৰ কৰা হ'ব—তাক আজিও স্পষ্ট কৰি এক গঠনমুলক ভিত্তিত স্থিৰ কৰা নহ'ল। পশ্চিমৰ শিক্ষানীতিক আগত ৰাখি আজি ভাৰতৰ শিক্ষাৰ মূল ভেঁটি গঢ়ি তোলাৰ বাবে চেষ্টা কৰা হ'ল যদিও অসুস্থ দিশসমূহে ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত বেছি প্ৰভাৱ পেলালে। একেটা শ্ৰেণীতে থকা নম্বৰৰ মাধ্যমেৰে অধম, মধ্যম, উত্তম শ্ৰেণীভুক্ত হোৱা ভিন্ ভিন্ পৰ্যাযৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতামুখী শিক্ষা প্ৰদান কৰাৰ ফলত আজিও উচ্চ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ উন্নত মানৰ শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা হৈছে। ভাৰতীয় শিক্ষাত এই অসুবিধা গোটেই ছাত্ৰ জীৱনজুৰি চলাৰ ফলত দেশৰ প্ৰযোজন মতে উন্নত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোবাত বাধা পৰিছে। নিম্নমানৰ শিক্ষাৰ ফলত সৃষ্টি হোৱা ছাত্ৰ-ছাত্ৰীৰ বেছিসংখ্যক নিবনুৱাৰ শ্ৰেণীভুক্ত হ'বলগীয়া হয আৰু এই-দুৰ্বহ জীৱন যাত্ৰাৰ ফালে গতি কৰিবলগা হয। এনে দুৰ্বহ জীৱন-যাত্ৰাৰ পথলৈ ঠেলি দিযা বৰ্তমানৰ শিক্ষাৰ ধাৰক কল্যাণমুখী আৰু বাস্তৱমূখী কৰি গঢি তোলাৰ বাবে শিক্ষা পদ্ধতিৰ আমূল পৰিৱৰ্তনৰ প্ৰয়োজন। গঠনমুখী চিন্তাৰে গৱেষণা কৰি দেশৰ বিপথগামী শিক্ষাৰ ধাৰাত উদ্ধাৰ কৰাৰ বাবে চেষ্টা কৰাটো অতীৱ প্ৰযোজন হৈ পৰিছে।

অসমৰ সামূহিক উন্নযনৰ বাবে অন্যান্য উপাদানসমূহৰ লগতে মানৱ সম্পদৰ বিষযটো অগ্ৰাধিকাৰ দিয়া ভিত্তিত গ্ৰহণ কৰা উচিত। উৎপাদন প্ৰক্ৰিযাৰ লগত কোনো সম্পৰ্ক নথকা, বেকাৰৰ সংখ্যা বৃদ্ধি কৰি সামাজিক সংঘাত সৃষ্টি কৰিব বিচৰা ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থা প্ৰকৃততে ঔপনিবেশিক শোষণৰ অন্য এক ইন্ধন। ৰাষ্ট্ৰই ঔপনিবেশিক শোষণৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ স্বাৰ্থতে আজি শিক্ষা পদ্ধতি আমাৰ ওপৰত জাপি দিছে। মানৱ সম্পদৰ যথোপযুক্ত ব্যৱহাৰৰ দায়িত্ব ৰাষ্ট্ৰই অসমৰ ক্ষেত্ৰত আজিও উলাই কৰি আহিছে। ৰাষ্ট্ৰৰ ধ্যান-ধাৰণাৰ সৃষ্টি হোৱা ব্যৱস্থা আমাৰ শিক্ষানুষ্ঠানসমূহত জাপি দিয়াৰ ফলত আমাৰ ভৱিষ্যতৰ গতি কি হ'ব, তাক আজি উপলব্ধি কৰি লোৱা প্ৰযোজন হৈছে। ব্যৱহাৰিক জীৱনৰ লগত কোনো সম্পৰ্ক নথকা শিক্ষা আৰু পৰীক্ষা ব্যৱস্থাৰ দ্বাৰা হেজাৰ হেজাৰজনক অযোগ্য ঘোষণা কৰি অন্য এক শ্ৰেণীৰ সৃষ্টি কৰাৰ আমাৰ অধিকাৰ আছেনে?

অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ ওপৰত সংস্কাৰমুখী চিন্তা কৰি আহিলেও আজিলৈ এক কাৰ্যকৰী দিশত গতি লোৱা নাই। শৈক্ষিক ক্ষেত্ৰখন দীৰ্ঘদিনৰ বাবে অনগ্ৰসৰতাত চলি থাকিবলগীয়া যাতে নহয়, তাৰ বাবে নতুন চিন্তাৰ প্ৰৱৰ্তন কৰাৰ প্ৰয়োজন হৈছে। মানৱ সম্পদৰ ক্ষেত্ৰখনৰ বিকাশৰ ক্ষেত্ৰত অসমে ৰাষ্ট্ৰক অনুকৰণ কৰি ৰাষ্ট্ৰৰ ওপৰত সদায় নিৰ্ভৰশীল হৈ থকাৰ পৰিৱৰ্তে নিজৰ পথ নিৰ্দেশনা কৰি গৱেষণাত্মকভাৱে দিশ নিৰ্ণয় কৰিব লাগিব। এই ক্ষেত্ৰত আধুনিকতম প্ৰযুক্তিবিজ্ঞানৰ

যোগাত্মক দিশসমূহৰ উপযুক্ত মূল্য দিব পাৰিব লাগিব। লগতে আমাৰ শিক্ষাৰ মান বিশ্বৰ শিক্ষাৰ মানৰ হয়নে নহয়— তাক অধিক সক্ৰিয়ভাৱে দৃষ্টি ৰাখিব লাগিব। অসমে 'কম্পিউটাৰ' আৰু 'ছুপাৰ কম্পিউটাৰ প্ৰযুক্তিবিজ্ঞান', 'ছুপাৰ কণ্ডাক্টিভিটি' আৰু অন্যান্য আধুনিক বিজ্ঞানত অগ্ৰসৰ হ'ব নোৱৰাৰ কাৰণ নাই। এই দিশবিলাক আমাৰ বাবে অসম্ভৱ বুলি ভবা উচিত নহয। ভৱিষ্যত বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ পৃথিৱীখনত নিজস্ব অধিকাৰ পূৰণ কৰিব পৰাকৈ আৰু শিক্ষাৰ বিষযসমূহক কি গতিত নিয়া প্ৰয়োজন--তাক স্থিৰ কৰা উচিত। লগে লগে নিজস্ব সৃষ্টিশীল বৰ্তমানক গতি দিযাৰ ক্ষেত্ৰতো দিক্ নিৰ্দেশনা কৰা উচিত হ'ব।

বিশ্বৰ প্ৰত্যেক দেশতে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিযা হয। এই ক্ষেত্ৰত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ অৱস্থা অতিশয় দুখলগা। ভাৰতৰ 'শিক্ষা সমীক্ষা'তো দেশৰ প্ৰাথমিক বিদ্যালযৰ বিষয়ে কৰুণ ছবি দাঙি ধৰিছে। প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ বাবে শিক্ষানীতিত ব্ৰেকব'ৰ্ডৰ আঁচনি প্ৰকাশ কৰিছে যদিও ৰাজ্যক এই আঁচনিৰ বাস্তৱ ৰূপায়ণৰ বাবে অৰ্থ যোগানৰ ক্ষেত্ৰত ৰাষ্ট্ৰ নিমাত। প্ৰাথমিক পৰ্যাযৰ শিক্ষাৰ প্ৰসাৰৰ বাবে থকা কেন্দ্ৰীয় চৰকাৰৰ পূৰ্বৰ সমূহ প্ৰতিশ্ৰুতি নতুন শিক্ষানীতিৰ দ্বাৰা অস্বীকাৰ কৰা হ'ল। এনে অৱস্থাত অসমৰ শিশুসকলৰ মানৱীয শিক্ষাৰ উন্নতি সাধনৰ বাবে অসমে নিজস্ব কাৰ্যসূচী গ্ৰহণ কৰা উচিত। মানৱ সম্পদৰ বিকাশৰ মূল বুনিযাদ প্ৰাথমিক শিক্ষাৰ শৈক্ষিক ক্ষেত্ৰখনত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া প্ৰয়োজন হ'ব। প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষক আৰু শিক্ষাপদ্ধতিৰ নতুনকৈ মূল্যাংকন কৰিব লাগিব। আমাৰ সমাজৰ নিষ্ক্ৰিয়তাৰ ফলত শিক্ষাপদ্ধতিৰ ওপৰতো প্ৰতিক্ৰিযাৰ সৃষ্টি কৰিছে। উচ্চতৰ আৰু প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনক উৎপাদনমুখী আৰু আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ বাবে এক পদ্ধতিগত ব্যৱস্থা কৰিব লাগিব। চাকৰিবিহীন সমাজখনত চাকৰিমুখী শিক্ষাব্যৱস্থাৰ সংশোধন জৰুৰী হৈ পৰিছে। উৎপাদনমূলক কৰ্মমুখী শিক্ষাব্যৱস্থা কেনেদৰে কৰিব পৰা যায়, তাৰ বাবে অসমত মুক্ত বিতৰ্ক হোৱাৰ পৰিবেশৰ সৃষ্টি কৰিব লাগিব। অসমত এক স্বতন্ত্ৰ অৰ্থনীতিৰ ভেঁটি গঢি তুলি জাতীয় পুঁজি বৃদ্ধি কৰাৰ বাবে ব্যৱহাৰিক শিক্ষাৰ মানসিকতা গঢ়ি তোলাৰ প্ৰয়োজন হৈছে।

আনহাতে মানৱ সম্পদৰ বিকাশৰ মূল আধাৰ শিক্ষকসকলৰ প্ৰকৃত কৰ্তব্য সম্পাদনাত এক নতুন চিন্তাৰ প্ৰৱৰ্তনৰ প্ৰয়োজন হৈছে। শিক্ষকৰ দক্ষতাৰ স্তৰ উন্নত কৰাৰ ওপৰত বৈযয়িক দিশৰ পৰা উৎসাহিত কৰা প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত আৱশ্যকীয় বিত্তীয় পৃষ্ঠপোষকতা অতীৱ প্ৰয়োজন হ'ব। অসমত অভিযান্ত্ৰিক তথা কাৰিকৰী বিদ্যাৰ বিকাশৰ বাবে অধিক গৱেষণা আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰতাৰ প্ৰয়োজন।

অসমত আজিৰ প্ৰচলিত কাৰিকৰী শিক্ষা অধ্যয়ন কৰি হেজাৰ হেজাৰজন বেকাৰ হৈ থাকিবলগা হোৱাটোৱে কাৰকৰী শিক্ষাকে উপলুঙা কৰা পৰিলক্ষিত হৈছে। অসমে নিজস্বভাৱে প্ৰয়োজনীয় যন্ত্ৰৰ সা-সৰঞ্জাম নিৰ্মাণ, যন্ত্ৰ নিৰ্মাণ, ইলেক্ট্ৰনিক আৰু বৈদ্যুতিক ইঞ্জিনীয়াৰিঙৰ লগত জড়িত সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ আমাৰ কাৰিকৰী শিক্ষাৰ ভেঁটিক শক্তিশালী কৰিব লাগিব। আমাৰ হীনমন্যতাৰ ভাব দূৰীকৰণৰ সময় হৈছে। আমাৰ সম্পদ প্ৰচুৰ আৰু বৈজ্ঞানিক সম্ভাৱনাও বহুত। কেৱল ইয়াৰ উৎপাদন আৰু ব্যৱহাৰৰ বাবে এক কৰ্মমুখী শিক্ষাব্যৱস্থা লাগে। আমাক এনে এটা শিক্ষাব্যৱস্থা লাগে— যাৰ সহায়ত শিক্ষাৰ প্ৰসাৰে এক জাতীয় চেতনাৰ জন্ম দিয়ে। আমাক এনে শিক্ষা লাগে— যাৰ সহায়ত মানুহৰ সৃজনী শক্তিৰ বিকাশ হয় আৰু শিক্ষিতৰ হাৰ বৃদ্ধি কৰি মানুহক দেশাত্মবোধৰ প্ৰতি জাগ্ৰত কৰে।

❑ ❑ ❑

বহুজাতিক গোষ্ঠীৰ কবলৰ পৰা উচ্চ শিক্ষাক উদ্ধাৰ কৰিব লাগিব

প্ৰধানমন্ত্ৰীৰ বাণিজ্য আৰু ঔদ্যোগিক আয়োগৰ ওচৰত ভাৰতৰ দুগৰাকী বৃহৎ ব্যৱসায়ীয়ে ২০০০ চনৰ এপ্ৰিলত এখন প্ৰতিবেদন দাখিল কৰিছিল। 'এ পলিচি ফ্ৰেমৱৰ্ক ফৰ ৰিফৰ্মছ ইন এডুকেচন' শীৰ্ষক প্ৰতিবেদনত মুকেশ আম্বানি আৰু কুমাৰমংগলম বিৰলাই পৰামৰ্শ দিছিল যে শিক্ষাক এক অতি লাভজনক ব্যৱসায় হিচাপে চিহ্নিত কৰিব লাগে। দেশৰ বজাৰ অৰ্থনীতিৰ সিংহভাগৰ ওপৰত দখল সাব্যস্ত কৰা এই দুযোজন পুঁজিপতিৰ পৰামৰ্শ হ'ল উচ্চ শিক্ষাক সম্পূৰ্ণভাৱে বে-চৰকাৰীকৰণ কৰিব লাগে। মুকলিকৈ ঘোষণা নকৰিলেও কেন্দ্ৰীয় চৰকাৰে আম্বানি আৰু বিৰলাৰ পৰামৰ্শ গ্ৰহণ কৰিছে। শিক্ষাক এক পণ্যৰ বজাৰলৈ ৰূপান্তৰিত কৰাৰ বাবে পদক্ষেপ আৰম্ভ কৰিছে। কেন্দ্ৰৰ বিজেপি চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগে বিশ্ববেংক আৰু বিশ্ববাণিজ্য সংস্থাৰ নিৰ্দেশ অনুসৰি শিক্ষাক সেৱাৰ বিপৰীতে এক সেৱা বাণিজ্য হিচাপে গ্ৰহণ কৰিছে। চৰকাৰৰ যুক্তি হ'ল উচ্চ শিক্ষাত চৰকাৰৰ পুঁজি বিনিয়োগ হ্ৰাস কৰিব লাগে, গতিকে বে-চৰকাৰীকৰণ একমাত্ৰ পথ। দেশৰ জনসাধাৰণক আভুৱা ভাঁৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিভাগৰ মন্ত্ৰীগৰাকীৰ উক্তি হ'ল— 'উচ্চ শিক্ষা বে-চৰকাৰীকৰণ হওক কিন্তু বাণিজ্যিকৰণ হ'ব নালাগে।' বে-চৰকাৰীকৰণৰ অন্যতম উদ্দেশ্যই হ'ল বাণিজ্য।

বিশ্বৰ বৃহৎ ব্যৱসায়িক গোষ্ঠীসমূহে শিল্পায়নৰ বাবে নতুন এক ক্ষেত্ৰ আবিষ্কাৰ কৰিছে। যিখন ক্ষেত্ৰত এখন বিশাল আন্তৰ্জাতিক বজাৰ আছে। বিশ্ববাসীয়ে অগ্ৰাধীকাৰ দিয়া শিক্ষাৰ ক্ষেত্ৰখনক আজি আন্তৰ্জাতিক পুঁজিবাদী শক্তিসমূহে অন্য এক পণ্যৰ বজাৰ হিচাপে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। শিক্ষাৰ ক্ষেত্ৰখনত শোষণৰ প্ৰক্ৰিয়াটো এতিয়াও সম্পূৰ্ণ স্পষ্ট হৈ পৰা নাই যদিও 'কৰ্পৰেট ছেক্টৰ'সমূহে ছাত্ৰ-শিক্ষক-কৰ্মচাৰীক এই বজাৰখন কেঁচামাল হিচাপে ব্যৱহাৰ কৰা আৰম্ভ কৰি দিছে। এওঁলোকে সৃষ্টি কৰা শিক্ষা দিয়া প্ৰক্ৰিয়াটো হ'ল জাতি গঠনৰ লগত সম্পৰ্কহীন মুনাফা আদায় কৰিব পৰা এটা শোষণমূলক ব্যৱস্থা। য'ত ছাত্ৰসকল হ'ল মাত্ৰ ক্ৰেতা।

বিশ্বৰ ৬৩০কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় ৭০কোটি ছাত্ৰ আৰু ৫কোটি শিক্ষক। লগতে আছে হেজাৰ হেজাৰ শৈক্ষিক প্ৰতিষ্ঠান। এই বিশাল ক্ষেত্ৰখনক এখন আন্তঃৰাষ্ট্ৰীয় বজাৰ হিচাপে গঢ়ি তুলিবলৈ বৃহৎ শক্তিসমূহৰ মাজত এতিয়া প্ৰতিযোগিতা আৰম্ভ হৈছে। শিক্ষাক মুক্ত বজাৰলৈ ৰূপান্তৰিত কৰি বানিজ্যিক কৰ্তৃত্ব সাব্যস্ত কৰাৰ বাবে ইতিমধ্যে প্ৰায় এক ত্ৰিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ হৈছে বুলি ধাৰণা কৰা হৈছে। লক্ষণীযভাৱে ঔদ্যোগিক ক্ষেত্ৰত উন্নত দেশসমূহৰ বিভিন্ন ক্ষেত্ৰৰ কৰ্মসংস্থাপনৰ মতৰ শতাংশৰ বেছি লোক শিক্ষাৰ লগত সম্পৰ্ক থকা। ইউৰোপীয় দেশসমূহৰ চাকৰি আৰু অৰ্থনীতিৰ এক-তৃতীয়াংশ শিক্ষাৰ লগত জড়িত। যোৱা পাঁচ বছৰত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰপ্তানিৰ বজাৰখনৰ এক তৃতিয়াংশকৈ বেছি শিক্ষাৰ ক্ষেত্ৰত হৈছে। ১৯৯৬ চনতে আমেৰিকাই শিক্ষাক্ষেত্ৰৰ প্ৰশিক্ষণৰ নামত ৰপ্তানিৰ বজাৰখনৰ পৰা ৮২ বিলিয়ন ডলাৰ লাভ কৰিছিল। উচ্চ শিক্ষাৰ ক্ষেত্ৰখনতেই ৰপ্তানিৰ অংকটো বৃহৎ। বৃহৎ ব্যৱসায়িক গোষ্ঠীসমূহে ঠিকেই অনুমান কৰি লৈছে যে ব্যৱসায়ৰ বাবে শিক্ষাৰ ক্ষেত্ৰখন যথেষ্ট বহল। বিশ্ববেংক আৰু বিশ্ববাণিজ্য সংস্থাৰ দ্বাৰা শৈক্ষিক ক্ষেত্ৰখনৰ বাণিজ্যকৰণৰ স্বাৰ্থত মাৰ্কিন যুক্তৰাষ্ট্ৰই হেঁচা প্ৰয়োগ কৰাৰ কাৰণটো পৰিষ্কাৰ।

১৯৯৪ চনত উন্নয়নশীল দেশসমূহৰ লগতে বিশ্বৰ জনগণৰ ওপৰত অধিকাৰ সাব্যস্ত কৰাৰ বাবে মাৰ্কিন সাম্ৰাজ্যবাদীৰ হেঁচাত বিশ্ব বাণিজ্য সংস্থা গঠন কৰা হৈছিল। বিশ্ব বাণিজ্য সংস্থাৰ অন্তৰ্গত সেৱা-বাণিজ্য সংক্ৰান্তৰ সাধাৰণ চুক্তিৰ জৰিয়তে শিক্ষাক এক আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ চেষ্টা আৰম্ভ হ'ল। গ্যাট চুক্তি অনুসৰি প্ৰথমে চাৰিটা পদ্ধতিৰে সেৱা বাণিজ্য আৰম্ভ কৰা হ'ল— Cross Border Supply, Consumption Abroad, Commercial Presence আৰু Presence of Natural Persons। 'Cross Border Supply'ৰ নামত ডিছটেন্স এডুকেচন বা ইন্টাৰনেট বা শিক্ষা সম্পৰ্কীয় উপাদান সৰবৰাহৰ ব্যৱস্থা মুকলি কৰিলে। এনেদৰে শিক্ষা সংক্ৰান্তীয় বিষয় ছাত্ৰৰ মাজলৈ ৰপ্তানি কৰা আৰম্ভ হ'ল। দেশীয় বিশ্ববিদ্যালয়সমূহ অন্য ৰাষ্ট্ৰ প্ৰতিষ্ঠানৰ দ্বাৰা পৰিচালিত কৰাৰ লগতে এখন ৰাষ্ট্ৰৰ শিক্ষকে অন্য এখন ৰাষ্ট্ৰলৈ শিক্ষাদান কৰিবলৈ যাব পৰাৰ দৰে বাণিজ্যিক স্বাৰ্থত বহু ব্যৱস্থা ইতিমধ্যে প্ৰবৰ্তন হোৱা পৰিলক্ষিত হৈছে। শৈক্ষিক ক্ষেত্ৰখনৰ ওপৰত বাণিজ্যিকীকৰণৰ বিষয়টো প্ৰসংগত বিশ্ব বাণিজ্য সংস্থাৰ কিছু বাধা নথকা নহয়। বিশ্ব বাণিজ্যৰ ১৪৩ খন সদস্য দেশৰ ভিতৰত মাত্ৰ ৪০খন দেশেহে শিক্ষাক সেৱা বাণিজ্য কৰাত সন্মতি প্ৰকাশ কৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰই এতিয়া প্ৰচণ্ড হেঁচা দিছে যাতে সকলোধৰণৰ প্ৰতিবন্ধকতা নাইকিয়া কৰা হয়। শিক্ষা আৰু শৈক্ষিক

প্ৰশিক্ষণত এক মুক্ত বজাৰ কৰাৰ লগতে শিক্ষা বিষয়টো উন্মুক্ত বজাৰ কৰাৰ মাৰ্কিনৰ প্ৰয়াস কাৰ্যকৰী কৰাৰ বাবে বিশ্বব্যাপী প্ৰচেষ্টা আৰম্ভ কৰিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰই সকলো প্ৰতিবন্ধকতাক আঁতৰ কৰি বিশ্বৰ বজাৰত উচ্চ শিক্ষাৰ ব্যৱস্থাক নিজৰ তত্ত্বাৱধানত নিয়ন্ত্ৰণ কৰি বৃহৎ মুনাফা লুটাৰ প্ৰচেষ্টাত আছে। ফলত ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ উচ্চ শিক্ষাৰ ব্যৱস্থাটো ভাঙি যোৱাৰ উপক্ৰম হৈছে আৰু ভাৰতৰ গণতান্ত্ৰিক জনশিক্ষাৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰাটো আজি নিশ্চিত হৈ পৰিছে।

অন্যান্য পণ্য সামগ্ৰীৰ বজাৰৰ দৰে ভাৰতৰ এশ কোটি জনসংখ্যাৰ শৈক্ষিক ক্ষেত্ৰৰ বৃহৎ বজাৰখনৰ প্ৰতি বহুজাতিক বৃহৎ পুঁজিবাদী শক্তিসমূহে ব্যৱসায়িক আগ্ৰাসনৰ ভূমিকা গ্ৰহণ কৰিছে। যোৱা দশকটোৰ আৰম্ভণীতে বহুকেইখন বিদেশী বিশ্ববিদ্যালয়ে ভাৰতবৰ্ষত তেওঁলোকৰ উচ্চ শিক্ষাক ৰপ্তানি কৰাৰ চেষ্টা কৰিছিল। ইতিমধ্যে বহুকেইখন বাহিৰৰ বিশ্ববিদ্যালয়ে তেওঁলোকৰ বাবে ছাত্ৰ ভৰ্তি কৰাৰ বাবে ভাৰতত এজেন্সি মুকলি কৰিছে। কোনো কোনো প্ৰতিষ্ঠানে স্নাতক পাঠ্যক্ৰমৰ এটা অংশৰ পৰীক্ষা ভাৰতত আৰু আনটো বিদেশৰ বিশ্ববিদ্যালয়ত দিয়াৰ ব্যৱস্থা আগবঢ়াইছে। কোনো প্ৰতিষ্ঠানে ভাৰতে তেওঁলোকৰ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী দিয়াৰ ব্যৱস্থা কৰিছে। কোনো প্ৰতিষ্ঠানে আকৌ দুযোখন ৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়ৰ যৌথ ডিগ্ৰী দিয়াৰ ব্যৱস্থা আগবঢ়াইছে। ব্যৱসায়িক স্বাৰ্থক অগ্ৰাধিকাৰ দি কম্পিউটাৰ, টেলিভিছন, মুদ্ৰণ, বৈদ্যুতিক মাধ্যম আদিৰ জৰিয়তে শিক্ষা দিয়াৰ ব্যৱস্থা দিয়াৰ ব্যৱস্থাৰ আৰম্ভ হৈছে। যাক কোৱা হয়— ভাৰচুৱাল ইউনিভাৰচিটি বা মুক্ত বিশ্ববিদ্যালয। বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সেৱা গ্ৰহণ, আন্তঃসীমান্ত সৰবৰাহ, সহযোগী সংস্থা, যৌথ কৰ্মসূচী আৰু মুক্ত বিশ্ববিদ্যালয়ৰ নামত ভাৰতবৰ্ষতো উচ্চ শিক্ষাৰ এখন বহল ৰপ্তানি বজাৰ আৰম্ভ হৈছে। অসমতো তাৰ খোজ পৰিছেহি।

এক সমীক্ষামতে ১৯৯৯ৰ শিক্ষাবৰ্ষত ভাৰতৰ পৰা প্ৰায় বিশ হেজাৰ ছাত্ৰ শিক্ষা গ্ৰহণৰ বাবে বিদেশলৈ গৈছিল। এতিয়া সংখ্যাটো আৰু বৃদ্ধি পাইছে। ভাৰতৰ বাহিৰলৈ যোৱা ছাত্ৰসকলৰ বাবে ফীজ পঞ্চাশ হেজাৰৰ পৰা তিনি লাখ চল্লিশ হেজাৰ টকালৈ হয়। ভাৰতৰ বেছিভাগ ছাত্ৰ আমেৰিকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড, কানাডা আৰু ফ্ৰান্সলৈ যোৱা পৰিলক্ষিত হয়। এই ৰাষ্ট্ৰসমূহলৈ ভাৰতীয় ছাত্ৰৰ শিক্ষাৰ নামত 'বৃহৎ অংকৰ পুঁজি' বহিঃগমন হয়। লক্ষণীয়ভাৱে গড়ে প্ৰায় ডেৰ হেজাৰ ছাত্ৰ দক্ষিণ এচীয় দেশৰ পৰা ভাৰতলৈ আহে। কিন্তু এই দেশসমূহৰ পৰা ভাৰতলৈ পুঁজিৰ আগমন অতি নগন্য। 'গ্লোবেল এলায়েন্স ফৰ ট্ৰান্স নেচনেল এডুকেচন'ৰ এক সমীক্ষাত এইটো স্পষ্ট হৈছে যে আমেৰিকা, ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াই এচীয় আৰু প্ৰশান্ত মহাসাগৰীয়

দেশসমূহত সাতাইছ বিলিয়ন ডলাৰ মূল্যৰ উচ্চ শিক্ষা ৰপ্তানি কৰিছে। ভাৰতত বিদেশী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিসকলে দিয়া বিজ্ঞাপনসমূহলৈ লক্ষ্য কৰিলে দেখা যায়, তেওঁলোকে কেৱল মেনেজমেন্ট, মেডিকেল আৰু তথ্য প্ৰযুক্তিৰ ওপৰত বিশেষ গুৰুত্ব দিছে। ইয়াৰ কাৰণটো এইটোৱেই নিশ্চয় হ'ব নে উল্লিখিত বিষয়কেইটাৰ বাবে অভিভাৱকসকলে মুকলি মনে খৰচ কৰিবলৈ প্ৰস্তুত। আনহাতে এই বিষয় তিনিটাৰ জৰিয়তে ভাৰতৰ পৰা মেধাসম্পন্ন ছাত্ৰসকলক বৃহৎ শক্তিৰ ৰাষ্ট্ৰসমূহে লৈ যোৱাৰো ষড়যন্ত্ৰ নথকা নহয়। ইংলেণ্ড, অষ্ট্ৰেলিয়া, কানাডা আৰু অষ্ট্ৰিয়াৰ পৰা ভাৰতত অত্যাধিক হাৰত বিজ্ঞাপন দিয়া দেখা গৈছে।

বিশ্ববেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ ওচৰত ভাৰতে ইতিমধ্যে আত্মসমৰ্পণ কৰিছে। ভাৰতত বৰ্তমান কাৰিকৰী উচ্চ শিক্ষাৰ প্ৰয়োজনৰ প্ৰসংগত আলোচনা হৈ থকা সময়তে কেন্দ্ৰৰ বিজেপি চৰকাৰ আৰু বিশ্ববিদ্যালয মঞ্জুৰি আযোগে বিশ্ববেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ নিৰ্দেশমতে শিক্ষাক এক সেৱা বাণিজ্য হিচাপে গ্ৰহণ কৰিছে। উচ্চ শিক্ষাক বাণিজ্যিকৰণ কৰাৰ লগে লগে ইয়াৰ মাৰাত্মক প্ৰভাৱৰ প্ৰতি লক্ষ্য কৰি কেন্দ্ৰীয চৰকাৰে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত কিছু পৰামৰ্শ নিৰ্দিষ্ট কৰিছে। শিক্ষা সেৱা বাণিজ্যিকৰণ মানি লৈয়ো ভাৰত চৰকাৰে উচ্চ শিক্ষাৰ সুৰক্ষাৰ নামত পৰামৰ্শ কমিটী বা টাস্ক ফ'ৰ্চ গঠনত গুৰুত্ব দিছে। কেন্দ্ৰৰ মতে উচ্চ শিক্ষাৰ বাবে বে-চৰকাৰী খণ্ডত উৎসাহ দিব লাগে কিন্তু নিয়ন্ত্ৰণ ৰখাৰ ব্যৱস্থা কৰিব লাগে। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত নিৰ্দিষ্ট কৰি দিয়া হৈছে যে উচ্চ শিক্ষাৰ বাবে চৰকাৰী পৰিকল্পনা নিশ্চিত হ'ব লাগে আৰু উচ্চ শিক্ষাৰ আন্তৰ্জাতিকীকৰণৰ ক্ষেত্ৰত বিশ্ববিদ্যালযসমূহত এটা কোষ গঠন কৰিব লাগে ইত্যাদি। কেন্দ্ৰীয় চৰকাৰৰ এনেবিলাক পৰামৰ্শ বাতুলতা মাত্ৰ। ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ ভূমিকা— জ্ঞানৰ সঞ্চয়, সৃষ্টি, ছাত্ৰক অনুভূতিশীল কৰা, সমাজ সচেতন কৰা আদি আজি ধ্বংসমুখী হৈছে। ব্যক্তিগতকৰণৰ তথা বাণিজ্যিকীকৰণৰ আগ্ৰাসনৰ পৰা ভাৰতৰ উচ্চ শিক্ষাক ৰক্ষা কৰাৰ বাবে প্ৰৱল জনমত গঠন কৰাৰ সময় হৈছে।

❑ ❑ ❑

অসমীয়া ভাষা কোৱাৰ সংখ্যা সংকুচিত হোৱাত বাধা দিব লাগিব

কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ দ্বাৰা প্ৰকাশিত লোকপিয়লৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ১৯৭১-৯১ৰ ভিতৰত অসমত অসমীয়াভাষীৰ হাৰ ৬০ ৮৯ শতাংশৰ পৰা ৫৭ ৮১ শতাংশলৈ হ্ৰাস পাইছে। একেটা ভৌগোলিক খণ্ডৰ ভিতৰত গতিশীল এটা জাতিৰ নিজস্ব ভাষা কোৱা মানুহৰ সংখ্যা ক্ৰমাগতভাৱে কমি অহাটো গুৰুত্বপূৰ্ণ বিষয়। অসমত অসমীয়া ভাষা কোৱাৰ সংখ্যা সংকুচিত হৈ অহাৰ বিষয়টোৰ ওপৰত বস্তুনিষ্ঠভাৱে পৰ্যালোচনা কৰাৰ প্ৰয়োজন হৈছে। ১৯৭১ৰ পৰা ১৯৯১ লৈ অসমত স্বাভাৱিক গতিত বৃদ্ধি পোৱা জনসংখ্যাৰ ভিত্তিত অসমীযাভাষী লোকৰ সংখ্যা ৪৫ ৫২ শতাংশ বৃদ্ধি হ'লেও মূলতঃ '৭১ৰ তুলনাত' ৯১ত ৩ ০৮ শতাংশ অসমীযাভাষী কমিল। অসমত অসমীয়াভাষী লোকৰ সংখ্যা কমিবলৈ লৈছে— এই সত্যটোক স্বীকাৰ কৰিযেই এনে পৰ্যাযলৈ গতি কৰাৰ কাৰণ আৰু তাক আঁতৰ কৰাৰ দিশসমূহৰ ওপৰত এক গঠনমূলক বিতৰ্ক অসমত হ'ব লাগিছিল।

লোকপিয়লৰ প্ৰতিবেদনৰ ভাষিক দিশটো প্ৰকাশ কৰাত ছয় বছৰ সময় লোৱা আৰু ভাষিক দিশটোৰ চিত্ৰখনৰ প্ৰসংগত অসমত ইতিমধ্যেই এক যুক্তিপূৰ্ণ পৰ্যালোচনা হ'ব লাগিছিল। আজিৰ অসমবাসীয়ে নিজৰ ভাষা অসমীয়া বুলি লিখিবলৈ এৰাৰ কাৰণসমূহৰ ওপৰত পৰ্যালোচনা হ'ব লাগিছিল। আমাৰ ভুল ক'ত, কি কৰা নহ'ল, কি কৰিব লাগিছিল, সেই বিষয়সমূহ আলোচনাৰ প্ৰয়োজন আছিল। আমি অতি প্ৰয়োজনীয় বুলি ভবা এই দিশবিলাকৰ প্ৰসংগত অসমৰ সমাজতাত্ত্বিকসকলে মুকলিভাৱে আলোচনা আৰম্ভ কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

অসমবাসীৰ লগতে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ এক উমৈহতীয়া ভাষা হিচাপে প্ৰতিষ্ঠিত অসমীয়া ভাষাক আজি কিছুকাল আগলৈকে অসমৰ জনগোষ্ঠীসমূহেও মাতৃভাষা হিচাপে গণ্য কৰিছিল। লোকপিয়লসমূহত সেইটো পৰিলক্ষিত হৈছিল। ১৯৯১ চনৰ লোকপিয়লত পূৰ্বৰ স্থিতিৰ এক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। ১৯৭১ৰ তুলনাত ১৯৯১ত বড়ো ভাষাক মাতৃভাষা বুলি গণ্য কৰা লোকৰ সংখ্যা ১২১ ৯৩ শতাংশ বৃদ্ধি পাইছে। ডিমাচা ভাষাক ১১৯.৮২ শতাংশ, কাৰ্বি

ভাষাক ৮৫.৫৩ শতাংশ, তিৱা ভাষাক ২২৭.৮৩ শতাংশ, মিচিং ভাষাক ১১৫.২৯ শতাংশ আৰু ৰাভা ভাষাক মাতৃভাষা হিচাপে ঘোষণা কৰা লোকৰ সংখ্যা ২৪৬.৯৭ শতাংশলৈ বৃদ্ধি পাইছে। অসমৰ একেটা ভৌগোলিক খণ্ডৰ ভিতৰত খিলঞ্জীয়া জনগোষ্ঠীয়ে এনে অস্বাভাৱিক ধৰণেৰে নিজস্ব ভাষা কোৱা লোকৰ সংখ্যাৰ বৃদ্ধিয়ে স্বাভাৱিকভাৱেই অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা হ্ৰাস কৰিছে। যোৱা কুৰিটা বছৰৰ ভিতৰত অসমৰ খিলঞ্জীয়া জনগোষ্ঠীয়ে নিজস্ব ভাষাৰ দ্বাৰা পৰিচয় দিবলৈ যোৱাটো সমৰ্থনযোগ্য যদিও যোৱা কুৰিটা বছৰৰ ভিতৰত অসমৰ জনগোষ্ঠীসকলে অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ কমাই অনাটো লক্ষ্য কৰিবলগীয়া।

অপ্ৰিয় হ'লেও সত্য যে অসমীয়া ভাষাক নেতৃত্ব দিবলৈ অহাসকলৰ জনগোষ্ঠীসমূহৰ প্ৰতি উদাৰতা , সহিষ্ণুতা আৰু সহযোগিতাৰ অভাৱ। জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ প্ৰকৃত বিকাশ আৰু সেই ভাষাসমূহক সন্মানজনক স্থিতিলৈ অনাৰ ক্ষেত্ৰত আমাৰ অ-সহযোগিতাই আজি অসমত এক বিশ্বাসৰ সংকটৰ সৃষ্টি কৰিছে। আমি এইটো স্পষ্ট কৰি লোৱা উচিত যে আজিৰ অসমীয়া ভাষা-সংস্কৃতি অসমৰ বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত সৃষ্টি হোৱা ভাষা-সংস্কৃতি। 'ভাষা' সংস্কৃতিৰ এক মৌলিক উপাদান। প্ৰজাতিসমূহৰ বিভিন্ন জনগোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতিৰ এক সংমিশ্ৰণত সৃষ্টি হৈছে অসমীয়া ভাষাৰ। অসমৰ প্ৰতিটো জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ বিকাশ এক মৌলিক বিষয়। জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ সংমিশ্ৰণ আৰু অৱদানত সৃষ্টি হোৱা অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশ সম্পূৰ্ণ হ'ব নোৱাৰে, যদিহে জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ বিকাশ সম্ভৱ নহয়। কিন্তু এই দৃষ্টিভংগীৰে আমি আজি পৰিচালিত হোৱা নাই। খিলঞ্জীয়া জনগোষ্ঠীৰ অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰখনতো আমাৰ সহযোগিতা যোগাত্মকতো নহয়েই বৰং সন্দেহজনক বুলিহে ক'ব পাৰি। স্বাভাৱিকভাৱে আন অঞ্চলৰ তুলনাত জনগোষ্ঠীসমূহৰ বসতি অঞ্চলৰ অৰ্থনৈতিক অনগ্ৰসৰতাই খিলঞ্জীয়া লোকৰ মাজত এক দ্বন্দ্বৰ সৃষ্টি কৰিছে। স্বাধিকাৰৰ প্ৰশ্নটো অহা বাবেই জনগোষ্ঠীসকলৰ মাজত ৰাজনৈতিক দাবীও উত্থাপিত হ'বলৈ ধৰিছে। অসমবাসীৰ নেতৃত্ব লোৱাসকলৰ অ-সহযোগিতাৰ ফলতেই আজি খিলঞ্জীয়া জনগোষ্ঠীসকলে নিজাববীয়াকৈ স্থিতি স্পষ্ট কৰাৰ প্ৰয়াস কৰিছে। তাৰেই ফল ১৯৯১ চনৰ লোকপিয়ল।

জনগোষ্ঠীয় ভাষা কোৱা লোকৰ সংখ্যাৰ অস্বাভাৱিক বৃদ্ধিৰ মূল কাৰণ কেৱল জন্মৰ হাৰ আৰু প্ৰব্ৰজন বুলি কোৱাটো ভুল হ'ব। অসমীয়া ভাষা কোৱাসকলৰ লগত জনগোষ্ঠীয় ভাষা কোৱাসকলৰ জন্মৰ হাৰ একেই আৰু অসমৰ জনগোষ্ঠীসমূহ অসমৰ খিলঞ্জীয়া লোক। এশৰ পৰা দুশ শতাংশতকৈও বেছি জনগোষ্ঠীয় ভাষা

কোৱা লোকৰ বৃদ্ধিয়ে অসমীয়াভাষিক লোকৰ প্ৰতি অসন্তুষ্টিৰ দিশটোৱেই স্পষ্ট কৰে। বিগত সময়ছোৱাত বিশেষকৈ ১৯৬০ চন আৰু ১৯৭২ চনৰ সংগ্ৰামৰ বিয়োগাত্মক দিশটোৰ পৰা আমি আজিও শিক্ষা ল'ব পৰা নাই। আজিৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত তথা সেই সময়ৰ অসমৰ প্ৰতিখন জিলাত অসমীয়া ভাষাৰ মুক্ত প্ৰচলন কৰিবলৈ গৈ জনগোষ্ঠীসমূহে প্ৰকৃত গতি নলওঁতেই অসমীয়া ভাষাক জাপি দিবলৈ যোৱাত অসমত সংঘাতৰ বীজ ৰোপণ হ'ল। অসমীয়াত্ব জাপি দিয়াৰ পৰিৱৰ্তে অসমীয়াত্ব হোৱাৰ এক মুক্ত গণতান্ত্ৰিক সহযোগিতামূলক পৰিবেশৰ সৃষ্টি কৰাত আমি গুৰুত্ব নিদিয়াৰ বাবেই অসম আজিৰ উত্তৰ-পূৰ্বাঞ্চল হোৱাত সহজ হ'ল। ১৯৭২ৰ মাধ্যম আন্দোলনে সংকুচিত হৈ পৰা অসমৰ আভ্যন্তৰীণ জনগোষ্ঠীসমূহৰ মাজত সংঘাত আৰম্ভ কৰাৰ পৰিবেশ সুচল কৰি তুলিলে। শাসন তথা ক্ষমতাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত এক শ্ৰেণীৰ অসমীয়া লোকৰ চিন্তা আৰু কাৰ্যৰ ফলশ্ৰুতিতেই জাতীয় চেতনাবোধৰ বিপৰীতে অসমত গোষ্ঠীগত প্ৰৱণতাই গা কৰা পৰিবেশ পালে। ইমানৰ পিচতো অতীতত কৰি অহা ভুলৰ পৰা আমি আজিও শিক্ষা ল'ব পৰা নাই।

'৯১ৰ লোকপিয়লৰ প্ৰতিবেদনৰ লক্ষ্য কৰিবলগীয়া বিষযটো হ'ল— '৭১-'৯১ৰ সময়ছোৱাত অসমীয়াভাষী লোকৰ সংখ্যা ৪৫.৫২ শতাংশ বৃদ্ধি হোৱাৰ বিপৰীতে বাংলা ভাষাক মাতৃভাষা হিচাপে ঘোষণা কৰা লোকৰ সংখ্যা ৬৭.০৫ শতাংশ বৃদ্ধি হৈছে। ফলত অসমৰ মুঠ ২,২৪,১৪,৩২২ জন লোকৰ ভিতৰত '৯১ৰ লোকপিয়ল অনুসৰি অসমীয়া ভাষাক মাতৃভাষা বুলি কোৱা লোক ১,২৯,৫৮,০৮৮ জন আৰু বাংলা ভাষাক নিজৰ মাতৃভাষা বুলি কোৱা লোক ৪৮,৫৬,৫৩২ জন। বঙালী ভাষা কোৱা লোকৰ সংখ্যাৰ তুলনামূলক বৃদ্ধিয়ে অসমলৈ বঙালী ভাষা কোৱা লোকৰ প্ৰব্ৰজনৰ ইংগিত বহন কৰে যদিও আমাৰ ধাৰণা— প্ৰব্ৰজনেই মূল কাৰণ নহয়। আমি সকলোৱে এইটো স্বীকাৰ কৰিছো যে বাংলাদেশ তথা পূব পাকিস্তানৰ পৰা অসমলৈ এক বৃহৎ সংখ্যক লোকৰ প্ৰব্ৰজন ঘটিছে। এই লোকসকলৰ মাতৃভাষা প্ৰকৃতাৰ্থত বঙালী যদিও অসমৰ পূৰ্বৰ লোকপিযলসমূহত নিজকে অসমীয়া মাতৃভাষাৰ লোক হিচাপে চিহ্নিত কৰি আহিছিল। ১৯৭১ চনৰ লোকপিয়লৰ ক্ষেত্ৰতো সেইটো প্ৰতিফলিত হৈছিল।

বিদেশী নাগৰিক বহিষ্কাৰৰ অসম আন্দোলনৰ শেষ পৰ্যায়ত আন্দোলনৰ নেতা আৰু ভাৰত চৰকাৰৰ মাজত হোৱা বুজা-বুজিৰ পত্ৰত ১৯৭১ চনৰ ২৫মাৰ্চৰ আগৰ অসমলৈ অহা বাংলাদেশৰ লোকসকলক ভাৰতীয় হিচাপে স্বীকৃতি দি পিচত অহাসকলক চিনাক্ত কৰি বহিষ্কৰণৰ দিশটো স্পষ্ট কৰা হ'ল। অসম চুক্তি কৰা হ'ল

যদিও চুক্তিৰ আধাৰত শেষ সিদ্ধান্ত কোনো এটা ক্ষেত্ৰতে হৈ নুঠিল। ফলত অসমত থকা বিশেষকৈ ধৰ্মীয় সংখ্যালঘুসকলৰ নিৰাপত্তাৰ প্ৰশ্নটো আজিও স্পষ্ট নহ'ল। সংখ্যালঘুসকল এক সংকটময় অৱস্থাতে থাকিল। আমাৰ ধাৰণা ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত অসমলৈ অহা লোকসকলে নিজস্ব স্থিতি শক্তিশালী কৰাৰ স্বাৰ্থতেই অতি পৰিকল্পিতভাৱে বঙালী ভাষাক নিজৰ মাতৃভাষা হিচাপে ঘোষণা কৰি বাংলাদেশী লোকৰ সংখ্যা বৃদ্ধি কৰাত সহায় কৰিছে। যাতে বহিষ্কৰণৰ প্ৰশ্নটো আহিলে ভাষিক সংঘাত লগাবৰ বাবে বাঙালী নেতৃত্বৰ সহায় ল'ব পাৰে। ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অসমলৈ অহা লোকসকলৰ মাজত এক প্ৰতিশোধৰ ভাবো থাকিব পাৰে। প্ৰায় বাৰশ শতাব্দীৰ পৰাই অসমলৈ ককেচীয় প্ৰজাতিৰ ইছলামধৰ্মীয় সম্প্ৰদায়ৰ লোকসকল আহি অসমীয়া ভাষা তথা অসমীয়া জাতিৰ শক্তি বৃদ্ধি কৰিছে। চৰ অঞ্চলত থকা ইছলামধৰ্মীয় লোকসকলে চৰকাৰ তথা সংশ্লিষ্টসকলৰ সহায়ৰ অবিহনেই অসমীযা ভাষাত শিক্ষা গ্ৰহণৰ এক পৰিবেশৰ সৃষ্টি কৰিছে। চৰ অঞ্চলত থকা প্ৰায় ২৩ লাখ লোকৰ আৰ্থ-সামাজিক দিশৰ উন্নয়নত আমাৰ চৰকাৰসমূহৰ কোনো সহায় নাই। অসমীয়া ভাষাক নেতৃত্ব দিয়া সকলৰো সহযোগ স্পষ্ট নহয়। চৰকাৰ তথা আমাৰ অ-সহযোগী মনোভাবেও চৰবাসী ৰাইজৰ মাতৃভাষা ঘোষণা কৰাত নতুন চিন্তাৰ সুচনা হ'ব পাৰে। অসমৰ অভিবাসী মুছলমান জনগোষ্ঠী আৰু চাহ জনগোষ্ঠীৰ প্ৰতি আমাৰ সহযোগৰ অভাৱৰ প্ৰতিক্ৰিয়া লোকপিয়লত প্ৰতিফলিত হ'ব পাৰে।

'৬০-'৭২ৰ পৰা আমি শিক্ষা ল'ব খোজা নাই যদিও '৯১ৰ লোকপিয়লৰ পৰা অসমীয়াভাষী লোকসকলে শিক্ষা গ্ৰহণ কৰা উচিত হ'ব। মুক্ত গণতান্ত্ৰিক চিন্তা, উদাৰতা, সহযোগিতা আৰু বহল দৃষ্টিভংগীৰ অবিহনে আমি সংকটৰ পৰা মুক্ত হ'ব নোৱাৰো। আমাৰ দাম্ভিকতা আৰু অহমিকাই আজিৰ পৰিস্থিতিৰ অন্যতম কাৰণ। ইয়াৰ পৰিৱৰ্তন কৰিবৰ হ'ল।

❑ ❑ ❑

শ্ৰমিকৰ হাতত ৰাজনৈতিক ক্ষমতা দিয়াৰ প্ৰয়োজন হ'ব

কোনো কোঁনো সময়ত সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰে পিচলৈ আৰ্থিকভাবে হাতে ভৰিয়ে বান্ধিবৰ উদ্দেশ্যেৰে পদানত দেশবোৰক ৰাজনৈতিক স্বাধীনতা দিবলৈ মান্তি হয। এই উদ্দেশ্য বাহাল ৰাখিবলৈ এক শ্ৰেণী স্বাৰ্থন্বেষী পুঁজিপতি মালিকগোষ্ঠীৰ হাতত স্বাধীনতা অৰ্পণ কৰে। এনে চলিত নিয়মৰ মাজেৰে ভাৰতবৰ্ষৰ স্বাধীনতা পোৱাৰ পিচত ভাৰতীয় শাসকগোষ্ঠীয়ে সাম্ৰাজ্যবাদী বৃটিছসকলক সফল যোগোৱাৰ একেই প্ৰাদেশিক উপনিবেশিক শোষণ আৰম্ভ কৰিলে। এই নৱ ঔপনিবেশিক শোষণ অৰ্থনৈতিক দিশেৰে চলমান কৰি ৰাখিবলৈ স্বাধীনতাৰ প্ৰথম পৰ্যায়ত উদ্যোগৰ শ্ৰমিক আৰু কৃষকসকলক শাসকগোষ্ঠী আৰু শাসকগোষ্ঠীৰ অংশীদাৰ ধনিক শ্ৰেণীটোৰ হাতত ৰাখিবলৈ চেষ্টা কৰা হৈছিল। শাসকগোষ্ঠীৰ অৰিহণাত গা কৰি উঠা দেশী-বিদেশী উদ্যোগৰ মালিকগোষ্ঠীৰ লগত আপোচত ৰাখিবলৈ শ্ৰমিক শ্ৰেণীক নিজা নিজা ৰাজনৈতিক দলৰ বেনাৰত আৱদ্ধ কৰি ৰাখিবলৈ ষডযন্ত্ৰ কৰা হৈছিল। সাধাৰণতেই শ্ৰমিকসকলক কোনো অৰ্থনৈতিক, ৰাজনৈতিক মুনাফা নিদি ৰাজনৈতিক দলসমূহে তেওঁলোকৰ ৰাজনৈতিক চল-চাতুৰিৰে শ্ৰমিকসকলক ব্যৱহাৰ কৰি আহিছে। ৰাজনৈতিক তাত্বিকসকলে শ্ৰমিকসকলক ৰাজনৈতিক স্বাধীনতা দিয়াৰ মত আগত ৰাখি শ্ৰমিকসকলক মঞ্চত অনাৰ কথা দোহাই দিয়ে। তেওঁলোকে তাত্বিক দিশেৰে শ্ৰমিক শক্তিৰ শাসন তৈয়াৰৰ কথা কয়। কিন্তু কাৰ্যক্ষেত্ৰত কেইজন শ্ৰমিকক ৰাজনৈতিকভাৱে সচেতন কৰা হৈছে বা কেইজন শ্ৰমিক কৃষকৰ হাতত শাসনৰ দায়িত্ব দিয়া হৈছে তাক বাস্তৱত আমি দেখা পাইছো। কেইজনমান মুষ্টিমেয় লোকৰ মাজতে ৰাজনৈতিক মঞ্চ আৰু শাসনৰ দায়িত্ব আৱদ্ধ ৰাখি শ্ৰমিকসকলক তেওঁলোকৰ উদ্দেশ্য সফলত ব্যৱহাৰ কৰি আহিছে। শ্ৰমিকসকলক ৰাজনৈতিক মঞ্চৰ মাজত ৰাখিলে হয় শ্ৰমিকৰ হাতত শাসনৰ দায়িত্ব দিব লাগে, অন্যথা ৰাজনৈতিক ছত্ৰছায়াৰ বাহিৰত থাকি শ্ৰমিকসকলক একগোট কৰি শ্ৰমিকৰ স্বাৰ্থত প্ৰকৃতভাৱে আগবাঢ়িবৰ বাবে মঞ্চৰ সৃষ্টি কৰিব লাগে।

এই ক্ষেত্ৰত বৰ্তমানৰ শ্ৰমিক সংগঠনসমূহৰ কিছু নেতাই হয়তো এইদৰে বাখ্যা দিব যে ৰাজনৈতিক পৃষ্ঠপোষকতাৰ অবিহনে শ্ৰমিক শ্ৰেণীৰ প্ৰাপ্য বা শ্ৰমিক শ্ৰেণীৰ সামূহিক উন্নয়নৰ বাবে বলিস্থ ভূমিকা ল'ব পৰা নহয়। এওঁলোকৰ এনে ব্যাখ্যাসমূহত শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থৰহে বেছি গোন্ধ পোৱা যায়। একত্ৰিত শ্ৰমিক শক্তিক কোনেও পৰাভূত কৰিব নোৱাৰে বা শ্ৰমিকৰ ঐক্যতাই ৰাজনৈতিক শক্তিৰ ওচৰত নিজৰ প্ৰাপ্যৰ বাবে আঠুকাঢ়িবলৈ প্ৰয়োজনবোধ নকৰে। ৰাজনৈতিক পৃষ্ঠপোষকতাত থকা এনে কিছু শ্ৰমিক নেতা আছে, যিসকলে নিজৰ নেতৃত্বক জীয়াই ৰখাৰ বাবে শ্ৰমিক ঐক্যতকৈ বিভাজনৰ কূট-কৌশল কৰা দেখা যায়। ৰাজনৈতিক শ্ৰমিক নেতাসকলে শ্ৰমিকৰ সম্পূৰ্ণ স্বাৰ্থৰ বাবে কৰিবলগা চিন্তা বা যোগসূত্ৰ ৰখাতকৈ গৌণ স্থান দিয়ে।

বৰ্তমান অৱস্থাত শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামেই হৈছে বিশ্ববিপ্লৱী প্ৰক্ৰিয়াৰ মূল চালিকা শক্তি। এই সংগ্ৰাম সংগঠন আৰু পৰিচালনা কৰা ট্ৰেড ইউনিযনসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰমিক শ্ৰেণীৰ স্বতঃস্ফূৰ্ত আন্দোলন হ'ল ট্ৰেড ইউনিয়নবাদী প্ৰচেষ্টাৰ পৰা শ্ৰমিক শ্ৰেণীৰ আন্দোলনক ভিন্নমুখী কৰি ৰাজনৈতিক উদ্দেশ্য সাধন কৰিবলৈ বৰ্তমানৰ ৰাজনৈতিক দলসমূহে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এই ক্ষেত্ৰত আমাৰ শ্ৰমিক শ্ৰেণীৰ মাজত বৈপ্লৱীক চেতনা আৰু জাতীয় চেতনা গঢ়ি তোলাৰ এক বলিষ্ঠ প্ৰয়োজনীয়তা আহি পৰিছে। স্থান-কাল পাত্ৰ অনুসৰি বৰ্তমান অসমৰ দেশী-বিদেশী মালিকগোষ্ঠীৰ অবিৰত শোষণ আৰু এই ক্ষেত্ৰত ৰাজনৈতিক ছত্ৰছায়াত গঠিত ট্ৰেড ইউনিয়নৰ চৰিত্ৰসমূহলৈ লক্ষ্য ৰাখি অসমৰ শ্ৰমিক শ্ৰেণীৰ মাজত এক জাতীয় চিন্তাধাৰাক গা কৰি উঠোৱাৰ প্ৰয়োজন হৈ পৰিছে।

আজিৰ মালিকগোষ্ঠীটোৱে শ্ৰমিক শ্ৰেণীৰ আংশিকভাৱে মজুৰি বৃদ্ধি, বীমাৰ সুযোগ-সুবিধা বৃদ্ধি কৰি কিছুমান দাবী মানিবলৈ, শ্ৰমিকৰ ৰাজনৈতিক চেতনা নাইকিয়া কৰিবলৈ চেষ্টা কৰে। কিন্তু এইটো মনত ৰখা দৰকাৰ যে শ্ৰমিক শ্ৰেণীটো দেশৰ চালিকা শক্তি। ব্যক্তিগত প্ৰাপ্যৰ লগতে দেশৰ প্ৰতিটো ক্ষেত্ৰত শ্ৰমিকৰ অবিহণা অপৰিহাৰ্য। সেয়েহে শ্ৰমিকক ৰাজনৈতিকভাৱে সচেতন কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। ৰাজনৈতিক চক্ৰই শ্ৰমিকৰ মাজত গোষ্ঠীগত বিভাজন যাতে আনিব নোৱাৰে তাৰ বাবে শ্ৰমিক শক্তি একত্ৰিত হৈ নিজৰ নেতৃত্ব নিজৰ হাতত গ্ৰহণ কৰিবৰ হ'ল। ৰাজনৈতিক সংগঠনসমূহৰ ওপৰত বিশেষ নিৰ্ভৰশীল হোৱাতকৈ শ্ৰমিকে নিজৰ শ্ৰমিক ঐক্যৰ ওপৰত নিৰ্ভৰশীল হোৱাটো যুগুত।

আজি মুক্ত বজাৰ অৰ্থনীতিয়ে গা কৰাৰ লগে লগে পুঁজিবাদী শক্তিসমূহৰ

স্বাৰ্থত শ্ৰমিক শ্ৰেণীৰ ঐক্যবদ্ধতাত আঘাত কৰাৰ নতুন নতুন ষড়যন্ত্ৰ আৰম্ভ হৈছে। সাম্ৰাজ্যবাদী শক্তিসমূহৰ লগতে ব্যক্তিগত পুঁজিবাদী শক্তিৰ অগ্ৰাসনে ভাৰতীয় সমাজখনৰ কম সংখ্যকৰ সুযোগ-সুবিধাৰ বিপৰীতে বেছি সংখ্যকৰ ওপৰত আঘাত তীব্ৰতৰ হৈছে। এই বেছি সংখ্যকেই কৃষক-শ্ৰমিক-জনগণ। সমাজখনত পৰা আঘাতৰ প্ৰতিটো আঘাতেই পৰে কৃষক শ্ৰমিকৰ ওপৰত। এনে আঘাতৰ উৎসৰ বিষয়ে সজাগ হ'ব নোৱাৰিলে শ্ৰমিকৰ সমস্যা সমাধান কৰা সম্ভৱ নহ'ব। সেইবাবেই আজিৰ সময়ত ট্ৰেড ইউনিয়নৰ সংগ্ৰামৰ ক্ষেত্ৰখন যথেষ্ট বহল আৰু গুৰুত্বপূৰ্ণ। শ্ৰমিক সংগঠনে নিজস্ব দাবীৰ ওপৰত জড়িত হোৱাৰ লগতে সমাজখনৰ প্ৰতিটো সামাজিক সমস্যাতে জড়িত হোৱাৰ প্ৰয়োজন। সামাজিক সমস্যাসমূহত শ্ৰমিক শক্তিক জড়িত কৰিব পাৰিলে শ্ৰমিকৰ সমস্যাটো সমাজ জড়িত হ'ব। আজিৰ জটিল ঔদ্যোগিক তথা শিল্পায়নৰ ক্ষেত্ৰত য'ত পুঁজিবাদী সন্ত্ৰাসেই মূল বিষয় হৈ পৰিছে, এনে স্থিতিত শ্ৰমিক সমস্যাক সামাজিক সমস্যা হিচাপে পৰিগণিত কৰা প্ৰয়োজন হৈছে।

শিল্পায়নৰ বিকাশৰ লগে লগে শ্ৰমিক শ্ৰেণীৰ সৃষ্টি হয়। শিল্পায়নৰ মুনাফা বৃদ্ধিৰ লগে লগে শ্ৰমিক শ্ৰেণীৰ ওপৰত শোষণ চলে আৰু তাৰ প্ৰতিবাদতেই শ্ৰমিক সংগঠিত হয়। অসমৰ শিল্পায়নৰ অনগ্ৰসৰতাৰ বাবেই শ্ৰমিক শক্তিয়ে ঐক্যবদ্ধভাৱে এক শক্তিশালী স্থিতি লাভ কৰা নাই। সেইবুলি সম্পূৰ্ণ অস্বীকাৰ কৰিব পৰা শক্তিও নহয়। অসমৰ শ্ৰমিক সংগ্ৰামৰ শক্তিশালী ইতিহাস আছে। তৈলক্ষেত্ৰৰ লগতে ৰেল বিভাগ, কয়লা ক্ষেত্ৰ আৰু চাহ উদ্যোগত অসমৰ শ্ৰমিকৰ ঐক্যবদ্ধ সংগ্ৰামৰ অভিজ্ঞতা আছে। অসমত চাহ বাগিচাক কেন্দ্ৰ কৰিয়েই প্ৰথম শ্ৰমিক সংগঠন গঢ়ি উঠিছিল যদিও চাহ শ্ৰমিক সংগঠন চাহ বাগিচাৰ মালিকগোষ্ঠীৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছিল। চাহ শ্ৰমিকৰ নেতৃত্বই মালিকৰ লগত আলোচনা কৰিহে শ্ৰমিক সংগঠন আৰম্ভ কৰিছিল। স্বাধীনতাৰ আগৰে পৰা আজিলৈকে কংগ্ৰেছৰ নেতৃত্বত শ্ৰমিক সংগঠনেহে চাহ বাগিচাত সংগঠন গঢ়ি তোলাত সেউজ সংকেত পায়। অন্যান্য শ্ৰমিক সংগঠনক চাহ বাগিচাত প্ৰৱেশ কৰাত বাধা দিয়া হয়। অসমৰ চাহ শ্ৰমিকৰ ওপৰত শোষণ আৰু বিভাজন মালিকগোষ্ঠীৰ যে নীতি, কাৰ্যক্ষেত্ৰত সেইটো প্ৰমাণিত হৈ আহিছে। অসমৰ চাহ শ্ৰমিকৰ প্ৰাপ্য আদায়ৰ বাবে প্ৰকৃত শ্ৰমিক সংগঠন কৰাৰ প্ৰয়োজন হৈছে। অসমত চালুকীয়াভাৱে হ'লেও গঢ়ি উঠা শিল্পায়নৰ ক্ষেত্ৰখন আজি শ্ৰমিকৰ সমস্যাৰে পূৰ্ণ হৈ আছে। বেছিভাগ উদ্যোগ আজি অৰ্দ্ধমৃত। ৩০ মাহলৈকে উদ্যোগৰ শ্ৰমিকৰ বেতন নাই। খাবলৈ নাপাই শ্ৰমিকৰ মৃত্যু হৈছে। পৰিয়ালক খুৱাবলৈ নাপায় শ্ৰমিকে আত্মহত্যা কৰিছে। চাহ উদ্যোগৰ শ্ৰমিকে এদিনৰ জিৰণী সহ সপ্তাহৰ প্ৰাপ্য বেতন নাপায়। শ্ৰমৰ বিনিময় মূল্য অতি সামান্য। সকলো ক্ষেত্ৰতে শ্ৰমিক সংকুচিত

নীতিৰ পৰিৱৰ্তন হোৱাত শ্ৰমিকৰ পদোন্নতি আৰু নতুন শ্ৰমিক সৃষ্টিৰ পথ বন্ধ। কৃষি ক্ষেত্ৰৰ শ্ৰমিকৰো প্ৰাপ্য মজুৰি আজিও স্পষ্ট নহয়। বেছিভাগ উদ্যোগৰ শ্ৰমিকৰ ভৱিষ্যনিধি আৰু জীৱন বীমাৰ টকা সংশ্লিষ্ট কৰ্তৃপক্ষই হস্তগত কৰে। মুক্ত বজাৰ অৰ্থনীতিৰ নামত শাসকগোষ্ঠী আন্তৰ্জাতিকভাৱে ঐক্যবদ্ধ হোৱাৰ লগে লগে শ্ৰমিকৰ ওপৰত অত্যাচাৰ অধিক তীব্ৰ হৈছে। এনে পৰ্যাযত শ্ৰমিক সংগঠন বিপ্লৱী ৰাজনৈতিক আদৰ্শেৰে ঐক্যবদ্ধ হোৱাটো প্ৰধান চৰ্ত হৈ পৰিছে।

অসমৰ শ্ৰমিকক প্ৰাথমিক পৰ্যায়ত ঐক্যবদ্ধ কৰাৰ বাবে এক জাতীয় শ্ৰমিক সংগঠনৰ প্ৰয়োজনীয়তাক উলাই কৰা উচিত নহয়। পৰিৱৰ্তীত পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ আৰু জাতীয় দায়িত্ব পালন কৰিব পৰাকৈ শ্ৰমিক শক্তিক পৰিৱৰ্তনকামী মনোভাবেৰে গতিশীল কৰা সময়। শ্ৰমিক শ্ৰেণীটোৰ মূল লক্ষ্যই হ'ল শ্ৰমিকৰ ওপৰত চলি থকা অৰ্থনৈতিক শোষণ মুক্তি। অৰ্থনৈতিক মুক্তিৰ প্ৰয়োজনতেই শ্ৰমিক শ্ৰেণীৰ হাতত ৰাজনৈতিক ক্ষমতা হস্তান্তৰো প্ৰযোজন আছে। অৰ্থনৈতিক মুক্তি আৰু ৰাজনৈতিক ক্ষমতা হস্তান্তৰ এই দুয়োটা দিশ নিৰ্ভৰ কৰিব শ্ৰমিক সংগঠনৰ নিজস্ব ৰাজনৈতিক দলৰ ওপৰত। সেইবাবেই শ্ৰমিক সংগঠন কৰা ৰাজনৈতিক দলৰ শ্ৰমিকৰ প্ৰতি দাযিত্ব বহুত। শ্ৰমিক নীতিৰ সকলো দিশ স্পষ্ট নকৰিলে দলীয় শ্ৰমিক সংগঠন সফল হ'ব নোৱাৰে। শ্ৰমিক সংগঠন আৰু দলীয় সংগঠন ঐক্যবদ্ধভাৱে আগবাঢ়িব পাৰিলে শ্ৰমিক সমস্যাৰ লগতে জাতীয় সমস্যাসমূহ আঁতৰ কৰা সহজসাধ্য হ'ব। শ্ৰমিক আন্দোলনৰ অতি জটিল আৰু বিশ্বাসৰ সংকটৰ অৱস্থাত সোঁতৰ বিপৰীতে শ্ৰমিক আন্দোলনৰ এক নতুন ধাৰাৰ প্ৰয়োজন হৈছে। ঐক্যবদ্ধ আৰু সচেতনতাৰে নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব পাৰিলে শ্ৰমিক সংগঠনসমূহে কৰ্তৃপক্ষৰ স্বাৰ্থতকৈ শ্ৰমিকৰ স্বাৰ্থত গতি কৰাটো সহজসাধ্য হ'ব।

❑ ❑ ❑

আজিৰ অৱস্থাৰ পৰিৱৰ্তনৰ বাবে ঐক্যবদ্ধ ৰাজনৈতিক সংগ্ৰাম লাগিব

অসমৰ ৰাজনীতিত তৃতীয় বিকল্পৰ বিষয়ে বিশেষভাৱে আলোচনা হোৱা পৰিলক্ষিত হৈছে। তৃতীয় বিকল্পৰ প্ৰসংগত আলোচনা কৰিবলৈ গ'লে সাধাৰণতেই এটা প্ৰশ্ন উত্থাপিত হয় যে প্ৰথম বিকল্প বা তৃতীয বিকল্প কি? 'এটাৰ সলনি আন এটা বুজোৱা' বিকল্পৰ আভিধানিক অৰ্থই অসমৰ ৰাজনীতিত বিকল্প মানে কংগ্ৰেছৰ পিছত জনতা, জনতাৰ পিছত কংগ্ৰেছ, কংগ্ৰেছৰ পিছত অগপ, অগপৰ পিছত কংগ্ৰেছ, পুনৰ অগপ, কংগ্ৰেছ— এই ধাৰণাটোৱে স্পষ্ট কৰে। আমি ভাবোঁ— ৰাজনৈতিক বিকল্পৰ ধাৰণাটো স্পষ্ট কৰিব পাৰে কেৱল আমূল ৰাজনৈতিক পৰিৱৰ্তনৰ যোগেদিহে। সাম্প্ৰতিক সময়ৰ অসমৰ ৰাজনৈতিক পৰিস্থিতিয়ে অসমবাসীৰ ওচৰত এক বিশ্বাসৰ সংকটৰ সৃষ্টি কৰিছে। অতি প্ৰয়োজনীয় আৰু যুক্তিগত যৌথ ৰাজনৈতিক শক্তিৰ দ্বাৰা নতুন ৰাজনৈতিক ধাৰা প্ৰৱৰ্তন কৰাৰ সময়ত ভোটাৰৰ আশা আৰু চিন্তাক আজিৰ ৰাজনৈতিক শক্তিয়ে প্ৰতিফলিত কৰিব পৰা নাই। ক্ষমতাকেন্দ্ৰিক ৰাজনীতিক অধিক গুৰুত্ব দিয়াৰ ফলত সমস্যাৰ সংযোজন ঘটিবলৈ লৈছে। এনে জটিল সংকট আৰু শংকাৰে ভৰা অসমৰ সামাজিক জীৱনৰ উত্তৰণৰ বাবে চৰকাৰ পৰিচালনা কৰাসকলেই হওক বা বাহিৰত থকা ৰাজনৈতিক শক্তিসমূহেই হওক, অধিক বাস্তৱিক আৰু গতিশীল সিদ্ধান্ত লোৱাৰ প্ৰয়োজন আহি পৰিছে। ৰাষ্ট্ৰীয় সন্ত্ৰাস, হত্যা, অত্যাচাৰ, সীমাহীন দুৰ্নীতি, বিভাজনৰ ৰাজনীতি আৰু অতি কদৰ্য ৰাজনৈতিক পৰিবেশেই অসমবাসীক মাজে মাজে ৰাজনৈতিক পৰিৱৰ্তনৰ অংশীদাৰ কৰে। অসমৰ ৰাইজে চৰকাৰসমূহৰ পৰা এক ৰাজনৈতিক পৰিৱৰ্তনৰ আশা কৰে। অসমৰ বিভিন্ন জনগোষ্ঠীক বিশ্বাসত লৈ ঐক্যবদ্ধভাৱে ৰাষ্ট্ৰৰ লুণ্ঠনৰ ধাৰাবাহিকতা বন্ধ কৰিবলৈ চেষ্টা কৰিব বুলি আশা কৰে। ৰাষ্ট্ৰই প্ৰয়োগ কৰা ক'লা আইন, সামৰিক অত্যাচাৰ বন্ধ কৰিব বুলি আশা কৰে। দুৰ্বল আৰ্থ-সামাজিক অৱস্থাৰ পুনৰ্বিন্যাস ঘটিব বুলি আশা কৰে। সংস্থাপনৰ নামত এক কাৰ্যসূচী আৰু স্থায়ী নীতিৰ প্ৰৱৰ্তন হ'ব বুলি আশা কৰে। বিদেশী নাগৰিক সমস্যাৰ এক কাৰ্যকৰী সমাধান সূত্ৰ নিৰ্ণয় হ'ব বুলি আশা কৰে। কিন্তু কাৰ্যক্ষেত্ৰত অসম চৰকাৰৰ পৰা এই প্ৰয়োজনীয় দিশত

দৃঢ় পদক্ষেপ প্ৰত্যক্ষ নকৰাত অসম চৰকাৰৰ প্ৰতি ৰাইজ বিতুষ্ট হ'বলৈ আৰম্ভ কৰিছে।

অসমৰ সচেতন ৰাইজৰ এইটোও অভিজ্ঞতা আছে যে আজিৰ ৰাষ্ট্ৰব্যৱস্থাত ৰাজ্য চৰকাৰৰ এক সীমাবদ্ধতা আছে। ১৯৪৭ৰ ১৫ আগষ্টত ব্ৰিটিছৰ হাতৰ পৰা ক্ষমতা হস্তান্তৰৰ বিশেষ গুৰুত্বপূৰ্ণ দিশ আছিল। আজিৰ দৰেই সেই সময়ৰ ভাৰতীয় অৰ্থনীতি নিয়ন্ত্ৰীত হৈ আছিল। পুঁজিপতি আৰু বিদেশী সাম্ৰাজ্যবাদৰ হাতত। ভাৰতবাসীৰ হাতত স্বৰাজ আনি দিয়া কংগ্ৰেছক নিৰক্ষৰ আৰু ৰাজনৈতিকভাৱে অ-সচেতন ভাৰতবাসীয়ে ১৯৫১-৫২ চনত প্ৰথম নিৰ্বাচনৰ দ্বাৰা ক্ষমতাত বহুৱালে। ভাৰতবাসীয়ে এইটো উপলব্ধি কৰাত দেৰি কৰিছিল যে স্বাধীনতাৰ পূৰ্বৰ কংগ্ৰেছ আছিল ভাৰতীয় জনসাধাৰণৰ এক উমৈহতীয়া সংগ্ৰামী মঞ্চ আৰু স্বাধীনতাৰ পাছত কংগ্ৰেছ হ'ল ব্যক্তিকেন্দ্ৰিক ৰাজনৈতিক ক্ষমতাৰ প্ৰতি আগ্ৰহী আৰু জনগণক দমন কৰা মঞ্চ। ক্ষমতা হস্তান্তৰৰ পূৰ্বৰ কংগ্ৰেছ দল আৰু ইয়াৰ নেতৃবৰ্গ স্বৰাজোত্তৰ কংগ্ৰেছ দলৰ মাজত বিপৰীত চৰিত্ৰ অতি স্পষ্ট হৈ পৰিল। বৰ্তমানৰ পৰিস্থিতিৰ আলোচ্য ৰাজনৈতিক পৰিঘটনাতো অসম গণ পৰিষদৰ দায়িত্বত থকাসকলৰ ক্ষেত্ৰতো প্ৰাসংগিক হৈ পৰিছে। আজি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰিছে আমোলাতান্ত্ৰিক ব্যৱস্থা আৰু বহিঃৰাষ্ট্ৰৰ পুঁজিয়ে। এনেক্ষেত্ৰত আপোচৰ ৰাজনীতিৰে ক্ষমতাকেন্দ্ৰিক চিন্তাৰে দিছপুৰত বহিবলৈ যোৱা কোনো শক্তিৰ দ্বাৰাই অসম আৰু অসমবাসীৰ পৰিৱৰ্তনৰ সম্ভৱ হ'ব নোৱাৰে। ভাৰতবৰ্ষৰ বহু ৰাজ্যত কংগ্ৰেছ দলৰ স্বৈৰতান্ত্ৰিক শাসনত অতিষ্ঠ হৈ বিকল্পৰ পম খেদি বহু নতুন ৰাজনৈতিক শক্তিক গ্ৰহণ কৰাৰ দৰে অসমতো অসম গণ পৰিষদক গ্ৰহণ কৰিছিল। অসমৰ ৰাইজৰ সমৰ্থন লৈ ক্ষমতালৈ অহা গণ-পৰিষদ দল তথা চৰকাৰ অসমৰ ৰাইজৰ ওচৰত দায়বদ্ধ থকা উচিত আছিল। গণ-পৰিষদৰ নেতাসকলৰ বৰ্তমানৰ প্ৰতিপত্তিৰ গুৰিতে অসমৰ ৰাইজ, সেইটো পাহৰা উচিত নহ'ব। হাজাৰ হাজাৰ যুৱ-ছাত্ৰৰ ত্যাগ আৰু সমৰ্থনৰ সহায়ত আজি গণ পৰিষদৰ যোগ্য অযোগ্য উভয়বিধ নেতাই সমাজত প্ৰতিপত্তি আৰু সন্মান লাভ কৰিছে। অসম আৰু অসমৰ ৰাইজৰ বাবে গণ-পৰিষদে দৃঢ়ভাবে অধিক আত্মনিয়োগ কৰাৰ প্ৰয়োজন আছিল। আঞ্চলিক ৰাজনীতিয়ে কেন্দ্ৰৰ বাধ্য ছাত্ৰ হিচাপে নিজকে স্পষ্ট কৰিলে, তেনে দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰে কেন্দ্ৰীয় চৰকাৰে।, ৰাষ্ট্ৰৰ সম্পূৰ্ণ পক্ষ ল'লে জনগণৰ পক্ষত থকাটো সম্ভৱ নহয়। আঞ্চলিক ৰাজনীতিত বিশ্বাস কৰা অসম গণ-পৰিষদ দলৰ নেতাই বহুবাৰ এনে ভুল কৰি আহিছে।

অসম গণ-পৰিষদৰ নেতৃত্বই আজি নিজে সৃষ্টি কৰা ভুল-ত্ৰুটিৰ বাবেই অসমত আঞ্চলিক ৰাজনীতিৰ প্ৰসংগত নতুনকৈ ধ্যান-ধাৰণা আৰম্ভ হৈছে। অগপ নেতৃবৰ্গৰ

চৰিত্ৰৰ বাবেই অসমত আঞ্চলিক ৰাজনীতিৰ পুনৰ্বিন্যাসত আজি বহু শক্তি জড়িত হৈ পৰিছে। উল্লেখযোগ্য বিষয় হ'ল, ক্ষমতাকেন্দ্ৰিক আপোচৰ ৰাজনৈতিক দৰ্শনৰ বিপৰীতে অসমৰ ৰাইজে আজি ঐক্যবদ্ধ এক সংগ্ৰামী প্ৰগতিশীল আঞ্চলিক ৰাজনীতিত গুৰুত্ব প্ৰদান কৰিছে। ঐক্যবদ্ধ ৰাজনৈতিক শক্তিৰ প্ৰয়োজন অহাৰ গুৰিতেই হ'ল অসমৰ সামূহিক পৰিৱৰ্তনৰ বাবে ৰাজনৈতিক দলসমূহে এক পূৰ্ণাঙ্গ কাৰ্যসূচী দিব পৰা নাই। অসমৰ জাতীয় সমস্যাসমূহৰ প্ৰকৃত সমধানৰ বাবে এক কাৰ্যকৰী এক সমাধান সূত্ৰ দিব পৰা নাই আৰু অসমবাসীক ঐক্যবদ্ধ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰিক দিশতকৈ আৱেগিক আৰু ৰাজনৈতিক দিশক বেছি গুৰুত্ব দিছে। সকলোৰে সম অধিকাৰ আৰু সুসমস্থিতিক আজিৰ ৰাজনৈতিক শক্তিসমূহে গুৰুত্ব দিব নিবিচাৰে। এটা গোষ্ঠীক উলাই কৰি গোষ্ঠীটোৰ এজন ব্যক্তিক গুৰুত্ব প্ৰদান কৰিলে সমজ-জীৱনৰ সমস্যা নিশ্চয় নহ'ব। সংকীৰ্ণ চিন্তা-চৰ্চাৰে অসমৰ জাতীয় সমস্যা সমাধান কৰা সম্ভৱ নহ'ব। আঞ্চলিক ৰাজনীতিৰ পুনৰ্বিন্যাস কৰিব বিচৰাসকলে এই দিশবিলাকত গুৰুত্ব দিয়া উচিত হ'ব।

অসমৰ আঞ্চলিক ৰাজনীতিক পৃষ্ঠপোষকতা কৰা সকলে এইটো উপলব্ধি কৰা উচিত যে অসমৰ পুনৰ্বিন্যাসে আজি একক আঞ্চলিক ৰাজনীতিক শক্তি গঢ়ি তোলাক সম্ভৱ কৰি ৰখা নাই। সেইবাবে অসমৰ বিভিন্ন জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক শক্তিসমূহৰ এক সোহাৰ্দ্য আৰু সহযোগৰ ভিত্তিত আঞ্চলিক যৌথ ৰাজনৈতিক মঞ্চ গঢ়ি তোলাৰ প্ৰযোজন আছে। প্ৰগতিশীল আঞ্চলিক ৰাজনীতিৰ যৌথ মঞ্চই অসমৰ জাতীয সমস্যাসমূহক সমাধান কৰাত সফলতা লাভ কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত নেতৃবৰ্গৰ সহযোগী আৰু বহল দৃষ্টিভঙ্গী থকা প্ৰয়োজন হ'ব। অসমৰ আঞ্চলিক ৰাজনীতিৰ পুনৰ্বিন্যাসৰ প্ৰাৰম্ভিক অৱস্থাত চিন্তাৰ ভিন্নতা থাকিলেও অসমৰ সমস্যা সমাধানৰ স্বাৰ্থতেই এই কথা স্বীকাৰ কৰিব লাগিব যে অসমৰ আজিৰ মুহূৰ্তত অতি প্ৰয়োজনীয় দিশটো হ'ল— সমস্যাসমূহক চিনাক্ত কৰা আৰু সমাধান সূত্ৰ ঐক্যবদ্ধভাৱে নিশ্চিত কৰা। আগন্তুক পঞ্চাছ বছৰত অসমৰ বাবে এখন নিজা পৰিকল্পনা প্ৰস্তুত কৰা। প্ৰতিটো জনগোষ্ঠীৰ সম উত্তৰণৰ দিশ আগত ৰাখি আমাৰ পৰিকল্পনা এতিয়াই হোৱা উচিত। ৰাজ্যৰ জনমূৰি আয় বৃদ্ধি আৰু ৰাজহ বৃদ্ধিৰ বাবে স্পষ্ট কাৰ্যসূচী প্ৰস্তুত কৰা প্ৰয়োজন, জাতীয় পুঁজি বৃদ্ধিৰ দিশটোও অতিশয় গুৰুত্বপূৰ্ণ। ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত ক্ৰমাগতভাৱে পিছলৈ যোৱা অসমৰ সামূহিক উত্তৰণৰ বাবে সকলোৱে ঐক্যবদ্ধভাৱে দায়িত্ব পালন কৰাৰ সময় হৈছে।

আজিৰ প্ৰচলিত ব্যৱস্থাত জনগণৰ মাজত থাকি এক ৰাজনৈতিক সংগ্ৰাম গঢ়ি তোলাটো ৰাষ্ট্ৰৰ বাবে সমৰ্থনযোগ্য নহয়। ৰাষ্ট্ৰৰ চৰিত্ৰত বিপৰীতমুখী ৰাজনৈতিক

দৃষ্টিভঙ্গী ৰাষ্ট্ৰ পৰিচালিত অন্যতম শক্তিক কেন্দ্ৰীয় চৰকাৰে কেতিয়াও সহ্য নকৰে। দেশৰ কোনো স্থানত এনে চিন্তাৰ উন্মেষ ঘটিলে উৎসতে তাক বাধা দান কৰা হয়। দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি নব্য-ঔপনিবেশিক শোষণৰ বাহক কেন্দ্ৰই ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰীভূত শাসন প্ৰৱৰ্তনৰ জৰিয়তে শোষণ আৰু লুণ্ঠনক এক নিয়মত পৰিণত কৰিছে। ভাৰত ৰাষ্ট্ৰৰ আজিৰ প্ৰচলিত ব্যৱস্থাই অসমৰ জাতীয় জীৱনত এক সংকটাপূৰ্ণ অৱস্থাৰ লগতে সামাজিক ক্ষেত্ৰখনতো সংঘাতময় পৰিৱেশৰ সৃষ্টি কৰিছে। ভ্ৰষ্টাচাৰ, দুৰ্নীতি, লুণ্ঠন, হত্যা, বিভাজন সাম্প্ৰদায়িকতা আদি কাৰ্য ব্যৱস্থাসমূহ এক নিয়মত পৰিণত হৈছে। পঞ্চাছ বছৰৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা আৰু ইতিমধ্যে বহু চৰ্চিত হৈ যোৱা বিষয়সমূহ সম্পৰ্কত অসমৰ ৰাইজ অভিজ্ঞ। এতিয়া সমস্যা সমাধানৰ সূত্ৰ নিৰ্ণযৰ সময়। তত্ত্বগত আলোচনা আৰু বৌদ্ধিক কছ্ৰতৰ দ্বাৰা বিষয়সমূহক জটিল আৰু দুৰ্বোধ্য কৰাৰ বিপৰীতে অতি সহজভাৱে কেইখোজমান আগুৱাই যোৱাৰহে সময। তত্ত্বৰো প্ৰযোজন আছে, বিজ্ঞানসম্মত যুক্তিগত বিতৰ্কৰো প্ৰযোজন আছে। কিন্তু এই প্ৰযোজনখিনি সমস্যা সমাধানৰ ক্ষেত্ৰত ন্যস্ত হোৱাকৈ হোৱা উচিত। আমি এই ক্ষেত্ৰত দৃঢ হোৱা উচিত যে আমাৰ সমস্যাসমূহ যাতে আনে সমাধান নকৰে। দুৰ্ভাগ্যৰ কথা যে অসমৰ শাসনত অসমৰেই মানুহ থকাৰ পাছতো অসমৰ সমস্যাই সমাধানৰ পথত গতি লোৱা নাই। অসমৰ সমূহ জনগোষ্ঠীযে আজি ঐক্যবদ্ধভাৱে সমস্যাসমূহৰ সমাধানৰ সূত্ৰ নিৰ্ণয় কৰাৰ সময হৈছে। এজনে আনজনক, এটা গোষ্ঠীয়ে আন এটা গোষ্ঠীৰ মাজত ৰক্তৰ বিনিময়ে যে সমস্যাৰ সমাধান নকৰে, তাক আমি সকলোৱে বুজা উচিত। আমাৰ মাজত আজি এনেবিলাক সংঘাতৰ বীজ ৰোপণ কৰিবলৈ চেষ্টা কৰা হৈছে যাতে আমি ঐক্যবদ্ধভাৱে শোষণৰ বিৰুদ্ধে থিয় হ'ব নোৱাৰো আৰু আমাৰ প্ৰাপ্যৰ বাবে ৰাষ্ট্ৰক বাধ্য কৰাব নোৱাৰো। আমি আজি পৰস্পৰক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছোঁ, ফলত ৰাষ্ট্ৰৰ বিশাল শক্তিক আমাৰ স্বাৰ্থ আদায় কৰাৰ বাবে ঐক্যবদ্ধভাৱে প্ৰত্যাহ্বান জনাব পৰাৰ সামৰ্থ্য হেৰুৱাইছোঁ। ফলত ৰাষ্ট্ৰই অসমৰ এই ভূ-খণ্ডক আজি এক যুদ্ধ আৰু লুণ্ঠনৰ আখৰাক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰিছে। এনে অৱস্থাৰ পৰিত্ৰাণৰ এটাই উপাই হ'ল— ঐক্যবদ্ধ ৰাজনৈতিক সংগ্ৰাম। অসমবাসীক এনে কদৰ্য স্থিতিৰ পৰা স্থায়ীভাৱে উদ্ধাৰ কৰাৰ বাবে এক যৌথ ৰাজনৈতিক আন্দোলনৰ প্ৰয়োজন হৈছে। যাৰ নেতৃত্ব অসমৰ আঞ্চলিক, ৰাজনৈতিক শক্তিসমূহৰ লগতে সংখ্যালঘু আৰু চাহ জনগোষ্ঠীৰ লগতে জনজাতীয় শক্তিসমূহে ঐক্যবদ্ধভাৱে দিয়া উচিত। এনে সংঘবদ্ধ শক্তিয়েহে এখন প্ৰগতিশীল, শক্তিশালী আৰু ঐক্যবদ্ধ অসম গঢ়াত জনগণক পতিয়ন নিয়াব পাৰিব।

জনগণৰ পক্ষত থাকিব মুছলমান জনগোষ্ঠী

মুছলমান সমাজৰ নিৰ্বাচনী সমৰ্থনৰ ওপৰত বৰ্তি থকা অসমৰ কংগ্ৰেছ দল তথা হিতেশ্বৰ শইকীয়া চৰকাৰৰ কৰ্মকালত সংখ্যালঘুসকলৰ ওপৰত যি অকথ্য অত্যাচাৰ চলালে, তাৰ হিচাপ-নিকাচৰ দিন আজি আহিছে। বঙাইগাঁও, কোকৰাঝাৰ, বৰপেটাৰ নৃশংস হত্যাৰ ঘটনাসমূহ আজি নিৰ্বাচনৰ আগমুহূৰ্তত সংখ্যালঘু ৰাইজে পুনৰ মনত পেলাব লাগিব। কংগ্ৰেছ চৰকাৰে সংখ্যালঘু ৰাইজক কিদৰে নিৰাপত্তা দিলে, শিবিৰত সাহায্য দিলে, তাৰ পৰ্যালোচনা হ'ব লাগিব। কংগ্ৰেছ বিৰোধী শক্তিসমূহেও নিশ্চয় বৰপেটা-বঙাইগাঁওৰ ঘটনাসমূহৰ আধাৰত সংখ্যালঘুৰ সমৰ্থন আদায় কৰাৰ চেষ্টা চলাব। কিন্তু অ-স্বাস্থ্যকৰ পৰিবেশ, অনাহাৰ , অনিদ্ৰা, পুষ্টিহীনতা আৰু ডায়েৰীয়া-মেলেৰীয়াত আক্ৰান্ত হোৱা শিবিৰত থকা আৰু অসহায়ভাৱে গাঁওলৈ যোৱা সকলৰ বাবে যোৱা তিনিটা বছৰত এওঁলোকেও কিবা সহযোগ কৰিছেনে? সংখ্যালঘুৰ নিৰাপত্তা সুনিশ্চিত কৰা হৈছেনে? সংখ্যালঘু ৰাইজৰ অলেখ প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব আজি প্ৰতিটো ৰাজনৈতিক শক্তি। অতি দুখ আৰু পৰিতাপৰ বিষয় যে যোৱা প্ৰায় ত্ৰিছ মাহ ধৰি বৃহৎ সংখ্যক মুছলমান জনগোষ্ঠীয়ে আশ্ৰয় শিবিৰত জীৱন-যাপন কৰিবলগা হৈছে। স্থায়ী সংস্থাপনৰ দাবীত কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ শৰণাৰ্থী কমিটী কৰি দিছপুৰত ক্ৰমে পঞ্চাছ, এশ ঘণ্টাৰ অনশন কৰিবলগা হৈছে। কোকৰাঝাৰ জিলাৰ মালিভিটা, যমুনাগুৰি, আনন্দবজাৰ, পাটাবাৰী, নাঙলভাঙা আৰু বঙাইগাঁও জিলাৰ ভাওৰাগুৰি, আমটেকা (ভাওৰাগুৰি), আমটেকা (সিদাবাৰী), আমটেকা (বজাৰ), তুলসী ডাঙি, এক নং কয়লা-ময়লা, দুই-নং কয়লা-ময়লা, ৰাজপাৰা, শিমলাগুৰি, নাৰায়ণপুৰ, আমগুৰি, কৈবাৰী আৰু টাপাটাৰী আশ্ৰয় শিবিৰত আজি ৫,০৪৩ টা পৰিয়ালৰ ২০,৮১২ জন শৰণাৰ্থী অসহায়ভাৱে থাকিবলগা হৈছে। এই আশ্ৰয় শিবিৰসমূহতেই ৯৩ জন ব্যক্তিৰ মৃত্যু হৈছে। অথচ কংগ্ৰেছ চৰকাৰে আজিও নিজৰ দায়িত্ব উপলব্ধি কৰিব বিচৰা নাই। কেৱল ৰাজনৈতিক সুবিধা আদায়ৰ স্বাৰ্থতহে যে কংগ্ৰেছ দলে সংখ্যালঘুসকলৰ ওপৰত সময়ত ৰক্ষক আৰু সময়ত ভক্ষক হৈছে, সংখ্যালঘুসকলে আজি সেই কথা ভালদৰে উপলব্ধি কৰিব লাগিব।

অসমৰ মুছলমান জনগোষ্ঠীৰ মাজত আজি অলেখ প্ৰশ্নৰ অৱতাৰণা হৈছে। ১৯৮৩ চনৰ নেলী, চাউলখোৱা গণহত্যাৰ সময়ত ৰাজ্যত কাৰ চৰকাৰ আছিল? হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ দিনতে কুখ্যাত মানৱ আক্ৰমণকো চেৰাই যোৱা ১৯৮৩, ১৯৯৩,১৯৯৪ত সংখ্যালঘুৰ ওপৰত হত্যাকাণ্ড সংঘটিত

হৈছে। আনৰ ওপৰত এই হত্যাকাণ্ডৰ দায়িত্ব জাপি দিবলৈ চেষ্টা কৰিলেও ইতিহাসে শইকীয়া আৰু কংগ্ৰেছ দলক ক্ষমা নকৰে। কংগ্ৰেছ চৰকাৰেই এই হত্যাকাণ্ডৰ বাবে এশ শতাংশ দায়ী। আইন-শৃঙ্খলা ৰক্ষা কৰা আৰু নাগৰিকৰ নিৰাপত্তা দিয়া চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। সংখ্যালঘুৰ তথাকথিত ত্ৰাণকৰ্তা শইকীয়া আৰু তেওঁৰ সতীৰ্থসকল দায়িত্ব পালনত যে সম্পূৰ্ণ বিফল হৈছে, সেই কথা অসমৰ সংখ্যালঘুসকলে ভালদৰে উপলব্ধি কৰিছে। সংখ্যালঘুৰ মাজত আজি প্ৰশ্নৰ অৱতাৰণা হৈছে, নেলীৰ পৰা বাঁহবাৰীলৈ আৰু তাৰ পিছত কিমান দিনলৈ চলিব দিয়া হ'ল সংখ্যালঘুৰ ওপৰত কংগ্ৰেছ (ই)-ৰ হত্যাৰ ষড়যন্ত্ৰ। ১৯৯৩ৰ অক্টোবৰত বঙাইগাঁও, কোকৰাঝাৰত পাঁচ শতাধিক ধৰ্মীয় সংখ্যালঘুক হত্যা কৰি ঘৰ-বাৰী জ্বলাই পঞ্চাছ হাজাৰ মানুহক গৃহহীন কৰা, ১৯৯৪ৰ ২৭মে'ত কোকৰাঝাৰত প্ৰায় এশ মানুহক হত্যা কৰা, ১৯৯৪ৰ জুলাই মাহত শইকীয়া চৰকাৰৰ পৃষ্ঠপোষকতাত বৰপেটাত নিৰ্মমভাৱে হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত কংগ্ৰেছ দলটোক ক্ষমা কৰা সম্ভৱ নহয় আৰু উচিতো নহয়।

১৯৯৪ৰ ২৭মে' তাৰিখে পবিত্ৰ জুম্মাৰ নামাজৰ দিনা পূব কোকৰাঝাৰ বিধান সভা সমষ্টিৰ চিম্বাৰগাঁও সমবায় সমিতিত অতিৰিক্ত উপায়ুক্ত আৰু এছ্ ডি চি-ৰ উপস্থিতিত সভা চলি থকা সময়তে হেকাইপাৰা, মোজাবাৰী, দুৰামাৰী আদি গাঁওৰ সংখ্যালঘুৰ ওপৰত চলা হত্যাকাণ্ডৰ ফলত পোন্ধৰ হেজাৰজন গৃহহাৰা হ'ল। এনে হত্যাকাণ্ডত চৰকাৰৰ অৱহেলা নে ষড়যন্ত্ৰ, প্ৰশ্ন থাকি গ'ল।

১৯৯৪ৰ জুলাইত বৰপেটাত সংঘটিত অশান্তিজনক ঘটনাতো পঞ্চাছখনৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হ'ল। ৯০ হেজাৰ লোকে ২০খন আশ্ৰয় শিবিৰত, আত্মীয়ৰ ঘৰত আশ্ৰয় ল'ব লগা হ'ল। কেৱল আনন্দবজাৰত এঘাৰ হেজাৰ আৰু বাঁহবাৰীত সাত হেজাৰ শৰণাৰ্থী থাকিবলগা হ'ল। ২০ জুলাইৰ দুপৰীয়া বাৰ বজাত ৰাজ্যিক পশুপালন মন্ত্ৰী ছামচুল হক বৰপেটা ৰ'ডত উপস্থিত থাকিও ৰাইজক নিৰাপত্তা দিব নিবিচাৰিলে। ২১ জুলাইৰ পুৱা বৰপেটা ৰ'ডৰ থানাত মন্ত্ৰী ক্ৰমে মুকুট শৰ্মা, আনোৱাৰা টাইমুৰ, গোমেশ্বৰ পেগু, অৰ্দ্ধেন্দু দে, দিলদাৰ ৰেজ্জা বহি থাকিল। প্ৰায় চাৰি হেজাৰ ক্ষতিগ্ৰস্ত ৰাইজে নিৰাপত্তাৰ দাবী কৰাৰ পিছতো কোনো গুৰুত্ব দিয়া নহ'ল। ২১ জুলাইৰ আবেলি মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই আক্ৰমণ প্ৰতিহত কৰাত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে হাউলীৰ বি. এইচ. কলেজত লাখ টকা অনুদান আগবঢ়াই ঘোষণা কৰিলে যে বৰপেটাৰ হত্যাকাণ্ড আই. এছ আইয়েহে কৰিছে। এনেদৰে অসমৰ মুছলমান ৰাইজক মৃত্যুৰ গৰাহলৈ ঠেলি ৰাজনৈতিক মুনাফা লাভৰ ষড়যন্ত্ৰত ব্যস্ত হৈ পৰিছে শইকীয়া চৰকাৰ। মৃত্যুৰ সংখ্যা এহেজাৰতকৈ অধিক হ'ব যদিও চাৰিশ মৃতকৰ নাম-

ঠিকনা সংগ্ৰহ কৰি ন্যায় বিচাৰি অসম চৰকাৰৰ ওচৰত দাখিল কৰা হ'ল। পিচে কংগ্ৰেছৰ পৃষ্ঠপোষকতাত হোৱা হত্যাকাণ্ডৰ ন্যায় পায় ক'ত? অতি পৰিতাপৰ বিষয় যে কলিকতাৰ মুছলিম লীগৰ সভাত দাম্ভিকতাৰে মুখ্যমন্ত্ৰী শইকীয়াই ঘোষণা কৰিছিল যে বৰপেটাৰ অশান্তিত নিহত হোৱা প্ৰতিটো পৰিয়ালক এক লাখকৈ টকা আৰু এটাকৈ চাকৰি দিয়া হৈছে। মুখ্যমন্ত্ৰী এগৰাকীয়ে এনে মিছাৰ আশ্ৰয় লোৱাটো ৰাজ্যখনৰ বাবে বৰ অপমানজনক। ইয়াৰ পিছতো নিৰাপত্তাহীনতাৰ মানসিক অন্তৰ্দ্বন্দ্ব আৰু সন্দেহ-অবিশ্বাসৰ মাজত থকা অসমৰ মুছলমান জনগোষ্ঠীয়ে কিহৰ স্বাৰ্থত কংগ্ৰেছৰ পক্ষত থিয় হ'ব?

কংগ্ৰেছ দলে মুছলমান জনগোষ্ঠীক কেৱল নিৰ্বাচনী ক্ষেত্ৰত গুৰুত্ব দিয়াৰ বাহিৰে মানুহ হিচাঁপে যে গুৰুত্ব দিব নিবিচাৰে, সেয়া বাৰে বাৰে প্ৰমাণিত হৈছে। আৰ্থ-সমাজিক ক্ষেত্ৰতো এওঁলোকক সদায় প্ৰৱঞ্চনা কৰি অহা হৈছে।

❑ ❑ ❑

জাতীয় শোষণৰ বিলুপ্তিৰ বাবে পূৰ্ণ স্বায়ত্ত্ব শাসনৰ প্ৰয়োজন হ'ব

এইটো নিশ্চয় সকলোৱে স্বীকাৰ কৰিব যে পুঁজিবাদৰ জগত এখনৰ দৰে সমাজবাদৰো এখন বিশাল জগত আছে। বিশ্বৰ উন্নয়নশীন দেশেই বেছিসংখ্যক লোকৰ গৃহভূমি। উন্নযনশীল দেশবোৰৰ সমস্যা অলেখ। দশকৰ পাছত দশক ধৰি ঔপনিবেশিক চক্ৰৰ লগত সংঘাত কৰি অহা এই দেশবোৰে নিজৰ স্থিতিৰ বাবে সংগ্ৰাম কৰিবলগা হয। স্বাধীনতা পোৱাৰ পিছতো এই দেশবোৰে নিজৰ জনসাধাৰণৰ জীৱন উন্নত কৰিবলৈ, সম্পদসমূহৰ প্ৰকৃত ব্যৱহাৰ কৰিবলৈ স্বতন্ত্ৰীয়াভাৱে নিজস্ব অৰ্থনীতি ·আৰু সংস্কৃতি গঢ়ি তুলিবৰ বাবে কঠোৰ সংগ্ৰাম কৰিবলগা হয়। কাৰণ পুঁজিবাদী ৰাষ্ট্ৰই উন্নয়নশীল দেশবোৰক স্বাধীনতা প্ৰদান কৰিলেও মুক্ত কৰি দিব নিবিচাৰে। এই দেশবোৰৰ অৰ্থনৈতিক ব্যৱস্থাক উন্নত পুঁজিবাদী ৰাষ্ট্ৰবোৰে নৱ-ঔপনিবেশিক ব্যৱস্থাৰে পৰিচালিত কৰিব বিচাৰে। এনে এক ব্যৱস্থাৰ ভিতৰতে ভাৰতে স্বাধীনতা পোৱাৰ বাবেই পুঁজিবাদী ব্ৰিটিছৰ পৃষ্ঠপোষকতাত আৰু সামন্ত প্ৰভুসকলৰ অৰিহণাত এচাম ভাৰতীয় উচ্চ মধ্যবিত্তৰ স্বাৰ্থত ভাৰতত পুঁজিবাদী ব্যৱস্থাৰ অংকুৰণ হ'ল। ব্ৰিটিছে মুকলি কৰা শোষণৰ পথকে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত দেশীয় শাসকসকলে যাতে চলাব পাৰে আৰু ৰাজ্য চৰকাৰসমূহে ৰাজ্যৰ স্বাৰ্থত যাতে মাত মাতিব নোৱাৰে তাৰ সাংবিধানিক ব্যৱস্থা কৰা হ'ল। ইয়াৰ পৰিপ্ৰেক্ষিততে ভাৰতীয় ৰাষ্ট্ৰত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ ব্যৱহাৰিক প্ৰয়োজনৰ ক্ষেত্ৰত হেঙাৰ পৰিল আৰু আন্তঃৰাষ্ট্ৰীয় পুঁজিবাদৰ ঔপনিবেশিক ব্যৱস্থাক চলমান কৰাৰ স্বাৰ্থত ভাৰতৰ সংবিধান প্ৰণয়ন কৰা হ'ল। ঔপনিবেশিক পদ্ধতি অৱলম্বন কৰি কেন্দ্ৰীয চৰকাৰে ৰাজ্যসমূহৰ নিজস্ব এক্তিয়াৰ কাঢ়িবলৈ গ'ল আৰু সম্পূৰ্ণ আৰ্থ-সামাজিক ক্ষেত্ৰত শোষণমূলক ব্যৱস্থা কটকটীয়া কৰিলে। দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি নৱ-ঔপনিবেশিক শোষণৰ পোষকতা কৰা কেন্দ্ৰই ৰাজ্যসমূহৰ ক্ষেত্ৰত অতিকেন্দ্ৰিক শাসন প্ৰৱৰ্তনৰ জৰিয়তে শোষণ আৰু লুণ্ঠনক এক নিয়মত পৰিণত কৰিছে। মূলতঃ যোৱা ৫৭টা বছৰত বিশেষভাৱে অসমৰ ক্ষেত্ৰত ভাৰতীয় ৰাষ্ট্ৰ-ব্যৱস্থাৰ আচৰণে সেইটোকে স্পষ্ট কৰিছে।

অসমৰ জনগণৰ ন্যায্য অধিকাৰৰ প্ৰশ্নত আৰু জনগোষ্ঠীসকলৰ স্বায়ত্বশাসনৰ প্ৰাপ্য গণতান্ত্ৰিক অধিকাৰৰ প্ৰশ্নত ভাৰতৰ সংবিধানৰ আজিৰ স্থিতি কিমান প্ৰাসংগিক আৰু সহযোগী হ'ব, সেই বিষয়ৰ ওপৰত অধিক বিতৰ্কৰ প্ৰয়োজন হৈছে। আনহাতে কেনেধৰণৰ সংশোধন আৰু সংযোজন হ'লে জনগণৰ অধিকাৰসমূহ প্ৰতিফলিত কৰিব পৰা যাব, সেই দিশটোৰ ওপৰতো মুক্ত আলোচনাৰ প্ৰয়োজন হৈ পৰিছে। কাৰণ দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি নৱ-ঔপনিবেশিক শোষণৰ পোষকতা কৰা কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ ওপৰত এককেন্দ্ৰিক শাসন প্ৰৱৰ্তন কৰি জাতিগত বিভাজন অনাৰ লগতে যুক্তৰাষ্ট্ৰীয় নীতিৰ বিৰুদ্ধাচৰণ কৰি আহিছে।

ভাৰতৰ সংবিধানৰ প্ৰথম অনুচ্ছেদত ভাৰতৰ ইযাৰ বিভিন্ন ৰাজ্যসমূহৰ এটা সংযুক্ত অংশ বুলি উল্লেখ কৰি ভাৰতবৰ্ষৰ সংবিধানক সংবিধান বুলি কোৱা হয যদিও সংবিধানৰ কোনো অংশতে যুক্তৰাষ্ট্ৰৰ ব্যৱহাৰিক প্ৰয়োগ নষ্ট নহয়। প্ৰশাসনিক দৃষ্টিকোণৰ পৰা চালে ভাৰতৰ সংবিধানত যুক্তৰাষ্ট্ৰৰ প্ৰশাসনিক বৈশিষ্ট্যসমূহ স্পষ্ট হৈ আছে। যুক্তৰাষ্ট্ৰ হিচাপে গণ্য হ'বলগা দুই খলপৰ চৰকাৰ, কেন্দ্ৰ-ৰাজ্যৰ ক্ষমতা বিভাজন, নিৰপেক্ষ ন্যায়ালয়ৰ ব্যৱস্থা আদি সকলোবোৰ সংবিধানত বিদ্যমান। কিন্তু সংবিধানৰ ব্যৱহাৰিক প্ৰয়োগৰ ক্ষেত্ৰত যুক্তৰাষ্ট্ৰতকৈ এক কেন্দ্ৰীকতাৰ প্ৰশাসন চলাবলৈ সংবিধানত সুৰুঙা ৰখা হৈছে। দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি কেন্দ্ৰই ৰাজ্যসমূহৰ ওপৰত এককেন্দ্ৰিক শাসন প্ৰৱৰ্তন কৰি আহিছে যিটো যুক্তৰাষ্ট্ৰীয নীতিৰ বিৰোধী। ১৯৪৬ চনৰ ১৩ ডিচেম্বৰত জৱাহৰলাল নেহৰুৱে ভাৰতীয় সংবিধানৰ উদ্দেশ্যৰ বিষযে প্ৰস্তাৱ উত্থাপন কৰি ৩নং অনুচ্ছেদত কৈছিল যে ভাৰতীয় যুক্তৰাষ্ট্ৰৰ অংগৰাজ্যসমূহ স্বয়ং শাসিত সংস্থা হিচাপে বিৰাজ কৰিব আৰু কেইটামান বিশেষ বিষয় কেন্দ্ৰৰ হাতত ৰাখি বাকী সমূহ ক্ষমতা ৰাজ্যৰ হাতত দিয়া হ'ব। ডঃ আম্বেদকাৰে সংবিধান পৰিষদত উল্লেখ কৰিছে যে ভাৰতীয় সংবিধান প্ৰণযনত যুক্তৰাষ্ট্ৰীয় নীতি মানি লোৱা হৈছে, প্ৰশাসনিক আৰু আইন প্ৰণয়নৰ ক্ষমতা কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বিভক্ত কৰা হ'ব, যাতে ৰাজ্যসমূহে আইন প্ৰণয়ন আৰু প্ৰশাসনৰ ক্ষেত্ৰত কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হ'বলগা নহয়। কাৰ্যত কিন্তু সংবিধানত কেন্দ্ৰই ৰাজ্যৰ ক্ষমতাৰ ওপৰত হস্তক্ষেপ কৰিব পৰাকৈ আৰু কেন্দ্ৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হ'বলৈ সংবিধানত সম্পূৰ্ণ ব্যৱস্থা কৰা হৈছে।

ভাৰতীয় যুক্তৰাষ্ট্ৰক অৰ্ধযুক্তৰাষ্ট্ৰ বুলিহে ক'ব পৰা হয় যদিও মূলতঃ ৰাষ্ট্ৰীয় যুক্তৰাষ্ট্ৰ এককেন্দ্ৰিক। উদাহৰণস্বৰূপে—

১। ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাৰ মুৰব্বী ৰাজ্যপাল ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত হয়। কানাডাৰ বাহিৰে কোনো যুক্তৰাষ্ট্ৰত এই ব্যৱস্থা নাই। মূল ৰাজ্যৰ ৰাজ্যপাল কেন্দ্ৰৰ প্ৰতিনিধি আৰু ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালৰ পদচ্যুতি ঘটাব পাৰে।

২। ৰাজ্য বিধান মণ্ডলীয়ে গ্ৰহণ কৰা আইন ৰাজ্যপালৰ দ্বাৰা ৰাষ্ট্ৰপতিলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব লাগে। এই ব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰই ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিছে।

৩। ৰাজ্যৰ আইন প্ৰণয়নৰ ক্ষমতাক হস্তক্ষেপ কৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসভাৰ অধিবেশনৰ দুই-তৃতীয়াংশৰ সমৰ্থনত নিজাববীয়াকৈ ভাৰতৰ অংগৰাজ্যত প্ৰৱৰ্তন কৰিবৰ বাবে সংবিধানৰ ২৪৯ ধাৰাত সুবিধা দিছে।

৪। সংবিধানত ৩৫২ নং ধাৰা অনুসৰি কেন্দ্ৰই জৰুৰী অৱস্থা ঘোষণা কৰি ৰাজ্যৰ সম্পূৰ্ণ ক্ষমতা কেন্দ্ৰৰ হাতলৈ আনিব পাৰে।

৫। পৰৰাষ্ট্ৰৰ লগত থকা চুক্তি বা সন্ধি আদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ২৫৩ নং ধাৰা অনুসৰি ৰাজ্যৰ ওপৰত কৰ্তৃত্ব চলাব পাৰে।

৬। কোনো ৰাজ্যৰ ক্ষেত্ৰত আইন প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যদি নিজস্বভাৱে চিন্তা কৰে সংবিধানৰ ২৫২নং ধাৰা অনুসৰি সেই সুযোগ গ্ৰহণ কৰিব পাৰে।

৭। ৰাজ্যৰ নদী উপত্যকা বা নদীৰ পানী আদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ২৬২নং ধাৰা অনুসৰি হস্তক্ষেপ কৰিব পাৰে।

৮। ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত আন্তঃৰাজ্য আৰু আন্তঃৰাষ্ট্ৰীয় লেন-দেনৰ ক্ষেত্ৰত সংবিধানৰ ৩০৭নং ধাৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ কৰিব পাৰে।

৯। প্ৰশাসনিক ক্ষেত্ৰত সংবিধান অনুসৰি ৰাজ্যৰ ওপৰত কেন্দ্ৰৰ ক্ষমতা ব্যপক আৰু সুদৃঢ় প্ৰসাৰী কেন্দ্ৰীয় আইনৰ মৰ্যাদা অনুসৰি ৰাজ্যই পৰিচালিত হ'বলগা হয়। কেন্দ্ৰই ৰাজ্যক এই ক্ষেত্ৰত নিৰ্দেশ দিব পাৰে। সংসদত আইন প্ৰণয়ন কৰি ৰাজ্যৰ ওপৰত দায়িত্ব অৰ্পণ কৰিব পাৰে। কেন্দ্ৰই নিৰ্দেশ লংঘন কৰিলে ৰাষ্ট্ৰপতিয়ে ৰাজ্যৰ প্ৰশাসনিক ক্ষমতা নিজৰ হাতলৈ নিব পাৰে।

ভাৰতৰ সংবিধানৰ ভিত্তিত ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থা সম্পূৰ্ণকৈ কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখা হৈছে। সংবিধানৰ সপ্তম অনুসূচীত বিত্ত সম্পৰ্কৰ তিনিখন তালিকাৰ উল্লেখ আছে। প্ৰথম তালিকাত কেন্দ্ৰীয় চৰকাৰে এক্তিয়াৰভুক্ত ৯৭টা বিষয় আৰু দ্বিতীয় তালিকাত ৰাজ্য চৰকাৰৰ এক্তিয়াৰভুক্ত ৬৬টা বিষয় আৰু তৃতীয়খনত কেন্দ্ৰ আৰু ৰাজ্যৰ উমৈহতীয়া বিষয়সমূহ উল্লেখ আছে। তালিকা তিনিখনলৈ লক্ষ্য কৰিলে দেখা যায় আয়ৰ উৎসৰ সিংহভাগ আছে কেন্দ্ৰৰ অধীনত। কেন্দ্ৰীয় তালিকাৰ অন্ততঃ ২০টা বিষয়ে কেন্দ্ৰৰ বাবে আয়ৰ পথ মুকলি কৰি ৰাখিছে। উদাহৰণস্বৰূপে— আয়কৰ, সীমা আৰু ৰপ্তানি শুল্ক, আবকাৰী কৰ, কোম্পানীৰ

আয়কৰ ইত্যাদি। তুলনামূলকভাৱে ৰাজ্যৰ আযকৰ উৎস যৎ সামান্য। কিছুমান সাধাৰণ বিষয়ৰ ওপৰতেই ৰাজ্যৰ কৰ আৰোপৰ ক্ষমতা সীমিত। যেনে— বিক্ৰীকৰ, সুৰা, যান-বাহনৰ ওপৰত কৰ, ভূমি ৰাজহ, কৃষি আযকৰ ইত্যাদি। ৰাজ্যৰ বাবে নিৰ্ধাৰিত কৰসমূহৰ প্ৰায়বোৰেই পৰোক্ষ কৰ, যাৰ বোজা উপভোক্তাৰ ওপৰত পৰেগৈ। সংবিধানে ৰাজ্য চৰকাৰক দিয়া কৰ আৰোপৰ ক্ষমতা সীমিত কৰি কেন্দ্ৰীয় সম্পত্তি, আমদানি আৰু ৰপ্তানিকৃত সামগ্ৰীসমূহৰ ক্ৰয-বিক্ৰয, কেন্দ্ৰীয চৰকাৰে ব্যৱহাৰ কৰা বিদ্যুৎ শক্তি, নিৰ্মাণ কাৰ্যত কৰ বহুৱাৰ ক্ষমতা ৰহিত কৰা হৈছে। ফলত জনসাধাৰণৰ ওপৰত কৰৰ বোজা বৃদ্ধি পালেও ৰাজ্যৰ আযৰ পথ সীমিত! ৰাজ্যৰ উপভোক্তাৰ ওপৰত হেঁচা দি সংগ্ৰহ কৰা বিক্ৰী কৰেই ৰাজ্যৰ আয়ৰ সিংহ ভাগ। আৰু ৰাজ্যত আয়ৰ বৃদ্ধি কৰিলে বৰ্তমান পৰিস্থিতিত উপভোক্তাৰ ওপৰত চাপ পৰিব। অৰ্থনৈতিক ব্যৱস্থাতো সংবিধানৰ ভিত্তিত কেন্দ্ৰই কুক্ষিগত কৰি সংবিধানৰ ২৭০নং অনুচ্ছেদ মতে আযকৰসমূহ আহৰণ কৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ মাজত বিতৰণ কৰে। এই অনুচ্ছেদ মতে আকৌ উদ্যোগিক তথা ব্যৱসাযিক মূলধনী উদ্যোগসমূহৰ ওপৰত আৰোপিত নিগম কৰসমূহ এই আযকৰৰ পৰা বহিৰ্ভূত আৰু ই ৰাজ্যসমূহৰ বিভাজ্য নহয। অন্যহাতে ২৭১নং অনুচ্ছেদ মতে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা বেতনসমূহৰ ওপৰত আৰু আয়কৰৰ ওপৰত লগোৱা আন্তৰিক হাৰৰ কৰ ৰাজ্যসমূহৰ মাজত বণ্টন হ'বলগীয়া কোষত অন্তৰ্ভুক্ত নহয। অন্যহাতে বিভাজ্য কোষলৈ হোৱা আয়তকৈ কেন্দ্ৰীয় চৰকাৰৰ বাবে নিৰ্দিষ্টকৈ থোৱা আযৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

গতিকে দেখা যায় যে ভাৰতবৰ্ষৰ প্ৰচলিত যুক্তৰাষ্ট্ৰীয ব্যৱস্থাত ৰাজ্যসমূহক দুৰ্বল কৰি কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল কৰি তোলা হৈছে। সংবিধানে ন্যস্ত কৰা ৰাজ্যৰ তালিকাভুক্ত বিষয়সমূহ সম্পদ আহৰণৰ বাবে পৰ্যাপ্ত নহয়। অথচ সকলো ধৰণৰ কল্যাণকামী যোজনা যেনে— চিকিৎসা, শিক্ষা, জনস্বাস্থ্য, বাট-ঘাট নিৰ্মাণ আদি বিষয় ৰাজ্য তালিকাত অন্তৰ্ভুক্ত।

সংবিধানৰ ২৮০নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিয়ে প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে বিত্ত আয়োগ গঠন কৰে। বিত্ত আয়োগৰ উদ্দেশ্য হ'ল—

১। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰ বিভাজন কৰা, তথা ৰাজ্যসমূহৰ মাজত নিজৰ নিজৰ অংশ বিভক্তি কৰি দিয়া।

২। ৰাজ্যসমূহক দিবলগীযা সাহায্য মঞ্জুৰী বিতৰণৰ নীতিসমূহ নিৰূপণ কৰা আৰু

৩। ভাৰত চৰকাৰৰ একত্ৰীকৃত পুঁজিৰ পৰা সাহায্য মঞ্জুৰী প্ৰয়োজন অনুসৰি

বিতৰণ কৰা ইত্যাদি। কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায় যে কৰ, ৰাজহৰ দ্বাৰা আহৰিত সম্পদৰ অধিকাংশই কুক্ষিগত কৰে কেন্দ্ৰীয় চৰকাৰে। ৰাজ্যসমূহলৈ সপ্তম আৰু অষ্টম বিত্ত আযোগে মূল আয়ৰ ক্ৰমে মাথোন ৪০ শতাংশ আৰু ৪৫ শতাংশ নিৰ্ধাৰিত কৰা কাৰ্যই ইয়াৰ উদাহৰণ। বিত্ত আয়োগ গঠন কৰে কেন্দ্ৰীয় চৰকাৰে। ইযাৰ অধ্যক্ষজনক নিযুক্তি দিযে কেন্দ্ৰই। সাম্প্ৰতিক কালত এই পদটোত কোনো বিশিষ্ট অৰ্থনীতিবিদৰ সলনি নিযুক্তি দিয়া হয় শাসক দলৰ সমৰ্থিত ৰাজনৈতিক ব্যক্তিক। ফলত কেন্দ্ৰীয় চৰকাৰে বিত্ত আযোগৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হয আৰু আযোগৰ প্ৰতিবেদনৰ বাস্তৱ ৰূপাযণৰ প্ৰশ্নটো কেন্দ্ৰৰ ওপৰতেই নিৰ্ভৰশীল।

ভাৰতীয যুক্তৰাষ্ট্ৰৰ প্ৰকৃত স্বৰূপটো পৰিকল্পনা আযোগৰ প্ৰতি লক্ষ্য কৰিলেই স্পষ্ট হয। পৰিকল্পনা আয়োগ ভাৰতৰ এককেন্দ্ৰিক শাসনৰ এক স্পষ্ট নিদৰ্শন। ১৯৫০ চনত এক কাৰ্যবাহী আবেদনৰ দ্বাৰা গঠন হোৱা পৰিকল্পনা আয়োগে দেশৰ উন্নয়নৰ বাবে ৰাজ্যসমূহলৈ পুঁজি আবণ্টন কৰে। এই আযোগৰ কোনো সাংবিধানিক স্থিতি নাই। ইযাৰ অধ্যক্ষ দেশৰ প্ৰধানমন্ত্ৰী আৰু উপাধ্যক্ষ আৰু সদস্যসকলৰ নিৰ্বাচনো প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত খেয়াল-খুচিৰ ওপৰত নিৰ্ভৰশীল। পৰিকল্পনা বিষযটো উমৈহতীযা যদিও আযোগত ৰাজ্যৰ কোনো সদস্য লোৱা নহয়। পৰিকল্পনা আযোগৰ ৰাযসমূহৰ ৰূপাযণো নিৰ্ভৰ কৰে কেন্দ্ৰীয চৰকাৰৰ প্ৰধানমন্ত্ৰীৰ ওপৰত।

ভাৰত যুক্তৰাষ্ট্ৰৰ এককেন্দ্ৰিক শাসনৰ অন্য এক উদাহৰণ হ'ল ভাৰতত এটাই মাত্ৰ নিৰ্বাচনী আযোগ। লগতে ব্যয নিযন্ত্ৰণ আৰু মহা হিচাপ পৰীক্ষক কেন্দ্ৰ আৰু ৰাজ্যৰ বাবে এজন। দুযোজনকে ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তি দিয়া হয।

ভাৰতবৰ্ষৰ তথাকথিত শক্তিশালী কেন্দ্ৰীয় ধাৰণাটোৱে ৰাজ্যসমূহৰ মাজত ক্ৰমাগতভাৱে অসন্তুষ্টি শিপাই তুলিছে আৰু ৰাজ্যসমূহৰ মাজত অধিক ক্ষমতা লাভৰ বিষয়টোৱে অগ্ৰাধিকাৰ লাভ কৰিছে। কেন্দ্ৰৰ এককেন্দ্ৰিক শাসনৰ ফলত ৰাজ্যসমূহত মূলতঃ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্ন উত্থাপিত হ'ব ধৰিছে। কেন্দ্ৰ ৰাজ্যৰ বিত্ত সম্পৰ্কৰ ক্ষেত্ৰত ক্ৰমাৎ অৱনতি ঘটাত ভাৰতবৰ্ষৰ সমগ্ৰ পিছপৰা ৰাজ্যসমূহৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে গা কৰি উঠিছে। কেন্দ্ৰই ৰাজ্যসমূহক অৰ্থনৈতিকভাৱে কৰি অহা শোষণৰ পৰিণাম স্বৰূপে ৰাজ্যসমূহলৈ পূৰ্ণ স্বায়ত্ত শাসন প্ৰদানৰ প্ৰশ্নটোৱে সাম্প্ৰতিক কালত অধিক গুৰুত্ব লাভ কৰিছে। ৰাজনৈতিকভাৱে পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ বামপন্থী চৰকাৰে অন্ধ্ৰপ্ৰদেশৰ তেলেগু দেশম, জম্মু-কাশ্মীৰৰ নেশ্যনেল কনফাৰেন্স, কৰ্ণাটকৰ জনতা দল, পঞ্জাবৰ অকালি দল, তামিলনাডুৰ ডি.এম.কে.-ৰ দ্বাৰা পৰিচালিত হোৱা চৰকাৰসমূহে ৰাজ্যসমূহৰ আইন প্ৰণয়ন, প্ৰশাসন আৰু ৰাজহ আৱণ্টনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধান্যতাৰ বিৰুদ্ধে মাত মাতি আহিছে।

সংবিধানৰ কেন্দ্ৰীয় প্ৰভাৱ কমাই কেন্দ্ৰ আৰু ৰাজ্যৰ ক্ষমতা সমবিতৰণৰ প্ৰতি লক্ষ্য ৰাখি ১৯৬৭ চনতে তেতিয়াৰ মাদ্ৰাজৰ ডি.এম.কে. দলৰ মুখ্যমন্ত্ৰী আন্নাদুৰায়ে প্ৰথমেই স্বায়ত্ত শাসনৰ প্ৰশ্ন উত্থাপন কৰিছিল। পশ্চিমবংগৰ সংযুক্ত মৰ্চা চৰকাৰৰ বিধান সভাৰ মজিয়াত ৬-৩-৬৭ তাৰিখে পশ্চিমবংগৰ ৰাজ্যপাল শ্ৰীধৰমবীৰ দত্তৰ ভাষণত একে ধৰণৰ মতপ্ৰকাশ কৰে। ১৯৭৮ চনত পশ্চিমবংগৰ বাওফ্ৰণ্ট মন্ত্ৰীসভাই ৰাজ্যৰ হাতত অধিক ক্ষমতা দিয়াৰ বাবে কেন্দ্ৰ ৰাজ্যৰ ক্ষমতাৰ সম্পৰ্কে পুণৰ্বিন্যাস হোৱাৰ দাবী কৰে। ১৯৭০ চনত ডি.এম.কে. চৰকাৰৰ স্বায়ত্ত শাসনৰ প্ৰশ্নটো পৰীক্ষা কৰিবলৈ তামিলনাডুৰ মুখ্য ন্যায়াধীশ ড° ৰাজা মান্নাৰ অধ্যক্ষতাত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লক্ষস্বামী মুদাশিয়ৰ আৰু মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত বিচাৰপতি পি. চন্দ্ৰ ৰেড্ডিক লৈ এখন কমিটি গঠন কৰে।

ৰাজা মান্নাৰ কমিটিৰ মতে ভাৰতীয় সংবিধান যুক্তৰাষ্ট্ৰীয়তা বিৰোধী। গতিকে সংবিধান যুক্তৰাষ্ট্ৰীয় ভিত্তিত হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰে ৰাজা মান্না কমিটিৰ পৰামৰ্শ নাকচ কৰে। কেন্দ্ৰমুখী শাসনৰ প্ৰতি লক্ষ্য ৰাখি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ১৯৭৮ চনৰ পৰা অসমত পূৰ্ণ স্বাযত্ত শাসন প্ৰৱৰ্তনৰ বাবে দাবী আৰু আন্দোলন কৰি আহিছে।

ব্ৰিটিছ ৰাজত্বই সামৰিক ব্যৱস্থাৰে ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন জাতিসত্তাক ভাৰতৰ ভিতৰলৈ আনিছিল যদিও এই ক্ষুদ্ৰ ক্ষুদ্ৰ ভূমিখণ্ডৰ জাতিসমূহে স্বাধীনতাৰ পাছত দেশীয় কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰকৃত যুক্তৰাষ্ট্ৰীয় শাসনেৰে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিকেন্দ্ৰীকৰণৰ দ্বাৰা সমবিচাৰ আৰু সমবিকাশ হোৱাৰ আশা পোষণ কৰিছিল। কাৰ্যত ইযাৰ বিপৰীত হোৱাত আজি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য আৰু জাতিৰ মাজত, আত্মনিযন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্ন উত্থাপিত আৰু আলোচিত হৈছে। জাতিসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ভাষিক অধিকাৰ তথা নিৰ্দিষ্ট এলেকাত বসবাস কৰাৰ অধিকাৰ এক মৌলিক গণতান্ত্ৰিক অধিকাৰ। নিজৰ ভূ-খণ্ড ৰক্ষা কৰাৰ অধিকাৰ, নিজৰ ভাষা-সংস্কৃতিক সুৰক্ষিত আৰু বিকশিত কৰাৰ অধিকাৰ, নিজৰ আৰ্থ-সামাজিক অস্তিত্ব ৰক্ষা আৰু বিকাশ সাধনৰ অধিকাৰ, নিজৰ ৰাজনৈতিক জীৱন আৰু প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ অধিকাৰেই মূলতঃ যিকোনো এটা জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ। এই অধিকাৰ সকলো জাতিৰ প্ৰাপ্য। অৰ্থনৈতিক তথা ৰাজনৈতিক তাৎপৰ্যক বাদ দি আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ কোনো গুৰুত্ব নাই। অৰ্থনৈতিক আৰু ৰাজনৈতিক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ থাকিলেহে ভাষিক, সাংস্কৃতিক তথা সামাজিক অধিকাৰসমূহ সাব্যস্ত কৰিব পৰা হয়। ভাৰতৰ কেন্দ্ৰীভূত শাসনৰ বিৰুদ্ধে জাতিগত সমমৰ্যাদাৰ ভিত্তিত অসমীয়া জাতিক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে

অধিকাৰসমূহ হ'ব নিজৰ ভূ-খণ্ড ৰক্ষা কৰাৰ অধিকাৰ। থলুৱা বিভিন্ন জনগোষ্ঠীৰ অৰ্থনীতি, সামাজিক, ভাষা-সাংস্কৃতিক সমন্বিতে অসমৰ অৰ্থনীতি, সামাজিক, ভাষা-সংস্কৃতিক সুৰক্ষিত আৰু বিকশিত কৰাৰ অধিকাৰ। জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ সম্পূৰ্ণ অৰ্থ ৰাজনৈতিক অৰ্থত স্বাধীনতাৰ অধিকাৰ, কিন্তু জাতিগত আত্মনিয়ন্ত্ৰণ বুলি পৃথকত্বৰ অবাধ অধিকাৰকে মাত্ৰ নুবুজায়। নিজৰ ইচ্ছাক্ৰমে অইন জাতিৰ লগত ঐক্যবদ্ধ হৈ একোখন যুটীয়া তথা যুক্তৰাষ্ট্ৰৰ ভিতৰতে থকাতো বুজায়। পৃথক হ'ব পৰা অধিকাৰে জাতীয় নিপীড়নৰ বিৰুদ্ধে সংগ্ৰামৰ এক দৃঢ়তা প্ৰকাশ কৰে যদিও এই অধিকাৰ পোৱাৰ স্বাৰ্থত ৰাষ্ট্ৰ এখন খণ্ড-বিখণ্ড হোৱা বা ক্ষুদ্ৰ ৰাষ্ট্ৰ গঠন কৰোৱা নুসূচায়। প্ৰত্যেক জাতিৰ নিজৰ ৰাষ্ট্ৰগঠন যুক্তৰাষ্ট্ৰ বিশেষৰ ভিতৰত থাকিব তাক স্বাধীনভাৱে স্থিৰ কৰা অধিকাৰ আছে।

দেশৰ আভ্যন্তৰীণ অৱস্থা, দুৰ্যোগপূৰ্ণ আন্তৰ্জাতিক পৰিস্থিতিৰ আৰু পাৰমাণৱিক যুগৰ প্ৰতিৰক্ষা ব্যৱস্থাত দেশ আৰু জনগণৰ নিয়ন্ত্ৰণৰ স্বাৰ্থত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যসমূহে আত্মনিযন্ত্ৰণৰ অধিকাৰক সাব্যস্ত কৰি ৰাষ্ট্ৰ গঠনৰ পৰিৱৰ্তে ৰাষ্ট্ৰ বিশেষৰ ভিতৰত থকাতো সমীচিন হ'ব। অৱশ্যে বহুজাতিক ৰাষ্ট্ৰত সংখ্যালঘু জাতিসত্তাই সচৰাচৰ সংখ্যালঘুৰ জাতিসত্তাৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হয়। আৰু এই সংখ্যালঘুৰ জাতিসত্তাই মিলিত হৈ এককেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ সৃষ্টি কৰে। গণতান্ত্ৰিক কেন্দ্ৰকতাৰ অভাৱ থকা ৰাষ্ট্ৰখণ্ডত বিশিষ্ট অৰ্থনীতি আৰু জীৱন-যাপনৰ পৰিস্থিতি, জনসংখ্যাৰ বৈশিষ্ট্য আৰু জাতীয় সংবিন্যাসৰ ভিত্তিত পূৰ্ণ স্বাযত্তৰ শাসনব্যৱস্থাত এককেন্দ্ৰিকতা ৰাষ্ট্ৰৰ পুঁজিবাদী ব্যৱস্থা কাৰ্যত অচল হ'ব।

স্বাযত্ত শাসিত ৰাজ্যত স্থানীয় আঞ্চলিক আৰু জাতিগত তাৎপৰ্যৰ বিষয়সমূহৰ ওপৰত এক্তিয়াৰ থকা প্ৰযোজন। এইটো স্পষ্ট যে পূৰ্ণ স্বায়ত্ত শাসনৰ তলত জাতিগত অৰ্থনৈতিক আৰু জীৱন-যাপনৰ পদ্ধতিৰ বৈশিষ্ট্য আছে।

ৰাষ্ট্ৰখণ্ডত স্বায়ত্ব শাসিত ব্যৱস্থাৰ প্ৰয়োগ নকৰাকৈ এখন আধুনিক গণতান্ত্ৰিক প্ৰগতিশীল ৰাষ্ট্ৰৰ কল্পনা কৰা অসম্ভৱ। কেন্দ্ৰকতাৰ ফলত পুঁজিবাদৰ বিকাশ স্বায়ত্ব শাসনৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়। ভাৰতৰ দৰে বহুজাতিক ৰাষ্ট্ৰত জাতিগত অনৈক্যই প্ৰগতিত বাধা জন্মায়। বহুজাতিক ৰাষ্ট্ৰত জাতীয় শোষণৰ বিলুপ্তিকৰণৰ পথ হ'ল স্বায়ত্ত শাসন।

❑ ❑ ❑

ঐক্যবদ্ধ সংগ্ৰামৰ ধাৰা আৰম্ভ কৰিব লাগিব

বিশিষ্ট সাংবাদিক পৰাগ কুমাৰ দাসৰ মৃত্যুৰ দিনা আমি 'প্ৰতিদিন'ৰ প্ৰথম পৃষ্ঠাত কৈছিলো যে মই আপোনাক, আপুনি মোক, তেওঁলোকে আমাক, আমি তেওঁলোকক হত্যা কৰি কি পাইছো— কি পাম? কোনবোৰ সমস্যাৰ সমাধান হৈছে? ৰাজ্যখনৰেই বা কি উত্তৰণ ঘটিছে? আমি বিভিন্ন পক্ষই যদি জাতিটোৰ উত্তৰণৰ বাবে চিন্তা কৰিছো, কাম কৰিব বিচাৰিছো, অসমৰ ইতিহাসলৈ ঘূৰি চাওক। আজিৰ মুহূৰ্তত হত্যা কৰিলেই যদি অসমবাসীৰ সমস্যাৰ সমাধান হয় —আহক আমি একেলগে আত্মহত্যা কৰোঁ। অসমৰ বিভিন্ন সময়ত ছেগা-চোৰোকাকৈ হৈ থকা হত্যাকাণ্ডসমূহৰ দীঘলীয়া তালিকাই আজি অসমৰ প্ৰতিজন গণতান্ত্ৰিক লোকক সচকিত কৰিছে।

অসমত শেহতীয়াভাৱে সশস্ত্ৰ সংগ্ৰামৰ নামত সংঘটিত নিৰ্বিচাৰ আৰু বহু পৰিমাণে বৰ্বৰোচিত হত্যাকাণ্ডই সকলোধৰণৰ বিপ্লৱী চৰিত্ৰক উলাই কৰি গৈছে। শ্ৰেণী শত্ৰুৰ বিৰুদ্ধে, শ্ৰেণী সংগ্ৰামৰ বিপৰীতে আৱেগিক তথা আক্ৰোশমূলক চৰিত্ৰৰে সংগ্ৰামৰ প্ৰকৃত পথত আজি হেঙাৰৰ সৃষ্টি কৰা হৈছে। ৰাষ্ট্ৰৰ সকলো ধৰণৰ শোষণ-লুণ্ঠনৰ বিৰুদ্ধে প্ৰয়োজনীয় সংঘবদ্ধ গণতান্ত্ৰিক সংগ্ৰামখনৰ পৰিবেশক হত্যাকাণ্ডৰ দৰে কাৰ্যব্যৱস্থাই ভেতুৰ সৃষ্টি কৰিছে। অসমৰ জনবিন্যাসলৈ লক্ষ্য কৰি প্ৰয়োজনীয় ঐক্যবদ্ধতাৰ স্বাৰ্থতেই ঐক্যবদ্ধ সংগ্ৰামৰ কাৰ্যসূচীৰ প্ৰযোজন আছিল। সংগ্ৰামৰ কাৰ্যসূচীৰ মাজেৰেই প্ৰয়োজনীয় ঐক্যবদ্ধ সংগ্ৰামৰ সৃষ্টি কৰিব পাৰে। কিন্তু আমি আজিও পৰস্পৰৰ মাজত বিশ্বাসৰ পৰিৱেশ সৃষ্টি কৰিব পৰা নাই। আমি প্ৰত্যেকেই অসমৰ সমাজ-জীৱনৰ সমস্যাসমূহক ভিন্ন ভিন্ন দৃষ্টিভংগীৰে বিচাৰ কৰিছোঁ। যোৱা সময়ছোৱাত অসমত বিশেষভাৱে সংঘটিত হোৱা হত্যাকাণ্ডসমূহৰ প্ৰসংগতো আমি এক নিজস্ব দৃষ্টিভংগী গ্ৰহণ কৰিছোঁ। মৃত্যু মৃত্যুৱেই। মৃত্যুক শ্ৰেণীগত দৃষ্টিভংগীৰে বিচাৰ কৰাটো নিশ্চয় উচিত নহ'ব। ৰাষ্ট্ৰৰ দ্বাৰা, ৰাষ্ট্ৰ পালিত শক্তিৰ দ্বাৰা হত্যা কৰা আৰু কোনো ব্যক্তি তথা বিদ্ৰোহী শক্তিৰ দ্বাৰা হত্যা কৰা ঘটনাটোৰ ভিন্নতা থাকিব পাৰে, কিন্তু ঘটনাক্ৰমে মৃত্যু হোৱাজনৰ প্ৰতি সহানুভূতিৰ প্ৰকৃততে ভিন্নতা থাকিব

নোৱাৰে। সামাজিক সংঘাতৰ শেষ স্তৰত শ্ৰেণীভিত্তিত মৃত্যুৰ গুৰুত্বৰ ভিন্নতা আহিব পাৰে। কিন্তু আজিৰ অসম সেইটো পৰ্যায়লৈ অৱনমিত হোৱা নাই। অসমৰ মানুহৰ মাজত সমাজ পৰিৱৰ্তনৰ লগতে বিপ্লৱী কাৰ্যসূচীৰ উদ্দেশ্য আৰু ধাৰাৰ প্ৰসংগত আজিও সচেতনতা আনিব পৰা হোৱা নাই। অন্যহাতে অসমৰ সমাজ জীৱন মানৱীয় মূল্যবোধৰ ওপৰত ভিত্তি কৰি সংগঠিত। এনে চৰিত্ৰৰ সমাজৰ বাবে হত্যা-মৃত্যু সহজভাৱে গ্ৰহণযোগ্য নহয়। শান্তিকামী চৰিত্ৰৰ মানুহৰ মাজত যুক্তি আৰু কাৰ্যকৰী প্ৰতিশ্ৰুতিৰে ধাৰণা দিব নোৱাৰা পৰ্যন্ত হত্যাৰ বিনিময়ত সমৰ্থন অনা সম্ভৱ নহয়।

অসমৰ সমাজ জীৱনৰ চৰিত্ৰ ৰাষ্ট্ৰৰ বাবে অতি পৰিচিত। সেইবাবে তেওঁলোকৰ কৌশলী ব্যৱস্থাসমূহ সমাজৰ চৰিত্ৰৰ ওপৰত ভিত্তি কৰিয়ে গ্ৰহণ কৰা পৰিলক্ষিত হয়। সাধাৰণতেই দেখা যায় যে বিদ্ৰোহী সংগঠনসমূহৰ সিদ্ধান্তৰ বিয়োগাত্মক দিশটোক ৰাষ্ট্ৰই তেওঁলোকৰ যোগাত্মক দিশ হিচাপে গ্ৰহণ কৰে। সময়ৰ সুযোগ গ্ৰহণ কৰিযেই ৰাষ্ট্ৰই তেওঁলোকৰ বাহকসকলৰ দ্বাৰা নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলতো বহুলাংশে ৰাষ্ট্ৰই এনে সুযোগ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰৰ চৰিত্ৰই হ'ল শাসন আৰু শোষণৰ স্বাৰ্থত সমাজক বিভাজন কৰা আৰু নিজস্ব স্বাৰ্থসিদ্ধিৰ বাবে অতি ঠাণ্ডা মগজুৰে হত্যাৰ দৰে অতি নিৰ্মম আৰু বৰ্বৰতাৰে অত্যাচাৰ কৰা। ৰাষ্ট্ৰৰ হাতত আইন, আদালত, আৰক্ষী, পুঁজি আদি সমূহ শক্তি থকাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰৰ দ্বাৰা সংগঠিত সকলো সন্ত্ৰাসক ন্যায়সংগত বুলি স্বীকৃতি আদায় কৰা হয়। এনে ক্ষেত্ৰত প্ৰতিবাদ হ'লেই ৰাষ্ট্ৰই সংঘটিত ব্যক্তি-সন্ত্ৰাসৰ ওপৰত সকলো দোষ জাপি দি নিজকে অতি গণতান্ত্ৰিক বুলি জাহিৰ কৰিবলৈ চেষ্টা কৰে। ক্ষমতাত থকাসকলৰ বাহিৰে সাধাৰণ ৰাইজে ৰাষ্ট্ৰৰ চৰিত্ৰৰ এই ধাৰাসমূহ বুজি পায় যদিও শাসনত বহাসকলক এইটো বুজাব পৰা নহয় যে সমস্যাসমূহৰ ৰাজনৈতিক সমাধানৰ দূৰদৰ্শিতাৰ অভাৱ আৰু ৰাষ্ট্ৰসন্ত্ৰাসে ব্যক্তি তথা গোষ্ঠীসন্ত্ৰাস অধিক প্ৰবল কৰাত সুযোগ তথা অৰিহণা যোগায়। সমাজ আৰু সংগ্ৰামৰ মাজৰ পৰা যোৱা জনপ্ৰতিনিধিসকল প্ৰকৃততে এই দিশটোত অভিজ্ঞ যদিও ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ স্বাৰ্থত এই অভিজ্ঞতাসমূহ পাহৰিবলৈ চেষ্টা কৰে। এনে পাহৰা স্বভাৱটো অসমত অতি প্ৰবল।

আমি আজি এইটোও বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈছে যে যোৱা সময়ছোৱাত হোৱা বিভিন্ন শ্ৰেণীৰ হত্যাকাণ্ডসমূহে কাক কিমান সহায় কৰিছে? গোষ্ঠীসমূহৰ মাজত হোৱা সংঘাতক আলাপ-আলোচনাৰে সমাধান কৰাৰ বিপৰীতে হত্যাৰ দৰে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ ফলত আমি আজি নিজৰে ভাই-ভনী, বংশ-কুটুম্বক হেৰুৱাইছোঁ। বিশেষকৈ বড়ো জনগোষ্ঠীৰ প্ৰকৃত উত্তৰণৰ অতীৱ প্ৰয়োজনীয় সময়ত

জাতিৰ মানুহতকৈ দল-সংগঠনসমূহক বেছি গুৰুত্ব দিছোঁ। বড়ো জনগোষ্ঠীৰ নিজস্ব অধিকাৰ সাব্যস্তকৰণৰ সংগ্ৰামখনত প্ৰতিজন বড়োৱে ঐক্যবদ্ধভাৱে সংগ্ৰাম কৰাৰ বিপৰীতে আজি পৰস্পৰৰ মাজত শত্ৰুতাৰ সূচনা কৰিছে। অতি নিষ্ঠুৰভাৱে এজন বড়োৰ আন এজন সহোদৰ বড়োৰ হাতত মৃত্যু হ'বলগা হৈছে। প্ৰতিবেশী হৈ থকা কোচ-ৰাজবংশী, চাওতাল জনগোষ্ঠী, মুছলমান জনগোষ্ঠী, বড়ো জনগোষ্ঠী আৰু হিন্দু বঙালী সম্প্ৰদায়ৰ মাজত ৰক্তৰ বিনিময়ে যে সমস্যা সমাধান নকৰে, তাক আমি সকলোৱে বুজা উচিত, আমাৰ মাজত এনেবিলাক সংঘাতৰ বীজ ৰোপণ কৰিবলৈ চেষ্টা কৰা হৈছে। যাতে আমি ঐক্যবদ্ধভাৱে শোষকৰ বিৰুদ্ধে থিয় হ'ব নোৱাৰো। আমাৰ প্ৰাপ্যৰ বাবে ৰাষ্ট্ৰক বাধ্য কৰিব নোৱাৰো। আমি পৰস্পৰে পৰস্পৰক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছোঁ। ফলত ৰাষ্ট্ৰৰ বিশাল শক্তিক আমি ঐক্যবদ্ধভাৱে প্ৰত্যাহ্বান জনাব পৰাৰ সামৰ্থ্য হেৰুৱাইছোঁ। ৰাষ্ট্ৰৰ নিজস্ব শক্তিসমূহে তাতেই সফলতা লাভ কৰিছে। আমাৰ ওপৰত অত্যাচাৰী ক'লা আইনসমূহ জাপি দিব পাৰিছে। বিচাৰৰ প্ৰয়োজন অনুভৱ নকৰাকৈ নিজস্বভাৱে আমাক হত্যা কৰিব পাৰিছে। অসমৰ এই ভূ-খণ্ডক আজি এক যুদ্ধৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰিছে। এনে অৱস্থাৰ পৰিত্ৰাণৰ এটাই উপায় হ'ল ঐক্যবদ্ধতা। এই ঐক্যবদ্ধতাৰ বাবেই এক বিশ্বাসজনক পৰিবেশৰ প্ৰযোজন। এই বিশ্বাসজনক পৰিবেশ সৃষ্টি কৰাৰ স্বাৰ্থতেই মৃত্যুৰ ভযাৱহতাক স্বীকাৰ কৰা প্ৰয়োজন। পৰস্পৰে পৰস্পৰক হত্যা কৰাৰ পৰিবেশৰ পৰিৱৰ্তে সম্প্ৰীতি, সহযোগ আৰু ঐক্যবদ্ধতাক স্বীকাৰ কৰাৰ সময়। সকলো ধৰণৰ হত্যাৰ বিৰুদ্ধে আমি দ্বিধাহীনভাৱে ক'বলৈ নিজকে প্ৰস্তুত কৰিব লাগিব। হত্যাৰ দৰে কাৰ্যসূচী জাতিৰ ভৱিষ্যতৰ উত্তৰণৰ পথ নহয়। ঐক্যবদ্ধ জনজাগৰণেহে জাতিৰ উন্নতিৰ পথৰ সন্ধেদ দিয়ে।

আমি নিশ্চয় এইটোও লক্ষ্য ৰখা প্ৰয়োজন হ'ব যে ৰাজনৈতিক সন্ত্ৰাসবাদে সাম্ৰাজ্যবাদক সহায় কৰে। অন্যহাতে উগ্ৰ বামপন্থী আৰু উগ্ৰ জাতীয়তাবাদী কাৰ্যই এক অনিষ্টকৰ সন্ত্ৰাসবাদৰ জন্ম দিয়ে। অধৈৰ্য আৰু অ-সহিষ্ণুতাই সাম্ৰাজ্যবাদী শক্তি তথা প্ৰতিক্ৰিয়াশীল শক্তিকহে সহায় কৰে। অসমৰ সামূহিক পৰিৱৰ্তনৰ ক্ষেত্ৰত অসমৰ জনবিন্যাসক গুৰুত্ব দিহে পথৰ সৃষ্টি হ'ব লাগিব। ৰাষ্ট্ৰৰ ধাৰাবাহিক শোষণ-লুণ্ঠনৰ বিৰুদ্ধে আগুৱাই যোৱাৰ প্ৰথম চৰ্তটোৱেই হ'ল নিপীড়িত অসমবাসীৰ মাজত এক বিশ্বাসযোগ্য পৰিবেশৰ সৃষ্টি কৰা। পৰস্পৰৰ মাজত ক্ষমতা, সহযোগিতা আৰু সন্মানবোধেহে আমাক ঐক্যবদ্ধ কৰিব পাৰিব। তাৰ বাবে আজি ৰঙা তেজৰ বিনিময়ৰ পৰিৱৰ্তে মুক্ত চিন্তাৰ বিনিময়ৰ সময়। সময়ৰ গুৰুত্বক আমি উপলব্ধি কৰিব নোৱাৰিলে আৰু নিৰ্দিষ্ট সময়ক আমি ধৰি ৰাখিবনোৱাৰিলে ৰাষ্ট্ৰইহে সময়ৰ সুযোগ গ্ৰহণ কৰিব।

জাতিটোৰ বাবে যদি আমি কিবা কৰিব বিচাৰিছো ব্যক্তিগত স্বাৰ্থ পিছত ৰাখি জাতিটোৰ স্বাৰ্থ আগত ৰাখি পদক্ষেপ লোবা উচিত হ'ব। সংখ্যাত অতি কম নিষ্পেষিত অসমীযা জতিটোৰ স্বাৰ্থত সকলো পক্ষই সকলো ধৰণৰ হত্যাকাণ্ড বন্ধ কৰা উচিত হ'ব। অসমবাসীৰ এজনক হত্যা কৰা মানে অসমীয়া জাতিসত্তাৰ এচপৰা ইটা খহি পৰা। ইয়াৰ পিছতো ৰাষ্ট্ৰই যদি পৰম্পৰাগতভাৱে অসমবাসীৰ ওপৰত হত্যাৰ ষড়যন্ত্ৰ চলাই থাকে তেন্তে অসমবাসীয়ে ৰাষ্ট্ৰক আমাৰ সকলোৰে উমৈহতীয়া শত্ৰু হিচাপে চিনাক্ত কৰি ঐক্যবদ্ধ সংগ্ৰামৰ ধাৰা আৰম্ভ কৰিব লাগিব। সকলো ধৰণৰ ব্যৱস্থা ভাঙি পেলাবৰ বাবে আমি নিজকে প্ৰস্তুত কৰিব লাগিব। আমি নিজকে আজি ঐক্যবদ্ধ কৰাৰ প্ৰাথমিক চৰ্ত হিচাপেই সকলো পৰ্যায়ৰ হত্যা বন্ধ হ'ব লাগিব।

❑ ❑ ❑

অসমত উচ্চ সদনৰ প্ৰয়োজন

ভাৰত এখন বহুজাতিক দেশ। একেদৰে অসমো এখন বহুগোষ্ঠীক ৰাজ্য। বহুগোষ্ঠীক ৰাজ্যত সকলোৰে ক্ষেত্ৰত সকলো স্তৰতে সম অধিকাৰ আৰু সমমৰ্যাদাৰ অতি প্ৰয়োজন। এইটোৱেই হৈছে গণতান্ত্ৰিক আৰু বহুগোষ্ঠীক ৰাজ্যৰ ঐক্য আৰু সংহতি বজাই ৰখাৰ মূল ভিত্তি। বিভিন্ন গোষ্ঠীসমূহৰ স্বাৰ্থৰ প্ৰতি সূক্ষ্ম দৃষ্টি দিলেহে জাতিসমূহৰ পাৰস্পৰিক সংঘৰ্ষৰ কাৰণসমূহক দূৰ কৰিব পৰা যাব আৰু পাৰস্পৰিক ষড়যন্ত্ৰৰ ভয় আৰু অবিশ্বাস আঁতৰিব। পৰিতাপৰ কথা যে স্বাধীনতাৰ পিছৰেপৰা পুঁজিবাদী শাসনৰ সংকীৰ্ণতম শ্ৰেণীস্বাৰ্থ আৰু ইতিহাস জ্ঞানশূন্যতাই অসমৰ জনগোষ্ঠীসমূহৰ নিজস্ব বৈশিষ্ট্যত আঘাত হানিছে। আমাৰ আধিপত্যবাদী প্ৰৱণতাই এতিয়াও ক্ৰিয়া কৰি থকাত অসমবাসীৰ মাজতেই দ্বন্দ্বও জীয়াই আছে। আধিপত্যবাদী প্ৰৱণতাৰ বাবেই আজিও অসমৰ জনগোষ্ঠীৰ মাজত গা কৰা আত্মনিয়ন্ত্ৰণৰ গণতান্ত্ৰিক সংগ্ৰামক পৃথকতাবাদী দৃষ্টিভংগীৰে চোৱা হয়। অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ সংগ্ৰামখনৰ পৰা বিভিন্ন জনগোষ্ঠীৰ গণতান্ত্ৰিক স্ব-শাসনৰ অধিকাৰক ভিন্নকৈ ৰাখিব বিচৰা হয়। জনগোষ্ঠীয় সমস্যাক অসমৰ সমস্যাৰ পৰা বিচ্ছিন্ন কৰি চালে নহ'ব। জনগোষ্ঠীসমূহৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাসমূহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু অসমীয়া মধ্যবিত্তৰ অৱজ্ঞাসূচক দৃষ্টিভংগীয়ে পৃথকতাবাদী আন্দোলনত অৰিহণা যোগাইছে। বাস্তৱ কাৰণসমূহক উলাই কৰি দাঙি ধৰা দৃষ্টিভংগীয়ে সমস্যা সমাধানৰ বিপৰীতে নতুন সমস্যাৰহে সৃষ্টি কৰিছে। জাতীয় আকাংক্ষা তীব্ৰতৰ হৈ পৰিলে সংঘাতৰ সৃষ্টি হয়। আজি অসমৰ জনগোষ্ঠীসমূহৰ মাজত জাতীয় আৱেগ আৰু জাতীয় চেতনাৰ উত্থান ঘটিছে। অনুসূচিতকৰণ আৰু ষষ্ঠ অনুসূচী কাৰ্যকৰীকৰণৰ দিশ দুটাৰ এক গণতান্ত্ৰিক ৰাজনৈতিক আলোচনাৰে তৎকালে সমাধানৰ সূত্ৰ উলিয়াব লাগে। অন্যথা ইয়াৰ ওপৰত ভিত্তি কৰিযেই অসম অধিক অশান্ত হোৱাৰ সুযোগ থাকে। লক্ষ্য কৰিবলগীয়া বিষয় হ'ল— বৰ্তমান অসমত কাৰ্বি-আংলঙৰ লগতে বড়ো, মিচিং, ৰাভা, তিৱাই ষষ্ঠ অনুসূচীৰ আধাৰত ৰাজনৈতিক অধিকাৰ লাভ কৰিছে। কিন্তু সমবিকাশ আৰু ৰাজনৈতিক সুৰক্ষাৰ লগতে অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক স্বীকৃতি কেৱল ষষ্ঠ অনুসূচীৰ আধাৰতে সম্ভৱ হ'ব নোৱাৰে। ইয়াৰ বাবে

ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। দিশপুৰৰ ওপৰত নিৰ্ভৰশীল ব্যৱস্থাই জনজাতিসকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্পষ্ট নকৰে। আমাৰ প্ৰস্তাৱ হ'ল অসমৰ অন্যান ক্ষেত্ৰৰ লগতে জনজাতিসকলৰ সমস্যা সমাধানৰ নীতি-নিৰ্দেশনা দিবৰ বাবে অসমত এখন উচ্চ সদন লাগে। উচ্চ সদন গঠনৰ বৰ্তমানৰ সাংবিধানিক ব্যৱস্থাৰ কিছু পৰিৱৰ্তন ঘটাই অসমৰ জনজাতি তথা জনগোষ্ঠীৰ প্ৰতিনিধিক লৈ উচ্চ সদন গঠন কৰিব লাগে। যাতে অসমৰ সামূহীক উন্নয়ন আৰু পৰিৱৰ্তনত জনজাতিসকলৰ অধিকাৰ থাকে। অধিক স্পষ্ট ভাষাৰে ক'বলৈ হ'লে জনজাতিসকলৰ ভৱিষ্যত জনজাতিসকলৰ দ্বাৰাই নিযন্ত্ৰিত হ'ব লাগে। প্ৰচলিত বিধাযিনী ব্যৱস্থাত পৰিসংখ্যাৰ দিশটোলৈ লক্ষ্য ৰাখি প্ৰতিনিধিত্ব কৰাৰ পৰা বঞ্চিত হৈ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহক উচ্চসদনৰ জৰিয়তে ৰাজনৈতিক অধিকাৰ দিযাব পৰা যাব। শেহতীয়াভাৱে অসম গণ-পৰিষদে অসমত উচ্চ সদনৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰাটো ইতিবাচক দিশ। বিশ্বৰ প্ৰতিযোগিতামূলক ক্ষেত্ৰখনত অসম এতিযাও বহু পিছত আছে। আমাৰ আভ্যন্তৰীণ দ্বন্দ্ব আৰু জাতীয আৱেগে বাৰে বাৰে আমাক পিছলৈ ঠেলি নিছে। আজি জাতীয় আৱেগক গতি দিযাৰ প্ৰয়োজন হৈছে। আমাৰ ভৱিষ্যদৰ্শনক নিৰ্দিষ্ট কৰি প্ৰগতিশীল অসম গঢ়িবলৈ হ'লে দীৰ্ঘদিন ধৰি অসমাধান হৈ থকা জাতীয় সমস্যাবিলাকক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাধান কৰিব লাগিব। কেন্দ্ৰীভূত শাসন আৰু অৰ্থনৈতিক অনগ্ৰসৰতাই অসমৰ অশান্তিৰ অন্যতম কাৰক। আন্দোলন, বিপ্লৱ, বিদ্ৰোহ ইয়াৰ বহিঃপ্ৰকাশ। ইয়াৰ অনুঘটকস্বৰূপ বিভিন্ন সমস্যাৰ ভিতৰত সকলো ক্ষেত্ৰতে বৰ্তমান প্ৰভাৱ পেলোৱা সমস্যাকেইটাক চিনাক্ত কৰি অগ্ৰাধিকাৰ ভিত্তিত সমাধানত গুৰুত্ব দিব লাগিব। অসমবাসীৰ শান্তিপূৰ্ণ অৱস্থাৰ কথা চিন্তা কৰি ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰিলে কেন্দ্ৰীয় চৰকাৰৰ অশান্তি হ'ব আৰু কেন্দ্ৰীয় চৰকাৰে বা ৰাষ্ট্ৰ ব্যৱস্থাই শান্তি বিচাৰিবলৈ হ'লে অসমবাসী অশান্তিত থাকিব লাগিব— যিটো বৰ্তমান হৈ আছে। আমি দুয়োটাৰ মাজৰ স্থিতি উলিয়াব লাগিব— যাতে দুয়োটা শক্তিৰে শান্তিপূৰ্ণ সহৱস্থান হয।

❑❑❑

৫৮ বছৰীয়া প্ৰহসনৰ পৰা আমি শিক্ষা ল'ব লাগিব

'৪৭-ৰ পৰা ৫৮ বছৰ অতিক্ৰম কৰি আজিৰ এই পৰিস্থিতিত আহি উপনীত হোৱাৰ মুখ্য কাৰণটোৱেই হ'ল ক্ষমতা হস্তান্তৰৰ আগতে চিমলা চহৰত কংগ্ৰেছ নেতাসকলৰ লগত ব্ৰিটিছ চৰকাৰৰ লগত হোৱা বুজা-বুজিৰ চুক্তি। ইয়াৰ ফলস্বৰূপে ১৯৪৭-ৰ ১৫ আগষ্টত ভাৰতৰ পূৰ্ণাংগ স্বাধীনতাৰ বিপৰীতে ক্ষমতা হস্তান্তৰৰ ইতিহাস আৰম্ভ হ'ল। ব্ৰিটিছ সাম্ৰজ্যবাদৰ ইচ্ছা আৰু হুজুগত সৃষ্টি হ'ল স্বাধীন (?) ভাৰতৰ নীতি-নিয়মৰ। তেওঁলোকৰ চিন্তাৰ প্ৰতিফলন ঘটিল লিখিত সংবিধানত। ক্ষমতা হস্তান্তৰৰ পিচত ভাৰতবৰ্ষত পুঁজিবাদী অৱস্থাৰ বিপৰীতে অৰ্ধ সামন্ততান্ত্ৰিক আৰু অৰ্ধ-পুঁজিবাদী ঔপনিবেশিক অৰ্থনীতিৰ অংকুৰণ ঘটিল। ব্ৰিটিছ সাম্ৰাজ্যবাদে আধুনিকীকৰণৰ নামত ভাৰতীয় পুঁজিবাদক আন্তৰ্জাতিক পুঁজিবাদৰ অধীনস্থ এক ঔপনিবেশিক অৰ্থনীতি হিচাপে গঢ়ি তোলাত প্ৰবৃত্ত হ'ল। ফলত ক্ষমতা হস্তান্তৰৰ পিচতো ঔপনিবেশিক অৰ্থনীতিৰ পৰিৱৰ্তন নঘটিল।

দেশীয় পুঁজিবাদী শক্তিসমূহে কংগ্ৰেছৰ পৃষ্ঠপোষকতা কৰি ভাৰতত যুক্তিবাদী তথা বস্তুবাদী দৃষ্টিভংগীৰ বিপৰীতে এক ভাববাদী দৃষ্টিভংগীৰে কংগ্ৰেছক পৰিচালিত হ'বলৈ বাধ্য কৰিলে। ক্ষমতা হস্তান্তৰৰ পিচত ভাৰতবৰ্ষত বিজ্ঞানসন্মত সমাজবাদী ৰাজনৈতিক চিন্তা যাতে অংকুৰিত হ'ব নোৱাৰে এই পুঁজিবাদী শক্তিসমূহে ৰাষ্ট্ৰ পৰিচালনা কৰাসকলক তেনেদৰে পৰিচালিত হ'বলৈ বাধ্য কৰিলে। পুঁজিবাদী শ্ৰেণীৰ সমৰ্থিত বুৰ্জোৱা শ্ৰেণীটোৱে ৰাষ্ট্ৰ পৰিচালনা কৰিবলৈ লোৱাত সামাজিক-অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তনত বাধা পৰিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ ঔপনিবেশিক আক্ৰমণ আৰু দেশীয় পুঁজিবাদী শক্তিসমূহৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা 'স্বাধীন ভাৰত' (?)-ৰ ব্যৱস্থাসমূহৰ ফলস্বৰূপেই আজিৰ অৱস্থাৰ সৃষ্টি হৈছে। স্বাধীনতাৰ উদ্দেশ্য আৰু স্বাধীনতাৰ ফলাফলৰ মাজত যে কোনো সাদৃশ্য নাথাকিল তাক আজি ব্যাখ্যা কৰাৰ নিশ্চয় প্ৰয়োজন নাই। ব্যৱহাৰিক জীৱনৰ পৰা সকলোৱেই তাৰ শিক্ষা গ্ৰহণ কৰিব পাৰিছে।

স্বাধীনতাৰ মূল বিষয়টোৱেই অৰ্থনৈতিক স্বাধীনতা। কিন্তু ভাৰতে ৰাজনৈতিক

স্বাধীনতা পালেও আন্তৰ্জাতিক পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ পৰা ওলাই আহিব পৰা নাই। ভাৰতীয় অৰ্থনীতিত বিদেশী একচেটিয়া পুঁজিপতিয়ে মুখ্য স্থান দখল কৰি আছে। বুৰ্জোৱা শাসকগোষ্ঠীয়ে এই শক্তিসমূহৰ আঙুলিত ধৰি খোজ দিব লোৱাত ভাৰতৰ স্বাধীনতা ভাৰতবাসীৰ বাবে এক প্ৰহসনত পৰিণত হ'ল। ক্ষমতাকেন্দ্ৰীক ৰাজনৈতিক ব্যৱস্থাই সমাজ পৰিৱৰ্তন কৰাত স্বইচ্ছাই বিৰত থাকিল। ফলত আজি সংসদীয় ব্যৱস্থাটো সন্দেহৰ সংকটত ভুগিবলগা হৈছে। আজিৰ প্ৰচলিত ব্যৱস্থাত জনগণৰ মাজত থাকি এক ৰাজনৈতিক সংগ্ৰাম গঢ়ি তোলাটো ৰাষ্ট্ৰৰ বাবে সমৰ্থনযোগ্য নহয়। ৰাষ্ট্ৰৰ চৰিত্ৰৰ বিপৰীতমুখী ৰাজনৈতিক দৃষ্টিভংগী ৰাষ্ট্ৰ পৰিচালিত অন্যতম শক্তিক কেন্দ্ৰীয় চৰকাৰে কেতিয়াও সহ্য নকৰে।

দেশৰ কোনো স্থানত এনে চিন্তাৰ উন্মেষ ঘটিলে উৎসতে তাক বাধা দান কৰা হয়। দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি নব্য-ঔপনিবেশিক শোষণৰ বাহক কেন্দ্ৰই ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰীভূত শাসন প্ৰৱৰ্তনৰ জৰিয়তে শোষণ আৰু লুণ্ঠনক এক নিয়মত পৰিণত কৰিছে। অসমৰ আজিৰ বিত্তীয় ব্যৱস্থা আৰু শিল্পায়নৰ স্তৰৰ লগতে সামাজিক সমস্যাসমূহে স্বাধীনতাৰ স্বৰ্ণজয়ন্তীৰ বিযোগাত্মক দিশসমূহক স্পষ্ট কৰিছে। ভাৰত ৰাষ্ট্ৰৰ আজিৰ প্ৰচলিত ব্যৱস্থাই অসমৰ জাতীয় জীৱনত এক সংকটপূৰ্ণ অৱস্থাৰ লগতে সামাজিক ক্ষেত্ৰখনতো সংঘাতময় পৰিবেশৰ সৃষ্টি কৰিছে। ভ্ৰষ্টাচাৰ, দুৰ্নীতি, লুণ্ঠন, হত্যা, বিভাজন, সাম্প্ৰদায়িকতা আদি কাৰ্যব্যৱস্থাসমূহ আজি এক নিয়মত পৰিণত হৈছে। দেশৰ ঐক্য আৰু সংহতিৰ দোহাই দি নব্য-ঔপনিবেশিক শোষণৰ পোষকতা কৰা কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰীভূত শাসনব্যৱস্থা চলাই আহিছে। কেন্দ্ৰৰ হাতত শাসনৰ সম্পূৰ্ণ এক্তিয়াৰ ৰখাৰ স্বাৰ্থতেই বিভাজনকামী চিন্তাধাৰাৰ পোষণ কৰাৰ লগতে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰস্তাৱ তথা যুক্তৰাষ্ট্ৰীয ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰি আহিছে। ৰাজ্যসমূহে নিজাববীয়াকৈ পুঁজি গঠন কৰি শক্তিশালী স্থিতি যাতে গ্ৰহণ কৰিব নোৱাৰে তাৰ বাবে সকলো ধৰণৰ নিয়ন্ত্ৰিত ব্যৱস্থাই প্ৰয়োগ কৰিছে। বিত্তীয় ক্ষমতা বণ্টন, আইনগত ক্ষমতা বণ্টন তথা প্ৰশাসনিক ক্ষমতা বণ্টনৰ ক্ষেত্ৰত ৰাজ্যসমূহে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখা ব্যৱস্থাৰ প্ৰণয়ন কৰিলে।

ৰাজ্যসমূহে নিজস্ব সম্পদৰ ওপৰত পুঁজি গঠনৰ ধাৰণাক আগত ৰাখি যাতে কোনো পৰিকল্পনা কৰিব নোৱাৰে তাৰ বাবে কেন্দ্ৰই পৰিকল্পনা প্ৰস্তুতৰ ক্ষেত্ৰত নিজস্ব হস্তক্ষেপ স্পষ্ট কৰি ৰাখিছে। ক্ষমতাকেন্দ্ৰিক আপোচৰ ৰাজনীতিয়ে আজিৰ ৰাজনৈতিক শক্তিসমূহক আবদ্ধ কৰি ৰখাত ৰাষ্ট্ৰৰ কৌশল আজি সফল হৈছে। ফলত আজি সকলো স্তৰৰ ৰাজনৈতিক শক্তি জনগণৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বিপৰীতে ৰাষ্ট্ৰৰ দ্বাৰা পালিত ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে।

আপোচৰ ৰাজনীতিৰ বিপৰীতে উচিত পথেৰে বিপ্লৱৰ সূচনা কৰা শক্তিসমূহে আজিও প্ৰকৃত পৰিৱৰ্তনৰ ধাৰা স্পষ্ট কৰিব নোৱাৰাত আৰু ৰাষ্ট্ৰৰ চৰিত্ৰৰ লগত সংগ্ৰামীৰ চৰিত্ৰৰ মাজত দূৰত্ব আনিব নোবাৰাত সংগ্ৰামী ধাৰণাৰ প্ৰতি মানুহে আজি বিশ্বাসৰ সংকটত ভুগিবলৈ লৈছে। স্থান- কাল-পাত্ৰৰ ওপৰত নিৰ্ভৰ কৰি সংগ্ৰামৰ গতি কি হ'ব, সমস্যা সমাধানৰ সূত্ৰ কি হ'ব, ক'ত আগুৱাই যাব, ক'ত থমকি ৰ'ব আদি বিষয়সমূহৰ স্পষ্ট প্ৰতিচ্ছবি ৰাইজে আজি প্ৰত্যক্ষ কৰিব পৰা নাই। মধ্যবিত্তীয় ব্যৱহাৰিক জীৱনক উলাই কৰিলেও মধ্যবিত্তীয় মানসিকতাৰ পৰা আমি নিজকে আঁতৰ কৰিব নোৱাৰাত অবিশ্বাসৰ ধাৰা অধিক শক্তিশালী হৈছে। মুক্ত গণতান্ত্ৰিক বিতৰ্কক আমি আজিও গুৰুত্ব দিব নোখোজাত মানুহৰ মাজত ভয় আৰু সংশয়ৰ ভাব অধিক দৃঢ় হৈছে। এনে পটভূমিত অসমৰ আজিৰ সমাজ পৰিৱৰ্তনৰ স্বাৰ্থত এই মুহূৰ্তৰ পৰা আমি কি কৰা উচিত সেইটোহে স্পষ্ট কৰি লোৱাৰ প্ৰয়োজন হৈছে।

১৯৪৭-ৰ স্বাধীনতা, সংবিধান, ৰাষ্ট্ৰৰ চৰিত্ৰ, অৰ্থনৈতিক লুণ্ঠন, লুণ্ঠনৰ সহায়ক শক্তি, লুণ্ঠনৰ প্ৰৱঞ্চনাৰ স্বাৰ্থত সৃষ্টি কৰা পৰিৱেশ আদি চক্ৰবৃদ্ধি হাৰত বৃদ্ধি হোৱা সমস্যাসমূহৰ সম্পৰ্কত আজি আলোচনাৰ সময় নহয়। পঞ্চাছ বছৰৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা আৰু ইতিমধ্যে বহু চৰ্চিত হৈ যোৱা বিষয়সমূহৰ সম্পৰ্কত অসমৰ ৰাইজ অভিজ্ঞ। এতিয়া সমস্যা সমাধানৰ সমাধানসূত্ৰ নিৰ্ণয়ৰ সময়। তত্বগত আলোচনা আৰু বৌদ্ধিক কছৰতৰ দ্বাৰা বিষয়সমূহক জটিল আৰু দুৰ্বোধ্য কৰাৰ বিপৰীতে অতি সহজভাৱে কেইখোজমান আগুৱাই যোৱাৰহে সময়। তত্বৰো প্ৰযোজন আছে, বিজ্ঞানসন্মত তথা যুক্তিগত বিতৰ্কৰো প্ৰযোজন আছে। কিন্তু এই প্ৰযোজনখিনিৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ন্যস্ত হোৱাকৈ হোৱা উচিত। অন্ততঃ আজিৰ সংকটকালত।

আমি এই ক্ষেত্ৰত দৃঢ় হোৱা উচিত যে আমাৰ সমস্যাসমূহৰ আনে সমাধান নকৰে। দুৰ্ভাগাৰ কথা যে অসমৰ শাসনত আমাৰ মানুহ থকাৰ পিচতো কিন্তু অসমৰ সমস্যাৰ সমাধানৰ পক্ষত গতি লোৱা নাই। নিশ্চিতভাৱে আমিযে আমাৰ সমস্যা সমাধান কৰিব লাগিব, কিন্তু তাৰ আগতে অসম, অসমবাসী আৰু অসমৰ সমস্যাসমূহৰ প্ৰসংগত আমাৰ ধাৰণাক স্পষ্ট কৰিব পাৰিব লাগিব। আজিৰ ৰাজনৈতিক ব্যক্তি আৰু শক্তিসমূহক ৰাইজে প্ৰশ্ন কৰা উচিত যে সেইসকলে অসমৰ সামূহিক উন্নয়নৰ বাবে নিজস্বভাৱে কি ধাৰণা ৰাখিছে, নিজস্ব পৰিকল্পনা কি? অসমৰ প্ৰতিটো জনগোষ্ঠীৰ প্ৰতি সেই সকলৰ দৃষ্টিভংগী সহযোগিতামূলক আৰু মুক্তনে?

ক্ষমতা হস্তান্তৰৰ পঞ্চাশ বছৰৰ পিচত অতীতৰ পৰা কিছু অভিজ্ঞতা লোৱাটো নিশ্চয় বাঞ্ছনীয় হ'ব। অসমৰ সমূহ জনগোষ্ঠীয়ে আজি ঐক্যবদ্ধভাৱে সমস্যাসমূহৰ সমাধানৰ সূত্ৰ নিৰ্ণয় কৰাৰ সময় হৈছে।

অসমবাসীয়ে সন্মুখীন হোৱা সমস্যাসমূহক একত্ৰিত কৰি শ্ৰেণী বিভাজন কৰা প্ৰয়োজন। অসমবাসীৰ সমস্যা হিচাপে চিনাক্ত হোৱা সমস্যাক জাতীয় সমস্যা হিচাপে লৈ অসমবাসীক প্ৰতিনিধিত্ব কৰা দল, সংগঠন আৰু ব্যক্তিসকলৰ মাজত আলাপ-আলোচনাৰে সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ঐক্যমতলৈ অহাৰ সময় হৈছে।

আগন্তুক সময়ৰ প্ৰতিটো দিন যাতে অসমবাসীৰ বিভিন্ন স্তৰৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰিব পৰা যায় তাৰ বাবে ঐক্যমতৰ ওপৰত ভিত্তি কৰি এক পূৰ্ণাংগ কাৰ্যসূচী প্ৰস্তুত কৰাৰ সময় হৈছে। আমি নিশ্চয় এই ক্ষেত্ৰত একমত যে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত প্ৰতিটো ক্ষেত্ৰতে আমাৰ স্থান সম্পূৰ্ণ শেষৰ পৰ্যায়ত। এনে পৰ্যাযক আমি আজিও কিয় দেশ আৰু জাতিৰ বাবে অপমানজনক বুলি গণ্য কৰিব পৰা নাই। স্বাধীনতাৰ (?) ৫৮বছৰীয়া প্ৰহাসনৰ পৰা আমি নিশ্চয় কিছু শিক্ষা গ্ৰহণ কৰা উচিত।

❑ ❑ ❑

বিশ্বায়নৰ প্ৰতিবাদ কৰা প্ৰয়োজন

তোমালোক জি. এইট
আমি ৬০০ কোটি

১৯৭৩ চনৰ পৰাই বিশ্বায়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি ক'ব পাৰি। ১৯৭৩ চনত পেট্ৰলিয়াম ৰপ্তানিকাৰী দেশসমূহৰ সংস্থাই খাৰুৱা তেলৰ মূল্য চাৰিগুণ বৃদ্ধি কৰিছিল। সেই সময়তে ইউৰোপ আৰু আমেৰিকাৰ সাতটা বহুজাতিক গোষ্ঠীয়ে মধ্য প্ৰাচ্যৰ তৈল খণ্ডৰ ওপৰত কৰ্তৃত্ব সাব্যস্ত কৰিছিল আৰু অতি কম ৰয়েল্টি দি অত্যধিক মুনাফা অৰ্জন কৰিছিল। তৈল খণ্ডৰ পৰা অৰ্জন কৰা বৃহৎ অংকৰ টকা বহুজাতিক গোষ্ঠীসমূহে অতি কম সুদত বেংকৰ জড়িযতে ঋণৰ বজাৰলৈ এৰি দিয়ে। চিলি, আৰ্জেণ্টিনা, ব্ৰাজিল আদি লেটিন আমেৰিকান দেশসমূহৰ লগতে আফ্ৰিকান দেশসমূহত এই ধনৰ বিনিযোগ আৰম্ভ হ'ল। কিন্তু ১৯৮১ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই বেংকৰ ঋণৰ সুদ অত্যধিক হাৰত বৃদ্ধি কৰি দিলে। মাৰ্কিন পুঁজিৰ এই সিদ্ধান্তই বহু ৰাষ্ট্ৰক সমস্যাৰ মাজলৈ ঠেলি দিলে। ইতিমধ্যে মাৰ্কিন বহুজাতিক গোষ্ঠীৰ ঋণৰ জালত বিশ্বৰ বহু দেশ বন্দী হৈ পৰিছিল। বহুজাতিক গোষ্ঠীৰ অত্যধিক সুদৰ ঋণৰ পৰা মুক্ত হোৱাৰ বাবে মেক্সিকো আদি বহু দেশে শেষত বিশ্ব বেংক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ উদ্দেশ্যটোৱেই আছিল সেইটো। মাৰ্কিন যুক্তৰাষ্ট্ৰই অৰ্থনৈতিকভাৱে দুৰ্বল ৰাষ্ট্ৰসমূহক বিশ্ববেংক আৰু আই এম এফৰ দ্বাৰা আৰ্থিক সহায়ৰ নামত পুনৰ্বিন্যাসৰ জাল পাৰি দিলে। অৰ্থনৈতিক পুনৰ্বিন্যাসৰ নামত নব্বৈ দশকত সমগ্ৰ বিশ্বত আৰম্ভ হ'ল বিশ্বায়নৰ প্ৰক্ৰিয়া।

সাম্ৰাজ্যবাদৰ পিঠিত বিশ্বায়ন ঃ

পুঁজিবাদৰ চূড়ান্ত আন্তৰ্জাতিকীকৰণ আৰু আগ্ৰাসনে আজি জাতীয় আৰু আন্তৰ্জাতিক স্তৰতো নতুন বিপদৰ সৃষ্টি কৰিছে। সাম্ৰাজ্যবাদ বিশ্বব্যাপি এক ব্যৱস্থালৈ পৰিণত হৈছে। এই ব্যৱস্থাটোৰ পিঠিত উঠিয়েই বিশ্বায়নৰ যাত্ৰা বুলি ক'ব পাৰি। সাম্ৰাজ্যবাদৰ ধংসাত্মক অৱস্থানটোৱেই বিশ্বায়ন বুলি ক'লে নিশ্চয় বঢ়াই কোৱা

নহ'ব। বিশ্বায়নৰ সহযোগত সাম্ৰাজ্যবাদে আজি ৰাষ্ট্ৰসমূহৰ ওপৰত বিশেষকৈ তৃতীয় বিশ্বৰ ওপৰত অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক আগ্ৰাসনৰ এক নতুন ধাৰা আৰম্ভ কৰিছে। নাগৰিকৰ সকলো স্তৰৰ অধিকাৰ কাঢ়ি নিছে। সাম্ৰাজ্যবাদে বৃহৎ শক্তিসমূহক এটা স্তৰলৈ অনাৰ পিচত আজি বিশ্বায়নে তৃতীয় বিশ্বৰ দেশসমূহৰ সাৰ্বভৌমত্বৰ ওপৰত আঘাত হনাৰ পৰিকল্পনা কাৰ্যকৰী কৰিছে। ৰাষ্ট্ৰৰ অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত আঘাত হনাৰ লগতে ৰাষ্ট্ৰৰ জাতীয় অৰ্থনীতি আৰু নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত হাত দিছে। ৰাষ্ট্ৰৰ প্ৰতিটো জাতীয় সম্পদৰ ওপৰত দখল সাব্যস্ত কৰাৰ লগতে অতি গুৰুত্বপূৰ্ণ মানৱ সম্পদৰ ওপৰতো হয় শ্ৰুতলিপি দি পৰিচালিত কৰিছে নহয় বহুজাতিক গোষ্ঠীৰ স্বাৰ্থত মানৱ সম্পদক এক পণ্যৰ বজাৰলৈ পৰিণত কৰিছে। প্ৰকৃতাৰ্থত সাম্ৰাজ্যবাদৰ তত্ব আৰু উদ্দেশ্যসমূহ অতি কঠোৰভাৱে কাৰ্যকৰীকৰণৰ দিশটোৱেই হ'ল বিশ্বায়ন। সাম্ৰাজ্যবাদৰ উদ্দেশ্য অনুসৰিয়েই আজি বিশ্বাযনে ধৰ্মীয আৰু জাতীয দিশসমূহৰ ওপৰত অন্ধ দৃষ্টিভংগীৰ আমদানি কৰি প্ৰতিক্ৰিয়াশীল পৰিৱেশৰ সৃষ্টি কৰিছে। মাৰ্কিন সাম্ৰাজ্যবাদে আজি ধৰ্মীয় মৌলবাদী শক্তিসমূহক পৃষ্ঠপোষকতা কৰি বিশ্বব্যাপী এক বিভাজন নীতিৰ কাৰ্যকৰী ৰূপ দিযাত ব্যস্ত হৈ পৰিছে। নব্বৈ দশকৰ পিচত শেহতীয়া বিশ্বৰ বিভিন্ন প্ৰান্তৰ যুদ্ধ আৰু সংঘাতসমূহৰ চৰিত্ৰ অনুধাৱন কৰিলেই সেই সত্যটো ওলাই পৰিব। বিংশ শতিকাত সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষকতাত সামৰিক শক্তিসমূহে বিশ্বত যিমান অস্ত্ৰ-শস্ত্ৰৰ বজাৰৰ সৃষ্টি কৰিলে, এতিয়া বিশ্বায়নে সেই বজাৰ সম্প্ৰসাৰণত ব্যস্ত হৈ পৰিছে। এই পথৰ নেতৃত্ব দিছে সাম্ৰাজ্যবাদী বৃহৎ শক্তি মাৰ্কিন যুক্তৰাষ্ট্ৰই। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ উদ্দেশ্যই হ'ল সামৰিক ক্ষেত্ৰসমূহত একচেটিয়া ব্যৱসায়ৰ জাল পেলোৱা আৰু যুদ্ধোত্তৰ দেশসমূহত আৰ্থিক আৰু সামৰিক অধিপত্য শক্তিশালী কৰা।

বিশ্বজোৰা প্ৰতিবাদ ঃ ১৯৯৪ চনৰ তথ্য মতে পৃথিৱীত ৩৮,৫৪১টা বহুজাতিক সংস্থা আছিল। ইয়াৰ শাখা আৰু সহযোগী সংস্থা আছিল ২,৫১,৪৫০টা। উল্লেখ্য যে ৩৮,৫৪১টা সংস্থাৰ ভিতৰত ৩৪,৫৪৩টা সংস্থা মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটেন আৰু জাপানৰ। ১৯৯২ চনত বহুজাতিক কোম্পানীসমূহৰ বজাৰ আছিল ৫,২০,০০০ কোটি ডলাৰৰ। লক্ষ্যনীয় বিষয় যে ১৯৯৪ চনত ভাৰতীয় জাতীয় আয় মাত্ৰ ২৯,৩৫২ কোটি ডলাৰ। বিশ্বায়নৰ এনে আগ্ৰাসনে যে তৃতীয় বিশ্বৰ দেশসমূহৰ ওপৰত চৰম আঘাত হানিছে আৰু ভৱিষ্যতলৈ অধিকভাৱে আক্ৰান্ত কৰিব, সেইটো বিশেষভাৱে উপলব্ধি কৰিব পাৰিছে কিউবাই। কিউবাই উপলব্ধি কৰিছে যে বহুজাতিক গোষ্ঠীসমূহৰ জড়িয়তে পুঁজি শোষণৰ স্থায়ীৰূপ দিয়াটোৱেই বিশ্বায়নৰ উদ্দেশ্য। অৰ্থনৈতিক আৰু

সামাজিক বৈষম্যৰ সৃষ্টি কৰি বিশ্ববেংক আৰু আই এম এফৰ দ্বাৰা জাতীয় পুঁজিৰ আগ্ৰাসনৰ অন্যতম উদ্দেশ্য বিশ্বায়ন। বিশ্বায়নৰ প্ৰবক্তাসকলে চিয়াটলৰ অভিজ্ঞতা গ্ৰহণ কৰি উচিত আছিল। ১৯৯৯-ৰ ডিচেম্বৰত চিয়াটলত হোৱা বিশ্ব বাণিজ্য সংস্থাৰ মন্ত্ৰী পৰ্যায়ৰ তৃতীয় সন্মিলনত প্ৰায় সাতশ সংগঠনে ঐক্যবদ্ধ হৈ প্ৰতিবাদ কৰিছিল। চল্লিশ হাজাৰৰ অধিক প্ৰতিবাদী জনতাই বিশ্বায়নৰ বিৰুদ্ধে কৰা বিক্ষোভেই প্ৰতিপন্ন কৰে যে 'বিশ্বায়ন' সমৰ্থনযোগ্য হ'ব নোৱাৰে। ইয়াৰ পিচতো বিশ্ব অৰ্থনৈতিক সংস্থা, ইউৰোপীয় ইউনিয়ন, জি-এইট আদি সংগঠনৰ অধিবেশনসমূহৰ বিৰুদ্ধে বিশাল বিক্ষোভ আৰু প্ৰতিবাদসমূহেই বিশ্বায়নৰ বিৰুদ্ধে থিয় হোৱাত বিশ্বৰ প্ৰগিতিশীল গণতান্ত্ৰিক শক্তিক সাহস যোগাইছে।

বিশ্বৰ বৃহৎ পুঁজিপতি বিল্ গেটচৰ মুখ্য কাৰ্যালয় আমেৰিকাৰ চিয়াটলতে 'বাণিজ্যিক শাসন নিপাত যাওক' শ্ল'গান উত্থাপিত হৈছিল। সেইয়া আছিল আৰম্ভ। পিচলৈ চুইজাৰলেণ্ডৰ ডাভোচত, থাইলেণ্ডৰ ৰাজধানী বেংককত, আমেৰিকাৰ ৱাশ্বিংটনত, চিডনিত, শ্বেক প্ৰজাতন্ত্ৰৰ ৰাজধানী চহৰ প্ৰাগত, ফ্ৰান্সত, কানাডাৰ কুইবেকত, ইটালিৰ জেনোৱা চহৰ আদিত যেতিয়াই বিশ্বায়নৰ পৃষ্ঠপোষক সংস্থাসমূহৰ আন্তৰ্জাতিক সন্মিলন হৈছে তেতিয়াই লক্ষ লক্ষ জনতাই প্ৰতিবাদ কৰিবলৈ ওলাই আহিছে। সমগ্ৰ বিশ্বতে বিশ্বায়নৰ প্ৰতিবাদত আৱাজ উঠিছে—মানুহক পণ্য হিচাপে গণ্য কৰা বন্ধ কৰক, তোমালোক জি-এইট আমি ৬০০ কোটি বুলি আজি তৃতীয় বিশ্বৰ দেশৰ জনতাই সাম্ৰাজ্যবাদী শক্তিসমূহৰ প্ৰতি বিদ্ৰোহ ঘোষণা কৰিছে। লক্ষ্যণীয়ভাৱে বিক্ষোভকাৰীসকলে অতি জঘন্যভাৱে পুলিচী অত্যাচাৰৰ সন্মুখীন হ'ব লগা হৈছে।

ভাৰতলৈ মাৰাত্মক ভাবুকি ঃ ভাৰতত বৃটিছ শাসনৰ পৰাই বিশ্বায়নৰ প্ৰভাৱ পৰা বুলি ধাৰণা হয়। ব্ৰিটিছ শাসনে ভাৰতৰ ওপৰত অবাধ বাণিজ্য সূচনা কৰাৰে পৰা সাম্ৰাজ্যবাদী চৰিত্ৰৰে বিশ্বায়নৰ গতি লোৱা বুলি ক'ব পাৰি। ১৯৫৬ চনৰ পৰা ভাৰতত শিল্পায়নৰ বিকাশ আৰম্ভ হয় আৰু ১৯৬০-ৰ পৰা কৃষি বিপ্লৱৰ আঁচনি ৰূপায়ণ কৰা হয়। দুয়োটা ক্ষেত্ৰতে আৰম্ভণিৰে পৰা ব্ৰিটিছ সাম্ৰাজ্যবাদৰ প্ৰভাৱ পৰিলক্ষিত হয়। ১৯৭০ চনৰ পৰা ভাৰত প্ৰকৃতাৰ্থত মুক্ত বাণিজ্যৰ গ্ৰাসত পৰে আৰু বৈদেশিক ঋণৰ জালত ভৰি দিয়া আৰম্ভ কৰে। ১৯৭০-ত ভাৰতৰ বৈদেশিক ঋণ আছিল ৭৯৪ কোটি ডলাৰ। ১৯৮৩-ত ২১২৮কোটি ডলাৰ হয়। ৰাজীৱ গান্ধীৰ কাৰ্যকালত ১৯৮৫ চনৰ পৰা বৈদেশিক ঋণ আৰু বৈদেশিক বাণিজ্যৰ নীতি পৰিৱৰ্তন হ'ল। ১৯৯১ চনৰ পৰা প্ৰকৃতাৰ্থত ভাৰতত সংস্কাৰৰ নীতি আৰম্ভ হ'ল। বিশ্ববেংকে আৰু আই এম এফৰ নিৰ্দেশ আৰু শ্ৰুতলিপিত ভাৰত ৰাষ্ট্ৰ পৰিচালিত হোৱাৰে পৰা

দেশৰ প্ৰতিটো স্তৰৰ জনগণে মাৰাত্মক ভাবুকিৰ সন্মুখীন হ'ল। দাৰিদ্ৰতা আৰু বৈষম্য বৃদ্ধি পালে, কৰ্মসংস্থানৰ সীমাবদ্ধতা আহিল, উৎপাদন নিয়ন্ত্ৰিত হ'ল। শ্ৰম শোষণৰ ওপৰত থকা নিয়ন্ত্ৰণ আঁতৰ কৰা হ'ল। গৰিষ্ঠসংখ্যক সাধাৰণ নাগৰিকৰ বাবে অগ্ৰাধিকাৰ দিব লগা বিষয় শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত গুৰুত্ব কমাই অনা হ'ল। দৰিদ্ৰ আৰু মিশ্ৰ আয়ৰ লোকসকলৰ উত্তৰণৰ বাবে থকা ব্যৱস্থাসমূহ নাইকিয়া কৰা হ'ল।

ভাৰতত বহুজাতিক গোষ্ঠীৰ পুঁজি বিনিয়োগৰ দিশটো লক্ষ্যণীয়। ১৯৯১-ৰ পৰা ২০০০ চনলৈ ভাৰতত ৮৯,৩০০ কোটি টকা বিনিয়োগ কৰা হৈছে যদিও এই বিনিয়োগ নতুন উদ্যোগ গঢ়াত কৰা হোৱা নাই। বিভিন্ন ভাৰতীয় কোম্পানীক বহুজাতিক গোষ্ঠীয়ে গ্ৰাস কৰি বিশ্বায়ন কৰাহে পৰিলক্ষিত হৈছে। উৎপাদন নতুন নহয়, মালিক নতুন। বহুজাতিক কোম্পানীসমূহে ভাৰতত মুক্ত বিচৰণৰ অধিকাৰ আদায় কৰি এতিয়া ভাৰতৰ বজাৰ দখল কৰিবলৈ আৰম্ভ কৰিছে। কোকাকোলা আৰু পেপ্‌চিয়ে দেশৰ পঞ্চানব্বৈ শতাংশ ঠাণ্ডা পানীয়ৰ বজাৰ দখল কৰিছে। চাৰিটা বহুজাতিক কোম্পানীয়ে বিশুদ্ধ পানীৰ আশী শতাংশ বজাৰ নিজৰ হাতলৈ নিছে। ৰঙীণ টিভিৰ বজাৰৰ সত্তৰ শতাংশ বহুজাতিক কোম্পানীৰ হাতত, ইত্যাদি ইত্যাদি। উল্লেখ্য যে এই বহুজাতিক কোম্পানীসমূহে পণ্যৰ বজাৰত দখল দিছে, কিন্তু ইস্পাত, সাৰ, খনি, বিদ্যুৎ আদি স্থায়ী ক্ষেত্ৰবিলাকত বহুজাতিকৰ অন্তৰ্ভুক্তি অতি নগণ্য। প্ৰযুক্তিগত সুযোগ-সুবিধাৰে বহুজাতিক গোষ্ঠীসমূহে এতিয়া হালধি, নিম, আদা আদিৰ ওপৰত পেটেণ্ট কৰাৰ যড়যন্ত্ৰ কৰিছে। ভাৰতৰ বাছমতি চাউলক লৈ পেটেণ্ট কৰাৰ যড়যন্ত্ৰ বহুদূৰ আগবাঢ়িছিল। এনেবিলাক বিষয় ভৱিষ্যতৰ বাবে অতি ভয়ানক।

বিশ্বায়নৰ বিকল্প সন্ধান ঃ বিশ্বায়নৰ এনে অশুভ প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ বাবে ভাৰতে নিজৰ সমাজ সংস্কাৰৰ ওপৰত আগবাঢ়িব লাগিব। বিদেশৰ ওপৰত নিৰ্ভৰশীল নোহোৱাকৈ বিশ্বত সকলো দিশেৰে প্ৰতিষ্ঠা লাভৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। বিশ্বায়নৰ সন্মুখীন হ'ব পৰাকৈ আমাৰ জাতীয় শিক্ষা প্ৰস্তুত কৰিব লাগিব। চীন, জাপান, দক্ষিণ কোৰিয়াৰ পৰা শিক্ষা লোৱাৰ প্ৰয়োজন আছে। ইতিমধ্যেই বিশ্বায়নৰ বিকল্প সন্ধানত ব্যস্ত হৈ পৰিছে বিশ্বৰ গণতান্ত্ৰিক প্ৰগতিশীল চিন্তাশীল মহল। সাম্ৰাজ্যবাদৰ অতি হিংস্ৰ ৰূপ বিশ্বায়ন বুলি অভিহিত হোৱাৰ লগে লগে সমাজতান্ত্ৰিক চেতনাবোধে মানুহৰ মাজত নতুনকৈ গা কৰা পৰিলক্ষিত হৈছে। পুঁজিবাদী শোষণ ব্যৱস্থাক আঘাত হানি বিশ্বায়নক কেনে পৰ্যায়লৈ ঠেলি নিব পাৰি তাৰে কাৰ্যসূচী গ্ৰহণ কৰাৰ সময় হ'ল। চীন; ভিয়েটনাম, উত্তৰ কোৰিয়া, কিউবা আদি

ৰাষ্ট্ৰত এই বিষযৰ ওপৰত চিন্তা আৰম্ভ হৈছে। সমাজতান্ত্রিক বিশ্বত ছোভিয়েটৰ পতনৰ পিছত গোটেই দিশটোক নতুনকৈ আলোকপাত কৰাৰ নিশ্চয় প্রয়োজন আছে। আন্তৰ্জাতিক পুঁজিবাদী আগ্রাসনত ভাৰতৰ এশ কোটি জনসাধাৰণ আজি শোষিত, দুৰ্দশাগ্রস্থ। বিশ্বায়নে আজি সকলোকে আত্মসমৰ্পণ কৰাইছে। বিশ্বৰ বিভিন্ন প্রান্তৰ অর্থনৈতিক আক্রমণত বিশ্বায়নে আজি নেতিবাচক প্রভাৱ পেলাইছে। ভাৰত ৰাষ্ট্রই কথাবিলাক পৰ্যালোচনা কৰা উচিত। সমাজতান্ত্রিক শ্রেণী চেতনাৰে বিশ্বায়নৰ সমান্তৰালকৈ ভাৰতে পৰিকল্পনা আৰু ব্যৱস্থা গ্ৰহণ কৰাটো একো অসম্ভৱ কাম নহয়।

❑ ❑ ❑

তথ্যৰ উৎস ঃ

— Economic Survey
— Economic and Political Weekly
— অমিয কুমাৰ বাগাচীৰ সম্পাদনাৰ 'বিশ্বায়ন ভাবনা-দুৰ্ভাবনা।

জাতীয় অৰ্থনৈতিক কাৰ্যসূচীৰ খচৰা

যোৱা আঠাৰনতা বছৰে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰে ভাৰতৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰখাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰখনৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰি থকাৰ পৰিপ্ৰেক্ষিতত ১৯৪৭ চনৰ ১৫আগষ্টৰ দিনটোক আজিও ক্ষমতা হস্তান্তৰৰ দিন বুলিয়েই গণ্য কৰি অহা হৈছে। পুঁজিবাদী ব্যৱস্থাৰ অৰ্থনীতিত বিদেশী শক্তিৰ প্ৰভাৱত ভাৰতৰ ৰাজ্যসমূহৰ অৰ্থনৈতিক অৱস্থাত অতি বেয়াকৈ চাপ পৰিছে। ভাৰতৰ শাসকচক্ৰই সাম্ৰাজ্যবাদী গোষ্ঠী আৰু পুঁজিবাদী শক্তিৰ স্বাৰ্থত ৰাজ্যসমূহৰ ওপৰত জাতীয় শোষণ কৰাৰ লগতে অৰ্থনৈতিক শোষণ কৰি আহিছে। ৰাজ্যভিত্তিক শক্তিশালী নেতৃবৰ্গই ৰাষ্ট্ৰৰ চৰিত্ৰৰ লগত সংগতি ৰাখি বিকাশৰ ধাৰা আগবঢ়াই গৈছে যদিও অসমৰ দৰে দুৰ্বল নেতৃত্বৰ ৰাজ্যত বিকাশৰ স্তৰ নিম্নগামী হৈছে।

এনে পটভূমিতেই অসমৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধাই যোৱা আঠাৰনতা বছৰেও গা কৰিব নোৱাৰিলে। অসমত তেল, চাহ আৱিষ্কৃত হোৱাৰ শতিকাজোৰা সময় পাৰ হৈ অহাৰ পিচতো অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ চাপ স্পষ্ট। ভাৰতৰ অন্যান্য ৰাজ্যৰ উন্নয়নৰ গতিৰ লগত অসমে খোপনি ল'ব পৰা নাই। অৰ্থনৈতিক ক্ষেত্ৰৰ সৰ্বভাৰতীয় অনুপাতত প্ৰতিটো ক্ষেত্ৰতে আমি আজি সকলোৰে পিচত অৱস্থান কৰিছোঁ। ৰাজ্যিক আয় আৰু জনমূৰি আয়ে বিকাশমুখী অৰ্থনীতিক প্ৰতিফলিত কৰে। কিন্তু এই ক্ষেত্ৰত ভাৰতৰ গড় ৰাষ্ট্ৰীয় আয় জনমূৰি আয়ৰ তুলনাত যথেষ্ট পিছপৰা। অসমৰ ৰাজ্যিক আয়ৰ দিশটোৱেও আজি বিকাশমুখী অৰ্থনীতিক প্ৰতিফলন কৰিব পৰা নাই। ভাৰতীয় জাতীয় আয়ৰ গতি বৃদ্ধিৰ তুলনাত অসমৰ জাতীয় আয় যথেষ্ট নিম্নস্তৰত। অসম প্ৰাকৃতিক সম্পদৰ এক সম্ভাৱনাপূৰ্ণ ৰাজ্য হোৱাৰ পিচতো জাতীয় পুঁজি বৃদ্ধি কৰিব নোৱৰাটোৱেই ৰাষ্ট্ৰৰ চৰিত্ৰক স্পষ্ট কৰে। অসমৰ সম্পদসমূহ অসমৰ পুঁজি গঠনৰ বিপৰীতে ৰাষ্ট্ৰৰ কেন্দ্ৰীয় ব্যৱস্থাটোৰ লগতে অন্যান্য শক্তিৰ স্বাৰ্থতহে ব্যৱহৃত হৈছে। সম্পদসমূহৰ প্ৰকৃত ব্যৱহাৰ নোহোৱাত এক দৰিদ্ৰতাৰ স্পষ্ট ছবি থকা অসমক এখন অনুন্নত আৰু অৰ্থনৈতিক অনগ্ৰসৰ ৰাজ্য বুলিহে ক'ব পৰা যায়। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ ওপৰত ভিত্তি কৰিয়েই জাতীয় অৰ্থনৈতিক কাৰ্যসূচী প্ৰস্তুত কৰা প্ৰয়োজন—যিখনক এক

আধাৰ হিচাপে লৈ অসমত এক নব্য ৰাজনৈতিক পৰিৱৰ্তনৰ সংগ্ৰামৰ পাতনি মেলা উচিত হ'ব।

■ ৰাজ্যৰ সম্পদসমূহক উৎপাদনশীলতা বৃদ্ধিত ব্যৱহাৰ কৰিব নোৱাৰিলে পুঁজি গঠন নহয়। ৰাষ্ট্ৰীয় প্ৰচলিত ব্যৱস্থাত সম্পদ থাকিলেও অসমৰ দৰে অনুন্নত ৰাজ্যক কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্যৰ লগতে বৈদেশিক পুঁজিৰ বিনিয়োগৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্যৰ দিশ অসমৰ ক্ষেত্ৰত সহযোগী নহয়। অৰ্থনৈতিক পৰিকল্পনাই বিশেষতঃ নাগৰিকৰ লগতে দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতাক আঁতৰ কৰি এক স্বতন্ত্ৰীয়া অৰ্থনৈতিক কাঠামোক সৃষ্টি কৰাটোক সূচায়। ৰাজ্যৰ সম্পদসমূহৰ সুষম ব্যৱহাৰৰ দ্বাৰা জাতীয় পুঁজি বৃদ্ধি কৰাটো অৰ্থনৈতিক পৰিকল্পনাৰ অন্যতম বিষয়। পৰিতাপৰ বিষয় যে অসমৰ দৰে ৰাজ্যৰ ভৌগোলিক অৱস্থান, জনবিন্যাস আৰু নিজস্ব অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি অৰ্থনৈতিক পৰিকল্পনা কৰিবলৈ দিয়া নহয়। পুঁজি আবণ্টনৰ ক্ষেত্ৰতো অসমৰ প্ৰস্তাৱক কেন্দ্ৰীয় চৰকাৰে কৰ্তন কৰিহে অনুমোদন জনায়। বেছিভাগ পৰিকল্পনাতে দেখা যায়— কৰ্তন কৰি পৰিকল্পনা প্ৰস্তুত কৰাৰ পিচতো চৰকাৰে পৰিকল্পনাৰ সমুদায় টকা খৰচ কৰিব নোৱাৰে। এই ব্যৱস্থাই ৰাজ্যৰ প্ৰশাসনৰ অযোগ্যতাৰ প্ৰতিফলন ঘটায়। এই দিশসমূহৰ পৰিবৰ্তন ঘটোৱাৰ বাবে কৰ্মসূচীৰ প্ৰয়োজন হ'ব। অসমৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ উদ্দেশ্য হ'ব লাগে অসমৰ অৰ্থনৈতিক ভেঁটি সুদৃঢ় কৰা আৰু জাতীয় আয়ৰ লগতে জনমূৰি আয় বৃদ্ধি কৰা। অসমৰ সম্পদসমূহৰ সুষম ব্যৱহাৰৰ দ্বাৰা জাতীয় পুঁজি বৃদ্ধি কৰাটো অসমৰ অৰ্থনৈতিক পৰিকল্পনাৰ অন্যতম বিষয় হ'ব। ৰাষ্ট্ৰৰ লুণ্ঠনসৰ্বস্ব আবেষ্টনীৰ অৰ্থনীতিৰ প্ৰতিবন্ধকতাৰ স্বাৰ্থ আগত ৰাখি পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহ নিৰ্দিষ্ট কৰা হ'ব।

■ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে ভাৰতীয় গড় জনমূৰি আয়ৰ তুলনাত অসমৰ জনমূৰি আয়ৰ আজিৰ স্থিতিয়ে অসমৰ অৰ্থনৈতিক অৱস্থাটোৰ অনগ্ৰসৰতাৰ ছবিখন স্পষ্ট কৰে। উৎপাদনশীল ক্ষেত্ৰত জড়িত কৰিব নোৱৰাৰ বাবে অসমৰ জনমূৰি আয়ৰ বৃদ্ধিত সহায়ক হোৱা নাই। দেশ এখনৰ অৰ্থনীতিৰ উন্নয়ন সেই দেশৰ তৃতীয় শ্ৰেণীটোৰ জীৱিকাৰ স্তৰৰ ওপৰত নিৰ্ভৰশীল। গৰিষ্ঠসংখ্যক লোক গ্ৰাম্য অঞ্চলত বসবাস কৰাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ অৰ্থনৈতিক পৰিকল্পনা বা উন্নয়নৰ দিশ গ্ৰাম্য অঞ্চলক মুখ্য কৰি হ'ব লাগিছিল। উন্নয়নৰ ক্ষেত্ৰত আজি নগৰ অঞ্চলৰ গ্ৰাফডাল ওপৰলৈ যোৱাৰ বিপৰীতে গ্ৰাম্য অঞ্চলৰ গ্ৰাফডাল তললৈ নামিছে। গ্ৰাম্য অৰ্থনীতি ভাগি পৰাৰ বাবেই অসমৰ জনমূৰি আয় বৃদ্ধিত বাধা পৰিল। আমাৰ প্ৰস্তাৱ হ'ল—

অসমৰ অধিকসংখ্যক জনগণ বাস কৰা গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিশেষ গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ কাৰ্যসূচী প্ৰস্তুত কৰিব লাগিব।

■ কৃষি আৰু কুটীৰ শিল্পৰ অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত গ্ৰাম্য অৰ্থনীতিক গতি দিয়াত ৰাজ্য চৰকাৰৰ দ্বাৰাই কৰা সম্ভৱ। এনেস্থলত গ্ৰাম্য অৰ্থনীতিৰ ভেটি গঢ়িবলৈ চৰকাৰকেন্দ্ৰিক হোৱাটো স্বাভাৱিক। অসমৰ কৃষি উৎপাদনত জড়িত মাটিৰ লগত সংগতি ৰাখি আন্তঃগাঁথনিৰ সমস্যাসমূহক চিনাক্ত কৰি সমাধান কৰাত গুৰুত্ব আৰোপকৰা প্ৰয়োজন হ'ব। আমি এইটোও লক্ষ্য ৰখা প্ৰয়োজন হ'ব যে ১৯৫১-ৰ পৰা ২০০১-লৈ যোৱা পাঁচটা দশকত অসমৰ জনসংখ্যা চাৰিগুণ বৃদ্ধি হৈছে। পূৰ্বৰ অসমক খণ্ড-বিখণ্ড কৰি ৪৪শতাংশ ভৌগোলিক আযতন কমি অহাৰ পিচতো জনসংখ্যা একে হাৰতে বৃদ্ধি হৈ আছে। তুলনামূলকভাৱে আমি যিদৰে কৃষি উৎপাদনক বৃদ্ধি কৰিব পৰা নাই, একেদৰে কৃষকৰ সংখ্যাও বৃদ্ধি কৰিব পৰা নাই। উৎপাদনৰ প্ৰতি খেতিয়কক আকৃষ্ট কৰিব পৰাটো মূল আৰু গুৰুত্ব দিব লগা বিষয। অসমৰ কৃষিখণ্ডত উচ্চহাৰৰ উৎপাদন নোহোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰি সমাধান-সূত্ৰ নিৰ্ণয কৰা প্ৰয়োজন হ'ব।

■ গ্ৰাম্য অৰ্থনীতি গঢ়ি তোলাৰ অন্যতম বাহক কৃষিক্ষেত্ৰৰ যথেষ্ট সমস্যা আছে। জলসিঞ্চনৰ অভাৱ, সাৰ প্ৰয়োগৰ অতি নিম্ন স্তৰ আদিৰ লগতে অতি জটিল সমস্যা হ'ল অসমৰ মাটিৰ অৱস্থিতি। কৃষিক্ষেত্ৰত জড়িত মাটিৰ বেছিভাগেই হয় ধনিক শ্ৰেণীটোৰ হাতত, নহয় অন্য খেতিযকৰ হাতত আৱদ্ধ। আনহাতে, প্ৰকৃত কৃষকৰ বাবে থকা মাটিৰ পৰিমাণ অতি কম। এজন কৃষকৰ হাতত থকা পট্টাৰ মাটি একেটা অঞ্চলতে একেলগে থকাৰ বিপৰীতে বিভিন্ন অঞ্চলত এক হেক্টৰতকৈও কমকৈ সিঁচৰতি হৈ আছে। ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ হৈ থকা খেতিৰ মাটিত পৰিকল্পিত আঁচনিৰে খেতি কৰা সম্ভৱ নহয। আধুনিক কৃষি-পদ্ধতিৰ বাবেও বাধাস্বৰূপ আৰু উৎপাদনৰ সহায়ক নহয়। কৃষকৰ স্বাৰ্থত ভূমি সমস্যা সমাধান কৰিবৰ বাবে১৯৮৬ চনৰ ভূমি আৰু ৰাজহ বন্দৱস্তি আইনখনক পৰিৱৰ্তন কৰা প্ৰয়োজন হ'ব। দেশৰ শাসন, দৰ্শন, নীতিৰ পৰিৱৰ্তন হোৱাৰ পিচত '৪৭-ৰ আগৰ সকলো আইনৰ ক্ষেত্ৰতেই পৰ্যালোচনাৰ প্ৰয়োজন। সামাজিক অৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে অতীতৰ সকলোধৰণৰ অধিকাৰৰ স্বত্ব তথা ব্যক্তিগত মালিকানা সম্পৰ্কৰো ঐতিহাসিক পৰিৱৰ্তন কৰিব লাগিব। ব্যক্তিগত সম্পত্তিৰ আগ্ৰাসী ভূমিকাক পৰিৱৰ্তন কৰিব লাগিব। এজন ব্যক্তি মানুহ হিচাপে জীয়াই থাকিবলৈ কমপক্ষেও যি পৰিমাণৰ সম্পত্তি নহ'লে নচলে, তেনে পৰিমাণৰ সম্পত্তিৰ অধিকাৰী হোৱা উচিত হ'ব। ৰাজ্যৰ ভূমি-ব্যৱস্থাৰ শিথিল নীতিয়ে ভূমিহীন লোকৰ বিপৰীতে সুবিধাবাদী আমোলা আৰু বণিক শ্ৰেণীটোৰ

লগতে বহিঃৰাজ্য তথা বহিঃৰাষ্ট্ৰৰ পুঁজিবাদী শক্তিকহে সহায় কৰিছে। ভূমিৰ ওপৰত এক শ্ৰেণীৰ আগ্ৰাসী ভূমিকাই প্ৰকৃতাৰ্থত অসমৰ ভূমি সংকটৰ সৃষ্টি কৰিছে। ভূ-সম্পত্তিৰ জৰিয়তে ব্যক্তিগত মালিকানাৰ অধিকাৰক অতি শক্তিশালী কৰিছে। ফলত প্ৰকৃত কৃষকৰ কৃষি উৎপাদনত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে। এনে অৱস্থাত কৃষিভূমিৰ ওপৰত পুঁজিবাদী চিন্তাধাৰাৰ অৱসান ঘটাই অসমৰ জাতীয় পুঁজি গঠনৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ বাবে ভূমি সংস্কাৰ আৰু বাস্তৱ ৰূপায়ণৰ প্ৰয়োজন হ'ব।

■ প্ৰচলিত ভূমি-ব্যৱস্থাৰ ফলত কৃষকৰ মাটি সংকুচিত হৈ পৰিছে আৰু বংশানুক্ৰমিক সম্পত্তিৰ হস্তান্তৰৰ বাবেই হওক বা দৰিদ্ৰতাৰ বাবেই হওক, খেতিৰ মাটি ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ কৰি বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকাত কৃষিত আজি আধুনিকীকৰণৰ সমস্যাই দেখা দিছে। ভাৰতৰ নদীসমূহে কঢ়িয়াই থকা পানীৰ ত্ৰিছভাগ পানী অসমৰ নদীসমূহে কঢ়িয়াই থকাৰ পিছতো অসমৰ খেতিৰ মাটিত জলসিঞ্চন অতি নিম্নস্তৰৰ। কৃষকৰ মূলধনৰ অভাৱত আজিও পুৰণিকলীয়া কৃষি-পদ্ধতিৰে খেতি কৰিবলগীয়া হোৱাত উৎপাদন বৃদ্ধি কৰিব পৰা নাই। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বজাৰ-ব্যৱস্থাৰ পৰা অসমৰ কৃষিক্ষেত্ৰ যথেষ্ট আঁতৰত। আন্তঃগাঁথনিৰ এতিয়াও উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। উৎপাদন কৰিলেও বজাৰ-ব্যৱস্থাৰ অভাৱত কৃষক প্ৰকৃত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। ফলত উৎপাদন বৃদ্ধিত কৃষকৰ উৎসাহ নাইকিয়া হয়। বৈজ্ঞানিক দৃষ্টিভংগীৰে কৃষি আধুনিকীকৰণ, যান্ত্ৰিকীকৰণ তথা ভূমি উন্নয়নৰ জৰিয়তে কৃষিৰ বিকাশৰ বাবে বিশেষ কৃষি-নীতি প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব। অসমবাসীৰ জনমূৰি আয় বৃদ্ধি কৰাৰ বাবে বৰ্তমানৰ এটা খেতিক বছৰটোত তিনিটা খেতিলৈ নিয়াৰ বাবে বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰাৰো প্ৰয়োজন হ'ব। খাদ্যশস্যৰ যোগানৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ বাবে পৰিকল্পনাত অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন হ'ব।

জটিল বিষয়টো হ'ল—মুক্ত বজাৰ অৰ্থনীতিৰ গইনা লৈ পুঁজি বৃহৎ ৰাষ্ট্ৰসমূহে আধুনিকীকৰণৰ নামত ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহৰ উৎপাদনৰ বজাৰ দখলৰ ষড়যন্ত্ৰক বাধা দিয়াটো। সেইবাবেই অসমৰ জাতীয় ক্ষেত্ৰখনৰ কৃষিক্ষেত্ৰত এক পুনৰ্বিন্যাস ঘটোৱাত প্ৰয়োজন হ'ব। পুঁজিবাদী চিন্তা-চৰ্চা আগত ৰাখিয়েই মাৰ্কিন কৃষিবিজ্ঞানীৰ নীতি প্ৰৱৰ্তন কৰা হৈছে। ই অসমৰ কৃষকৰ স্বাৰ্থত নহয়। সমগ্ৰ বিশ্বৰ কৃষি উৎপাদন আৰু বিতৰণৰ সম্পূৰ্ণ ক্ষেত্ৰখনত বহুজাতিক কোম্পানীসমূহৰ স্বাৰ্থত সৃষ্টি কৰা চিন্তাধাৰাক জাতীয় তথা দেশীয় ৰূপ দিয়াৰ বাবে ভাৰতৰ কৃষি বিশ্ববিদ্যালয়সমূহত মাৰ্কিন সাহায্যৰ প্ৰভাৱ বেছি। অসমৰ কৃষি বিশ্ববিদ্যালয় ইয়াৰ বাহিৰত নহয়। এনে অৱস্থাত কৃষিভূমিৰ ওপৰত বহুজাতিক গোষ্ঠীৰ আগ্ৰাসী ভূমিকা বন্ধ কৰাৰ বাবে নিজস্ব উৎপাদন-পদ্ধতি উদ্‌ঘাটন কৰাৰ প্ৰয়োজন হ'ব।

■ কৃষিৰ পৰা সামন্ততান্ত্রিক সম্পৰ্কৰ উচ্ছেদ সাধন, মাটিৰ ওপৰত সামন্ততান্ত্রিক আৰু বিদেশী মালিকৰ স্বত্বৰ অৱসান ঘটোৱা আৰু এনে মাটিত কৃষিকাৰ্য কৰিবলৈ কৃষকসকলক সুযোগ আৰু সহায় কৰাৰ উদ্দেশ্য আগত ৰাখি কৃষি সংস্কাৰ নীতিক স্পষ্ট কৰিব লাগিব। আমাৰ প্ৰস্তাৱ হ'ল—অসমৰ জাতীয় পুঁজি গঠনৰ স্বাৰ্থত ব্যক্তিগত মালিকানাধীন কৃষিমাটিৰ পৰিমাণক কঠোৰভাৱে সীমিত কৰি বিদেশী পুঁজিপতিৰ কৃষিভূমিক বজেয়াপ্ত কৰি জাতীয়কৰণৰ দ্বাৰা কৃষকৰ হাতত অৰ্পণ কৰিব লাগিব। আমাৰ প্ৰস্তাৱ হ'ল—উৎপাদিত সামগ্ৰীৰ মান উন্নত কৰা, বতৰৰ অৱস্থানৰ ওপৰত কৃষিৰ নিৰ্ভৰশীলতাক হ্ৰাস কৰি জাতীয় পৰিসৰত খাদ্যাদি কৃষিজাত সামগ্ৰী আৰু কেঁচামালৰ নিৰ্ভৰযোগ্য উৎপাদন আৰু বজাৰ নিশ্চিত কৰাৰ লগতে নগৰ আৰু গ্ৰাম্যজীৱনৰ মাজত থকা পাৰ্থক্য দূৰ কৰা।

কৃষিক্ষেত্ৰৰ লগতে অসমৰ গ্ৰাম্য অঞ্চলত পশুপালন, মীনপালন আৰু কণী উৎপাদনক অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰিব পৰা যায়, এনে উদ্যোগৰ দ্বাৰা গ্ৰাম্য অঞ্চলত ঔদ্যোগিক বাতাৱৰণৰ সৃষ্টি কৰি গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰিব পৰা যাব। এনে উদ্যোগৰ বাবে বজাৰৰ অভাৱ নহয়। অসম তথা উত্তৰ-পূবৰ বজাৰখনেই গাখীৰ, মাছ, কণীৰ বাবে যথেষ্ট। অসমে মাছ-কণী কিনিবলগা হোৱাত বহিঃগমন হোৱা টকা গ্ৰাম্য অঞ্চলতে থকাৰ বাবে বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰাটোৰ প্ৰয়োজন হ'ব।

অসমৰ কমাৰগাঁও, কুমাৰগাঁও, সোণাৰিগাঁও, জাপিসজাগাঁও আদি নামকৰণৰ গাঁওসমূহেই গ্ৰাম্য অৰ্থনীতিৰ উৎপাদনশীল অৱস্থাটোৰ ইংগিত বহন কৰে। নগৰমুখী প্ৰৱণতাই ক্ৰমে ঔদ্যোগিক গাঁওসমূহক আজি অচল অৱস্থাত পৰিণত কৰিছে। আমাৰ প্ৰস্তাৱ হ'ল—অতীতৰ গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰসমূহক উদ্‌ঘাটন কৰি উক্ত স্থানতে প্ৰতিযোগিতামূলক বাণিজ্যিক ক্ষেত্ৰলৈ যাব পৰাকৈ সহযোগ কৰিব লাগে। কৃষিভিত্তিক অৰ্থনৈতিক ব্যৱস্থাই বিশেষভাৱে গ্ৰাম্য অঞ্চলৰ জনমূৰি আয় বৃদ্ধি কৰাত সহায় কৰে যদিও জাতীয় আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰত শিল্পায়ন অপৰিহাৰ্য। শিল্পায়নৰ মাজেৰে অতি উন্নত অৰ্থনীতি গঢ়ি তোলাৰ যোগেদিহে ৰাজ্যৰ ৰাজকোষক শক্তিশালী কৰিব পৰা যায়। অসমৰ খনিজ আৰু প্ৰাকৃতিক সম্পদৰ ভিত্তিত গঢ়ি উঠা শিল্প-উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ অৰ্থনৈতিক অৱস্থাক টনকিয়াল কৰিব পৰা যায়, সম্পদসমূহৰ ওপৰত ভিত্তি কৰি যথেষ্টসংখ্যক উদ্যোগৰ বিকাশৰ সম্ভাৱনা থকা সত্ত্বেও অসমত আজিও এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা লোৱা হোৱা নাই। অতি পৰিতাপৰ বিষয় যে যি সামান্য কেইটামান উদ্যোগ আছে, সেই কেইটা হয় মৃত অৱস্থাত, নহয় অচল অৱস্থাত আছে। এনে অৱস্থাতো অসমত লাভজনকভাৱে

থকা ৰাজহুৱা খণ্ডৰ উদ্যোগকেইটাৰ ওপৰত নতুন অৰ্থনীতিৰ নামত ব্যক্তিগতকৰণৰ ষড়যন্ত্ৰ আৰম্ভ হৈছে। আমাৰ ঔদ্যোগিক সচেতনতাৰ অভাৱৰ বাবেই আমি উৎপাদনতকৈ আবেগক বেছি গুৰুত্ব দিওঁ। অসমৰ এই পৰ্যন্ত ক্ষমতালৈ অহা আটাইকেইখন চৰকাৰৰ শিল্পায়নৰ দিশটোত কিবা ধাৰণা আছিল বা আছে বুলি আমাৰ বিশ্বাস নহয়। যোৱা আঠাৰনটা বছৰত আমি অসমৰ শিল্পায়নৰ বিকাশৰ বাবে এক পৰিকল্পিত আঁচনি দেখিলোহেঁতেন।

■ অসমৰ অৰ্থনৈতিক উন্নয়নত শিল্পায়ন অপৰিহাৰ্য যদিও বৃহৎ প্ৰতিষ্ঠানবিলাকত পুঁজি বিনিয়োগ কৰি স্বয়ংক্ৰিয় যন্ত্ৰ আৰু ইলেক্ট্ৰনিক মাধ্যমৰ দ্বাৰা অতি কম জনশক্তিৰ ওপৰত নিৰ্ভৰ কৰা শিল্পায়ন বৰ্তমান অসমত অপৰিহাৰ্য নহয়। অসমত উৎপাদন বৃদ্ধিৰ লগে লগে কৰ্মসংস্থাপনৰো বৃদ্ধি হ'ব পৰা শিল্পায়ন গঢ়ি তোলা প্ৰয়োজন। পুঁজি-নিবিড়তকৈ শ্ৰম-নিবিড় শিল্পায়নত গুৰুত্ব দিয়া উচিত হ'ব।

■ অসমৰ আন্তঃগাঁথনিৰ সমস্যাৰ ফলত বাহিৰৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰা বা ব্যক্তিগত খণ্ডলৈ ৰূপান্তৰিত কৰা স্তৰ অসমলৈ এতিয়াও অহা নাই। অসমত ৰাজহুৱা খণ্ডৰ উদ্যোগৰ গুৰুত্ব আছেই। তাৰ বাবে ৰাজ্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰাও এটা পৰ্যায়লৈকে অসমৰ ঔদ্যোগীকৰণত পুঁজিৰ সাহায্যৰ প্ৰয়োজন আছে। সেইবাবেই কোনটো স্তৰৰ উদ্যোগৰ অসমত প্ৰযোজন, তাক চিনাক্ত কৰি ঔদ্যোগিক আঁচনিখন সম্পূৰ্ণ কৰি লোৱা উচিত হ'ব।

■ শিল্প-উদ্যোগৰ দ্বাৰা উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ-ব্যৱস্থা দুয়োটাৰে সম্পৰ্ক নিতান্তই অপৰিহাৰ্য। অসমৰ নিজস্ব খনিজ আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি গঢি উঠিবলগা ঔদ্যোগিক ক্ষেত্ৰখনৰ ওপৰত ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাটো নিৰ্ভৰ কৰে। অসমৰ আজিৰ স্থিতিত খনিজ সম্পদ আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বৃহৎ উদ্যোগসমূহ ৰাজহুৱা খণ্ডত হোৱাৰ প্ৰয়োজন আছে। এনে শ্ৰেণীৰ বৃহৎ উদ্যোগৰ পৰা হ'ব পৰা আনুষঙ্গিক উদ্যোগ তথা উৎপাদিত সামগ্ৰীৰ পৰা হ'ব পৰা মজলীয়া শ্ৰেণীৰ উদ্যোগসমূহ যৌথ খণ্ডত বা প্ৰয়োজনসাপেক্ষে ব্যক্তিগত খণ্ডত হোৱাটো স্থিৰ কৰিব লাগিব।

■ মুক্ত বজাৰ অৰ্থনীতিৰ আধাৰত অসমৰ দৰে অনুন্নত অঞ্চলত সম্পদ থাকিলেও পুঁজি বিনিয়োগ কৰিবলৈ বাহিৰৰ পুঁজিপতি নাহে। লাভৰ পৰিমাণৰ ওপৰতহে পুঁজিপতি শ্ৰেণীটোৰ পুঁজি বিনিয়োগৰ কথাটো নিৰ্ভৰ কৰে। অসমৰ শিল্পায়নৰ ক্ষেত্ৰখনলৈ বাহিৰৰ পুঁজি আগমনৰ পথ নিৰ্দিষ্ট কৰা প্ৰয়োজন হ'ব। বিনিয়োগকাৰীসকলৰ লগতে স্থানীয় উদ্যোগীসকলক শিল্পায়নত জড়িত হোৱাত আগ্ৰহ বৃদ্ধি কৰাৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত সময়ত বিশেষ গুৰুত্ব দিয়া প্ৰয়োজন

হ'ব। অসমৰ আন্তঃগাঁথনিৰ সমস্যাক এক নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁতৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন হ'ব।

■ শিল্পায়নৰ বিকাশৰ ক্ষেত্ৰত বিদ্যুৎশক্তি অন্যতম চালিকাশক্তি। অসমৰ জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুৎশক্তি উৎপাদনৰ এক শক্তিশালী ক্ষেত্ৰ আছে। ইতিমধ্যে কৰা পৰিকল্পনাসমূহৰ দ্বাৰা ৪৩,৩৫০ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰিব পৰা হ'ব বুলি জনা গৈছে। অসমৰ অৰ্থনৈতিক উন্নয়ন তথা শিল্পায়নৰ বিকাশৰ বাবে বিদ্যুৎশক্তিৰ ওপৰত ৰাজ্যৰ নিজস্ব কৰ্তৃত্ব থকা উচিত হ'ব। ৰাজাই বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত নিজস্ব কৰ্তৃত্ব সাব্যস্ত কৰাৰ বাবে ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লগতে বিদ্যুৎ উৎপাদন নিগম গঢ়ি তোলা উচিত হ'ব। কোম্পানী আইন আৰু ১৯৪৮ চনৰ বিদ্যুৎ যোগান আইনে নিৰ্দিষ্ট কৰি দিয়া আইন অনুসৰি অসমতো ৰাজ্য চৰকাৰৰ গৰিষ্ঠ পৰিমাণৰ অংশ ৰাখি বাকী অসমৰ বিত্তীয় অনুষ্ঠান আৰু অসমবাসীৰ অংশ ৰাখি অসমৰ বিদ্যুৎ উৎপাদন নিগম এটা গঠন কৰাৰ প্ৰয়োজন হ'ব। মধ্য প্ৰদেশ ৰাষ্ট্ৰীয় বিদ্যুৎশক্তি আয়োগৰ লগত মধ্য প্ৰদেশ ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু হিমাচল প্ৰদেশত ৰাষ্ট্ৰীয় জলবিদ্যুৎ আয়োগৰ লগত হিমাচল প্ৰদেশ ৰাজ্যিক বিদ্যুৎ পৰিষদে যুটীয়াভাৱে বিদ্যুৎ প্ৰকল্প গঢ়ি তোলাৰ দৰে অসমতো বিদ্যুৎ উৎপাদন নিগমৰ লগত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দ্বাৰাই যুটীয়াভাৱে বিদ্যুৎ প্ৰকল্প নিশ্চয় কৰিব পৰা হ'ব। পুঁজিৰ প্ৰয়োজনত বহুজাতিক গোষ্ঠী তথ্য অন্য ৰাষ্ট্ৰৰ লগত যৌথভাৱে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত প্ৰকল্পসমূহত ৰাজ্যৰ এক্তিয়াৰ স্পষ্ট কৰা উচিত হ'ব।

■ চাহ উদ্যোগৰ অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ নথকা নহয়। চৰকাৰৰ ফালৰ পৰা চাহশিল্প সম্প্ৰসাৰণৰ বাবে যথেষ্ট সুযোগ-সুবিধা আদায় কৰিব পাৰিছে যদিও বিনিময়ত চাহ উদ্যোগে অসমৰ সমাজ-জীৱনৰ প্ৰতি থকা দায়বদ্ধতাক আজিও স্বীকাৰ কৰিব বিচৰা নাই। ফলত স্বাভাৱিকভাৱেই চাহ উদ্যোগ অসমৰ জনগণৰ ওচৰত বিশ্বাসৰ সংকটত পৰিছে। বহিঃবিশ্বৰ লগত বাণিজ্যিক লেন দেন কৰাৰ বাবে অসমত বৰ্তমান প্ৰায়বোৰ ব্যৱস্থা সম্পূৰ্ণ হৈছে। আমাৰ প্ৰস্তাৱ হ'ল— অসমত থকা চাহ বাণিজ্যৰ মালিক গোষ্ঠীসমূহক অসমৰ আন্তঃগাঁথনিৰ সমস্যা, বিদ্যুৎশক্তি উৎপাদন, মীনপালন, আধুনিক কৃষি সম্প্ৰসাৰণ, পৰ্যটন, পেট্ৰ'কেমিকেল্‌ছ, জৈৱপ্ৰযুক্তি আৰু জলসম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিনিয়োগ কৰাৰ বাবে বাধ্য কৰাব লাগে। চাহ উদ্যোগত প্ৰয়োজনীয় অন্যান্য সা-সামগ্ৰী বহিঃৰাজ্যৰ পৰা অনাৰ বিপৰীতে স্থানীয়ভাৱে প্ৰস্তুত কৰা প্ৰয়োজন হ'ব। ফলত পাঁচশ কোটিতকৈও অধিক টকা অসমৰ ভিতৰতে ব্যৱহৃত হ'ব। স্থানীয় বজাৰ-ব্যৱস্থা গঢ়ি উঠাত সুচল হ'ব।

■ অসমৰ নিজস্ব অৰ্থনীতিৰ স্বাৰ্থত অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত

বিজ্ঞানসম্মতভাৱে জৰীপ কৰি আমাৰ সম্পদৰ ভঁৰাল আমি জানি লোৱা উচিত হ'ব। খনিজ সম্পদৰ বৰ্তমানৰ স্থিতি আৰু নতুন মূল্যবান খনিজ সম্পদ উদ্ঘাটন কৰিব পৰা যায় নেকি, আজিৰ প্ৰযুক্তিবিদ্যাৰ সহায়ত জৰীপ কৰা প্ৰয়োজন হ'ব। আমাৰ বাবে অতি পুতৌজনক যে আমি নিজস্বভাৱে ভূ-সম্পদৰ ওপৰুত জৰীপ কৰাৰ অধিকাৰ পাব নোৱাৰোঁ। সম্প্ৰতি ক্ৰমহ্ৰাসমান হৈ অহা তৈলভাণ্ডাৰে আমাক আজি উদ্বিগ্ন আৰু উৎকণ্ঠিত কৰিছে। বিশাল তৈলক্ষেত্ৰৰ অন্তৰ্ধানে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব তাক এতিয়াই উপলব্ধি কৰা উচিত হ'ব। ভূ-গৰ্ভৰ খনিজ তেলৰ ভাণ্ডাৰ অক্ষয় নহয়। খনিজ তেলৰ সলনি আন ইন্ধনৰ বাবে প্ৰযুক্তিগত নতুন কৌশলৰ প্ৰয়োজন আছে। অসমৰ ক্ষেত্ৰত খনিজ তেলৰ অবিহনে কি সম্পদে ভৱিষ্যৎ অৰ্থনীতিৰ শূন্য স্থান পূৰণ কৰিব, এতিয়াই নিৰ্ণয় কৰা উচিত হ'ব। আমি ভাবো— অসমত এক বিকল্প সম্পদৰ সন্ধান কৰাৰ প্ৰয়োজন হৈছে।

■ খাৰুৱা তেলৰ উদ্ঘাটন, আহৰণ আৰু সৰবৰাহৰ বাটকটীয়া ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান 'অইল ইণ্ডিযা' তথা 'তেল আৰু প্ৰাকৃতিক গেছ আয়োগ'ৰ লাভজনক অৱস্থানৰ তুলনাত অসমৰ ৰাজহ আহৰণ নগণ্য। ৰাষ্ট্ৰৰ প্ৰচলিত ব্যৱস্থাত খাৰুৱা তেলৰ মূল্যৰ বিপৰীতে ৰাজ্যই ৰয়েল্টি গ্ৰহণতে সন্তুষ্ট থাকিবলগা হয়। অ' এন জি চি আৰু অইলৰ উৎপাদিত খাৰুৱা তেলৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে তৈলখণ্ডৰ উন্নয়নৰ স্বাৰ্থত চেছ নামৰ উপকৰ সংগ্ৰহ কৰে। উৎপাদিত খাৰুৱা তেলৰ মূল্য আৰু কেন্দ্ৰীয চৰকাৰে গ্ৰহণ কৰা চেছৰ পৰিমাণ বৃদ্ধি কৰাৰ ওপৰতে ৰযেল্টি নিৰ্ভৰ কৰে। ৰাষ্ট্ৰৰ নীতিমতে খাৰুৱা তেলৰ উৎপাদন মূল্য বৃদ্ধি নহ'লে ৰাজ্যই পাব লগা ৰয়েল্টি বৃদ্ধি হ'ব নোৱাৰে। আমাৰ প্ৰস্তাৱ হ'ল—ৰয়েল্টি নিৰ্ধাৰণৰ পদ্ধতিৰ সম্পূৰ্ণ পৰিৱৰ্তন কৰিব লাগে। ৰাজ্যই কেন্দ্ৰৰ পৰা খাৰুৱা তেলৰ আন্তঃজাৰ্তিক বজাৰমূল্য দাবী কৰা উচিত হ'ব। ১৯৭৪ চনৰ অইল ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট আইন অনুসৰি চেছৰ টকা তৈল ক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ বাবে বিনিয়োগ কৰাৰ লগতে এই ক্ষেত্ৰত গৱেষণা আৰু প্ৰযুক্তিগত কাৰণতো বিনিয়োগ কৰা হয়। অসমৰ দৰে তৈলক্ষেত্ৰৰ ওপৰত নিৰ্ভৰশীল অৰ্থনীতিৰ ৰাজ্যত আলোচ্য দিশবিলাকৰ অতীৱ প্ৰয়োজন যদিও ৰাজাৰ আন্তঃগাঁথনিৰ সমস্যাৰ সমাধানৰো অতীৱ প্ৰয়োজন। অসমৰ তৈল উদ্যোগৰ উন্নয়নৰ স্বাৰ্থতেই আন্তঃগাঁথনিৰ শক্তিশালীভাৱে উত্তৰণৰ প্ৰয়োজন আছে। ইয়াৰ বাবে চেছৰ দ্বাৰা সংগৃহীত আৰু কেন্দ্ৰীয় ৰাজকোষত থকা অসমৰ চেছৰ পুঁজি বিনিযোগ কৰিব পাৰে। এই ক্ষেত্ৰত কেন্দ্ৰক তথ্য আৰু যুক্তিৰে সৈমান কৰা প্ৰয়োজন হ'ব।

■ অসমৰ অতি মূল্যৱান প্ৰাকৃতিক গেছ আজিও প্ৰকৃত উদ্দেশ্যত ব্যৱহাৰ হোৱা

নাই। জ্বলাই দিয়া প্ৰাকৃতিক গেছৰ ওপৰত ৰয়েল্টি নিৰূপণ কৰিব নোৱৰাৰ বাবে অসম প্ৰাপ্য ৰাজহৰ পৰা বঞ্চিত হৈছে। জ্বলাই দিয়া প্ৰাকৃতিক গেছৰ জৰিয়তে সম্ভাৱনাপূৰ্ণ শিল্পায়নৰ বিকাশৰ পৰা বঞ্চিত হৈছে। প্ৰাকৃতিক গেছৰ জ্বলাই দিয়া অংশৰ ওপৰত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু অইল ইণ্ডিয়া লিমিটেডে কোনো ৰয়েল্টি বা কৰ দিয়াৰ দায়বদ্ধতা নথকাৰ বাবে গেছ জ্বলাই দিয়াৰ ক্ষেত্ৰত অনিষ্টকৰ দিশসমূহৰো কোনো প্ৰতিৰোধ ব্যৱস্থা কৰা নাই। ফলত প্ৰাকৃতিক গেছ জ্বলাই দিয়া অঞ্চলসমূহত পাৰিপাৰ্শ্বিকতাৰ ওপৰত এক ডাঙৰ সমস্যা হৈ পৰিছে। প্ৰাকৃতিক গেছৰ কিছু অংশ নামৰূপত থকা ভাৰতীয় সাৰ নিগমে সাৰ উৎপাদনৰ ক্ষেত্ৰত, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত, অসম পেট্ৰ'কেমিকেল্ছ লিমিটেডে মিথানল উৎপাদনৰ ক্ষেত্ৰত আৰু গেছ কোম্পানীয়ে কিছুসংখ্যক চাহ বাগিচাত গেছ বিতৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি আহিছে, কিন্তু বহুসংখ্যক ভটিয়নী উদ্যোগৰ সম্ভাৱনা থকা ক্ষেত্ৰসমূহতে প্ৰাকৃতিক গেছক প্ৰয়োজনীয়ভাৱে ব্যৱহাৰ কৰা নহ'ল। আমাৰ প্ৰস্তাৱ হ'ল—বঙাইগাঁও তেল শোধনাগাৰ আৰু পেট্ৰ'কেমিকেল্ছ লিমিটেডত যথেষ্ট সংখ্যক ভটিযনী উদ্যোগৰ সম্ভাৱনা থকা ক্ষেত্ৰখনৰ লগতে প্ৰস্তাৱিত গেছ ক্ৰেকাৰ প্ৰকল্পৰ দ্বাৰা নতুন উদ্যোগৰ সম্প্ৰসাৰণ কৰিব লাগে। ইযাৰ ফলত জাতীয় পুঁজিৰ আকাৰ বৃদ্ধি কৰিব পৰা যাব। সংস্থাপনৰ ক্ষেত্ৰ বাঢ়ি গ'লে দেশীয় বজাৰখনেও শক্তিশালী স্থিতি লাভ কৰিব আৰু অসমেও অৰ্থনৈতিক বিকাশৰ প্ৰকৃত দিশত গতি ল'ব পাৰিব। অসমৰ অৰ্থনৈতিক উন্নযনৰ যথেষ্ট সম্বল থকা এই প্ৰাকৃতিক গেছক কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা প্ৰতিষ্ঠান 'তেল আৰু প্ৰাকৃতিক গেছ আয়োগ' তথা 'অইল ইণ্ডিয়া লিমিটেড'-এ অবাবত জ্বলাই নষ্ট কৰাটো এক দণ্ডনীয় অপৰাধ বুলি গণ্য কৰা উচিত। আমাৰ প্ৰস্তাৱ হ'ল—খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত নিৰূপিত ৰযেল্টিৰ লগতে কৰ পদ্ধতিৰ নীতি একে হোৱা উচিত আৰু তাৰ বাবে মাটিৰ তলৰ পৰা ওলাই অহা ব্যৱহৃত আৰু অ-ব্যৱহৃত সমুদায় গেছৰ ওপৰতেই ৰয়েল্টি নিৰ্ধাৰণ কৰিব লাগে। প্ৰাকৃতিক গেছক অধিক উৎপাদনশীল ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰিলে ভৱিষ্যতৰ স্বাৰ্থত উপযুক্তভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা হ'ব লাগে। অসমৰ খাৰুৱা তেলৰ লগত সম্পৰ্ক থকা বাণিজ্যিক তথা প্ৰশাসনিক সকলো কৰৰ কাৰ্যালয় অসমৰ মাটিত থকাটো নিশ্চিত হ'ব লাগে। মূলতঃ ৰাজ্যৰ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উদ্যোগসমূহৰ বজাৰ ব্যৱস্থাটো উদ্যোগৰ সংলগ্ন অঞ্চলত আৰু ৰাজ্যৰ ভিতৰত হ'ব লাগিব।

■ অসমত খাৰুৱা তেলৰ বিকল্প সন্ধানৰ ক্ষেত্ৰত আমি জলসম্পদো চিনাক্ত কৰিব বিচাৰোঁ। জলসম্পদ এক অক্ষয় ভঁৰাল। বাৰিষা কালত প্ৰতি ছেকেণ্ডত ৭০,০০০

ঘনমিটাৰ জলৰাশি বহন কৰা ব্ৰহ্মপুত্ৰ পৃথিৱীৰ ভিতৰতে এখন উল্লেখযোগ্য নদী। প্ৰযুক্তিৰ সহায়ত ব্ৰহ্মপুত্ৰই কঢ়িয়াই নিয়া পানীৰ পৰিমাণ আৰু পৰিবহণৰ ক্ষমতা স্পষ্ট কৰি ল'ব পাৰিলে অসমৰ ভৱিষ্যৎ অৰ্থনীতিত সম্পূৰ্ণ জৰীপ কৰি ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে গৱেষণা কৰি প্ৰকল্প প্ৰস্তুত কৰাৰ বাবে আমেৰিকা, জাপান, চীন আদি দেশৰ পৰা সহায় পাব পৰা যায়। ভাৰত, বাংলাদেশ আৰু নেপালৰ বান সমস্যা সৃষ্টি কৰা হিমালয়ৰ নদীবিলাকক নিয়ন্ত্ৰণ কৰাৰ বাবে বিশ্ববেংকে বিত্তীয় আৰু কাৰিকৰীভাৱে সহায় কৰে। এছিয়ান উন্নয়ন বেংকৰ দৰে বিত্তীয় প্ৰতিষ্ঠানবিলাকৰ পৰাও সাহায্য পোৱা যায়। কানাডাৰ দৰে কিছু দেশে বিশেষ ৰাষ্ট্ৰীয় সাহায্য আগবঢ়াই থকা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত কিছু পেছাদাৰী মানসিকতাৰ প্ৰয়োজন আছে। অৱশ্যে সাহায্য পোৱাৰ আশাত উটি-বুৰি যাওঁতে লক্ষ্য কৰা প্ৰযোজন হ'ব আমেৰিকাৰ দৰে শক্তিসমূহে যাতে সুযোগ গ্ৰহণ কৰিব নোৱাৰে। আমি বিকল্প সম্পদ হিচাপে চিনাক্ত কৰিবলৈ যোৱাৰ সময়ত এইটো লক্ষ্য কৰিবলগা বিষয় হ'ব যে জলবিদ্যুৎ শক্তিৰ দৰে অসমৰ পানীৰ ওপৰতো কেন্দ্ৰই কৰ্তৃত্ব সাব্যস্ত কৰিবলৈ লৈছে। অসমবাসীৰ সন্মতি নোলোৱাকৈ অসমৰ পানী অন্য ৰাজ্যৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে কেন্দ্ৰৰ ষড়যন্ত্ৰ কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনদীসমূহে কঢ়িয়াই অনা পানী অসমৰ জনগণৰ সম্পদ। এই জলসম্পদ অসমৰ জনগণ আৰু ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত ব্যৱহাৰ হোৱাকৈ পৰিকল্পনা প্ৰস্তুত কৰা প্ৰয়োজন হ'ব।

■ উৎপাদন কাৰ্যৰ লগত জড়িত কৰাৰ পৰিৱৰ্তে কেৱল ক্ৰেতা হৈ থকাৰ মানসিকতাক পৰিৱৰ্তন কৰিব নোৱাৰিলে অসমত জাতীয় পুঁজিৰ বিকাশ এক আলোচ্য বিষয় হৈয়েই থাকিব। ৰাষ্ট্ৰীয় বেংকসমূহৰ লগতে চাহশিল্প আৰু ঔষধৰ বজাৰ আৰু পণ্য সামগ্ৰীৰ বজাৰৰ জৰিয়তে শ শ কোটি টকা অসমৰ পৰা প্ৰতি বছৰে বহিৰ্গমন হৈ আছে। এই পুঁজিৰ বহিৰ্গমনৰ সুৰুঙাবোৰ বন্ধ কৰাৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব। বেংক ব্যৱস্থাক ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থত ব্যৱহাৰ হোৱাটোক বাধ্য কৰাব লাগিব।

■ চৰকাৰসমূহে গ্ৰামোন্নয়ন বিভাগটো ৰাজনৈতিক স্বাৰ্থত অপব্যৱহাৰ কৰাৰ বাবে এই বিভাগটোৱে অসমৰ স্বাৰ্থত কৰিব পৰা কামসমূহ কৰিব পৰা নাই। পুঁজি-দুৰ্বল অসমত গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰাও ৰাজ্যৰ গ্ৰামীণ অৰ্থনীতিক শক্তিশালী কৰিব পৰা যাব। সেয়েহে গ্ৰামোন্নয়ন বিভাগৰ প্ৰতিখন আঁচনি বিভাগৰ দ্বাৰা কৰিবলৈ যাওঁতে স্থানীয়ভাৱে বা পঞ্চায়তভিত্তিত বিশিষ্ট, সচেতন ব্যক্তিসকলক লৈ এখনকৈ ৰাজহুৱা নিৰীক্ষণ সমিতি গঠন কৰা উচিত হ'ব। কেন্দ্ৰীয় চৰকাৰৰ বিশেষ বৰঙণি আগবঢ়োৱা

গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা অসমৰ গাওঁ আৰু নগৰৰ ব্যৱধান কমোৱাত যথেষ্ট সহায়ক কাৰ্যসূচী ল'ব পৰা যায়। বিশ্বাসযোগ্য পৰিৱেশৰ সৃষ্টি কৰিব পাৰিলে গ্ৰামোন্নয়নে অসমৰ জাতীয় পুঁজি বিকাশৰ সংগ্ৰামত নেতৃত্ব ল'ব পাৰিব। অসমৰ বজাৰ ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ সমস্যাৰ অধিক পৰিৱৰ্তন কৰাৰ বাবে পৰিকল্পনা আৰম্ভ কৰাৰ প্ৰয়োজন হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰখনৰ লগতে অসমৰ ওচৰৰ বাংলাদেশ, ম্যানমাৰ, চীনৰ লগত বাণিজ্যিক লেন-দেনৰ বাবে পথ মুকলি কৰিব লাগিব। ম্যানমাৰ, চীন দেশ, মালয়েছিয়া, থাইলেণ্ড, ফিলিপাইন্‌ছ, কম্বোডিয়া, ইণ্ডোনেছিয়া, পূব আৰু দক্ষিণ পূব এছিয়াৰ অন্যান্য দেশবোৰেৰে গঠিত এই বিশাল সম্ভাৱনাপূৰ্ণ বজাৰখন দখল কৰিবলৈ দেশীয় আৰু বিদেশী বিনিয়োগকাৰীসকলৰ বাবে অসম এখন 'ঘাটি এলেকা' হিচাপে গঢ়ি উঠাৰ সম্ভাৱনা আছে। দক্ষিণ-পূব এছিয়াৰ ভিতৰত অসম অন্যতম বাণিজ্যিক কেন্দ্ৰ হ'ব পাৰে। অসমে বিদেশী মুদ্ৰা আহৰণৰ ক্ষেত্ৰতো মুখ্য ভূমিকা পালন কৰাৰ সম্ভাৱনা আছে।

আমাৰ পৰিকল্পনা আৰু অৰ্থনৈতিক কাৰ্যসূচী ১৯৪৭ নহয়, ২০৪৭-ক আগত ৰাখি প্ৰস্তুত কৰা প্ৰয়োজন হ'ব। তাৰ বাবে অৰ্থনীতিৰ প্ৰতিটো স্তৰত সুকীয়াকৈ কাৰ্যসূচী আৰু প্ৰকল্পৰ পৰিকল্পনা কৰা প্ৰয়োজন হ'ব। প্ৰচলিত বিত্তীয় প্ৰশাসনিক ব্যৱস্থাৰো পৰিৱৰ্তন ঘটাব লাগিব। দুৰ্নীতিমুক্ত অৰ্থনৈতিক ব্যৱস্থাৰ বাবে বিত্তীয় ব্যৱস্থাৰ সংশোধনৰ আৱশ্যক হ'ব।

❑ ❑ ❑

ৰাজ্যৰ বিত্তীয় পদ্ধতিৰ পুনৰ্বিন্যাসৰ প্ৰয়োজন হৈছে

ভাৰতৰ কম্পট্ৰ'লাৰ এণ্ড অডিটৰ-জেনেৰেলে অসম চৰকাৰৰ বিত্তীয় দিশটোত পৰিহাৰ্য ব্যয়, অবাৱত ব্যয়, বিধিউলংঘা কৰি ব্যয়, অন্যায়ভাৱে ধন আদায় দিয়া আদি বিষয়বোৰৰ স্পষ্ট উল্লেখ কৰি আহিছে। অসম চৰকাৰে এইটো স্বীকাৰ কৰা উচিত হ'ব যে অসমৰ বিত্তীয় প্ৰশাসনিক দিশটো শৃংখলিত নহয়। অসম চৰকাৰৰ বিত্ত বিভাগৰ গতানুগতিক চিন্তাৰ পৰিৱৰ্তনৰ সময় হৈছে। জাতীয় পুঁজি গঠনৰ অতীৱ প্ৰয়োজন আমি অনুভৱ কৰিছো। কেগৰ প্ৰতিবেদনসমূহত অসম চৰকাৰৰ বিত্তীয় অৱস্থাৰ অপচয়, পুঁজি বিনিয়োগত হেমাহিৰ লগতে ধন আত্মসাতৰ বহু দৃষ্টান্ত উল্লিখিত হয়।

এল অ' চি কেলেংকাৰী আৰু ৰেভিনিউ ডিপ'জিট এই দুয়োটাই সঘনাই অসম চৰকাৰৰ বিত্তীয় দিশটোৰ প্ৰতি এক সন্দেহৰ উদ্ৰেক কৰিছে। শ শ কোটি ৰাজকোষৰ টকা অপচয় হৈ থকাৰ পিচতো অসম চৰকাৰে ৰাজ্যৰ বিত্তীয় প্ৰশাসনিক দিশটোৰ পুনৰ গঠনৰ বাবে কোনো বস্তুনিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা আমাৰ চকুত পৰা নাই। আমি লক্ষ্য কৰিছো—অসমত এল অ' চি কেলেংকাৰীৰ ক্ষেত্ৰত দুটা দিশেৰে লুণ্ঠন হৈছিল। এটা হ'ল ভুৱা তথা জাল এল অ' চিৰ দ্বাৰা ধন লুণ্ঠন আৰু আনটো হ'ল বাজেটত ধাৰ্য কৰা পৰিমাণতকৈ অতিৰিক্ত ধন জালিয়াতি কৰি উলিয়াই নি লুণ্ঠন কৰা, প্ৰকৃত কামৰ বিনিময়ত বাজেটৰ ধাৰ্য পৰিমাণৰ অতিৰিক্ত ধন বিভিন্ন শিতানত খৰচ কৰিলেও তাৰ কোনো প্ৰামাণ্য ব্যয়ৰ তথ্য নথকাত আৰু কামৰ দিশসমূহ প্ৰতিফলিত নোহোৱাত গোটেই বিষয়টোৱেই সন্দেহজনক হৈ পৰাটো স্বাভাৱিক। প্ৰাক্ বাজেট কালত কেইটামান বিভাগত এনেদৰে খৰচ কৰাৰ পিচত বাজেটত অনুমোদিত ধনতকৈ অতিৰিক্ত ব্যয় হ'ব পাৰে। কিন্তু বিত্তীয় দিশটো স্পষ্ট হৈ নাথাকিলে এই ক্ষেত্ৰবিলাকত সন্দেহ আৰু সংঘাত আহিব পাৰে। ৰাজহুৱা ধন অপচয়ৰ বিষয়টোত অসমবাসী উদ্গ্ৰীৱ হৈ থকা সময়ত চৰকাৰ পৰিচালনা কৰাসকলে নীৰৱতা অৱলম্বন কৰাটো কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। অল অ' চি কেলেংকাৰীৰ বিচাৰ যিয়েই

নহওক এইটো ইতিমধ্যেই স্পষ্ট হৈ পৰিছে যে ৰাজশক্তিৰ সহযোগত কিছুৱে ৰাজকোষ লুণ্ঠন কৰিছে। কিন্তু এনে সুযোগ আৰু ভৱিষ্যতে যাতে কোনেও গ্ৰহণ কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে শক্তিশালী ব্যৱস্থা গ্ৰহণ নকৰাটোহে আশ্চৰ্যৰ বিষয়। বিত্তীয় প্ৰশাসনিক নীতিৰ পৰিৱৰ্তন অবিহনে অসম চৰকাৰ কেগৰ প্ৰতিবেদনৰ অভিযোগসমূহ লগত লৈ পৰিচালিত হৈ থাকিব লাগিব আৰু এল অ' চি কেলেংকাৰীৰ দৰে কোষাগাৰ লুণ্ঠন কাৰ্যৰ এক স্থায়ী ৰূপ ধাৰণ কৰিব।

আমি সাধাৰণ নাগৰিক হিচাপে লক্ষ্য কৰিছো যে অসমৰ আজিৰ বিত্তীয় প্ৰশাসনিক পদ্ধতিৰে ৰাজ্যৰ বিত্তীয় দিশটোক শুদ্ধ আৰু নিকা কৰি পৰিচালনা কৰা সম্ভৱ নহয়। বিষয়া-কৰ্মচাৰীৰ লগতে ৰাইজৰ ক্ষোভ থকা আৰু চৰকাৰৰ বিভাগসমূহৰ বিত্তীয় দিশৰ ছবিখন তৎক্ষাণিকভাৱে দাঙি ধৰিব নোৱৰা ট্ৰেজাৰী ব্যৱস্থাৰ পৰিৱৰ্তনৰ প্ৰয়োজন আছে। ট্ৰেজাৰী ব্যৱস্থাৰ দ্বাৰা বৰ্তমানলৈ সংশোধিত বিধি উলংঘা, অপচয় আদিৰ বিষয়ে আগৰ প্ৰতিবেদনসমূহত স্পষ্টভাৱে প্ৰতিফলিত হয় যদিও কোনো প্ৰতিবেদনৰ ভিত্তিত বিচাৰ হওঁতে লোৱা দীঘলীয়া সময়ে দোষীক ধৰিলেও পুঁজিৰ অপচয়ক ৰোধ কৰিব নোৱাৰে। ফলত গতানুগতিক এনে ব্যৱস্থা এক প্ৰহসনলৈহে ৰূপান্তৰিত হৈছে। আমি এইটোও লক্ষ্য ৰখা প্ৰয়োজন যে চৰকাৰী ঋণ আৰু সুদৰ বোজাই অসমৰ অৰ্থনৈতিক দিশটোত যথেষ্ট প্ৰভাৱ পেলাইছে। ফলত ব্যয়ৰ পৰিমাণ তীব্ৰভাৱে বৃদ্ধি হৈছে। ৰাজহ ব্যয়ৰ বৃদ্ধিয়ে ৰাজহ ঘাটিৰ পৰিমাণ বৃদ্ধি কৰিছে। ঋণ আৰু সুদৰ পৰিমাণ সমানুপাতিকভাৱে বাঢ়ি গৈছে। দশম বিত্ত আয়োগৰ মতেও ১৯৮৯-৯০ চনৰ পৰা আজিলৈ ব্যয়ৰ ক্ষেত্ৰ বিস্ফোৰণৰ ৰূপত বৃদ্ধি পাইছে। ৰাজহ বৃদ্ধি অতি সামান্য। পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ ক্ষেত্ৰত অবিৰাম আৰু নিয়ন্ত্ৰণবিহীনভাৱে ব্যয় বৃদ্ধি হৈছে। প্ৰশাসনিক ক্ষেত্ৰতো ব্যয় তুংগত উঠিছেগৈ। ফলত ৰাজহ শিতানত ঘাটিৰ পৰিমাণ তীব্ৰভাৱে বৃদ্ধি হ'ব ধৰিছে। সম্ভাব্য দাঙিব নোৱৰা বিত্তীয় সমস্যাৰ সমুখীন হ'বলৈ মিতব্যয়ী হোৱাৰ লগতে বিত্তীয় শৃংখলাৰ অতীব প্ৰয়োজন হ'ব। কেগৰ প্ৰতিবেদন আৰু কেন্দ্ৰীয় বিত্তীয় আয়োগৰ নিৰ্দেশসমূহৰ ক্ষেত্ৰত অসম চৰকাৰে বিত্তীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি আমাৰ বিশ্বাস নহয়। পৰিকল্পনা শিতানত ৰাজ্যৰ প্ৰস্তাৱৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ ধন আবণ্টনৰ চৰিত্ৰই অসম চৰকাৰৰ বিত্তীয় প্ৰশাসনিক ক্ষেত্ৰৰ স্থিতিৰ ইংগিত বহন কৰিছে।

অসম চৰকাৰৰ আজিৰ বিত্তীয় অৱস্থা আৰু যোৱা চাৰিটা দশকৰ বিত্তীয় প্ৰশাসনিক দিশসমূহলৈ লক্ষ্য ৰাখি বিত্তীয় প্ৰশাসনিক দিশটোৰ এক নতুন ব্যৱস্থাৰে গতিশীল কৰাৰ সময় হৈছে। বৃহৎ অংকৰ ধন অবাবত আৰু অনুৎপাদনশীলভাৱে খৰচ কৰাৰ লগতে বিভিন্ন বিভাগৰ ৰাজহুৱা ধন আত্মসাৎ কৰা, এল অ' চি কেলেংকাৰী, ৰেভিনিউ

ডিপ'জিট কৰিবলগা হোৱা ব্যৱস্থাবোৰ বন্ধ কৰাৰ স্বাৰ্থত ট্ৰেজাৰী ব্যৱস্থাৰ বিপৰীতে প্ৰতিটো শিতানভিত্তিত স্বতন্ত্ৰভাৱে হিচাপ ৰখাৰ ব্যৱস্থা হ'ব লাগে। আমাৰ প্ৰস্তাৱ হ'ল অসম চৰকাৰৰ প্ৰতিটো বিভাগৰ শিতানভিত্তিত বেংকিং ব্যৱস্থাৰে আয়-ব্যয়ৰ লেনদেন হ'ব লাগে। শিতান অনুসৰি বিত্তীয় দিশৰ পুঁজি লেন-দেন কৰিলে প্ৰতিটো বিভাগৰ হিচাপৰ আৰম্ভণি আৰু সামৰণি স্পষ্টকৈ ৰাখিব পৰা যাব। প্ৰত্যেক দিনে শিতানভিত্তিত হোৱা লেন-দেনৰ পৰিমাণ আৰু শেষ অংক স্পষ্ট হৈ থাকিলে কেলেংকাৰী হোৱাৰ বাধাৰ সৃষ্টি হ'ব। বিভিন্ন শিতানৰ হিচাপসমূহৰ চৰকাৰৰ বিত্তীয় বিভাগৰ মূল হিচাপৰ লগত সম্পৰ্ক ৰাখিব লাগে। প্ৰতিটো শিতানৰ ভিত্তিত বেংক একাউন্টৰ দ্বাৰা লেন-দেন হ'ব লাগে। আৰু প্ৰতিটো শিতানভিত্তিক একাউণ্ট চৰকাৰৰ বিত্ত বিভাগৰ মূল একাউন্টৰ দ্বাৰা আৰু মূল একাউণ্ট ৰিজাৰ্ভ বেংকৰ দ্বাৰা পৰিচালিত কৰিব লাগে, এনে ব্যৱস্থাৰে চৰকাৰৰ মূল একাউন্টৰ লগত শিতানভিত্তিত থকা একাউন্টসমূহ সকলো সময়তে শুদ্ধ আৰু স্পষ্ট হৈ থাকিব। অসম চৰকাৰৰ প্ৰতিটো শিতানত হোৱা পুঁজিৰ লেন-দেনৰ প্ৰসংগত মহাগাণনিক, বিত্ত বিভাগ আৰু ৰিজাৰ্ভ বেংকৰ মাজত দৈনিক চৰকাৰৰ বিত্তীয় সংগতি সাধন কৰিব পৰা যাব, এনে ব্যৱস্থাৰে এল অ' চিৰ দৰে কেলেংকাৰী বন্ধ কৰাত সহায়ক হ'ব আৰু পুঁজিৰ প্ৰকৃত ব্যৱহাৰ অধিক গতিশীল হ'ব। অন্য এক লক্ষ্যণীয় বিষয় হ'ল—চৰকাৰৰ বিভিন্ন বিভাগে ঠিকা, সামগ্ৰী যোগান আদি কামৰ বিপৰীতে বেংক ড্ৰাফট্, কল ডিপ'জিট আদি গ্ৰহণ কৰে। বিভাগসমূহৰ নিজস্ব একাউণ্ট নথকাত কোটি কোটি টকাৰ বেংক ড্ৰাফট্, কল ডিপ'জিট আদি দীঘলীয়া সময়ৰ বাবে বিনিময় নোহোৱাকৈ পৰি থাকে। শিতানভিত্তিত বেংক একাউণ্ট হ'লে কম সময়ৰ বাবে হ'লেও এনে ধৰণৰ জমা টকা ব্যৱহাৰ কৰি থাকিব পৰা যাব। জাতীয় পুঁজি গঠনেৰে অসমৰ অৰ্থনৈতিক পুনৰগঠনৰ সময়ত অসম চৰকাৰৰ বিত্তীয় প্ৰশাসনিক আৰু বিত্তীয় পদ্ধতিৰ ওপৰত পুনৰ্বিন্যাস হোৱাৰ অতি প্ৰয়োজন হৈ পৰিছে।

❑ ❑ ❑

কেন্দ্ৰৰ ৰাজকোষত অসমৰ পোন্ধৰ হেজাৰ কোটি

ত্ৰিশ বছৰৰ পিচত অসম চৰকাৰে আজি উপলব্ধি কৰিব পাৰিছে যে অসমৰ উন্নয়নৰ বাবে প্ৰাপ্য এক বৃহৎ অংকৰ পুঁজিৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক বঞ্চিত কৰি ৰাখিছে। যোৱা পোন্ধৰ বছৰে তথ্যসহ উত্থাপন কৰি আমি এক জনমত গঠন কৰিবলৈ চেষ্টা কৰি অহা এই বিষয়টোৰ প্ৰসংগত ৰাজ্যৰ বিত্তীয় বিভাগে দ্বাদশ বিত্ত আয়োগৰ বাবে প্ৰস্তুত কৰা প্ৰতিবেদনত গুৰুত্ব সহকাৰে উল্লেখ কৰা পৰিলক্ষিত হৈছে। ভাৰত চৰকাৰে দেশীয়ভাৱে উৎপাদিত খাৰুৱা তেলৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে তৈলক্ষেত্ৰৰ বিকাশ সাধন কৰাৰ বাবে এক ব্যৱস্থা গ্ৰহণ কৰিছিল। এই প্ৰসংগতে ১৯৭৪ চনতে অইন ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট এক্ট প্ৰণয়ন কৰা হৈছিল। এই আইনৰ নিৰ্দেশ অনুসৰি প্ৰতি মেট্ৰিক টন খাৰুৱা তেলৰ ওপৰত নশ টকাকৈ আৰু এহেজাৰ ঘনমিটাৰ প্ৰাকৃতিক গেছৰ ওপৰত তিনিশ টকাকৈ চেচ্ নামৰ উপকাৰ সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সংগৃহীত চেচ্ কেন্দ্ৰীয় পুঁজিত জমা কৰা হয় আৰু ইয়াৰ পৰা চেচ্ সংগৃহীত ৰাজ্যসমূহৰ তৈলক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ লগতে লৈ উদ্যোগৰ লগত জড়িত শিল্পায়নৰ বিকাশৰ বাবে ঋণ তথা অনুদান দিয়া হয়। অতি পৰিতাপৰ কথা যে তৈল উদ্যোগৰ বিকাশৰ বাবে সংগ্ৰহ কৰা এই টকা কেন্দ্ৰীয় চৰকাৰে ব্যয় নকৰি কেন্দ্ৰীয় বাজেটৰ অন্য শিতানত খৰচ কৰি আছে। খাৰুৱা তেল উৎপাদন কৰা ৰাজ্যৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ ই এক অন্যতম লুণ্ঠন। সংগৃহীত চেচ্ নামৰ উপকৰৰ বৃহৎ অংক অসমৰ। ত্ৰিশটা বছৰৰ পিছত অসম চৰকাৰে নতুন দিল্লীৰ বঞ্চনাৰ স্বৰূপটো উপলব্ধি কৰিব পাৰিছে যেন লাগিছে।

দ্বাদশ বিত্ত আয়োগৰ বাবে প্ৰস্তুত কৰি দিয়া প্ৰতিবেদনত ৰাজ্যৰ বিত্ত বিভাগে অতি গুৰুত্ব সহকাৰে উত্থাপন কৰিছে যে আমেৰিকাত আৱিষ্কৃত হোৱাৰ সাত বছৰৰ পিচৰে পৰা অসমত হাইড্ৰ'কাৰ্বন উদ্‌ঘাটন কৰি অহা হৈছে। ১৮৬৬ চনৰে পৰা আৰম্ভ হৈছে অসমৰ তৈলখণ্ডৰ ইতিহাস। এশ বছৰতো অধিক কাল খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন কৰি অহাৰ পিচতো ৰাজ্যখনত তৈলখণ্ডত বৃহৎ

উদ্যোগ গঢ়ি তোলাত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিয়া নাই, ৰাজ্যৰ বিত্ত বিভাগে উচিতভাৱেই অভিযোগ উত্থাপন কৰিছে যে অসমত খাৰুৱা তেল অধিক উদ্‌ঘাটনৰ বাবে আধুনিক প্ৰযুক্তিৰ বাবে পুঁজি বিনিয়োগ কৰা হোৱা নাই। যাৰ ফলত খাৰুৱা তেলৰ উৎপাদন ক্ৰমাৎ কমি আহিছে। ১৯৮৯-৯০-ত ৫.৬ নিযুত টন খাৰুৱা তেল উৎপাদন কৰা হৈছিল যদিও আজি বৃদ্ধি হোৱাৰ পৰিবৰ্তে ৪.৭ নিযুত টনলৈ উৎপাদন হ্ৰাস পাইছে। কেন্দ্ৰীয় চৰকাৰৰ ১৯৯৫ চনত প্ৰস্তুত কৰা 'হাইড্ৰ'কাৰ্বনৰ ভৱিষ্যৎ ২০১০'-ত গুৰুত্ব দিয়া হৈছিল যে উত্তৰ-পূৰ্বাঞ্চলৰ তৈলখণ্ডৰ ওপৰত বিশেষভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কিন্তু ইয়াৰ বিপৰীতে অসমৰ পৰা চেছৰ টকা কেন্দ্ৰীয় পুঁজিলৈ লৈ যোৱা হৈছে। ৰাজ্যৰ বিত্ত বিভাগে আজি কেন্দ্ৰীয় বিত্ত আয়োগক বুজাই দিবলৈ সক্ষম হৈছে যে প্ৰতি মেট্ৰিক টন খাৰুৱা তেলৰ পৰা বৰ্তমান ১৮০০টকাকৈ বছৰেকত প্ৰায় ৮৫০কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষত জমা হৈছে। যিটো টকা প্ৰকৃততে ব্যয় কৰিব লাগিছিল অসমৰ তৈলখণ্ডৰ উন্নয়নৰ বাবেহে। উল্লেখ্য যে ১৯৭৪ চনত অইল ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট এক্ট প্ৰণয়ন কৰাৰে পৰা প্ৰতি মেট্ৰিক টন খাৰুৱা তেলৰ পৰা চেছ্ সংগ্ৰহ কৰা হৈছিল ৯০০টকা। ২০০২ চনৰ পৰা এই পৰিমাণ বৃদ্ধি কৰি ওঠৰশ টকা কৰা হৈছে। ১৯৭৪ চনৰে পৰা যোৱা ত্ৰিশটা বছৰত কমেও অসমৰ পোন্ধৰ হেজাৰ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষত জমা আছে। অসমৰ খাৰুৱা তেল উৎপাদন বৃদ্ধিৰ লগতে তৈলখণ্ডৰ উন্নয়নৰ বাবে ব্যয় কৰিবলগা এই পোন্ধৰ হেজাৰ কোটি প্ৰাপ্য টকাৰ পৰা কেন্দ্ৰীয় চৰকাৰে অসমক বঞ্চিত কৰিছে। অসমৰ ওপৰত অৰ্থনৈতিক শোষণ-লুণ্ঠনৰ ইয়াতকৈ অধিক শক্তিশালী উদাহৰণৰ নিশ্চয় প্ৰয়োজন নাই। ৰাজ্যৰ বিত্ত বিভাগে বিত্ত আয়োগক উচিতভাৱে ব্যক্ত কৰিছে যে এই চেচৰ টকা অসমৰ তৈলখণ্ডত বিনিয়োগ কৰিব পৰা হ'লে অসমত উৎপাদন বৃদ্ধি কৰিব পৰা গ'লহেঁতেন আৰু আনুষংগিক উদ্যোগসমূহ গঢ়ি উঠিলহেঁতেন। গেছক্ৰেকাৰ উদ্যোগো আজি থিয় হৈ উঠিলহেঁতেন। অসমত খাৰুৱা তেল উৎপাদন বৃদ্ধি কৰিব পৰা হ'লে আমদানিকৃত খাৰুৱা তেলৰ পৰিমাণ কমিলহেঁতেন আৰু বিদেশী মুদ্ৰাৰ সমস্যা কিছু হ'লেও সমাধান কৰিব পৰা গ'লহেঁতেন।

■ **বিত্ত আয়োগলৈ ৰাজ্য চৰকাৰৰ আবেদন ঃ** অসম চৰকাৰৰ বিত্ত বিভাগে দ্বাদশ বিত্ত আয়োগৰ ওচৰত দাখিল কৰা আবেদনত উল্লেখ কৰিছে যে চেছৰ নামত সংগ্ৰহ কৰা পুঁজি কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষৰ পৰিবৰ্তে খাৰুৱা তেল উৎপাদিত ৰাজ্যত তৈলখণ্ডৰ উন্নয়নৰ বাবে ব্যয় কৰক। এইটোও আবেদন জনোৱা হৈছে যে বৰ্তমানে গ্ৰহণ কৰি থকা চেছৰ পঞ্চাশ শতাংশ খাৰুৱা তেলক উৎপাদিত ৰাজ্যত অতিৰিক্ত ৰয়েল্টি হিচাপে গণ্য কৰিব লাগে। বিত্ত বিভাগে এইটোও আবেদন জনাইছে যে

চেছ্‌ৰ পঞ্চাশ শতাংশ তৈলখণ্ডৰ উন্নযনৰ বাবে ব্যয় কৰক আৰু পঞ্চাশ শতাংশ ৰাজ্যৰ আন্তঃগাঁথনি সমস্যা সমাধানৰ বাবে ব্যয় কৰক। বিত্ত বিভাগৰ এই আবেদনক কেন্দ্ৰীয় বিত্ত আয়োগে কেনেদৰে গ্ৰহণ কৰে সেইটো ৰাজ্যৰ ৰাজনৈতিক হেঁচাৰ ওপৰত নিৰ্ভৰ কৰিব। এটা কথা নিশ্চয় ক'ব লাগিব যে যথেষ্ট পলমকৈ হ'লেও ৰাজ্যৰ বিত্ত বিভাগে পৰিস্থিতি উপলব্ধি কৰিব পাৰিছে আৰু এক উচিত পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে শক্তিশালী ৰাজনৈতিক হেঁচাৰ অবিহনে কেন্দ্ৰীয় চৰকাৰক অসমৰ স্বাৰ্থত প্ৰাপ্য আদায় কৰাটো সহজে সম্ভৱ নহ'ব।

■ **আমাৰ প্ৰস্তাৱ ঃ** কেন্দ্ৰীয় চৰকাৰৰ দশম বিত্ত আয়োগে চেছ্‌ৰ ধন আবকাৰী আৰু কাষ্টমছ্ শুল্কলৈ ৰূপান্তৰিত কৰি কেন্দ্ৰীয় ৰাজকোষলৈ নিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিলে। ক্ষুদ্ৰ এটা অংশ ৰাজ্যলৈ দিয়াৰ ব্যৱস্থা কৰিলে। এই ব্যৱস্থা প্ৰণয়ন কৰা সময়ত অসম চৰকাৰে কোনো প্ৰতিবাদ নকৰিলে। আমাৰ প্ৰস্তাৱ হ'ল—কেন্দ্ৰীয় চৰকাৰৰ এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগে। ১৯৭৪ চনত যি উদ্দেশ্য আগত ৰাখি অইল ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট এক্ট প্ৰণয়ন কৰা হৈছিল সেই উদ্দেশ্য বাহাল ৰখাৰ ব্যৱস্থা কৰক। 'অইল ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট ব'ৰ্ড'ত অসমৰ লগতে তেল উৎপাদন কৰা ৰাজ্যসমূহৰ প্ৰতিনিধি থকাৰ ব্যৱস্থা হওক। ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় বিত্ত বিভাগে বিত্ত আয়োগৰ ওচৰত জনোৱা আবেদনক সমৰ্থন জনাই আমি প্ৰস্তাৱ আগবঢ়াব বিচাৰো যে প্ৰস্তাৱিত গেছক্ৰেকাৰ প্ৰকল্পৰ বাবে দিবলগা 'ছাবছিডি'-ৰ টকা কেন্দ্ৰীয় চৰকাৰে সংগৃহীত চেছ্‌ৰ পুঁজিৰ পৰা ব্যয় কৰক। প্ৰায় পোন্ধৰ হেজাৰ কোটি অসমৰ টকা কেন্দ্ৰীয় ৰাজকোষত জমা হৈ থকাৰ পিচতো পুঁজিৰ অভাৱ দেখুৱাই পেট্ৰ'লিয়াম দপ্তৰে অসমত গেছ ক্ৰেকাৰ উদ্যোগ হোৱাত বাধা দিয়া স্বীকাৰ কৰা উচিত নহ'ব। অসমৰ খাৰুৱা তেলৰ পৰা প্ৰতি বছৰে কেন্দ্ৰীয় চৰকাৰৰ ৰাজকোষলৈ চেছ্‌ৰ জৰিয়তে প্ৰায় নশ কোটি টকা সংগ্ৰহ হয়। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ আবেদনৰ ওপৰত ভিত্তি কৰিয়েই এই নশ কোটি টকাৰ ৪৫০কোটি টকা ৰাজ্যৰ আন্তঃগাঁথনিৰ বিকাশৰ বাবে খৰচ কৰক। আমি জনাত ২০০১-০২বিত্তীয় বৰ্ষলৈ বিভিন্ন শিতানত অসম চৰকাৰৰ ঋণ হ'ল ১১,৭০০,২৪ কোটি টকা। ইয়াৰ ৫,৫২৯.২৬ কোটি টকা অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দিবলগা ঋণ। আমাৰ প্ৰস্তাৱ হ'ল কেন্দ্ৰীয় ৰাজকোষত ইতিমধ্যেই জমা থকা চেছ্‌ৰ প্ৰায় পোন্ধৰ হেজাৰ কোটি টকাৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৫,৫২৯.২৬ কোটি টকা কৰ্তন কৰি অসমক কেন্দ্ৰীয় চৰকাৰৰ ঋণমুক্ত কৰক। ফলত বাৰ্ষিক পৰিকল্পনাৰ ধন কৰ্তন নোহোৱাকৈ অসমে সম্পূৰ্ণ পাবলৈ সক্ষম হ'ব।

❑ ❑ ❑

কৰ ফাঁকিৰ প্ৰতিৰোধৰ বাবে পৰীক্ষণ চকীসমূহ শক্তিশালী কৰিব লাগিব

প্ৰকৃততে ভেট আইন মতে, কৰ ব্যৱস্থাৰ এক বৃহৎ পৰিৱৰ্তন অনা হৈছে যদিও আইনখন প্ৰচলিত অসম সাধাৰণ বিক্ৰী কৰ আইনৰ অনুৰূপ গাঁথনিৰে প্ৰস্তুত কৰা হৈছে। ফলত বিষয়া আৰু ব্যৱসায়ীসকল এক বিভ্ৰান্তিৰ সন্মুখীন হৈছে। বিক্ৰী কৰ আইনৰ বহুতো প্ৰশাসন ব্যৱস্থাক ভেট ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হৈছে যদিও বহু ক্ষেত্ৰত সেয়া প্ৰাসংগিক আৰু বাস্তৱমুখী নহয়। সেয়া কল্পনাপ্ৰসূত আৰু সুস্পষ্ট দৃষ্টিভংগীসম্পন্ন নহয়। উদাহৰণস্বৰূপে অসমৰ কৰ পৰীক্ষণ চকীসমূহৰ কথাকে ক'ব পাৰি। অসমত ১২টা পৰীক্ষণ চকী আছে; তাৰে ১০টা সীমান্ত পৰীক্ষণ চকী। এই ক্ষেত্ৰত অসম-পশ্চিমবংগৰ মাজত অৱস্থিত বক্সিৰহাট আৰু শ্ৰীৰামপুৰ চকী উল্লেখযোগ্য। এই চকী দুখনৰ জৰিয়তে বছৰি বহু কোটি টকাৰ কৰযুক্ত সামগ্ৰী আমদানি-ৰপ্তানি হয়। এই দুখন চকীৰ জৰিয়তে উত্তৰ-পূবৰ আন দুখন ৰাজ্যলৈও সামগ্ৰী সৰবৰাহ কৰা হয়। অৱশ্যে তাৰে কিছু সামগ্ৰী সংশ্লিষ্ট ৰাজ্যসমূহলৈ প্ৰেৰণ নকৰি অসমত হিচাপ বহিৰ্ভূতভাৱে বিক্ৰী কৰা হয় আৰু চৰকাৰ ন্যায্য কৰ আদায়ৰ পৰা বঞ্চিত হয়। অসমত উক্ত পৰীক্ষণ চকী দুটা ১৯৭১-৭২ চনতে স্থাপিত হৈছিল। কিন্তু আৰু ৩৩ বছৰ ধৰি পৰীক্ষণ চকীসমূহে কোনো বাস্তৱতাৰ ভিত্তিত কাম কৰা নাই। পৰীক্ষণ চকীসমূহত মালবাহী গাড়ীসমূহে কঢ়িওৱা মালৰ ওজনৰ সত্যতা নিৰূপণ কৰাৰ বিজ্ঞানসন্মত ব্যৱস্থাৰ অভাৱ। আনহাতে, সামগ্ৰীসমূহ গাড়ীৰ পৰা নমাই পৰীক্ষা-নীৰিক্ষা কৰাৰ কোনো ব্যৱস্থা নাই। ফলত চকীসমূহত ঘোষিত তথ্যকে সত্য বুলি গণ্য কৰাৰ বাহিৰে আন কোনো উপায় নাথাকে। আনহাতে, পৰীক্ষণ চকীসমূহত জব্দ কৰা সামগ্ৰী সংৰক্ষণৰ বাবে কোনো গুদামৰ ব্যৱস্থা নাই। ফলত পৰীক্ষণ চকীসমূহৰ কাম-কাজ তথ্যভিত্তিতহে পৰিচালিত হৈ আছে, বাস্তৱ ভিত্তিত নহয়। অসমৰ কোনো এখন পৰীক্ষণ চকীতে দিল্লী-উত্তৰ প্ৰদেশৰ সীমান্তত অৱস্থিত গাজিয়াবাদ পৰীক্ষণ চকীৰ আৰ্হিৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত পৰীক্ষণ চকীসমূহে এক প্ৰহসনহে সৃষ্টি কৰিছে। উপযুক্ত পৰীক্ষণৰ অভাৱত কিমান মালবাহী গাড়ীয়ে অবৈধ হিচাপে সামগ্ৰী আমদানি-ৰপ্তানি কৰি কৰ ফাঁকি দি

আছে, সেই কথা চৰকাৰে বিচাৰ কৰা নাই। 'টেন্‌জিট্ পাছ' প্ৰৱেশ পৰীক্ষণ চকীৰ পৰা গ্ৰহণ আৰু প্ৰস্থান পৰীক্ষণ চকীত দাখিল কৰা ব্যৱস্থা আজি ভুৱা কাৰ্য বুলি প্ৰায়েই অভিযোগ শুনা যায়। অভিযোগ মতে, প্ৰস্থান পৰীক্ষণ চকীৰ পৰা তাৎপৰ্যপূৰ্ণভাৱে প্ৰতিস্বাক্ষৰ কৰি অসমতে, তেনে সামগ্ৰী হিচাপ বহিৰ্ভূতভাৱে বিক্ৰী কৰা বুলি জনা যায়। এইবোৰ ক্ষেত্ৰত চৰকাৰ কিন্তু প্ৰায়ে উদাসীন। কাৰণ কৰ বিভাগটোত ৰাজনৈতিক আৰু প্ৰাশাসনিক হস্তক্ষেপ অধিক বেছি আৰু ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য নথকা নহয়; খানাপাৰা পৰীক্ষণ চকীক যদিও অসম-মেঘালয় সীমান্ত চকী হিচাপে চিহ্নিত কৰা হৈছে, কিন্তু বাস্তৱ দিশৰ পৰা পৰীক্ষণ চকী গুৰুত্বহীন। মেঘালয়লৈ যোৱা বুলি যদি কোনো সামগ্ৰী উজনি অসমলৈ গতি কৰে, তেন্তে তাক ধৰা পেলোৱাৰ কোনো উপায় নাই। কয়লাৰ ক্ষেত্ৰত জালুকবাৰী আৰু কাবাইটাৰী পৰীক্ষণ চকী স্থাপন কৰা হৈছে যদিও এই পৰীক্ষণ চকীসমূহত আমানত ধন আদায়ৰ ক্ষেত্ৰতহে গুৰুত্ব দিয়া হৈছে। প্ৰকৃত বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা হোৱা নাই। কিমান কোটি টকাৰ কয়লা বিক্ৰী কৰা হৈছে, সেই তথ্য সংগ্ৰহ কৰি কৰ আদায় কৰা হৈছেনে? আনহাতে, আন্তঃৰাষ্ট্ৰীয় বিক্ৰীৰ তথ্য কোনোভাবে অনুসন্ধান কৰা নহয়। অসমৰ বিচিত্ৰ স্থানত ৰে'লগাড়ীযোগে কোটি টকাৰ সামগ্ৰী আমদানি-ৰপ্তানি হৈ আছে, কিন্তু এই ক্ষেত্ৰত চৰকাৰে কৰ ফাঁকি প্ৰতিৰোধ ব্যৱস্থা কাৰ্যকৰীভাৱে গ্ৰহণ কৰা নাই। কৰ ফাঁকি ব্যৱস্থা এক অৰ্থনৈতিক অপৰাধ। কিন্তু চৰকাৰে তেনে কৰ ফাঁকিৰ প্ৰতিৰোধ ব্যৱস্থাক নিষ্ঠাৰে গ্ৰহণ কৰা নাই। তদাৰকী গোটৰ কাম এক প্ৰহসনমূলক কাৰ্যৰূপে চলি আছে আৰু ইয়াত দুৰ্নীতিৰ লগতে ৰাজনৈতিক উদ্দেশ্য নিহিত থাকে। যদি সকলোধৰণৰ স্বাৰ্থযুক্ত মনোভাব পৰিত্যাগ কৰি চৰকাৰে দৃঢ়তাৰে কৰ ফাঁকিৰ প্ৰতিৰোধ ব্যৱস্থা নলয়, তেন্তে অসম চৰকাৰে কৰ ৰাজহ আদায়ৰ লক্ষ্যত কেতিয়াও উপনীত হ'ব নোৱাৰিব।

কৰ ফাঁকিৰ প্ৰতিৰোধৰ বাবে পৰীক্ষণ চকীৰ সংখ্যা কমোৱাৰ প্ৰয়োজন হ'ব। সম্পূৰ্ণ প্ৰযুক্তিগত কৌশলৰ দ্বাৰা ৰাজধানীৰ পৰাই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব। অসম আৰু উত্তৰ-পূবৰ প্ৰৱেশ পথ একেটাই হোৱাৰ বাবে কৰ ফাঁকি দিয়াৰ সুযোগ বহুত। সেই দিশটোলৈ বিশেষভাৱে লক্ষ্য ৰাখিব লাগিব।

❑ ❑ ❑

বাণিজ্যিক দিশলৈ লক্ষ্য ৰাখি পূবৰ দুৱাৰ মুকলি কৰিব লাগিব

ভাৰত চৰকাৰৰ বিদেশ মন্ত্ৰালয় আৰু ভাৰতীয় উদ্যোগ সংঘৰ যুটীয়া উদ্যোগত আয়োজিত কাৰ ৰেলী ২০০৪-ৰ ১২নৱেম্বৰত চেন্নাইত আৰম্ভ হৈছিল। ২২নৱেম্বৰৰ আবেলি গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত কাৰ ৰেলী আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰী ডঃমনমোহন সিঙে। ১১খন সদস্যৰাষ্ট্ৰৰ ২৪০জন অংশগ্ৰহণকাৰীয়ে ২৮টা দলৰ ৫৯খন গাড়ীৰে ইণ্ডোনেছিয়ালৈ যাত্ৰা কৰিলে। ৯খন সদস্যৰাষ্ট্ৰৰ মাজেৰে ৮,০০০ কিল'মিটাৰ পথ অতিক্ৰম কৰিলে। কাৰ ৰেলীৰ প্ৰায় এটা বছৰ সম্পূৰ্ণ হ'বৰ হ'ল। কেন্দ্ৰীয় চৰকাৰৰ 'পূবলৈ চোৱা' আঁচনিক অতি বিশ্বসেৰে পূৰ্ণ সমৰ্থন আগবঢ়োৱা উত্তৰ-পূবৰ মানুহ আজি আশাহত হ'ল। অৰ্থনৈতিক সমৃদ্ধি লাভৰ সপোন দেখুওৱা 'পূবলৈ চোৱা' কাৰ্যসূচীৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ নিমাত। কাৰ ৰেলীৰ পিছত কি ?— সেইটো অসমবাসীয়ে জনাৰ অধিকাৰ আছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নাগৰিকে দক্ষিণ-পূব এছিয়ালৈ কেতিয়া চাব, কেনেকৈ চাব, তাক কেন্দ্ৰীয় চৰকাৰেহে নিৰ্ধাৰণ কৰিব নেকি ? নতুন দিল্লীৰ নীতি স্পষ্টভাৱে জনাৰ প্ৰয়োজন হৈছে। নতুন দিল্লীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা পূবলৈ চাব নে দিল্লীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ মাজেৰে পূবলৈ চাব—এনে সন্দেহ অমূলক নহয়। কাৰ ৰেলীৰ পিছত অসমৰ দুৰ্বল নেতৃত্বৰ অসম চৰকাৰে ভাগৰত জিৰণি ল'লৈ আৰু সবল নেতৃত্বৰ পশ্চিমবংগ চৰকাৰে পূবলৈ চোৱা আঁচনিৰ মূল কেন্দ্ৰ কলকাতাক কৰি পূবলৈ চোৱাৰ লগতে পূবলৈ যাত্ৰা আৰম্ভ কৰিলে। দক্ষিণ-পূব এছিয়াৰ লগত পশ্চিমবংগ চৰকাৰে অৰ্থনৈতিক বাণিজ্যিক চুক্তি আৰম্ভ কৰিলে। ইমানৰ পিছতো অসমৰ চৰকাৰৰ ভাগৰ নপলাল। পূবলৈ চোৱা আঁচনিখন বৰ্তমান কোনটো পৰ্যায়ত আছে, অসম চৰকাৰে ৰাজহুৱা কৰা উচিত। আমি এনেকৈও ভাবিব পাৰো নেকি যে ভাৰতৰ সকলো নীতি এতিয়া মাৰ্কিনপন্থী হোৱাৰ পৰিপ্ৰেক্ষিতত পূবলৈ চোৱা আঁচনিও মাৰ্কিন সাম্ৰাজ্যবাদৰ ওপৰত নিৰ্ভৰ কৰিব। দক্ষিণ-পূব এছিয়াৰ বৃহৎ বজাৰখনক মাৰ্কিন ৰাষ্ট্ৰই ভাৰতৰ হাতত এৰি দিবনে ? মাৰ্কিন সাম্ৰাজ্যবাদৰ দৃষ্টিভংগী আৰু ভাৰত চৰকাৰ নিৰ্ভৰশীল দৃষ্টিভংগী যিয়েই নহওক কিয়, অসম তথা উত্তৰ-পূবে

দক্ষিণ-পূব এছিয়াৰ লগত সম্পৰ্ক সুদৃঢ় কৰাৰ বৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ লগত মাত্ৰ ১২কিল'মিটাৰ বহল অঞ্চলেৰে সংলগ্ন। এই অঞ্চলত ৯৮শতাংশ আন্তঃৰাষ্ট্ৰীয় সীমাৰ লগত সংলগ্ন। বাংলাদেশ, ম্যানমাৰ, চীন, ভূটানৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিকভাৱে বিশেষ সম্পৰ্ক আছে। অৰুণাচল প্ৰদেশৰ সীমান্তৰ ১,৭০০কিল'মিটাৰ, অসমৰ ৭০০কিঃমিঃ, মণিপুৰৰ ৪২৫কিল'মিটাৰ, মেঘালয়ৰ ৪০০কিঃমিঃ আৰু ত্ৰিপুৰাৰ ৬২৫কিল'মিটাৰ আন্তৰ্জাতিক সীমান্তৰ লগত সংলগ্ন। এনে অৱস্থানত থকা উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক আৰু বাণিজ্যিক দিশটোত এক সুকীয়া দৃষ্টিভংগী থকাটো একান্তই বাঞ্ছনীয়। ১৯৬৭ চনৰ চাৰি আগষ্টত ইণ্ডোনেছিয়া, মালয়েছিয়া, ফিলিপাইন, ছিংগাপুৰ, থাইলেণ্ড চৰকাৰে স্বাক্ষৰ কৰা বেংকক ঘোষণা-পত্ৰৰ জৰিয়তে স্থাপিত হৈছিল 'আছিয়ান'। পিছত তাত যোগ দিছিল ব্ৰুনেই, কম্বোডিয়া, লাওচ, ছিংগাপুৰ, ভিয়েটনামে। আছিয়ানৰ মূল লক্ষ্যই হ'ল অৰ্থনৈতিক সমৃদ্ধি লাভ। আছিয়ান বিশাল মানৱ সম্পদৰ শক্তিৰে সমৃদ্ধ। ইউৰোপীয় ইউনিয়নৰ মুঠ জনসংখ্যা ৩২০নিযুত, আছিযানৰ ৫৩৫নিযুত আৰু ভাৰতৰ ১,০২০নিযুতক একত্ৰিত কৰিলে আছিযানৰ মানৱ সম্পদ বিশ্বৰ এক-চতুৰ্থাংশ হ'ব। এই বিশাল মানৱ সম্পদৰ দ্বাৰা সৃষ্ট বজাৰখনক ব্যৱহাৰ কৰিব পাৰিলে ভাৰতে এক দ্ৰুত অৰ্থনৈতিক পৰিৱৰ্তন আনিব পাৰিব। ভাৰতে সামূহিকভাৱে কি পদক্ষেপ গ্ৰহণ কৰে সেইটো সময়ত স্পষ্ট হ'ব— কিন্তু অসম তথা উত্তৰ-পূবে এই ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অসমৰ খিলঞ্জীয়াসকলৰ অধিকাংশৰ মূল নৃগোষ্ঠীয় আদিভূমি পূব এছিয়াৰ দেশসমূহ। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিও দক্ষিণ-পূব এছিয়াৰ লগত অসমে সম্পৰ্ক ৰক্ষা কৰাৰ অধিকাৰ নিশ্চয় দাবী কৰিব পাৰে। চীনৰ খোলা দুৱাৰ নীতি, আৰ্থিক সাফল্য আৰু নৃগোষ্ঠীয় সাদৃশ্যই পূব এছিয়াত চীনৰ ইতিমধ্যেই স্থিতি আছে। প্ৰভাৱ যথেষ্ট— যাৰ বাবে আমেৰিকা আৰু ইছলামিক গোষ্ঠীৰ প্ৰভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে। চীনক নিয়ন্ত্ৰিত কৰাৰ বাবে আমেৰিকাই এতিয়া পৰৰাষ্ট্ৰ নীতি প্ৰস্তুত কৰিবলগা হৈছে। যি কি নহওক, দক্ষিণ-পূব এছিয়াৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ বাবে বৃহৎ শক্তিৰ পৰা তৃতীয় বিশ্বৰ দেশসমূহৰো আগ্ৰহ যথেষ্ট। ভাৰতে আগ্ৰহ কমাই দিয়া বিষয়টোৰ সন্দৰ্ভতহে মুকলি আলোচনাৰ সময় হৈছে।

অসমৰ পৰা ম্যানমাৰৈহে চীনলৈ তিনিটা পথ। এটা পাটকাইহে, এটা উজনি ম্যানমাৰৈহে আৰু আনটো আৰাকানহে, তৃতীয় পথটো মনিপুৰৈহে চিন্দউইন উপত্যকালৈ। ১৯৪২চনৰ মাৰ্চ মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি ফ্ৰেংকলিন-ডি-ৰুছভেল্টৰ বিশেষ প্ৰতিনিধি হিচাবে চীনৰ ৰাজধানী চহৰ চাংকিননত উপস্থিত হয় লেফটেনেণ্ট জেনেৰেল জছেফ ষ্টিলৱেল। ষ্টিলৱেলে চীন, আমেৰিকা আৰু ব্ৰিটিছৰ সম্মিলিত বাহিনীৰ উপযুক্ত

সৰ্বাধিনায়ক হিচাবে কাৰ্যনিৰ্বাহ কৰিছিল। চীনলৈ সা-সামগ্ৰী সৰবৰাহ কৰাৰ বাবে ১৯৪২চনত জেনেৰেল ষ্টিলৱেলৰ দায়িত্বত অসমৰ লিডুৰ ৰে'লপথৰ পৰা ম্যানমাৰৰ কাচিন প্ৰদেশলৈ পথৰ পৰিকল্পনা কৰে। লিডুৰ পৰা মচিনা, টেংচং, লাংলিন্ বাতচান, দালি হৈ ১৫৬৮ কিল'মিটাৰ দৈৰ্ঘ্যৰ এই পথ ঝিন্‌মিন্ চহৰ পাইছে। এই পথ পুনৰ মুকলি কৰাৰ বাবে চিন্তা-চৰ্চা চলিছে। যাঠিৰ দশকতে এই পথ বন্ধ হৈ পূবৰ দুৱাৰ বন্ধ হৈ আছে। উত্তৰ-পূব আৰু দক্ষিণ-পূব এছিয়াৰ বাণিজ্যিক সম্পৰ্কৰ প্ৰসঙ্গত ইতিমধ্যেই বহু আলোচনা আৰু বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে। এতিয়া অসমৰ অৰ্থনীতিত বাণিজ্যিক দিশটোৰ ওপৰত পৰিকল্পনা কেনে হোৱা উচিত, সেই প্ৰসঙ্গত সিদ্ধান্ত গ্ৰহণ কৰাৰ সময় হৈছে।

ছাউথ এছিয়া গ্ৰ'থ কোৱাড্ৰেংগল নামক ছাৰ্কৰ পৃষ্ঠপোষকতাত স্থাপিত প্ৰকল্পই ভাৰত, নেপাল, ভূটান আৰু বাংলাদেশক সামৰি লৈছে। এছিয়ান ডেভেলপমেন্ট বেংকৰ পৃষ্ঠপোষতাত ছাউথ এছিয়াৰ ছাব ৰিজনেল ইকনমিক ক'ৰ্পৰেচন প্ৰগ্ৰেম প্ৰস্তু কৰা হৈছে। ইয়াৰ পিচত মেকং-গংগা ক'অপাৰেচন প্ৰকল্প ঘোষিত হয় ২০০০চনৰ ১০নৱেম্বৰত লাওছৰ ভিয়েনটিয়েন চহৰত। ভাৰত, ম্যানমাৰ, থাইলেণ্ড, কম্বোডিয়া, লাওছ আৰু ভিয়েটনামৰ মাজত পৰ্যটন, পৰিবহণ আৰু সাংস্কৃতিক আদান-প্ৰদান বৃদ্ধি কৰাৰ উদ্দেশ্যে এই অভিলাসী আঁচনি গ্ৰহণ কৰা হৈছিল। মেকং-গংগা প্ৰকল্পত অন্তৰ্ভুক্ত ছখন ৰাষ্ট্ৰই পৰস্পৰৰ মাজত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাক সম্প্ৰসাৰিত কৰাৰ অৰ্থে ইষ্ট-বেষ্ট কৰিডৰ আৰু ট্ৰান্স-এছিয়ান হাইৱে স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। অৱশ্যে প্ৰকল্পৰ অগ্ৰগতি উৎসাহজনক নহয়। শেহতীয়াভাৱে নতুন দিল্লীৰ পৰা অসম-মণিপুৰৰ মাজেৰে সুদূৰ ভিয়েটনামৰ হানয় চহৰলৈ ৰে'ল সেৱা প্ৰৱৰ্তনৰ আঁচনি গ্ৰহণ কৰা হৈছে। মণিপুৰৰ ঝিৰিবামৰ পৰা ম্যানমাৰৰ কালয় নামৰ ঠাইলৈ ৩১৫কিল'মিটাৰ ৰে'ল পথ নিৰ্মাণ কৰিলে ভাৰত-ভিয়েটনামৰ মাজত সমগ্ৰ দক্ষিণ-পূব এছিয়াক চুই ৰে'ল যোগাযোগ স্থাপন কৰাটো সম্ভৱ হৈ উঠিব। দ্বিতীয় মহাসমৰত জাপানী সেনাই তেনে এক আঁচনি লৈছিল যদিও সময়ত সম্পূৰ্ণ কৰিব নোৱাৰিলে, ইতিমধ্যে বাংলাদেশ, ভাৰত, ম্যানমাৰ, শ্ৰীলংকা, থাইলেণ্ডত অৰ্থনৈতিক সহযোগিতাৰ নামত ভাৰত-থাইলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পাদন হৈছে। বাংলাদেশ-চীন-ভাৰত-ম্যানমাৰ ৰিজনেল ইকনমিক ফ'ৰাম উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়ণৰ বাবে বিশেষ সহায়ক হ'ব পাৰে। ১৯৯৯চনৰ ১৭আগষ্টত চীনৰ ইউনান প্ৰদেশত ভাৰত, চীন, ম্যানমাৰ, বাংলাদেশৰ মাজত কুনমিং ইনিচিয়েটিভ বুলি জনাজাত আঞ্চলিক সহযোগিতা সন্মিলন হৈছিল, সেই আঞ্চলিক সহযোগিতাৰ মূল মন্ত্ৰ আছিল— শান্তিপূৰ্ণ সহ-অৱস্থান, সুনিশ্চিত উন্নয়ণ, বাণিজ্যিক সমৃদ্ধি, আপেক্ষিক সুবিধাৰ ভিত্তিত বাণিজ্য, আন্তঃগাঁথনিক সুদৃঢ়

কৰা আৰু আন্তৰ্জাতিক মানদণ্ডক উন্নত কৰা। কুনমিং ইনিচিয়েটিভৰ প্ৰস্তাৱসমূহক অসমে বিশেষ গুৰুত্ব সহকাৰে গ্ৰহণ কৰা উচিত।

ভাৰত, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডক লৈ বিমষ্টেক বুলি জনাজাত। বিমষ্টেক ৰাষ্ট্ৰসমূহৰ প্ৰথম অধিবেশনতে ৰে'ল পথৰে সংযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বিমষ্টেক ৰে'ল নেটৱৰ্কৰ আধাৰ হ'ল ট্ৰেন্স এছিয়ান ৰে'লৱে। ম্যানমাৰ-ভাৰতৰ ৰে'লপথ ২০০৫-ৰ শেষ ভাগত সম্পূৰ্ণ কৰাৰ আঁচনি আছিল। ভাৰতৰ টামু সীমান্তলৈকে ১৩৫কিল'মিটাৰ ৰে'লপথৰ সংযোগ কৰাত বাধা আছিল। থাইলেণ্ড-ম্যানমাৰৰ পথছোৱাত ৬১৪কিল'মিটাৰ নতুন ৰে'লপথ নিৰ্মাণ কৰা হৈছে। থাইলেণ্ড, ম্যানমাৰ, লাউছ আৰু কম্বোদিয়ালৈ ৰে'লপথ সম্প্ৰসাৰণ কৰা কাম চলি আছে। এছিয়াৰ ৩২খন দেশক সংযোজিত কৰি ১,৪০,০০০কিল'মিটাৰ দৈৰ্ঘ্যৰ এক এছিয়ান হাইৱে নিৰ্মাণৰ ঐতিহাসিক চুক্তিত ভাৰতে ইতিমধ্যে স্বাক্ষৰ কৰিছে। শ্বাংহাইত অনুষ্ঠিত 'ইউনাইটেড নেচন্‌ছ ইকনমিক এণ্ড ছ'চিয়েল কমিছন ফৰ এছিয়া এণ্ড পেচিফিক (ইউনেছকেপ)-ৰ ৬০তম অধিবেশনত ভাৰতৰ উপৰি পাকিস্তান, চীন, ইৰাণ, ইণ্ডোনেচিয়া, জাপান, মংগোলিয়া, কাজাখস্তান, দক্ষিণ কোৰিয়া, তুৰ্কী আৰু ভিয়েটনামে উক্ত চুক্তিত স্বাক্ষৰ কৰিছে। প্ৰস্তাৱিত এছিয়া ঘাই পথটোৱে মহাদেশখনৰ সকলো দেশৰে ৰাজধানী চহৰ, প্ৰধান বন্দৰবোৰ, বাণিজ্যিক কেন্দ্ৰসমূহ আৰু পৰ্যটন কেন্দ্ৰসমূহক স্পৰ্শ কৰিব। ২০১০চনত এই মহাদেশীয় ঘাইপথটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। প্ৰস্তাৱিত মহাদেশীয় ঘাইপথটো সম্পূৰ্ণ হ'লে তাৰ দ্বাৰা কেৱল ৩২খন এছীয়া দেশহে যে সংযোজিত হ'ব তেনে নহয়, সি এছিয়া আৰু ইউৰোপৰো সংযোগ সাধন কৰিব। এছীয় দেশকেইখনৰে বহুকেইখন হৈছে অনুন্নত আৰু নিম্ন জনমুৰি আয়ৰ দেশ। প্ৰস্তাৱিত ঘাইপথটোৱে এই অঞ্চলসমূহৰ বাণিজ্যিক সুযোগ-সুবিধা বঢ়োৱাৰ লগতে উন্নয়ণৰ দিশত পৰিৱৰ্তন আনিব। ২০১০চনত এই ঘাইপথটো সম্পূৰ্ণ হ'লে টকিঅ'ৰ পৰা যান-বাহন পোনে পোনে ইষ্টানবুললৈ যাব পাৰিব, ইয়াৰ লগতে জাপান, শ্ৰীলংকা, ফিলিপাইনছ আদি দ্বীপ ৰাষ্ট্ৰবোৰকো জলপৰিবহণ ব্যৱস্থাৰে মহাদেশখনৰ লগত সংযোজিত কৰা হ'ব। উল্লেখনীয় যে ৫৭বছৰৰ পূৰ্বে গঢ় লোৱা 'এছকাপে' (ইকনমিক এণ্ড ছ'চিয়েল কমিছন ফৰ এছিয়া এণ্ড দা পেচিফিক) বিভিন্ন এছীয় ৰাষ্ট্ৰৰ সৈতে ১৯৯২চনৰে পৰা এই পৰিকল্পনাৰ অন্তৰ্ভুক্ত হ'বলগা ঘাইপথ সম্পৰ্কে আলোচনা কৰি আহিছে, প্ৰস্তাৱিত এছীয় ঘাইপথ হৈ উঠিলে এছীয় দেশবোৰৰ উন্নয়ণ ক্ষিপ্ৰ হৈ উঠিব। ইয়াৰ সুযোগ গ্ৰহণ কৰাৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলে এতিয়াৰ পৰাই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব যাতে এই পথ অসমৰ মাজেৰে যোৱাটো নিশ্চিত হয়। ষ্টীলওয়েল ৰ'ডৰ পুনৰ নিৰ্মাণে ম্যানমাৰ, চীন তথা এছিয়ান সদস্য

দেশসমূহৰ লগত ভাৰতবৰ্ষৰ প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিব। ইতিমধ্যে চিকিম আৰু তিব্বতৰ সীমাত চিল্ক ৰ'ড মুকলি কৰিবৰ কাৰণে চুক্তি স্বাক্ষৰিত হৈছে।

আমি বিশেষভাৱে গুৰুত্ব দিয়া উচিত হ'ব যে আঞ্চলিক সহযোগিতাই সদস্য দেশসমূহত বাণিজ্যিক সম্প্ৰসাৰণ ঘটোৱাত সহায় কৰে। এনে ব্যৱস্থাই বাণিজ্যৰ সৃষ্টি কৰাৰ উপৰিও বিদেশী পুঁজি বিনিয়োগৰ মাত্ৰা বৃদ্ধি কৰে। প্ৰযুক্তিৰ আদান-প্ৰদান বৃদ্ধি কৰে আৰু সামগ্ৰীকভাৱে আৰ্থসামাজিক-ৰাজনৈতিক দিশত প্ৰভূত পৰিৱৰ্তন অনাত সহায় কৰে। লগতে আন্তৰ্জাতিক দৃশ্যপটত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সুযোগ আহিব। বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩৮শতাংশ চীন-ম্যানমাৰ-বাংলাদেশ আৰু ভাৰতৰ। অন্যহাতে বিশ্বৰ দ্ৰুততম সমৃদ্ধি লাভ কৰা দেশসমূহৰ প্ৰথম দহখনৰ ভিতৰত ভাৰত আৰু চীনৰ নাম উল্লেখিত হৈছে। ভাৰতৰ বাৰ্ষিক উন্নযণৰ হাৰ ৬% যদিও চীনৰ ১০% । চীন-ভাৰতৰ বাণিজ্যৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পাইছে। ২০০১-০২বৰ্ষত ২ ৬বিলিযন ডলাৰৰ পৰা ২০০২-০৩বৰ্ষত ৫বিলিয়ন ডলাৰ আৰু ২০০৫-ত ১০বিলিয়ন ডলাৰ স্পৰ্শ কৰিছে। দশম পৰিকল্পনাৰ সময়ছোৱাত বিশ্বৰ মুঠ ৰপ্তানিৰ ০ ৬শতাংশ অৰ্থাৎ ৪৫বিলিয়ন ডলাৰ ভাৰতৰ অংশ আছিল। ২০০৬-০৭ বৰ্যত ১শতাংশ অৰ্থাৎ ৮০বিলিযন ডলাৰৰ ৰপ্তানিৰ বজাৰত ভাৰতে ভৰি দিয়াৰ লক্ষ্য ৰাখিছে। এই দিশটোত অসমে কেনেকৈ শক্তিশালী স্থিতি ল'ব পাৰে আৰু কি কি বিষযত ল'ব পাৰে, তাৰ পৰিকল্পনা প্ৰস্তুত কৰা প্ৰয়োজন হ'ব।

পূবলৈ চোৱাৰ আগতে দক্ষিণ-পূব এছিযাৰ সৈতে অৰ্থনৈতিক সংযোগ কৰিলে অসম তথ্য উত্তৰ-পূৰ্বাঞ্চলৰ উন্নযণত কেনেদৰে সহায় হ'ব, সেইটো নিশ্চিত কৰি ল'ব লাগিব। দক্ষিণ-পূব এছিয়ামুখী উন্নযণৰ আৰ্হি আৰু নীতি কি হ'ব— সেইটোও স্পষ্ট কৰা প্ৰযোজন হ'ব। গুৰুত্বপূৰ্ণ দিশটো হ'ল অসমৰ অৰ্থনীতিত বাণিজ্যৰ দিশটোৰ ওপৰত ৰাজ্যখনৰ পৰিকল্পনা কি হ'ব তাক যুগুতাই ল'ব লাগিব। ভৌগোলিকভাৱে প্ৰায় বিচ্ছিন্ন উত্তৰ-পূৰ্বাঞ্চলে দক্ষিণ-পূব এছিযাৰ বাণিজ্যৰ বজাৰৰ মাজত 'বাণিজ্য-সেতু' হিচাপে আগবাঢ়ি আহিব পাৰিব। চীন আৰু দক্ষিণ এছিয়াৰ বজাৰৰ মাজত ভাৰতৰ বাণিজ্যিক কৰিডৰ হিচাপে অসম তথা উত্তৰ-পূবে সেৱা বাণিজ্য আৰম্ভ কৰাৰ বাবে আমি নিজকে প্ৰস্তুত কৰিব লাগিব।

❑ ❑ ❑

সীমান্ত বাণিজ্যৰ সুযোগ অসমে ল'ব লাগিব

উত্তৰ-পূবৰ ২ শতাংশতকৈ কম সীমান্ত ভাৰতৰ লগত আৰু ৯৮ শতাংশ ভূটান, বাংলাদেশ, ম্যানমাৰ আৰু চীনৰ লগত সম্পৰ্ক। এচ পি শুক্লা আয়োগৰ প্ৰতিবেদন মতে অসম তথা উত্তৰ-পূবে দক্ষিণ-পূব এচিয়া আৰু দক্ষিণ-পশ্চিম চীনৰ লগত বাণিজ্যিক সম্পৰ্ক কৰিব পাৰিলে এই অঞ্চলৰ উন্নযনৰ নতুন ধাৰা আৰম্ভ হ'ব। তাৰ বাবে য'ৰেৰ যোগেদি ম্যানমাৰ, নিউমানা ট্ৰিট্ৰিৰ যোগে বাংলাদেশ, প্ৰস্তাবিত ট্ৰান্স এচিয়ান হাইৱে, এছিয়ান ৰে'লৱে আঁচনি কাৰ্যকৰী কৰাত অধিক গুৰুত্ব দিব লাগিব। শুক্লা আয়োগৰ প্ৰতিবেদনৰ পৰামৰ্শ আগত ৰাখিয়েই অসমে সীমান্ত বাণিজ্যৰ ক্ষেত্ৰখনত গুৰুত্ব দিব লাগিব। ভাৰত-চীন-ম্যানমাৰ-বাংলাদেশ এই বিশেষ মণ্ডল বিশ্ব বাণিজ্যৰ এক বৃহৎ বজাৰৰ স্থল। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যকেইখন এই দেশসমূহৰ সমীপবৰ্তী হোৱাৰ উপৰিও জনগাথঁনি, সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক মানৱ সম্পদৰ সম্পৰ্কৰ দিশত পূব এচিয়ানৰ দেশসমূহৰ লগত একাকাৰ হৈ আছে। ক্ৰয় ক্ষমতাই মানৱ সম্পদৰ উন্নয়নৰ সূচকাংক বজাৰৰ স্থিতি সম্ভাৱনীয়তা নিৰ্ণয় কৰে। দক্ষিণ পূব এচিয়াৰ লগত বাণিজ্যিক খুপনি অনা স্বাৰ্থত এই অঞ্চলৰ শিক্ষাৰ হাৰ, জীৱন ধাৰণৰ মানদণ্ড আদিৰ লগতে মানসিক আবেদনক গুৰুত্বপূৰ্ণভাৱে অগ্ৰাধিকাৰ দিব লাগিব। মানৱ সম্পদৰ উৎপাদনতাৰ গুণৰাজিয়েহে ৰাজ্যৰ উন্নয়ন গতিশীল কৰিব পাৰে। উত্তৰ-পূবৰ ৰাজ্যৰ বাবে দক্ষিণ পূব-এচিয়াৰ দেশসমূহৰ লগত বাণিজ্যৰ মূল কাম হিচাপে পৰিগণিত হ'ব পাৰে। উত্তৰ-পূবত ইতিমধ্যেই প্ৰায় ৩৭ টা মান বাণিজ্য-চকী খোলা আছে। এই অকৰ্তৃত্বশীল বাণিজ্যিক আইন তথা নীতিগত ব্যৱসায়লৈ পৰিৱৰ্তন কৰিব পাৰিলে বিশাল বজাৰ মুকলি হ'ব আৰু ৰাজ্যলৈ বৃহৎ পৰিমাণৰ শুল্ক-অহাৰ পথ মুকলি হ'ব। বিশ্ববেংকৰ এক প্ৰতিবেদন মতে চীন, লাওচ, ভিয়েটনাম, থাইলেণ্ড, ম্যানমাৰ, বাংলাদেশ, তিব্বত, কম্বোডিয়া আদিৰ লগত বাণিজ্যৰ বৃদ্ধিয়ে উত্তৰ-পূবৰ উন্নয়নৰ গতি বৃদ্ধি কৰাত সহায় কৰিব। আমি মনত ৰখা ভাল যে গুৱাহাটী মহানগৰী উত্তৰ পূবৰ দুৱাৰেই নহয়, সমগ্ৰ দক্ষিণ পূব এচিয়াৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কেন্দ্ৰ হোৱাৰ সকলোখিনি সম্ভাৱনা

আছে। সেইটো স্থানলৈ নিবলৈ মাথো যোগ্য ৰাজনৈতিক নেতৃত্বৰ প্ৰয়োজন। উত্তৰ-পূবক এক সুকীয়া অৰ্থনৈতিক মণ্ডলহিচাপে গ্ৰহণ কৰিব লাগিব।

১৯৭০ চনত ম্যানমাৰ-ভাৰতৰ মাজত সাধাৰণ বাণিজ্য চুক্তি সম্পাদন হয় যদিও ১৯৯৪ চনত সীমান্ত বাণিজ্য চুক্তি হয়। ১৯৯৫ চনত সীমান্ত বাণিজ্য মুকলি হয়। ২০০৩ চনৰ ১৫ জুলাইত ভাৰত ম্যানমাৰৰ মাজত হোৱা বিনিয়োজন বাণিজ্য চুক্তি মৰ্মে ভাৰতৰ বজাৰৰ চাহিদা পূৰণ কৰাৰ বাবে কাৰিকৰী আৰু বিত্তীয় সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত কৰা হয় ভাৰত ম্যানমাৰৰ মূল বাণিজ্য কেন্দ্ৰ অনুসাৰে। ২০০২-০৩ বৰ্ষত প্ৰায় ১২ নিযুত ডলাৰৰ ব্যৱসায় হৈছে। ইতিমধ্যে নতুনকৈ ৰাই-চানপাত বাণিজ্য কেন্দ্ৰই গুৰুত্ব পাবলৈ আৰম্ভ কৰিছে। ভাৰত ম্যানমাৰ সীমান্তত দহটা বিশেষ পথ আছে। য'ৰ পৰা বে-আইনীভাৱে বাণিজ্য চলে। আতামু-মোৰে পথেৰে বিশেষভাৱে বে-আইনী বাণিজ্য চলি আছে। ভাৰতবৰ্ষ আৰু এচিয়ানৰ মাজত শেহতীয়াকৈ হোৱা চুক্তি অনুসৰি ২০১২ চনৰ ভিতৰত মুক্ত বাণিজ্য ব্যৱস্থা, সন্ত্ৰাসকলৰ বিৰুদ্ধে যৌথ কৰ্মব্যৱস্থা আৰু মৈত্ৰী-সহযোগিতাৰ ভিত্তিত আগবাঢ়িব। ২০১২ চনৰ ভিতৰত এই অঞ্চলত বাণিজ্য বৃদ্ধি কৰাৰ বাবে ১০৫ বিধ সামগ্ৰীৰ শুল্ক আঁতৰোৱাৰ সিদ্ধান্ত লোৱা হৈছে। পূৰ্ব নিৰ্ধাৰিত দ্বিপাক্ষিক চুক্তি নোহোৱাকৈ উৰাজাহাজৰ দৈনিক মুক্ত উৰণৰ ব্যৱস্থা কৰা হৈছে। ২০০৪ ৰ মাৰ্চৰ পৰা শুল্ক বিহীনভাৱে বাণিজ্য চলিছে।

১৯৯৬-২০০১ ৰ তথ্যলৈ লক্ষ্য কৰিলে দেখা যায় সেই পাঁচটা বছৰত ম্যানমাৰ-বাংলাদেশৰ সীমান্ত বাণিজ্য হয় ৮৫০ ৯৬ কোটি টকাৰ ৮৬·৫ শতাংশ অৰ্থাৎ ৭৩২·৬৪ কোটি টকাৰ ৰপ্তানি হয় আৰু ১৩ ৫ শতাংশ অৰ্থাৎ ১১৭ ৮৫ কোটি টকাৰ আমদানি হয়। তথ্যলৈ লক্ষ্য কৰি দেখা যায় উত্তৰ পূবৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰ দুখনলৈ ৰপ্তানিৰ অংশটো ডাঙৰ। গতিকে ৰপ্তানিৰ বজাৰখনত আমি নিশ্চয় গুৰুত্ব দিব পাৰো। উল্লেখিত পাঁচটা বছৰত বাংলাদেশৰ লগত ৬৬৩·৩৩ কোটিৰ ৰপ্তানি বাণিজ্য আৰু ৫১·৮১ কোটিৰ আমদানি বাণিজ্য চলে। বাংলাদেশলৈ যোৱা সামগ্ৰী সমূহৰ ১৯ শতাংশ অৰ্থাৎ ১২৪·৬৭ কোটি টকা বাচমুতি-চাউলৰ। ৪·৫৭ শতাংশ অৰ্থাৎ ৩০·২৯ কোটি টকাৰ চূণশিল। ম্যানমাৰলৈ ৬৮·১৪ কোটি টকাৰ সামগ্ৰী যায় আৰু ৬৬·০৭ কোটি টকাৰ সামগ্ৰী ম্যানমাৰৰ পৰা এই অঞ্চললৈ আহে।

১৯৯৮-২০০১ বৰ্ষত সীমান্ত বাণিজ্য

ডাউকী — ১৮২·৯৮ কোটি

চুটাৰখনিজ — ১৫১·৯৯ ,,

মোৰে — ১৩৫·৩৭ ,,

ফেৰিফাই — ১০৯·৬৭ ,,

বৰচৰা — ৭৮·৫৮ ,,

ঘনচোপাৰা — ৫৯·৫৪ কোটি
আগৰতলা — ৪৭·৫০ „
মহেন্দ্ৰগঞ্জ — ৪২·৫৩ „
ভোলাগঞ্জ — ১৯·৪০ „
চেলাবজাৰ — ১২·০৮ „
বাঘমৰা — ৯·০৪ „
শ্ৰীমন্ত পুৰ — ২·০৭ „
ভালো — ১·০৭ „
ৰঙাবজাৰ — ০·৮৪ „

অকৰ্তৃত্বশীলভাৱে ম্যানমাৰ সীমান্ত ২২৪·৮৯ কোটি আৰু বাংলাদেশ সীমান্তত ১০৬ ১৪ কোটি টকাৰ বাণিজ্য চলে এটা বছৰত। উত্তৰ-পূৰ্বাঞ্চলৰ লগত বাংলাদেশ আৰু ম্যানমাৰ বাণিজ্যৰ বাবে নদী পৰিবহণক গুৰুত্ব দিব পাৰি। কালাডাইন নদী আৰু কৰ্ণফুলি নদী বাণিজ্যিক পৰিবহণৰ বাবে অনুকূল। অৰুণাচলৰ পাচিঘাট, মেঘালয়ৰ বৰ্ণিহাট, ডাউকি, মিজোৰামৰ ভৈৰবী, ত্ৰিপুৰাৰ একহাউৰা, মণিপুৰৰ কৰঙ্গৰ মাজত ৰে'ল সম্প্ৰসাৰণ কৰিলে সীমান্ত বাণিজ্য অতি সহজ হৈ পৰিব। পৰিবহণ ব্যৱস্থাৰ উত্তৰণ সাধিব পাৰিলে আৰু সীমান্ত বাণিজ্য নীতিৰ শিথিলতা আনিব পাৰিলে বাণিজ্যৰ অংশটো বৃদ্ধি হ'ব। মেঘালয়ৰ পৰা বছৰি ২০০ কোটি টকা মূল্যৰ কয়লা চূণশিল বাংলাদেশলৈ যায়। ২০০১-০২ চনত ডাউকীৰ পৰা ৩৩৬.৫৭ কোটি টকাৰ সামগ্ৰী বাংলাদেশলৈ ৰপ্তানি হয়। অসমৰ ধুবুৰী জিলাৰ মানকাছাৰ, কৰিমগঞ্জৰ ষ্টিমাৰঘাট, টুটাৰবাণিজ্য, পশ্চিম গাৰোপাহাৰৰ বৰচ'ৰা, যাচুপাৰা, মহেন্দ্ৰগঞ্জ, ডাউকী, মৌচিনৰামৰ ওচৰত সীমামূৰীয়া বাণিজ্যিক লেনদেনৰ স্থল আছে।

বৈদেশিক বাণিজ্য আৰু বিনিয়োগৰ ওপৰতেই দেশৰ অৰ্থনৈতিক উত্তৰণ নিৰ্ভৰ কৰে। ভাৰতৰ বাবে সুচল বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰখন হ'ল চীন আৰু এচিয়াৰ আন দেশসমূহ। বাংলাদেশ ভাৰতৰ ষষ্ঠ বৃহৎ বাণিজ্যিক বন্ধু ৰাষ্ট্ৰ। আজি উন্নত দেশ সমূহৰ বিশেষকৈ আমেৰিকা, ফ্ৰান্স, ইটালি, জাপান, ইংলেণ্ড, জাৰ্মেনী, কানাডাত বজাৰ ব্যৱস্থাই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইয়াৰ বিপৰীতে ভাৰত, চীন, ব্ৰাজিল, ৰাছিয়াত বৃহৎ বজাৰ মুকলি হৈছে, দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ বাহিৰেও আমেৰিকা, ইংলেণ্ড, জামেনী, ইৰান, সংযুক্ত আৰব আদি দেশলৈ ভাৰতৰ পৰা বৃহৎ পৰিমাণৰ সামগ্ৰী ৰপ্তানি হয়। উত্তৰ পূবৰ পৰা এই অঞ্চলসমূহলৈ সামগ্ৰী ৰপ্তানি কৰাৰ কথা আমি চিন্তা কৰিব পাৰো। দেশৰ ৩,০০০ বিধ সামগ্ৰী বিশ্বৰ ১২০ খন দেশলৈ ৰপ্তানি হয়। CMIE ৰ প্ৰতিবেদন মতে ২০০২-০৩ বৰ্ষত ২,৯৬,৫৯৭ কোটি টকাৰ ৰপ্তানিৰ তথ্য পোৱা যায়। CMIE ৰ প্ৰতিবেদন মতে ভাৰতৰ ৰপ্তানিৰ বজাৰখন

২০০০-০১ বৰ্ষত ৪৪,৪০০.০৩ মাৰ্কিন ডলাৰ।

২০০১-০২ বৰ্ষত ৪৩,৯৭৬.০১ মাৰ্কিন ডলাৰ।

২০০২-০৩ বৰ্ষত ৫২,৩৭০.০০ মাৰ্কিন ডলাৰ।

ম্যানমাৰ, বাংলাদেশৰ বাণিজ্যিক স্থিতি ঃ সীমান্ত বাণিজ্যত গুৰুত্ব দিবলৈ যোৱাৰ আগতে চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ বাণিজ্যিক দিশটোৰ প্ৰতি বিশেষভাৱে নজৰ দিয়া উচিত হ'ব। ম্যানমাৰত খনিজ সম্পদৰ ক্ষেত্ৰত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, জিংক, কপাৰ, সোণ, সংশোধিত ৰূপৰ ভড়াল আছে। অন্যান্য উদ্যোগৰ ক্ষেত্ৰত বিশেষকৈ বস্ত্ৰ উদ্যোগ, ঔষধি উদ্যোগ, কাগজ আৰু ৰাসায়নিক উদ্যোগত চহকী। ভাৰতে ম্যানমাৰৰ পৰা বিশেষকৈ কৃষিজাত সামগ্ৰী, বনাঞ্চলৰ সম্পদ, কাঠ, ফল-মূল আদি আমদানি কৰে। ১৯৯৯ চনত ভাৰতে ম্যানমাৰৰ পৰা ৭৩৫ কোটি টকাৰ সামগ্ৰী আমদানি কৰিছিল আৰু ১৮৮.০৯ কোটি টকাৰ সামগ্ৰী প্ৰেৰণ কৰিছিল। ১৯৯১ চনৰ তথ্য মতে ম্যানমাৰ বাণিজ্যৰ তথ্য হ'ল—

আমদানি	(শতাংশ)	ৰপ্তানি	(শতাংশ)
ভাৰত	১২·৫	চিঙ্গাপুৰ	২৭·৭
চীন	১০·৮	থাইলেণ্ড	১২·৯
থাইলেণ্ড	১০·৪	জাপান	১১·৬
জাপান	৫·০	মালয়েচিয়া	৬·২

ভাৰতৰ লগত ম্যানমাৰৰ ভৌগোলিক সম্পৰ্ক ১৬৪৩ কিল'মিটাৰৰ। অৰুণাচল প্ৰদেশৰ লগত ৫২০ কিঃমিঃ, মণিপুৰৰ লগত ৩৯৮ কিঃমিঃ, মিজোৰামৰ লগত ৫১০ কিঃমিঃ আৰু নাগালেণ্ডৰ লগত ২১৫ কিঃমিঃ। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত অৰুণাচল প্ৰদেশ, চীন, ম্যানমাৰ আৰু ভোটৰ লগত বিশেষভাৱে সম্পৰ্ক থকা ৰাজ্য ম্যানমাৰৰ লগত সীমান্ত বাণিজ্যৰ সুচল কৰাৰ বাবে মোৰেই ইউ বি আইৰ এটা শাখা আছে। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে মোৰেৰ ইউ বি আইৰ শাখাৰ দ্বাৰা বাণিজ্যিক লেনদেন কৰাৰ বাবে বিশেষ ব্যৱস্থা কৰি দিছে।

ভাৰত বাংলাদেশৰ মাজত ১৯৯৯ চনৰ তথ্য মতে ২৭৮৯.০২ কোটি টকাৰ ৰপ্তানি আৰু ৩৪৫.৫৪ কোটি টকাৰ আমদানি বাণিজ্য চলে। উত্তৰ পূবৰ লগত বাংলাদেশৰ ভৌগোলিক সম্পৰ্ক ১৮৮০ কিল'মিটাৰৰ। অসমৰ লগত ২৬৩ কিঃমিঃ, মেঘালয়ৰ লগত ৪৪৩ কিঃমিঃ, ত্ৰিপুৰাৰ লগত ৮৫৬ কিঃমিঃ আৰু মিজোৰামৰ লগত ৩১৮ কিঃমিঃ, অসমৰ পৰা বাংলাদেশৰ লগত সুতাৰকান্দি, ধুবুৰী, গোলোকগঞ্জ, মানকাচাৰ পৰা বিশেষভাৱে বাণিজ্য চলে। পশ্চিম গাৰো পাহাৰৰ ভালু সীমান্ত, মহেন্দ্ৰগঞ্জ সীমান্ত, বৰচৰা সীমান্ত, ভলাগঞ্জ সীমান্ত, পূব খাচি পাহাৰৰ ডাইটি সীমান্ত, চেলাবজাৰ সীমান্ত;

ত্ৰিপুৰাৰ শ্ৰীমন্তপুৰ সীমান্ত, আগৰতলা; মিজোৰামৰ টালাবাং সীমান্তৰ পৰা বাংলাদেশৰ লগত বাণিজ্য চলি আছে। এটা সময়ত গোলোকগঞ্জ ৰে'ল ষ্টেচনৰ পৰা বাংলাদেশৰ লগত যোগাযোগ আছিল। আগৰতলা ঢাকাৰ মাজত বাছ যোগাযোগ আছে। সীমান্ত বাণিজ্যৰ দিশ বিলাক সহজ কৰি নিদিয়াৰ বাবে নীতি নিয়ম বহিঃকৃতভাৱে সীমান্তত ব্যৱসায় চলি আছে। অসমৰ ষ্টিমাৰ ঘাট, কাটিগৰা, শিলচৰ, গোলোকগঞ্জ আদি পাঁচটা স্থানৰ পৰা বিশেষভাৱে বে-আইনী সীমান্ত বাণিজ্য চলি আছে। ফলত ৰাজ্যখনে বহু ৰাজহ হেৰুৱাব লগা হৈছে আৰু মুক্তভাৱে বাণিজ্যত জড়িত হ'ব নোৱাৰাৰ বাবেও সীমান্ত বাণিজ্যৰ গতি অতি মন্থৰ। এনেধৰণৰ বে-আইনী পথ সমূহ ত্ৰিপুৰাত ৯ টা, মেঘালয়ত ১৮ টা, মিজোৰামত ২ টা। একেদৰে ম্যানমাৰৰ লগত মণিপুৰৰ ১ টা, নাগালেণ্ডত ৫ টা, মিজোৰামৰ ২ টা আৰু অৰুণাচল প্ৰদেশত ২ টা পথৰে বিশেষভাৱে বে-আইনী সীমান্ত বাণিজ্য চলি আছে।

দক্ষিণ পূব এচিয়াৰ লগত অসমৰ বাণিজ্য ঃ অসমে ভৱিষ্যতৰ স্বাৰ্থত ASEAN (Association of South East Asian Nations); ECO (Economic corporation organisation); SAARC (South Asian Association for Regional Co-operation); ESCAP (Economic & Social Commission for Asian & the Pacific) ৰ সংস্থা সমূহৰ কাৰ্যক্ৰমণিকাৰ লগতে সংস্থা সমূহৰ লগতে সততে সম্পদ ৰাখিব লাগিব। অসমে দক্ষিণ পূব এচিয়াৰ লগত কোন বিলাক বিষয়ত বাণিজ্য গঢ়ি তোলিব পাৰিব, সেইটো এতিয়াই নিশ্চিত কৰি লোৱা উচিত হ'ব। নতুন দিল্লীৰ IIFT (ইণ্ডিয়ান ইনষ্টিটিউট অব ফৰেইন ট্ৰেড); FICCI (ফেডাৰেশ্যন অব ইণ্ডিয়ান চেম্বাৰ্ছ অব কমাৰ্ছ এণ্ড ইণ্ডাষ্ট্ৰিজ; কলকাতাৰ FIEO (ফেডাৰেশ্যন অব ইণ্ডিয়ান এক্সপৰ্ট অৰ্গেনাইজেশ্যন, গুৱাহাটীৰ- IIE (ইণ্ডিয়ান ইনষ্টিটিউট অব এণ্টাৰপ্ৰিনিঅ'ৰশ্বিপ আৰু কলকাতাৰ টামা কনছালটেনচীয়ে চলোৱা সমীক্ষাত অসমে দক্ষিণ পূবৰ লগত কৰিব পৰা বাণিজ্যৰ বহু-দিশ উন্মোচিত হৈছে। সমীক্ষা সমূহৰ মতে অসমে দক্ষিণ পূব এচিয়াৰ লগত বাণিজ্য কৰিব পৰা সামগ্ৰী সমূহ হ'ল ক্ৰমে— সাৰ, হস্তনিৰ্মিত কাগজ, পেকেজিং পেপাৰ, হাতেৰে বোৱা কাৰ্পেট, মেনুজাতীয় ফল, চাইকেলৰ টায়াৰ-টিউব, ৰবৰ পাইপ, বস্ত্ৰ, ছিল্ক, মুৰ্গী, কেতেকী ফুলৰ তেল, সাঁচিপাতৰ তেল, গ্ৰেডিয়াল-জাৰবেৰা আদি ফুল, আনৰম, নেমু, কমলা, ৰবাব টেঙা, আলংকৰিদ মাছ— বটিয়া, খলিহনা, ডৰিকণা, চেঙেলী, ডুবা, ভেটেলি, সতেজ ফল মূল, ফলৰ ৰসৰ পৰা উৎপাদিৎ সামগ্ৰী, সতেজ শাক পাচলি, বিভিন্ন জাতৰ ফুল, হস্তজাত সামগ্ৰী, মান্যপোচাক, বনৌষধি ঔষধ, ধূপ, বাঁহবেতৰ সামগ্ৰী, আৰু তেল, পাচাউলী তেল, জলকীয়া, আদা, কপৌফুল, তেজপাত, ডাঙৰ-বীলাহি, ইয়াৰ লগতে কয়লা, চূণশিল, কাৰ্বন, জি আই পাইপ, ৰবৰ আৰু ৰবৰেৰে তৈয়াৰী সামগ্ৰী আৰু চাহপাতকৈলে অসমে

দক্ষিণ পূব এচিয়াৰ দেশসমূহৰ লগত বাণিজ্য কৰিব পাৰে। আমি এই দিশটোত বিশেষভাৱে গুৰুত্ব দিব লাগিব। সীমান্ত বাণিজ্যৰ সুযোগ অসমে ল'ব পাৰিব লাগিব।

দক্ষিণ পূব এচিয়াৰ বিভিন্ন সম্পদসমূহ ঃ দক্ষিণ পূব এচিযাৰ ম্যানমাৰ, থাইলেণ্ড, লাওছ, ভিয়েটনাম, কম্বোডিয়া, মালয়েচিয়া, ইণ্ডোনেচিয়া আদি প্ৰতিখন দেশ নিজা নিজা সম্পদৰ কাৰণে চহকী।

কৃষি সম্পদ ঃ ধান— ম্যানমাৰ, থাইলেণ্ড, লাওছ, ভিয়েটনাম। ধানৰপৰা উৎপাদিত চাউল এই অঞ্চলৰ পৰা বিভিন্ন দেশলৈ ৰপ্তানি হয়।

মাকৈ — ম্যানমাৰ, থাইলেণ্ড, লাওছ, ভিযেটনাম, মালয়েচিয়া, ইণ্ডোনেচিয়া।

কঁপাহ — ম্যানমাৰ, থাইলেণ্ড, লাওছ—, ভিয়েটনামত প্ৰচুৰ কপাহ উৎপাদন হয।

কুঁহিয়াৰ — ম্যানমাৰ, থাইলেণ্ড, লাওছ, ভিয়েটনাম, কম্বোডিযা, ইণ্ডোনেচিয়া। ইণ্ডোনেচিয়াত যথেষ্ট কুঁহিয়াৰ উৎপন্ন হয়।

মৰাপাট — ম্যানমাৰ, থাইলেণ্ড, ভিয়েটনাম, কম্বোডিয়া ইণ্ডোনেচিয়া।

ৰবৰ — থাইলেণ্ড, মালয়েচিয়া, কম্বোদিয়া, ইণ্ডোনেচিয়া,

কফি — লাওছ, ভিয়েটনাম, মালয়েচিয়া, ইণ্ডোনেচিয়া।

চাহপাত — ভিয়েটনাম, মালয়েচিযা, ইণ্ডোনেচিয়া।

মছলা — ভিয়েটনাম, ইণ্ডোনেচিয়া।

নাৰিকল — পৃথিৱীৰ ভিতৰতে বৃহৎ উৎপাদক মালযেচিয়া।

বনজ সম্পদ ঃ

কাঠ — ম্যানমাৰ, থাইলেণ্ড, লাওছ, মালয়েচিয়া, ইণ্ডোনেচিয়া।

খনিজ সম্পদ ঃ

টিন — ম্যানমাৰ, থাইলেণ্ড, লাওছ, মালয়েচিয়া, ইণ্ডোনেচিয়া।

লোৰ খনি — ম্যানমাৰ, থাইলেণ্ড, ভিয়েটনাম, ইণ্ডোনেচিয়া।

কয়লা — ম্যানমাৰ, থাইলেণ্ড, ভিয়েটনাম, ইণ্ডোনেচিয়া।

বক্সাইট — মালয়েচিয়া ইণ্ডোনেচিয়া।

পেট্ৰ'লিয়াম — মালয়েচিয়া, ইণ্ডোনেচিয়া।

ইয়াৰোপৰি থাইলেণ্ড, ভিয়েটনাম, ইণ্ডোনেচিয়াৰ কঁপাহী কাপোৰৰ উদ্যোগ, ম্যানমাৰ, কম্বোডিয়া, মালয়েচিয়া, ইণ্ডোনেচিয়াৰ চেনী উৎপাদনৰ উদ্যোগ, থাইলেণ্ড, ভিয়েটনাম, ইণ্ডোনেচিয়াৰ কাগজ উৎপাদনৰ উদ্যোগ আৰু ভিয়েটনাম, মালয়েচিয়া, ইণ্ডোনেচিয়া চিমেণ্ট উৎপাদনৰ উদ্যোগৰ বাবে বিশেষ ভাৱে বিখ্যাত।

❑ ❑ ❑

গ্ৰাম্য অঞ্চলৰ পৰাই আৰম্ভ হওঁক অসমৰ অৰ্থনৈতিক পুনৰগঠনৰ সংগ্ৰাম

২০০১ চনৰ লোক পিয়লৰ পৰা এইটো স্পষ্ট হৈছে যে অসমৰ ২৬৬ লাখ জনসংখ্যাৰ ভিতৰত ২৩৭ লাখ মানুহে গাঁৱত বাস কৰে আৰু মাত্ৰ ২৯ লাখ মানুহে নগৰ অঞ্চলত বাস কৰে। সৰ্বভাৰতীয় হাৰত ৭৪.৩ শতাংশ গ্ৰাম্য অঞ্চলৰ জনসংখ্যাৰ তুলনাত অসমৰ মুঠ জনসংখ্যাৰ ৮৯ শতাংশ মানুহ গাওঁ অঞ্চলত বাস কৰে। সংখ্যাগৰিষ্ঠ সংখ্যক গ্ৰাম্য অঞ্চলত বসবাস কৰাৰ প্ৰতি লক্ষ্যৰাখি অসমৰ অৰ্থনৈতিক পৰিকল্পনা বা উন্নয়নৰ দিশ গ্ৰাম্য অঞ্চলক মুখ্য কৰি ল'ব লাগিছিল, ৰাজ্য ভিত্তিক প্ৰকৃতাৰ্থত কোনো পৰিকল্পিত উত্তৰণৰ আঁচনি বৰ্তমানো হৈ উঠা নাই যদিও যি সামান্য উন্নয়নৰ কাম হৈছে, তাৰ কাৰ্যকৰী দিশটো নগৰ অঞ্চলতে সীমাবদ্ধ হৈ থকা পৰিলক্ষিত হৈছে। নগৰ অঞ্চলৰ শ্ৰমিক ওপৰলৈ যোৱাৰ বিপৰীতে গ্ৰাম্য অঞ্চলত উন্নয়নৰ গ্ৰাফডাল তললৈ নামি আহিব লৈছে। পৰিশ্ৰমৰ উপায় উদ্ভাৱন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে আজিও গুৰুত্ব দিব নিবিচৰাটোহে অতি পৰিতাপৰ বিষয়, গ্ৰাম্য অৰ্থনীতি ভাঙি পৰাৰ বাবেই অসমৰ জনমূৰি আয়ৰ বৃদ্ধিত বাধা পৰিল। আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ ৮৯ শতাংশ অসমবাসী জনগন বাস কৰা গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিশেষ এখন গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ কাৰ্যসূচী প্ৰস্তুত কৰিব লাগে। য'ত সামান্য হ'লেও নগৰ ভিত্তিক উন্নয়নৰ গতিয়ে আজি গাওঁ আৰু নগৰৰ মাজত ব্যৱধান বৃদ্ধি কৰিছে। নগৰ অঞ্চলত এক ভোগবাদী সমাজৰ প্ৰগতি গা কৰি উঠাত গ্ৰাম্য অঞ্চললৈ আঁতৰি গৈছে আৰু সামূহিক ভাবেই সকলো ক্ষেত্ৰৰ পৰা গ্ৰাম্য উন্নয়নত পিঠি দিবলৈ আৰম্ভ কৰিছে।

কৃষি আৰু কুটীৰ শিল্পৰ অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত গ্ৰাম্য অৰ্থনীতিক গতি দিয়াত চৰকাৰসমূহে নীতি তথা পৰিকল্পনাসমূহ যিহেতু চৰকাৰৰ দ্বাৰাই কৰা সম্ভৱ, এনেস্থলত গ্ৰাম্য অৰ্থনীতিৰ ভেটি গঢ়িবলৈ চৰকাৰ কেন্দ্ৰিক হোৱাটো স্বাভাৱিক, অসম প্ৰায় ৩৪৬০ হাজাৰ হেক্টৰ কৃষি উৎপাদনত জড়িত মাটিৰ লগত সংগতি ৰাখি আন্তঃগাঁথনিৰ সমস্যাসমূহ চিনাক্ত কৰি সমাধান কৰ্মত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন হৈ পৰিছে।

আমি এইটো লক্ষ্য ৰখা প্ৰয়োজন যে ১৯৫১ ৰ পৰা ২০০১ চনলৈ যোৱা পাঁচটা দশকত অসমৰ জনসংখ্যা চাৰিগুণলৈ বৃদ্ধি হৈছে। পূৰ্বৰ অসমক খণ্ড বিখণ্ড কৰি ৪৪ শতাংশ ভৌগোলিক আয়তন কমি-অহাৰ পিছতো অসমৰ জনসংখ্যা '৫০-'৫১ ৰ ভাৰতৰ ২·২ শতাংশৰ পৰা বৰ্তমান ২.৭ শতাংশলৈ বৃদ্ধি পাইছে। তুলনামুলকভাৱে আমি যিদৰে কৃষি উৎপাদন বৃদ্ধি কৰিব পৰা নাই, একদৰে কৃষকৰ সংখ্যাও বৃদ্ধি কৰিব পৰা নাই। বৰ্তমান অসমত কৃষক ৭৩·৯৯ শতাংশ যদিও ৫০·৯০ শতাংহতে প্ৰকৃত কৃষক। ১২·০৮ শতাংশ কৃষি শ্ৰমিক। ১০ ৫২ শতাংশই কোৱাৰি-খনি আদিত শ্ৰম কৰে উৎপাদনৰ প্ৰতি, আমি নিজকে আকৃষ্ট কৰিব যোৱাটো আমাৰ বাবে গুৰুত্বপূৰ্ণ সমস্যা। বিভিন্ন ক্ষেত্ৰত ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত আমি প্ৰতিযোগিতাত থিয় হ'বলৈ যাওঁতে, ৰাষ্ট্ৰৰ দ্বাৰা আমাক শোষিত আৰু প্ৰবঞ্চিত কৰা বুলি যুক্তিগতভাৱে ক'বলৈ যাওঁতে আমি নিজকে উৎপাদনৰ ক্ষেত্ৰত কিমান দূৰ জড়িত কৰিব পাৰিছো, সেইটো হৃদয়ঙ্গম কৰা নিশ্চয় প্ৰয়োজন। প্ৰতিটোতে শস্য উৎপাদন অসমৰ ১২৫৬ কেজিৰ বিপৰীতে অন্ধ্ৰত ১৫১৭ কেজি, বিহাৰত ১৬১৫ কেজি, পশ্চিমবঙ্গত ১৭২৭ কেজি হাৰিয়ানাত ২৩৫০ কেজি আৰু পাঞ্জাবত ৩৩৮৯ কেজি। অসমৰ কৃষি খণ্ডত উচ্চ হাৰত উৎপাদন নোহোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰি সমাধান সূত্ৰ নিৰ্ণয় কৰা অতীব প্ৰয়োজনীয় দিশটোক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিব লাগিব।

অসমৰ ৩৬ ভাগ মানুহৰ ভূমিৰ পৰিমাণ ৩.৫ বিঘাতকৈ কম। ২৪ ভাগৰ ভূমিৰ পৰিমাণ ৩.৫-৭ বিঘা। প্ৰায় ৬০ শতাংশই দৰিদ্ৰতাৰ লগত যুঁজিব লগা হয়। কৃষি উৎপাদনৰ সহযোগী দিশসমূহলৈ লক্ষ্য কৰিলেও দেখা যায় যে প্ৰতিটো ক্ষেত্ৰতে অসমৰ স্থান পিছত। উৎপাদনত জড়িত প্ৰতিটো ক্ষেত্ৰতে অসমৰ অৱস্থালৈ লক্ষ্য কৰি অসমত সাধাৰণতেই এই প্ৰশ্ন আহে যে অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব কি? অসমত আজি জনমুৰি খাদ্য উৎপাদন অতি নিম্ন স্তৰত। মাত্ৰ ১৩৫ কেজি। অসমৰ তুলনাত ভাৰতৰ আন অঞ্চলত জনমুৰি খাদ্য উৎপাদন ১৯৩ কেজি। জম্মু-কাশ্মীৰত ১৬৯ কেজি, উৰিষ্যাত ২৩০ কেজি, উত্তৰ প্ৰদেশত ২৫২ কেজি, পশ্চিমবংগত ২৭০ কেজি, হাৰিয়ানাত ৫৮০ কেজি আৰু পাঞ্জাৱত ৯১৩ কেজি। গ্ৰাম্য অৰ্থনীতি গঢ়ি তোলাৰ অন্যতম বাহক কৃষি ক্ষেত্ৰত যথেষ্ট সমস্যা আছে। জলসিঞ্চনৰ অভাৱ, সাৰ প্ৰয়োগৰ নিম্ন স্তৰ। যিটো সময়ত প্ৰতি হেক্টৰত সৰ্বভাৰতীয় গড় হিচাপে সাৰৰ ব্যৱস্থা ৭২.৪ কেজি সেই সময়ত অসমত ব্যৱহাৰ হয় প্ৰতি হেক্টৰত মাত্ৰ ১০.৫ কেজি। অতি জটিল সমস্যা হ'ল — অসমৰ মাটিৰ অৱস্থিতি। কৃষি ক্ষেত্ৰত জড়িত মাটিৰ বেছিভাগ মাটি হয় ধনীক শ্ৰেণীটোৰ হাতত, নহয় অনা খেতিয়কসকলৰ হাতত আবদ্ধ। অন্যহাতে প্ৰকৃত কৃষকৰ বাবে থকা মাটিৰ পৰিমাণ অতি কম। এজন

কৃষকৰ হাতত থকা পট্টা মাটি একেটা অঞ্চলতে থকাৰ বিপৰীতে বিভিন্ন অঞ্চলত এক হেক্টৰতকৈ কমকৈ সিঁচৰতি হৈ আছে। ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ হৈ থকা খেতিৰ মাটিত পৰিকল্পনা বিহীন আঁচনিৰে খেতি কৰা সম্ভৱ নহয়। আধুনিক কৃষি পদ্ধতিৰ বাবেও বাধাস্বৰূপ আৰু উৎপাদনৰ সহায়ক নহয়। অন্য খেতিয়কৰ হাতত কৃষি ভূমি থকাত প্ৰয়োজন সাপেক্ষেহে এই শ্ৰেণীটোৱে কৃষিত জড়িত হয়। এই শ্ৰেণীটোৱে কৃষিতকৈ অন্যান্য পেচাত বেছি গুৰুত্ব দিয়াত গ্ৰাম্য অঞ্চলত দুটা বা তিনিটা খেতি কৰাৰ বিপৰীতে বেছি ভাগ মাটিয়েই পৰি থকা দেখা যায়। গ্ৰাম্য অঞ্চলত কৃষি ক্ষেত্ৰৰ লগতে অন্যান্য বাণিজ্যিক ক্ষেত্ৰটো পুঁজি বিনিয়োগ কৰাৰ বাবে জনগনৰ মূলধনৰ অভাৱ। বিভিন্ন সমস্যাসমূহৰ সমাধান কৰি কৃষি উৎপাদন কৰিলেও বজাৰৰ অভাৱতো উৎপাদনৰ প্ৰকৃত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। উপযুক্ত পৰিবহণ আৰু যোগাযোগৰ অভাৱেই ইয়াৰ অন্যতম কাৰণ। কৃষিজাত সামগ্ৰীৰ পাইকাৰী মূল্য সুতৰ হাৰ ৫.৮% লৈ হ্ৰাস পাইছে। বৰ্তমান বজাৰৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি খেতি নিৰ্দিষ্ট কৰাৰ সময় হ'ল। ধান খেতিত লাভ হ'বনে সৰিয়হত লাভ হ'ব, তাৰ অংক কৰিলোৱাৰ সময় হ'ল।

মানুহ বাঢ়িল— মাটি কমিল। ইয়াৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব আমাৰ উৎপাদন ব্যৱস্থা।

অসম ভূমি আৰু ৰাজস্ব প্ৰকাশন ব্যৱস্থা এতিয়াও মূলতে আওপুৰণি ঔপনিবেশিক আইনৰ দ্বাৰাই পৰিচালিত হৈ আহিছে। চহৰ অঞ্চলত ভূমিৰ প্ৰসঙ্গত যিবোৰ আইন আছে, সেইবোৰ মুক্ত বিকাশৰ পৰিপন্থী আৰু চৰকাৰৰ হাতত সমগ্ৰ ক্ষমতা কেন্দ্ৰীভূত কৰা আইন। অসমৰ খেতি মাটি এতিয়া বহিৰাগতৰ আগ্ৰাসনত পৰিছে। অসমত প্ৰচলিত সকলো ভূমি সম্পৰ্কীয় আইন পৰ্যালোচনা আৰু সংশোধন কৰা প্ৰয়োজন হ'ব, অসমৰ গৰিষ্ঠসংখ্যক খেতিয়ক, কৃষিজীৱী আৰু কৃষি নিৰ্ভৰশীল লোকৰ স্বাৰ্থত অসমৰ ভূমি নীতিৰ পৰিৱৰ্তন কৰিব লাগিব। দৰিদ্ৰ, প্ৰান্তীয় খেতিয়কসকলৰ বাবে বিশেষ ব্যৱস্থাৰ প্ৰয়োজন হ'ব। গুৰুত্বপূৰ্ণ দিশটো হ'ল কৃষিক্ষেত্ৰক সহায় কৰাৰ বাবে বৰ্তমানে থকা চৰকাৰী সহযোগ বিলাকৰ পুনৰ মূল্যায়ণ হ'ব লাগিব। এনে সহযোগে কিমান দুৰ খেতিয়কক সহায় কৰিছে তাৰ বিশ্লেষণ হ'ব লাগিব। সকলোধৰণৰ কৃষিধন, বিজুলীৰ ব্যৱহাৰ, পাম্পচেট, ট্ৰেক্টৰ, ভঁৰাল, শীতভঁৰাল আদি সম্ভাৱনামূলক ব্যৱস্থা সমূহ একেটা স্তৰতে পোৱাৰ ব্যৱস্থা কৰিব লাগিব, যাতে সময় আৰু মানৱ সম্পদৰ অপব্যয় নহয়।

কৃষিভূমিৰ চৰিত্ৰ ঃ অসমৰ মাটিৰ চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়াটো অতি প্ৰয়োজন হ'ব। কৃষিভূমিৰ গুণাগুণ অঞ্চল ভিত্তিত বেলেগ বেলেগ। অসমৰ কৃষিভূমিক আম্লিক বুলি কোৱা হয়। অসমত হোৱা অতিপাত বৰষুণে মাটিত থকা ৰাসায়নিক যৌগৰ খাৰ

অংশ আঁতৰাই নি মাটিত আম্লিক গুণৰ সৃষ্টি কৰে, অসমত ৬ টা কৃষি জলবায়ু মণ্ডল আছে বুলি ধাৰণা কৰা হয়।

উজনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল ঃ অসমৰ মুঠ মাটিকালিৰ ২০-৬৪ ভাগ আগুৰি এই মণ্ডল উত্তৰে ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণে পাটকাই আৰু নগা-পাহাৰৰ মাজত পুবা পশ্চিমাকৈ অৱস্থিত।

মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল ঃ অসমৰ প্ৰায় সোঁমাজত অৱস্থিত এই মণ্ডলে ৰাজ্যখনৰ ৭.০৬ শতাংশ মাটিকালি আগুৰি আছে। এই অঞ্চল উত্তৰে থকা ব্ৰহ্মপুত্ৰৰ চৰ আৰু ইয়াৰ আশে পাশে থকা অঞ্চলসমূহ প্ৰধানকৈ ন-অপৈণত পলসুৱা মাটিৰে আগুৰা।

নামনি ব্ৰহ্মপুত্ৰ উপত্যকা মণ্ডল ঃ অসমৰ পশ্চিম প্ৰান্তত ব্ৰহ্মপুত্ৰ নদীৰ দুয়োকাষে অৱস্থিত এই মণ্ডলটোৱেই ৰাজ্যখনত আটাইতকৈ ডাঙৰ কৃষি জলবায়ু মণ্ডল। ২৫ ৫৮ শতাংশ আগুৰি আছে। এই মণ্ডলত মাটিত লো আৰু এলুমিনিয়ামৰ বাণিজ্য থকাৰ বাবে মাটিৰ ৰাসায়নিক গুণাগুণ সামান্য অম্লিকৰ পৰা প্ৰশম।

উত্তৰ পাৰৰ সমভূমি মণ্ডল ঃ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ বিভিন্ন উপাদানেৰে সৃষ্টি কৰা এই মণ্ডলৰ মাটি প্ৰধানকৈ পলসুৱা। ১৮ ২৬ শতাংশ আগুৰা এই মণ্ডলৰ উত্তৰদিশে আগুৰি থকা পৰ্বতৰ সমগ্ৰ বঙ্গদেশৰ কৃষিভূমি পুৰণি পলসুৱা মাটিৰ অন্তৰ্গত। এই মাটিৰ অধিকাশংই বনাঞ্চল আৰু কিছু কিছু অংশ চাহ খেতিয়ে আগুৰি আছে।

বাৰক উপত্যকা মণ্ডল ঃ অসমৰ দক্ষিণ প্ৰান্তত অৱস্থিত এই কৃষি জলবায়ু মণ্ডলৰ উপৰিভাগ পাহাৰ, টিলা, বন্থল সমভূমি আৰু পানী জমা হৈ থকা বিলেৰে গঠিত। ৮.৮২ শতাংশ মাটি কালিৰে আগুৰা এই মণ্ডলৰ মাটিক প্ৰধানকৈ পুৰণি নদীবাহিত পলসুৱা, পুৰণি-পৰ্বতীয়া পলসুৱা, ৰঙা মাটি, কাংকৰীভূত ৰঙামাটি আৰু পিট মাটি, এই পাঁচ ভাগত ভগাব পাৰি। পলসুৱা অঞ্চলসমূহ বৰাক আৰু নৈ দুখনৰ জৰিয়তে সৃষ্টি হোৱা।

পাৰ্বত্য মণ্ডল ঃ পাহাৰ আৰু সমভূমিৰ সংমিশ্ৰণত গঠিত হোৱা এই মণ্ডলটোৰ মাটি কালি অসমৰ মাটি কালিৰ ১৯.৫৩ শতাংশ। এই মণ্ডল পাহাৰৰ ঢাল অঞ্চল ৰঙামাটিৰে গঠিত।

যিহেতু এই কেইটা দিশত কৃষি জলবায়ু মণ্ডলকেইটাৰ পাৰ্থক্য আছে সেয়ে মণ্ডল বিশেষে মাটিৰ গুণাগুণৰো প্ৰভেদ আছে। আনহাতেদি শস্যৰ বাছনি আৰু সংমিশ্ৰণ নিৰ্ভৰ কৰে মাটিৰ গুণাগুণৰ ওপৰত। সেয়ে, বিভিন্ন মণ্ডলত কৰা শস্যত বেলেগ বেলেগ উৎস ড° নীলোৎপল বৰীচুকৰ, ড° হেমন্ত কুমাৰ চাংমাই) এই দিশ বিলাকৰ ওপৰত গুৰুত্ব দিব লাগিব।

সমস্যাৰে পৰিপূৰ্ণ কৃষিকেন্দ্ৰৰ বিকাশৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। এনে ক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ বিকাশত স্থিৰতা অনা উচিত নহ'ব। কৃষি ক্ষেত্ৰৰ বিকাশৰ ক্ষেত্ৰতো সন্ধানৰ প্ৰয়োজন। কৃষি ক্ষেত্ৰৰ লগত অসমৰ গ্ৰাম্য অঞ্চলত পশুপালন, মীন পালন, কণী উৎপাদনৰ বাতাবৰণ সৃষ্টি কৰিব পৰা যায়। এনে উদ্যোগৰ বাবে বজাৰৰ অভাৱ নাই। ইয়াৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ লগতে জাতীয় পুঁজি বৃদ্ধিৰ সহায়ক হ'ব আৰু মানৱ সম্পদৰ ব্যৱহাৰৰো পথৰ সন্ধান পোৱা যাব। আমাৰ প্ৰস্তাৱ হ'ল গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তনৰ বাবে গ্ৰাম্য কুটীৰ অৰ্থনীতিৰ বিকাশৰ প্ৰয়োজন আছে। অতীজৰ কমাৰগাওঁ, কুশাৰগাওঁ, সোনাৰী গাওঁ, জাপিসজা গাওঁ আদি নামকৰণৰ গাওঁসমূহেই গ্ৰাম্য অৰ্থনীতিৰ উৎপাদনশীল অৱস্থাটোৰ ইংগিত বহন কৰে। নগৰমুখী প্ৰৱণতাই এনে ঔদ্যোগিক গাওঁসমূহক আজি অচল অৱস্থালৈ পৰিণত কৰিছে। অতীতৰ গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰসমূহ উদ্‌ঘাটন কৰি উক্ত স্থানতে প্ৰতিযোগিতাৰমূলক বাণিজ্যিক ক্ষেত্ৰলৈ যাব পৰাকৈ সহযোগ কৰিব লাগে। মূলত ঃ গ্ৰাম্য অঞ্চলক কেন্দ্ৰ কৰি অসম অৰ্থনৈতিক পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে। তাৰ বাবে আমি সকলোৱে সন্মিলিতভাৱে এখন গ্ৰাম্য অৰ্থনীতি বিকাশৰ আঁচনি প্ৰস্তুত কৰাৰ প্ৰয়োজন হৈছে।

❑ ❑ ❑

কৃষি খণ্ড

এটুকুৰা মাটিৰ স্বত্ব পোৱাটো নাগৰিকৰ অধিকাৰ হোৱা উচিত

অসমৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়নৰ স্বাৰ্থত জনগণৰ সপক্ষে ভূমি-সংস্কাৰ আৰু ইয়াৰ বাস্তৱ ৰূপায়ণৰ অতীব প্ৰয়োজন। স্বাধীনতাৰ পিচত অসমৰ শাসক চক্ৰই ভূমি-সংস্কাৰৰ স্বাৰ্থত আইন-কানুনৰ সৃষ্টি কৰিলেও ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ নকৰাৰ বাবে আৰু এই নীতিসমূহত সুৰুঙা থকাৰ বাবে ধনিক কৃষক আৰু অভিজাতসকলৰ লগতে একশ্ৰেণী দেশী-বিদেশী পুঁজিপতিৰ হাতলৈ অধিকাংশ মাটি হস্তান্তৰিত হৈছে। ভূমিৰ ক্ষেত্ৰত দহজন লোকৰ নজনৰ হাতত একো নাথাকিব আৰু এজনৰ হাতত সমস্ত সম্পদৰে স্বত্ব থাকিব, এনে ব্যৱস্থা চলি থাকিব দিয়া উচিত নহ'ব। অতি পৰিতাপৰ বিষয় যে স্বাধীনতাৰ আজি ৫৭টা বছৰৰ পিচতো অসমত বৃটিছ চৰকাৰে প্ৰণয়ন কৰি যোৱা অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬-ক লৈ আমি পৰিচালিত হ'বলগা হৈছে। অসম চৰকাৰৰ নিজস্ব এক্তিয়াৰৰ ভিতৰৰ কৃষি আৰু ৰাজহ আইনখনকে আমি অসমৰ জনগণৰ চিন্তাৰে প্ৰস্তুত কৰি ল'ব নোৱাৰাটোৱে আমাৰ স্বাধীনতাকে উপলুঙা কৰিছে।

১৮২৬ চনৰ পিচত অসমলৈ ইংৰাজ অহাৰ লগে লগে ভূমিৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটিল যদিও আহোম ৰাজত্বৰ কেতবোৰ গুৰুত্বপূৰ্ণ ভূমিয়ে ৰাজহৰ দিশ অপৰিৱৰ্তিত কৰি ৰাখিছিল। ১৮৩২ চনত ৰায়তী বন্দোৱস্তী ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। ফলত যিসকল খেতিয়কে নিগাজীকৈ, উত্তৰাধিকাৰী সূত্ৰে আৰু হস্তান্তৰকৰণৰ স্বত্বসাপেক্ষে মাটি ব্যৱহাৰ বা দখল কৰি থাকে তেওঁলোকৰ ভূমি স্থায়ীকৰণত গুৰুত্ব দিয়া হল। ত্ৰিশ বছৰৰ মূৰত এবাৰ মাটি জৰীপ কৰি খাজনা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰাত দুখীয়া কৃষকসকল প্ৰকৃতাৰ্থত ক্ষতিগ্ৰস্ত হ'বলগা হ'ল। ১৮৩২ চনৰ পৰা ১৯৫৬ চনলৈ আইনৰ কোনো বাধা নথকাৰ ফলত আমোলা আৰু ধনী মাটিৰ মালিকসকলে মাটিসমূহ বিভিন্ন উপায়েৰে হস্তগত কৰা আৰম্ভ কৰিলে। ফলত ৰায়তী ব্যৱস্থাৰে আইনৰ সুৰুঙাৰে অসমত কিছুমান ভূ-স্বামীৰ সৃষ্টি কৰা হ'ল আৰু ভূমিহীন মানুহৰ সংখ্যা বৃদ্ধি পালে। ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ কৰাৰ বাবে

১৯৫৬ চনত অসমৰ ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আইন প্ৰৱৰ্তন কৰে যদিও চাহ বাগিচা, দেৱোত্তৰ আৰু বিশেষ শ্ৰেণীৰ কৃষি ভূমি হিচাপে এক বৃহৎ অংশ এই আইনৰ বাহিৰত থাকি গ'ল। অৱশ্যে ১৯৭৩ চনত চিলিং আইন সংশোধন কৰা হয় যদিও তাৰ লাভ আজিও অসমৰ ভূমিহীন লোকে পাব পৰা নাই।

১৯৭৪ চনৰ পিচত অসমত ভূমি সংস্কাৰৰ বাবে কোনো কাৰ্যকৰী ব্যৱস্থা কৰা নাই। ১৯৭৪ চনৰ আগৰ ব্যৱস্থাসমূহ আমোলাতান্ত্ৰিক ব্যৱস্থাৰ মাজত জনগণৰ স্বাৰ্থত ৰূপায়ণত বাধা পৰিল। ফলত আজি অসমত ভূমিহীন লোকৰ সংখ্যা বৃহৎ। অসমৰ কৃষকৰ ত্ৰিশ শতাংশ কৃষকৰ হাতত এতিয়াও মাটিৰ অধিকাৰ পোৱা নাই। অসমৰ ২৩,৩০৪খন গাঁৱৰ ভিতৰত ২০৪০খন গাঁও এতিয়াও কেডেষ্ট্ৰেল জৰীপ কৰা হোৱা নাই। জনজাতিপ্ৰধান এলেকা আৰু চৰ অঞ্চলৰ সংখ্যালঘু লোক বসতি অঞ্চলসমূহত প্ৰকৃতাৰ্থত আজি জৰীপ কৰা হোৱা নাই। অ-বিভক্ত গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাঁও জিলাৰ প্ৰায় এঘাৰ লাখ নব্বৈ হেজাৰ বিঘা, চৰ অঞ্চলত মাত্ৰ এক লাখ নব্বৈ হেজাৰ বিঘা মাটিহে চৰকাৰৰ ভূমি নীতিয়ে স্পৰ্শ কৰিছে। অসমৰ কৃষি অৰ্থনীতিৰ মূল চালিকা শক্তি এই চৰ অঞ্চলত ম্যাদী পট্টা দিয়া অতি জৰুৰী যদিও জনজাতি আৰু সংখ্যালঘু জনগোষ্ঠীৰ বাসভূমি এই মাটিত চৰকাৰে দায়িত্ব পালন কৰা নাই।

১৯৯৪ চনৰ জে চি কুমাৰাপ্পাৰ নেতৃত্বত গঠিত এগ্ৰিয়ান ৰুলছ কমিটিৰ প্ৰতিবেদনৰ অনুমোদনাৱলী অতি গ্ৰহণযোগ্য আছিল যদিও কেন্দ্ৰীয় চৰকাৰে প্ৰকৃতাৰ্থত গুৰুত্ব নিদিলে। প্ৰতিবেদনত কোৱা হৈছিল যে—

১। (ক) এটা শ্ৰেণীক আনটো শ্ৰেণীৰ শোষণৰ দ্বাৰা বিলুপ্তি ঘটোৱাত বাধা দিয়া। (খ) কৃষকৰ মনত আত্মপ্ৰত্যয়ৰ ভাব জগাই তোলা।

২। কৃষক আৰু চৰকাৰৰ মাজত মধ্যস্থতাকাৰীৰ বিলুপ্তি সাধন।

৩। বিধৱা, নাবালক আৰু অন্যান্য অক্ষম ব্যক্তিৰ বাহিৰে আনৰ ক্ষেত্ৰত কৃষিৰ উপ-ৰায়তী ব্যৱস্থা নিষিদ্ধ কৰা।

৪। ভূমি-সংস্কাৰৰ ব্যৱস্থাৱলী আত্মোৎসৰ্গৰ মনোভাবেৰে ৰূপায়িত-কৰা।

সাম্প্ৰতিক অসমৰ আভ্যন্তৰীণ আৰু সীমান্তৰ ক্ষেত্ৰত গা-কৰি উঠা সমস্যাসমূহৰ বেছিভাগেই ভূমিকেন্দ্ৰিক। ভূমিৰ লগত ৰাজহৰ প্ৰশ্নটোও জড়িত হৈ আছে। আমি এইটো দৃঢ়ভাবে ক'ব বিচাৰো যে অসমৰ প্ৰতিজন নাগৰিকক মাটিৰ অধিকাৰ দিব নোৱাৰালৈকে কোনো চৰকাৰকে জনগণৰ চৰকাৰ বুলি ক'ব পৰা নাযায়। অসমৰ বৰ্তমানৰ সংকটজনক ৰাজকোষৰ প্ৰতি লক্ষ্য ৰাখি ভূমি-সংস্কাৰৰ জৰিয়তে কিছু হ'লেও সকাহ পোৱা যাব। আমি এইটোও ক'ব বিচাৰো যে আজিৰ চৰকাৰে ভূমি-

সংস্কাৰ আৰু প্ৰতিজন নাগৰিকে ম্যাদী পট্টাৰ অধিকাৰ পোৱাটো অগ্ৰাধিকাৰভিত্তিত গ্ৰহণ কৰক। সমগ্ৰ অসমত তৎকালীনভাৱে বিজ্ঞানসন্মতভাৱে জৰীপ কৰি প্ৰতিজন নাগৰিকক মাটিৰ ম্যাদী পট্টাৰ অধিকাৰ দিয়ক। জাতিটোৰ স্বাৰ্থতেই চাহ জনগোষ্ঠী, মুছলমান জনগোষ্ঠী আৰু জনজাতিসকলৰ ভূমিহীন লোকসকলক প্ৰথম পৰ্যায়ত মাটিৰ অধিকাৰ দিয়া সম্পূৰ্ণ কৰিব লাগে। ২৩০০খন গাঁৱক কৃষি গাঁও হিচাপে ঘোষণা কৰি কৃষিকাৰ্যৰ বাবে বিশেষ সহায় কৰা আৰু কৃষকসকলে ম্যাদি পট্টাৰ অধিকাৰ পোৱাটো নিশ্চিত কৰিব লাগে।

অসমৰ ভূমি-সংস্কাৰৰ ক্ষেত্ৰত কিছু বিষয়ে আমি গুৰুত্ব দিয়াটো অনুভৱ কৰোঁ। ভূমিৰ ওপৰত সামন্ততান্ত্ৰিক, প্ৰাক্-সামন্ততান্ত্ৰিক আৰু বিদেশী মালিকৰ স্বত্ব অৱসান ঘটাব লাগিব। ব্যক্তিগত মালিকানাধীন মাটিৰ পৰিমাণক কঠোৰভাৱে এক নিৰ্দিষ্ট পৰিমাণত সীমিত কৰি বৃহৎ জমিদাৰ আৰু বিদেশী বণিকগোষ্ঠীৰ ভূ-সম্পত্তি বাজেয়াপ্ত কৰিব লাগিব, লগতে ব্যক্তিগত খণ্ডত থকা বৃহৎ কৃষি উদ্যোগক চৰকাৰৰ কৰ্তৃত্বৰ তললৈ আনিব লাগিব। আমি এইটোও নিশ্চিত কৰিব লাগিব যে অসমৰ প্ৰতিটো পৰিয়ালে নিজৰ ভৰণ-পোষণ দিব পৰাকৈ ন্যূনতম ভূমিৰ স্বত্ব পাব। জনজাতিৰ বাবে সংৰক্ষিত ভূমিসমূহৰ ক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰিব লাগিব যাতে জনজাতিৰ ভূমি সংকুচিত হৈ সামাজিক সংঘাতৰ সৃষ্টি হ'ব নোৱাৰে। পাৰ্বত্য অঞ্চল আৰু নদী অঞ্চলত ভূমিস্খলনত সম্পূৰ্ণৰূপে প্ৰতিবন্ধকতাৰ স্থিৰ কৰা প্ৰয়োজন হ'ব। সংৰক্ষিত বনাঞ্চল গঢ়ি তোলাৰ লগতে চৰকাৰী ভূমি অধিকাৰ কৰি ৰখাসকলৰ পৰা ভূমি অধিগ্ৰহণৰ আইনগত দিশ অতি কঠোৰ কৰা প্ৰয়োজন হ'ব। প্ৰাকৃতিক দুৰ্যোগত ভূ-সম্পত্তি বিনাশ হোৱা অসমৰ নাগৰিকক চৰকাৰী ভূমিত সংস্থাপন আৰু নিৰ্দিষ্ট পৰিমাণৰ ভূমিত স্বত্ব প্ৰদান কৰিব লাগিব। কৃষি আৰু উদ্যোগ গঢ়ি তোলাৰ পৃষ্ঠপোষকতা কৰাৰ বাবে মাটি দিয়া ব্যৱস্থাৰ প্ৰয়োজন হ'ব। চৰকাৰৰ সংৰক্ষিত এলেকাত ক্ষুদ্ৰ কৃষকসকলৰ বাবে কৃষি পথাৰ সমবায় মুকলি কৰাত গুৰুত্ব দিয়া উচিত হ'ব।

আজি অসম চৰকাৰে অসমবাসীৰ লগতে চৰকাৰখনৰ নিজৰ স্বাৰ্থতো ভূমি সংস্কাৰৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব বুলি আমি আশা কৰিছোঁ। যাতে প্ৰতিজন নাগৰিকে এটুকুৰা মাটিৰ অধিকাৰ পায়। এইটো আমি সকলোৱে স্বীকাৰ কৰা উচিত হ'ব যে নিজৰ মাতৃভূমিত এটুকুৰা মাটিৰ স্বত্ব পাবলৈ প্ৰতিজন নাগৰিকৰ অধিকাৰ আছে।

১৮৮৬ চনতে প্ৰৱৰ্তন কৰা অসম ভূমি আৰু ৰাজহ অধিনিয়মৰ ওপৰত আজি অধিকভাৱে বিতৰ্ক হোৱা প্ৰয়োজন। দেশৰ শাসন, দৰ্শন, নীতিৰ পৰিৱৰ্তন হোৱাৰ

পিছত '৪৭-ৰ আগৰ সকলো আইনৰ ক্ষেত্ৰতেই পৰ্যালোচনা কৰা দৰকাৰ। সামাজিক অৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে অতীতৰ সকলো ধৰণৰ অধিকাৰৰ স্বত্ব তথা ব্যক্তিগত মালিকানা সম্পৰ্কৰো ঐতিহাসিক পৰিৱৰ্তনৰ আৰম্ভ হৈছে। উৎপাদনৰ পদ্ধতি আৰু ব্যক্তিগত সম্পত্তিৰ আগ্ৰাসী ভূমিকাই আজিৰ সমাজত এটা নতুন ৰূপ ধাৰণ কৰিছে। নব্য-ঔপনিবেশিকতাৰ বাহকসকলে আৰু শাসকগোষ্ঠীয়েও এই ধাৰাটোক সমৰ্থন কৰাৰ লগতে পৃষ্টপোষকাত কৰিবলৈ লৈছে। জনগণক অন্যান্য সমস্যাৰ মাজলৈ ঠেলি দি বিভ্ৰান্তিৰ সৃষ্টি কৰি ব্যক্তিগত সম্পত্তিৰ আগ্ৰাসী ভূমিকাকেই প্ৰকৃত নিয়ম বুলি সাব্যস্ত কৰিবলৈ চেষ্টা কৰে। এই পটভূমিতেই অসমৰ ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬-ৰ ওপৰত মুকলি আলোচনা হোৱাৰ প্ৰয়োজন আছে।

এইটো স্পষ্ট হোৱা উচিত যে বৃহৎ জাতিদম্ভ আৰু নব্য-ঔপনিবেশিক শোষণৰ পৰা প্ৰকৃত গণতন্ত্ৰলৈ উত্তৰণৰ পথত আমাৰ অধিকাৰ স্বত্বৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিশটো হ'ল পুঁজিপতি শ্ৰেণীৰ অধিকাৰ স্বত্বৰ উচ্ছেদ ঘটোৱা। সংক্ষেপতে প্ৰকাশ কৰিবলৈ হ'লে ব্যক্তিগত মালিকানাৰ বিলোপসাধন। কেইজনমান মানুহৰ শোষণৰ চক্ৰান্তৰে বহুজনৰ কষ্টোপাৰ্জিত উৎপাদন আৰু সম্পত্তিৰ ওপৰত দখলী ব্যৱস্থাৰ চূড়ান্ত ৰূপটোৱেই হ'ল অধিকাৰী স্বত্ব বা ব্যক্তিগত মালিকানা। এইটোও ঠিক যে সকলো ধৰণৰ অধিকাৰী স্বত্বৰ উচ্ছেদ ঘটোৱাটো উচিত নহয়। ব্যক্তিগত শ্ৰমেৰে স্ব-উপাৰ্জিত সম্পত্তিৰ অধিকাৰ বিলোপৰ পদক্ষেপ সমৰ্থনযোগ্য নহয়। অৰ্থাৎ এজন ব্যক্তিক মানুহ হিচাপে জীয়াই থাকিবলৈ কমপক্ষেও যি পৰিমাণৰ সম্পত্তি নহ'লে নচলে, তেওঁ তেনে পৰিমাণৰ সম্পত্তিৰ অধিকাৰী হোৱা উচিত। কৃষক আৰু শ্ৰমিকৰ নিজস্ব উৎপাদনৰ ওপৰত থকা ব্যক্তিগত দখল যিটো কৃষক বা শ্ৰমিকজনৰ প্ৰাণৰক্ষা আৰু জীৱন-ধাৰণৰ কাৰণে একান্তই প্ৰয়োজন, যাৰ বাবে আনৰ পৰিশ্ৰমৰ ওপৰত কৰ্তৃত্ব চলোৱাৰ কোনো প্ৰয়োজন নাথাকে, তেনে স্তৰৰ ব্যক্তিগত সম্পত্তিৰ ওপৰৰ পৰা দখলীস্বত্ব উচ্ছেদ কৰাটো নিশ্চয় উচিত হ'ব নোৱাৰে। কিন্তু যাৰ অধীনত নিজস্ব কাৰ্যসিদ্ধিৰ বাবে যেতিয়ালৈকে আৱশ্যক হয় তেতিয়ালৈকে শ্ৰমিক তথা কৃষকৰ শ্ৰম শোষণ কৰে তেনে সম্পত্তিৰ অধিকাৰী স্বত্বৰ বিলোপ হোৱা প্ৰয়োজন।

অসমৰ ক্ষেত্ৰত এই দিশটো অতি স্পষ্টভাবে প্ৰকট হোৱা দেখা গৈছে। ৰাজ্যৰ ভূমিব্যৱস্থাৰ শিথিল নীতিয়ে ভূমিহীন লোকৰ বিপৰীতে সুবিধাবাদী আমোলা আৰু বণিক শ্ৰেণীটোৰ লগতে বহিঃৰাজ্য তথা বহিঃৰাষ্ট্ৰৰ পুঁজিবাদী শক্তিকহে সহায় কৰিছে। স্বাধীনতাৰ পিচত অসমৰ শাসকচক্ৰই ভূমি সংস্কাৰৰ স্বাৰ্থত আইন-কানুন সংশোধন বা সংযোজন কৰিলেও ব্যৱহাৰিক ক্ষেত্ৰত প্ৰকৃত অৰ্থত প্ৰয়োগ নহ'ল। এনে ব্যৱস্থাৰে ভূমিহীন তথা দুৰ্বল শ্ৰেণীটোৰ লগতে অসমৰ বিশাল জনজাতীয়

লোকৰ ভূমি সমস্যাৰ সমাধানসূত্ৰ নোলাল। ভূমিনীতিসমূহৰ সুৰুঙা থকাৰ বাবে অভিজাতসকলৰ লগতে বিদেশী পুঁজিবাদী শক্তিৰ হাতলৈ অধিকাংশ মাটি হস্তান্তৰিত হ'ল। ফলত আজি অসমৰ বৃহৎ অংশৰ মানুহ ভূমিহীন। জনজাতিসকলৰ বেছিভাগেই আজিও নিজৰ মাটিৰ ওপৰত অধিকাৰ পোৱা নাই। ভূমিৰ ওপৰত এক শ্ৰেণীৰ আগ্ৰাসী ভূমিকাই প্ৰকৃতাৰ্থত অসমত ভূমি সংকটৰ সৃষ্টি কৰিছে। আৰু এই ভূ-সম্পত্তিৰ জৰিয়তে ব্যক্তিগত মালিকানাৰ অধিকাৰক অতি শক্তিশালী কৰিছে। অসমৰ ভূমিৰ অৱস্থিতিৰ প্ৰতি লক্ষ্য কৰিলেই এই দিশটো স্পষ্ট হৈ পৰে।

আজিৰ ভূমি ব্যৱস্থাৰ পৰা বিশেষ সুবিধা গ্ৰহণ কৰিছে চাহ বাগিচাৰ মালিকগোষ্ঠীয়ে। দেশী-বিদেশী চাহ বাগিচাৰ মালিকগোষ্ঠীয়ে অসমৰ কৃষি উপযোগী মাটিৰ ত্ৰিশভাগ মাটিত নিজৰ অধিপত্য সাব্যস্ত কৰি স্তৰে স্তৰে অসমৰ আৰ্থ-সামাজিক আৰু আজি ৰাজনৈতিক ক্ষেত্ৰত নিজৰ কৰ্তৃত্ব সাব্যস্ত কৰিবলৈ লৈছে। এই চাহ শিল্পৰ মালিকগোষ্ঠীযেই অসমত এক পুঁজিবাদী চিন্তাৰ অংকুৰণ ঘটাইছে। চাহ শিল্পত বছৰি ২৮০০ কোটি টকাৰ বিনিযোগ কৰি এক বৃহৎ অংকৰ মুনাফা আদায় কৰা এই শ্ৰেণীটোৱেই এতিয়া সকলো ক্ষেত্ৰতে অধিকাৰ সাব্যস্ত কৰিবলৈ লৈছে। অসমীয়া মানুহ জীয়াই থাকিব নে মৃত্যু হ'ব লাগিব তাক চাহ বণিক গোষ্ঠীৰ খেয়াল-খুচিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। এনে এটা পৰিস্থিতিতো অধিকাৰী স্বত্বৰ বিলোপৰ দিশটো গুৰুত্বপূৰ্ণ হৈ পৰিছে।

ব্যক্তিগত অধিকাৰী স্বত্বৰ অৱসানৰ প্ৰস্তাৱক পুঁজিপতি শ্ৰেণীৰ আৰু ঔপনিবেশিক গোষ্ঠীটোৱে প্ৰাপ্য স্বাধীনতা আৰু ব্যক্তি-স্বতন্ত্ৰতাৰ বিনাশ কৰা বুলি পৰিবেশ সৃষ্টি কৰিব আৰু জনগণকো নিজৰ স্বাৰ্থলৈ টানি আনিবলৈ চেষ্টা কৰিব। সঁচা কথা ক'বলৈ হ'লে নব্য-ঔপনিবেশিক শোষণ চালু ৰখাৰ বাহক এই শ্ৰেণীটোৰ ব্যক্তি-স্বাতন্ত্ৰ্যৰ বিলোপ সাধনেহে ঔপনিবেশিক শোষণক বাধা দিবলৈ পৰিবেশৰ সৃষ্টি কৰিব। ঔপনিবেশিক শোষণৰ দৃষ্টিত পুঁজিপতিশ্ৰেণীৰ স্বাধীনতাৰ অৰ্থ হ'ল অবাধ বাণিজ্য, অবাধ বেচা-কিনাৰ অধিকাৰ। এই শ্ৰেণীটোৰ উদ্দেশ্য হ'ল সকলো ধৰণৰ বাণিজ্য-ব্যৱস্থা আৰু সাধাৰণ জনগণৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰা।

এই উদ্দেশ্যত কোনেও বাধা দিব নোৱাৰাকৈ গেট চুক্তিৰ নামত অৰ্থনৈতিক ব্যৱস্থাৰ সৃষ্টি কৰি লোৱা হৈছে। এনে অধিকাৰসমূহ আমি ব্যক্তিগত মালিকৰ হাতৰ পৰা ৰাজ্যৰ হাতলৈ অহাটো বিচাৰো।

অৰ্থাৎ ব্যক্তিগত অধিকাৰী স্বত্বৰ মালিকানাৰ বিলুপ্তি সাধি তেনে সম্পত্তিক ৰাজ্যৰ হাতলৈ তথা জনগণৰ হাতলৈ হস্তান্তৰ কৰা। মুষ্টিমেয় কেইজনমান মানুহৰ হাতত সম্পত্তিৰ অধিকাৰ থকাৰ অৰ্থ হ'ল দহ ভাগৰ ন ভাগৰ হাততেই একো

নাথাকিব। সেই কাৰণেই সমাজৰ অধিকসংখ্যকৰ হাতত সম্পত্তিৰ অধিকাৰ নথকাৰ ওপৰত যি নীতি এতিয়াও প্ৰৱৰ্তিত তাক আঁতৰ কৰাটো নিশ্চয় উচিত হ'ব। আমি কোনো লোককে সমাজৰ উৎপাদিত বস্তুৰ দখলৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ প্ৰস্তাৱ দিব খোজা নাই। আমাৰ প্ৰস্তাৱ হ'ল এটা অঞ্চলত দখলৰ অধিকাৰক সাব্যস্ত কৰি অন্য মানুহৰ শ্ৰমৰ ওপৰত প্ৰভুত্ব চলোৱাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা।

ঔপনিবেশিক শোষক আৰু পুঁজিপতি শক্তিয়ে তেওঁলোকৰ স্বাৰ্থ ক্ষুণ্ন হোৱাত বাধা দিবৰ বাবে জনসাধাৰণৰ মাজত নানান প্ৰচাৰ নিশ্চয় চলাব। এওঁলোকে জনগণৰ বিৰুদ্ধে অতি জঘন্য ব্যৱস্থাও গ্ৰহণ কৰিব পাৰে। যিটো অসমত হৈ আছে। ব্যক্তিগত অধিকাৰী স্বত্বৰ বিলোপ হোৱাৰ ভয়ত এই শ্ৰেণীটোৱে শাসক শ্ৰেণীটোক লগত লৈ ষড়যন্ত্ৰত লিপ্ত হ'বলৈও চেষ্টা কৰিব পাৰে। ব্যক্তিগত অধিকাৰী স্বত্বৰ বিলোপ হ'লে সকলো কামৰ গতি লেহেম হ'ব আৰু চাৰিওফালে এক অলসতাই বিৰাজ কৰিব বুলিও এওঁলোকে প্ৰচাৰ চলাব পাৰে আৰু শাসক শ্ৰেণীৰ লগতে সমাজৰ আগশাৰীৰ এচাম লোকৰ দ্বাৰাও জনমত গঠন কৰিবলৈ চেষ্টা কৰিব পাৰে। কিন্তু এই কথা অতি স্পষ্ট যে যিসকলে পৰিশ্ৰম কৰে তেওঁলোকে অতি নগণ্য মূল্যৰ বাহিৰে একো অৰ্জন নকৰে আৰু যিসকলে সকলো পায় তেওঁলোকে পৰিশ্ৰম কৰিবলগা নহয়।

আমি সকলোৱে নিশ্চয় লক্ষ্য কৰিছো যে ব্যক্তিগত সম্পত্তিৰ অধিকাৰীসকলে শ্ৰমিকসকলক নিজৰ স্বাৰ্থৰ কাৰণে শোষণ কৰে। ব্যক্তিগত অধিকাৰী স্বত্বৰ বিলোপ কৰিলে শোষণৰ পৰিমাণ কমি আহিব। যি পৰিমাণে ব্যক্তিয়ে ব্যক্তিক কৰা শোষণৰ পৰিমাণ কমি আহিব সেই পৰিমাণে এটা জাতিয়ে অন্য এটা জাতিক কৰা শোষণৰ পৰিমাণ লোপ পাই আহিব। যি অনুপাতে জাতিৰ ভিতৰত শ্ৰেণীবিৰোধ কমি আহিব সেই অনুপাতে এটা জাতিৰ অন্য জাতিৰ প্ৰতি শত্ৰুভাব শেষ হৈ আহিব। ফলত ঐক্যবদ্ধভাৱে শোষকশ্ৰেণীৰ ওপৰত আঘাত কৰা সহজ হৈ পৰিব।

❑ ❑ ❑

চাহ বাগিচাৰ ভূমিৰ ক্ষেত্ৰত দৃষ্টিভঙ্গী পৰিৱৰ্তন কৰিব লাগিব

ব্ৰিটিছ চৰকাৰে স্ব-জাতিৰ ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থত প্ৰৱৰ্তন কৰি যোৱা অসমৰ কৃষি ব্যৱস্থাক স্বাধীনতাৰ পিছত আজিও সম্পূৰ্ণ নতুন ধাৰাৰে গতিশীল কৰিব বিচৰা হোৱা নাই। ব্ৰিটিছ চৰকাৰে চাহ বাগিচা খোলাৰ নামত অসমত এক সমান্তৰাল ভূমি ব্যৱস্থাৰ সৃষ্টি কৰি ঔপনিবেশিক শোষণৰ বাহকসকলক অসমৰ খেতি-উপযোগী বিস্তৰ ভূমি ৯৯বছৰৰ বাবে লীজৰ নামত উপহাৰ দিছিল। প্ৰতি বিঘাত মাত্ৰ দুই পইচা খাজনা ভৰি চাহ বাগিচাৰ মালিকসকলে হাজাৰ হাজাৰ বিঘা মাটি ব্যক্তিগত সম্পত্তি হিচাপে গণ্য কৰিব পৰাকৈ ব্ৰিটিছ চৰকাৰৰ দ্বাৰা আইনগত নিয়ম কৰি লৈছিল। প্ৰাথমিক পৰ্যায়ত চাহ বাগিচাৰ মালিকগোষ্ঠীয়ে গ্ৰহণ কৰা মাটিৰ এক চতুৰ্থাংশতহে চাহ খেতি কৰিছিল। মাটিৰ এটা অংশ শ্ৰমিক শোষণৰ স্বাৰ্থত ব্যৱহাৰ কৰা হৈছিল।

১৮৭২ চনত ৩১৩খন চাহ বাগিচাই ৩,৭১,৯৯০ একৰ মাটি চাহ খেতিৰ বাবে অতি কম মূল্যত গ্ৰহণ কৰিছিল যদিও মাত্ৰ ২৮,০০০ একৰ মাটিতহে প্ৰকৃততে চাহ খেতি কৰিছিল। ১৯২৮ চনত চাহ বাগিচা ৯৮০খনলৈ বৃদ্ধি হ'ল। চাহ বাগিচাই অধিকৃত মাটি ১৬,২৯,৫২৪ একৰলৈ বাঢ়িল যদিও চাহ খেতি কৰা মাটি ৪,২৭,২২৫ একৰতে সীমাবদ্ধ থাকিল। ১৯৮৫ চনত ৫,৩৩,৮০৯ একৰত আৰু ১৯৯০ চনত ইয়াৰ সামান্য বৃদ্ধি হৈ ৫,৫২,৮৭১ একৰ মাটিত চাহ খেতি কৰা হৈছে। আজি ৮৪৮খন চাহ বাগিচাই আইনগতভাৱে এক বৃহৎ কৃষিভূমি নিজৰ দখলত ৰখাৰ লগতে চৰকাৰী তথ্য মতে ২৪৮৯-৬৭ হেক্টৰ মাটি বে-আইনীভাৱে দখল কৰি আছে। প্ৰকৃতাৰ্থত এনে ধৰণৰ দখলৰ পৰিমাণ প্ৰায় ১০ হাজাৰ হেক্টৰ হ'ব। চাহ বাগিচাৰ বৃহৎ মালিকগোষ্ঠীয়ে অসমৰ কৃষি উপযোগী মাটিত আজিও জমিদাৰী শাসন চলাই থকাত অসমৰ মানুহৰ মাজত এক অসহিষ্ণু মনোভাৱে গা কৰিছে। সচেতন লোকসকলৰো আজি ধাৰণা যে চলিত দশকত চাহ বাগিচাৰ লীজৰ অন্তিম বছৰ হ'ব আৰু চাহ বাচিৰ ওপৰত অসম চৰকাৰে এক কৰ্তৃত্বশীল ব্যৱস্থা প্ৰণয়ন কৰা সূচল হ'ব। প্ৰকৃতাৰ্থত সেইটো হৈ থকা নাই। অসমত চাহ উৎপাদনৰ ক্ষেত্ৰখনৰ

প্ৰতি লক্ষ্য ৰাখিয়েই অসমত প্ৰথম গঠন হ'ল আসাম কোম্পানী। বৃটিছ চৰকাৰে আসাম কোম্পানীক সকলো ধৰণৰ পৃষ্ঠপোষকতা কৰিলে। আসাম কোম্পানীৰ লগে লগে আৰম্ভ হোৱা দেশী-বিদেশী চাহ বাগিচাৰ মালিকগোষ্ঠীক সহায় কৰাৰ স্বাৰ্থত বৃটিছ চৰকাৰে অসমৰ ভূমি ব্যৱস্থাৰ ওপৰত হাত দিলে। মূলতঃ বৃটিছ চাহ মালিকগোষ্ঠীৰ স্বাৰ্থতেই অসমৰ ভূমি ব্যৱস্থাত নতুন নতুন নিয়মৰ সংযোগ ঘটিল।

চাহ বাগিচাৰ মালিকগোষ্ঠীৰ স্বাৰ্থত ১৮৩৮ চনৰ ছয় মাৰ্চ তাৰিখে পতিত মাটিৰ অনুদান বিধি প্ৰৱৰ্তন কৰিলে। এই বিধি অনুসৰি দিয়া মাটিৰ চাৰি ভাগৰ এক ভাগত পাঁচ বছৰৰ ভিতৰত চাহ খেতি কৰিব লাগে। এক-চতুৰ্থাংশ মাটিত খাজনা দিব লগা নহয়। বাকী তিনিভাগ মাটিত ঘাঁহ থাকিলে পাঁচ বছৰৰ বাবে খাজনা দিব নালাগে। ওখ ঘাঁহ থাকিলে খাজনা দিব নালাগে আৰু বনাঞ্চল থাকিলে ২০বছৰৰ বাবে খাজনা মাফ কৰা হয়। ইয়াৰ পিছত প্ৰতি একৰত ন অনাকৈ তিনি বছৰৰ বাবে আৰু এক অনাকৈ পিছৰ ২২বছৰৰ বাবে। বৃটিছ চৰকাৰৰ স্ব-জাতিৰ চাহ বাগিচা বিশেষভাৱে গা কৰাৰ লগে লগে ১৮৫৪ চনত অ'ল্ড আসাম ৰুলৰ জৰিয়তে ৯৯বছৰীয়া লীজ দিয়া প্ৰথা প্ৰৱৰ্তন কৰিলে। লীজৰ নিয়ম অনুসৰি বাগিচাসমূহৰ ২৫ভাগ মাটিত খাজনা দি বাকী ৭৫ভাগ মাটিৰ খাজনা ১৫বছৰৰ বাবে ৰেহাই দিয়া হ'ল। ১৫বছৰৰ পিছতহে উক্ত মাটিৰ খাজনা নিৰ্ধাৰণ কৰা নিয়ম কৰা হ'ল। ১৫বছৰৰ পিছৰ ১০বছৰৰ বাবে প্ৰতি একৰত তিনি অনা আৰু পিছৰ ৭৪বছৰৰ বাবে ৬ অনা প্ৰতি হেক্টৰত খাজনা নিৰ্ধাৰণ কৰা হৈছিল। ১৮৬১ চনত নতুন পট্টা ব্যৱস্থা আৰম্ভ কৰা হৈছিল যদিও ১৮৭৬ চনৰ "নতুন লীজ বিধি" অনুসৰি ৯৯বছৰীয়া লীজ ব্যৱস্থা বাতিল কৰি ৩০ বছৰীয়া লীজ ব্যৱস্থা প্ৰৱৰ্তন কৰিলে। লীজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে খাজনাৰ পৰিৱৰ্তন ঘটিল। অসমত আজি আলোচ্য ৯৯বছৰীয়া লীজ ব্যৱস্থা প্ৰকৃততে ১৮৬২ চনৰ পৰাই স্পষ্ট নহয়। ১৮৮৬ৰ অসম ভূমি আৰু ৰাজহ বন্দবস্তি আইনত ৯৯বছৰীয়া চাহ বাগিচাৰ লীজৰ বিষয়ে বক্তব্য নাই। ১৯৩৬-ৰ অসম ভূমি ৰাজহ পুনৰ নিৰ্ধাৰণ আইন অনুসৰি গ্ৰাম্য অঞ্চলৰ মাটি আৰু চাহ বাগিচাৰ বন্দবস্তিকৰণ ৩০বছৰৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল যদিও ১৯৯০ চনৰ এপ্ৰিলত সংশোধিত হৈ ৩০বছৰৰ পৰিৱৰ্তে ২০বছৰ কৰা হৈছিল। ১৯৩৬ চনৰ ভূমি ৰাজহ পুনৰ বন্দবস্তিকৰণৰ ৩০বছৰীয়া বন্দবস্তিৰ নিয়ম অনুসৰিয়ে বৰ্তমান অসমৰ প্ৰায়বোৰ অঞ্চলৰ মাটি আৰু চাহ বাগিচাৰ নতুন বন্দবস্তিকৰণৰ সময়।

অসম গণ-পৰিষদৰ প্ৰথম কাৰ্যকালত ১৯৯০ চনৰ আঠ মে তাৰিখে গ্ৰহণ কৰা "অসম ভূমি ৰাজহ পুনৰ নিৰ্ধাৰণ সংশোধিত আইন"ৰ দ্বাৰা চাহ বাগিচাৰ মাটিৰ ওপৰত অধিকভাৱে চিন্তা-চৰ্চা কৰাত বাধা থাকি গ'ল। সংশোধিত আইন চাহ বাগিচাৰ মালিক গোষ্ঠীৰ স্বাৰ্থত সহজ হোৱাৰ বাবে মালিকগোষ্ঠীয়ে এতিয়া নিজস্বভাৱেই

ভূমি ৰাজহ স্থিৰ কৰি লোৱাত আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছে। কামৰূপ, নলবাৰী, বৰপেটা, নগাঁও, মৰিগাঁও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ আৰু গোলাঘাট জিলাত বিঘাই প্ৰতি ১.৬৫ টকাকৈ আৰু তিনিচুকীয়া, ডিব্ৰুগড়, লখিমপুৰ, ধেমাজি, দৰং, শোণিতপুৰত বিঘাই প্ৰতি মাত্ৰ তিনি টকা খাজনা দি চাহ বাগিচাই লুণ্ঠনৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ গ্ৰহণ কৰি আহিছে। এই ক্ষেত্ৰত আমাৰ প্ৰস্তাৱ হ'ল ১৯৯০ চনৰ ৮মে তাৰিখৰ "অসম ভূমি ৰাজহ পুনৰ নিৰ্ধাৰণ সংশোধিত আইন"ৰ দ্বাৰা স্পষ্ট কৰা ব্যৱস্থাক পুনৰ বিবেচনা কৰা উচিত হ'ব। ১৯৯০ চনৰ সংশোধিত আইন অনুসৰি চাহ বাগিচাৰ মাটিৰ খাজনা বৃদ্ধি কৰাৰ ক্ষেত্ৰত পূৰ্বৰ নিৰিখৰ পাঁচ গুণতকৈ বেছি কৰিব পৰা নাযায়। এই সংশোধিত আইনৰ আধাৰতেই ৰাজহ বিভাগৰ আয়ুক্তই ১৯৯০ চনৰ ৭জুলাই তাৰিখে জিলা উপায়ুক্ত আৰু বন্দবস্তি বিষয়াসকললৈ দিয়া আৰ. এছ. আৰ ৯/৮৮/৯০-নং পত্ৰত উল্লেখ কৰিছিল যে—

এক ঃ কামৰূপ, নলবাৰী, বৰপেটা, নগাঁও, মৰিগাঁও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ আৰু গোলাঘাট জিলাত বৰ্তমানৰ নিৰ্ধাৰিত প্ৰতি বিঘাৰ ১ ৬৫ টকা খাজনাৰ পাঁচ গুণ বৃদ্ধি কৰিব লাগে।

দুই ঃ শোণিতপুৰ, দৰং জিলাৰ নিৰ্ধাৰিত প্ৰতি বিঘাৰ চাৰি টকাৰ তিনিগুণ বৃদ্ধি কৰিব লাগে।

তিনি ঃ তিনিচুকীয়া, ডিব্ৰুগড়, লখিমপুৰ আৰু ধেমাজিৰ বৰ্তমানৰ প্ৰতি বিঘাৰ তিনি টকা চাৰিগুণ বৃদ্ধি কৰিব লাগে।

চাৰি ঃ অন্যান্য জিলাৰ বৰ্তমানৰ দুটকা প্ৰতি বিঘাৰ খাজনা চাৰিগুণ বৃদ্ধি কৰিব লাগে।

বিছ বছৰৰ অন্তৰে অন্তৰে চাহ বাগিচাৰ মাটিৰ খাজনাৰ পুনৰ নিৰিখ হ'ব বুলি উল্লেখ কৰি ১৯৯০ চনৰ ১এপ্ৰিলৰ পৰা প্ৰযোজ্য কৰিব বিচৰা জাননী আজিও কাৰ্যকৰী কৰিব পৰা নাই। অতি সামান্য ৰাজহ সংগ্ৰহৰ অসম চৰকাৰৰ জাননীকো চাহ বাগিচাৰ মালিকগোষ্ঠীয়ে কলিকতাত বহি আদালতৰ সহায়ত সাময়িকভাৱে স্থগিত ৰাখিবলৈ বাধ্য কৰাৰ সাহস পাইছে। লক্ষ্য কৰিবলগীয়া বিষয় যে চাহ বাগিচাৰ মালিক গোষ্ঠীয়ে আদালতৰ কাষ চাপিছিল যদিও আজি বুজি উঠিছে যে অসমত চলাই থকা লুণ্ঠনৰ তুলনাত ১৯৯০ চনৰ ৭জুলাইৰ অসম চৰকাৰৰ প্ৰস্তাৱ অতি দুৰ্বল। অসম চৰকাৰৰ প্ৰস্তাৱকে তৎকালে গ্ৰহণ কৰি ল'ব পাৰিলে চাহ বাগিচাৰ মাটিৰ ওপৰত মালিকগোষ্ঠীৰ অধিকাৰৰ প্ৰশ্নটো আগন্তুক বিছ বছৰলৈ নিষ্কণ্টক হৈ পাৰিব বুলি চাহ কোম্পানীৰ মাজত আজি আলোচিত হৈছে।

বৰ্তমানৰ অসম চৰকাৰৰ নিজস্ব সংগ্ৰহ অতি দুৰ্বল। এনে ক্ষেত্ৰত লক্ষ্য কৰিবলগীয়া বিষয় হ'ব যে অসম চৰকাৰে চাহ বাগিচাৰ মাটিৰ ওপৰত কোনটো সিদ্ধান্ত গ্ৰহণ

কৰিব? চাহ বাগিচাৰ মালিকগোষ্ঠীৰ প্ৰস্তাৱ গ্ৰহণ কৰিব, নে ১৯৯০ চনৰ ৭জুলাইৰ ৰাজহ বিভাগৰ আয়ুক্তৰ পত্ৰৰ ওপৰত ভিত্তি কৰিব নে গোটেই বিষয়টো অসমৰ ৰাজকোষৰ দুৰ্বল স্থিতিক আগত লৈ নতুনকৈ বিবেচনা কৰিব? **আমাৰ প্ৰস্তাৱ হ'ল চাহ বাগিচাৰ ভূমিখণ্ড কৃষি ভূমি যদিও বাণিজ্যিক কৃষিভূমি হিচাপে চিহ্নিত হ'ব লাগে। উৎপাদন আৰু লাভাংশৰ প্ৰতি লক্ষ্য ৰাখি চাহ খেতিৰ ভূমিৰ ওপৰত খাজনা নিৰ্ধাৰণৰ হোৱা উচিত। চাহ বাগিচাৰ ভূমিৰ নতুন বন্দবস্তিকৰণ আৰু খাজনা নিৰ্ধাৰণ আগেয়ে চাহ বাগিচাসমূহৰ জৰীপ কাৰ্য সম্পূৰ্ণ কৰিব লাগে, জৰীপ কাৰ্য প্ৰকৃতভাৱে কৰিব পাৰিলে চাহ বাগিচাই নীতিবহিৰ্ভূতভাৱে হস্তগত কৰি থকা দহ হাজাৰ হেক্টৰতকৈয়ো অধিক মাটিৰ তথ্য স্পষ্ট হৈ পৰিব আৰু ৰাজকোষত অতিৰিক্ত ৰাজহ সংগ্ৰহৰ পথ সুচল হ'ব।**

❑ ❑ ❑

অসমৰ কৃষিক্ষেত্ৰৰ পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে

ভাৰতীয় সভ্যতা কৃষিক্ষেত্ৰৰ ওপৰত নিৰ্ভৰশীল। কৃষিয়েই ভাৰতীয় অৰ্থনীতিক পৰিচালনা কৰি আছে। ভাৰতীয় জাতীয় আয়ৰ প্ৰায় পঞ্চাশভাগ কৃষিক্ষেত্ৰৰ দান। আনহাতে ভাৰতৰ কৰ্মজীৱী মানুহৰ প্ৰায় সত্তৰ শতাংশৰ মূল ক্ষেত্ৰও কৃষি। বেছিভাগ উদ্যোগৰ কেঁচামাল কৃষি। আনকি বৈদেশিক মুদ্ৰা আহৰণত কৃষিৰো এটা ভূমিকা আছে। মূলতঃ কৃষিয়েই জীৱন আৰু সভ্যতাৰ অন্যতম মাপকাঠি।

অসমৰ জনগণৰ অৰ্থনীতিৰ মূল চালিকাশক্তি কৃষি। ৰাজ্যৰ তেষষ্ঠি শতাংশ শ্ৰমিক কৃষিৰ ওপৰত নিৰ্ভৰশীল যদিও চৰকাৰৰ সহযোগ স্পষ্ট নহয়। চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে ব্যক্তিগত পৰ্যাযতে অসমৰ কৃষকে কৃষিৰ বিকাশ কৰাত যত্নবান হৈ আছে। কৃষিক্ষেত্ৰৰ পৰা অসমৰ ৰাজহলৈ প্ৰত্যক্ষভাৱে অহা অৰ্থৰ অংক উল্লেখযোগ্য নহয় যদিও পৰোক্ষ সহায় অপৰ্যাপ্ত। অসমৰ ২কোটি ৬৬লাখ লাখ মানুহৰ ভিতৰত ১০,৫০,৭২৮জন ব্যক্তি চৰকাৰী, বে-চৰকাৰী, ৰাজহুৱা খণ্ড আদিত সংস্থাপিত হৈ আছে। কিন্তু কৰ্মদক্ষ বেছি অংশই কৃষিক্ষেত্ৰত সংস্থাপিত হৈ পৰোক্ষভাৱে চৰকাৰৰ সহায়ক হৈছে। ৰাজহুৱা দিশতো উল্লেখযোগ্য সহযোগ নাথাকিলেও পৰোক্ষভাৱে গ্ৰাম্য অৰ্থনীতি গঢ়ি উঠাত সহায়ক হৈছে। উল্লেখযোগ্য সহযোগৰ দিশটোৱেই হ'ল উৎপাদন। খাদ্যশস্যৰ উৎপাদন কৰি অসমবাসীৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ লগতে ৰাজ্যৰ পুঁজি বহিঃগমনত বাধা দি জাতীয় পুঁজি গঠনত সহযোগী হৈছে। জাতীয় অৰ্থনীতিৰ নেতৃত্ব লৈছে।

অতি পৰিতাপৰ বিষয় যে উৎপাদন কৰি সভ্যতা গঢ়ি তোলা এই কৃষকসকলক আজিও মানুহ হিচাপে, নাগৰিক হিচাপে প্ৰাপ্য সন্মান দিয়াত আমি কৃপণালি কৰোঁ। মধ্যবিত্তীয় অহমিকাই কৃষক-শ্ৰমিকৰ পক্ষত থকাতকৈ ভোগবাদী সমাজ গঢ়াৰ সহায়ক পুঁজিবাদী গোষ্ঠীৰ লগত সম্পৰ্ক ৰখাটোক আমি বেছি গুৰুত্ব দিওঁ। কৃষি কাৰ্যতকৈ চতুৰ্থ শ্ৰেণীৰ পদ এটা আজি বেছি গুৰুত্বপূৰ্ণ। সমাজৰ বিশেষ বিশেষ কাৰ্যসূচীৰ বাহিৰে প্ৰতিটো ক্ষেত্ৰতে কৃষকসকল উপেক্ষিত। আজিৰ প্ৰশাসনিক ব্যৱস্থাত কৃষকসকলক তুচ্ছজ্ঞান কৰা পৰিলক্ষিত হয়। আমোলাসকলৰ ওচৰত কৃষকসকল

অতি নগণ্য ব্যক্তিৰ দৰে ব্যৱহৃত হয়। সামাজিক সন্মান আৰু মূল্যৰ অভাৱত কৃষিক্ষেত্ৰৰ প্ৰতি আজিৰ উঠি অহাসকল বিতুষ্ট। এইটোৱেই আজিৰ সমাজব্যৱস্থালৈ পৰিণত হৈছে। এই দূষিত ব্যৱস্থা ভাঙিবলৈ, পৰিৱৰ্তন কৰিবলৈ আজিও আমি ব্যৱস্থা গ্ৰহণ কৰিব বিচৰা নাই। সভ্যতাৰ উৎস আৰু সমাজ গঠনৰ বাহক কৃষকসকলক প্ৰথম শ্ৰেণীৰ সন্মানজনক নাগৰিক হিচাপে গ্ৰহণ কৰাৰ পৰিবেশ সৃষ্টি কৰিব নোৱাৰিলে পৰিৱৰ্তনৰ বুনিয়াদ গঢ়া সম্ভৱ নহ'ব।

মাটি-কৃষি-কৃষক আৰু চৰকাৰৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। প্ৰতিটো ক্ষেত্ৰত থকা সমস্যাই আজি কৃষকৰ সমস্যাৰ লাইখুটাৰ সৃষ্টি কৰিছে। কৃষকৰ স্বাৰ্থত ভূমি সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা নকৰি ১৮৮৬ চনৰ ভূমি আৰু ৰাজহ বন্দৱস্তি আইনখনক স্বাধীনতাৰ প্ৰায় পঞ্চাশটা বছৰকাল চলি থাকিবলৈ দিয়াটোৱেই মূল সমস্যা। সপ্তদশ শতিকাৰ আৰম্ভণিতে স্বৰ্গদেউ প্ৰতাপসিংহই আৰম্ভ কৰা ভূমি বন্দবস্তি ব্যৱস্থাক স্বৰ্গদেউ গদাধৰ সিংহই গতি দিছিল। ১৮৮১-৯৫ চনৰ ভিতৰতে অসমৰ দৰং জিলাত মাটিৰ পিয়লৰ কাম কৰি অসমৰ মাটিৰ পিয়ল আৰম্ভ হয়। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত এই পিয়লৰ কামৰ বহু উন্নতি সাধন কৰা হ'ল। স্বৰ্গদেউ শিৱসিংহৰ দিনত কামৰূপ আৰু বকতাত মাটিৰ পিয়ল সম্পূৰ্ণ কৰা হৈছিল।

মোৱামৰীয়া বিদ্ৰোহে আহোম ৰাজশক্তিক আঘাত নকৰা হ'লে উৎপাদন আৰু কৃষি মাটিৰ এক ব্যৱস্থাৰ সৃষ্টি হ'লহেঁতেন। কিন্তু বৃটিছ চৰকাৰৰ ভূমিনীতিয়ে অসমৰ কৃষকৰ ওপৰত স্থায়ী সমস্যাৰ সৃষ্টি কৰি গ'ল। বৃটিছ চৰকাৰে ভূমিৰ ওপৰত ৰাজহ বৃদ্ধি কৰি কৃষকৰ ওপৰত অত্যাচাৰ কৰাৰ পথ সুচল কৰি ল'লে। চাহ উৎপাদনৰ নামত বৃটিছ চাহ কোম্পানীক নামমাত্ৰ টকাৰ চাহ খেতি কৰিবলৈ দি প্ৰকৃত কৃষকসকলক উচ্ছেদ কৰা হ'ল। বৃটিছ সাম্ৰাজ্যবাদী শক্তিৰ বাহক হিচাপে জমিদাৰশ্ৰেণীৰ সৃষ্টি কৰি কৃষকৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰা হ'ল। ফলত কৃষকৰ উৎপাদনৰ বাবে মাটিৰ পৰিমাণ কমি আহিল। আজি পৰিয়াল বৃদ্ধি হ'ল আৰু নিজৰ খেতি মাটি সংকুচিত হৈ আহিল। অসমৰ ৭৮৫২ হেজাৰ হেক্টৰ মাটি-কালিৰ ভিতৰত ২৭০৬ হেজাৰ হেক্টৰত খেতি কৰা হয়। অসমত এবাৰতকৈ বেছি খেতি কৰে মাত্ৰ ৭৫৪ হেজাৰ হেক্টৰ মাটিত।

অসমৰ খেতিৰ মাটি বিভক্ত হৈ থকাৰ ফলত প্ৰকৃত কৃষকৰ হাতত মাটিৰ পৰিমাণ কমি গৈছে। আজি প্ৰায় বাষষ্টি শতাংশ খেতিৰ মাটি এক হেক্টৰতকৈ কমকৈ বিভক্ত হৈ আছে। কৃষকৰ মাটি সংকুচিত হৈ পৰাত আৰু বংশানুক্ৰমিক সম্পত্তিৰ হস্তান্তৰৰ বাবেই হওক বা দৰিদ্ৰতাৰ বাবেই হওক খেতিৰ মাটি ক্ষুদ্ৰ ক্ষুদ্ৰ কৰি বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকাত কৃষিত আজি আধুনিকীকৰণৰ সমস্যা দেখা

দিছে। ভাৰতৰ নদীসমূহে কঢ়িয়াই থকা পানীৰ ত্ৰিছভাগ পানী অসমৰ নদীসমূহে কঢ়িয়াই থকাৰ পাচতো অসমৰ খেতিৰ মাটিত জলসিঞ্চন অতি নিম্নস্তৰত। মুঠ খেতি-মাটিৰ মাত্ৰ ১০.৯ ভাগত জলসিঞ্চনৰ সহায় হৈছে।

কৃষকৰ মূলধনৰ অভাৱত আজিও পুৰণিকলীয়া কৃষি-পদ্ধতিৰ খেতি কৰিবলগীয়া হোৱাত উৎপাদন বৃদ্ধি কৰিব পৰা নাই। প্ৰাকৃতিক দুৰ্যোগে বছৰি প্ৰায় বিছভাগ খেতি নষ্ট কৰি আহিছে। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ বজাৰ-ব্যৱস্থাৰ পৰা অসমৰ কৃষিক্ষেত্ৰ যথেষ্ট আঁতৰত আন্তঃগাঁথনিৰ এতিয়াও উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। উৎপাদন কৰিলেও বজাৰ-ব্যৱস্থাৰ অভাৱত কৃষকে প্ৰকৃত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। ফলত উৎপাদন বৃদ্ধিত কৃষকৰ উৎসাহ নাইকিয়া হয়। বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱত কৃষিক্ষেত্ৰক আজিও অসমত উদ্যোগ হিচাপে গঢ়ি তুলিবৰ চেষ্টা কৰা হোৱা নাই।

অসমৰ অৰ্থনীতিৰ মূল উৎস কৃষিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আজিও এক পৰিকল্পিত আঁচনি দাঙি ধৰিব পৰা নাই। কৃষিত আধুনিকীকৰণ, যান্ত্ৰিকীকৰণ, ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ তথা ভূমি উন্নয়নৰ জৰিয়তে কৃষিনীতিক স্পষ্ট কৰাত চৰকাৰৰ আজিও সময় হোৱা নাই। শস্য উৎপাদনৰ ক্ষেত্ৰত চৰকাৰৰ আবণ্টিত ধন উৎসাহজনক নহয়। গতানুগতিক চিন্তাৰ পৰা চৰকাৰখনে এতিয়াও ওলাই আহিবলৈ চেষ্টা কৰা নাই। যিটো সময়ত অসমবাসীৰ জনমূৰি আয় বৃদ্ধি কৰাৰ বাবে বৰ্তমানৰ এটা খেতিক বছৰটোত তিনিটা খেতিলৈ নিয়াৰ প্ৰয়োজন হৈছে। জলসিঞ্চন, বিদ্যুৎ যোগান, আধুনিক যন্ত্ৰৰ প্ৰচলন আৰু সাৰ প্ৰয়োগৰ চিন্তাই কৃষকৰ মাজত উচিতভাৱেই গা কৰিছে, সেই সময়ত ৰাজ্য চৰকাৰে কৃষিক্ষেত্ৰত এক অ-গতানুগতিক পৰিকল্পনা দাঙি ধৰিব লাগিছিল। চৰকাৰৰ গতানুগতিক পৰিকল্পনাই কৃষিক্ষেত্ৰক গুৰুত্ব দিয়াতো স্পষ্ট কৰা নাই।

অসমৰ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যসমূহৰ ভিতৰত কৃষিক্ষেত্ৰত দুটা বিশেষ গুৰুত্ব দিয়া বিষয় আছিল। অসমৰ ৰাজ্যিক জনমূৰি ঘৰুৱা উৎপাদন আৰু ভাৰতৰ জনমূৰি উৎপাদনৰ মাজত থকা পাৰ্থক্য কমোৱা আৰু খাদ্যশস্যৰ যোগানৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে কৃষি উৎপাদন আৰু উৎপাদন বৃদ্ধিৰ বাবে জলসিঞ্চন ব্যৱস্থা, বান নিয়ন্ত্ৰণ আৰু অন্যান্য সহযোগ আগবঢ়োৱা, অষ্টম পৰিকল্পনাৰ পৰ্যালোচনা কৰিলে স্পষ্ট হৈ পৰিব যে প্ৰধান উদ্দেশ্যসমূহৰ কাৰ্যকৰীকৰণৰ কাষেদিয়েই যোৱা পৰিলক্ষিত নহ'ল। আজি এইটোও পৰ্যালোচনাৰ প্ৰয়োজন যে পৰিকল্পনাৰ অৰ্থৰ বিনিয়োগে অসমৰ কৃষিক্ষেত্ৰক কোনটো স্তৰলৈ আনিব পাৰিলে।

আমাৰ দৃষ্টিভংগীত জাতীয় পুঁজি বৃদ্ধি কৰিবলৈ হ'লে কৃষকৰ ক্ৰয় ক্ষমতা বৃদ্ধি

কৰিব লাগিব। উৎপাদনৰ বৃদ্ধিৰ লগতে বজাৰ-ব্যৱস্থা নিৰ্দিষ্ট কৰি কৃষকৰ আনুষংগিক সমস্যাসমূহো আঁতৰ কৰিব লাগিব। অতি জটিল বিষয়টো হ'ল মুক্তবজাৰ অৰ্থনীতিৰ গইনা লৈ পুঁজি বৃহৎ ৰাষ্ট্ৰসমূহে আধুনিকীকৰণৰ নামত ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহৰ উৎপাদনৰ বজাৰ দখলৰ ষড়যন্ত্ৰক বাধা দিয়াটো। সেইবাবেই অসমৰ জাতীয় ক্ষেত্ৰত কৃষিক্ষেত্ৰৰ এক পুনৰবিন্যাস ঘটোৱাৰ প্ৰয়োজন হৈছে।

চৰকাৰসমূহৰ ভুল নীতিসমূহৰ বাবেই আজি কৃষকৰ উৎপাদনৰ বাবে মাটিৰ পৰিমাণ কমি আহিছে। অন্যহাতে আজি পৰিয়াল বৃদ্ধি হ'ল আৰু নিজৰ খেতি মাটি সংকুচিত হৈ আহিল। অসমৰ ৭৮৪৩ হেজাৰ হেক্টৰ মাটি-কালিৰ ভিতৰত ৩৯০০ হেজাৰ হেক্টৰ খেতি কৰিব পৰা মাটি। ইয়াৰ ভিতৰত মাত্ৰ ২৭২০ হেজাৰ হেক্টৰ মাটিত খেতি কৰা হয়। অসমত এবাৰতকৈ বেছি খেতি কৰা মাটি মাত্ৰ ১২৯২ হেজাৰ হেক্টৰ।

অসমৰ খেতিৰ মাটি বিভক্ত হৈ থকাৰ ফলত প্ৰকৃত কৃষকৰ হাতত মাটিৰ পৰিমাণ কমি গৈছে। আজি প্ৰায় বাষষ্ঠি শতাংশ খেতিৰ মাটি এক হেক্টৰতকৈ কমকৈ বিভক্ত হৈ আছে। কৃষকৰ মাটি সংকুচিত হৈ পৰাত আৰু বংশানুক্ৰমিক সম্পত্তিৰ হস্তান্তৰৰ বাবেই হওক বা দৰিদ্ৰতাৰ বাবেই হওক, খেতিৰ মাটি ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ হিচাপে বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকাত কৃষিত আজি আধুনিকীকৰণৰ সমস্যা। ভাৰতৰ নদীসমূহে কঢ়িয়াই থকা পানীৰ ত্ৰিছভাগ পানী অসমৰ নদীসমূহে কঢ়িয়াই থকাৰ পিচতো অসমৰ খেতিৰ মাটিত জলসিঞ্চন অতি নিম্নস্তৰত। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ বজাৰ-ব্যৱস্থাৰ পৰা অসমৰ কৃষিক্ষেত্ৰ যথেষ্ট আঁতৰত। আন্তঃগাঁথনিৰ এতিয়াও উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। উৎপাদন কৰিলেও বজাৰ-ব্যৱস্থাৰ অভাৱত কৃষকে প্ৰকৃত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। ফলত উৎপাদন বৃদ্ধি কৰাত কৃষকৰ উৎসাহ নাইকিয়া হয়। বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱত কৃষিক্ষেত্ৰক আজিও অসমত উদ্যোগ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হোৱা নাই। অসমৰ অৰ্থনীতিৰ মূল উৎস কৃষিক্ষেত্ৰতো ৰাজ্য চৰকাৰৰ পৰা যোৱা বছৰটোতো এক পৰিকল্পিত আঁচনি দাঙি ধৰিব নোৱাৰিলে।

শস্য উৎপাদনৰ ক্ষেত্ৰত চৰকাৰৰ আৱণ্টিত ধন উৎসাহজনক নহয়।

১৯৯৬-৯৭ চনত অসম চৰকাৰে ৰাজকোষলৈ কৃষি কৰৰ নামত ৪৯-৭৪ কোটি টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে শস্য উৎপাদন তথা কৃষিক্ষেত্ৰত মাত্ৰ ২.৩৪ শতাংশ অৰ্থাৎ ১৪৫ কোটি টকাহে ধাৰ্য কৰিছিল। গতানুগতিক চিন্তাৰ পৰা চৰকাৰসমূহ এতিয়াও ওলাই আহিব পৰা নাই। যিটো সময়ত অসমৰ মানুহৰ জনমূৰি আয় বৃদ্ধি কৰাৰ বাবে বৰ্তমানৰ এটা খেতিক বছৰটোত তিনিটা খেতিলৈ নিয়াৰ প্ৰয়োজন

হৈছে, জলসিঞ্চন, বিদ্যুৎ যোগান, আধুনিক যন্ত্ৰৰ প্ৰচলন আৰু সাৰ প্ৰয়োগৰ চিন্তাই কৃষকৰ মাজত উচিতভাবেই গা কৰিছে সেই সময়ত ৰাজ্য চৰকাৰে কৃষিক্ষেত্ৰত এক অ-গতানুগতিক পৰিকল্পনা দাঙি ধৰিব পাৰিব লাগিছিল। অসমৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য-সমূহৰ ভিতৰত কৃষিক্ষেত্ৰত দুটা বিশেষ গুৰুত্ব দিয়া বিষয় আছিল। অসমৰ ৰাজ্যিক জনমূৰি ঘৰুৱা উৎপাদন আৰু ভাৰতৰ জনমূৰি উৎপাদনৰ মাজত থকা পাৰ্থক্য কমোৱা আৰু খাদ্যশস্যৰ যোগানৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে কৃষি উৎপাদন আৰু উৎপাদন বৃদ্ধিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা, বান-নিয়ন্ত্ৰণ আৰু অন্যান্য সহযোগ আগবঢ়োৱা। আজি এইটো স্পষ্ট হৈ পৰিছে যে অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যসমূহৰ কাৰ্যকৰীকৰণৰ কাষেদিয়েই যোৱা পৰিলক্ষিত নহ'ল। আজি এইটোও পৰ্যালোচনাৰ প্ৰয়োজন যে পৰিকল্পনাৰ অৰ্থৰ বিনিয়োগ অসমৰ কৃষিক্ষেত্ৰক কোনটো স্তৰলৈ আনিব পাৰিলে আমাৰ দৃষ্টিভংগীত জাতীয় পুঁজিৰ বৃদ্ধি কৰিববলৈ হ'লে কৃযকৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব লাগিব। উৎপাদন বৃদ্ধিৰ লগতে বজাৰ-ব্যৱস্থাক নিৰ্দিষ্ট কৰি কৃষকৰ আনুষংগিক সমস্যাসমূহো আঁতৰ কৰিব লাগিব। অতি জটিল বিষয়টো হ'ব মুক্ত বজাৰ অৰ্থনীতিৰ গইনা লৈ পুঁজি বৃহৎ ৰাষ্ট্ৰসমূহে আধুনিকীকৰণৰ নামত ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহৰ উৎপাদনৰ বজাৰ দখলৰ ষড়যন্ত্ৰক বাধা দিয়াটো। সেইবাবেই অসমৰ জাতীয় ক্ষেত্ৰত কৃষিখণ্ডৰ এক পুনৰ্বিন্যাস ঘটোৱা প্ৰয়োজন হৈছে। অসমৰ সংকুচিত হৈ পৰা কৃষিক্ষেত্ৰ আৰু অৰ্থনৈতিক অণুগ্ৰসৰতাৰ গ্ৰাসত পৰা কৃষক ৰাইজৰ উত্তৰণৰ প্ৰশ্নত আজি আলোচনা কৰাৰ লগতে কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈ পৰিছে।

এইটোও লক্ষ্য কৰিবলগা বিষয় যে ব্ৰিটিছে স্বজাতিৰ ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থত প্ৰৱৰ্তন কৰি যোৱা অসমৰ কৃষিব্যৱস্থাক ক্ষমতা হস্তান্তৰৰ আজি ৫৭বছৰৰ পিচতো নতুন ধাৰাৰে গতিশীল কৰিববলৈ বিচৰা নাই। অসমত অত্যাধিক জনসংখ্যাৰ বৃদ্ধিৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ হাৰ অতি মন্থৰ।

চৰকাৰসমূহে নীতি প্ৰস্তুত কৰে যদিও প্ৰকৃত ৰূপায়ণ কৰে আমোলা-সকলে। সাধাৰণতেই অসমত এটা অভিযোগ উত্থাপন হয় যে কেন্দ্ৰীয় চৰকাৰৰ নতুন নতুন আঁচনিসমূহ অসমত কাৰ্যকৰী কৰাৰ বাবে অসমৰ আমোলাসকলে ইচ্ছা প্ৰকাশ নকৰে অধিক জঞ্জালত সোমাবলৈ নিবিচাৰে। অধিক পুঁজি জড়িত থকা প্ৰকল্পসমূহত গুৰুত্ব দিয়ে কিন্তু কৰ্মমুখী বিষয়সমূহত আলস্য প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিসমূহৰ পৰা অসম বঞ্চিত হৈ থকা অৱস্থাই আমোলাসকলৰ এই চৰিত্ৰৰ সত্যতাক প্ৰতিপন্ন কৰিছে। এইটো অত্যন্ত স্পষ্ট যে অসমৰ জনপ্ৰতিনিধি হিচাপে যোৱা বেছিভাগৰে বিভিন্ন বিষয়-বস্তুৰ ওপৰত ধাৰণা স্পষ্ট নহয়। অসম চৰকাৰে

অসমত কৃষিক্ষেত্ৰত কোন পথেৰে গতি কৰিব তাৰ বাবে আজিও নিজস্ব নীতি গ্ৰহণ কৰিবলৈ সমৰ্থ নহ'ল। প্ৰকৃতাৰ্থত ক্ষমতাকেন্দ্ৰিক ৰাজনীতিত আৱদ্ধ আজিৰ চৰকাৰৰ নেতাসকল উৎপাদনতকৈ বিক্ৰী আৰু বিতৰণ ব্যৱস্থাতে বেছি আগ্ৰহী।

গাঁৱেই হওক সংগ্ৰামৰ ভেঁটি

আজিৰ পুঁজিবাদী ব্যৱস্থাৰ অৰ্থনীতিত বিদেশী শক্তিৰ প্ৰভাৱত ভাৰতৰ বিভিন্ন অঞ্চলত অৰ্থনৈতিক দিশত বৰ বেয়াকৈ চাপ পৰিছে। মুক্ত-বজাৰ অৰ্থনীতিৰ নামত ভাৰতৰ শাসকচক্ৰই ৰাজ্যসমূহৰ ওপৰত জাতীয় শোষণ কৰি অহাৰ লগতে অৰ্থনৈতিক শোষণ আৰম্ভ কৰিছে। ফলত স্বাধীনতাৰ পঞ্চাশটা বছৰৰ পিচতো ভাৰতবৰ্ষত অৰ্থনৈতিক স্বাধীনতা আজিও স্পষ্ট নহ'ল। অৰ্থনৈতিক স্বাধীনতাৰ অবিহনে ৰাজনৈতিক স্বাধীনতাৰ কোনো গুৰুত্ব নাই বুলি আমি প্ৰায়েই স্বীকাৰ কৰো। কিন্তু আমাৰ সামাজিক সংগ্ৰামৰ বেছি অংশই ৰাজনৈতিক ক্ষমতা তথা অধিকাৰকেন্দ্ৰিক। অসমত সম্পূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰখনৰ লগত জড়িত সংগ্ৰামী আন্দোলন বা উৎপাদনমুখী আন্দোলন নাই হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

অসমৰ সমাজ জীৱনত অৰ্থনৈতিক চিন্তা-চৰ্চাৰ স্থান অতি গৌণ। অসমৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধাই আজিও কিয় গা কৰিব নোৱাৰিলে তাৰ এক বস্তুনিষ্ঠ বিশ্লেষণৰ প্ৰয়োজন হৈছে। অসমৰ জনসংখ্যাৰ ৮৮.৮শতাংশ মানুহ গাঁও অঞ্চলত বাস কৰে যদিও এই সংখ্যাগৰিষ্ঠ গ্ৰাম্য অঞ্চলৰ মানুহৰ স্বাৰ্থত কোনো অৰ্থনৈতিক কাৰ্যসূচী পৰিলক্ষিত হোৱা নাই। যি সামান্য উন্নয়নৰ কাম হৈছে তাৰ কাৰ্যকৰী দিশটো নগৰ অঞ্চলতে সীমাবদ্ধ হৈ থকা পৰিলক্ষিত হয়। নগৰ অঞ্চলৰ গ্ৰাফ ওপৰলৈ যোৱাৰ বিপৰীতে গ্ৰাম্য অঞ্চলৰ গ্ৰাফডাল তললৈ নামিবলৈ লৈছে। পৰিত্ৰাণৰ উপায় উদ্ভাৱন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে আজিও গুৰুত্ব দিবলৈ নিবিচৰাটোহে অতি পৰিতাপৰ বিষয়। গ্ৰাম্য অৰ্থনীতি ভাগি পৰাৰ বাবেই আজি অসমৰ জনমূৰি আয়ৰ বৃদ্ধিত বাধা পৰিল। গৰিষ্ঠসংখ্যক গ্ৰাম্য জনগণক প্ৰকৃত উৎপাদনৰ ক্ষেত্ৰত জড়িত কৰিব নোৱাৰাৰ বাবে ৰাজ্যিক আয়ৰ স্থিতিও অতি দুৰ্বল। আমাৰ প্ৰস্তাৱ হ'ল অসমৰ ৮৮.৮শতাংশ অসমবাসী জনগণ বাস কৰা গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিশেষ এখন গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ কাৰ্যসূচী প্ৰস্তুত কৰিব লাগে। যৎসামান্য হ'লেও নগৰভিত্তিক উন্নয়নৰ গতিয়ে আজি গাঁও আৰু নগৰৰ মাজত ব্যৱধান বৃদ্ধি কৰিছে। নগৰ অঞ্চলত এক ভোগবাদী সমাজৰ প্ৰৱণতাই গা কৰি উঠাত গ্ৰাম্য অঞ্চলৰ তথাকথিত শিক্ষিত শ্ৰেণীটো নগৰ অঞ্চললৈ আঁতৰি গৈছে। আৰু সামূহিকভাৱেই সকলো ক্ষেত্ৰৰ পৰা গ্ৰাম্য উন্নয়নত পিঠি

দিবলৈ আৰম্ভ কৰিছে। কৃষি আৰু কুটীৰ শিল্পৰ অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত গ্ৰাম্য অৰ্থনীতিক গতি দিয়াত চৰকাৰসমূহৰ নীতি তথা পৰিকল্পনাসমূহ যিহেতু চৰকাৰৰ দ্বাৰাই কৰা সম্ভৱ। এনেস্থলত গ্ৰাম্য অৰ্থনীতিৰ ভেঁটি গঢ়িবলৈ চৰকাৰকেন্দ্ৰিক হোৱাটো স্বাভাৱিক। অসমৰ প্ৰায় ৩৪৬০ হেজাৰ হেক্টৰ কৃষি উৎপাদনত জড়িত মাটিৰ লগত সংগতি ৰাখি আন্তঃগাঁথনিৰ সমস্যাসমূহক চিনাক্ত কৰি সমাধান কৰাত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন হৈ পৰিছে। অন্যান্য ৰাজ্যৰ লগত আমি প্ৰতিযোগিতাত থিয় হ'বলৈ যাওঁতে ৰাষ্ট্ৰৰ দ্বাৰা আমাক শোষিত আৰু প্ৰবঞ্চিত বুলি যুক্তগতভাৱে ক'বলৈ যাওঁতে আমি নিজকে উৎপাদনৰ ক্ষেত্ৰত কিমানদূৰ জড়িত কৰিব পাৰিছো সেইটোও পৰ্যালোচনা কৰা উচিত হ'ব।

অসমৰ কৃষিখণ্ডত উচ্চ হাৰৰ উৎপাদন নোহোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰি সমাধানসূত্ৰ নিৰ্ণয় কৰাৰ অতীৱ প্ৰয়োজনীয় দিশটোক আমি আজিও গুৰুত্ব দিবলৈ বিচৰা নাই।

গ্ৰাম্য অৰ্থনীতি গঢ়ি তোলাৰ অন্যতম বাহক কৃষিক্ষেত্ৰৰ যথেষ্ট সমস্যা আছে। জলসিঞ্চনৰ অভাৱ, সাৰ প্ৰয়োগৰ নিম্নস্তৰ আদিৰ লগতে অতি জটিল সমস্যা হ'ল অসমৰ মাটিৰ অৱস্থিতি। কৃষিক্ষেত্ৰত জড়িত মাটিৰ বেছিভাগ মাটি হয় ধনিক শ্ৰেণীটোৰ হাতত, নহয় অনা-খেতিয়কসকলৰ হাতত আৱদ্ধ।

অন্যহাতে প্ৰকৃত কৃষকৰ বাবে থকা মাটিৰ পৰিমাণ অতি কম। এজন কৃষকৰ হাতত থকা পট্টাৰ মাটি একেটা অঞ্চলতে একেলগে থকাৰ বিপৰীতে বিভিন্ন অঞ্চলত এক হেক্টৰতকৈ কমকৈ সিঁচৰতি হৈ আছে। ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ হৈ থকা খেতিৰ মাটিত পৰিকল্পিত আঁচনিৰে খেতি কৰা সম্ভৱ নহয়। অনা-খেতিয়কৰ হাতত কৃষিভূমি থকাত প্ৰয়োজন সাপেক্ষেহে এই শ্ৰেণীটো কৃষিত জড়িত হয়। গ্ৰাম্য অঞ্চলত কৃষিক্ষেত্ৰৰ লগতে অন্যান্য বাণিজ্যিক ক্ষেত্ৰতো পুঁজি বিনিয়োগ কৰাৰ বাবে জনগণৰ মূলধনৰ অভাৱ। বিভিন্ন সমস্যাসমূহৰ সমাধান কৰি কৃষি উৎপাদন কৰিলেও বজাৰৰ অভাৱতো উৎপাদনৰ প্ৰকৃত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। উপযুক্ত পৰিবহণ আৰু যোগাযোগৰ অভাৱেই ইয়াৰ অন্যতম কাৰণ।

সমস্যাৰে পৰিপূৰ্ণ কৃষিক্ষেত্ৰৰ বিকাশৰ বাবে কিছুসময়ৰ প্ৰয়োজন হ'ব। এনে ক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ বিকাশৰ স্থবিৰতা অনা উচিত নহ'ব। কৃষিক্ষেত্ৰৰ লগতে অসমৰ গ্ৰাম্য অঞ্চলত আমি তিনিটা আনুষংগিক ক্ষেত্ৰক অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰিব পাৰো। পশুপালন, মীনপালন আৰু কণী উৎপাদনক কেন্দ্ৰ কৰি গ্ৰাম্য অঞ্চলত এক ঔদ্যোগিক বাতাবৰণৰ সৃষ্টি কৰিব পৰা যায়। এনে উদ্যোগৰ বাবে বজাৰৰ অভাৱ নহয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় বজাৰখনেই গাখীৰ, মাছ, কণী,

মাংসৰ বাবে যথেষ্ট। এই বিষয়সমূহক লৈ ৰাজ্য চৰকাৰে নিজস্বভাৱে বিশেষ এটা পঞ্চবাৰ্ষিক পৰিকল্পনা গ্ৰহণ কৰিব পাৰে।

সামাজিক দায়বদ্ধতা আগত ৰাখি পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিলে কণী উৎপাদনৰ এক বিশাল বাণিজ্যিক ক্ষেত্ৰৰ সম্ভাৱনা দেখা যায়, অলপমান কষ্ট কৰিলেই বহিঃগমন হোৱা এই টকা অসমৰ গ্ৰাম্য অঞ্চলত ৰাখিব পৰা যায়। অন্যহাতে গাখীৰ উৎপাদনত বৰ্তমানৰ তুলনাত প্ৰকৃত চাহিদা ইয়াৰ প্ৰায় চাৰিগুণ। চৰকাৰৰ পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰি চাহিদা পূৰণ কৰিবলৈ গ'লেও বৰ্তমানৰ গাই-গৰুৰ সংখ্যা চাৰিগুণলৈ বৃদ্ধি কৰিব লাগিব। এল অ' চি কেলেংকাৰী পুনৰ সংঘটিত হ'ব নোৱাৰাকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি গো-উন্নয়ন, প্ৰজনন, খাদ্য, চিকিৎসা, আনুষংগিক উদ্যোগ স্থাপন, গো-পালন, গাখীৰ সংগ্ৰহ, গাখীৰ বিক্ৰী, শীতলীকৰণ কেন্দ্ৰ, ঘাঁহ উৎপাদন, ঘাঁহৰ বীজ উৎপাদন আৰু প্ৰশাসনিক ক্ষেত্ৰক সামৰি কৰ্মসংস্থাপনৰ এক শক্তিশালী ক্ষেত্ৰৰ সৃষ্টি কৰিব পৰা যায়। ইয়াৰ ফলত গ্ৰাম্য নিবনুৱাৰ সংস্থাপনৰ পথ মুকলি হ'ব, গ্ৰাম্য অঞ্চলৰ আৰ্থিক দিশৰ উন্নতি হ'ব আৰু জাতীয় পুঁজি গঢ়ি উঠাত সহায়ক হ'ব।

আজি অসমৰ গ্ৰাম্য কুটীৰ অৰ্থনীতিৰ বিকাশৰো প্ৰয়োজন আছে। অতীজৰ কমাৰগাঁও, কুমাৰগাঁও, সোণাৰী গাওঁ, জাপিসজীয়া গাওঁ আদি নামকৰণৰ গাঁওসমূহেই গ্ৰাম্য অৰ্থনীতিৰ অতীজৰ উৎপাদনশীল অৱস্থাটোৰ ইংগিত বহন কৰে। নগৰমুখী প্ৰৱণতাই এনে ঔদ্যোগিক গাঁওসমূহৰ আজি অচল অৱস্থালৈ পৰিণত কৰিছে। আমাৰ প্ৰস্তাৱ হ'ল অতীজৰ গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰসমূহক উদ্‌ঘাটন কৰি উক্ত স্থানতে প্ৰতিযোগিতামূলক বাণিজ্যিক ক্ষেত্ৰলৈ যাব পৰাকৈ সহযোগ কৰিব লাগে। মূলতঃ গ্ৰাম্য অঞ্চলক কেন্দ্ৰ কৰি অসমৰ অৰ্থনৈতিক পুনৰ্বিন্যাসৰ প্ৰয়োজন হৈছে। তাৰবাবেই আমি সন্মিলিতভাৱে এখন গ্ৰাম্য অৰ্থনীতি বিকাশৰ আঁচনি প্ৰস্তুত কৰা প্ৰয়োজন হৈছে।

❑ ❑ ❑

কৃষিক্ষেত্ৰত বিনিয়োগ হোৱাৰ পৰিবেশ সৃষ্টি কৰিব লাগিব

কেন্দ্ৰৰ প্ৰতি অসমবাসীৰ ক্ষোভৰ শক্তিশালী যুক্তি আছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিসমূহলৈ লক্ষ্য কৰিলেও এইটো অধিকভাৱে স্পষ্ট হৈ পৰে যে পুঁজি বিনিযোগৰ ক্ষেত্ৰত ভাৰত চৰকাৰে অসমক নিজৰ এখন অংগৰাজ্য তথা ৰাজ্য হিচাপে গণ্য নকৰে। ৰাজ্যিক নেতৃত্বৰ শক্তিশালী স্থিতিৰ অভাৱৰ বাবেও আমি প্ৰাপ্যৰ পৰা বঞ্চিত হ'বলগা হয়। অন্যহাতে কেন্দ্ৰৰ পৰা যি যৎসামান্য পুঁজি আহে তাৰো প্ৰকৃত ব্যৱহাৰ অসমত স্পষ্ট নহয়। অসমত বিত্তীয় ব্যৱস্থাৰ পৰিচালনা সঠিক নোহোৱাত কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় আঁচনিসমূহৰ পৰা অসমক বঞ্চিত কৰাৰো সুযোগ গ্ৰহণ কৰে। বিশ্ববেংকৰ লগতে অন্যান্য বিত্তীয় সাহাযাত কেন্দ্ৰীয় চৰকাৰে বহুবোৰ যোজনা হাতত লোৱা দেখা যায়। অসমৰ ক্ষেত্ৰত কিন্তু ইয়াৰ বেছিভাগেই প্ৰত্যক্ষ কৰা নহয়।

অসমৰ অৰ্থনীতি মূলতঃ কৃষিভিত্তিক যদিও কৃষিক্ষেত্ৰৰ লগত জড়িত বিষয়সমূহত কেন্দ্ৰীয় চৰকাৰে বিশেষ এটা গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। অসম চৰকাৰৰ নিজস্ব কৃষি আঁচনি তথা কৃষি নীতি আজিও স্পষ্ট নহয়। অসমৰ জাতীয় পুঁজি বৃদ্ধি কৰাৰ বাবে ৰাজ্যৰ কৃষি উৎপাদনক এক সন্মানজনক স্থিতিলৈ অনাৰ অতীব প্ৰয়োজন। অন্যহাতে অসমৰ আজিব পৰিস্থিতিত নিৰাপত্তাজনিত কাৰণৰ সম্মুখীন হোৱাৰ সম্ভাৱনা কম থকা ক্ষেত্ৰ হ'ল কৃষি। কৃষিক্ষেত্ৰতেই বিনিয়োগ হোৱাৰ সম্ভাৱনা আছে। কৃষিৰ জৰিয়তেহে অসমৰ সামূহিক উন্নয়নৰ অধিক সম্ভাৱনা আছে। সেইবাবেই পুঁজি দুৰ্বল অসমে কৃষিক্ষেত্ৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিসমূহৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল হোৱাৰ প্ৰয়োজন।

ভাৰতৰ কৃষিভিত্তিক উন্নয়নশীল ৰাজ্যকেইখনলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিখন ৰাজ্যত কেইবাটাও কেন্দ্ৰীয় যোজনাৰ কাম চলি আছি। অসমত তেনে কাম আমি প্ৰত্যক্ষ কৰা নাই। বিশ্ববেংকৰ অৰ্থ সাহায্যত জলচ্ছেদ উন্নয়ন আঁচনিৰ কাম অসমত আৰম্ভ হৈছে বুলি কাকতত প্ৰকাশ পাইছে যদিও ক'ত হৈছে, কেতিয়া

আৰম্ভ হৈছে, কিমান পুঁজিৰ বিনিয়োগ হৈছে সেইটো অসমৰ বাইজৰ অৱগত নহয়। প্ৰতিটো কথা অসমবাসীয়ে জনাৰ প্ৰযোজন আছে। বিশ্ববেংকৰ বিত্ত সাহায্যত চলি থকা কৃষি উন্নয়ন প্ৰকল্পৰ অধীনত বিহাৰ, ৰাজস্থান, তামিলনাডুত কৃষি উন্নয়নৰ বাবে দীৰ্ঘম্যাদী সহায় আগবঢ়োৱাৰ লগতে গ্ৰাম্য অঞ্চলৰ আন্তঃগাঁথনিৰ সমস্যা সমাধানৰ বাবে কাম চলি আছে। অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু হাৰিয়ানাত এই আঁচনিৰ অধীনতে নতুন তিনিটা প্ৰকল্পৰ কাম হাতত লৈছে। অসমত কৃষি উন্নয়ন প্ৰকল্পৰ অধীনত তিনিটা প্ৰকল্পৰ কাম চলি আছে আৰু নতুনকৈ এটা লোৱাৰ প্ৰস্তাৱ হৈছে বুলি আমি জানিব পাৰিছো যদিও প্ৰকল্পকেইটাৰ কাৰ্যকৰী অৱস্থা কি আমাৰ অৱগত নহয়। এনেধৰণৰ আঁচনিৰ কাম অসম চৰকাৰে ৰাজহুৱাভাৱে কৰা উচিত, যাতে আঁচনিৰ প্ৰকৃত ৰূপায়ণত ৰাইজেও নজৰ ৰাখিব পাৰে।

উল্লেখিত প্ৰকল্পৰ বাহিৰেও কৃষিক্ষেত্ৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে বহুবোৰ আঁচনিৰ কাম হাতত লোৱা দেখা যায় যদিও তাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নাম নাই। প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিশেষ আঁচনি ঘোষণা কৰিলে যদিও তাতো কৃষি উন্নয়নৰ বাবে সহযোগ নাই। ভাৰতৰ অন্যান্য ৰাজ্যত চলি থকা প্ৰকল্প কেইটামানলৈ লক্ষ্য কৰিলেই অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ চৰিত্ৰ স্পষ্ট হৈ পৰে। ১৯৯০-৯১ চনত ১১কোটি ২৫লাখ টকাৰ ৪১,০৩২ হেক্টৰ কৃষিভূমিৰ বাবে কৰ্ণাটকত ডেনমাৰ্কৰ সহাযত আৰম্ভ কৰা হয় "DANIDA AIDED PROJECTS" । পাঁচ বছৰ ছমাহৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাত ১৯৯৫ চনৰ ফেব্ৰুৱাৰীত উক্ত প্ৰকল্পৰ দ্বিতীয়টো খণ্ডৰ কাম আৰম্ভ কৰিছে। একেটা আঁচনিৰ অধীনত ১৯৯০-৯১ চনত তামিলনাডুত ৬কোটি ২৫লাখ টকাৰ ১৮,০০০ হেক্টৰ ভূমিত চাৰে তিনি বছৰৰ ভিতৰতে কাম সম্পূৰ্ণ কৰি দ্বিতীয়টো খণ্ডৰ কাম হাতত লৈছে। উৰিষ্যাৰ কৰাপোট জিলাত ১৯৯২-৯৩ চনত আলোচ্য প্ৰকল্পৰ অধীনত ডেনমাৰ্কৰ অৰ্থ সাহায্যত ১৩ কোটি ২৫লাখ টকাৰে ৪৩,০০০ হেক্টৰ কৃষিভূমিত আঁচনিৰ কাম কৰিছে, মধ্যপ্ৰদেশত এই আঁচনিৰ কাম ইতিমধ্যেই সম্পূৰ্ণ হৈছে।

"EUROPEAN ECONOMIC COMMUNITY ASSISTED PROJECTS"ৰ অধীনত উত্তৰ প্ৰদেশত ১৯৯৩-ৰ এপ্ৰিলৰ পৰা ডুন উপত্যকা জলচ্ছেদ যোজনাৰ নামত ৮০.৮৫ কোটি টকাৰ ১,৭২,১৫৫ হেক্টৰ কৃষি স্পৰ্শ কৰাকৈ আঁচনিৰ কাম চলিছে। সামাজিক বনানিকৰণ, পশুধন, উদ্যান শস্য, ক্ষুদ্ৰ জলসিঞ্চন, কৃষি, শক্তি আদি ক্ষেত্ৰৰ কামো এই আঁচনিত সাঙুৰি লৈছে। ১৯৮৯ চনত দক্ষিণ ভাগীৰথীত আৰম্ভ কৰা এই আঁচনিৰ অধীনত ৪৮,৯১৫ হেক্টৰ ভূমিত সাত বছৰত সম্পূৰ্ণ কৰি যোগাত্মক ফলাফল লাভ কৰিছে।

উত্তৰ প্ৰদেশত ১৯৯১ চনত সাত বছৰৰ পৰিকল্পনাত আৰম্ভ কৰা ভীমতল জলচ্ছেদ যোজনাই ১১ ৫ কোটি টকাত ২১,৫৮২ হেক্টৰ কৃষিভূমি সাঙুৰি লৈছে। এই আঁচনিত ক্ষুদ্ৰ জলসিঞ্চনৰ লগতে মীন পালন, ভূমি সংৰক্ষণ, পশুপালন, উদ্যান শস্য আৰু কৃষিৰ লগতে প্ৰশাসনিক দিশতো সহায় আগবঢ়াইছে। মহাৰাষ্ট্ৰত ৫৫.০৭কোটি টকাৰ আৰু কৰ্ণাটকত আন এটা গুৰুত্বপূৰ্ণ "KFW GERMANY ASSISTED PEOJECTS"ৰ কাম চলি আছে। বে-চৰকাৰী সংস্থাসমূহৰ দ্বাৰা এই আঁচনি ৰূপায়ণ কৰাত মহাৰাষ্ট্ৰ চৰকাৰে সহযোগ আগবঢাইছে। কৰ্ণাটকৰ বিদৰ, গোলবাৰ্গ, বিজাপুৰ, ৰাইচুৰ আৰু চিকমাগালোৰ জিলাৰ ৭৪,৯৬৮ হেক্টৰ ভৌগোলিক ক্ষেত্ৰত "SWISS DEVELOPMENT CORPORATION ASSISTED PROJECT"-ৰ সহায়ত কৃষিক্ষেত্ৰৰ বিকাশৰ কাম চলি আছে।

প্ৰতিখন জিলাত কৃষকসকলক লৈ গঠন কৰা বে-চৰকাৰী সংস্থাসমূহৰ দ্বাৰা এই আঁচনিৰ কাম কৰাত কৰ্ণাটক চৰকাৰে সফলতা লাভ কৰিছে। ১৯৯৫ চনৰ পৰা ১৯৯৮ চনৰ ভিতৰত ২০ ৭৩কোটি টকাৰ আঁচনিক সম্পূৰ্ণ সফল কৰাত কৰ্ণাটকৰ কৃষক আৰু বে-চৰকাৰী সংস্থাসমূহে এক দায়িত্ব হিচাপে গ্ৰহণ কৰিছিল। আলোচ্য প্ৰকল্পসমূহৰ দৰে বিশ্ববেংক, আন্তৰ্জাতিক বিত্তীয় সংস্থাসমূহৰ লগতে ডেনমাৰ্ক, জাৰ্মানী, ছুইজাৰলেণ্ড আদি বহুবোৰ দেশৰ অৰ্থসাহায্যত ভাৰতত বহুকেইখন আঁচনি চলি আছে। কৃষি উৎপাদনক সম্পূৰ্ণ নিৰ্ভৰশীল কৰি তোলাৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহে অসমক স্পৰ্শ নকৰাৰ প্ৰকৃত কাৰণসমূহ উদ্‌ঘাটন কৰাৰ প্ৰয়োজন হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ষড়যন্ত্ৰ নে অসম চৰকাৰৰ আগ্ৰহৰ অভাৱ তাক জনাবৰ প্ৰয়োজন হৈছে। নে এনে বিত্তীয় সাহায্যৰ আঁচনিসমূহৰ অসমত প্ৰয়োজন নাই?

চৰকাৰসমূহে নীতি প্ৰস্তুত কৰে যদিও কামসমূহৰ প্ৰকৃত ৰূপায়ণ কৰে আমোলাসকলে। সাধাৰণতেই অসমত এটা অভিযোগ উত্থাপিত হয় যে কেন্দ্ৰীয় চৰকাৰৰ নতুন নতুন আঁচনিসমূহ অসমত কাৰ্যকৰী কৰাৰ বাবে অসমৰ অমোলাসকলে ইচ্ছা প্ৰকাশ নকৰে। অধিক জঞ্জালত সোমাবলৈ নিবিচাৰে। অধিক পুঁজি জড়িত থকা প্ৰকল্পসমূহত গুৰুত্ব দিয়ে কিন্তু কৰ্মমুখী বিষয়সমূহত আলস্য প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিসমূহৰ পৰা অসম বঞ্চিত হৈ থকা অৱস্থাই আমোলাসকলৰ এই চৰিত্ৰৰ সত্যতাক প্ৰতিপন্ন কৰিছে। এইটো অত্যন্ত স্পষ্ট যে জনপ্ৰতিনিধি হিচাপে যোৱা বেছিভাগৰে বিভিন্ন বিষয়-বস্তুৰ ওপৰত ধাৰণা স্পষ্ট নহয়। আমোলাসকলৰ পৰা কাম আদায় কৰাতো সক্ৰিয়তাৰ অভাৱ। দিল্লীৰ লগতে অন্যান্য সহযোগী ৰাষ্ট্ৰৰ

পৰা ক'ত কিদৰে আঁচনিসমূহ অসমৰ স্বাৰ্থত আদায় কৰিব পাৰি, তাৰ প্ৰতিও যেন আমি কোনো উদ্‌গ্ৰীৱ নহওঁ। আমি সকলোৱে এইটো স্বীকাৰ কৰা উচিত যে পৃথিৱীখন বহু আগুৱাই গৈছে। ভাৰতৰ অন্যান্য ৰাজ্যই আমাৰ তুলনাত বহু মাইল অতিক্ৰম কৰিছে। আমি পিচলৈ দৌৰ মাৰিম নে অন্যান্য ৰাজ্যৰ আগত অৱস্থান কৰিম তাৰ সিদ্ধান্ত লোৱাৰ সময় হ'ল। ইয়াৰ বাবেই সংগ্ৰামৰ প্ৰয়োজন, জনমতৰ প্ৰয়োজন।

❑ ❑ ❑

অসমত সাৰ উৎপাদনত গুৰুত্ব দিয়া প্ৰয়োজন হ'ব

জনসংখ্যাৰ বৃদ্ধিৰ হাৰৰ লগত কৃষিভূমি বৃদ্ধি কৰাটো সম্ভৱ নহয়। এনে ক্ষেত্ৰত এটা অঞ্চলৰ কৃষিভূমিক উৰ্বৰ কৰি ৰখাটোৱেই হ'ল কৃষি অৰ্থনীতিৰ মূল বিষয়। কৃষিভূমিক উৰ্বৰ কৰি ৰাখিবলৈ হ'লে নাইট্ৰ'জেন (ইউৰিয়া সাৰ), ফছফেট (ছুপাৰ ফছফেট সাৰ) আৰু পটাছ সাৰৰ সঠিক আনুপাতিক প্ৰয়োগৰ গুৰুত্ব সৰ্বাধিক, সাৰ প্ৰয়োগৰ ক্ষেত্ৰত দিশ নিৰ্দেশনা দিয়া দেশৰ সৰ্বোত্তম প্ৰতিষ্ঠান ভাৰতীয় সাৰ সন্থাৰ মতে সমগ্ৰ দেশজুৰি ফছফেট সাৰৰ প্ৰয়োগ পৰ্যাপ্ত পৰিমাণে কমি যোৱাটো কৃষিভূমিৰ বাবে ক্ষতিকাৰক। ভাৰতীয় সাৰ সন্থাই ফছফেট সাৰৰ উৎপাদন বৃদ্ধি কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়াই আহিছে। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য-কেইখনৰ সাৰ প্ৰয়োগ অতি নিম্নস্তৰত।

কৃষিক্ষেত্ৰৰ বাবে অতি প্ৰয়োজনীয় ফছফেট সাৰ প্ৰয়োগৰ ক্ষেত্ৰত সৰ্বভাৰতীয় ক্ষেত্ৰত অনাটনে দেখা দিয়াৰ লগতে অসমৰ ক্ষেত্ৰতো প্ৰয়োগ অতি শোচনীয়। অসমত ফছফেট সাৰৰ প্ৰয়োগ ক্ৰমে কমি আহিছে। তথ্য মতে ফছফেট সাৰৰ প্ৰয়োগত অসমৰ স্থান নিম্ন স্তৰত।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ছুপাৰ ফছফেটৰ এক বিশাল বজাৰ আছে। বছৰি প্ৰায় ৭৬,৩০০ মেট্ৰিক টন ছুপাৰ ফছফেট সাৰৰ প্ৰয়োজন হয় যদিও ছুপাৰ ফছফেট উৎপাদনৰ বাবে আজিও প্ৰকৃতভাৱে গুৰুত্ব দিয়া হোৱা নাই। কিন্তু স্থানীয়ভাৱে ছুপাৰ ফছফেটৰ যোগানৰ অভাৱত কৃষকে ডি এ পি ব্যৱহাৰ কৰিবলগা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ছুপাৰ ফছফেট সাৰ উৎপাদন কৰিব পৰা "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড" নামৰ চন্দ্ৰপুৰত থকা সাৰ উদ্যোগটো বন্ধ হৈ থকা বাবে সমগ্ৰ ছুপাৰ ফছফেট সাৰ অসমৰ বাহিৰৰ পৰা আনিবলগা হৈছে। ইয়াৰ ফলত পৰিবহণ ভৰ্তুকি, সাৰ ভৰ্তুকি আদিৰ নামত লাখ লাখ টকা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰলৈ আঁতৰি গৈছে। অসমত ছিংগল ছুপাৰ ফছফেট সাৰ, মিশ্ৰ সাৰ, ছালফিউৰিক এচিড আৰু লিকুইড ছালফাৰ-ডাই-অক্সাইড প্ৰস্তুত কৰা চন্দ্ৰপুৰৰ সাৰ

কাৰখানাক কাৰ্যক্ষম কৰিবলৈ আমি চেষ্টা নকৰাত বিশেষকৈ ছুপাৰ ফছফেট আৰু ছালফিউৰিক এচিডৰ নামত অসমৰ পৰা পুঁজি বহিঃৰ্গমন হৈছে, ফলত লাভবান হৈছে পশ্চিমবঙ্গৰ মেছাৰ্ছ ফছফেট কোম্পানী, মেছাৰ্ছ জয়শ্ৰী ৰাসায়নিক আৰু সাৰ উদ্যোগ আৰু বিহাৰৰ মেছাৰ্ছ পায়ৰিটিছ ফছফেট আৰু ৰাসায়নিক লিমিটেড। কৃষিক্ষেত্ৰৰ লগতে চাহ উৎপাদন আৰু কাগজ উৎপাদনৰ উদ্যোগত এই ছুপাৰ ফছফেটৰ প্ৰয়োজন হয়, ছুপাৰ ফছফেট সাৰৰ প্ৰয়োজন বছৰি বৃদ্ধি পাই আহিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰয়োজনীয় ৭৬,৩০০ মেট্ৰিক টনৰ বাবে অসমত উদ্যোগৰ সম্ভাৱনিয়তা নথকা নহয়। ছুপাৰ ফছফেটৰ দৰে অসমত ছালফিউৰিক এচিদৰো এখন শক্তিশালী বজাৰ আছে। ছালফিউৰিক এচিড ব্যৱহাৰৰ পৰিমাণৰ ওপৰতেই নিৰ্ভৰ কৰে এখন দেশৰ ঔদ্যোগিক উন্নয়নৰ মাপকাঠি। ঔদ্যোগিক অৰ্থনীতিবিদসকলৰ মতে ছালফিউৰিক এচিড ঔদ্যোগিক বেৰমিটাৰ, অসমৰ নামৰূপ, ডিগবৈ আৰু চন্দ্ৰপুৰত তিনিটা ছালফিউৰিক এচিডৰ উৎপাদন গোট আছিল, বৰ্তমান চন্দ্ৰপুৰত থকাটোহে আছে যদিও উৎপাদন বন্ধ। অসমত বছৰি ৭৫৪০ মেট্ৰিক টন ছালফিউৰিক এচিডৰ 'এখন বজাৰ আছে। ইয়াৰ মূল্য প্ৰায় ১.২৫ কোটি টকা। ছুপাৰ ফছফেট সাৰ উৎপাদনত ছালফিউৰিক এচিডৰ বিশেষ প্ৰয়োজন হোৱাৰ লগতে অসমত উৎপাদিত হৈ থকা এলাম, জিংক ছালফেট, কপাৰ ছালফেট, গ্যালভেনাইজ ইউনিট, বেটাৰী ইউনিটত ব্যৱহৃত হয়। ইয়াৰ উপৰিও ডিগবৈৰ ভাৰতীয় তেল নিগম, জাগীৰোড আৰু পাঞ্চগ্ৰামৰ কাগজ নিগম, বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'ৰাসায়নিক প্ৰকল্পৰ লগতে অসমৰ তাপ বিদ্যুৎ কেন্দ্ৰসমূহত ছালফিউৰিক এচিডৰ প্ৰয়োজন হয়।

অসমৰ প্ৰয়োজনীয় ছালফিউৰিক এচিডৰ বজাৰখন অসমত উৎপাদিত উদ্যোগ ক্ষেত্ৰৰ দ্বাৰা দখল কৰিবলৈ চেষ্টা নকৰাৰ ফলত পশ্চিমবঙ্গৰ ক্ৰমে ফছফেট কোম্পানী, হিন্দুস্থান হেভি কেমিকেলচ লিমিটেড, ভিদুলা কেমিকেলছ আৰু ম্যানিউফ্যাকছ্যাৰ ইণ্ডাষ্ট্ৰি, বেঙ্গল কেমিকেলছ, খাটৰাট কেমিকেলছ আৰু কেশৰাম ৰায়নছৰ ওপৰত অসম আজি নিৰ্ভৰশীল হ'বলগা হৈছে।

অসমৰ শোধনাগাৰকেইটাত কেৰাচিন তেল শোধনৰ বাবে যথেষ্ট পৰিমাণৰ লিকুইড ছালফাৰ-ডাই-অক্সাইডৰ প্ৰয়োজন হয়, অসমৰ খাৰুৱা তেল ব্যৱহাৰ কৰা বাৰাউনি শোধনাগাৰত ১৯৯১-৯২-ৰ তথ্য অনুসৰি ১৩১০ মেট্ৰিক টন লিকুইড ছালফাৰ ডাই-অক্সাইডৰ ব্যৱহাৰ হয়। বঙাইগাঁও ৰিফাইনাৰী আৰু পেট্ৰ'কেমিকেলছত ৭০০ মেট্ৰিক টন, ভাৰতীয় তেল নিগমৰ গুৱাহাটী শোধনাগাৰত ৩৬০ মেট্ৰিক টন, ডিগবৈ অসম অয়ল ডিভিজনত ৩০০ মেট্ৰিক টন, গ্লাছ, টিউব লাইট, বস্ত্ৰ উদ্যোগৰ

লগতে অসমত ছ'দিয়াম হাইড্ৰ'ছালফাইড প্ৰস্তুতৰ বাবেও লিকুইড ছালফাৰ-ডাই-অক্সাইডৰ ব্যৱহাৰ হয়। ভাৰতীয় প্ৰকল্প উন্নয়ন লিমিটেডৰ তথ্য মতে ১৯৯৪-৯৫ চনত অসমত প্ৰায় ১,৬১০ মেট্ৰিক টন লিকুইড ছালফাৰ-ডাই-অক্সাইডৰ প্ৰয়োজন। অসমৰ বাহিৰতো ৯০০ মেট্ৰিক টন লিকুইড ছালফাৰ-ডাই-অক্সাইডৰ বজাৰ অসমৰ ওপৰত নিৰ্ভৰশীল কৰিব পৰা যায়। অসমৰ উদ্যোগ বিভাগে বিশেষ গুৰুত্ব দিলে অসমত বছৰি ২০০০ মেট্ৰিক টন লিকুইড ছালফাৰ-ডাই-অক্সাইড প্ৰস্তুত কৰা উদ্যোগ গঢ়ি তোলা সম্ভৱ।

আমাৰ আলোচ্য ৭৬,৩০০ মেট্ৰিক টন ছুপাৰ ফছ্‌ফেট, ৭৫৪০ মেট্ৰিক টন ছালফিউৰিক এচিড আৰু ২০০০ মেট্ৰিক টন লিকুইড ছালফাৰ-ডাই-অক্সাইড প্ৰস্তুতৰ বাবে চন্দ্ৰপুৰত "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড" নামকৰণৰে ৰাজ্য চৰকাৰৰ এটা প্ৰতিষ্ঠান আছে যদিও বৰ্তমান অচল, অতি উচিতভাৱেই ৬০-ৰ দশকত কলিকতাৰ দৈৱকী নন্দন জাটিয়া নামৰ উদ্যোগপতিয়ে ব্যক্তিগত খণ্ডত আৰম্ভ কৰা চন্দ্ৰপুৰ কেমিকেল ইউনিটক ১৯৮৭ চনৰ ৮ অক্টোবৰত অসম চৰকাৰে "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড" নামেৰে ৰাজ্য চৰকাৰৰ প্ৰতিষ্ঠান হিচাপে গ্ৰহণ কৰে। উদ্যোগটোক আধুনিকীকৰণ কৰা আৰু পুনৰ গঠন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰকল্প উন্নয়ন লিমিটেডৰ দ্বাৰা প্ৰস্তুত কৰা ৰিপৰ্টৰ দ্বাৰা কিছু পৰামৰ্শ আগবঢ়াইছিল। ৰাজ্য চৰকাৰে বৰ্তমানো পুনৰ গঠনৰ বাবে কোনো পুঁজি যোগান নধৰা বাবে উদ্যোগটো কাৰ্যক্ষম হ'ব পৰা নাই। বৰ্তমান অসম চৰকাৰে গঠন কৰি দিয়া ঔদ্যোগিক উপদেষ্টা সমিতিৰ ৰিপৰ্টত অসমৰ ছুপাৰ ফছ্‌ফেট, ছালফিউৰিক এচিড আৰু লিকুইড ছালফাৰ- ডাই-অক্সাইডৰ নিৰ্ভৰশীল বজাৰখনৰ প্ৰতি লক্ষ্য ৰাখি "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড"ৰ প্ৰসঙ্গত পৰামৰ্শ দিয়া দেখা নগ'ল। উদ্যোগটোৰ উৎপাদনৰ কাৰিকৰী দিশ বৰ্তমান অ-প্ৰচলিত বুলি উল্লেখ কৰি শ্ৰমিকসকলক অৱসৰ দিয়াৰ আঁচনিৰ ওপৰতহে গুৰুত্ব দিয়া হ'ল।

নতুন অৰ্থনৈতিক নীতিয়েও অসমত সাৰ উৎপাদনত বাধাৰ সৃষ্টি কৰিলে। পূৰ্বতে ভাৰতীয় সাৰ সন্থাৰ জৰিয়তে ছুপাৰ ফছ্‌ফেট সাৰ প্ৰস্তুত কৰা উদ্যোগসমূহে সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহৰ সহযোগত নিজস্ব ৰাজ্যত সাৰৰ মূল্য নিৰ্ধাৰণ কৰিব পাৰিছিল আৰু উৎপাদিত সাৰ বিক্ৰী কৰিব পাৰিছিল। "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেডে" উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ সুযোগ গ্ৰহণ কৰিছিল। কিন্তু নতুন অৰ্থনৈতিক নীতিৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে ডায়-এমনিয়াম ফছ্‌ফেট (ডি এ পি) সাৰ আমদানী কৰাৰ স্বাৰ্থত ছুপাৰ ফছ্‌ফেট সাৰৰ ক্ষেত্ৰত থকা নিয়ন্ত্ৰণ উঠাই দিলে। ফলত স্থানীয় উদ্যোগে বাহিৰৰ বৃহৎ উদ্যোগৰ লগত প্ৰতিদ্বন্দ্বিতাত নামিবলগা হ'ল। সমান্তৰালভাৱে

এখন ভেঁজাল বজাৰৰ সৃষ্টি হ'ল। অন্যহাতে সাৰ উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল ক্ৰমে ছালফাৰ আৰু ৰকফছ্ফেট বিদেশৰ পৰা আমদানি কৰিব লগা হয়। পূৰ্বতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান Mineral & Metals Trading Corporation (MMTC)-ৰ দ্বাৰা আমদানি কৰি আনি কলিকতাৰ বন্দৰত নিয়ন্ত্ৰিত মূল্যত এই কেঁচামাল সাৰ উদ্যোগক যোগান ধৰা হৈছিল। নতুন অৰ্থনৈতিক উদাৰ নীতিৰ ফলত বৃহৎ উদ্যোগসমূহে বিদেশৰ পৰা নিজস্বভাৱে কম দামত কেঁচামাল আনি ব্যক্তিগত খণ্ডত সাৰ উৎপাদন আৰম্ভ কৰাত প্ৰতিযোগিতাৰ বজাৰত ৰাজহুৱা খণ্ডৰ উৎপাদনত বাধা পৰিল। ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে ৩য় বিক্ৰেতাৰ পৰা অধিক দামত কেঁচামাল কিনিবলগা হোৱাত উৎপাদনৰ ব্যয় বাঢ়িল। ফলত আজি ভাৰতৰ ৭৮টা ছুপাৰ ফছ্ফেট সাৰ উদ্যোগৰ ২৫টা উদ্যোগৰ উৎপাদন বন্ধ। "অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেডো" আজি কেঁচামালৰ নাটনি আৰু দাম বৃদ্ধি, উৎপাদিত সামগ্ৰীৰ প্ৰতিযোগিতা, মূলধনৰ অভাৱ, আওপুৰণি যন্ত্ৰ-পাতি আৰু বিদ্যুৎ যোগানৰ সংকটে উদ্যোগটোৰ সংকটৰ সৃষ্টি কৰিছে। ঔদ্যোগিক অনগ্ৰসৰ অসমত জাতীয় পুঁজিৰ বৃদ্ধিৰ দিশ আগত ৰাখি ছুপাৰ ফছ্ফেট, ছালফিউৰিক এচিড আৰু লিকুইড ছালফাৰ-ডাই-অক্সাইডৰ স্থানীয় বজাৰখনৰ প্ৰতি গুৰুত্ব দিয়েই কিছু কাৰ্যকৰি চিন্তা কৰা প্ৰয়োজন। অসমৰ ঔদ্যোগিক বিকাশৰ অতি প্ৰয়োজনীয় কাৰণতেই চৰকাৰ পৰিচালনা কৰা সকলে গতানুগতিক চিন্তাৰ পৰা বাহিৰত ওলাই অহাৰ সময় হৈছে।

❑ ❑ ❑

গ্ৰামোন্নয়ন বিভাগে নেতৃত্ব ল'ব লাগিব

জাতীয় পুঁজিৰ বিকাশৰ ক্ষেত্ৰত পুঁজিৰ বহিঃগমন বন্ধ কৰাটো অতিব প্ৰয়োজন। অসমত নিজস্ব পুঁজিৰ বিকাশৰ পৰিৱৰ্তে অসমবাসীৰ আয়ৰ সিংহভাগেই অসমৰ পৰা বিভিন্ন ক্ষেত্ৰৰে ওলাই যায়। আজি উৎপাদিত কেন্দ্ৰসমূহৰ বাবে অসম এখন বৃহৎ পণ্যৰ বজাৰ হৈ পৰিছে। আমি আজি নিজকে উৎপাদনৰ পক্ষত ঠিয় কৰোৱাৰ পৰিৱৰ্তে খৰিদ্দাৰ পক্ষত ঠিয় হৈছো, বিক্ৰেতাৰ পৰিৱৰ্তে কেৱল ক্ৰেতা হৈ থকাৰ মানসিকতাক আমি পৰিৱৰ্তন কৰিব নোৱাৰিলে অসমৰ জাতীয় পুঁজিৰ বিকাশ এক আলোচ্য বিষয় হৈয়েই থাকিব আৰু উন্নয়নৰ দিশ আৰু অধিক অধোগামী হ'ব। ৰাষ্ট্ৰীয় বেংকসমূহৰ জৰিয়তে, চাহ শিল্পকে লৈ ঔষধৰ বজাৰ, ভোগবাদী পণ্য সামগ্ৰীৰ বজাৰৰ জৰিয়তে শ শ কোটি টকা অসমৰ পৰা প্ৰতি বছৰে বহি[illegible] হৈ আছে যদিও সেই বিষয়ে আমি ইয়াত আলোচনা কৰিব বিচৰা নাই। আমাৰ [illegible]দন উলাই কৰিব নোৱাৰাকৈ জড়িত খাদ্যসামগ্ৰী আৰু মৎস্য যোগানৰ জৰিয়তে আমাৰ পৰা ওলাই যোৱা পুঁজি বন্ধ কৰাৰ দিশটোহে আলোচনা কৰাৰ প্ৰয়োজন হৈছে। যিহেতু জাতীয় পুঁজি বৃদ্ধিৰ লগতে জনমূৰি আয় বৃদ্ধিৰ সমস্যা সমাধানৰ লগতো সম্পৰ্ক আছে। প্ৰচলিত এই ব্যৱস্থাৰ পৰিৱৰ্তন অসম্ভৱ নহয়। সমাজখনৰ প্ৰতি নিজকে দায়বদ্ধ কৰি সততাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিলে সমস্যা সমাধানৰ পথ অতি স্পষ্ট।

অসমৰ ২৭লাখ হেক্টৰ কৃষি উপযোগী মাটি যদিও ১২লাখ মান মাটিতহে বছৰত দুটা খেতি কৰা হয়। ১৫লাখ হেক্টৰ বছৰৰ আঠমাহেই ছন পৰি থাকে। অন্যহাতে জলসিঞ্চন আৰু মাটি চহোৱাৰ বিভিন্ন সমস্যাৰ ফলত উৎপাদন অতি নগণ্য। ফলত অসমে খাদ্যশস্যৰ বাবে বছৰেকত প্ৰায় এহেজাৰ কোটি টকা বাহিৰলৈ এৰি দিবলগা হয়। একেদৰে প্ৰায় ২০হেজাৰ মেট্ৰিক টন মাছ বাহিৰৰ পৰা আনিবলগা হোৱা বাবে মাহে ৫কোটিকৈ বছৰেকত ৬০কোটি টকাৰ বহিঃগমন হয়। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহ আছে যদিও অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰাৰ যথেষ্ট সুযোগ আৰু সুবিধা আছে। কেন্দ্ৰীয় চৰকাৰৰ অনুদান আৰু ভৰ্তুকিৰ ওপৰত গ্ৰামোন্নয়ন বিভাগৰ যথেষ্টসংখ্যক আঁচনি থাকিলেও প্ৰকৃতপক্ষে বেছিভাগেই কাৰ্যকৰী নোহোৱাত বিভাগটোৰ প্ৰতি মানুহৰ সন্দেহ থাকি গৈছে।

অসমৰ কৃষি উৎপাদনত দুটা বা তিনিটা খেতি আশা কৰা হয় যদিও গৰিষ্ঠসংখ্যক কৃষকেই এটা খেতিতে সীমাবদ্ধ হৈ থাকিবলগা হয়। বেছিভাগ দৰিদ্ৰ কৃষকে পথাৰ চহোৱা আৰু জলসিঞ্চনৰ ক্ষেত্ৰত অৰ্থৰ অভাৱত এটা খেতিতে মন দিবলৈ বাধ্য হয়। খৰালি এই দুটা দিশত কৃষকক অলপ সহায় কৰিব পাৰিলেই উৎপাদন বৃদ্ধিত সহায়ক হয় আৰু কৃষকৰ জনমূৰি আয়ো বৃদ্ধি হয়। অসমত প্ৰায় ২৭লাখমান হাল বাব পৰা গৰু, ম'হ আছে। এই গৰু, ম'হেৰে প্ৰায় ১২-ৰ পৰা ১৫লাখ হেক্টৰ মাটিত হাল বাব পৰা যায়। অন্যহাতে অসমৰ কৃষকৰ মাটি বেছিভাগৰে ৩.৫ বিঘাতকৈ কম। এনে অৱস্থাত দুখীয়া কৃষকে প্ৰায় ৮/১০হেজাৰ টকা খৰচ কৰি হালৰ বাবে গৰু-ম'হ কিনা সম্ভৱ নহয়। অসমৰ কৃষকৰ মাটি কম পৰিমাণকৈ সিঁচৰতি হৈ থকাত ট্ৰেক্টৰৰ দ্বাৰা মাটি চহাই দিয়া সম্ভৱ নহয়। অৱশ্যে অসমৰ খেতিমাটিৰ এই অৱস্থিতৰ পৰিৱৰ্তন কৰি এজন কৃষকৰ মাটি একেটা স্থানতে একত্ৰিত কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আছে। অন্যহাতে অসমত জলসিঞ্চনৰ চৰকাৰী সহায় নথকাত কৃষকৰ দ্বাৰা নিজস্বভাৱে জলসিঞ্চনৰ ব্যৱস্থা কৰি লোৱা সম্ভৱ নহয়। আমি লক্ষ্য কৰিছো গ্ৰামোন্নয়ন বিভাগ সমন্বিতে গ্ৰাম্য উন্নয়ন কাৰ্যসূচীৰ অধীনত শতকৰা ৫০ভাগ ৰাজসাহায্য আৰু বাকী ৫০ভাগ বেংক ঋণৰ জৰিয়তে সমূহীয়া ভিত্তিত পাৱাৰ টিলাৰ যোগানৰ ব্যৱস্থা আছে। এখন পাৱাৰ টিলাৰে এদিনত ১০হাল গৰুৰ সমান হাল বাই দিব পাৰে। ইয়াৰ বাহিৰেও পাৱাৰ টিলাৰৰ জৰিয়তে সামগ্ৰী অনা-নিয়া আৰু জলসিঞ্চনৰ বাবেও কাম কৰিব পাৰি। আমাৰ প্ৰস্তাৱ হ'ল পাৱাৰ টিলাৰ আৰু কম শক্তিৰ জলসিঞ্চনৰ ব্যৱস্থা এক লাখ টকাৰ ভিতৰতে সম্ভৱ হ'ব। এই দুয়োটাকে একত্ৰিত কৰি দহজন কৃষকৰ মাজত এটা গোট কৰি কৃষক ৰাইজক দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে পাৱাৰ টিলাৰ আৰু জলসিঞ্চনৰ যন্ত্ৰৰ সম্পূৰ্ণ কামৰ কৃষক ৰাইজৰ মাজত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে গাঁৱৰ পৰা নগৰলৈ আহিবলগা নহয়।

সমন্বিত গ্ৰাম্য উন্নয়ন কাৰ্যসূচীৰ অধীনত অসমত ১৯৯৫-৯৬ চনৰ বাৰ্ষিক পৰিকল্পনা ব্যয় ২৩০০ লাখ আৰু ভাৰত চৰকাৰৰ পৰা পোৱা বৰঙণি ২৩০০ লাখৰ সৈতে মুঠ পৰিকল্পনাৰ ব্যয় ৪৬০০ লাখ টকা আছিল যদিও গ্ৰামোন্নয়ন বিভাগে মুঠ ২৭৪৩.৫০ লাখহে এই সমন্বিত গ্ৰাম্য উন্নয়ন কাৰ্যসূচীত ব্যয় কৰিছে। এই শিতানৰ ৪৬০০ লাখ টকাৰ পৰা মৎস্য উৎপাদন আৰু গাহৰি পালনৰ বাবে পঞ্চাশ শতাংশ ৰাখিলে আলোচ্য পাৱাৰ টিলাৰ আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ যৌথ আঁচনিৰ বাবে ২৩০০ লাখ টকা খৰচ কৰিব পৰা গ'লহেঁতেন। এই টকাৰে ২৩০০খন পাৱাৰ টিলাৰ আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ সামগ্ৰী ক্ৰয় কৰি প্ৰতি বছৰে ২৩হেজাৰ কৃষকক উৎপাদনৰ বাবে

সহায় কৰিব পৰা হয়। বছৰেকত দুটা খেতি কৰাত কৃষকসকলক উৎসাহিত কৰাৰ লগতে অধিক শস্য উৎপাদনে পৰৰ ওপৰত নিৰ্ভৰশীল স্থিতিৰ পৰিৱৰ্তন কৰিলেহেঁতেন। পাৱাৰ টিলাৰৰ লগত কম শক্তিৰ এটা মটৰ লগাই পানীতোলা, ধান বনা আৰু মৈ দিয়া কামতো কৃষকে সহায় পাব পাৰিব।

অসমৰ নৱৈ শতাংশ মানুহ মৎস্যভোজী। এজন মানুহে বছৰেকত ১১ কেজিকৈ মাছ খোৱা বুলি ধৰিলে অসমত বছৰি ২.৬০ লাখ মেট্ৰিক টন মাছৰ প্ৰয়োজন। ১.৪০ লাখ মেট্ৰিক টন ঘৰুৱা উৎপাদন হয়। ফলত মাছৰ এখন বিশাল বজাৰৰ সম্ভাৱনা নথকা নহয়। অসমৰ প্ৰায় ১০,০২,০,১০ বিঘা মাছৰ বাবে সংৰক্ষিত বিল আৰু পুখুৰী আছে। এক পৰিকল্পিত আঁচনিৰে বিছ বিঘাকৈ প্ৰায় ৫০,১০০ খণ্ড কৰি মীন পালনৰ জৰিয়তে প্ৰত্যক্ষভাৱে ২লাখ ৫০হেজাৰ আৰু পৰোক্ষভাৱে প্ৰায় ১০লাখ ২হেজাৰ মানুহৰ সংস্থাপনৰ পথ উলিয়াব পৰা যায়। আৰু মাছৰ বাবে প্ৰতি মাহত অসমৰ বাহিৰলৈ প্ৰেৰণ কৰিবলগা ৫কোটি টকা অসমবাসীৰ হাতত থাকি যাব। মীন পালনৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে চৰকাৰৰ অন্যান্য বিভাগ আছে দিও অৰ্থৰে সহায় কৰিব পৰা গ্ৰামোন্নয়ন বিভাগ বেছি নিৰ্ভৰশীল।

কংগ্ৰেছ চৰকাৰে গ্ৰামোন্নয়ন বিভাগটো ৰাজনৈতিক স্বাৰ্থত অপব্যৱহাৰ কৰাৰ বাবে এই বিভাগটোৰ অসমবাসীৰ ওচৰত এক সন্দেহজনক স্থিতি আছে। সেয়েহে গ্ৰামোন্নয়ন বিভাগৰ প্ৰতিটো আঁচনি বিভাগৰ দ্বাৰা কৰিবলৈ যাওঁতে স্থানীয়ভাৱে বা পঞ্চায়ত ভিত্তিত বিশিষ্ট সচেতন ব্যক্তিসকলক লৈ এখনকৈ ৰাজহুৱা নিৰীক্ষণ সমিতি গঠন কৰা উচিত হ'ব। বিভাগৰ দ্বাৰা পঞ্চায়ত ভিত্তিত গ্ৰহণ কৰা প্ৰতেটো কাম এই ৰাজহুৱা নিৰীক্ষণ সমিতিক অৱগত কৰি ৰাখিলে কাৰ্মসূচীৰ প্ৰকৃতভাৱে আৰু সম্পূৰ্ণভাৱে ৰূপায়ণ হ'ব পাৰে। দৰিদ্ৰতা নিৰ্মূলকৰণ বিভাগৰ সমন্বিত গ্ৰাস্য উন্নয়ন কাৰ্যসূচী অৰ্থাৎ আই আৰ ডি পি-ৰ উপৰিও স্ব-নিৰ্ভৰশীলতাৰ বাবে গ্ৰাম্য যুব প্ৰশিক্ষণ, গ্ৰামাঞ্চলৰ মাতৃ আৰু শিশু কল্যাণ আঁচনি, জৱাহৰ ৰোজগাৰ যোজনা, ইন্দিৰা আবাস যোজনা, নিশ্চিত নিয়োগ আঁচনি,সংহত গ্ৰাম্য শক্তি যোগান আঁচনি, জৈব গেছৰ ৰাষ্ট্ৰীয় আঁচনি আদি অতিব প্ৰয়োজনীয় আঁচনি আছে।

কেন্দ্ৰীয় চৰকাৰৰ বিশেষ বৰঙণি আগবঢ়োৱা গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা অসমৰ গাঁও আৰু নগৰৰ ব্যৱধান কমোৱাত যথেষ্ট সহায়ক কাৰ্যসূচী ল'ব পৰা হয়। বিশ্বাসযোগ্য পৰিবেশৰ সৃষ্টি কৰিব পাৰিলে গ্ৰামোন্নয়ন বিভাগেই অসমৰ জাতীয় পুঁজি বিকাশৰ সংগ্ৰামৰ নেতৃত্ব ল'ব পাৰে।

❑ ❑ ❑

উদ্যানশস্যত গুৰুত্ব দিব লাগিব

অসমৰ কৃষকৰ নিজস্ব মাটিৰ স্থিতি, জলসিঞ্চনৰ অৱস্থা, সাৰ প্ৰয়োগৰ লগতে খেতি আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ন্যূনতম অৰ্থৰ অভাৱেই কৃষিক্ষেত্ৰত এক সংকটপূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিছে। প্ৰতি বছৰৰ বানপানীয়ে কৃষিক্ষেত্ৰখনকে সংকুচিত কৰি আনিছে। অন্যহাতে কৃষকৰ কৃষি উপযোগী মাটি যথেষ্ট কম হোৱাটোৱেও কৃষিৰ উন্নতিত যথেষ্ট বাধাপ্ৰদান কৰিছে। গড় হিচাপে অসমত কৃষকে ১.৩৭ হেক্টৰ মাটিত খেতি কৰে আৰু ৫০শতাংশ কৃষকৰ কৃষি উপযোগী ভূমি ১ হেক্টৰতকৈ কম। এনে অৱস্থাত আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ নকৰিলে কম মাটিৰ পৰা উৎপন্ন হোৱা শস্যৰে অসমৰ অৰ্থনীতিক সলনি কৰিব নোৱাৰি। আনহাতে টুকুৰা-টুকুৰ মাটিত আধুনিক কৃষি পদ্ধতি প্ৰয়োগৰ যথেষ্ট অসুবিধা নথকা নহয়। এই সমস্যা সমাধানৰ বাবে উৎপাদন আৰু সংস্থাপন দুয়োটা দিশক আগত ৰাখি সমবায়ভিত্তিত উদ্যানশস্যৰ উৎপাদনৰ ব্যৱস্থা যথেষ্ট ফলপ্ৰসু হ'ব। ভাৰতৰ অন্য ৰাজ্যত থকাৰ দৰে উদ্যানশস্যৰ এটা স্বতন্ত্ৰ বিভাগ খুলিলে অসমৰ কৃষি আৰু কৃষকৰ যথেষ্ট লাভ হ'ব বুলি আমি আশা কৰিব পাৰো।

আজিৰ অসমত ২.৬৬ কোটি মানুহৰ শতকৰা ৫৭% কৃষিৰ ওপৰত নিৰ্ভৰশীল হোৱা সত্ত্বেও গৰিষ্ঠসংখ্যক শিক্ষিত যুৱক-যুৱতীয়ে কৃষিকাৰ্যত নিয়োজিত হোৱাটোক সন্মান লাঘৱ হোৱা কাম বুলি ধাৰণা কৰে। সামগ্ৰিকভাৱে সমাজখনেও এনে ধাৰণাই পোষণ কৰে। এনে এটা পৰিস্থিতিত অনতিপলমে কৃষিখণ্ডক এক লাভজনক তথা মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গঢ়ি তোলা জাতিটোৰ স্বাৰ্থতেই প্ৰয়োজন হৈছে। এই ক্ষেত্ৰত উদ্যানশস্যভিত্তিক ক্ষুদ্ৰ উদ্যোগ স্থাপন আৰু উদ্যানশস্যৰ বিজ্ঞানসন্মত উৎপাদনেৰে এই যাত্ৰা আৰম্ভ কৰিব পৰা হয়। পৰিতাপৰ বিষয় যে অসমত এই বিষয়ে আজিও গুৰুত্ব দিব বিচৰা হোৱা নাই। উদ্যানশস্যৰ উৎপাদন পদ্ধতিৰ লগত অন্য শস্যৰ উৎপাদন পদ্ধতিৰ ভিন্নতা থকাৰ বাবে সকলো ৰাজ্যতে এই দুবিধ কৃষিকাৰ্যৰ বাবে সম্পূৰ্ণ পৃথক কাৰ্যব্যৱস্থা লোৱা হয়। শাক-পাঁচলি, ফল-মূল, মচলাজাতীয় শস্য, ফল-মূল সংৰক্ষণ, জাম, জেলি, চৰবত, আচাৰ আদিৰ উদ্যোগ উদ্যান বিভাগৰ অন্তৰ্গত। আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী ড° স্বামী নাথন তথা কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ বিশেষজ্ঞসকলে মত পোষণ কৰি আহিছে যে বৰ্ধিত

নিবনুৱা সমস্যা সমাধানৰ মুখ্য ফলপ্ৰসূ উপায় হ'ল— উদ্যোগ স্থাপন কৰা আৰু তাৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সৃষ্টি কৰা। এই উক্তিৰ লগত সংগতি ৰাখি ভাৰতৰ অন্যান্য ৰাজ্যই ১.৬শতাংশ হাৰত উদ্যানশস্যৰ উদ্যোগৰ প্ৰসাৰ সাধন কৰিছে। উদ্যানশস্যৰ উল্লেখযোগ্য লাভজনক দিশ হ'ল সম-পৰিমাণৰ মাটিত অন্য শস্য যিমান উৎপন্ন হয়, তাৰ তুলনাত উদ্যানশস্য বহু বেছি উৎপন্ন হয়। আৰু উদ্যানশস্যৰ ক্ষেত্ৰত আন শস্যক্ষেত্ৰতকৈ চাৰিগুণ বেছি লোকক লাভজনকভাৱে নিয়োগ কৰিব পৰা যায়। প্ৰায়েই উচ্চভূমিত কৰা এই শস্যবোৰ বানপানীত আক্ৰান্ত হোৱাৰ ভয় কম, যিটো অসমৰ বাবে উদ্যানশস্য প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ আকৰ্ষণীয় বিষয়।

প্ৰকৃতিগতভাৱেই অসম শাক-পাঁচলি, ফল-মূল আৰু ফুলৰ স্বকীয় বাসস্থান। সাৰুৱা মাটি, আৰ্দ্ৰ জলবায়ু আৰু নাতিশীতোষ্ণ উষ্ণতাৰ অসম আম, বিভিন্ন টেঙা, কল, অৰ্কিড, লতাজাতীয় জামু, পনিয়ল, মনাটেঙা, সেন্দূৰী আম, থেকেৰা আদিৰ বাসস্থান। সাধাৰণতে ব্যৱহাৰ কৰা প্ৰায় সকলোবিধ শাক-পাঁচলি সহজে উৎপন্ন হোৱাৰ লগতে মাটি কাঁদুৰি, জিলমিল, থুতুৰা, মানধনীয়া, মছন্দৰী, মধুসোলেং আদিৰেও অসম চহকী। অন্যান্য বহুতো শাক-পাঁচলি আৰু ফল-মূল যেনে— পটল আদি উৎপাদনৰ ক্ষেত্ৰত অসমে এক উল্লেখযোগ্য স্থান দখল কৰিব পাৰে। ফুলৰ ক্ষেত্ৰত সকলো বাদ দিলেও অৰ্কিডবোৰক ভিত্তি কৰি বহুতো উদ্যান আৰু উদ্যোগ গঢ়ি তুলিব পৰা যায়। কেতেকী ফুলৰ পৰাই বহুতো মূল্যবান সামগ্ৰী তৈয়াৰ কৰিব পাৰি। অসমৰ জলবায়ুৰ কেৰালাৰ লগত সাদৃশ্য থকাত জালুকৰ খেতিৰ বাবে অতি উত্তম। জালুকে তিনি বছৰৰ পৰাই ফচল দিয়ে। অতি কম কষ্টতে এবিঘা মাটিত জালুকৰ কলম উৎপাদন কৰিব পাৰি, য'ত উৎপাদনৰ বাবে ১.৩৪লাখ টকা ব্যয় কৰি ৪লাখ টকাৰ লাভ কৰিব পাৰি।

এইবোৰ ক্ষেত্ৰত আমাৰ মাজত আজি সচেতনতাৰ প্ৰয়োজন হৈছে আৰু চৰকাৰৰ পৰা সদিচ্ছাসূলক কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈছে। সেয়েহে আমি প্ৰস্তাৱ কৰিব বিচাৰো যে অসমত এটা সুকীয়া উদ্যানশস্যৰ বিভাগ গঢ়ি তোলা আৱশ্যক । কৃষিখণ্ডৰ স্থবিৰতাক আঁতৰ কৰি নতুন উদ্যমেৰে কাম কৰিবলৈ কৃষিৰ উন্নয়ন, সংস্থাপন আৰু জাতীয় পুঁজিৰ বৃদ্ধি-উদ্দেশ্য আগত লৈ সুস্থ সাংগঠনিক প্ৰক্ৰিয়াৰে এটা বিভাগ গঢ়ি তুলিব লাগে। এই বিভাগ প্ৰচুৰ সম্ভাৱনাময় উদ্যানশস্যৰ প্ৰসাৰৰ বাবে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব। তুলনামূলকভাৱে কম প্ৰাকৃতিক সুবিধা থকা মহাৰাষ্ট্ৰই উদ্যানশস্য উন্নয়নত বছৰি ১০০কোটি টকা ব্যয় কৰাৰ বিপৰীতে অসমত মাত্ৰ ১.২১কোটি টকাৰ আবণ্টন দিয়া হৈছে। ভাৰতৰ অন্য ৰাজ্যৰ কথা উল্লেখ নকৰিলেও মণিপুৰ, ত্ৰিপুৰা আৰু অৰুণাচলত বহু আগতেই উদ্যানশস্যৰ পূৰ্ণাংগ বিভাগ স্থাপন

কৰি বহুদূৰ আগুৱাই গৈছে। অসমত বৰ্তমান সাতশৰো অধিক কাৰিকৰী অৰ্হতাসম্পন্ন থলুৱা নিবনুৱা কৃষি স্নাতক আছে। এই শক্তিক অপচয় হ'বলৈ নিদি অসমৰ উৰ্বৰ ভূমি আৰু উপযোগী জলবায়ুৰ সদ্‌ব্যৱহাৰ কৰিবলৈ শীঘ্ৰেই এটা কাৰিকৰী উদ্যোগ বিভাগ গঢ়ি তোলাটো অতি প্ৰয়োজন। এনে কাৰ্যসূচীৰ দ্বাৰাহে অসমত প্ৰকৃত কৃষি বিপ্লৱ সম্ভৱ হ'ব।

অন্ধ্ৰপ্ৰদেশ, হাৰিয়ানা, হিমাচল, ৰাজস্থান, পঞ্জাব, কৰ্ণাটক, তামিলনাডু, উত্তৰপ্ৰদেশ আৰু পশ্চিমবংগত প্ৰায় ২৫০০হেক্টৰ মাটিত ফুল খেতি কৰা হয়। অসমৰ জলবায়ু আৰু সাৰুৱা মাটি সকলোধৰণৰ ফুলৰ খেতিৰ বাবে উপযোগী যদিও এই খেতিৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব আজিও দিয়া হোৱা নাই। অসমৰ হাবিবোৰত হোৱা অৰ্কিডবোৰে কোনো গুৰুত্ব নোপোৱাত এই অতি লাভজনক ব্যৱসায়ক আমি যে উপলব্ধিয়েই কৰিব পৰা নাই, তাকে স্পষ্ট কৰিছে। অসমৰ নামবৰ হাবি, কাজিৰঙা অভয়াৰণ্য, কাৰ্বি-আংলঙত বহুতো মূল্যবান প্ৰজাতিৰ অৰ্কিড পোৱা যায়। অসমৰ থলুৱা অৰ্কিডে বিশ্বৰ বজাৰত এতিয়াও গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে যদিও অসমত এই ক্ষেত্ৰত কোনো প্ৰয়োজনীয় ব্যৱস্থা আৰু গুৰুত্ব দিয়া হোৱা নাই। অৰ্কিডৰ উপৰিও অসমত বিভিন্ন ধৰণৰ সুগন্ধি দ্ৰব্য তৈয়াৰ কৰা উদ্যোগ, ফুলৰ বীজ উৎপাদন কেন্দ্ৰ আদি গঢ়ি তুলিব পাৰি। ইয়াৰ বাবে প্ৰয়োজন হ'ব বিশ্বৰ বজাৰৰ লগত অসমৰ থলুৱা লোকৰ পৰিচয়, লগতে চৰকাৰৰ বিত্তীয় আবণ্টন আৰু সদিচ্ছা।

মূলতঃ অসমত উদ্যানশস্যৰ প্ৰচুৰ সম্ভাৱনা আছে। এই সম্ভাৱনাক বাস্তৱত সফল কৰিবলে হ'লে অসমৰ কৃষিখণ্ডত বৰ্তমানলৈকে প্ৰত্যক্ষ হোৱা স্থবিৰতা দূৰ কৰিব লাগিব। কৃষিখণ্ডৰ উন্নয়নৰ বাবে নিয়োজিতসকলৰ সহযোগত সফল হোৱা কৃষকসকলেই হ'ব বিভাগীয় কৰ্মকৰ্তাৰ সাফল্যৰ নিদৰ্শন। বৰ্তমান হৈ থকা বছৰি ১৮০কোটি টকা মূল্যৰ ফল-মূল আৰু শাক-পাঁচলিৰ নাটনি দূৰ কৰাৰ লগতে অন্যান্য উদ্যানশস্যৰ ৰপ্তানিৰ জৰিয়তে জাতীয় পুঁজি বৃদ্ধি কৰা সম্ভৱ হ'ব— যদিহে উদ্যানশস্যৰ উৎপাদন আৰু উদ্যোগ গঢ়ি তোলাৰ বাবে বিজ্ঞানসম্মত আৰু ব্যৱসায়িকভিত্তিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয়।

❑ ❑ ❑

গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে কাঠফুলা খেতি অন্য এক পথ

সকলো পক্ষৰ সহযোগ আৰু সদিচ্ছা থাকিলে চাহ শিল্পৰ দৰে অসমৰ কাঠফুলা উদ্যোগে আন্তৰ্জাতিক বজাৰত নিজৰ স্থিতিক শক্তিশালী কৰিব পাৰে। আমেৰিকা আৰু ইউৰোপৰ কাঠফুলাৰ বিশাল বজাৰখন আজি চীন, কোৰিয়া, ইণ্ডোনেছিয়া, থাইলেণ্ড আদিয়ে দখল কৰি ৰাখিছে। ভাৰতে ইতিমধ্যেই এই বজাৰত ভৰি দিছে।

অসমৰ জলবায়ুত গোটেই বছৰটোৰেই কাঠফুলাৰ বাবে উপযোগী যদিও উৎপাদন অতি সামান্য। যোৰহাট আঞ্চলিক গৱেষণাগাৰ, গুৱাহাটীৰ শান্তি সাধনা আশ্ৰম আৰু যোৰহাট কৃষি বিদ্যালয়ত বৈজ্ঞানিকভাৱে প্ৰমাণিত বীজ উৎপাদন কৰিছে যদিও কাঠফুলা খেতি গঢ়ি তোলাত এক পৰিকল্পিত সহযোগ নাই। গুৱাহাটীৰ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদে ইতিমধ্যেই কঠিফুলা খেতিৰ বিষয়ে জনমত গঠন কৰিছে। অন্যহাতে খেতিয়কসকলক সংগঠিত কৰাৰ লগতে উচ্ছ্বাসিত কৰাৰ বাবে অসমত 'অসম কাঠফুলা উন্নয়ন সমিতি' গঠন হৈছে। অসম চৰকাৰৰ সহযোগ আজি স্পষ্ট নহয়। অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যান শস্য বিভাগৰ দ্বাৰা কাঠফুলা খেতিৰ সম্প্ৰসাৰণ আৰু বজাৰ দখলৰ বাবে যথেষ্টখিনি কৰাৰ সুযোগ নথকা নহয়। কেন্দ্ৰীয় চৰকাৰৰ উদ্যান শস্যৰ ফলক অঁৰা এটা কাৰ্যালয় দিছপুৰৰ ওচৰতে নামত ৰখা হৈছে। বিভাগটোৱে কি কৰি আছে আৰু কি কৰিব গৈছে তাৰ কোনো প্ৰচাৰ নাই। সহায় বিচাৰি গ'লেও আমোলাতান্ত্ৰিক ব্যৱস্থাৰ আশ্বাসহে পোৱা যায়। সহায় নাই। অসম চৰকাৰৰ যথেষ্ট সক্ৰিয় বুলি পৰিচিত আজিৰ কৃষিমন্ত্ৰীয়ে কাঠফুলাক লৈ কৃষি উদ্যোগ গঢ়ি তুলি জাতীয় পুঁজিৰ বৃদ্ধিকৰণৰ লগতে সংস্থাপনৰ এক নতুন ক্ষেত্ৰ তৈয়াৰ কৰাত সক্ৰিয় হ'ব বুলি আমি আশাবাদী।

প্ৰাচীন ৰোমান, মিচৰ, চীন আৰু ভাৰতীয় সভ্যতাৰ লগত কাঠফুলা জড়িত হৈ আছে। ৰোমানসকলে কাঠফুলাক ভগৱানৰ খাদ্য বুলি জ্ঞান কৰে। ১৯৬৩-৬৪ চনত হিমাচল প্ৰদেশ আৰু ১৯৬৭-৬৮ চনৰ পৰা কাশ্মীৰত কাঠফুলা উদ্যোগ এক ব্যৱসায়িক ভিত্তিত আৰম্ভ কৰা হৈছিল যদিও আজি উৎপাদন যথেষ্ট উচ্ছ্বাসজনক। ১৯৮৫-৮৬

-ত ৪,০০০ টন উৎপাদন কৰি ভাৰতে আজি ২৫,০০০ টন অতিক্ৰম কৰিছে। মধ্যপ্ৰদেশ, উৰিষ্যা, তামিলনাড়ু, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, উত্তৰপ্ৰদেশ আৰু কেৰালাত কাঠফুলাৰ প্ৰসাৰতাৰ বাবে ৰাজ্য চৰকাৰসমূহ বিশেষভাৱে জড়িত হৈ পৰিছে। মাদ্ৰাজত ইতিমধ্যেই এক বৃহৎ প্ৰকল্প গঢ়ি উঠিছে। পঞ্জাৱত কাঠফুলা উৎপাদনৰ প্ৰতি কৃষকসকল আকৃষ্ট হৈ কৃষিৰ শীতলীকৰণ যন্ত্ৰসমূহ কাঠফুলা উৎপাদনত ব্যৱহাৰ কৰিব লৈছে। পঞ্জাৱত এতিয়া কাঠফুলা ৪২০০ টন উৎপাদন কৰাৰ লগতে অন্ধ্ৰত ৫০০ টন, দিল্লীত ৬০০ টন, হাৰিয়ানাত ৩০০০ টন, উৰিষ্যাত ৬০০ টন, তামিলনাডুত ৪৫০০ টন, উত্তৰপ্ৰদেশত ৩৫০০ টন, পশ্চিমবংগত ১২০০ টন আৰু কম-বেছিকৈ অন্যান্য ৰাজ্যতো এই উৎপাদন বৃদ্ধি হৈছে।

বনৰীয়া কাঠফুলা বিষাক্ত হয় যদিও বৈজ্ঞানিক পদ্ধতিৰে উৎপাদন কৰা কাঠফুলা বিষাক্ত নহয়। ২৫০বিধমান কাঠফুলাৰ ১৫বিধমানহে খাদ্যৰ বাবে গ্ৰহণযোগ্য। উত্তৰ-পূৰ্বাঞ্চলত সাগৰীয় শামুকীয়া কাঠফুলা, হোৱাইট বুটন আৰু পেডিষ্ট্ৰ কাঠফুলাৰ খেতি কৰা হয়। কাঠফুলাৰ খেতি সাধাৰণতে ছেপ্টেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈ কৰা হয় যদিও অসমৰ জলবায়ুত সাগৰীয় শামুকীয়া কাঠফুলা গোটেই বছৰটোতে কৰিব পৰা হয়।

পৃথিৱীত বহু দেশত কাঠফুলা এবিধ জনপ্ৰিয় পুষ্টিকৰ খাদ্য। ভাৰতৰ প্ৰায়বোৰ মহানগৰীৰে ৰেষ্টুৰেণ্ট আৰু হোটেলত কাঠফুলাই প্ৰিয়খাদ্য হিচাপে স্থান গ্ৰহণ কৰিছে। উচ্চ ৰক্তচাপ, হৃদৰোগ, অতিমেদ, কৰ্কট, বহুমূত্ৰ, দাঁতৰ দুৰ্গন্ধ আদি বেমাৰবোৰৰ বাবে কাঠফুলা এক গ্ৰহণযোগ্য খাদ্য। কাঠফুলাত প্ৰ'টিন আৰু বিভিন্নধৰণৰ মূল্যবান খনিজ পদাৰ্থ থাকে। ইয়াত পটাছিয়াম, লো আৰু ভিটামিন পোৱা যায়। শাক-পাঁচলিতকৈ কঠিফুলাত অধিক পৰিমাণৰ ভিটামিন আৰু নিয়াচিন থাকে। আজি বনৰীয়া বুলি ভবা এই কাঠফুলাই ৰেষ্টুৰেণ্ট, হোটেলত কাঠফুলাক মটৰ মছলা, কাঠফুলাৰ পকোৰা, কাঠফুলাৰ অমলেট, মক অইষ্টাৰ, অইষ্টাৰ ষ্টু আদি সোৱাদ লগা আহাৰৰ ৰূপত পৰিবেশন কৰা হয়।

অতি কম খৰচত আৰু কম পৰিশ্ৰমত বিশ্বৰ বজাৰলৈ যাব পৰা আৰু সংস্থাপনৰ সুবিধা থকা অন্যতম কৃষি উদ্যোগ কাঠফুলা উৎপাদনৰ বাবে এশ বৰ্গফুট স্থানেই যথেষ্ট। গ্ৰাম্য অঞ্চলৰ পৰিবেশ আৰু কেঁচা ঘৰ কাঠফুলাৰ উৎপাদনৰ স্থান হোৱা বাবে নগৰতকৈ গ্ৰামাঞ্চলত এই খেতি কৰাটো সহজলভ্য। গাঁৱৰ পথাৰত পৰি থকা ধানখেৰৰ নৰাই এই উদ্যোগৰ মূল কেঁচামাল। এক কেজি কাঠফুলাৰ বীজৰ পৰা দহৰ পৰা পোন্ধৰ কেজি কঠিফুলাৰ উৎপাদন কৰিব পৰা হয়। এক কেজিৰ উৎপাদনৰ বাবে সাধাৰণতে খৰচ আঠ টকা আৰু কেঁচা হিচাপে বজাৰত বিক্ৰী কৰিব পৰা হয়

প্ৰতি কেজিত চল্লিশ টকা হিচাপে। লাভ্যাংশৰ পৰিমাণ অতি স্পষ্ট। কাঠফুলা কেঁচা কৰি খোৱাৰ বাবে ব্যৱহাৰ কৰিবলগা হয়। কিন্তু শুকাই বহু দিনলৈ ৰাখিব পৰা হয় বাবে শুকান কাঠফুলাৰ ওপৰতহে ব্যৱসায় গঢ়ি উঠিছে। এক কেজি শুকান কাঠফুলা দিল্লীৰ বজাৰত চাৰিশ টকা দৰত বিক্ৰী হয়।

অতি কম মূলধনৰে লাভজনক কৃষি উদ্যোগ যদিও কাঠফুলা খেতিৰ ক্ষেত্ৰত চৰকাৰৰ পৃষ্ঠপোষকতাৰ অতীব প্ৰয়োজন। মধ্যপ্ৰদেশ আৰু উৰিষ্যাৰ কৃষি ঔদ্যোগিক নিগমৰ উদ্যানশস্য বিভাগৰ দ্বাৰা এই কৃষিত যথেষ্ট সহায় আগবঢ়াইছে। অসম চৰকাৰেও এই ক্ষেত্ৰত এক পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। এই কৃষি উদ্যোগত মূলতঃ চাৰিটা স্তৰ। কাঠফুলাৰ উৎপাদন, শুকুওৱা ব্যৱস্থা, পেকেট কৰা আৰু বজাৰ দখল কৰা। সূৰ্যৰ ওপৰত নিৰ্ভৰশীল শুকুওৱা ব্যৱস্থাৰে ব্যৱসায়ৰ ভিত্তি গঢ়িব নোৱাৰি। প্ৰযুক্তিবিদ্যাৰ প্ৰয়োজন আছে। অন্যহাতে ভাৰতৰ প্ৰতিযোগিতামূলক বজাৰত ভৰি দিবলৈ আধুনিক পেকেট কৰাৰ প্ৰয়োজনক গুৰুত্ব দিব লাগিব। মূলতঃ এই দুটা ক্ষেত্ৰত চৰকাৰৰ পৃষ্ঠপোষকতা থাকিলে কাঠফুলা খেতিত জড়িত হ'বলৈ মানুহ উচ্ছ্বাসিত হ'ব। কাঠফুলা উৎপাদনৰ ক্ষেত্ৰত অসম চৰকাৰে গ্ৰাম্য উন্নয়ন বিভাগৰ জৰিয়তেও সহায় আগবঢ়াব পাৰে। অন্য ৰাজ্যত নাবাৰ্ড আৰু ৰাষ্ট্ৰীয়কৃত বেংকসমূহে এই উদ্যোগৰ বাবে পুঁজি বিনিয়োগ কৰিছে। দহ কোটি টকালৈকে এই কৃষি উদ্যোগত সহায় কৰা হৈছে। গ্ৰাম্য অঞ্চলৰ পৰা কৰ্ম-সংস্কৃতি গঢ়ি তোলাৰ এক বিকল্প পথ হিচাপেও চৰকাৰে কাঠফুলা উদ্যোগৰ প্ৰসাৰতাত সহায় কৰা উচিত।

❑ ❑ ❑

অসমত শীতলীকৰণ উৰালৰ প্ৰয়োজন

আলুখেতিক বাণিজ্য খেতি কৰিব পৰা যায়

অসমৰ কৃষিক্ষেত্ৰৰ অনগ্ৰসৰতা আৰু কৃষকৰ অনুন্নত অৱস্থালৈ লক্ষ্য ৰাখি কৃষি বিষয়া টোৰ ওপৰত নতুনকৈ মূল্যায়ন কৰাৰ প্ৰয়োজন হৈছে। জনবসতি বৃদ্ধি হোৱাৰ লগে লগে কৃষিভূমি সংকুচিত হৈ আহিছে। ৰাজ্যখনৰ ৩৬ ভাগ মানুহৰ ভূমিৰ পৰিমাণ ৩.৫ বিঘাতকৈ কম, ২৪ ভাগৰ ভূমিৰ পৰিমাণ ৩.৫-৭ বিঘাৰ ভিতৰত। প্ৰকৃতাৰ্থত প্ৰায় ৬০ ভাগ মানুহে দৰিদ্ৰতাৰ লগত যুঁজিব লগা হয়। ইয়াৰে বেছি অংশটোৱেই হ'ল কৃষক। অসমৰ গ্ৰামাঞ্চলত থকা ৮৯ শতাংশ লোকৰ ভিতৰত ৭৩.৯৯ শতাংশ কৃষক। প্ৰকৃতাৰ্থত কৃষক ৫০-৯০ শতাংশ, কৃষিশ্ৰমিক ১২.০৮ শতাংশ, হাঁহ-কুকুৰা পালন কৰে ১০.৫২ শতাংশই আৰু ০.৪৯ শতাংশই কোৰেৰী-খনি আদিত শ্ৰম কৰে। কৃষিজাত সামগ্ৰীৰ পাইকাৰী মূল্যসূচীৰ হাৰ ৫.৮ শতাংশলৈ হ্ৰাস পাইছে। আজি বজাৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি খেতি নিৰ্দিষ্ট কৰাৰ সময় হৈছে। ধানখেতিত লাভ হ'বনে অন্য খেতিত লাভ হ'ব তাৰ মূল্যায়ন কৰি ল'ব লাগিব। মানুহ বাঢ়িল মাটি কমিল—ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰিব লাগিব আমাৰ উৎপাদন ব্যৱস্থা। অসমৰ মাটি-পানী জলবায়ুৰ ওপৰত ভিত্তি কৰি ধানখেতিৰ সমান্তৰালকৈ অন্য এটা খেতিৰ প্ৰতি লক্ষ্য কৰিব পাৰোঁ। সাম্প্ৰতিক আৰু ভৱিষ্যতৰ বজাৰ-ব্যৱস্থালৈ লক্ষ্য কৰি লগতে বৃহৎসংখ্যক স্থানীয় গ্ৰাহকলৈ লক্ষ্য ৰাখি অসমে আলুখেতিক আজি এক জাতীয় কৃষি হিচাপে গ্ৰহণ কৰিব পাৰে। উত্তৰ-পূৰ্বাঞ্চলত ১,৬০০ কোটি টকাৰ আলুৰ বজাৰ আছে। ধানখেতিৰ পিছত আহিনত আলুৰ খেতি আৰম্ভ কৰিব পৰা যায়। তিনি মাহতে আলু বজাৰলৈ উলিয়াই দিব পৰাকৈ পৈণত হয়। উত্তৰ-পূৰ্বাঞ্চলত আঠ লাখ টন আলুৰ ভিতৰত অসমতে প্ৰায় পাঁচ লাখ টন আলুৰ প্ৰয়োজন হয় যদিও স্থানীয়ভাৱে এক লাখ টন আলুহে উৎপাদন হয়। ফলত ৰাজ্যৰ বাহিৰৰ পৰা অহা আলুৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আৰু ইয়েই পুঁজিৰ বহিঃগমনত সহায় কৰে। পশ্চিমবংগ চৰকাৰে আলু উৎপাদনত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব প্ৰদান কৰাত আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে পশ্চিমবংগৰ আলুৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰিছে। আলুখেতি কৰাত কৃষকৰ আগ্ৰহ অনাবলৈ হ'লে প্ৰকৃত মূল্য পোৱাৰ ব্যৱস্থা কৰি দিয়াটো অতি প্ৰয়োজন। কৃষক আৰু বিক্ৰেতাৰ মাজত সমন্বয়ৰ

অভাৱত কৃষকে অতি নগণ্য মূল্য লাভ কৰে। সেইবাবেই আলুখেতিৰ প্ৰতি বেছিভাগ কৃষকৰে আগ্ৰহ কম। আলুখেতিৰ আৰম্ভণিতে পশ্চিমবংগৰ বংকুৰা জিলাত প্ৰতি কুইন্টলত আলুৰ দাম হয় ৭০ টকা। এতিয়া ৮৭০ টকা। কৃষকক আলুখেতি কৰাত অনুপ্ৰাণিত কৰাৰ বাবে লাভজনকভাৱে মূল্য পোৱাৰ বাবে পশ্চিমবংগ চৰকাৰে আলুৰ সংৰক্ষণ ব্যৱস্থাত বিশেষ গুৰুত্ব দিছে। লক্ষণীয় বিষয় যে পশ্চিমবংগত ৩২৬ টা শীতলীকৰণ ভঁৰাল আছে। অসমত ৮টা। ৩ টা নিৰ্মীয়মাণ অৱস্থাতে আছে। অসমলৈ বছৰত প্ৰায় ১৪০ ৰেক আলু আহে। কেৱল বৰপেটাৰোডলৈ দৈনিক ২০ ট্ৰাক আলু অনা হয়। আমাৰ প্ৰস্তাৱ হ'ল— কৃষিত ক্ৰয়মূল্য আৰু বিক্ৰীমূল্যৰ পাৰ্থক্য যিমান পৰা যায় কমাব লাগে। তাৰবাবেই সংৰক্ষণৰ প্ৰয়োজন হ'ব। উচিত সময়ত উচিত মূল্য পোৱাৰ ব্যৱস্থা কৰিলে তেনে শস্য উৎপাদনৰ বাবে কৃষকৰ আগ্ৰহ বাঢ়িব। অসমত প্ৰয়োজনীয় আলুৰ বজাৰখনলৈ লক্ষ্য ৰাখি ইয়াত কমেও ২০০ টা শীতলীকৰণ ভঁৰালৰ প্ৰয়োজন হ'ব। কেৱল আলুৰেই নহয়— বিলাহী, কণী আৰু অন্যান্য ৰবি শস্যৰ বাবে ২০০ টা শীতলীকৰণ ভঁৰাল ব্যৱহাৰ কৰিব পৰা যাব। বঙাইগাঁও, বিজনী, বৰপেটাৰোড, হাউলী, ছয়গাওঁ, গোৱালপাৰা, দুধনৈ, ৰংজুলি, দলগাওঁ, কঠীয়াতলী, চামগুৰি, ৰূপহী, ওদালগুৰি, বিশ্বনাথ চাৰিআলি, ধেমাজি, শদিয়া, লখিমপুৰ, তিনিচুকীয়া আদি অঞ্চলত একেলগে পৰিকল্পিতভাৱে শীতলীকৰণ ভঁৰাল কৰিব পাৰিলে অসমৰ কৃষক আৰু বজাৰ দুয়োটাৰে সহায় হ'ব। আমাৰ প্ৰস্তাৱ হ'ল— আলুৰ বজাৰখনৰ প্ৰতি লক্ষ্য ৰাখি আৰু মাটি-জলবায়ুৰ সহযোগিতাক গুৰুত্ব দি অসমত আলুখেতিক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া হওক। পাঁচ হাজাৰ মেট্ৰিক টন ক্ষমতাসম্পন্ন শীতলীকৰণ ভঁৰাল প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰায় আঢ়ৈ কোটি টকাৰ প্ৰয়োজন। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা ৰাজসাহায্য পোৱা যায়। বিত্তীয় অনুষ্ঠানসমূহৰ লগত সম্পৰ্ক কৰিব পাৰিলে কম মূলধনতে এটা শীতলীকৰণ ভঁৰাল স্থাপন কৰিব পৰা যায়। ইয়াৰ বাবে লাগে ইচ্ছাশক্তি। যদি এটা শীতলীকৰণ ভঁৰাল স্থাপনেৰে নিজস্ব এলেকাত আলুখেতি কৰাৰ বাবে পৃষ্ঠপোষকতা আগবঢ়াই উচিত মূল্যত কৃষকৰ পৰা আলু সংগ্ৰহ কৰিব পাৰে, তেতিয়া দুয়ো পক্ষৰে সহায় হ'ব আৰু অসমত এখন বিশাল আলুৰ বজাৰ সৃষ্টি হ'ব। ৰাজ্যখনত একেলগে বহুকেইটা শীতলীকৰণ ভঁৰাল কৰি ল'ব পাৰিলে বাহিৰৰ ব্যৱসায়িক চক্ৰৰ পৰিকল্পিত শোষণ-বঞ্চনা বন্ধ কৰিব পৰা যাব। অৱশ্যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতা প্ৰয়োজন হ'ব। শীতলীকৰণ ভঁৰাল হোৱাৰ লগে লগে কৃষিৰ লগতে অন্যান্য ক্ষেত্ৰতো শিল্পায়নৰ বিকাশৰ পথ মুকলি হ'ব। বিশেষকৈ মৰাপাট বেগৰ ডাঙৰ বজাৰ এখন সৃষ্টি হ'ব। আমি আশা কৰোঁ, চৰকাৰে এই দিশটোত বিশেষভাৱে গুৰুত্ব দিব।

□ □ □

সংস্থাপনৰ বাবে এখন বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰয়োজন

ভাৰতৰ বিভিন্ন জনগাঁথনিৰে পূৰ্ণ ৰাজ্যসমূহত অসমতাপূৰ্ণ অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত একক ৰাষ্ট্ৰীয় পৰিকল্পনা সমৰ্থনযোগ্য নহয়। ৰাজ্যিক স্থিতিৰ ওপৰত ভিত্তি কৰি পৰিকল্পনাৰ প্ৰয়োজনক ৰাষ্ট্ৰই নিজৰ স্বাৰ্থতে গুৰুত্ব আৰোপ কৰিবলৈ নিবিচাৰে। কেন্দ্ৰীয় পৰিকল্পনা আয়োগ আৰু বিত্তীয় আয়োগৰ কাৰ্যপদ্ধতিয়ে তাৰেই ইংগিত বহন কৰি আহিছে। এই দিশটোৰ ওপৰত এক ৰাষ্ট্ৰীয় পৰ্যালোচনাৰ প্ৰয়োজন হৈছে। আজিৰ ব্যৱস্থাৰ ভিতৰত এনে পৰ্যালোচনা কৰিবলৈ গ'লেও ইয়াৰ ফলাফল উলিওৱাত সময়ৰ প্ৰয়োজন হ'ব। আমাৰ প্ৰস্তাৱ হ'ল ৰাষ্ট্ৰীয় ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব বুলি আশা পালি বহি থকাৰ বিপৰীতে জাতীয় পুঁজি গঠনৰ স্বাৰ্থ আগত লৈ জনমূৰি আয় বৃদ্ধিৰ বাবে কৰ্মসংস্থাপনক মুখ্য হিচাপে লৈ ৰাজ্য চৰকাৰে নিজস্বভাৱে এক পঞ্চবাৰ্ষিক পৰিকল্পনা কাৰ্যকৰী কৰাৰ বাবে প্ৰস্তুত কৰিব লাগে। ৰাজ্যৰ সংস্থাপনৰ ক্ষেত্ৰত বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল বিষয়সমূহৰ ভিতৰত দুগ্ধ উৎপাদন, মীন পালন, কণী আৰু হাঁহ-কুকুৰা উৎপাদন, গাহৰি উৎপাদনক বিশেষ অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰা উচিত হ'ব। কেউটি বিষয় পুঁজিতকৈ কম নিৰ্ভৰশীল হোৱাত কৰ্মসংস্থাপনৰ এক বিশাল ক্ষেত্ৰৰ উন্মোচন হ'ব। কেউটা খণ্ডৰ এটা জাতীয় আয় বৃদ্ধিৰ নিশ্চিত ক্ষেত্ৰ আছে। আলোচ্য বিষয়কেইটাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্তমানৰ বজাৰখনেই এক নিৰ্ভৰযোগ্য বজাৰ হ'ব। উল্লেখিত বিষয়সমূহত প্ৰাকৃতিক সুবিধা থকাত অসমৰ আন্তঃগাঁথনিৰ সমস্যাই বাধাৰ সৃষ্টি কৰিব নোৱাৰিব। উৎপাদনৰ ক্ষেত্ৰখন বাণিজ্যিক দিশেৰে সম্প্ৰসাৰণ কৰাত প্ৰয়োজনীয় মূলধনৰো সমস্যা নহ'ব। বিত্তীয় প্ৰতিষ্ঠানসমূহৰ লগতে আন্তৰ্জাতিক সংস্থাসমূহৰ পৰাও প্ৰয়োজনীয় পুঁজিৰ সুবিধা কৰিব পৰা যাব।

শ্বেত বিপ্লৱ ঃ অসমৰ জনসাধাৰণৰ দৈনন্দিন গাখীৰৰ চাহিদা আৰু গাখীৰৰ পৰা হ'ব পৰা বিভিন্ন উপাদানসমূহ উৎপাদনৰ আঁচনি গ্ৰহণ কৰিব লাগে। গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীসমূহৰ বাবে উদ্যোগ গঢ়ি তোলালৈকে গোটেই প্ৰক্ৰিয়াটোক সাঙুৰি এক 'শ্বেত বিপ্লৱৰ' সূচনা কৰিব পৰা যায়। গ্ৰাম্য জনতাৰ অৰ্থনৈতিক উন্নয়ন আৰু ৰাজ্যৰ জাতীয় আয় বৃদ্ধি কৰাৰ লগতে শ্বেত বিপ্লৱৰ কাৰ্যসূচীৰ জৰিয়তে শিক্ষিত,

অৰ্ধশিক্ষিত, অশিক্ষিত নিৰনুবাৰ এক বৃহৎ সংখ্যকক সংস্থাপন দিব পৰা যাব। শ্বেত বিপ্লৱৰ উদ্দেশ্য হ'ব—

- গ্ৰাম্য অঞ্চলৰ নিবনুৱাসকলৰ গৰু পোহাৰ দ্বাৰা আত্মসংস্থাপন
- দীৰ্ঘম্যাদী ভিত্তিত নিবনুৱাসকলক বিভিন্ন দিশৰ লগতে দুগ্ধ উদ্যোগত সংস্থাপনৰ পথ উন্মুক্তওৱা

- অসমৰ জনগণক পুষ্টিকৰ আহাৰ যোগান,
- গ্ৰাম্য জনতাৰ অৰ্থনৈতিক উন্নয়ন,
- ৰাজ্যৰ জাতীয় আয় তথা ৰাজহ বৃদ্ধি কৰা,

অসম চৰকাৰৰ ২০০৩-ৰ পৰিসংখ্যামতে বৰ্ণসংকৰ গৰু ৪,৪০,৩২১, সাধাৰণ শ্ৰেণীৰ গৰু ৭৯,৭৯,৩২৬, মহৰ সংখ্যা ৭,২৮,২২৯। গাখীৰৰ উৎপাদন ২০০৩-২০০৪ চনত ৭৯৬ নিযুত লিটাৰ যদিও প্ৰকৃত চাহিদা ইয়াৰ চাৰিগুণ। কেৱল চৰকাৰী হিচাবৰ গাখীৰৰ চাহিদা সম্পূৰ্ণ কৰিবলৈ হ'লেও বৰ্তমানে থকা গাই-ম'হৰ সংখ্যা চাৰিগুণ বৃদ্ধি কৰিব লাগিব। শ্বেত বিপ্লৱৰ কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয়ভাৱে ৰাজ্যত 'অসম দুগ্ধ উৎপাদন আৰু উন্নয়ন নিগম' স্থাপন কৰি তাৰ অধীনত মহকুমাভিত্তিত প্ৰশাসনিক চক্ৰ থাকিব। মহকুমাভিত্তিক প্ৰশাসনিক চক্ৰৰ তলত কাৰিকৰী দিশ আৰু বাণিজ্যিক দিশ এই দুটা বিভাগ থাকিব। গো উন্নয়ন, প্ৰজনন, খাদ্য, চিকিৎসা, আনুষংগিক উদ্যোগসমূহৰ দায়িত্ব কাৰিকৰী বিভাগৰ ওপৰত ন্যস্ত হ'ব। গো, দুগ্ধ আৰু বিতৰণ ইয়াৰ পৰা হ'বলগা উপাদানসমূহৰ বিক্ৰী আৰু নিগমৰ বাণিজ্যিক লাভ-লোকচানৰ দায়িত্ব বাণিজ্যিক বিভাগৰ ওপৰত ন্যস্ত হ'ব। প্ৰত্যেক মহকুমাৰ প্ৰধান কাম হ'ব গাখীৰ উৎপাদন, সংগ্ৰহ, বিক্ৰী আৰু অতিৰিক্ত পৰিমাণৰ গাখীৰৰ এটা অন্যান্য উপাদান উৎপাদনৰ বাবে নিগমৰ অধীনত থকা উদ্যোগলৈ স্থানান্তৰ কৰা।

গাখীৰ উৎপাদন ঃ গাখীৰ উৎপাদন প্ৰক্ৰিয়াটো মূলতঃ তিনিটা স্তৰৰ পৰা কৰিব পৰা যায়।

১। চৰকাৰী অনুদানপ্ৰাপ্ত ব্যক্তিগত গোপালক

২। চৰকাৰী অনুদানপ্ৰাপ্ত দুগ্ধ সমবায়

৩। দুগ্ধ উৎপাদন কৰা ব্যক্তিগত গোপালক আৰু সমবায়সমূহ

প্ৰত্যেক মহকুমাত এক লাখ নতুনকৈ গোপালনৰ বিজ্ঞানসম্মত ব্যৱস্থা কৰিলে কেৱল গোপালনতে নিবনুৱা সংস্থাপনৰ এক বৃহৎ আঁচনি প্ৰস্তুত কৰিব পৰা যায়। মহকুমাভিত্তিত মুঠ গোপালনৰ বিশ শতাংশ ব্যক্তিগত লোকক আৰু আশী শতাংশ দুগ্ধ সমবায়ক নিৰ্দিষ্ট কৰি দি চৰকাৰী অনুদান আৰু বেংক সাহায্যৰ ব্যৱস্থা কৰিব

পাৰি। ব্যক্তিগত লোকক তিনিজনীকৈ গাই দিলে মুঠ এক লাখ গাইৰ বিশ শতাংশ, বিশ হাজাৰ গাইক ব্যক্তিগত লোকক দিলে প্ৰায় সাত হাজাৰ গোপালক ৰূপত নিবনুৱাক সংস্থাপন দিব পৰা যাব। দহজন লোকৰ মাজত এশজনীকৈ গাই লৈ এক সমবায় কৰিলে মহকুমা এটাত আঠশখন দুগ্ধ সমবায়ৰ ৰূপ দি মুঠ আঠ হাজাৰজন লোকক সংস্থাপনৰ পথলৈ আৰু আৰ্থিক দিশৰ টনকিয়াল অৱস্থালৈ আনিব পৰা যাব।

চৰকাৰী অনুদানৰ প্ৰসংগ ঃ অসমৰ সমাজখন আৰ্থিক দিশত অতি দুৰ্বল হোৱাৰ বাবেই প্ৰতিটো ক্ষেত্ৰত চৰকাৰমুখী হ'বলৈ বাধ্য হয়। চৰকাৰৰ অনুদানসমূহৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিবলগা হয়, চৰকাৰে অনুদান দিয়াৰ পিচত অনুদান দিয়াৰ ক্ষেত্ৰৰ পৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থাটো নিৰ্দিষ্ট নহ'লে অনুদানসমূহৰ প্ৰকৃত ব্যৱহাৰ নহয়। নিবনুৱাসকলক বা আৰ্থিক দুৰ্দশাগ্ৰস্ত লোকসকলক গোপালনৰ বাবে অনুদান দিলে, এই গোপালকসকলৰ গাখীৰ নিগমৰ প্ৰকল্পত বিক্ৰী কৰাটো বাধ্যতামূলক কৰিলে. এফালে চৰকাৰী অনুদানসমূহ কৰ্মত ব্যৱহাৰ হ'ব আৰু নিগমৰ গাখীৰ সংগ্ৰহৰ পথ স্থিৰ হৈ থাকিব।

গোপালনৰ ক্ষেত্ৰত বৰ্ণসংকৰ গাইক প্ৰাধান্য দিয়া সমীচীন হ'ব। স্থানীয় গাইতকৈ বৰ্ণসংকৰ গায়ে চাৰি-পাঁচগুণ বেছিকৈ গাখীৰ দিবলৈ সক্ষম হয়। অসম বানপীড়িত অঞ্চল হোৱা বাবে সৰহভাগ ঠাই বছৰৰ বহু সময় পানীৰ তল গৈ থাকে। এনে ক্ষেত্ৰত অসমত ম'হ পালন বিশেষভাৱে সুবিধাজনক। ম'হৰ গাখীৰত চৰ্বিৰ পৰিমাণ গৰুৰ গাখীৰতকৈ বেছি থকাৰ বাবে ম'হৰ গাখীৰৰ পৰা অধিক ধন আয় কৰিব পাৰি। অন্যহাতে মাইকী ম'হেৰে হাল বোৱাতো বিশেষভাৱে সামাজিক বা ধৰ্মীয় বাধা নাই। গতিকে গাখীৰ উৎপাদনৰ লগতে অসমৰ কৃষকৰ খেতিৰ ক্ষেত্ৰতো সহায়ক হ'ব। পঞ্জাব, হাৰিয়ানা, গুজৰাট আদি ৰাজ্যত মুঠ গাখীৰ উৎপাদনৰ পয়সত্তৰ শতাংশ ম'হৰ গাখীৰ।

চৰকাৰে বেংকৰ জৰিয়তে আৰু নিগমে নিজাববীয়াকৈ গোপালকলৈ ধন আগবঢ়াব পাৰে। বেংকৰ ঋণ, নিগমৰ ঋণ আৰু চৰকাৰী অনুদান দিয়াৰ ক্ষেত্ৰত এক কাৰ্যকৰী পদ্ধতি স্থিৰ কৰি ল'ব লাগে। যিসকল লোকৰ কোনো খেতিৰ মাটি নাই, ঘৰত অন্য কোনো লোকৰ সংস্থাপনৰ ব্যৱস্থা নাই, অভিভাৱকসকলৰ আৰ্থিক অৱস্থা সম্পূৰ্ণ নিম্নস্তৰৰ, তেনে শ্ৰেণীৰ লোকক চৰকাৰে এশ শতাংশ অনুদান আগবঢ়াই গোপালনৰ আঁচনিৰ অধীনলৈ আনিব লাগে। এইসকলৰ বাহিৰেও অন্য গোপালকসকলৰ পৰাও নিগমে গাখীৰ সংগ্ৰহৰ ব্যৱস্থা কৰিব লাগে।

গাখীৰ সংগ্ৰহ ঃ প্ৰত্যেক মহকুমাত উৎপাদিত গাখীৰৰ ওপৰত ভিত্তি কৰি

শীতলীকৰণ কেন্দ্ৰ স্থাপন কৰিব লাগে। নিগমৰ অধীনত গোপালক আৰু সমবায়সমূহৰ পৰা আৰু অন্য গোপালকসকলৰ পৰা গাখীৰ সংগ্ৰহ কৰি আনিবৰ বাবে এক সুস্থ ব্যৱস্থাৰে নিগমৰ গাখীৰ সংগ্ৰহ কৰ্মীৰ দ্বাৰা সংগ্ৰহ কৰাব লাগে, এই সংগৃহীত গাখীৰৰ সম্পূৰ্ণ বিজ্ঞানসন্মত দিশটোক লক্ষ্য কৰিব লাগিব। নিগমৰ মহকুমা পৰ্যায়ৰ প্ৰশাসনৰ ক্ষেত্ৰত শীতলীকৰণ কেন্দ্ৰৰ লগতে ক্ৰীম, ঘি ৰখাৰ ব্যৱস্থা কৰিব পৰা যাব। এই গাখীৰ সংগ্ৰহৰ ব্যৱস্থাত কমেও এহাজাৰজন নিবনুৱাক এটা মহকুমাত সংস্থাপনৰ পথ দিব পৰা যাব।

গাখীৰ বিক্ৰী ঃ নিগমৰ গাখীৰ সংগ্ৰহৰ কৰ্মীৰ দ্বাৰা সংগৃহীত গাখীৰ পৰিবহনৰ সুব্যৱস্থাৰে মহকুমাৰ নিগমৰ শীতলীকৰণ কেন্দ্ৰলৈ আনিব লাগে আৰু ইয়াৰ পৰা এক নিৰ্দিষ্ট দৰত জনসাধাৰণক যোগান ধৰিব পৰা যাব। চাহিদাৰ অতিৰিক্ত গাখীৰ ক্ৰীম, ঘি আদিৰ উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা হ'ব। গোপালন, গাখীৰ সংগ্ৰহ, বিক্ৰী এই আচঁনিখন পতাৰ লগে লগে অসমৰ সোঁমাজত গাখীৰৰ পৰা তৈয়াৰ কৰিব পৰা উপাদানসমূহ তৈয়াৰ কৰিবৰ বাবে এটা দুগ্ধ উদ্যোগ স্থাপন কৰিব লাগিব। শ্বেত কাৰ্যসূচীত নিবনুৱা সংস্থাপনৰ এটা বৃহৎ সুযোগ ওলোৱাৰ লগতে জাতীয় অৰ্থনীতিত যথেষ্ট লাভ হোৱাৰ আশা আছে। নিগমৰ মহকুমা পৰ্যায়ৰ গোপালক, গাখীৰ সংগ্ৰহৰ কৰ্মী বাহিনী, গাখীৰ বিক্ৰীৰ বাবে কৰ্মী, শীতলীকৰণ কেন্দ্ৰ, ক্ৰীম-ঘি কেন্দ্ৰ, দুগ্ধ উদ্যোগ আৰু প্ৰশাসনীয় ক্ষেত্ৰতো যথেষ্ট সংখ্যক সংস্থাপনৰ পথ নিশ্চিত হ'ব।

গোপালন, গাখীৰ উৎপাদন, যোগান আদিৰে লগতে গো-প্ৰতিপালনৰ বিভিন্ন ব্যৱস্থাসমূহক বিশেষভাৱে লক্ষ্য কৰিব লাগিব। গোৰ কৃত্ৰিম প্ৰজনন কেন্দ্ৰ, আহাৰ যোগান, গোপালকক প্ৰশিক্ষণ, পশু খাদ্য আৰু ঘাঁহ উৎপাদন, ঘাঁহৰ বীজ উৎপাদন এই প্ৰক্ৰিয়াসমূহ যথেষ্ট সংস্থাপনৰ পথ বাহিৰ হ'ব। ছয় লাখ পঞ্চাছ হাজাৰজনৰ সংস্থাপনৰ অন্য এক পথ হ'ব 'শ্বেত বিপ্লৱ'।

ভাৰতৰ দুগ্ধ উদ্যোগৰ বজাৰখন যথেষ্ট বৃহৎ পৰিসৰৰ। পশ্চিমীয়া দেশসমূহে দখল কৰি ৰখা গাখীৰভিত্তিক উদ্যোগৰ ক্ষেত্ৰখনত এতিয়া ভাৰতে এক গুৰুত্বপূৰ্ণ অৱস্থান গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। সেয়া ২০০২-০৩ বৰ্ষত কেৱল দুগ্ধ সামগ্ৰী ৰপ্তানি কৰিয়েই ভাৰতে ৩৫·৮৭ নিযুত আমেৰিকান ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১,৭২১·৮০ কোটি টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ভাৰতৰ পৰা সৰ্বাধিক বাংলাদেশলৈ ৮·৭৯ নিযুত ডলাৰ, জাৰ্মেনিলৈ ৬·৫০ নিযুত, সংযুক্ত আৰব এমেৰিটাচলৈ ৪·৯৬ নিযুত, আমেৰিকালৈ ৪·৫২ নিযুত আৰু ছিংগাপুৰ, য়েমেন, মৰক্কো, ছৌডি আৰব, নেপাল, কুৱেইট, ইজিপ্ত আদিলৈ দুগ্ধ সামগ্ৰী ৰপ্তানি হয়। অসমে বাংলাদেশৰ বজাৰ দখল কৰাৰ সুযোগ আছে।

আনহাতে অসমৰ প্ৰায় ১০,০২,০১০ বিঘাৰ মাছৰ বাবে সংৰক্ষিত বিল আৰু পুখুৰী আছে। এক পৰিকল্পিত আঁচনিৰে ২০ বিঘাকৈ প্ৰায় ৫০,১০০ টা খণ্ড কৰি মীন পালনৰ জৰিয়তে প্ৰত্যক্ষভাৱে ২ লাখ ৫০ হাজাৰ আৰু পৰোক্ষভাৱে প্ৰায় ১০ লাখ মানুহৰ সংস্থাপনৰ পথ নিৰ্দিষ্ট কৰিব পাৰি। অসমৰ নব্বৈ শতাংশ মানুহ মৎসভোজী। এজন মানুহে বছৰেকত ১১ কেজিকৈ মাছ খোৱা বুলি ধৰিলে অসমত বছৰি ২ ৬০ লাখ মেট্ৰিক টন মাছৰ প্ৰয়োজন। সম্প্ৰতি মাত্ৰ ১·৪০ লাখ টনমানহে ঘৰুৱাভাৱে উৎপাদন হয়। অসমলৈ প্ৰতি সপ্তাহত ৬০ মেট্ৰিক টন মাছ বাহিৰৰ পৰা আহে। বিশেষভাৱে অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছৰ বাবে অসমে বছৰি প্ৰায় ৩০০ কোটি টকা হেৰুৱাবলগা হয়।

অসমত কণীৰ চাহিদা বছৰি প্ৰায় ১০হাজাৰ নিযুত যদিও স্থায়ীভাৱে বছৰি প্ৰায় পাঁচশ নিযুত কণী উৎপাদন কৰা হয়। বৃহৎ পৰিমাণৰ কণীৰ বাবে বাহিৰৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। সামাজিক দায়বদ্ধতা আগত ৰাখি পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিলে কণী উৎপাদনৰ এক বিশাল বাণিজ্যিক ক্ষেত্ৰৰ সম্ভাৱনা দেখা যায়। ন্যূনতম আয় কৰিব পৰা আঁচনিৰ ভিত্তিত অসমত প্ৰয়োজনীয় কণী উৎপাদন এটা কৰিব পাৰিলে প্ৰত্যক্ষভাৱে তিনিলাখ মানুহৰ সংস্থাপনৰ পথ স্পষ্ট হৈ পৰিব। আৰ্থিক সহায়ৰ ক্ষেত্ৰত সৰ্বভাৰতীয় সমবায় উন্নয়ন নিগমৰ নিচিনা সংস্থাসমূহৰ সহায় লোৱাৰ সুবিধা আছে। কণী উৎপাদনৰ লগতে কুকুৰা মাংসৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত এক বহল বজাৰ আছে।

অসমৰ ভৌগোলিক অৱস্থান আৰু জলবায়ু গাহৰি পালনৰ বাবে অতি উৎকৃষ্ট, অসমত অতীজৰে পৰা এক পৰম্পৰা হিচাপে গাহৰি পালন কৰি অহা হৈছে। মানুহৰ প্ৰয়োজনীয় মাংস কুকুৰা ছাগলীৰ দ্বাৰা পূৰণ কৰিব নোৱাৰাত গাহৰিৰ ব্যৱসায় এক লাভজনক ব্যৱসায় হৈ পৰিছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত গাহৰি মাংসভোজীৰ সংখ্যা উল্লেখযোগ্যভাৱে বেছি। সচৰাচৰ পেলনীয়া খাদ্য খায়েই ডাঙৰ (হোৱা গাহৰি পামৰ বাবে বেছি মূলধনৰো প্ৰয়োজন নহয়, গাহৰিৰ পৰা প্ৰস্তুত কৰা খাদ্যবস্তু আৰু ব্যৱহাৰিক বস্তুৱে আজিকালি বজাৰ দখল কৰিছে। মীন পামৰ লগত গাহৰি পামৰ সংমিশ্ৰিত পাম খোলাৰ ব্যৱস্থা কৰিলে লাভজনক হয়। শিক্ষিত নিবনুৱাক গাহৰি পালনত আকৃষ্ট কৰিব পাৰিলে সংস্থাপনৰ এখন বহল ক্ষেত্ৰ ওলোৱাৰ লগতে ৰাজ্যৰ অৰ্থনীতিলৈও শক্তিশালী বৰঙণি আহিব।

জাতীয় পুঁজি গঠন আৰু সংস্থাপনৰ সহায়ৰ বাবে অসমৰ নিজস্ব এটা পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰাৰ গুৰুত্ব উল্লেখিত বিষয়কেইটাই স্পষ্ট কৰে।

❑ ❑ ❑

চাহ্ কোম্পানীয়ে প্ৰয়োজনীয় সামগ্ৰী অসমত কিনিব লাগিব

অসমৰ জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰা আৰু জাতীয় পুঁজি শক্তিশালী কৰাটো জাতিটোৰ বৰ্তমান আৰু ভৱিষ্যতৰ স্বাৰ্থত অতীব প্ৰয়োজনীয় হৈ পৰিছে। জাতীয় পুঁজি বৃদ্ধি কৰাৰ স্বাৰ্থত অসমত শিল্পায়নৰ বিকাশৰ প্ৰয়োজন। শিল্পায়নৰ বিকাশৰ বাবে লাগে এক আভ্যন্তৰীণ বজাৰ ব্যৱস্থা। বজাৰ ব্যৱস্থাৰ উন্নয়ন নিৰ্ভৰ কৰিব অসমবাসীৰ ক্ৰয় ক্ষমতাৰ ওপৰত, আৰু ক্ৰয় ক্ষমতাৰ বৃদ্ধিৰ বাবেই মূলতঃ কৰ্মসংস্থাপন এক অপৰিহাৰ্য বিষয়। অসমত আজি সংস্থাপনৰ অভাৱত সৃষ্টি হোৱা নিবনুৱা সমস্যাই অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ জটিল ৰূপটোক উদঙাই দিছে। আগন্তুক দহ বছৰৰ সম্ভাব্য নিবনুৱাৰ কৰ্মসংস্থানৰ বাবে আমাৰ হাতত আজিও কোনো আঁচনি নাই। কৰ্মসংস্থানৰ অবিহনে জনমূৰি আয়ৰ গ্ৰাফডাল নিম্নগামী হ'ব। ইয়াৰ কুফল পৰিলক্ষিত হ'ব অসমৰ অৰ্থনীতিত, জাতীয় পুঁজি গঠনৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰখনত।

অসমত ভাগিবলৈ ধৰা অৰ্থনীতি পুনৰ্গঠন কৰি অধিক শক্তিশালী কৰাৰ স্বাৰ্থত নিয়োগ ব্যৱস্থাটোকো অধিক গতিশীল কৰাৰ প্ৰয়োজন হৈ পৰিছে। আজিৰ স্থিতিত অসমৰ চৰকাৰী খণ্ডৰ লগতে বে-চৰকাৰী খণ্ডতো নিয়োগৰ সুবিধা তেনেই সীমিত। শিল্পায়নৰ পৰোক্ষ প্ৰভাৱ জনমূৰি আয় বৃদ্ধিৰ সহায়ক যদিও অসমত শিল্পায়নৰ কোনো প্ৰভাৱ নাই। চৰকাৰী খণ্ডত থকা উদ্যোগসমূহৰ ইতিমধ্যেই মৃতপ্ৰায় অৱস্থা। অসমৰ কৃষিখণ্ডত যথেষ্ট জনশক্তি ব্যৱহাৰৰ সম্ভাৱনীয়তা আছে যদিও কৃষিয়ে এতিয়াও অসমৰ নিবনুৱাক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাই। কৃষিখণ্ডক এক উদ্যোগ হিচাপে লৈ মাটি, পুঁজি, বীজ, পানী আৰু বজাৰ ব্যৱস্থা স্পষ্ট কৰিব পাৰিলে অসমৰ গ্ৰাম্য শিক্ষিত, অশিক্ষিত, অৰ্ধশিক্ষিত নিবনুৱাক আকৃষ্ট কৰা সহজ হৈ পৰিব। ফলত নিবনুৱাৰ কৰ্মসংস্থাপন যথেষ্ট সহজ হ'ব।

জাতীয় পুঁজি গঠন আৰু জনমূৰি আয় বৃদ্ধিৰ এই দুটা গুৰুত্বপূৰ্ণ আৰু অৰ্থনীতিৰ অপৰিহাৰ্য বিষয়ৰ ওপৰত আজি শক্তিশালীভাৱে গুৰুত্ব আৰোপ কৰাৰো প্ৰয়োজন হৈছে, অসমৰ চাহ শিল্পত বছৰি ৪,০০০ কোটি টকাৰ লেন-দেন হয়। অৱশ্যে ৰাজ্যৰ

ৰাজকোষলৈ তাৰ প্ৰত্যক্ষ সহযোগ অতি নগণ্য। চাহ শিল্পই অসমৰ অৰ্থনীতিলৈ পৰোক্ষভাৱে এক বৃহৎ অৰিহণা আগবঢ়াব পাৰে যদিও অসমৰ সমাজখনৰ প্ৰতি চাহ উদ্যোগৰ দায়বদ্ধতা নথকা বাবে অসমৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে এই উদ্যোগ গোষ্ঠীটোৱে প্ৰকৃততে কোনো পদক্ষেপ লোৱা নাই। চাহ শিল্পত প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱহাৰ্যতাৰ প্ৰতি লক্ষ্য ৰাখি এই কথা নিশ্চিতভাৱে ক'ব পৰা যায় যে চাহ শিল্পত প্ৰতি বছৰে ছশৰ পৰা আঠশ কোটি টকাৰ সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱসায় গঢ়ি তুলিব পৰা যায়। এই আঠশ কোটি টকাৰ সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত স্থানীয় বজাৰৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ চাহ কোম্পানীসমূহ ইচ্ছুক নোহোৱাত আৰু অসম চৰকাৰেও ইয়াৰ গুৰুত্ব উপলব্ধি কৰিবলৈ নিবিচৰাত এই বৃহৎ অংকৰ টকাৰ বহিঃগমন হৈ আছে। চাহ কোম্পানীসমূহৰ সকলো ধৰণৰ কাৰ্যালয় কলকাতাত থকা সূত্ৰে চাহ বাগিচাৰ বিভিন্ন সামগ্ৰী ক্ৰয়ৰ বিষয়টো কলকাতাৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। আমাৰ হাতত থকা তথ্য মতে অসমত চাহ বাগিচাসমূহে ২৯৬বিধ বিভিন্ন ধৰণৰ সামগ্ৰী ক্ৰয় কৰে। ২৯৬বিধ সামগ্ৰীৰ প্ৰতিটো বিষয়ৰ ওপৰত আলোচনা এৰাই চলি দুটামান বিষয়ৰ ওপৰত আলোচনা কৰিলেই এইটো স্পষ্ট হৈ পৰে যে অসমত নিজস্ব বজাৰখন এতিয়াও উপেক্ষিত হৈ আছে। অসমত প্ৰায় ৬০০ হাজাৰ টন মৰাপাট উৎপাদন হয়। কিন্তু মৰাপাটৰ পৰা উৎপাদিত সামগ্ৰীৰ পৰিমাণ অতি নগণ্য। ১৯৭৩ চনত উৎপাদন আৰম্ভ কৰা শিলঘাট অসম সমবায় মৰাপাট কল আজিও লাভজনক বাণিজ্যিক উদ্যোগ হিচাপে গঢ়ি উঠিব পৰা হোৱা নাই। ফলত উৎপাদিত মৰাপাটৰ বেছি অংশ পশ্চিমবংগলৈ যায় অতি কম মূল্যত। পশ্চিমবংগত অসমৰ মৰাপাটৰ ওপৰত নিৰ্ভৰ কৰি অন্যান্য উদ্যোগ গঢ় লৈ উঠিছে। পশ্চিমবংগত অসমৰ মৰাপাটেৰে প্ৰস্তুত কৰা বেগ অসমৰ চাহ বাগিচালৈ প্ৰেৰণ কৰা হয়। আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ চাহ বাগিচাত চাহপাত ভৰাবলৈ ব্যৱহাৰ কৰা বেগ অসমৰ মৰাপাটৰ দ্বাৰা অসমতে প্ৰস্তুত কৰিব লাগে। অসম চৰকাৰে চাহ কোম্পানীসমূহক অসমৰ বেগ ব্যৱহাৰ কৰিবলৈ বাধ্য কৰাব পাৰিলে শিলঘাট মৰাপাট কলক লাভজনক অৱস্থালৈ অনাৰ লগতে অসম চৰকাৰৰ প্ৰস্তাৱিত মঙলদৈৰ দলগাওঁ আৰু বৰপেটাৰ গুৱাগাছৰ মৰাপাট কল দুটা আৰম্ভ কৰিব পৰা যাব। মৰাপাটৰ কৃষকসকল উৎসাহিত হ'ব আৰু প্ৰকৃত মূল্য পোৱাত সহজ হ'ব।

❖ প্ৰতিবছৰে অসমৰ চাহ বাগিচাত প্ৰায় এক কোটি চল্লিছ লাখ মৰাপাটৰ বেগৰ প্ৰয়োজন হয়। প্ৰতিটো বেগৰ মূল্য ৩০.৩০ টকাকৈ ধৰি প্ৰায় ৪২ কোটি টকা মৰাপাটৰ বেগ কিনাৰ নামত অসমৰ পৰা বাহিৰলৈ যায়। মৰাপাটৰ বেগ কিনাৰ বাবে প্ৰায় ৪২ কোটি টকাৰ অসমৰ বজাৰত লেন-দেন হোৱা হ'লে জাতীয় পুঁজি গঠনত

সহায়ক হ'লহেঁতেন। আনহাতে এই বেগ প্ৰস্তুত কৰা যথেষ্টসংখ্যক উদ্যোগ গঢ়ি উঠা সূত্ৰে অসমৰ নিবনুৱাৰ সংস্থাপনত সহায়ক হ'লহেঁতেন।

❖ চাহ বাগিচাৰ কৰ্তৃপক্ষই বাগিচাৰ শ্ৰমিকসকলক প্ৰতি বছৰে এযোৰ ৰবৰৰ চেণ্ডেল দিয়াৰ ব্যৱস্থা আছে। চাহ উদ্যোগৰ মুনাফাৰ অংক কমি যোৱাৰ ভয়ত উৎকৃষ্ট ৰবৰৰ চেণ্ডেলৰ পৰিৱৰ্তে কৰ্তৃপক্ষই শ্ৰমকিসকলক নিম্নমানৰ চেণ্ডেল যোগান ধৰে। প্ৰতিযোৰত ৩০ টকাকৈ বৰ্তমান চাহ কোম্পানীসমূহে ৰবৰৰ চেণ্ডেল কিনাৰ নামত প্ৰায় ১কোটি ৮৫লাখ টকা অসমৰ বাহিৰলৈ এৰি দিয়ে। চাহ কোম্পানীসমূহক ১কোটি ৮৫লাখ টকাৰ ৰবৰৰ চেণ্ডেল অসমত কিনিবলৈ বাধ্য কৰিব পাৰিলে বহুসংখ্যকৰ কৰ্ম সংস্থাপনৰ পথ ওলাব। উল্লেখ্য যে ভাৰতৰ প্ৰসিদ্ধ জোতা প্ৰস্তুতকাৰক বাটা কোম্পানীয়ে ভাৰতৰ ভিতৰত অসমত সৰ্বাধিক ৰবৰৰ চেণ্ডেল বিক্ৰী কৰে। যোৰহাটতে অভিলেখসংখ্যক ৰবৰৰ চেণ্ডেল বিক্ৰী কৰা হয় যদিও অসমত কিন্তু ৰবৰৰ চেণ্ডেল উদ্যোগ গঢ়ি তোলাৰ প্ৰয়োজন অনুভৱ নকৰে। অসমত অতি কমেও ৬০কোটি টকাৰ ৰবৰৰ চেণ্ডেলৰ এখন বজাৰ আছে। কেৱল চাহ বাগিচাৰ প্ৰয়োজনীয় চেণ্ডেলৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমত ৰবৰৰ চেণ্ডেল প্ৰস্তুত কৰা উদ্যোগ ঠন ধৰি উঠিব পাৰে।

❖ চাহ বাগিচাত ব্যৱহৃত অন্য এক প্ৰয়োজনীয সামগ্ৰী হ'ল কম্বল। তিনি বছৰত এবাৰকৈ প্ৰতিজন চাহ শ্ৰমিকক কম্বল দিয়াৰ নিয়ম। চাহ কোম্পানীসমূহে চাহ শ্ৰমিকসকলক কম্বল দিয়াৰ বাবে প্ৰায় ছঁয় লাখ কম্বলৰ প্ৰয়োজন হয়। বৰ্তমান বাগিচাসমূহে প্ৰতিখন কম্বল এশ টকা মূল্যত ক্ৰয় কৰি আছে। এই কম্বল অসমৰ বজাৰত ক্ৰয় কৰা নহয়। ছয় কোটি টকা কম্বল কিনাৰ বাবেই অসমৰ বাহিৰলৈ যায়। কেৱল চাহ বাগিচাৰ বাবেই ছয় কোটি টকাৰ বজাৰ থকা কম্বলৰ এটা উদ্যোগ আমি কিয় কৰিব নোৱাৰোঁ? চাহ বাগিচাৰ বাহিৰতো কম্বলৰ এখন বিশাল বজাৰ আছে। চৰকাৰসমূহৰ দূৰদৰ্শিতাৰ অভাৱৰ বাবেই এনে ক্ষেত্ৰবিলাক আমি ধৰি ৰাখিব পৰা নাই।

❖ চাহ শ্ৰমিকক প্ৰতি দুবছৰত এটাকৈ ছাতি দিয়াৰ নিয়ম। বৰ্তমান ৭০টকাত ছাতি ক্ৰয় কৰা হয় বাগিচাসমূহত। প্ৰায় ৪.২২কোটি টকাৰ ছাতি কিনা হয় যদিও এই ছাতি কিনে কলকাতাৰ বজাৰৰ পৰা। কাৰণ ছাতিৰ উদ্যোগ অসমত নাই।

❖ প্ৰতিজন চাহ শ্ৰমিকক বছৰি এটাকৈ এপ্ৰ'ন দিয়া হয়। বৰ্তমান ৫০টকাত ক্ৰয় কৰা এই এপ্ৰ'ন আহে কলকাতাৰ বজাৰৰ পৰা। প্ৰায় ৩কোটি টকা এপ্ৰ'ন কিনাৰ বাবেই অসমৰ চাহ বাগিচাৰ পৰা কলকাতাৰ বজাৰে লাভ কৰে। এই অতি সামান্য সামগ্ৰীও আমি যোগান দিব নোৱাৰোঁ।

❖ কেঁচা চাহপাত ভৰাবৰ বাবে নাইলনৰ বেগ ব্যৱহাৰ কৰা হয়। ৫৫০ হেক্টৰৰ বাগান এখনত বছৰি ৫,০০০ নাইলন বেগৰ প্ৰয়োজন হয়। এনে বেগৰ মূল্য ২৩টকা। এখন বাগানে বছৰি প্ৰায় ৭ ৫লাখ টকাৰ নাইলনৰ বেগ ক্ৰয় কৰে অসমৰ বাহিৰৰ পৰা। সমগ্ৰ অসমৰ বাগিচাসমূহত বছৰি প্ৰায় ৩৭কোটি টকাৰ এনে নাইলনৰ বেগৰ প্ৰয়োজন হয়। প্ৰশ্নটো হ'ল আমি এনে বেগ অসমত প্ৰস্তুত কৰিব নোৱাৰোঁ কিয়?

❖ ৫৫০ হেক্টৰৰ বাগান এখনে প্ৰায় ৭০লাখ টকাৰ বছৰি কেমিকেল ক্ৰয় কৰে। দেখাত অসমত কিনা দেখুওৱা হয়, কিন্তু সকলো পৰিচালনা কৰা হয় কলকাতাৰ কাৰ্যালয়ৰ পৰা। জনৈক গাৰডিয়া নামৰ দিল্লীৰ ব্যৱসায়ী এজনে এই ক্ষেত্ৰখন দখল কৰি আছে। কমেও ৩৫কোটি টকাৰ কেমিকেলৰ বজাৰখন আমাৰ হাতত নাই।

আলোচ্য কেইটামান মাত্ৰ বিষয়তেই অসম চৰকাৰে আজিও যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক। জাতীয় পুঁজি গঠন আৰু কৰ্ম সংস্থানৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত সংশ্লিষ্টসকলৰ দায়বদ্ধতাৰ অভাৱ। চাহ বাগিচাই ক্ৰয় কৰা প্ৰায় ২৯৬বিধ সামগ্ৰীৰ প্ৰতি বিধৰে বিষয়ত আলোচনা কৰিলে প্ৰতিটো সামগ্ৰী অসমৰ বজাৰত যে পাব পৰাৰ ব্যৱস্থা কৰিব পৰা যায় সেইটো স্পষ্ট হৈ পৰিব। অসম চৰকাৰৰ উদ্যোগ বিভাগৰ জৰিয়তে যথেষ্ট কৰিবলগীয়া কাম আছে। অসম চৰকাৰে চাহ-শিল্পৰ মালিকপক্ষৰ লগত আলোচনা কৰি প্ৰথম পৰ্যায়ত আলোচ্য বিষয়কেইটা চৰকাৰৰ উদ্যোগ বিভাগৰ অধীনলৈ আনিব লাগে। উদ্যোগ বিভাগে অতি পৰিকল্পিত আঁচনিৰে সামগ্ৰীৰ কাম নিৰ্দিষ্ট ৰাখি উৎপাদন কৰাৰ বাবে অসমত ব্যৱসায় কৰিব বিচৰাসকলক জড়িত কৰিব পাৰে। অসম চৰকাৰে কিছু গুৰুত্ব দিলেই চাহ শিল্পৰ জৰিয়তে সংস্থাপন আৰু পুঁজি গঠনৰ এটা নতুন দিশৰ উন্মোচন হ'ব পাৰে।

❑ ❑ ❑

বিশেষ ভাট্টাৰ আঁচনি ঃ নিবনুৱাক প্ৰৱঞ্চনাৰ অন্য এপাট অস্ত্ৰ

নাগৰিক জীৱনৰ পূৰ্ণ বিকাশৰ অন্যতম বিষয় হ'ল ব্যক্তি-স্বাধীনতা আৰু সমতাৰ অধিকাৰ। ভাৰতৰ সংবিধান প্ৰণেতাসকলে এই দুয়োটা দিশক বিশেষ গুৰুত্ব প্ৰদান কৰিয়েই সংবিধানৰ তৃতীয় ভাগত ১২ৰ পৰা ৩৫ নং অনুচ্ছেদলৈ বিস্তৃতভাৱে নাগৰিকৰ মৌলিক অধিকাৰৰ বিষয় হিচাপে উত্থাপন কৰিছে। মৌলিক অধিকাৰসমূহৰ ভিতৰত সমতাৰ অধিকাৰ স্পষ্ট কৰি ১৪নং অনুচ্ছেদত লিপিবদ্ধ কৰা হ'ল যে 'ৰাজ্যই ভাৰতৰ ৰাজ্য ক্ষেত্ৰৰ ভিতৰত কোনো ব্যক্তিকে বিধিৰ আগত সমতাৰ পৰা বা নিয়োগৰ সমান সংৰক্ষণৰ পৰা বঞ্চিত নকৰিব।' চৰকাৰী নিয়োগৰ বিষয়ত সুযোগৰ সমতা ৰক্ষা কৰিবলৈ গৈ সংবিধানৰ ১৬নং অনুচ্ছেদৰ (১)ত ঘোষণা কৰা হ'ল যে ৰাজ্যৰ অধীনস্থ কোনো পদত নিয়োজন বা নিযুক্তিৰ বিষয়ত সকলোবোৰ নাগৰিকৰ বাবে সুযোগৰ সমতা থাকিব। ১৬ নং অনুচ্ছেদৰ (২)-ত অধিক স্পষ্ট কৰি প্ৰকাশ কৰা হ'ল যে 'কেৱল ধৰ্ম, জাতি, বৰ্ণ, লিংগ, জন্মস্থান, বাসস্থান বা তাৰ যিকোনো এটাৰ হেতুকে ৰাজ্যৰ অধীনস্থ কোনো নিয়োজন বা পদৰ বাবে কোনো নাগৰিকেই অপাত্ৰ বা বিভেদীকৃত নহ'ব। ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ এনেবিলাক বিষয় ভাৰতৰ প্ৰতিটো অঞ্চলতে শক্তিশালীভাৱে প্ৰযোজ্য হ'ব পাৰে। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এনে অধিকাৰ প্ৰাপ্য নহয়। ৰাষ্ট্ৰৰ কাৰ্যপালিকাই অসমবাসীৰ মৌলিক অধিকাৰসমূহৰ দ্বাৰা উপলব্ধি হ'ব পৰা প্ৰাপ্য বাধা প্ৰদান কৰি আহিছে। এই ক্ষেত্ৰত অন্যতম উদাহৰণ 'বিশেষ ভাট্টাৰ আঁচনি।'

অসম আন্দোলনৰ গইনা লৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে ১৯৮৩ চনৰ ১অক্টোবৰৰ ৪/১/৬/৮১ আই আৰ নং জাননীৰ ভিত্তিত ভাৰতৰ অন্যান্য প্ৰদেশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ কাম কৰিবলৈ অহা বিষয়াসকলৰ বাবে বিশেষ ভাট্টা দিয়াৰ আঁচনি গ্ৰহণ কৰে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াৰ লগতে জীৱন বীমা, সাধাৰণ বীমা, ডাক-তাঁৰ বিভাগ আৰু বেংক উদ্যোগত বিষয়াসকলৰ বাবে বিশেষ ভাট্টাৰ আঁচনি ঘোষণা কৰিলে যদিও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিষয়া-কৰ্মচাৰীসকলক বঞ্চিত কৰা হ'ল। উত্তৰ-পূৰ্বাঞ্চলক অশান্ত বুলি ঘোষণা কৰি বাহিৰৰ পৰা বিষয়াসকলক

এই অঞ্চললৈ অহাৰ বাবে অনুপ্ৰাণিত কৰাৰ প্ৰয়োজনত বিশেষ ভাট্টাৰ নামত বিশেষ আৰ্থিক সহযোগ কৰা হ'ল।

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ পৰা এই অঞ্চললৈ আহিলে এই বিশেষ ভাট্টা আঁচনিৰ অধীনত বিষয়াসকলে নিজৰ স্তৰৰ এটা স্তৰৰ ওপৰৰ দৰমহাৰ গাঁথনিত বেতন লাভ কৰে। অন্যথাই বিষয়াজনে দৰমহাৰ মূল গাঁথনিৰ ২৫শতাংশ ওপৰঞ্চি ভাট্টা লাভ কৰে। (খ) বিষয়াজনৰ নিজস্ব বাসস্থানত কৰ্তৃপক্ষৰ দ্বাৰা থকাৰ সুবিধাৰ বাবে ঘৰভাড়া পোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত কাম কৰাৰ বাবেও কৰ্তৃপক্ষৰ পৰা ঘৰভাড়া গ্ৰহণ কৰিব পাৰে। (গ) বিশেষ ভাট্টাৰ আঁচনিৰ অধীনত বিষয়াজনে কৰ্তৃপক্ষৰ পৰা বিভিন্ন অঞ্চললৈ যোৱাৰ সুবিধাৰ লগতে অতিৰিক্তভাৱে প্ৰতি বছৰে গৃহভূমিলৈ অহা-যোৱা কৰাৰ বাবেও কৰ্তৃপক্ষৰ পৰা বিশেষ সুবিধা লাভ কৰে। (ঘ) উত্তৰ-পূৰ্বাঞ্চললৈ বাহিৰৰ পৰা অহা বিষয়াসকলৰ নিৰাপত্তাৰ স্বাৰ্থত কৰ্তৃপক্ষৰ দ্বাৰাই জীৱন বীমা কৰি দিয়া হয়। (ঙ) উত্তৰ-পূৰ্বাঞ্চলত কাম কৰাৰ বাবে বিষয়াজনে দুবছৰৰ পিছত নিজৰ সুবিধা অনুসৰি বদলি স্থান লাভ কৰিব পাৰে।

একে নিয়োগ সেৱা নীতিৰ অধীনত থকাৰ পিছতো বিশেষ ভাট্টা আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ পৰা অহা বিষয়া-কৰ্মচাৰীয়ে ডেৰৰ পৰা দুই লাখ টকা ওপৰঞ্চি লাভ কৰে। সংবিধানপ্ৰদত্ত সমতাৰ অধিকাৰ অসমৰ মাটিত ভাৰতৰ ৰাষ্ট্ৰই প্ৰযোজ্য কৰিব নিবিচাৰে। ৰাষ্ট্ৰই অসমৰ নাগৰিকক ভাৰতৰ নাগৰিকৰ শ্ৰেণীত গণ্য কৰিবলৈ কৃপণালি কৰে। ৰাষ্ট্ৰই যিধৰণৰ কাৰ্যই নকৰক কিয়, বিশেষ ভাট্টা আঁচনি কেতিয়াও গণতান্ত্ৰিক বিধি হ'ব নোৱাৰে। ই লুণ্ঠন আৰু প্ৰৱঞ্চনাৰ বাবে ৰাষ্ট্ৰৰ অন্যতম এপাট অস্ত্ৰ।

বিশেষ ভাট্টা আঁচনিৰ ফলত অন্যান্য প্ৰতিষ্ঠানৰ লগতে বেংক উদ্যোগৰ ওপৰত বিশেষভাৱে আঘাত পৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অৰ্থনৈতিক অনগ্ৰসৰ ৰাজ্যত বিশেষ ভাট্টাৰ নামত লাখ লাখ টকা ওপৰঞ্চিভাৱে বাহিৰৰ পৰা অহা বিষয়াসকলক দিবলগা হোৱাত স্থানীয় বেংকসমূহৰ প্ৰশাসনিক খৰচৰ মাত্ৰা বৃদ্ধি হৈছে। ফলত লোকচানৰ পৰিমাণ বাঢ়িছে। ইয়াৰ ফলত নতুন শাখা সম্প্ৰসাৰণতো বাধাৰ সৃষ্টি হৈছে। ভাৰতৰ অন্যান্য বহু ৰাজ্যতকৈ শান্তিপূৰ্ণ উত্তৰ-পূৰ্বাঞ্চলক অশান্ত অঞ্চল নামকৰণেৰে বাহিৰৰ পৰা বিশেষ ভাট্টাৰ সুবিধা গ্ৰহণ কৰি এই অঞ্চললৈ বৃহৎ সংখ্যক বিষয়াৰ আগমন হোৱাত স্থানীয়ভাৱে নতুন নিযুক্তিৰ দিশটোত হেঙাৰ পৰিল। লক্ষণীয় বিষয় হ'ল— উত্তৰ-পূৰ্বাঞ্চললৈ বিশেষ ভাট্টালৈ অহা বিষয়াসকলে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য গ্ৰাম্য অঞ্চললৈ যোৱাৰ বিপৰীতে গুৱাহাটী বা জিলা সদৰ অঞ্চলতে থকা বাবে 'মেনেজ' কৰি লয়। এওঁলোকে অসমৰ অৰ্থনৈতিক আৰু অসমৰ ৰাইজৰ

বাবে চিন্তা-চৰ্চা কৰাতকৈ বেংকৰ মুখ্য কাৰ্যালয়ৰ কৰ্তৃপক্ষৰ আস্থা লাভ কৰাতহে ব্যস্ত হয় আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সংগ্ৰহ কৰা বৃহৎ অংকৰ জমা টকা বেংকসমূহৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰাত গুৰুত্ব সহকাৰে সহযোগ আগবঢ়ায়। প্ৰকৃতাৰ্থত অসমৰ বাহিৰৰ পৰা অহা লোকক বিশেষ ভাট্টা দিয়াৰ ব্যৱস্থাৰে ৰাষ্ট্ৰৰ লগতে বেংকৰ কৰ্তৃপক্ষই অসমৰ ওপৰত অন্য এক শোষণৰ বেহু ৰচনা কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা পৰিবেশ আৰু ভাষা সম্পৰ্কে নূন্যতম জ্ঞান নথকা এই আমদানিকৃত বিষয়াসকলে সৰ্বাসাধাৰণ ৰাইজৰ কল্যাণৰ বাবে থকা আঁচনিসমূহৰ সফল ৰূপায়ণত প্ৰয়োজনীয় ভূমিকা পালন কৰিব নোৱাৰে। মাত্ৰ অধিক আৰ্থিক লাভৰ আশাত অহা এই বিষয়া-কৰ্মচাৰীসকলৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত বৰঙণি আশা কৰাটো ভুল বুলি প্ৰমাণিত হৈছে। অন্যহাতে এই বিশেষ ভাট্টাৰ ব্যৱস্থাই গণতান্ত্ৰিক ভাৰতৰ অংশ উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় বিষয়া-কৰ্মচাৰীক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে ব্যৱহাৰ কৰাৰ লগতে একে পৰ্যায়ৰ বিষয়াৰ মাজত আৰ্থিক বৈষম্যৰ সৃষ্টি কৰিছে। যিটো সংবিধানবিৰোধী কাৰ্য।

বিশেষ ভাট্টা আঁচনিৰ ওপৰত আমাৰ ব্যক্তিগত অভিমত হ'ল— (১) বিশেষ ভাট্টা আঁচনিৰ দ্বাৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পুঁজি শোষণৰ বাবে ৰাষ্ট্ৰৰ এক দালাল গোষ্ঠীৰ সৃষ্টি কৰা। (২) অসমত স্ব-নিৰ্ভৰশীল অৰ্থনীতি আৰু জাতীয় পুঁজিৰ বিকাশ যাতে হ'ব নোৱাৰে তাত বাধা প্ৰদান কৰা। (৩) বেংক উদ্যোগৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত এক দ্বন্দ্বৰ সৃষ্টি কৰি পুঁজি বহিঃগমনৰ পৰিবেশৰ সৃষ্টি কৰা। (৪) বাহিৰৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা স্থানীয় বেংকৰ উৰ্ধ্বতন পদসমূহ দখল কৰা, যাতে অসমৰ স্থানীয় বিষয়াসকলে বিকাশৰ সুবিধা নাপায় আৰু অসমৰ অৰ্থনীতি অসমৰ মানুহে পৰিচালিত কৰিব নোৱাৰে।

❑ ❑ ❑

গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকট কাল আঁতৰাব লাগিব

গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকটজনক অৱস্থাই অসমৰ চাহ-উদ্যোগৰ ওপৰতো আঘাত হানিছে। ৰাজ্যৰ ৰাজকোষৰ লগতে সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰখনৰ ওপৰতো প্ৰভাৱ থকা অসমৰ চাহ উদ্যোগ যাতে দুৰ্বল নহয়, তাৰ প্ৰতি অসমৰ ৰাইজ সজাগ। কিন্তু আমি আজি এই কথা ক'বলৈ বাধ্য যে বৃহৎ চাহগোষ্ঠীসমূহেই তেওঁলোকৰ স্বাৰ্থত অসমৰ চাহ উদ্যোগৰ সংকট কাল বুলি প্ৰচাৰ চলাবলৈ চেষ্টা কৰিছে আৰু তাৰ বাবে পৰিবেশৰ সৃষ্টি কৰিছে। এই পৰিবেশ সৃষ্টি কৰাৰ বাবেই উদ্দেশ্যমূলকভাৱে বৃহৎ চাহগোষ্ঠীয়ে চি টি চি চাহ বিক্ৰীৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথম স্থান দখল কৰা গুৱাহাটী চাহ নিলাম কেন্দ্ৰক শোচনীয় অৱস্থালৈ ঠেলি দিছে। উল্লেখ্য যে ১৯৮৪ চনৰ চাহ বজাৰ নিয়ন্ত্ৰণ নিৰ্দেশ মতে চাহ কোম্পানীসমূহে মুঠ উৎপাদনৰ ৭৫শতাংশ চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰাটো বাধ্যতামূলক আছিল। ২০০১-ত এই আইন উঠাই দিয়াত বৃহৎ চাহ জনগোষ্ঠীসমূহে সুযোগ গ্ৰহণ কৰিছে। অধিক মুনাফা আৰু সংশ্লিষ্ট কৰসমূহ পৰিশোধ কৰাত ফাঁকি দিয়াৰ স্বাৰ্থ আগত ৰাখি বৃহৎ চাহগোষ্ঠীসমূহে আজি চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে চাহ বিক্ৰী নকৰি মুকলি বজাৰত চাহ বিক্ৰী কৰা আৰম্ভ কৰিছে। যোৱা চাৰিটা বছৰত গুৱাহাটী চাহ নিলাম কেন্দ্ৰত চাহৰ বিক্ৰীৰ গ্ৰাফডাল ক্ৰমাৎ তললৈ নামি আহিছে। গুৱাহাটীৰ নিলাম বজাৰত ১৯৯৯-২০০০ বৰ্ষত ১৫৯ নিযুত কিল'গ্ৰাম চাহ বিক্ৰী কৰা হৈছিল। পিছৰ বছৰকেইটাত ক্ৰমে ১৪১নিযুত কিল'গ্ৰাম, ১৪০নিযুত কিল'গ্ৰাম আৰু ২০০২-০৩ বৰ্ষত মাত্ৰ ১২৫নিযুত কিল'গ্ৰাম চাহ বিক্ৰী হৈছে। অসমত বছৰি ৪৫০ নিযুত কিল'গ্ৰাম চাহ উৎপাদন হয়। তাৰ মাত্ৰ ১২৪নিযুত কিল'গ্ৰাম চাহ গুৱাহাটী চাহ নিলাম কেন্দ্ৰত বিক্ৰী হোৱাৰ যুক্তি কি? অসমত উৎপাদিত চাহৰ মাত্ৰ ৩৬শতাংশ চাহ গুৱাহাটী নিলাম কেন্দ্ৰত বিক্ৰী কৰি বাকী ৬৪ শতাংশ চাহ অসমৰ বাহিৰৰ মুকলি বজাৰত বিক্ৰী কৰাৰ ৰহস্য কি? বৃহৎ চাহ জনগোষ্ঠীসমূহৰ লগতে অধিক মুনাফাৰ স্বাৰ্থত ব্যৱসায় কৰা চাহ কোম্পানীসমূহে উৎপাদিত চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰাৰ পক্ষপাতী নহয়। গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে চাহ

বিক্ৰী কৰিলে চাহৰ মূল্য সকলোৰে অৱগত হয়, গতিকে সংশ্লিষ্ট ক্ষেত্ৰসমূহক মুনাফাৰ অংশটোত ফাঁকি দিব নোৱাৰে। মুকলি বজাৰত চাহ বিক্ৰী কৰাৰ লগে লগে তাত কোনো ধৰণৰ তথ্যগত স্বচ্ছতা নাথাকে। গতিকে চাহ উদ্যোগ সংকটত বুলি ক'বলৈ সহজ হয় আৰু ৰাজ্যৰ প্ৰাপ্য ৰাজহ কমাই অনাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সহজ হয়।

চাহ কোম্পানীসমূহৰ ষড়যন্ত্ৰৰ ফলতেই ৰাজ্য চৰকাৰৰ ৰাজকোষলৈ কৃষি কৰ শিতানত অহা পুঁজিৰ পৰিমাণ ১৯৯৮-৯৯ বিত্তীয় বৰ্ষৰ পৰা দ্ৰুত হাৰত কমিব লৈছে। ১৯৯৮-৯৯ বৰ্ষত ৰাজ্যৰ কৃষি কৰ শিতানত ১০৩.২৬ কোটি টকা সংগ্ৰহ হৈছিল। উল্লেখ্য যে কৃষি কৰ শিতানত অহা কৰৰ সিংহভাগ আহে চাহ উদ্যোগৰ পৰা। ১৯৯৯-২০০০ বৰ্ষত কৃষি কৰ ৭৫.৮৪ কোটি, ২০০০-০১ বৰ্ষত ৪০.৭৩ কোটি, ২০০১-০২ বৰ্ষত ১৫.৪৯ কোটি আৰু ২০০২-০৩ বিত্তীয় বৰ্ষত কৃষি কৰ ৪.২৬ কোটি টকালৈ হ্ৰাস পালে। পৰিতাপৰ বিষয় যে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ অতি গুৰুত্বপূৰ্ণ শিতানটোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। অসমৰ কংগ্ৰেছ দল আৰু চৰকাৰ চাহ উদ্যোগৰ ওপৰত ৰাজনৈতিকভাৱে নিৰ্ভৰশীল বুলি পৰিচিত। অভিযোগ উঠা মতে ৰাজ্যৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যৰ ৰাজনৈতিক স্বাৰ্থত চাহ কোম্পানীসমূহক অধিক গুৰুত্ব দিয়ে বা দিবলৈ বাধ্য হয়। চাহৰ মূল্য দ্ৰুত হ্ৰাস ঘটাৰ প্ৰভাৱত ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাতৰ মূল্য কমি গৈছে। এক সংকটজনক অৱস্থাত আজি থিয় হৈছে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ সংখ্যা আৰু উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে বটলিক ফেক্টৰীসমূহে অতি কম মূল্যত কেঁচা চাহপাত লৈ কম মূল্যতে বজাৰলৈ চাহ এৰি দিয়াৰ ফলত অসম চাহৰ বজাৰখনত আঘাত পৰিছে। বৃহৎ চাহ উদ্যোগীসকলে এতিয়া নিলাম কেন্দ্ৰত চাহ কিনাৰ পৰিৱৰ্তে অতি কম মূল্যতে বটলিক ফেক্টৰীসমূহৰ পৰা চাহ সংগ্ৰহ কৰি বাহিৰৰ বজাৰত অধিক মূল্যত বিক্ৰী কৰা ষড়যন্ত্ৰত লিপ্ত হৈছে। ৰাজ্য চৰকাৰৰ দায়িত্বহীনতাৰ ফলত বৃহৎ চাহগোষ্ঠীসমূহৰ মুনাফাৰ পৰিমাণ বৃদ্ধি হৈছে। কিন্তু ৰাজ্যৰ ৰাজহ কমিছে, চাহ নিলাম কেন্দ্ৰ সংকটত পৰিছে।

আমাৰ প্ৰস্তাৱ ঃ অসম চৰকাৰে গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকট কাল আঁতৰ কৰাৰ বাবে গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰক। গুৱাহাটী চাহ নিলাম কেন্দ্ৰ সংকটত পৰাৰ লগে লগে অসমৰ চাহ পণ্যাগাৰসমূহে প্ৰায় সত্তৰ কোটি টকাৰ লোকচান ভৰিবলগা হৈছে। পণ্যাগাৰসমূহত প্ৰত্যক্ষভাৱে জড়িত প্ৰায় এহেজাৰ লোকে আজি এক অসহায় অৱস্থাত থিয় হৈ আছে। দক্ষিণ ভাৰতত তিনিটা চাহ নিলাম কেন্দ্ৰ কম্বাতুৰ, কুনুৰ আৰু কচিন। এই নিলাম কেন্দ্ৰ তিনিটাত ২০০ কিল'গ্ৰাম

চাহ নিলাম হয। পশ্চিমবংগত থকা কলকাতা আৰু শিলিগুৰি চাহ নিলাম কেন্দ্ৰত ১৮০ নিযুত কিল'গ্ৰাম চাহ নিলাম হয়। অসমত ৪৫০ নিযুত কিল'গ্ৰাম চাহ উৎপাদন হোৱালৈ লক্ষ্য ৰাখি আমি দুটা চাহ নিলাম কেন্দ্ৰ প্ৰতিষ্ঠা কৰিব পাৰিলোহেঁতেন। গুৱাহাটী চাহ নিলাম কেন্দ্ৰটো সুস্থ কৰিব পাৰিলে আৰু এটা নিলাম কেন্দ্ৰলৈ নিশ্চয় যাব পৰা যায়, ফলত নিয়োগ, ব্যৱসায় আৰু ৰাজহ তিনিওটা ক্ষেত্ৰতে ৰাজ্যখনৰ লাভ হ'ব। ৰাজ্য চৰকাৰে এই দিশটোলৈ মন দিয়া উচিত। তাৰ বাবেই গুৱাহাটী চাহ নিলাম কেন্দ্ৰক এক লাভজনক চাহ ব্যৱসায় কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব আৰু অসমত উৎপাদিত চাহ গুৱাহাটী কেন্দ্ৰত বিক্ৰী কৰাটো এক বাধ্যতামূলক ব্যৱস্থা কৰা প্ৰয়োজন হ'ব। আমাৰ প্ৰস্তাৱ হ'ল—অসমত উৎপাদিত চাহ গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী নকৰিলে প্ৰতি কেজি কেঁচাপাতত চাৰি টকাকৈ অসমৰ প্ৰাপ্য আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে উপকৰ প্ৰয়োগ কৰিব লাগে, গুৱাহাটী চাহ নিলাম কেন্দ্ৰইদি চাহ বিক্ৰী কৰিলে ইতিমধ্যে গ্ৰহণ কৰি থকা কেঁচা-পাতৰ ওপৰত থকা ৩২ পইচাৰ চেছ্ ২০ পইচালৈ কমাই আনিব লাগে। ৰাজ্য চৰকাৰে চাহ উদ্যোগৰ কৃত্ৰিম সংকট আৰু বিভ্ৰান্তিকৰ প্ৰচাৰ বন্ধ কৰাৰ বাবে ব্যৱসায়িক দৃষ্টিভংগীৰে সিদ্ধান্ত গ্ৰহণ কৰা উচিত হ'ব।

❑ ❑ ❑

কাৰ্যালয়সমূহৰ পৰা অসম বঞ্চিত হ'ব নালাগিব

স্বাধীনতাৰ স্বৰ্ণজয়ন্তী অনুষ্ঠিত কৰা সময়ত আমি আজি সকলোৱে এই কথাটো স্পষ্ট কৰি লোৱা উচিত হ'ব যে আমাৰ সমস্যাসমূহ কোনে সমাধান কৰিব? পঞ্চাছটা বছৰৰ অভিজ্ঞতাই আমাক এইটো নিশ্চিত কৰিছে যে অসমৰ সমস্যাসমূহ অসমবাসীয়েই সমাধান কৰিব লাগিব। আজিৰ সময়ত আমাৰ সমস্যাসমূহ ভাৰতৰ অন্য ৰাজ্যৰ লোকে সমাধান কৰিব বুলি ভবাৰো কোনো যুক্তি নাই। ৰাজনৈতিকভাৱে কেন্দ্ৰীয় চৰকাৰে আমাৰ দাবীসমূহ হয়তো শুনিব পাৰে, কিন্তু সমাধানসূত্ৰ কেন্দ্ৰৰ স্বাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। এই পটভূমিতেই আজি এইটো স্পষ্ট যে আমাৰ সমস্যাসমূহৰ সমাধানৰ বাবে অসমবাসীয়েই ঐক্যবদ্ধভাৱে চিন্তা কৰিব লাগিব, পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

ৰাজনৈতিক সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত আমি হয়তো বিভক্ত হৈ পৰিব পাৰো। কিন্তু অৰ্থনৈতিক সমস্যাসমূহৰ ক্ষেত্ৰত অসমবাসী হিচাপে আমি আজি থিয় হ'ব পাৰিব লাগিছিল। পৰিতাপৰ বিষয় যে সেইটো আজিও আমাৰ দৃষ্টিগোচৰ হোৱা নাই। অসমবাসীৰ উন্নয়নৰ স্বাৰ্থত আমি ৰাজনৈতিক দাবীসমূহ উত্থাপন কৰি অহাৰ বাবে আমাক আজি কেন্দ্ৰই বিভক্ত কৰাৰ সুযোগ গ্ৰহণ কৰিছে। আমাৰ উত্তৰণৰ দিশত অৰ্থনৈতিক দিশেৰে আমি আগবাঢ়িবলৈ বিচাৰিলে আমাৰ ভিতৰত বিভক্ত কৰাৰ সুযোগ কম থাকে। অসমৰ অৰ্থনৈতিক সমস্যাসমূহ যিহেতু অসমবাসীৰ প্ৰতিজন নাগৰিকৰ সমস্যা, গতিকে ঐক্যবদ্ধভাৱে আগবঢ়াৰ সুযোগ আছে আৰু প্ৰয়োজনো আছে।

অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত আমি সততেই আলোচনা কৰা বিষয় হ'ল—চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয় অসমত নাই। চাহ কোম্পানীসমূহে অসমত তিনি হেজাৰ কোটি টকাৰ লেন-দেন কৰি বৃহৎ মুনাফা লোৱাৰ পিচতো বেছিসংখ্যক কোম্পানীৰ অসমত বাগিচা আছে, প্ৰয়োজনীয় কাৰ্যালয় নাই। ফলত অসমৰ নিজস্ব পুঁজি গঠনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। অসমৰ প্ৰায় সমূহ দল-সংগঠনৰ দাবীচনদত এইটো দাবী সন্নিৱিষ্ট থকা দেখা যায়, কিন্তু একেটা দাবীত ঐক্যবদ্ধভাৱে যুঁজা দেখা নাযায়।

টা শাখা আছে। সৰ্বভাৰতীয় অনুপাতে অসমে প্ৰাপ্য প্ৰায় ৪৫০ টা বেংকৰ শাখা পোৱাৰ পৰা বঞ্চিত হৈ আছে। ফলত প্ৰায় সাত হাজাৰ লোকৰ সংস্থাপনৰ পথ বন্ধ হৈ ৰৈছে। ভাৰতবৰ্ষৰ ৬৬,৯৭০টা বেংকৰ শাখাৰ ভিতৰত অসমত ১,২২১টা শাখাৰ বিপৰীতে উত্তৰ প্ৰদেশত ৮,৬৪৬, মহাৰাষ্ট্ৰত ৫,৭৮২, বিহাৰত ৪,৯১১, অন্ধ্ৰত ৪,৮০৬, তামিলনাডুত ৪,৪৯৮, মধ্য প্ৰদেশত ৪,৪২৩, কৰ্ণাটকত ৪,৪০১, পশ্চিমবঙ্গত ৪,২৭২, গুজৰাটত ৩,৪৮২, ৰাজস্থানত ৩,১৬৯, কেৰালাত ৩,০২৪, উৰিষ্যাত ২,১৪৩, পঞ্জাৱত ২,২৪৮ আৰু হাৰিয়ানাত ১,৩৪৪টা শাখা আছে। ৰাজ্য ভিত্তিত বেংকৰ শাখাৰ সংখ্যাই অসমৰ অৰ্থনীতিত বেংক উদ্যোগৰ ভূমিকাই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ চৰিত্ৰক স্পষ্ট কৰিছে। জাতীয় অৰ্থনীতিত পুঁজি বিনিয়োগৰ ক্ষেত্ৰত বেংক উদ্যোগৰ চৰিত্ৰ শোষণমূলক। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নীতি-নিৰ্দেশ অনুসাৰে জমা টকাৰ ন্যূনতম ষাঠি শতাংশ বেংক কৰ্তৃপক্ষই স্থানীয়ভাৱে বিনিয়োগ কৰিব লাগে। অসমৰ দৰে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ আৰু স্থানীয় পুঁজিৰ অভাৱ থকা ৰাজ্যৰ দ্ৰুত উন্নয়নৰ বাবে বেংকসমূহে অতিৰিক্ত বিনিয়োগৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজন আছিল। পৰিতাপৰ বিষয় যে ৰাষ্ট্ৰীয় পৰ্যায়ত ৫৯.২শতাংশ বিনিয়োগ কৰাৰ বিপৰীতে অসমত মাত্ৰ ৩২.৫৩ শতাংশহে জমা পুঁজি বিনিযোগ কৰিছে। চিন্তনীয় বিষয়টো হ'ল —মাত্ৰ ৩২.৫৩ শতাংশ বিনিয়োগৰ অনুমোদন দিয়া হৈছে যদিও তাৰ মাত্ৰ ৬০ শতাংশহে ব্যৱহাৰ কৰিব পৰা গৈছে। বাকী বৃহৎ অংকৰ টকা অসমৰ বাহিৰলৈ ওলাই গৈছে। ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ মুখ্য কাৰ্যালয় অসমৰ বাহিৰত হোৱাত অসমৰ জমা টকা অসমত বিনিয়োগ নকৰি মুখ্য কাৰ্যালয়সমূহলৈ প্ৰেৰণ কৰিছে। স্থানীয় পুঁজিৰ এনে বহিৰ্গমনে ৰাজ্যৰ অৰ্থনীতিত অতি বেয়াকৈ আঘাত হানিছে। বেংকত সাধাৰণ শ্ৰেণীটোৱেই টকা বেছি জমা কৰে। অৰ্থবানসকলে কেৱল ব্যৱহাৰহে কৰে। অসমৰ বেংকসমূহত আজি ১৫,৪০১ কোটি টকা জমা হোৱাৰ বিপৰীতে ৫,০০৯ কোটি টকা স্থানীয়ভাৱে বিনিয়োগ হৈছে। ভয়ংকৰ দিশটো হ'ল — প্ৰায় ১০,৪০০ কোটি টকা অসমৰ পৰা অন্য ৰাজ্যলৈ ওলাই গৈছে। পুঁজিৰ এনে বহিৰ্গমন অৰ্থনীতিৰ বাবে অতি ভয়াবহ। অসমত জমা পুঁজিৰ বিনিয়োগ ৩২.৫৩ শতাংশ হোৱাৰ সময়ত তামিলনাডুত ৮৯.৬ শতাংশ, মহাৰাষ্ট্ৰত ৮১.৪ শতাংশ, অন্ধ্ৰ প্ৰদেশত ৬৬ শতাংশ, দিল্লীত ৬১.২ শতাংশ, কৰ্ণাটকত ৬২.৯ শতাংশলৈ বিনিয়োগ কৰা হৈছে। ৰিজাৰ্ভ বেংকৰ নিৰ্ধাৰিত ৬০ শতাংশতকৈ বেছি বিনিয়োগ কৰা ৰাজ্যসমূহতেই সাধাৰণতে ৰাষ্ট্ৰীয়কৃত বেছিভাগ বেংকৰ মুখ্য কাৰ্যালয়। এই অসমতাপূৰ্ণ সেৱা ব্যৱস্থাই অসমত ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ দ্বাৰা ৰাষ্ট্ৰই পুঁজি শোষণ কৰা চৰিত্ৰক স্পষ্ট কৰিছে।

অসমৰ কৃষিভিত্তিক অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত বেংকসমূহে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰিলেহেঁতেন। কিন্তু চৰকাৰ আৰু বেংক কৰ্তৃপক্ষৰ সদিচ্ছাৰ অভাৱত ৰাষ্ট্ৰীয়কৃত বেংকসমূহে ওঠৰ শতাংশ কৃষিক্ষেত্ৰত বিনিয়োগ কৰাৰ নিয়ম থকাৰ পিছতো অসমৰ কৃষিক্ষেত্ৰত মাত্ৰ ৮ শতাংশহে বিনিয়োগ কৰিছে। এয়া কৃষিক্ষেত্ৰৰ ওপৰত নিৰ্ভৰশীল ৰাজ্য এখনৰ বাবে অতি পৰিতাপৰ বিষয়। কৃষিক্ষেত্ৰৰ লগতে অতি নিম্ন আয়ৰ লোকসকলক সেৱা আগবঢ়োৱাৰ বাবেও কেন্দ্ৰীয় চৰকাৰে বেংকসমূহৰ জৰিয়তে বহু আঁচনি গ্ৰহণ কৰিছে, আঁচনিসমূহ অসমত সঠিকভাৱে ৰূপায়ণ কৰিলে আৰ্থিক দিশত অতি দুৰ্বল আমাৰ কৃষকে ৰাজ্যৰ কৃষিৰ বিকাশত সহযোগিতা আগবঢ়াব পাৰিলেহেঁতেন।

বেংকৰ জমা পুঁজি বিনিয়োগৰ দিশ		
বিত্তীয় বৰ্ষ	ভাৰত	অসম
১৯৯৯	৫৪ ৮০	৩২ ০০
২০০০	৫৬ ০০	৩২ ০০
২০০১	৫৬ ৭০	৩২ ১০
২০০২	৫৮ ৪০	৩১.৭০
২০০৩	৫৯ ২০	২৯ ৩০
২০০৪	৫৯ ৮০	৩২ ৫৩

অসমত বেংক উদ্যোগৰ ভূমিকা তেওঁলোকৰ বাৰ্ষিক পৰিকল্পনা ৰূপায়ণৰ দিশটোলৈ লক্ষ্য কৰিলেই স্পষ্ট হৈ পৰে। সাধাৰণতে অসমত বেংক উদ্যোগৰ বিনিয়োগ শিতানৰ পৰিকল্পনাৰ প্ৰায় পঞ্চাশ শতাংশহে কাৰ্যকৰী কৰা দেখা যায়। অসমৰ অৰ্থনৈতিক দিশৰ প্ৰতি সদিচ্ছাৰ অভাৱেই ইয়াৰ অন্যতম কাৰণ। সাধাৰণতে চৰকাৰৰ আঁচনিসমূহ বা জিলা উদ্যোগ বিভাগৰ পৰা অহা আঁচনিসমূহৰ ক্ষেত্ৰতহে সাধাৰণ শ্ৰেণীটোৱে বেংকৰ পৰা ঋণ পাব পাৰে। কিন্তু চৰকাৰৰ সংশ্লিষ্ট বিভাগ তথা জিলা উদ্যোগ কেন্দ্ৰসমূহৰ দ্বাৰা অতি জটিল প্ৰক্ৰিয়াৰে আহিবলগা হোৱাত আৰু প্ৰায় ক্ষেত্ৰতে সততাৰ অভাৱৰ বাবে প্ৰকৃততে এনে প্ৰক্ৰিয়াৰ পৰাও অসমৰ ৰাইজ লাভান্বিত হোৱা নাই। সাধাৰণ গ্ৰাহকক বেংকসমূহে ঋণ দিয়াত হেমাহি কৰে যদিও বেংকৰ উৰ্ধ্বতন কৰ্তৃপক্ষই এক শ্ৰেণী পুঁজিপতিৰ লগত মিতিৰালি কৰি বৃহৎ পৰিমাণৰ ঋণ দি আহিছে। অসমৰ ৰাইজৰ জমা পুঁজিৰে বাহিৰৰ পুঁজিপতিক মুনাফা লুটাৰ সুবিধা কৰি দিছে। অসমৰ স্থানীয় কৰ্তৃপক্ষক চেৰাই গৈ বেংকসমূহৰ মুখ্য কাৰ্যালয়ৰ পৰা এনে বৃহৎ বৃহৎ পৰিমাণৰ ঋণ এক বিশেষ শ্ৰেণীৰ লোকক দিবলৈ নিৰ্দেশ দিয়া দেখা যায়। এই বৃহৎ পৰিমাণৰ টকা অসমৰ বেংকৰ শাখাসমূহৰ দ্বাৰা বিনিয়োগ কৰে

যদিও বেছিভাগেই অসমৰ বাহিৰত ব্যৱহৃত হয়। বেংকসমূহে এনে চৰিত্ৰ বাহাল ৰাখিব পৰাৰ বাবে মূলতঃ দায়ী ৰাজ্য চৰকাৰ। বেংক ব্যৱসায়ক অসমৰ অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অসমৰ ৰাজ্য চৰকাৰসমূহে আজিলৈকে কোনো গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা নাই। পুঁজি বিনিয়োগৰ এই বৃহৎ আৰু শক্তিশালী ক্ষেত্ৰখনক অসম চৰকাৰে অসমৰ স্বাৰ্থত নিয়ন্ত্ৰণ কৰিব পৰা নাই আৰু কৰিবলৈ চেষ্টাও কৰা নাই। আমি মনত ৰখা উচিত হ'ব যে বেংক উদ্যোগৰ জৰিয়তে অসমৰ পৰা ইতিমধ্যেই ১০,৪০০ কোটি টকাৰ বহিৰ্গমন হৈছে। আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ বেংক উদ্যোগে অসমৰ উন্নয়নৰ বাবে কেনেদৰে সহায় কৰিব পাৰে, সেই ক্ষেত্ৰত অসম চৰকাৰৰ নিজস্ব এখন আঁচনি থাকিব লাগে। বেংকসমূহে অসমত কেৱল পুঁজি জমাতে ব্যস্ত নাথাকি পুঁজি বিনিয়োগৰ বাবে কোনবিলাক ক্ষেত্ৰক অগ্ৰাধিকাৰ দিব, তাৰ এক পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। প্ৰকৃতাৰ্থত অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অসমৰ বেংকসমূহৰ হাতত এখনকৈ সম্পূৰ্ণ আঁচনি থকা উচিত। ৰাজ্যখনৰ লগতে বেংকসমূহৰ স্বাৰ্থতো এনে আঁচনিৰ প্ৰয়োজন। কেৱল মুখ্য কাৰ্যালয়ৰ শ্ৰুতলিপিত গ্ৰাহকৰ পৰা পুঁজি জমা কৰিলেই অসমত বেংক উদ্যোগৰ বিকাশ সম্ভৱ নহ'ব।

❑ ❑ ❑

<u>জাতীয় পুঁজি গঠনৰ বাবে অন্য এক প্ৰস্তাৱ</u>

অসমৰ জৈৱ প্ৰযুক্তিত গুৰুত্ব দিব লাগিব

বিশ্বৰ অৰ্থনীতিৰ বৰ্তমানৰ চিন্তাধাৰা আদিৰ প্ৰতি লক্ষ্য ৰাখি এইটো প্ৰায় নিশ্চিত হৈ পৰিছে যে অহা বছৰসমূহ বায়োটেকন'লজিৰ যুগ হিচাপে চিহ্নিত হ'ব। বায়োটেকন'লজিৰ দ্বাৰা উদ্ভূত অৰ্থনৈতিক আৰু সামাজিক বিষয়সমূহে অগ্ৰাধিকাৰ পাব। আজি বিশ্বত প্ৰায় প্ৰতিখন দেশত বায়োটেকন'লজিৰ ওপৰত পৰিকল্পনা আৰম্ভ কৰাৰ লগতে গৱেষণা আৰম্ভ কৰা হৈছে। তথ্য প্ৰযুক্তি আৰু জৈৱ প্ৰযুক্তিৰ মাজত ইতিমধ্যে এক প্ৰতিযোগিতা চলিছে। তথ্য প্ৰযুক্তিয়ে দখল কৰিবলৈ লোৱা বিশ্বৰ ব্যৱসায়িক ক্ষেত্ৰখনত লাহে লাহে জৈৱ প্ৰযুক্তিয়ে খোপনি পোতা আৰম্ভ কৰিছে, জৈৱ সম্পদ এক অক্ষয় ভঁৰাল। পৃথিৱীৰ সকলো উদ্ভিদ, প্ৰাণী, অনুজীৱ প্ৰজাতিৰ সামগ্ৰিক সমষ্টিয়েই জৈৱ সম্পদ, বিশ্বত ভৱিষ্যত অৰ্থনীতিৰ আধাৰ জৈৱ সম্পদ বুলি ইতিমধ্যেই আলোচিত হৈছে। গৱেষকসকলৰ গবেষণাৰ মাজেৰে এতিয়া প্ৰতিপন্ন হৈছে যে জৈৱ সম্পদৰ মাজত বিশাল অৰ্থনৈতিক গুৰুত্বসম্পন্ন সম্ভাৱ আছে। ভৱিষ্যত অৰ্থনীতিলৈ লক্ষ্য ৰাখি বহু ৰাষ্ট্ৰই জৈৱ প্ৰযুক্তিক শৈক্ষিক ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণভাৱে অন্তৰ্ভুক্ত কৰি লৈছে। প্ৰকৃতাৰ্থত ১৯৮০-ৰ দশকৰ পৰাই আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ ধ্বজাবাহী জৈৱ প্ৰযুক্তিৰ বিকাশৰ বিষয়টোৱে গুৰুত্ব লাভ কৰিছে। জৈৱ সম্পদৰ ভিতৰত বনৌষধি আৰু সুগন্ধি উদ্ভিদসমূহে বিশ্বৰ বজাৰত বিশেষভাৱে গুৰুত্ব লাভ কৰিছে।

পৰম্পৰাগত চিকিৎসাৰ বজাৰত সিংহাসন দখল কৰিছে বনৌষধিয়ে। বিশ্বৰ বনৌষধিৰ বজাৰখনে ৩,৬০,০০০ কোটি টকাৰ মাত্ৰা অতিক্ৰম কৰিছে। ভাৰতত সাত শতাংশ হাৰত বৃদ্ধি পাই এতিয়া প্ৰায় ২,৮০০ কোটি টকা হৈছেগৈ, ২০২০ চনলৈ বিশ্বত জৈৱ সম্পদৰ ব্যৱসায় ৩,০০,০০০ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি সমীক্ষকসকলে ক'বলৈ বিচাৰে, যৌগিক আৰু বহু ধাতুৰ উপাদানেৰে গঠিত ঔষধবোৰে লাহে লাহে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিকল্প হিচাপে আয়ুৰ্বেদিক ঔষধে বজাৰ দখলৰ বাবে খোজ পেলাইছে। ঔষধৰ বজাৰত আজি ৬৭ শতাংশ যৌগিক ঔষধ আৰু ৩৩ শতাংশ বনৌষধি।

বিশ্বস্বাস্থ্য সংস্থাৰ জৰীপ মতে বিশ্বত ৩৫,০০০ বিধৰ উদ্ভিদ প্ৰজাতি আছে যি ঔষধৰ বাবে ব্যৱহাৰ হয়। ভাৰতবৰ্ষত ঔষধি উদ্ভিদৰ ২০০০ বিধ আছে বুলি আলোচিত হৈছে। ইয়াৰে পাঁচবিধ পৰম্পৰাগত চিকিৎসা প্ৰজাতিত ব্যৱহাৰ হয়। লক্ষণীয়ভাৱে গ্ৰামাঞ্চলৰ ৮০ শতাংশ লোকে পৰম্পৰাগত ঔষধ ব্যৱহাৰ কৰে। পৰিবেশ আৰু বন মন্ত্ৰালয়ৰ এক সমীক্ষা মতে দেশৰ ৪,৬৩৫ টা জনগোষ্ঠীয়ে সাত হেজাৰ পাঁচশ উদ্ভিদ ব্যৱহাৰ কৰে। ভেষজ উদ্ভিদৰ চৰিত্ৰসমূহ প্ৰমাণিত হোৱাৰ লগে লগে পৰম্পৰাগত ঔষধৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পাইছে। বিশ্বৰ বজাৰত ঔষধি গছৰ চাহিদা সাত শতাংশলৈ বৃদ্ধি পাবলৈ ধৰিছে। বাংগালোৰৰ ফাউণ্ডেচন ফৰ ৰিভাইটেলাইজেশ্যন অব লৰ্কোল ছেলচ ট্ৰেডিচ্‌ন নামৰ সংস্থাটোৰ নেতৃত্বত ঘৰে ঘৰে ঔষধি গছৰ বাগিচা স্থাপনৰ বাবে এক গণ কাৰ্যসূচী গ্ৰহণ কৰিছে। দাক্ষিণাত্যৰ ১৯ টা বে-চৰকাৰী অনুষ্ঠান, গণ-সংগঠন, গৱেষণা প্ৰতিষ্ঠান আদিয়ে ইতিমধ্যে প্ৰায় একলাখ বিশ হাজাৰখন বনৌষধি বাগিচা স্থাপন কৰিছে।

পৃথিৱীৰ জৈৱ সম্পদৰ চহকী অঞ্চলসমূহক বৈজ্ঞানিক পৰিভাষাত 'হট-স্পট' বুলি কোৱা হয়। বিশ্বত এনে বাৰটা 'হট-স্পট' আছে। উল্লেখ্য যে এই বাৰটা 'হট-স্পট'ৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলো এটা, নেড্‌ফিৰ এক সমীক্ষা মতে উত্তৰ-পূৰ্বাঞ্চলৰ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ ওপৰত ভিত্তি কৰি ৬২৫ কোটিৰ পৰা ৮১২ কোটি টকালৈ বিনিয়োগৰ সম্ভাৱনা আছে। আন এক অধ্যয়নৰ মতে প্ৰতি বছৰে এই অঞ্চলৰ পৰা ১৬৫ কোটি টকা মূল্যত বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ বিভিন্ন অংশ দেশৰ অন্য প্ৰান্তলৈ ৰপ্তানি হৈ আছে। প্ৰায় ৩৬ হেজাৰ মেট্ৰিক টন এনে সামগ্ৰী বছৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ওলাই যায়। বৰ মানিমুনি, মহা নিম, আমলখি, শিলিখা, আদা, শতমূল, অৰ্জুন, অশ্বগন্ধা, ক'লা জামুৰ পৰা দেৱদাৰু ছাল, গমাৰি ছাল আৰু য়ু গছলৈকে এই অঞ্চলৰ পৰা অতি নগণ্য মূল্যৰ বিনিময়ত অহৰহ বাহিৰলৈ গৈ আছে। জৈৱ সম্পদৰ অতি গুৰুত্বপূৰ্ণ উত্তৰ- পূবৰ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ ওপৰত সংশ্লিষ্ট বিভাগসমূহে গুৰুত্ব নিদিয়াৰ পৰিপ্ৰেক্ষিতত দুষ্ট শক্তিসমূহে বৰ্তমানলৈকে বাধাহীনভাৱে লুণ্ঠন চলাই আছে।

আমাৰ অভাৱ ঃ অসম তথা উত্তৰ-পূবৰ ৰাজ্যসমূহত থকা জৈৱ বিচিত্ৰতাই বিশ্বৰ বজাৰত নিজৰ স্থান দখল কৰা সম্ভৱ আৰু সেইটো কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিব লাগে। অসমে এক জৈৱ বিপ্লৱ আৰম্ভ কৰিব লাগে। জৈৱ বিপ্লৱত ভৰি দিয়াৰ আগতে সেই ক্ষেত্ৰখনত যাতে আমি সুসংহত পদ্ধতিৰে আৰু দীৰ্ঘম্যাদী পৰিকল্পনাত আঁচনিৰে খোজ দিব পাৰো সেইটো নিশ্চিত কৰিব লাগিব। অসম তথা

উত্তৰ-পূবত থকা বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ অনুসন্ধান কৰি লগে লগে পেটেণ্টিং কৰাটো অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰিব লাগিব। অন্যথা ভাৰতৰ বাচমতি চাউলৰ দৰে অৱস্থা হ'ব। ভাৰতৰ বাচমতি চাউলক টেক্সছত টেক্সমতি চাউল বুলি পেকেট কৰাক লৈ ইতিমধ্যে এক বিৰাট বাণিজ্যিক সংঘাত হৈ গৈছে। অসমত প্ৰকৃতাৰ্থত কিমানবিধ বনৌষধি আছে সেইটো এতিয়াও স্পষ্টকৈ ক'ব পৰা হোৱা নাই। এই ক্ষেত্ৰত বিভিন্ন আলোচনা আৰু গৱেষকৰ মত ভিন ভিন। কাৰ্বি-আংলং জিলাতে বৰ্তমানলৈকে ৫২০ বিধ ঔষধি গছৰ সন্ভেদ পোৱা গৈছে। নেড়ফিৰ এক অধ্যয়ন মতে অসমত ১২৯বিধ ঔষধিযুক্ত গছৰ সন্ভেদ পোৱা গৈছে। আন এক তথ্য মতে অসমৰ বনৌষধি উদ্ভিদৰ ১৫৭বিধ ইতিমধ্যে ঔষধ প্ৰস্তুত কৰাত ব্যৱহাৰ হৈছে। লক্ষণীয়ভাৱে দেশৰ ষাঠী শতাংশ মানুহে বনৌষধি ব্যৱহাৰ কৰে। অতি কম মূল্যত সহজভাৱে পোৱাৰ বাবে বনৌষধিৰ এখন বহল বজাৰ আছে। আয়ুৰ্বেদৰ মতে এহেজাৰ সাতশ উদ্ভিদৰ ঔষধি গুণ আছে আৰু প্ৰায় দহ হেজাৰ বনৌষধি প্ৰস্তুত কৰা প্ৰণালী আয়ুৰ্বেদত লিপিবদ্ধ হৈ আছে, অসমে এই ক্ষেত্ৰখনৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তন কৰাৰ লগতে ৰাজ্যৰ অৰ্থনীতিক পৰিৱৰ্তন কৰাৰ সুযোগ গ্ৰহণ কৰিব পাৰে।

জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰখন যথেষ্ট চহকী। য়ু নামৰ উদ্ভিদ প্ৰজাতিলৈ লক্ষ্য কৰিয়েই সেইটো স্পষ্ট হৈ পৰে। য়ুক বৈজ্ঞানিক পৰিভাষাত কোৱা হয় টেস্কাছ বেকেটা। পশ্চিম হিমালয়, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাঞ্চল ৰাজ্য আৰু উত্তৰ-পূৰ্বাঞ্চলত য়ু উদ্ভিদ পোৱা যায়, ১৯৮৩ চনত আমেৰিকাৰ গৱেষকে আৱিষ্কাৰ কৰিলে যে য়ু গছৰ বাকলিত টেস্কল নামৰ এবিধ ৰাসায়িনক দ্ৰব্য থাকে, ইয়াৰ দ্বাৰা কেইবিধমান কেন্সাৰ ৰোগ নিৰাময় কৰিব পাৰি, ১৯৯৪ চনত এই টেস্কলৰ আন্তৰ্জাতিক বজাৰত প্ৰতি কিল'গ্ৰামত মূল্য আছিল ১৮০ কোটি টকা। বৰ্তমান ইয়াৰ মূল্য ৯৫ কোটি টকালৈ হ্ৰাস পাইছে। উল্লেখ্য যে টেস্কলৰ গৱেষণাৰ এজন বিজ্ঞানী ডঃ এন চি ৱালি আমেৰিকাৰ নিবাসী ভাৰতীয়। এই টেস্কল উদ্ভাৱন কৰিব পৰা য়ু উদ্ভিদ উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়।

আমাৰ প্ৰস্তাৱ হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত থকা জৈৱ বৈচিত্ৰ্যই বিশ্বৰ বজাৰত নিজৰ স্থান দখল কৰা সম্ভৱ আৰু সেইটো কৰাৰ বাবে পদক্ষেপ আৰম্ভ কৰিব লাগে, বনৌষধি আৰু সুগন্ধি উদ্ভিদক কেন্দ্ৰ কৰি এক সুকীয়া অৰ্থনৈতিক ব্যৱস্থা গঢ়ি তুলিব পাৰিলে ৰাজ্যৰ ৰাজহ বৃদ্ধি হোৱাৰ লগতে কৰ্মসংস্থানৰ সুযোগৰ সৃষ্টি হ'ব। ইয়াৰ বাবে বজাৰ সম্বন্ধীয়, গৱেষণা সম্বন্ধীয় দুৰ্বলতাক আঁতৰ কৰিব

লাগিব। ভাৰতীয় পদ্ধতিৰ ঔষধে এটা সুযোগ পাইছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে আমি আজি প্ৰধান অংশীদাৰ হ'ব পাৰো। জাতীয় পুঁজি গঢ়ি তোলাৰ যথেষ্ট সুযোগ থকা অসমৰ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ ওপৰত ভিত্তি কৰি এখন বজাৰ গঢ়ি তোলাৰ প্ৰয়োজন হৈছে। বিশ্বৰ লগতে ভাৰতৰ অৰ্থনৈতিক আৰু বাণিজ্যিক ক্ষেত্ৰখনত অসমে নিজস্ব স্থিতি শক্তিশালী কৰাৰ বাবে জৈৱ প্ৰযুক্তিক আমি অগ্ৰাধিকাৰ দিব পাৰো। অসমত ভেষজ উদ্ভিদৰ বাণিজ্যিক সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি এফালে বাণিজ্যিকভাৱে উৎপাদন আৰম্ভ কৰিব লাগিব আৰু উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে দেশীয় আৰু আন্তৰ্জাতিক বজাৰৰ সন্ধান কৰিব লাগিব।

❑ ❑ ❑

চাহ উদ্যোগক সামাজিক দায়িত্ব পালন কৰোৱাৰ প্ৰয়োজন হ'ব

অসমৰ চাহ উদ্যোগক আজি সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত সোঁৰৰাই দিবলৈ গ'লেই চাহ উদ্যোগৰ লগত জড়িত সমস্ত শক্তিটোৱে জিকাৰ খাই উঠে। অথচ এশ সত্তৰ বছৰীয়া ইতিহাস গৰকা অসমৰ চাহ উদ্যোগৰ এশ বছৰতকৈ অধিক সময় চাহ উদ্যোগৰ মালিক গোষ্ঠীয়ে কেৱল নিজস্ব ক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু মুনাফাৰ গ্ৰাফ ঊৰ্ধগামী কৰি ৰখাতে নিজকে ব্যস্ত ৰাখিলে। উৎপাদনৰ স্বাৰ্থত প্ৰায় আঠ লাখ শ্ৰমিকক স্থায়ী আৰু অস্থায়ীভাৱে সংস্থাপন দিয়াতেই বণিক গোষ্ঠীয়ে সামাজিক দায়িত্ব পালন কৰা বুলি সাব্যস্ত কৰিবলৈ প্ৰয়াস কৰে। অতি নিম্নমানৰ আধাকেজি চাহৰ মূল্যতকৈ কম দৈনিক হাজিৰাৰে চাহ শ্ৰমিকক শ্ৰমৰ বিনিময় দিয়াটোৱে সামাজিক দায়বদ্ধতাতকৈ চাহ শ্ৰমিকৰ শ্ৰমৰ শোষণৰ দিশটোৰে সাব্যস্ত কৰিছে।

অসমৰ কৃষি উপযোগী ২৭,৯০,০৫৫ বিঘাতকৈ অধিক মাটিত অধিকাৰ সাব্যস্ত কৰি থকা চাহ উদ্যোগৰ অসমৰ অৰ্থনৈতিক, সামাজিক আনকি ৰাজনীতিতো এক গুৰুত্বপূৰ্ণ প্ৰভাৱ নথকা নহয়। গুৰুত্বলৈ লক্ষ্য ৰাখিয়েই চৰকাৰৰ ফালৰ পৰা চাহ শিল্পৰ সম্প্ৰসাৰণৰ বাবে যথেষ্ট সুযোগ-সুবিধা আদায় কৰিব পাৰিছে যদিও বিনিময়ত চাহ উদ্যোগে অসমৰ সমাজ-জীৱনৰ প্ৰতি থাকিবলগা দায়বদ্ধতাক আজিও স্বীকাৰ কৰিব বিচৰা নাই। ফলত স্বাভাৱিকভাৱেই চাহ উদ্যোগে অসমৰ জনগণৰ ওচৰত বিশ্বাস হেৰুৱাইছে। এনে অৱস্থাত চাহ উদ্যোগৰ লগত জড়িত বণিকগোষ্ঠীয়ে নিজস্বভাৱেই তেওঁলোকৰ সমস্যাসমূহৰ আৰু অসমৰ উন্নয়নৰ বাবে তেওঁলোকে পালন কৰিবলগা দায়িত্বসমূহক স্পষ্ট কৰি অসম চৰকাৰৰ লগত আলোচনা কৰা উচিত।

অসমৰ মাটিত বছৰি প্ৰায় ৪৫০০ কোটি টকাৰ লেন-দেন কৰা চাহ উদ্যোগৰ লগত জড়িত চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয় আৰু চাহ কোম্পানীসমূহৰ মুখ্য কাৰ্যালয় অসমলৈ অনাৰ দাবী উত্থাপন হ'লে অসমৰ আন্তঃগাঁথনিৰ দোহাই দি বণিকগোষ্ঠীসমূহে অসমৰ জণগণৰ দাবীক উলাই কৰিবলৈ চেষ্টা কৰে। শাসকগোষ্ঠীসমূহৰ স্থিতি এই দিশত অতি দুৰ্বল। আন্তঃগাঁথনিৰ দোহাই দিয়া চাহ উদ্যোগৰ লগত জড়িত

বণিকগোষ্ঠীসমূহে এইটো জনা উচিত যে বহিঃবিশ্বৰ লগত বাণিজ্যিক লেন-দেন কৰাৰ বাবে অসমত বৰ্তমান প্ৰায়বোৰ ব্যৱস্থা সম্পূৰ্ণ হৈছে, গুৱাহাটীৰ বিমান বন্দৰকে ইতিমধ্যেই আন্তৰ্জাতিক বিমান বন্দৰ কৰা হৈছে। এনে ক্ষেত্ৰত চাহ উদ্যোগৰ লগত জড়িত কাৰ্যালয়সমূহ অসমলৈ আনিব নোৱাৰাৰ যুক্তি গ্ৰহণযোগ্য হ'ব নোৱাৰে। কেৱল আইন-শৃংখলাৰ দোহাই দি বণিকগোষ্ঠীয়ে সুযোগ ল'ব বিচাৰিলেও তেওঁলোকে জনা উচিত যে উৎপাদন হয় অসমত আৰু অৰ্থৰ লেন-দেন অসমৰ বাহিৰত, এনে স্থিতিসমূহেই আজিৰ পৰিস্থিতিৰ বাবে দায়ী। অন্যহাতে অসমত আইন-শৃংখলাৰ দোহাই দিলেও চাহ শিল্পৰ লগত জড়িত বৃহৎ বণিকগোষ্ঠীসমূহে অসমত লাভ কৰা টকাৰে বাহিৰত গঢ়ি তোলা ঔদ্যোগিক অঞ্চলত আইন-শৃংখলাৰ অৱস্থা অসমতকৈয়ো শোচনীয়।

আমাৰ প্ৰস্তাৱ হ'ল— অসম চৰকাৰে চাহ উদ্যোগৰ বণিকগোষ্ঠীসমূহৰ লগত আলোচনা কৰি চাহ উদ্যোগৰ লগত জড়িত প্ৰশাসনিক তথা বাণিজ্যিক কাৰ্যালয়সমূহ অসমলৈ অনাৰ ব্যৱস্থা কৰক, বিশেষকৈ ক্ৰয় বিভাগ, প্ৰশাসন বিভাগ, পৰিবহণ, বীমা, আভ্যন্তৰীণ হিচাপ পৰীক্ষা, বেংকৰ লেন-দেন, বাণিজ্যিক, আইন বিভাগসমূহ অসমলৈ অনাৰ প্ৰয়োজন আছে। অসমৰ চাহ বাগিচাসমূহে বছৰি প্ৰায় সাতশ কোটি টকাৰ বিভিন্ন সামগ্ৰী ক্ৰয় কৰে। বাগিচাৰ ক্ৰয় বিভাগসমূহ অসমৰ বাহিৰত বিশেষভাৱে কলকাতাত থকাৰ বাবে বেছিভাগ সামগ্ৰী অসমৰ বাহিৰৰ পৰা কিনা হয়। এই সাতশ কোটি টকা অসমৰ ভিতৰতে লেন-দেন হোৱা হ'লে অসমৰ জাতীয় পুঁজিৰ কিছু সহায় হ'লহেঁতেন। বণিকগোষ্ঠীসমূহে চাহ কোম্পানীসমূহৰ প্ৰশাসনীয় বিভাগটো অসমত নাৰাখি বিশেষভাৱে নিযুক্তিৰ ক্ষেত্ৰখনত অসমক বঞ্চিত কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। অসমৰ চাহ বাগিচাসমূহৰ অসমৰ বাহিৰত থকা মুখ্য কাৰ্যালয়সমূহত অসমীয়া বিষয়া মাত্ৰ দুজন। এটা কোম্পানীলৈ লক্ষ্য কৰিলেই নিযুক্তি ক্ষেত্ৰখনতেই থকা প্ৰৱঞ্চনাৰ দিশটো স্পষ্ট হৈ পৰে। অসমত থকা পোন্ধৰখন বাগিচাৰ ওপৰতেই ব্যৱসায় কৰি থকা অসম চাহ কোম্পানীৰ অসমৰ বাহিৰত থকা কাৰ্যালয়সমূহত ষাঠিজন বিষয়া আছে কিন্তু এজনো অসমীয়া বিষয়া ৰখাৰ প্ৰয়োজনেই উপলব্ধি কৰা নাই। চাহি বাগিচাৰ প্ৰতিজোপা চাহ গছৰ বাবে সাধাৰণ বীমা কৰা হয়। অসমৰ সমূহ চাহ বাগিচাই বীমাৰ বাবে সাধাৰণ বীমা বিভাগত বছৰেকত প্ৰায় পঞ্চাশ কোটি টকাৰ 'প্ৰিমিয়াম' আদায় দিয়ে। চাহ কোম্পানীসমূহৰ বীমা বিভাগটো অসমৰ বাহিৰত থকা বাবে এই পঞ্চাশ কোটি টকাৰ বেছিভাগ টকাৰ বীমাৰ প্ৰিমিয়াম কলকাতাত দিয়া হয়। ফলত অসমে সম্ভাব্য বিছটা সাধাৰণ বীমাৰ শাখা কাযালয় মুকলি কৰিব পৰাৰ পৰা বঞ্চিত হ'ল আৰু প্ৰায় চাৰিশ মানুহৰ সংস্থাপনৰ পথ হেৰুৱাবলগা হ'ল। চাহ

কোম্পানীসমূহৰ নিজস্ব বীমা বিভাগসমূহ অসমলৈ আনিব নোৱৰাৰ কোনো যুক্তি নাই। চাহ কোম্পানীসমূহৰ এক গুৰুত্বপূৰ্ণ বিভাগ হ'ল আভ্যন্তৰীণ হিচাপ পৰীক্ষা বিভাগ। আভ্যন্তৰীণ হিচাপ পৰীক্ষাৰ বাবে অসমত বহুসংখ্যক অভিজ্ঞ ফাৰ্ম গঢ়ি উঠিছে। প্ৰায়বোৰ ৰাজহুৱা খণ্ডৰ অনুষ্ঠানৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষণ অসমৰ ফাৰ্মবিলাকৰ দ্বাৰাই কৰা হয়। চাহ বণিকগোষ্ঠীসমূহে মুনাফাৰ অংক সৰু কৰাৰ বাবে অসমৰ ফাৰ্মবিলাকক বঞ্চিত কৰাৰ ষড়যন্ত্ৰত লিপ্ত হয়। অন্যহাতে আইন সেৱা ক্ষেত্ৰতো প্ৰতিটো কোম্পানীৰ আইন বিভাগক অসমৰ বাহিৰত ৰাখি অসমৰ অধিবক্তাসকলকো বঞ্চিত কৰি আহিছে। এনেবিলাক বিষয়ৰ ওপৰত অসমৰ আইন-শৃংখলাৰ দোহাই দিয়াৰ কোনো যুক্তি নাই। প্ৰবঞ্চনাৰহে যুক্তি থাকিব পাৰে। চাহ বণিকগোষ্ঠীৰ অসমৰ ক্ষেত্ৰত ন্যূনতমো দায়বদ্ধতা থকা হ'লে এনেবিলাক বিষয়ৰ ওপৰত আমি আলোচনা কৰাৰ প্ৰয়োজন নহ'লহেঁতেন।

চাহ উদ্যোগৰ বণিকগোষ্ঠীসমূহ অসমৰ প্ৰতি দায়বদ্ধ হ'ব নালাগে, অসম চৰকাৰহে তেওঁলোকৰ প্ৰতি দায়বদ্ধ হ'ব লাগে আৰু সকলো সুযোগ দি মুনাফা বৃদ্ধি কৰাত সহায় কৰিব লাগে। এইটোহে আজি সত্য হৈ পৰিছে। অসমত চাহ উদ্যোগৰ সম্প্ৰসাৰণৰ নামত চাহ কোম্পানীসমূহে চৰকাৰৰ পৰা সকলো ধৰণৰ সহযোগ আদায় কৰি আহিছে, শেহতীয়া বাজেটত ৰাজ্য চৰকাৰৰ ৰাজহ লোকচান কৰি হ'লেও আৰু কেইটামান সুযোগ লাভ কৰিছে। তথাপিও চাহ উদ্যোগৰ বণিকগোষ্ঠীয়ে অসমৰ স্বাৰ্থত টকা বিনিয়োগ কৰাৰ পক্ষপাতী নহয়। অতি ন্যূনতম সা-সুবিধা পোৱাৰ পৰা চাহ জনগোষ্ঠী আজিও বঞ্চিত। কেইটামান বঁটা আৰু ক্লাব-স্কুল ঘৰত কেইটামান সামগ্ৰী দি এওঁলোকে নিজৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিব বিচাৰে। আমাৰ প্ৰস্তাৱ হ'ল— অসমত থকা চাহ বাগিচাৰ মালিকগোষ্ঠীসমূহক অসমত আন্তঃগাঁথনিৰ সমস্যা, বিদ্যুৎ শক্তি উৎপাদন, মীনপালন, আধুনিক কৃষি সম্প্ৰসাৰণ, পৰ্যটন, পেট্ৰ'কেমিকেলচ আৰু জল সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিনিয়োগ কৰাৰ বাবে বাধ্য কৰাব লাগে। অসম চৰকাৰে চাহ উদ্যোগৰ লগত এক কূটনৈতিক সম্পৰ্ক ৰাখি অসমত চাহ উদ্যোগৰ সম্প্ৰসাৰণ, চাহ জনগোষ্ঠীৰ বিকাশ আৰু একে সময়তে অসমত বিনিয়োগৰ দিশটোক স্পষ্ট কৰিব পাৰিলেহে চৰকাৰখনৰ ৰাজ্যখনৰ প্ৰতি দায়বদ্ধতা প্ৰতফলিত হ'ব।

❑ ❑ ❑

অগ্ৰাধিকাৰ দিব লগা বিষয়

বিদ্যুৎ শক্তি উৎপাদন

শিল্পায়নৰ বিকাশৰ ক্ষেত্ৰত বিদ্যুৎশক্তি অন্যতম চালিকাশক্তি যদিও অসমত এই বিদ্যুৎ শক্তিৰ ক্ষেত্ৰত প্ৰকৃতভাৱে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই, অসমৰ জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ শক্তি উৎপাদনৰ এক শক্তিশালী ক্ষেত্ৰ আছে যদিও চৰকাৰসমূহে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিব পৰা নাই। অসমৰ জলসম্পদৰ ওপৰত ভিত্তি কৰি ইতিমধ্যেই প্ৰস্তুত কৰা পৰিকল্পনাসমূহক কাৰ্যকৰী কৰিব পাৰিলে ৪৩,৩৫০ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰিব পৰা যাব। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিদ্যুৎ প্ৰতিস্থাপিত ক্ষমতা ৫৭৪.৪ মেগাৱাট আৰু ইয়াৰ বিপৰীতে উৎপাদন প্ৰায় ২৫৩ মেগাৱাট যদিও বৰ্তমান বিদ্যুৎ উৎপাদন ইয়াতকৈয়ো কম। শক্তি মন্ত্ৰণালয়ৰ পঞ্চদশ বিদ্যুৎ শক্তি জৰীপ মতে দশম পৰিকল্পনাৰ বছৰত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত সৰ্বোচ্চ চাহিদা ক্ৰমে ১৩৩০ মেগাৱাট আৰু ২৬৫৩ মেগাৱাট। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ উৎপাদিত ক্ষমতা সেই সময়ত ১৫৪৫·৯০ মেগাৱাট হ'ব লাগিছিল। দুৰ্ভাগ্যৰ বিষয় যে অসম চৰকাৰে এই দিশটোৰ ওপৰত গুৰুত্ব দিয়াটোক বিবেচনা নকৰিলে। জলসম্পদৰ ওপৰত ভিত্তি কৰি অতি কম খৰচত বিদ্যুৎ উৎপাদন কৰিব পৰা অসমত উৎস থকাৰ পিচতো ৰাজ্যিক বিদ্যুৎ পৰিষদে এই ক্ষেত্ৰত পদক্ষেপ দিব পৰা নাই। ফলত বিদ্যুৎ পৰিষদে লাভজনক স্থিতি গ্ৰহণ কৰিব পৰা নাই। জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ পৰিষদৰ বিদ্যুৎ উৎপাদন মাত্ৰ ২ মেগাৱাট। জাতীয় পুঁজি গঠনৰ স্বাৰ্থত অৰ্থনৈতিক উন্নয়ন তথা শিল্পায়নৰ বিকাশৰ বাবে বিদ্যুৎ শক্তিৰ ওপৰত ৰাজ্যৰ নিজস্ব কৰ্তৃত্ব থকা উচিত। অসম চৰকাৰ আৰু ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি ৰাষ্ট্ৰই বিদ্যুৎ শক্তি খণ্ডৰ ওপৰত অধিকাৰ সাব্যস্ত কৰাৰ বাবে ইতিমধ্যেই শক্তিশালী ব্যৱস্থাৰ সৃষ্টি কৰিছে। ৰাজ্যসমূহত উৎপাদিত বিদ্যুৎ শক্তিক 'নেচনেল পাৱাৰ গ্ৰীড'ৰ জৰিয়তে ৰাষ্ট্ৰই নিজস্ব অধিকাৰ সাব্যস্ত কৰিব লৈছে। অসম তথা উত্তৰ-পূবত উৎপাদিত বিদ্যুৎ ৰাষ্ট্ৰীয় প্ৰবাহ লাইনৰ দ্বাৰা লৈ যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাষ্ট্ৰৰ সম্পূৰ্ণ কৰ্তৃত্বৰ 'নেচনেল পাৱাৰ গ্ৰীড'ৰ হাতত আজি অসমৰ সম্ভাব্য বিদ্যুৎ শক্তিক কৰা হৈছে। উত্তৰ-পূবৰ ৰাজ্য চৰকাৰসমূহৰ লগত পাৱাৰ গ্ৰীডৰ সম্পৰ্ক অতি স্পষ্ট কৰা প্ৰয়োজন। বিদ্যুৎ উৎপাদন, বিতৰণ আৰু সৰবৰাহৰ ক্ষেত্ৰত পাৱাৰ গ্ৰীডৰ

লগত ৰাজ্য চৰকাৰৰ কিছু স্বত্ব থকা অতীব প্ৰয়োজন। উত্তৰ-পূবৰ প্ৰাপ্য বিদ্যুৎৰ ক্ষেত্ৰত, স্থানীয় নিযুক্তিৰ ক্ষেত্ৰত, ৰাজ্যৰ প্ৰাপ্য ৰাজহৰ ক্ষেত্ৰত ৰাজ্যসমূহ যাতে বঞ্চিত নহয় তাৰ নীতি স্পষ্ট কৰা প্ৰয়োজন।

অসমত বিদ্যুৎ উৎপাদনৰ উৎস যথেষ্ট আছে যদিও কেন্দ্ৰীয় চৰকাৰে আইনি শক্তিৰে ৰাজ্য চৰকাৰক নিজস্বভাৱে সিদ্ধান্ত গ্ৰহণত সম্পূৰ্ণ বাধা আৰোপ কৰি আহিছে। সকলো বিষয়ে কেন্দ্ৰীয় বিদ্যুৎ কৰ্তৃপক্ষ আৰু পৰিকল্পনা আয়োগৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ উৎপাদন কৰিলে প্ৰতি ইউনিটত খৰচৰ পৰিমাণ অতি সামান্য হয় আৰু ইয়াৰ দ্বাৰা বানপানী সমস্যাৰ সমাধানৰ দিশতো এক পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়। অসম বিদ্যুৎ শক্তিৰ উৎসলৈ লক্ষ্য ৰাখি এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা উচিত হ'ব। জাতীয় অৰ্থনীতি আৰু জাতীয় পুঁজি গঠনৰ ক্ষেত্ৰত অসমৰ ইতিমধ্যেই শাসনলৈ অহা চৰকাৰসমূহৰ কোনো ধাৰণা নথকাৰ বাবে আজি লাভবান জলবিদ্যুৎ উৎসসমূহক আনৰ হাতত তুলি দিব লৈছে।

ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰণালয়ৰ অধীনত ১৯৭৬ চনৰ ২এপ্ৰিলত স্থাপন কৰা নৰ্থ ইষ্টাৰ্ণ ইলেকট্ৰিক পাৱাৰ কৰ্পৰেচন লিমিটেড (নীপক') উত্তৰ-পূবত বিদ্যুৎ প্ৰকল্পসমূহ স্থাপনৰ পৰিকল্পনা আৰু উন্নীতকৰণ কৰা, অনুসন্ধান, জৰীপ, ডিজাইনৰ কামত লিপ্ত হৈ পৰিছে। বহুকেইটা জলবিদ্যুৎ আৰু গেচভিত্তিক বিদ্যুৎ প্ৰকল্পৰ উৎপাদন আৰম্ভ কৰিছে। উত্তৰ-পূবে আজি ৬০শতাংশ বিদ্যুৎ নীপক'ৰ ওপৰত ভিত্তি কৰিবলগা হৈছে। বাকী বিদ্যুৎ শক্তি ৰাষ্ট্ৰীয় প্ৰবাহ লাইনেৰে উত্তৰ-পূবৰ এটা ৰাষ্ট্ৰৰ হাতলৈ যায়।

১৯৫৮ চনতে গঠন কৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে মাত্ৰ ৫৭৪.৪ মেগাৱাট ক্ষমতাৰ প্ৰকল্প নিৰ্মাণ কৰাৰ বিপৰীতে নীপক'ই অতি কম সময়তে বহুকেইটা প্ৰকল্প সম্পূৰ্ণ কৰিলে, বহুকেইটা নিৰ্মাণ ব্যাহত আছে আৰু বহুকেইটাৰ পৰিকল্পনা সম্পূৰ্ণ কৰিছে।

নিৰ্মিত প্ৰকল্প

জলবিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
ৰঙানদী জলবিদ্যুৎ প্ৰকল্প ১ম খণ্ড	অৰুণাচল প্ৰদেশ	৪০৫
কপিলী জলবিদ্যুৎ প্ৰকল্প	অসম	১৫০
কপিলী জলবিদ্যুৎ প্ৰকল্প ১ম খণ্ড সম্প্ৰসাৰণ	অসম	১০০
কপিলী জলবিদ্যুৎ প্ৰকল্প ২য় স্তৰ	অসম	২৫
দয়াং জলবিদ্যুৎ প্ৰকল্প	নাগালেণ্ড	৭৫
	মুঠ	৭৫৫

তাপ/গেছ বিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
অসম গেছ ভিত্তিক কম্বাইনড্ চাইকল্ শক্তি কেন্দ্ৰ	অসম	২৯১
আগৰতলা গেছ টাৰবাইন শক্তিকেন্দ্ৰ	ত্ৰিপুৰা	৮৪
	মুঠ	৩৭৫

নিৰ্মাণ পৰ্যায়ত থকা প্ৰকল্পসমূহ

জলবিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
টিপাইমুখ জলবিদ্যুৎ প্ৰকল্প	মণিপুৰ	১৫০০
কামেং জলবিদ্যুৎ প্ৰকল্প	অৰুণাচল প্ৰদেশ	৬০০
টুইভাই জলবিদ্যুৎ প্ৰকল্প	মিজোৰাম	২১০
টুইৰিয়াল জলবিদ্যুৎ প্ৰকল্প	মিজোৰাম	৬০
	মুঠ	২৩৭০

তাপ/গেছবিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
ত্ৰিপুৰা গেছভিত্তিক কম্বাইনড্ চাইকল্ শক্তিকেন্দ্ৰ	ত্ৰিপুৰা	২৮০

ভৱিষ্যতে কাৰ্যকৰী কৰিবলগা প্ৰকল্পসমূহ

জলবিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প	অসম	১৫০
ৰঙানদী জলবিদ্যুৎ ২য় স্তৰ	অৰুণাচল প্ৰদেশ	১৩০
ডিক্ৰাং জলবিদ্যুৎ প্ৰকল্প	অৰুণাচল প্ৰদেশ	১১০
পাদুমপাম্ জলবিদ্যুৎ প্ৰকল্প	অৰুণাচল প্ৰদেশ	৬০
হিৰিত জলবিদ্যুৎ প্ৰকল্প	অৰুণাচল প্ৰদেশ	৫০
কামেং অৱবাহিকাৰ প্ৰকল্পসমূহ	অৰুণাচল প্ৰদেশ	৩৯৪৫
লোহিত অৱবাহিকাৰ প্ৰকল্পসমূহ	অৰুণাচল প্ৰদেশ	৭২৬৫
	মুঠ	১১,৭১০

৫০,০০০ মেগাৱাট জলবিদ্যুৎ শক্তি উৎপাদনৰ প্ৰচেষ্টা

জলবিদ্যুৎ	ৰাজ্য	ক্ষমতা (মেগাৱাট)
১৮টা প্ৰকল্পৰ প্ৰাক্ কাৰ্যকাৰীতাৰ বিৱৰণ প্ৰস্তুতিকৰণ	অৰুণাচল প্ৰদেশ আৰু নগালেণ্ড	৪৬২০

ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰণালয়ৰ অধীনত থকা অন্যান্য প্ৰতিস্থানসমূহৰ তুলনাত নীপক'ই উৎপাদন আৰু লাভাংশৰ ক্ষেত্ৰত অতুলনীয় বৃদ্ধিৰ অভিলেখ স্থাপন কৰিবলৈ সমৰ্থ হৈছে, ২০০২-০৩ বৰ্ষৰ ৪০৮ কোটি টকা লোকচানৰ বিপৰীতে ২০০৩-০৪ বৰ্ষত নীপক'ই ২০৮ কোটি লাভ কৰিছে, উৎপাদনৰ ক্ষেত্ৰত ৫৯ শতাংশ, বিক্ৰীৰ ক্ষেত্ৰত ৬৩ শতাংশ আৰু ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত ১০১ শতাংশ বৃদ্ধি হৈছে। নীপক'ই ২০০৩-০৪ চনৰ ৫০কোটি টকা লাভাংশ আদায়ৰ ঘোষণা কৰিছে।

ইয়াৰ বিপৰীতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিদ্যুৎ উৎপাদনৰ ক্ষমতা মাত্ৰ ৫৭৪.৪ মেগাৱাট। উৎপাদন ক্ষমতাৰ প্ৰকল্প থকাৰ পাছতো অসমত বৰ্তমান নামৰূপ আৰু লাকুৱা তাপবিদ্যুৎ কেন্দ্ৰৰ পৰা এটা মাত্ৰ ৭০ মেগাৱাট বিদ্যুৎ লাভ কৰি থকা হৈছে। বাকী প্ৰকল্প বন্ধ। ৰাণীগঞ্জ কয়লাৰ ওপৰত নিৰ্ভৰ কৰি বঙাইগাঁৱত আৰম্ভ কৰা ২৪০ মেগাৱাট শক্তিসম্পন্ন বি টি পি এছ কয়লাৰ অভাৱত যোৱা দহ বছৰে বন্ধ, ১,২০০ কোটি টকাৰ প্ৰকল্প এটাৰ ওপৰত চৰকাৰে কোনো ব্যবস্থা গ্ৰহণ নকৰিলে। নামৰূপ-লাকুৱাৰ বাবে প্ৰাপ্য গেছৰ যোগান দিবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰক বাধ্য কৰাব পৰা নাই। অ'এন জি চিযে অসম চৰকাৰক কোনো গুৰুত্ব নিদিয়ে। চন্দ্ৰপুৰৰ ৬০ মেগাবাট তাপবিদ্যুৎ প্ৰকল্প তেলৰ অভাৱত বন্ধ। ৰাজধানীৰ কাষতে থকা এই প্ৰকল্পটোও উৎপাদনক্ষম কৰিব পৰা নাই ৰাজ্য চৰকাৰে। কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহৰ ওপৰত নিৰ্ভৰশীল হৈ অসমক পোহৰাবলৈ আশা কৰা চৰকাৰৰ সম্পূৰ্ণ ভুল নীতি। পৰিণাম আজিৰ অন্ধকাৰ অসম। বিদ্যুতৰ দিশটোক চৰকাৰে মন্ত্ৰাধিকাৰ ভিত্তিত অধিক গুৰুত্ব দিবই লাগিব। ৰাজ্যৰ একমাত্ৰ বিদ্যুৎ উৎপাদন অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সেৱা সন্তোষজনক নহয়। উৎপাদনৰ এটা বিতৰণলৈকে সমগ্ৰ বিষয়টো অসুস্থ পৰিকল্পনাৰ আৰু দুনীৰ্তিৰ লগতে কাৰিকৰী অৱস্থা, প্ৰশাসনিক ব্যৱস্থা আদি কোনোটো ব্যৱস্থাই সন্তোষজনক নহয়। এনে অৱস্থাৰ সম্পূৰ্ণ পৰিৱৰ্তন কৰিব লাগিব।

বিদ্যুৎ আইন ২০০৩ ঃ

অসম চৰকাৰে ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সংস্কাৰৰ নামত ইতিমধ্যে পাঁচটা কোম্পানী গঠন কৰিছে। পৰিষদৰ পূৰ্বৰ সাতজনীয়া পৰিচালনা সমিতিৰ পৰিৱৰ্তে পঁইত্ৰিছজনীয়া পৰিচালনা সমিতিয়ে বিদ্যুৎ পৰিষদৰ পাঁচটা খণ্ডক পৰিচালনা কৰিব। বিদ্যুৎ পৰিষদৰ সংস্কাৰৰ নামত অত্যধিক গুৰুত্ব দিয়াটো ৰহস্যজনক। 'বিদ্যুৎ আইন ২০০৩' সম্পূৰ্ণ কাৰ্যকৰী কৰাৰ লগে লগে শক্তিখণ্ডত অসমে এক ভয়াৱহ ভৱিষ্যতৰ পিনে গতি কৰিব। সকলো দিশ জনাৰ পাছতো গুৰুত্ব দিয়াৰ দুটা কাৰণ থাকিব পাৰে— এটা হ'ল, বহুজাতিক গোষ্ঠীৰ লগত ব্যক্তিগত স্বাৰ্থত বিশেষ বুজা-বুজি; আৰু দ্বিতীয়টো হ'ল, এছিয়ান ডেভেলপমেণ্ট বেংকৰ পৰা পাব লগা ঋণৰ টকা। বিদ্যুৎ পৰিষদৰ সংস্কাৰ মানে

ব্যক্তিগতকৰণৰ অনুপ্ৰৱেশ। পাঁচটা কোম্পানী গঠন কৰাৰ উদ্দেশ্যই হ'ল কোনো বহুজাতিক গোষ্ঠী বা ব্যক্তিগত কোম্পানীৰ হাতত পৰ্যায়ক্ৰমে বিদ্যুৎ পৰিষদক তুলি দিয়া। এনে এটা উদ্দেশ্য আগত ৰাখিয়েই আৰু চৰ্ত আৰোপ কৰি এছিয়ান ডেভেলপমেণ্ট বেংকে ঋণ দিবলৈ আহিছে। ৰাজ্য চৰকাৰেও এ ডি বি-ৰ শ্ৰুতলিপি মতে প্ৰতিটো পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এ ডি বি-ৰ চৰ্তমতেই বিদ্যুৎ পৰিষদত মানৱ সম্পদৰ ব্যৱহাৰক সংকুচিত কৰি অনা হৈছে। পূৰ্বৰ ২৬হাজাৰৰ পৰা ১৩হাজাৰ কৰা হ'ল। এ ডি বি-ৰ চৰ্ত— বিদ্যুতৰ নিৰিখ এনে এটা পৰ্যায়ত হ'ব লাগে যাতে ব্যক্তিগত খণ্ডই ল'লে ১৬শতাংশকৈ লাভ কৰিব পাৰে। অসম চৰকাৰেও বিদ্যুৎ পৰিষদৰ নিৰিখ পৰ্যায়ক্ৰমে বৃদ্ধি কৰি আহিছে। যোৱা বছৰত মাচুল দুবাৰ বৃদ্ধি কৰা হ'ল। অসম চৰকাৰে যি ধৰণৰ যুক্তিয়েই নিদিয়ক কিয়, এইটো এতিয়া স্পষ্ট হৈ পৰিল যে বহুজাতিক গোষ্ঠীৰ পথত থিয় হৈছে অসম চৰকাৰ। ২০০৪-০৫-ৰ বাজেট ভাষণত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে কৈছিল— অৰ্থনৈতিক পুনৰ গাঁথনি আৰু নিৰাপত্তা আঁচনি দুয়োখনে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু ইয়াৰ উত্তৰোত্তৰ কোম্পানীবোৰক এক ঋণবিহীন আৰম্ভণি কৰিব পৰাকৈ সমৰ্থ কৰি তুলিব। এই নিৰাপত্তা ব্যৱস্থাৰ বাবে ৰাজ্য চৰকাৰৰ মুঠ দেনাৰ পৰিমাণ ১৮১৮ কোটি টকা হ'ব। ৰাজকোষত অধিক ঋণৰ হেঁচা দি হ'লেও বিদ্যুৎ খণ্ডৰ সংস্কাৰ কৰি অসমৰ সামূহিক ক্ষেত্ৰত কি উন্নতি হ'ব? বাজেট ভাষণত ব্যক্ত কৰা মতে এ ডি বি ঋণৰ ৪০৯ ৫০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে মোকলাই দিছে। ইয়াৰে ১৪১-৫৪ কোটি টকা বিদ্যুৎ পৰিষদৰ চুক্তি বিফলতাৰ মীমাংসাৰ বাবে আৰু ৯৫ কোটি টকা পূৰ্বৰ নিৰাপত্তাজনিত বকেয়াৰ বাবদ খৰচ কৰা হৈছে। এ ডি বি-ৰ ঋণৰ টকা কিন্তু বিদ্যুৎ উৎপাদনৰ বাবে খৰচ কৰা হোৱা নাই। ৰাজ্য চৰকাৰে ঋণ লৈ বিদ্যুৎ পৰিষদক ঋণমুক্ত কৰি ব্যক্তিগত শ্ৰেণীৰ হাতত তুলি দিয়াৰ ষড়যন্ত্ৰ কৰাটো মুখ্যমন্ত্ৰীৰ বক্তব্যত স্পষ্ট হৈ পৰিছে। ২০০৫-০৬-ৰ বাজেট ভাষণটো মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰিছে যে বিজুলী খণ্ডৰ সংস্কাৰ আৰু উন্নতিৰ ওপৰত তেওঁ সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ২০০৪-০৫-ৰ বাজেট ভাষণত বিদ্যুৎ পৰিষদৰ কোম্পানীকেইটাক ঋণবিহীন আৰম্ভণি কৰাত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল, এইবাৰৰো বাজেট ভাষণত ধাৰৰ বোজা যাতে নতুন কোম্পানীকেইটাৰ ডিঙিত হাৰ-মাল নহয় তাৰ বাবে বিদ্যুৎ পৰিষদৰ সমস্ত ধাৰৰ বোজা অসম চৰকাৰে নিজে গা পাতি লৈছে। ৪৬২.৩৯ কোটি টকা বিদ্যুৎ পৰিষদৰ হৈ চৰকাৰে বিভিন্ন প্ৰতিষ্ঠানক পৰিশোধ কৰিছে। শক্তিখণ্ডত সংস্কাৰ নিশ্চয় লাগে। কিন্তু এই সংস্কাৰ হ'ব লাগিব ৰাজ্য আৰু ৰাজ্যৰ নাগৰিকৰ স্বাৰ্থত। ব্যক্তিগতকৰণত অধিক গুৰুত্ব দিলে কি হ'ব পাৰে সেয়া অসম চৰকাৰৰ নিজস্ব অভিজ্ঞতা আছে। ১৯৯১ চনৰ পৰা নতুন অৰ্থনৈতিক চিন্তা-চৰ্চা আৰম্ভ হোৱাৰ লগে লগে ১৯৯৩-ত কাৰ্বি লাংপি

জলবিদ্যুৎ প্ৰকল্প সুভাষ ট্ৰেডিং নামৰ ব্যক্তিগত কোম্পানীক, আমগুৰিৰ ৩৬০ মেগাৱাট গেছভিত্তিক প্ৰকল্প আছাম পাৱাৰ পাৰ্টনাৰ্ছ নামৰ আমেৰিকান কোম্পানীক, ৯০ মেগাৱাট নামৰূপ সম্প্ৰসাৰণ গোটক উইলিয়াম্ছন মেগৰ কোম্পানীক দিয়া হৈছিল। কোটিৰ ঘৰত ৰাজহুৱা ধন আৰু সময় ব্যয় কৰা হ'ল— ফলাফল শূন্যৰ ঘৰত থাকিল। ইমানৰ পাছতো ৰাজ্য চৰকাৰে বিদ্যুৎ পৰিষদক ব্যক্তিগত কোম্পানী কৰাৰ প্ৰচেষ্টা নিশ্চয ষড়যন্ত্ৰমূলক। বিদ্যুৎ সেৱাক সম্পূৰ্ণ বাণিজ্যলৈ ৰূপান্তৰিত কৰি চৰকাৰে অত্যধিক মুনাফা আৰু লুণ্ঠনত অগ্ৰাধিকাৰ দিবলৈ ওলাইছে। ফলত অসমৰ গ্ৰামাঞ্চল পোহৰৰ পৰা বঞ্চিত হ'ব, শিল্পায়নক ক্ষতি কৰিব। লুণ্ঠন আৰু লাভৰ অংক কমি গ'লে ব্যক্তিগত কোম্পানীয়ে অসম এৰি আঁতৰি যাব। বিদ্যুৎ খণ্ডত এনে উদাহৰণ বহুত আছে। কেৱল প্ৰশাসনিক সংস্কাৰেৰেঁ অসমৰ শক্তিখণ্ডৰ সমস্যাক সমাধান কৰা সম্ভৱ নহ'ব। নিম্নতম মূল্যত অসমৰ নাগৰিকে বিদ্যুৎ পাব পৰাকৈ বিদ্যুৎ উৎপাদনত গুৰুত্ব দিয়া সংস্কাৰ নিশ্চয় সমৰ্থনযোগ্য হ'ব।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ আজিৰ অৱস্থালৈ অহা বিভিন্ন কাৰণ আছে। কোনোটো কাৰণকেই আমি উলাই কৰা উচিত নহয়। আৰু দুৰ্বল হৈ পৰা বাবেই আমি ৰাজ্যিক বিদ্যুৎ পৰিষদক নাকচ কৰি দিয়া সম্ভৱ নহয়। অসমত বিদ্যুৎ যোগানক আজিৰ স্থিতিলৈ অনাত বিদ্যুৎ পৰিষদৰ সহযোগ আছে আৰু বিদ্যুৎ পৰিষদক আজিৰ দুৰ্বল অৱস্থালৈ ঠেলি দিয়া বাবে অসম চৰকাসমূহো নিশ্চয় দায়ী। এনে স্তৰত বিদ্যুৎ পৰিষদক দেউলিয়া অৱস্থাৰ পৰা পুনৰ উদ্ধাৰৰ বাবে অসম চৰকাৰৰ দায়িত্ব আছে। সেই দায়িত্ব চৰকাৰে পালন কৰিব লাগিব। আমাৰ প্ৰস্তাৱ হ'ল জলসম্পদৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ উৎপাদন কৰিলে প্ৰতি ইউনিটত খৰচৰ পৰিমাণ অতি সামান্য হয। ৰাজ্যিক বিদ্যুৎ পৰিষদক উদ্ধাৰ কৰা স্বাৰ্থত জলবিদ্যুৎ প্ৰকল্পসমূহত বিদ্যুৎ পৰিষদক অংশীদাৰ কৰা উচিত হ'ব। ৰাজ্যখনতো জলবিদ্যুৎ যোগানৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন হ'ব। ঔদ্যোগিক অনগ্ৰসৰ ৰাজ্য অসমত শিল্পায়নৰ বিকাশৰ বাবে কম মূল্যত বিদ্যুৎ যোগানৰ প্ৰযোজন। সেইবাবেই কম মূল্যত উৎপাদন হোৱা জলবিদ্যুতক অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰা প্ৰয়োজন হ'ব। লক্ষ্য কৰিব লগা যে বিদ্যুৎ পৰিষদে নেপক'ৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ পৰা প্ৰতি ইউনিটত মাত্ৰ ০·৬৯ টকাত বিদ্যুৎ ক্ৰয় কৰে। অসম চৰকাৰৰ কৰ্তৃত্বত যদি জলবিদ্যুৎ প্ৰকল্প কেইটামান আৰম্ভ কৰিব পৰা হয়, নিশ্চয ৰাজ্যৰ ৰাজহৰ লগতে শিল্পায়নৰ ক্ষেত্ৰখনলৈ সহযোগ আগবঢ়াব পৰা যাব। পৰিতাপৰ বিষয় যে ইতিমধ্যেই অসমৰ কেইবাটাও জলবিদ্যুৎ প্ৰকল্পৰ ৰাজাৰ দুৰ্ব্বল নেতৃত্বই উত্তৰ-পূব বিদ্যুৎ শক্তি নিগমৰ হাতত তুলি দিছে। ১৯৯৬-ৰ ১৫০ মেগাৱাটৰ নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পটো নীপক'ক গিবলৈ কেইটামান চৰ্তৰ ভিত্তিত অসম চৰকাৰে অনুমোদন জনাইছে। অসম

চৰকাৰৰ চৰ্তসমূহ হ'ল— কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্পক কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় সমুদায় পুঁজি নীপক'ক দিব। নীপক'ৰে প্ৰকল্প ৰিপৰ্ট তৈয়াৰ কৰাত হোৱা খৰচ ৰাজ্যিক বিদ্যুৎ পৰিষদক ঘূৰাই দিব লাগিব। বিদ্যুৎ পৰিষদৰ বিশেষকৈ চিভিল শাখাৰ বিষয়া-কৰ্মচাৰীক প্ৰয়োজনসাপেক্ষে কামত ব্যৱহাৰ কৰিব। নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদিত বিদ্যুতৰ ১২শতাংশ বিনামূলীয়াকৈ বিদ্যুৎ পৰিষদক দিয়া হ'ব। ভৱিষ্যৎ অসমৰ বিষয়ে ধাৰণা নথকা অসমৰ ৰাজনৈতিক নেতৃবৰ্গই এনেদৰেই কপিলী জলবিদ্যুৎ প্ৰকল্পৰ ২৭৫ মেগাৱাট, অসম গেছভিত্তিক কম্বাইনড চাইকল শক্তি কেন্দ্ৰৰ ২৯১ মেগাৱাট নীপক'ৰ হাতত তুলি দিয়ে। ১৫০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প নীপক'ৰ ভৱিষ্যতে কাৰ্যকৰী কৰিবলগা প্ৰকল্পসমূহৰ ভিতৰত পৰিছে। লক্ষ্যণীয় বিষয়টো হ'ল উত্তৰ-পূবৰ বিশাল বিদ্যুৎ শক্তিৰ উৎসৰ বিষয়ে আজি স্পষ্ট হৈ পৰাত ৰাষ্ট্ৰই উত্তৰ-পূবৰ অৰ্থনীতিৰ চালিকা শক্তি বিদ্যুৎ শোষণৰ স্বাৰ্থত নতুন নতুন কৌশল আৰম্ভ কৰিছে। বৰাক উপত্যকাৰ টিপাইমুখ প্ৰকল্পৰ ১৫০০ মেগাৱাট, তুইভাৰ ১০০ মেগাৱাট, ঢলেশ্বৰীৰ ৮০ মেগাৱাট, লনইকৰ ১০০ মেগাৱাট, কাঞ্চনীৰ ৬০০ মেগাৱাট আৰু লেছকাৰ ৭৫ মেগাৱাট লৈ মুঠ ২৪৫৫ মেগাৱাট বিদ্যুৎ শক্তিৰ উৎস আছে। ব্ৰহ্মপুত্ৰ উপত্যকাত দিছাঙৰ ২২,৫০০ মেগাৱাট, সোৱণশিৰিৰ ৪৮০০ মেগাৱাট, ৰঙানদীৰ ৫০৫ মেগাৱাট, দিক্ৰুঙৰ ১০০ মেগাৱাট, জীয়াভৰলুৰ ২০০ মেগাৱাট, কামেঙৰ ৬০০ মেগাৱাট, মানসৰ ৫০০০ মেগাৱাট, লোহিতৰ ৩০০০ মেগাৱাট, লংপিৰ ২২০ মেগাৱাট, কপিলীৰ ৪৮৫ মেগাৱাট, কিলিঙৰ ১২০ মেগাৱাট, ডানউইৰ ১০০০ মেগাৱাট, নদিহিঙৰ ১০০ মেগাৱাট, দৈয়াঙৰ ৭৫ মেগাৱাট আৰু উনিয়াম উমত্ৰুৰ ১৮৫ মেগাৱাটক লৈ প্ৰায় ৪০৬৯০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ শক্তি আছে। উল্লেখযোগ্য যে এই সমূহ শক্তিৰ উৎপাদনৰ উৎস হ'ল সম্পদ। অতি কম খৰচত উদ্‌ঘাটন কৰিব পৰা আৰু কম মূল্যত বিতৰণ কৰিব পৰা এই বিশাল বিদ্যুৎ সম্পদক আজি ৰাষ্ট্ৰই সম্পূৰ্ণ নিজৰ কৰ্তৃত্বলৈ নিবৰ বাবে নতুন কৌশল আৰম্ভ কৰিছে, ৰাষ্ট্ৰৰ সম্পূৰ্ণ কৰ্তৃত্বৰ 'নেচনেল পাৱাৰ গ্ৰীড'ৰ হাতত আজি অসমৰ সম্ভাব্য বিদ্যুৎ শক্তি কুক্ষিগত কৰা হৈছে। আমাৰ প্ৰস্তাৱ হ'ল উত্তৰ-পূবৰ সম্ভাব্য জলবিদ্যুৎ প্ৰকল্পসমূহৰ পৰা কেইটামান প্ৰকল্পৰ সম্পূৰ্ণ কৰ্তৃত্ব ৰাজ্য চৰকাৰৰ হাতলৈ আনিব লাগে, জলবিদ্যুৎ প্ৰকল্পৰ ওপৰত এক্তিয়াৰ নাথাকিলে বিদ্যুৎ পৰিষদেও লাভৰ ঘৰ নেদেখে আৰু কম মূল্যত বিদ্যুৎ যোগান ধৰিব নোৱাৰাৰ বাবে অসমত শিল্পায়নটোৰ বিকাশ সম্ভৱ নহ'ব। অতি কম খৰচত আমি ব্ৰহ্মপুত্ৰৰ ওপৰত কিছুমান উপঙা বিদ্যুৎ প্ৰকল্প কৰিব পাৰো। এনে বিদ্যুৎ প্ৰকল্পৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ কাষৰ সৰু সৰু চহৰ আৰু গাওঁসমূহলৈ কমেও ৫ মেগাৱাটলৈ বিদ্যুৎ যোগান ধৰিব পৰা যাব পাৰে। ব্ৰহ্মপুত্ৰৰ কাষৰ কৃষকসকলৰ বাবেও সহায়ক হ'ব।

২০০৪-ৰ ৩১ ডিচেম্বৰৰ তথ্যমতে ভাৰতত ১,১৪,৭৩৯ মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাৰ প্ৰকল্প আছে। ইয়াৰে ৩০,০৮০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্পৰ লক্ষ্যণীয় বিষয় হ'ল কেন্দ্ৰীয় বৈদ্যুতিক প্ৰাধিকৰণৰ মতে উত্তৰ-পূবত ৫৮,৯৭১ মেগাৱাট জলবিদ্যুৎ উৎপাদনৰ উৎস আছে, ইতিমধ্যেই ২৭,৭৫৩ মেগাৱাটৰ ৪১খন আঁচনিৰ অনুসন্ধান সম্পূৰ্ণ হৈছে। চি ই এ-ৰ তথ্য মতে—

ৰাজ্য	চিনাক্ত হোৱা উৎস (মেগাৱাট)	উৎসসমূহৰ উত্তৰণ	প্ৰকল্পৰ কাম আৰম্ভ
মেঘালয়	২,৩৯৪	১৮৫	৮৪
ত্ৰিপুৰা	১৫	১৫	০
মণিপুৰ	১৭৮৪	১০৫	০
অসম	৬৮০	২৭৫	১০০
নগালেণ্ড	১৫৭৪	৯৯	০
অৰুণাচল	৫০,৩২৮	৪১৬	২০০০
মিজোৰাম	২১৯৬	০	০
মুঠ—	৫৮,৯৭১	১০৯৫	২২৪৪

বিদ্যুৎ শক্তি আৰু অসমৰ অৰ্থনীতিৰ প্ৰসঙ্গত ভবানীপ্ৰসাদ অধিকাৰী আৰু দীপক কাকতিৰ উত্থাপিত তথ্যসমূহ বিশেষভাৱে গুৰুত্ব দিবলগা বিষয়। বিশ্বৰ প্ৰায়বোৰ কেন্দ্ৰীয় চৰকাৰসমূহে বিদ্যুৎ শক্তিৰ উৎপাদন নিয়ন্ত্ৰণ কৰে। যুক্তৰাষ্ট্ৰত পিছে ৩৫০০-ক তকৈও অধিক শক্তি উৎপাদন উদ্যোগ ব্যক্তিগত, সমবায় খণ্ড আৰু ফেডাৰেল, নন ফেডাৰেল পদ্ধতিত পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। শতকৰা ৮০ভাগ গ্ৰাহকক এই ক্ষেত্ৰই সামৰে আৰু গ্ৰাহকৰ চাহিদা পূৰণৰ লগতে সন্তুষ্টিও দি আহিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত এহেজাৰমান সমবায় ভিত্তিৰ স্থাপিত বিদ্যুৎ উৎপাদনৰ এটা উদ্যোগ আছে। এইবোৰে গ্ৰামাঞ্চলত শতকৰা ৯০ ভাগ গ্ৰাহকক বিদ্যুৎ যোগান ধৰে। বাকী অংশক 'জি এণ্ড টি' বুলি কোৱা হয়। সেই ১০ শতাংশই বিদ্যুৎ উৎপাদন কৰে বিতৰণৰ দায়িত্ব নলয়। ফাৰ্ম, ব্যক্তিগত ঘৰ আৰু উদ্যোগৰ বিতৰণৰ দায়িত্ব দিয়ে সমবায় সংস্থা কেতবোৰক। অষ্ট্ৰেলিয়া, কানাডা, ফ্ৰান্স, ব্ৰিটেইন, মেক্সিকো আৰু ছোভিয়েট ৰাছিয়াৰ চৰকাৰেই গৰাকী। পশ্চিম জাৰ্মানী, ইটালি আৰু জাপান আদিত অৱশ্যে কেতবোৰ ব্যক্তিগত মালিকানাধীন বিদ্যুৎ উৎপাদন গোট আছে। আমেৰিকা যুক্তৰাষ্ট্ৰত জলবিদ্যুৎ প্ৰকল্পৰ এটাই প্ৰায় এশ নিযুত কিলোৱাট বিদ্যুৎ উৎপন্ন কৰে। ২০০০ চনলৈ উৎপাদন হৈছে ২,২৬৩ নিযুত কিলোৱাট, ফ্ৰান্সত টাইডেল শক্তি প্ৰকল্প স্থাপন কৰি পৰীক্ষামূলকভাৱে বিদ্যুৎ উৎপাদন কৰি সফল

হৈছে। ইন্ধন শক্তি প্ৰকল্পও স্থানীয় চাহিদাৰ বাবে নিৰ্মাণ কৰি সফল হৈছে। ক্ষুদ্ৰৰ বিপৰীতে আমেৰিকা, ৰুছিয়া আদি ৰাষ্ট্ৰই বৃহৎ পাৰমাণবিক শক্তি প্ৰকল্প স্থাপন কৰিছে আৰু গুৰু উদ্যোগৰ বাবে শক্তি ব্যৱহাৰ কৰি বিশ্বৰ বৃহৎ শক্তিত পৰিণত হৈছে। এনে দেশবিলাকৰ কাৰ্যকৰী ব্যৱস্থাসমূহলৈ লক্ষ্য কৰি অসমেও ভৱিষ্যৎ ধাৰণাৰ পৰিৱৰ্তন কৰিব লাগিব। ৰাজ্যৰ সম্পূৰ্ণ এক্তিয়াৰ থকাকৈ অসমত কম মূল্যত সৰ্বাধিক বিদ্যুৎ পাব পৰাকৈ আঁচনি প্ৰস্তুত কৰিব লাগিব, যাতে আমাৰ প্ৰয়োজনীয়খিনি পূৰণ কৰাৰ লগতে অসমে ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতে দক্ষিণ-পূবৰ দেশসমূহলৈও বিদ্যুৎ বিক্ৰী কৰিব পাৰে। অসমৰ জলবিদ্যুতক আন্তৰ্জাতিক ৰাজ্যৰ পন্য সামগ্ৰীলৈ ৰূপান্তৰিত কৰিব লাগিব।

অহা ২০৫০ চনলৈ অসমত সকলো দিশ সাঙুৰি কিমান বিদ্যুতৰ প্ৰয়োজন হ'ব আৰু বিদ্যুৎ উৎপাদনৰ বাবে জলসম্পদ, কয়লা, গেছ, তেল যি নিউক্লিয়াচ শক্তিৰ ওপৰত নিৰ্ভৰ কৰিব, লগতে অসমৰ অৰ্থনৈতিক অৱস্থাৰ বাবে কোনটোৰ বেছি প্ৰয়োজন হ'ব, সেই বিষয়সমূহ স্পষ্ট হ'ব লাগিব। বিদ্যুৎ উৎপাদন আৰু বিতৰণ ভিন ভিন সন্থাৰ দ্বাৰা কৰা হ'ব নে একোটা প্ৰতিষ্ঠানৰ দ্বাৰা কৰা হ'ব, কিমান দূৰ বাণিজ্যিক আৰু কিমানদূৰ সেৱামূলক হ'ব, সেই সকলোবোৰ সাঙুৰি বিদ্যুতৰ ক্ষেত্ৰত ৰাজ্যৰ এক স্পষ্ট নীতি থকাৰ প্ৰয়োজন হ'ব।

❑ ❑ ❑

বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ বাণিজ্যিক গুৰুত্ব

সাম্প্ৰতিক বিশ্বৰ অৰ্থনৈতিক সম্পদসমূহৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ সম্পদ হ'ল জৈৱ সম্পদ। এই জৈৱ সম্পদৰ ক্ষেত্ৰখন বিশাল। জৈৱ সম্পদসমূহৰ ভিতৰত বাণিজ্যিক ক্ষেত্ৰত গুৰুত্ব পোৱা সম্পদৰাজি হ'ল বনৌষধি আৰু সুগন্ধি উদ্ভিদ। ভাৰত চৰকাৰৰ পৰিবেশ আৰু বনমন্ত্ৰালয়ে ঔদ্যোগিক সম্ভাৱনীয়তা থকা ৯,৫০০বিধতকৈয়ো অধিক বনৌষধি আৰু সুগন্ধি উদ্ভিদ চিনাক্ত কৰি উলিয়াইছে। ভাৰতত প্ৰসাধনী সামগ্ৰীৰ ৪,০০০কোটি টকীয়া এক্ৰখন বজাৰ আছে। এই প্ৰসাধনী সামগ্ৰীৰ ৩৪শতাংশ ভেষজ প্ৰসাধনীৰ নিয়ন্ত্ৰণত। ২০০৮চনলৈ ৫২শতাংশ দখল কৰিব বনৌষধিয়ে। ৩,৪৫০কোটিলৈ বৃদ্ধি পাব সুগন্ধি উদ্ভিদৰ বজাৰ। ইউৰোপত ৪,০০০নিযুত ডলাৰৰ এখন বনৌষধিৰ বজাৰ আছে। বৰ্তমান ভাৰতৰ বনৌষধি উদ্যোগৰ বাৰ্ষিক ব্যৱসায়ৰ পৰিমাণ ২,৫০০কোটি টকাৰো অধিক। ৩০০কোটি টকাৰ বনৌষধি ৰপ্তানি কৰা হয়। বৈদ্যনাথ, ডাবৰ, ঝণ্ডু, হিমালয়ান ড্ৰাগছ আদি ভাৰতীয় কোম্পানীসমূহে বনৌষধিৰ বিভিন্ন দৰৱ প্ৰস্তুত কৰি এখন বজাৰৰ সৃষ্টি কৰিছে। ভাৰতে আজি পাকিস্তান, ইৰাণ, আফগানিস্তান, চীন, ইণ্ডোনেছিয়া আৰু বাংলাদেশৰ পৰা ৭,১৮০টন বনৌষধি আমদানি কৰে। সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় বজাৰত বছৰি ৬০০০ কোটি আমেৰিকান ডলাৰৰ মূল্যৰ ঔষধি উদ্ভিদ বেচা-কিনা হয়। বিশ্বৰ বজাৰৰ ৪০শতাংশ ঔষধি উদ্ভিদ ভাৰত আৰু চীনত উৎপন্ন হয়। বিশ্ব বাণিজ্য সংস্থাৰ এক সমীক্ষা অনুযায়ী উন্নয়নশীল দেশসমূহৰ ৮০শতাংশ বাসিন্দায়েই বনৌষধি ব্যৱহাৰ কৰে। জনমূৰি বাৰ্ষিক দৰৱৰ ব্যৱস্থা ১২৫টকা। ভাৰতৰ বাৰ্ষিক প্ৰায় ৫৫,৭৮০টন বনৌষধি আৱশ্যক হয়। ভাৰতৰ সুগন্ধি আৰু ঔষধি উদ্ভিদৰ আটাইতকৈ বৃহৎ বজাৰখন দিল্লীৰ 'খাৰিবাউলি'।

ভাৰতত প্ৰায় ৮০০প্ৰজাতি উদ্ভিদৰ পৰা ঔষধ উৎপাদন হয় যদিও ৪০বিধ উদ্ভিদহে আধুনিক বনৌষধি প্ৰস্তুতিত ব্যৱহাৰ হয়। এই ৪০বিধ উদ্ভিদৰ গৰিষ্ঠ সংখ্যাকেই অসমত পোৱা যায়। বচ, শতমূল, নয়নতৰা, বন লাখুটি, ধতুৰা, কাঠ আলু, বান্দৰ কেঁকোৰা, সৰ্পগন্ধা, কোটাহী বেঙেনা, অগ্নিশিখা, আকন, চতিয়না, পুনৌনোৱা আদি বাণিজ্যিক

গুৰুত্ব থকা উদ্ভিদবিলাকক অসমত সহজভাৱেই পোৱা যায়। উত্তৰ-পূৰ্বাঞ্চলত কিমান প্ৰজাতিৰ ঔষধি উদ্ভিদ আছে, সেইটো নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। সাধাৰণতেই ১৫০০প্ৰজাতিৰ উদ্ভিদ আছে বুলি ধাৰণা কৰা যায়। অসমত ৪৭০বিধ, অৰুণাচল প্ৰদেশত ৫৫০, মেঘালয়ত ৪৫০, মণিপুৰত ৩৮০, মিজোৰামত ৩৬০, নগালেণ্ডত ৩৫০, ত্ৰিপুৰাত ৩২০বিধ এনে উদ্ভিদ আছে বুলি সাধাৰণভাৱেই ধাৰণা কৰা হৈছে। ১৮৫৪ চনতে ডি লুথাৰ আৰু টি থমছন নামৰ দুজন ব্ৰিটিছ ব্যক্তিয়ে অকল আজিৰ মেঘালয়তে ২০০০জোপা সপুষ্পক উদ্ভিদৰ প্ৰজাতি সংগ্ৰহ কৰি ইয়াৰ পুলি, গুটি, ডাল আদি গৱেষণাৰ বাবে লণ্ডনৰ উদ্ভিদ উদ্যানলৈ পথিয়াইছিল। ব্ৰিটিছৰ শাসনত ১৯৩৪-৪০চনত 'Flora of Assam' প্ৰকাশ কৰিছিল। এই পুথিসমূহত অসমৰ ২৪৫০বিধ বিভিন্ন প্ৰজাতিৰ গছলতা, বন-পাতৰ গুণা-গুণো উল্লেখ কৰিছিল। আমি আজি দৃঢ়ভাবে ধাৰণা কৰিব পাৰো যে বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ বাণিজ্যিক বজাৰখনত প্ৰতিযোগী হ'ব পৰাকৈ অসমত এনে উদ্ভিদৰ ভঁৰাল আছে।

এটা সময়ত সৰ্পগন্ধা, চাল্‌মুগৰা, ৰুদ্ৰাক্ষ, বন ডালচেনি, ভাতঘিলা আৰু টেক্সাছ উদ্ভিদৰ বাবে মহল দিয়া হৈছিল। চৰকাৰৰ অনুমোদিত এই মহলবিলাকে চলোৱা লুণ্ঠনৰ বাবে অসমৰ বনাঞ্চলত থকা এই উদ্ভিদ ধ্বংস হোৱাৰ উপক্ৰম হয়। ১৯৯৪চনৰ পৰা টেক্সাছৰ আহৰণক নিষিদ্ধ কৰা হয়। ঔষধি উদ্ভিদৰ আহৰণ, ব্যৱসায়, সৰবৰাহত ৰাজ্য চৰকাৰৰ কোনো নিৰ্দ্দিষ্ট নীতি-নিয়ম নথকাৰ বাবে ব্যৱসায়ীসকলে অবাধে অতি কম টকাৰ বিনিময়ত অতি লাভজনক ব্যৱসায় কৰি আছে। উল্লেখ্য যে য়ু নামৰ এবিধ উদ্ভিদ আছে। বৈজ্ঞানিক পৰিভাষাত যাক কোৱা হয় টেক্সাছ। ১৯৮৩চনত আমেৰিকাৰ গৱেষকসকলে অস্বীকাৰ কৰিলে যে য়ু গছৰ বাকলিত টেক্সল বুলি এবিধ ৰাসায়নিক দ্ৰব্য থাকে আৰু ই কেইবাবিধো কেন্সাৰ ৰোগ, বিশেষকৈ বক্ষ, গৰ্ভাশয় আৰু হাওঁ-ফাওঁৰ কেন্সাৰ ৰোগ চিকিৎসাৰ বাবে ফলপ্ৰসূ। ১৯৯৪চনত টেক্সলৰ বজাৰৰ মূল্য আছিল প্ৰতি কিল'গ্ৰামত ১৮০কোটি টকা। অৱশ্যে ২০০১চনত ৯৫কোটি টকালৈ নামিছে। উল্লেখ্য যে টেক্সল গৱেষণা কৰা এজন শীৰ্ষস্থানীয় বিজ্ঞানী ড°এম চি ৱানি হ'ল আমেৰিকান নিবাসী ভাৰতীয়। এজোপা পূৰঠ গছৰ মূল্য ২লাখ টকা। এনে অতি লাভজনক বনৌষধি আৰু সুগন্ধি প্ৰস্তুত কৰা উদ্ভিদ অসম তথা উত্তৰ-পূবত আছে। অসমকে ধৰি উত্তৰ-পূৱৰ ৰাজ্যকেইখনৰ বনাঞ্চলবোৰৰ পৰা যথেষ্ট পৰিমাণৰ বনজ সম্পদ প্ৰায় বাধাহীনভাৱেই আহৰণ কৰি আহিছে, ফলত হ্ৰাস পাইছে বহুতো বনৌষধি উদ্ভিদ। বৰ্ত্তমানৰ চাহিদা পূৰণ কৰি বনৌষধি আৰু সুগন্ধি উদ্ভিদক বাণিজ্যিক শক্তি হিচাপে থিয় হোৱাৰ বাবে অসমত এক সুদৃঢ় আৰু সক্ৰিয় বৈজ্ঞানিক তথা বাণিজ্যিক গৱেষণাৰ অতীব প্ৰয়োজন। অসমত বৰ্ত্তমানলৈ সাঁচি বা অগৰু, চিত্ৰনলা খেতিৰ বাহিৰে

বাণিজ্যিক ভিত্তিত বনৌষধি বা সুগন্ধি তেলৰ উৎপাদনৰ প্ৰতি আগ্ৰহান্বিত হোৱা নাই। মেন্‌ফিয়ে পাচাউলি বুলি এবিধ সুগন্ধি তৈলজাত উদ্ভিদৰ খেতিক জনপ্ৰিয় কৰিবলৈ চেষ্টা কৰি আছে।

নেড্‌ফিৰ এক অধ্যয়নত ১২৯বিধ ঔষধ গুণযুক্ত গছ-বনৰ সন্ধেদ পোৱা গৈছে। প্ৰতি বছৰে ১৬৫ কোটি টকাৰ সামগ্ৰী দেশৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি হৈ আছে। নেড্‌ফিৰ সমীক্ষা মতে অসমত ৬২৫ কোটি টকাৰ পৰা ৮১২কোটি টকা বিনিয়োগৰ সম্ভাৱনীয়তা আছে। অধিকভাৱে জৰীপ কৰিলে নতুন নতুন এনে গুণসম্পন্ন উদ্ভিদ নিশ্চয় চিনাক্ত হ'ব। বনৌষধি আৰু সুগন্ধি তেলৰ বাবে গুণসম্পন্ন এনে উদ্ভিদৰ সংৰক্ষন অতীব প্ৰয়োজন হৈ পৰিছে। অসমৰ কাৰ্বি-আংলঙতে ৫২০বিধ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ সন্ধেদ পোৱা গৈছে। দেশৰ লগতে বিশ্বৰ বাণিজ্যিক বজাৰখনত খোপনি পাতিব পৰাকৈ অসমত এনে উদ্ভিদৰ খেতি কৰিব পৰা যায়। বিশ্বৰ প্ৰতিযোগিতামূলক বজাৰখনত থিয় হ'ব পৰাকৈ অসমত বহুবিধ এই শ্ৰেণীৰ উদ্ভিদ আছে। ইয়াৰ ভিতৰত অসমৰ সূচক উদ্ভিদ বুলি ক'ব পৰা যায় ক্ৰমে—

- বচ (Acors calamus, সুত লগোৱা)
- সাঁচি (Aquilaria agallocha, সুগন্ধি তেল)
- বাহেক (Adhatoda vasita, কফজনিত বেমাৰ)
- গোন্ধতৰা (Alpinia galanga, বাতবিষ)
- মিচিমি তিতা (Coptisteeta, মেলেৰিয়া)
- সৰ্পগন্ধা (Ranvolfia serpontina, উচ্চ ৰক্তচাপ)
- চিৰতা (Swertia chirgita, পেটৰ বেমাৰ-ক্ৰিমিনাশক)
- কাল মেঘ (Andrographis paniculata, পেটৰ বেমাৰ, জ্বৰ)
- মেকুৰী কেন্দু (Taxus baccata, কৰ্কট ৰোগ)
- পচতীয়া (Vilex negundo, ছাইনাছ, বাতবিষ)
- নাহৰ (Mesua Forrea, কেঁচুমুৰী)

ইত্যাদি—

ঔষধি গুণ থকা বহু উদ্ভিদ অসমৰ ঘৰে ঘৰে হয়। ইয়াত খেতি কৰাও অতি সহজ। সম্পূৰ্ণ ব্যৱসায়ীক ভিত্তিক এই উদ্ভিদৰ খেতি কৰিব পৰা যায়। অসমৰ মানুহৰ ঘৰৰ বাৰীতে হোৱা বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ কেইবিধমান হ'ল— ভেদাইলতা, নেফাফু, ব্ৰাহ্মী, কেঁহেৰাজ, মাটিকাদুৰী, মাণিমুণি, জিলমিল, পুনৰ্নৌৱা, লাইজাবৰী, শতমূল, মধুসোলোং, অস্থিসংহাৰ, গাখীৰতী বন, মহুৱা, মালভোগ, খুতৰা, কলমৌ, পুঁৱৈ, পদিনা, দোৰোণ, নৰসিংহ, ধনিয়া, বাবৰি, ওকলতি, বৰতীয়া, হেলচী, দুবৰি, কনজালুক, ভীমৰাজ,

জেতুকা, টেঙেচী, দুৰটেঙা, কালজিয়া, চালবাৰৰী, চিৰতা, জাৰ্মানীৰবন, কেঁতুৰী, নয়নতৰা, ইন্দ্ৰমালতী, তগৰ, গোলাপ, জবা, খৰিকাজাঁই, গুটিমালি, শেৱালি, ধতুৰা, পাৰিজাত, কাঞ্চন, কৰবী, কেতেকী..........

খাদ্য, সুগন্ধি, ঔষধ আদিৰ বিভিন্ন বনজাত কেঁচামালৰ প্ৰতি বৰ্তমান সমগ্ৰ বিশ্বৰে অনুৰাগ বৃদ্ধি পাইছে। দেশৰ বিভিন্ন ঠাইত পদিনাভিত্তিক উদ্যোগ স্থাপনেও কৃষক সমাজক আকৰ্ষিত কৰিছে। অসমৰ বনাঞ্চলত ক্ৰমান্বয়ে লুপ্ত হ'ব খোজা অগ্নিশিখাৰ খেতি কৰিলেই প্ৰতি হেক্টৰত ২০ৰ পৰা ৫৮হাজাৰ টকালৈ লাভ হয়। প্ৰতি ফেক্টৰত আদা খেতি কৰি ৪৭হাজাৰ টকা, তামোলৰ পৰা ৮৫হাজাৰ টকা লাভ কৰিব পৰা যায়। ডাবৰ, বৈদ্যনাথ, ঝণ্ডু, হামদৰ্দ আদি প্ৰতিদিনে এনে বনৌষধি আৰু সুগন্ধি উদ্ভিদ ক্ৰয় কৰি ব্যৱসায় কৰি আছে। বিশ্বৰ বজাৰত ৫,০০০টন চিত্ৰনলা তেল উৎপাদন হয়। উত্তৰ-পূবত ৪০০-৪৫০টন চিত্ৰনলা তেল উৎপাদন হৈছিল যদিও বৰ্তমান উৎপাদন হ্ৰাস পাইছে। চিত্ৰনলাৰ খেতি কৰি প্ৰতি হেক্টৰত ১০,০০০টকা লাভ কৰিব পৰা যায়। প্ৰতি হেক্টৰত নেমুঘাহৰ ২০০-২৫০ কেজি তেল উৎপাদন হয়। ৫০,০০০টকা উপাৰ্জনৰ থল আছে। এক বিঘা মাটিত ১-১-৫ কেজি গান্ধ বিৰিণাৰ তেল পোৱা যায়, সাৰ প্ৰতি কিলোগ্ৰামৰ বজাৰৰ মূল্য ১৫,০০০ টকা। প্ৰতি বিঘা মাটিত ১৫কেজি পাছাউলি তেল উৎপাদন কৰি ১০,০০০টকা উৰ্পাজন কৰিব পৰা যায়। সুগন্ধ মন্ত্ৰী বুলি অসমৰ বজাৰত পৰিচিত গান্ধ কচুৰ প্ৰতি কেজিৰ মূল্য ২০-২৫ টকা। তেলৰ মূল্য ৩,০০০-৪,০০০টকা। গুৱাহাটীৰ বজাৰত বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ কেইবিধমানৰ প্ৰতি কেজিৰ মূল্য হ'ল—

শতমূল — ২০০.০০
বেল — ৪৫.০০
তুলসী — ৫০.০০
মহানিম — ৫৫.০০
আমলখি — ৬০.০০
অৰ্জুন — ২৪.০০
ক'লাজামু — ১০০.০০
আশোক — ৫০.০০
কুটজ — ৭০.০০
নাহৰগুটি — ২৮০.০০
বচ — ৫০.০০
লেটা গুটি — ১০০.০০

পচতীয়া — ৮০.০০

মনিছাল — ৬০.০০

দেবদাৰু ছাল — ৮০.০০

গমাৰি ছাল — ২৬.০০

নাগেশ্বৰ ফুল — ৬৫.০০

বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ বাণিজ্যিক গুৰুত্ব উপলব্ধি কৰিবলৈ হ'লে এনে উদ্ভিদৰ তেলৰ মূল্যৰ অনুধাৱন কৰা উচিত হ'ব, বৰ্তমান বজাৰ মূল্য অনুসৰি প্ৰতি লিটাৰ তেলৰ মূল্য হ'ল—

ৰজনীগন্ধা — ৬০,০০০.০০

গোলাপ — ১,৫০,০০০ ০০

নিমতেল — ১,০০,০০০.০০

ক্লেৰিচেজ — ২১,০০০.০০

ভেটিবাৰ — ১৫,০০০.০০

জভানা — ৮,০০০.০০

মালতীফুল — ২৭,০০০.০০

নেড়ফিৰ এক সমীক্ষা অনুসৰি ৰাজ্যৰ পৰা প্ৰতি বছৰে বাহিৰলৈ ওলাই যোৱা কেইবিধমান বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ পৰিমাণ হ'ল—

উদ্ভিদৰ বিজ্ঞানৰ পৰিভাষা	স্থানীয় নাম	বাণিজ্যিক নাম	পৰিমাণ
এব্ৰাছ প্ৰিকেট'ৰিয়াছ	লাতুমণি, ৰতি	গুঞ্চি	২০ মেট্ৰিকটন
এড্ৰোগ্ৰাফিছ পেনিকুলাটা	কালমেঘ, চিৰতা	চিৰৈতা	৩০ মেট্ৰিকটন
একিৰেনথেছ এছপেৰা	অবটা-অগৰু	অপনয়েৰগা	২৫ মেট্ৰিকটন
এছপেৰাগাছ ৰেচম'ছাছ	শতমূল	শতৱৰী	৪০ মেট্ৰিকটন
এড়হেটোডা জে'লেনিকা	বাহক	বাসক	৫০ মেট্ৰিকটন
একোৰাছ কেলামাছ	বাচ	বাচা	৫০ মেট্ৰিকটন
চেন্টেত্ৰা এছিয়াটিকা	মাণিমুণি	মধুকপণি	৪০ মেট্ৰিকটন
টাৰমিনালিয়া বেত্ৰিৰিকা	ভোমোৰা	বহৰা	৭০ মেট্ৰিকটন
বেকোপা সনিয়েৰি	ব্ৰাহ্মী	ব্ৰাহ্মী	৮০ মেট্ৰিকটন
ওচিমাম বাছিলিকাস	বনতুলসী	বাবুই তুলসী	৬০ মেট্ৰিকটন
এলো ভেৰা	চালকুঁৱৰি	ঘৃতকুমাৰি	৫০ মেট্ৰিকটন
হোমালোনেল এৰোমেটিকা	গন্ধ কচু	গন্ধ কচু	১০০ মেট্ৰিকটন

এমবেলিকা অফিচিনালছ	আমলখি	আমলা	১০০ মেট্ৰিকটন
এক্লিপ্টা এলবা	ভৃঙ্গৰাজ	ভৃঙ্গৰাজ	৪০ মেট্ৰিকটন
মিউকুনা প্ৰুৰিয়োস	বান্দৰ কেঁকোৰা	কাউঞ্চ	৫০ মেট্ৰিকটন
ছোলানান ইণ্ডিকাম	ভেঁকুৰি তিতা	বৃহতি	৪০ মেট্ৰিকটন
ৰাতভোলফিয়া ছাপেণ্টিনা	অৰকচন সৰ্পগন্ধা	সৰ্পগন্ধা	৬০ মেট্ৰিকটন
টাৰ্মিনালিয়া চেবুল্ৰা	শিলিখা	হৰিতকী	৪০ মেট্ৰিকটন
পাযেডেৰিয়া ফোটিডা	ভাদৈলতা	প্ৰসাৰিণী	৫০ মেট্ৰিকটন
অমেলিকা আৰবোৰিয়া	গোমাৰি	গম্ভাৰি	২৫ মেট্ৰিকটন

অসমৰ কাৰ্বি-আংলং, উত্তৰ কাছাৰ, তিনিচুকীয়াত আদা হয়। বনৌষধি আৰু সুগন্ধি তেলৰ বাবে অতি প্ৰয়োজনীয় আদাৰ তেলৰ আন্তৰ্জাতিক বজাৰত এক কিলোগ্ৰামৰ মূল্য প্ৰায় ৩৩,০০০ টকা। অসমত প্ৰায় ৯৯,৮৬৪ টন আদা উৎপাদন হয়। ভাৰতবৰ্ষৰ অদাৰ ৰপ্তানি বজাৰৰ সিংহ ভাগ উত্তৰ-পূবৰ আদা। ১৯৯৭ৰ তথ্য মতেই ৫৭.২৪কোটি টকা মূল্যৰ ২৮,৩৫০ টন আদা বিদেশলৈ ৰপ্তানি হৈছিল। বৰ্তমান ইয়াৰ পৰিমাণ বহু বৃদ্ধি হ'ল। কিছুমান বনৌষধি গছ ক্ৰমে অবলুপ্ত হোৱাৰ পথত। কণীবিহ, অশোক, দন্তী, ঘৃতকুমাৰী, বচ, ব্ৰাহ্মী, চালমোগ্ৰা, ৰুদ্ৰাক্ষ, বাইফুল, টুপুৰীলতা, সৰ্পগন্ধা, ভেলাটক, শ্যামলতা, শতমূল, কুঁজীথেকেৰা, ঈশ্বৰমূল, বিৰিংগুটি, চিৰতাতিতা ইত্যাদি। এনেবোৰ ঔষধি গছৰ ৰক্ষণা-বেক্ষণৰ প্ৰয়োজন হৈছে। কিছুমান ঔষধি গছক লৈ ক্ষুদ্ৰ বাগিচা কৰিব পৰা যায় — তুলসী, সিজু, বাহকতিতা, ঘৃতকুমাৰী, আদা, হালধি, নেমু, মাটিকাতুৰী, মাণিমুণি, ব্ৰাহ্মী, কালমেঘ (চিৰতা), অমিতা, ডালিম, কল, নৰসিংহ, ভেদাইলতা, জালুক, নয়নতৰা, নাৰ্জী, দুৰৱিবন, শেৱালি, পুৰ্ণৰ্নৱা, কেহৰাজ ইত্যাদি। এইবোৰ খাদ্য হিচাপেও ব্যৱহাৰ হয় আৰু ঔষধি উদ্যোগৰ বাবেও ব্যৱহাৰ হয়। আমি নিজৰ ঘৰৰ পৰাই এই উদ্যোগ আৰম্ভ কৰিব পাৰো।

❑ ❑ ❑

<u>বিশ্ববাণিজ্যত অসমে স্থান ল'ব পৰা অন্য এক দিশ</u>

ক্ষুদ্ৰ চাহ উদ্যোগক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিব লাগিব

বৰ্তমান অসমত ক্ষুদ্ৰ চাহ বাগিচাৰ সম্প্ৰসাৰণ এক লক্ষণীয় বিষয়। আজিৰ অসমীয়া যুৱকসকল খেতিত জড়িত হ'বলৈ নোখোজে বুলি থকা বদনামটো ক্ষুদ্ৰ চাহ বাগিচাৰ প্ৰসাৰতাই নাকচ কৰিব পৰা হৈছেগৈ। অৱশ্যে ধান-মাহ-সৰিয়হ উৎপাদনতকৈ চাহপাত উৎপাদনত কিছু বেছি গুৰুত্ব দিয়াটো অন্য এক আলোচনাৰ বিষয়। উৎপাদনৰ লগত বজাৰ ব্যৱস্থা, বজাৰ ব্যৱস্থাৰ লগত বজাৰৰ চাহিদা, বজাৰৰ চাহিদাৰ লগত উৎপাদিত সামগ্ৰীৰ পৰিমাণ নিৰ্ভৰশীল যদিও আমি এনেবিলাক দিশলৈ গুৰুত্ব নিদিওঁ। নিজস্ব খেয়াল আৰু সুবিধাৰ ওপৰত ভিত্তি কৰি বজাৰ ব্যৱস্থাৰ লগত জড়িত হ'বলৈ যাওঁ। অসমত এইটো অতি প্ৰকট। যোৱা কুৰিটা বছৰত অৰ্থনৈতিক ক্ষেত্ৰখনত অসমীয়াই লাহে লাহে জড়িত হ'বলৈ লৈছে যদিও বজাৰৰ ওপৰত অধ্যয়ন নকৰি কেৱল অনুকৰণ কৰিহে গৈছে। দুজনে এটা কাম আৰম্ভ কৰিলে তাক আমি সকলোৱে আৰম্ভ কৰো। চাহিদাৰ প্ৰশ্নটো নাচাওঁ। ফলত আধাবাটতে মুখথেকেচা খাওঁ। এটা সময় আছিল কেৱল টাইপৰ স্কুলহে খোলা হৈছিল। ক্ৰমে ফেব্ৰিকেচ্‌ন ইউনিট, অডিঅ' কেছেটৰ দোকান, ফটোষ্টেটৰ ব্যৱসায়, ভিডিঅ' কেছেটৰ দোকান, চহৰ অঞ্চলত মিঠাইৰ দোকান, ডি.টি.পি. ব্যৱসায়, পি.চি.অ' আৰু আজি কম্পিউটাৰ শিক্ষাৰ প্ৰতিষ্ঠান খোলাত আমাৰ শিক্ষিত নিবনুৱাসকল ব্যস্ত। অঞ্চলটোত চাহিদাৰ প্ৰশ্নটোত আমি আগতীয়াভাৱে জৰীপ নচলাওঁ। ফলত আমাৰ ব্যৱসায় সফলতাৰে স্থায়ী নহয়গৈ। অসমত আজি গুৰুত্বসহকাৰে প্ৰসাৰতা লাভ কৰা চাহপাত উৎপাদন কৰিবলৈ লোৱা ক্ষুদ্ৰ চাহ বাগিচাসমূহৰ ক্ষেত্ৰত অভিজ্ঞতাৰে বিধি-ব্যৱস্থা সম্পূৰ্ণ কৰিব লাগিব।

অসমৰ চৰকাৰসমূহে নিয়োগৰ ক্ষেত্ৰখনতেই হওক বা কৃষিক্ষেত্ৰৰ বিকাশৰ ক্ষেত্ৰখনতেই হওক বৰ বিশালতা প্ৰদৰ্শন কৰি অহাত অসমৰ লাখ লাখ নিবনুৱাই নিজস্বভাৱে সংস্থাপনৰ পথ স্থিৰ কৰি ল'বলৈ আৰম্ভ কৰিছে। দুজনমান উদ্যোগী কৰ্মোদ্যমী উচ্চশিক্ষিত যুৱকৰ প্ৰচেষ্টাত সংগঠিতভাৱে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা গঠন কৰি ১৯৮৭চনৰ পৰা আজি প্ৰায় বিছ বছৰে চাহ খেতিৰ উৎপাদনত জড়িত

হৈ পৰিছে। আত্মনিৰ্ভৰশীল ব্যৱস্থাৰে সংস্থাপনৰ পথ মুকলি কৰিছে। ইতিমধ্যে বহু হাজাৰ ক্ষুদ্ৰ চাহ বাগিচাই হাজাৰ হাজাৰ শিক্ষিত লোকক প্ৰত্যক্ষভাৱে সংস্থাপিত কৰাৰ লগতে লক্ষাধিক লোকৰ শ্ৰমৰ বিনিময় ঘটাইছে। কেৱল কেঁচা চাহপাত উৎপাদন কৰি পৰিয়াল ভৰণ-পোষণ দিব পৰা কৃষিক্ষেত্ৰত অসম চৰকাৰে এক দায়িত্ব হিচাপে সহযোগ কৰিব লাগিছিল। বৃহৎ চাহ উদ্যোগৰ মালিকগোষ্ঠী অসন্তুষ্ট হ'ব বুলিয়েই ক্ষুদ্ৰ চাহ উৎপাদনত চৰকাৰে পৃষ্ঠপোষকতা কৰিব নিবিচাৰে বুলি অভিযোগ উত্থাপিত হয়। পৰিস্থিতিৰ ওপৰত অধ্যয়ন কৰিলে এই অভিযোগৰ সত্যতাও নুই কৰিব নোৱাৰি। ক্ষুদ্ৰ চাহ খেতিৰ বাবে মূলতঃ প্ৰয়োজন মাটিৰ, বৃহৎ চাহ উদ্যোগে অসমৰ কৃষি উপযোগী ২৭,৯০,০৫৫বিঘা মাটিত অধিকাৰ সাব্যস্ত কৰাৰ বাবে চৰকাৰে বিধি-ব্যৱস্থাৰে সহায় কৰিছে। প্ৰায় দহ হাজাৰ হেক্টৰ মাটি চাহ উদ্যোগৰ বণিক গোষ্ঠীয়ে বে-আইনীভাৱে হস্তগত কৰি ৰখাৰ বিৰুদ্ধে চৰকাৰসমূহে থিয় হোৱাৰ সাহস গোটাব নোৱাৰে। ইয়াৰ বিপৰীতে কিন্তু চৰকাৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলক ভূমি-আইনৰ পৰাও অলপো সহায় আগবঢ়াবলৈ ইচ্ছা প্ৰকাশ নকৰে। এনে চৰিত্ৰৰ পৰিবৰ্তন কৰাব লাগিব।

খেতিৰ উপযোগী অসমৰ এক বৃহৎ অঞ্চল আজি চাহ কোম্পানীসমূহৰ দখলত। চৰকাৰী তথ্য মতে জিলাভিত্তিত চাহ কোম্পানীসমূহে বেদখল কৰি ৰখা মাটিৰ পৰিমাণ হ'ল—

জিলাৰ নাম	বাগানৰ সংখ্যা	বিঘা-কঠা-লেচা
ধেমাজী	২	১১২০-২-১৭
ধুবুৰী	৩	২৪-৪-১৩
ডিব্ৰুগড়	১৪৩	৭৯৩-৪-৩
গোলাঘাট	৬০	৩২৫-৩-৭
হাইলাকান্দি	২২	৪১১-০-০
যোৰহাট	৮৯	৭৫৮-০-৮
কামৰূপ	৯	১৮৭২-০-১
কৰিমগঞ্জ	২৮	১১৮-০-০
লখিমপুৰ	১০	৭৫৯-১-৮
মৰিগাঁও	২	৯৮-৪-১
নগাঁও	২৪	৯৬১-০-৪
শিৱসাগৰ	৮৪	৩৩৩৮-১-১
শোণিতপুৰ	৬৩	৪৪৭১-৪-১৫
তিনিচুকীয়া	১০৯	৪৪৫-২-১৬
গোৱালপাৰা	২	০-০-০

কোকৰাঝাৰ	৪	০-০-০
নলবাৰী	৩	০-০-০
বৰপেটা	১	০-০-০
বঙাইগাঁও	২	২২-২-১৭
কাছাৰ	৬৪	৯৬১-০-০
দৰং	২৭	২১১৫-১-১৬
সৰ্ব্বমুঠ	৭৫১	১৮৫৯৭-৪-৭

১৯৮৯ৰ ভূমি নীতিৰ পঞ্চম অনুচ্ছেদত চাহ, কফি, ৰবৰ আদি বিশেষ কৃষিখণ্ডৰ বাবে চৰকাৰী মাটি দিয়াৰ কথা নীতি হিচাপে গ্ৰহণ কৰিলেও তাক আজিও প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰিবলৈ বিচৰা নাই, ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ প্ৰতি অসম চৰকাৰৰ উদাসীনতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ বিচাৰিছে এচাম উত্তৰ ভাৰতীয় চাহ মালিকে। ক্ষুদ্ৰ চাহ খেতিয়কে ভৱিষ্যতৰ সম্ভাব্য সমস্যাসমূহক আগত লৈ ঐক্যবদ্ধতাৰে আগবাঢ়িব লাগিব। দিছপুৰত বহা চৰকাৰসমূহে সাধৰণতেই বৃহৎ চাহ গোষ্ঠীৰ অপ্ৰিয হ'বলৈ নিবিচাৰি বাবে ক্ষুদ্ৰ চাহ খেতিয়কে চৰকাৰসমূহৰ পৰা প্ৰয়োজনীয় সহায় নাপায়। অন্যহাতে ক্ষুদ্ৰ চাহ খেতিয়কৰ নিজস্বভাৱে চাহপাত উৎপাদনৰ কলঘৰ নথকাত ওচৰৰ বৃহৎ চাহ উদ্যোগক কেঁচাপাত বিক্ৰী কৰিবলগীয়া হয়। নতুন গছৰ পাতৰ প্ৰতি আগ্ৰহী হোৱাৰ বাবেই বৃহৎ চাহ উদ্যোগ আজি ক্ষুদ্ৰ চাহ খেতিয়কৰ পাত লোৱাত আগ্ৰহী। কিন্তু এই ব্যৱস্থা বৰ বেচি দিনলৈ নাথাকিব। আজি অসমৰ ক্ষুদ্ৰ চাহ খেতিযকে বৃহৎ পৰিমাণৰ চাহপাত উৎপাদন কৰিছে। ক্ৰমাৎ এই পৰিমাণ বৃদ্ধি হ'ব লৈছে। এনে গতিলৈ চাই বৃহৎ চাহ উদ্যোগে ক্ষুদ্ৰ চাহৰ খেতিয়কক এক প্ৰত্যাহ্বান হিচাপে সময়ত গ্ৰহণ কৰিব। তাৰ আগতেই ক্ষুদ্ৰ চাহ খেতিয়কে আত্মনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰা উচিত হ'ব। আজি অসমৰ চাহ উদ্যোগৰ উৎপাদনৰ দিশটোত ক্ষুদ্ৰ চাহৰ বৰঙণি যথেষ্ট। চৰকাৰৰ তথ্য মতে—

অসমৰ চাহ বাগিচাত উৎপাদন

	১৯৯৮	১৯৯৯	২০০০	২০০১
১. চাহ বাগিচাৰ সংখ্যা	২৫,৭০৮	৩০,৯৪২	৩৯,১৫১	৪০,৭৯৫
২ চাহ বাগিচাৰ এলেকা (হাজাৰ হেক্টৰ)	২৫২	২৫৮	২৬৭	২৬৯
৩. চাহৰ উৎপাদন (নিযুত কেজি)	৪৬৭	৪৩৭	৪৪৯	৪৫৪
৪. গড়ে প্ৰতি হেক্টৰত উৎপাদন (কেজি)	১৮৫৬	১৬৯২	১৬৮৬	১৬৮৮

চাহ ব'ৰ্ডে প্ৰকাশ কৰা তথ্যলৈ লক্ষ্য কৰিলেই স্পষ্ট হৈ পৰে যে প্ৰতি বছৰে ক্ষুদ্ৰ চাহ বাগিচাৰ সংখ্যা হাজাৰৰ ঘৰত বৃদ্ধি হৈছে। চাহৰ উৎপাদনো ক্ৰমাৎ বৃদ্ধি পাব লৈছে। ক্ষুদ্ৰ চাহ খেতি স্বৰাজোত্তৰ অসমৰ অৰ্থনৈতিক নৱজাগৰণ। যাৰ প্ৰভাৱ সামগ্ৰিকভাৱে সমাজখনৰ ওপৰতো সুদূৰপ্ৰসাৰী হোৱাৰ ইংগিত স্পষ্ট। প্ৰত্যক্ষ-পৰোক্ষ দুয়ো ধৰণেৰেই ক্ষুদ্ৰ চাহ খেতিয়কে আজি অসমৰ লাখ লাখ লোকক সংস্থাপন দিছে। স্বত্বাধিকাৰী একোজনে পৰিয়াল সমন্বিতে প্ৰত্যক্ষ সুৰক্ষা অৰ্জনৰ লগে লগে পাত চিঙা, সাৰ-দৰৱ-পানী আদি দিয়া, হাবি ভাঙি মাটি প্ৰস্তুত কৰা, প্ৰয়োজনীয় টুকুৰী, বেগ আদি তৈয়াৰ আৰু বিক্ৰী কৰা আদি বিভিন্ন কামত নিয়োজিত হৈ আন বহুজন এই ব্যৱসায়ৰ অংশীদাৰ হৈছে। তদুপৰি বহুতো যুৱকে ক্ষুদ্ৰ বাগিচাৰ পাত 'বট-লিহক ফেক্টৰী'ত যোগানৰ এজেণ্ট হিচাপে নিজকে নিয়োজিত কৰি অন্য এচাম মধ্যভোগীৰ সৃষ্টি কৰিছে।

আমাৰ প্ৰস্তাৱ ঃ উৎপাদনৰ পৰিমাণ আৰু আন্তঃগাঁথনিৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উদ্যোগত প্ৰথম পৰ্যায়ত দহটা চাহপাত উৎপাদনৰ বাবে কলঘৰ সমবায় খণ্ডত নিৰ্মাণ কৰক। স্থানীয় ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ লগতে ক্ষুদ্ৰ চাহৰ প্ৰতি আগ্ৰহীসকলক অংশীদাৰ কৰি বাণিজ্যিক দিশটোত গুৰুত্ব প্ৰকাশ কৰি আধুনিক বিজ্ঞানসন্মত সমবায় গঠন কৰিব পাৰিলে ফলাফল নিশ্চয় ইতিবাচক হ'ব। চাহৰ নিশ্চিত বজাৰ ব্যৱস্থাটোৱে সমবায়ক জীয়াই ৰখাৰ সহায়ক হ'ব। কলঘৰ নিৰ্মাণৰ বাবে অংশীদাৰসকলৰ পৰা পুঁজি সংগ্ৰহ কৰাৰ লগতে প্ৰয়োজনীয় পুঁজিৰ বাবে বেংক উদ্যোগৰ দৰে বিত্তীয় প্ৰতিষ্ঠানসমূহক বাধ্য কৰিব লাগিব। ক্ষুদ্ৰ চাহ খেতিয়কৰ যিমানেই বেছি মাটি নাথাকক, অকলশৰীয়াভাৱে পদক্ষেপ গ্ৰহণ কৰাটো উচিত নহ'ব। ৰাষ্ট্ৰৰ চৰিত্ৰ আৰু অসমত থকা দেশী-বিদেশী চাহ-কোম্পানীসমূহৰ চৰিত্ৰ একেই। ৰাজ্যৰ জনগণৰ প্ৰতি কোনো দায়বদ্ধতা নথকা মুনাফাসৰ্বস্ব চৰিত্ৰৰ চাহ কোম্পানীসমূহৰ ওচৰত ক্ষুদ্ৰ চাহ খেতিয়ক অকলশৰীয়াভাৱে টিকি থকা সম্ভৱ নহ'ব। তাৰ বাবেই লাগে ঐক্যবদ্ধ চাহ খেতিয়কৰ শক্তি।

আমাৰ আনটো প্ৰস্তাৱ হ'ল ত্ৰিছ হাজাৰৰ অতিক্ৰম কৰা ক্ষুদ্ৰ চাহ খেতিয়কে নিজস্ব বাণিজ্যিক দিশটোক অধিক গতিশীল কৰাৰ স্বাৰ্থত আৰু পুঁজি বিনিয়োগৰ সুস্থতা অনাৰ বাবে নিজস্বভাৱে এটা বেংক ব্যৱস্থাৰ কথা বিবেচনা কৰা উচিত হ'ব। চাহ খেতিয়কসকলক অংশীদাৰ হিচাপে লৈ 'চাহ বেংক' এটা আমি গঠন কৰাৰ প্ৰয়োজন আছে।

আমাৰ প্ৰস্তাৱ হ'ল—এটা অঞ্চলত থকা ক্ষুদ্ৰ চাহ খেতিয়কসকলক এটা সমবায় ব্যৱস্থাৰ তললৈ আনিব লাগে। খেতিৰ মাটি চহোৱাৰ লগতে অন্যান্য কামসমূহ আৰু

কেঁচা চাহপাত কলঘৰলৈ নিয়া আদি কাম সমবায়ৰ ভিতৰেদি কৰিব পাৰিলে ব্যক্তিগত অসুবিধাবিলাক আঁতৰ হ'ব আৰু খৰচ নিয়ন্ত্ৰিত হ'ব। অসমৰ গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণৰ বাবে স্বাভাৱিকভাৱে ক্ষুদ্ৰ চাহ খেতি অতি সহযোগী।

আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ জাতীয় পুঁজি গঠনৰ বাবে অসমৰ অৰ্থনৈতিক আন্দোলনৰ অন্যতম অংশ হওক ক্ষুদ্ৰ চাহ খেতি। চাহ ব'ৰ্ডে স্থায়ী পট্টা থকা ক্ষুদ্ৰ চাহ বাগিচাকহে সহায় কৰে বাবে বেছি সংখ্যক বাগিচাই এনে সহায় পোৱাৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰে এই দিশটোত গুৰুত্ব দিয়া উচিত হ'ব। অসম চৰকাৰে চাহ সঞ্চালকালয়টো এক পূৰ্ণপ্ৰাপ্ত বিভাগ হিচাপে গঢ়ি তোলক। আধুনিক প্ৰযুক্তিবিদ্যাৰ সহায় গ্ৰহণ কৰক, যাতে চাহ উদ্যোগৰ লগত জড়িত সকলো প্ৰয়োজনীয় তথ্য ৰাখিব পাৰে আৰু প্ৰতিটো ক্ষেত্ৰতে বিভাগটোৱে পুঁজি গঠনৰ ক্ষেত্ৰত চৰকাৰ আৰু খেতিয়কক সহায় কৰিব পাৰে।

আমাৰ প্ৰস্তাৱ হ'ল— চাহ নিলাম ক্ষেত্ৰত ক্ষুদ্ৰ চাহ সদস্যভুক্ত হ'ব লাগে। এক ভাবে হ'ব নোৱাৰিলেও ঐক্যবদ্ধভাৱে হোৱাৰ ব্যৱস্থা কৰিব পাৰিলে ক্ষুদ্ৰ চাহে উৎপাদিত চাহৰ ভাল মূল্য পাব বুলি আমাৰ বিশ্বাস। নতুন মাটিত নতুন চাহগছে দিয়া উৎপাদনৰ মূল্যাই নিৰূপণ কৰিব কেঁচা পাতৰ মূল্য।

আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কে কেৱল পানীয় চাহৰ দিশটোতে লক্ষ্য আৱদ্ধ নাৰাখি চাহৰ অন্যান্য গুণৰাজিৰ ওপৰত বাণিজ্যিক চিন্তা আৰম্ভ কৰক। আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, ইংলেণ্ড আদি দেশে চাহক বিভিন্ন ৰোগ নিৰাময়ৰ ঔষধ হিচাপে ব্যৱহাৰ কৰিব লৈছে। হৃদৰোগ, ক'লন কেন্সাৰ, ৰক্তচাপ আদিৰ দৰে ৰোগসমূহ নিৰাময়ৰ ঔষধ প্ৰস্তুতৰ ক্ষেত্ৰত চাহপাত ব্যৱহৃত হ'বলৈ আৰম্ভ হৈছে। পৃথিৱীৰ ৪০খন চাহ খেতি উৎপাদনকাৰী দেশৰ ভিতৰত ভাৰতৰ চাহতেই এই ঔষধীয় গুণৰাজি আটাইতকৈ বেছি বুলি গৱেষকসকলে ঠাৱৰ কৰিছে। এই দিশটোত গুৰুত্ব দিব পাৰিলে অসমৰ চাহৰ ৰপ্তানিৰ বজাৰখনো মূল্যবান হৈ পৰিব। বিশ্ব বাণিজ্যৰ এই দিশটোৰ অংশীদাৰ ক্ষুদ্ৰ চাহ খেতিয়কসকল হ'ব লাগিব। বিশ্বৰ যিকেইখন ৰাষ্ট্ৰ চাহ উদ্যোগ আৰু চাহ ৰপ্তানিৰ ক্ষেত্ৰত আগবঢ়া, সেই আটাইবোৰ ৰাষ্ট্ৰতেই চাহৰ ওপৰত ব্যাপক গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষা চলি আছে। শেহতীয়াভাৱে মাৰ্কিন গৱেষকসকলে চাহ আৰু চাহৰ পৰা উৎপাদিত সামগ্ৰীৰ ওপৰত গৱেষণা চলাই চাহৰ এনে কিছুমান ৰাসায়নিক উপাদানৰ ভেষজ গুণাগুণ আৱিষ্কাৰ কৰিছে, যিবোৰে বিভিন্ন ধৰণৰ টিউমাৰ আৰু কেন্সাৰ ৰোগ নিৰাময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কেৱল কেন্সাৰেই নহয়, হৃদৰোগৰ ক্ষেত্ৰতো চাহৰ ৰাসায়নিক উপাদন নিৰাময়ৰ সহায়ক, বিশেষকৈ অথেৰোছ ক্লেৰোছিছ, কাৰ্ডিঅ'ভাস্কুলাৰ, উচ্চ ৰক্তচাপ আৰু উত্তেজনা, বুকুৰ কেন্সাৰ, হাওঁ-ফাওঁৰ কেন্সাৰ,

পাকস্থলীৰ কেন্সাৰ, প্ৰষ্টেট কেন্সাৰ, ছালৰ কেন্সাৰ, মুখৰ কেন্সাৰ, হাড়ৰ ৰোগ, বিভিন্ন ধৰণৰ টিউমাৰ, পাথৰ বৃক্কত আদি ৰোগৰ নিৰাময়ত চাহৰ ঔষধি উপাদানসমূহে বিশেষ ভূমিকা পালন কৰে। কেৱল এইবোৰ ৰোগেই নহয় আৰু বহু ধৰণৰ ৰোগৰ নিৰাময়ৰ বাবেও চাহ বিশেষভাৱে গুৰুত্বপূৰ্ণ। সেউজ চাহ, ক'লা চাহ, অৰ্গেনিক চাহ, ইনৰ্গেনিক চাহ প্ৰতিটোৱেই ভেষজ গুণসম্পন্ন। সেউজ চাহৰ পলিফেনলৰ এপিগেলোকটেচিন-৩-গেলেট চমুকৈ ইজিচিজি নামৰ ৰাসায়নিক উপাদান টিউমাৰ আৰু বিভিন্ন ধৰণৰ কেন্সাৰ ৰোগৰ প্ৰতিষেধক। ক'লচাহৰ লগত আপেল আৰু পিয়াঁজৰ সংমিশ্ৰণত তৈয়াৰী দৰব প্ৰায় ৫৫০ৰ পৰা ৮০০জন হৃদৰোগীৰ ওপৰত প্ৰয়োগ কৰি নেদাৰলেণ্ডৰ 'জুট কেন ষ্টাডি' নামৰ প্ৰতিষ্ঠানে সুফল পাইছে, অৱশ্যে চাহৰ ওপৰত চলোৱা এই পৰীক্ষা-নিৰীক্ষাৰ ফলাফলৰ এতিয়াও বাণিজ্যিকভাৱে ব্যৱহাৰ আৰম্ভ হোৱা নাই। কিন্তু আগন্তুক দিশবোৰত আমেৰিকা তথা পশ্চিমীয়া কিছু দেশে চাহৰ এই ভেষজ উপাদানৰ জৰিয়তে চিকিৎসা তথা দৰবৰ ক্ষেত্ৰত এক যুগান্তকাৰী ভূমিকা গ্ৰহণ কৰিব।

❑ ❑ ❑

হাজাৰ কোটি টকাৰ বহিঃগমন বন্ধ কৰাৰ স্বাৰ্থত

দেশৰ বস্ত্ৰ উদ্যোগৰ বজাৰখণ্ডত অসমে খোপনি পুতিব লাগিব

অসমত চাহ-তেলৰ দৰে এনে কিছু বিষয় আছে—যিবিলাকৰ ওপৰত ভিত্তি কৰি এক বিশেষ শিল্পায়নৰ ধাৰা আৰম্ভ কৰিব পৰা যায়। কেঁচামাল, প্ৰয়োজনীয় শ্ৰমশক্তি আৰু বজাৰ ব্যৱস্থা স্থানীয়ভাৱে থকাৰ পিছতো এনে বিষয়সমূহত গুৰুত্ব দিয়া হোৱা নাই। বস্ত্ৰ উদ্যোগ এনে সম্ভাৱনা থকা শিল্প উদ্যোগ যদিও এই ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট শক্তিসমূহৰ ধাৰণা অস্পষ্ট। উদ্যোগৰ উৎপাদন আৰু পৰিচালনাৰ ক্ষেত্ৰত সদিচ্ছা যোগাত্মক নহয়। ইতিমধ্যে স্থাপন কৰা প্ৰায়কেইটা বস্ত্ৰ উদ্যোগ বন্ধ হোৱা পৰ্যায়ত আছে। চৰকাৰৰ সিদ্ধান্ত প্ৰতিশ্ৰুতিৰ পৰ্যাযতে আছে। ১৯৮৫চনৰ পৰা অসমত বস্ত্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে এক কাৰ্যসূচী আৰম্ভ হৈছিল। ৪৯২.৫৭কোটি টকা মূলধন বিনিযোগ কৰি অসমত বস্ত্ৰ উদ্যোগৰ উৎপাদনৰ ক্ষেত্ৰ গঢ়ি উঠিছিল যদিও সমস্যা সমাধানৰ অপৰিপক্কতাৰ ফলত আজি অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেডৰ বাহিৰে বাকী প্ৰায়কেইটা উদ্যোগৰ উৎপাদন বন্ধ নাথকুছিৰ অসম ছিনটেক্স লিমিটেড, নোৱাপাৰা অসম ৰাজ্যিক বস্ত্ৰ নিগম, জাগীৰোডৰ অসম পলিটেক্স লিমিটেড, বইটামাৰীৰ অসম সমবায় সূতাকটা কল, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ সমবায় সূতাকটা কল, জাগীৰোডৰ অসম স্পান ছিল্ক মিল্‌ছ আদিৰ শ্ৰমিক-কৰ্মচাৰীয়ে আজি সংগ্ৰামৰত অৱস্থাত থাকিবলগা হৈছে। প্ৰাপ্ত দৰমহা হাতত নপৰাত শ্ৰমিক-কৰ্মচাৰীৰ পৰিয়ালক ভৰণ-পোষণ দিয়াত সমস্যাৰ সৃষ্টি হৈছে। ধনৰ অভাৱত ল'ৰা-ছোৱালী লঘোণে থাকিবলগা হৈছে। চিকিৎসাৰ অভাৱত গৰ্ভৱতী মহিলা আৰু শিশুৰ মৃত্যু হৈছে। পৰিয়ালক ভৰণ-পোষণ দিব নোৱাৰি বহু কেইজন শ্ৰমিকে আত্মহত্যা কৰিছে। উদ্যোগসমূহৰ অচলাৱস্থাই আজি এক সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। অসমত বস্ত্ৰ উদ্যোগৰ বাবে এখন বিশাল বজাৰ আছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰতো অসমৰ কাপোৰৰ চাহিদা আছে। অসমৰ শিপিনীয়ে তাঁতশালত তৈয়াৰ কৰা পাট-মুগা-এৰী কাপোৰে বাহিৰৰ বজাৰত যথেষ্ট সমাদৰ আৰু মূল্য পায় যদিও অসমৰ শিপিনীৰ তাঁতশালক আজিও এক সম্পূৰ্ণ উদ্যোগ হিচাপে গঢ়ি তুলিব পৰা হোৱা নাই। অসমৰ বাবে প্ৰয়োজনীয় পাট-মুগাৰ প্ৰায় ৯৫শতাংশ অসমৰ বাহিৰৰ পৰা কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশৰ

পৰা আনিবলগা হয়। কেৱল শুৱালকুছিত দিনে দহ লাখ টকাৰ পাটসূতা কিনাৰ বাবে অসমৰ বাহিৰলৈ ওলাই যায়। বস্ত্ৰ উদ্যোগৰ ওপৰত এক বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰিব লাগিব—যাতে অসমৰ স্থানীয় পুঁজি গঠনৰ ক্ষেত্ৰত সহায়ক হয়। ভাৰতৰ বস্ত্ৰ বজাৰ অসমে নিয়ন্ত্ৰণ কৰাৰ সুযোগ গ্ৰহণ কৰিব লাগিব। অসমৰ বস্ত্ৰ উদ্যোগসমূহ অচল হৈ পৰাত বাহিৰৰ ব্যৱসায়িক গোষ্ঠীৰ ষড়যন্ত্ৰৰ হাত আছে বুলিও ধাৰণা কৰা যায়। চৰকাৰ আৰু আমোলাসকলো এনে ষড়যন্ত্ৰৰ দ্বাৰা পৰিচালিত হোৱা বুলিও সন্দেহৰ অৱকাশ নথকা নহয়। কেইটামান বস্ত্ৰ উদ্যোগক যুটীয়া খণ্ডত দি উৎপাদন আৰম্ভ কৰিব বুলি চৰকাৰী বক্তব্য ঘোষণা কৰিলে যদিও ইয়াৰ লগত সংগতি থকাকৈ প্ৰয়োজনীয় কামবিলাক স্পষ্ট নকৰিলে। ঔদ্যোগিক উপদেষ্টা সমিতিৰ প্ৰতিবেদনত সূতা মিলবোৰৰ ভিতৰত অসম স্পান ছিল্ক মিল্‌ছ, অসম পলিটেক্স লিমিটেড, অসম ৰাজ্যিক বস্ত্ৰ নিগম, অসম ৰাজ্যিক বয়ন আৰু উৎপাদন কোম্পানী লিমিটেডৰ লগতে অসম ছিনটেক্স লিমিটেডক পুনৰ কাৰ্যক্ষম কৰাৰ বাবে কিছু উচিত পৰামৰ্শ আগবঢ়াইছিল। পুনৰ কাৰ্যক্ষম কৰাৰ বাবে প্ৰয়োজনীয় অৰ্থ সাহায্যৰো কিছু দিশ প্ৰতিবেদনত উল্লেখ কৰিছিল। কিন্তু কাৰ্যত নহ'ল। অসমৰ ঔদ্যোগীকৰণৰ অনগ্ৰসৰতাৰ বহুসংখ্যক কাৰণ আছে যদিও আজি চৰকাৰৰ সদিচ্ছাৰ অভাৱেই মূল কাৰণ হৈ পৰিছে। অন্যান্য সমস্যা সমাধানৰ সূত্ৰ থাকে, কিন্তু চৰকাৰৰ সদিচ্ছাৰ অভাৱ আঁতৰ কৰাৰ সূত্ৰ নিৰ্ণয় কৰা কঠিন। অসম উদ্যোগ নীতি-১৯৮৬, অসমৰ নতুন ঔদ্যোগিক নীতি-১৯৯১ আৰু অসমৰ উদ্যোগ নীতি-১৯৯৭ গ্ৰহণ কৰা হ'ল। কিন্তু শিল্পায়নৰ অনগ্ৰসৰতাক আঁতৰ কৰা নহ'ল। ভাৰতবৰ্ষৰ এশ বছৰীয়া বস্ত্ৰ উদ্যোগৰ প্ৰতিযোগিতামূলক বজাৰত অসমৰ বস্ত্ৰ উদ্যোগে টিকি থকাৰ বাবে প্ৰয়োজনীয় দয়িত্বসমূহ পালন কৰা নাই। পৰিকল্পনাৰ অভাৱ, বিজুলী শক্তিৰ নাটনি, মূল্যবৃদ্ধি, শ্ৰমৰ মূল্যৰ বিনিময়ত উৎপাদন কম আদি কাৰণত বস্ত্ৰ উদ্যোগৰ গতিত বাধা পৰিল। অতি লাভজনক আৰু বজাৰ ব্যৱস্থাৰ সম্পূৰ্ণ সুযোগ থকা বস্ত্ৰ উদ্যোগৰ অসমত এই অৱস্থা হোৱাৰ সময়ত ভাৰতে বিদেশলৈ ৰপ্তানি কৰা বস্ত্ৰ সামগ্ৰী প্ৰতি বছৰে লক্ষণীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। বস্ত্ৰ উদ্যোগৰ এনে স্থিতিলৈ লক্ষ্য ৰাখি আমাৰ প্ৰস্তাৱ হ'ল—অসমত এক স্পষ্ট বস্ত্ৰ নীতি গ্ৰহণ কৰক। প্ৰতিটো বস্ত্ৰ উদ্যোগৰ সমস্যাক সুকীয়াকৈ সমাধান কৰাৰ পদক্ষেপ গ্ৰহণ কৰক। আজিৰ সমবায় আইনখনৰ পৰিৱৰ্তে বস্ত্ৰ উদ্যোগৰ দৰে শিল্পায়নৰ বাবে এক সুকীয়া বাণিজ্যিক দিশটোত গুৰুত্ব দিয়াকৈ আইন প্ৰস্তুত কৰক। অসম চৰকাৰৰ উদ্যোগ বিভাগে বস্ত্ৰ উদ্যোগৰ বাবে এক সুকীয়াকৈ পৰিচালনা তথা বাণিজ্যিক আৰু গৱেষণাৰ বিভাগ মুকলি কৰক, অসমত বস্ত্ৰ উদ্যোগৰ এক সুন্দৰ বজাৰৰ ভৱিষ্যৎ আছে, চৰকাৰে সদিচ্ছা প্ৰকাশ কৰক।

অসমৰ জনসংখ্যা প্ৰায় ৩০০লাখ। সৰ্বভাৰতীয় তথ্য মতে ভাৰতীয় মানুহে গড়ে

বছৰি ৪.৫মিটাৰ কাপোৰ ব্যৱহাৰ কৰে। তাৰে ১৫শতাংশ কাপোৰ কৃত্ৰিম সুতাভিত্তিক আৰু বাকীখিনি প্ৰাকৃতিক সুতাভিত্তিক। এই হিচাপত অসমত বছৰি ২০৩লাখ মিটাৰ কৃত্ৰিম সুতাৰ কাপোৰ আৰু ১১৪৮লাখ মিটাৰ কপাহী সুতাৰ কাপোৰৰ প্ৰয়োজন হয়। গড়ে ১০০টকাকৈ মিটাৰত দাম ধৰিলে অসমত ১৩৫১কোটি টকাৰ এখন বস্ত্ৰৰ বজাৰ আছে। অতি পৰিতাপৰ আৰু ভয়াবহ দিশটো হ'ল প্ৰায় সমষ্ট টকাই কাপোৰৰ বাবদ অসমৰ বাহিৰলৈ ওলাই যায়। পুঁজিৰ ক্ৰমে বহিৰ্গমন বন্ধ কৰাৰ ৰাবে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন হ'ব। অসমত যিমানবোৰ বস্ত্ৰ উদ্যোদ প্ৰতিষ্ঠা হৈছিল, সেই বিলাকে এই বজাৰখনৰ কিন্তু অংশ পূৰণ কৰিব পাৰিলেহেঁতেন, কেৱল এপলে কিছু দখল দিব পাৰিছে। অসমত আৰম্ভ কৰা বস্ত্ৰ উদ্যোগসমূহ হ'ল—

১। অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেড (এপল)
ৰঙিয়া মিশ্ৰ সুতা কটা, বয়ন আৰু প্ৰচেছিং গোট

২। অসম চিনটেক্স লিমিটেড, টিহু
—মিশ্ৰ সুতা কটা

৩। অসম ৰাজ্যিক বস্ত্ৰ নিগম, বিজনী
— মিশ্ৰ সুতা কটা, বয়ন আৰু প্ৰচেছিং

৪। অসম পলিটেক্স লিমিটেড, জাগীৰোড
—মিশ্ৰ সুতা কটা

৫। অসম সমবায় সুতা কটা কল, গোৱালপাৰা
— কপাহী সুতা কটা

৬। শ্বহীদ কুশল কোঁৱৰ সমবায় সুতা কটা কল, গোলাঘাট
—কপাহী সুতা কটা

৭। অসম ৰাজ্যিক বয়ন আৰু উৎপাদন কোম্পানী লিমিটেড, নগাঁও
— মিশ্ৰ সুতা বোৱা

৮। অসম ৰাজ্যিক বয়ল আৰু উৎপাদন কোম্পানী লিমিটেড, নলবাৰী
—প্ৰচেছিং গোট

৯। অসম কটন মিল, তেজপুৰ
— কপাহী সুতা কটা

১০। চন্দ্ৰপুৰ কটন মিল, গুৱাহাটী
— কপাহী সুতা কটা

১১। অসম স্পান চিল্ক মিল্‌চ, জাগীৰোড
—পাট সুতা কটা

১২। অসম সমবায় মৰাপাট কল, শিলঘাট
— মৰাপাট সুতা কটা আৰু বোৱা
১৩। অৰিহনট মৰাপাট মিল, পলাশবাৰী
—মৰাপাটৰ সুতা কটা
১৪। প্ৰাগ্‌বচিমি চিনথেটিক্স লিমিটেড, ছিপাঝাৰ
—ফিল্‌মেণ্ট সুতা কটা আৰু ৰং দিয়া
১৫। গোৰেক্কা উলেন মিলচ্‌, গুৱাহাটী
— তেলৰ সুতা কটা আৰু ৰং দিয়া
১৬। চাংঘেনেৰীয়া উলেন মিল্‌চ, গুৱাহাটী
—তেলৰ সুতা ৰং দিয়া
১৭। ব্ৰহ্মপুত্ৰ মৰাপাট মিল, গুৱাহাটী
— মৰাপাটৰ সুতা কটা

ইয়াৰ উপৰি আৰ্টফেড আৰু ৰাজ্য চৰকাৰৰ হস্ততাঁত বিভাগ আৰু সমবায় খণ্ডত থকা পাৱাৰ' লুমৰ উপৰিও ১৯টা পায়াৰলুত গোটৰ ৩৬০খন বিদ্যুৎচালিত শাল আছে। পৰিতাপৰ বিষয় যে বস্ত্ৰ উদ্যোগৰ এই বিশাল ক্ষেত্ৰখনৰ প্ৰায়বিলাক বৰ্ত্তমান বন্ধ অৱস্থাত আছে। পৰিকল্পনাৰ, পৰিচালনাৰ বিজুতি, কৰ্মচাৰী মূলধনৰ অভাৱ, বিদ্যুৎ শক্তিৰ নাটনি আদিৰ বাবে বন্ধা হৈ থকা এই উদ্যোগসমূহৰ উৎপাদন আৰম্ভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

সমগ্ৰ পৃথিৱীতে বৰ্তমান প্ৰাকৃতিক আঁহৰ পৰা তৈয়াৰ কৰা সুতা আৰু কাপোৰৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিছে। অসমে এই দিশটোক অনুধাৱন কৰা উচিত হ'ব। কাৰণ প্ৰাকৃতিক আঁহৰ ক্ষেত্ৰত অসম যথেষ্ট চহকী। এই অঞ্চলৰ জলবায়ু প্ৰাকৃতিক আঁহৰ গছৰ বাবে উপযোগী। অসমৰ পাট-মুগা কাপোৰৰ চাহিদা আছে যদিও পাটসুতাৰ বাবে কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। উজনি অসমৰ তেলখাদ আৰু মুক্ত কয়লা খনন কাৰ্যই মুগাসুতা উৎপাদনত বাধাৰ সৃষ্টি কৰিছে। ইণ্ডোনেচিয়া, চীন, ব্ৰাজিল আদি দেশত হোৱা ৰেমি নামৰ এবিধ গছ অসমতো হয়, ইয়াৰ খেতি কৰা হয়। প্ৰকৃতিয়ে সৃষ্টি কৰা সকলো আঁহৰ ভিতৰত ৰেমি আঁহ আটাইতকৈ টান। পলিয়েষ্টাৰৰ লগত ৰেমি আঁহ মিহলাই উন্নত মানৰ কাপোৰ বব পাৰি। অসমত বহল ভিত্তিত ৰেমি খেতি কৰাত প্ৰয়োজন হ'ব। ৰেমিক এড়ি মিশ্ৰিত সুতা অসমৰ শিপিনীসকলৰ মাজত সহজলভ্য কৰিব পাৰিলে অসমত শিপিনীসকলেই এক বস্ত্ৰ উদ্যোগৰ বিপ্লৱৰ সূচনা কৰিব পাৰিব। অসমত মৰাপাট উৎপাদনৰ বিশাল ক্ষেত্ৰ এখন আছে। মৰাপাটৰ পৰা এনে ধৰণৰ সুতা প্ৰস্তুত কৰা হয় যাৰ পৰা পৰ্দাৰ

কাপোৰ, পিন্ধা কাপোৰ, চুটকেচৰ কাপোৰ, বেগ, চেণ্ডেল আদি বিভিন্ন বস্তু তৈয়াৰ কৰিব পৰা যায়। অসম আৰু পশ্চিমবঙ্গৰ পৰা মৰাপাট নি কেৰেলাত এনে বস্ত্র নির্মাণ কৰি বিদেশলৈ ৰপ্তানি কৰা হয়।

সামগ্রিকভাৱে অসমৰ বস্ত্র উদ্যোগৰ প্রচুৰ সম্ভাৱনা আছে। এতিয়া অতি সাৱধানতাৰে পদক্ষেপবিলাক দিব লাগিব। প্রথম পর্যায়ত অতি সূক্ষ্ম বজাৰৰ সমীক্ষা কৰিব লাগিব। প্রতিটো বন্ধ উদ্যোগৰ সুকীয়া সুকীয়াকৈ কাৰণসমূহক অনুধাৱন কৰিব লাগিব। সমবায় আইনখনক বৃহৎ উদ্যোগৰ বাবে প্রযোজ্য হোৱাকৈ সংশোধন কৰিব লাগিব। অসমৰ বস্ত্র উদ্যোগসমূহক আগবঢ়াই নিয়াৰ বাবে নেডফিৰ লগত এক বিশেষ বিত্তীয় প্ৰৱিচালনা ব্যৱস্থা কৰি লব পৰা যায়। আমাৰ এটা দৃঢ়মন থাকিব লাগিব যাতে আমি সুতা কাপোৰ কিনাৰ বাবদ ১৩৫১ কোটি টকা অসমৰ পৰা আৰু বাহিৰলৈ যাব নিদিওঁ।

❑ ❑ ❑

বাৰীৰ ঢাপত হোৱা ভোট-এৰাজোপাক ব্যৱহাৰ কৰোঁ আহক

জৈৱ-ডিজেল উৎপাদনৰ ক্ষেত্ৰত অসমে নেতৃত্ব ল'ব পাৰে

শত বছৰ পূৰ্বে দেশৰ প্ৰথমটো শোধনাগাৰে ডিগবৈত খাৰুৱা তেল শোধন কৰি ডিজেল প্ৰস্তুত কৰি আধুনিক সভ্যতালৈ প্ৰভূত বৰঙণি আগবঢ়াইছিল। আজি দেশত ডিজেলৰ প্ৰয়োজনসাপেক্ষে উৎপাদন কম হোৱাত তাৰ জোৰা মাৰিবলৈ জৈৱ ইন্ধনৰ জৰিয়তে অসমে সহযোগ আগবঢ়াব পাৰে। প্ৰায় ৫০,০০০কোটি টকা মূল্যৰ বিদেশী মুদ্ৰা খৰচ কৰি দেশলৈ ডিজেল আমদানি কৰিবলগা হোৱা ব্যৱস্থাটোত কিছু পৰিমাণৰ হ'লেও অসমে সকাহ দিব পাৰো, লগতে দেশৰ এই বিশাল ডিজেলৰ বজাৰখনত বিকল্প ইন্ধনেৰে অসমে প্ৰৱেশ কৰিব পাৰো। আধুনিক সভ্যতাত অগ্ৰাধিকাৰ দিবলগা বিষয় তৈল ইন্ধনৰ বজাৰখনত প্ৰৱেশ কৰিব পাৰিলে অসমত পুঁজি গঠনৰ অন্য এক দিশ মুকলি হোৱাৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তনৰ পথ মুকলি হ'ব। ভূ-গৰ্ভস্থ প্ৰাকৃতিক তেলৰ ভাণ্ডাৰ ক্ৰমশঃ সংকুচিত হোৱালৈ লক্ষ্য ৰাখি জৈৱ ইন্ধনে ইতিমধ্যে এক গুৰুত্বপূৰ্ণ অৱস্থান লাভ কৰিছে। খনিজ সম্পদসমূহ নিঃশেষ হোৱাৰ পথত। কিন্তু বিশ্ব যেতিয়ালৈকে জীৱৰ বসবাসৰ উপযোগী হৈ থাকিব, তেতিয়ালৈকে জৈৱ সম্পদো থাকিব। গৱেষকসকলৰ এনে দৃষ্টিভংগীৰ বাবেই আজি সমগ্ৰ বিশ্বতে জৈৱ সম্পদৰ ক্ষেত্ৰখনে এক নতুন মাত্ৰা পাইছে। ই এক অক্ষয় সম্পদ। প্ৰখ্যাত ব্ৰিটিছ বিজ্ঞানী অধ্যাপক মেলভিন এম্‌কাৱে আঙুলিয়াই দিছে যে ভৱিষ্যত জৈৱ সম্পদেই অৰ্থনীতিৰ আধাৰ হ'ব।

১৯৭৩ চনত বিশ্বত হোৱা তৈল ইন্ধনৰ সংকটে জৈৱ ইন্ধনৰ প্ৰতি নতুন চিন্তাৰ পথ মুকলি কৰিলে। বিজ্ঞানীসকলে বহু গৱেষণাৰ অন্তত সৌৰশক্তি, জলশক্তি আদিৰ লগতে বিকল্প শক্তিৰ ইন্ধন হিচাপে জৈৱ ইন্ধনক ব্যৱহাৰ কৰিব পাৰি, সেই সিদ্ধান্তলৈ আহিব পাৰিলে। ২০০০চনত ফ্ৰান্স, জাৰ্মানী, ইটালীয়ে ব্যৱহাৰিক ক্ষেত্ৰত জৈৱ ইন্ধনৰ প্ৰয়োগ আৰম্ভ কৰিলে। ডেৰ নিযুত টন জৈৱ ইন্ধন উৎপাদন কৰি এই বাণিজ্যিক পথটো মুকলি কৰিলে। বৰ্তমান ইউৰোপত সম্পূৰ্ণ বাণিজ্যিক ভিত্তিত জৈৱ ইন্ধনৰ ব্যৱহাৰ হৈছে। জাৰ্মানীত হাজাৰৰো অধিক জৈৱ ডিজেলৰ বিক্ৰী কেন্দ্ৰ মুকলি হৈছে। সূৰ্যমুখী ফুল, ছয়াবিন আদিৰ পৰা তেল উৎপাদন কৰিব পাৰে যদিও অত্যধিক মূল্যৰ হ'ব।

গতিকে বাণিজ্যিক ক্ষেত্ৰত ব্যৱহাৰৰ উপযোগী নহয়। উত্তৰ-পূৰ্বাঞ্চলত জৈৱ ডিজেল উৎপাদন কৰাৰ বাবে সততে পোৱা তিনিবিধ জৈৱ সম্পদ হ'ল ভোট-এৰা বা ভতৰা (Jatropha curcus), কৰছ (Pongamia pinnata) আৰু নাহৰ (Mesua ferea)। এই তিনিবিধ জৈৱ সম্পদৰ গুটিৰ সহায়ত জৈৱ ডিজেল উৎপাদন সহজে কৰিব পাৰি। অসমৰ জলবায়ুৰ বাবে অতি উপযোগী হ'ল জেট্ৰোফা অৰ্থাৎ ভোট-এৰা। ই এবিধ দীৰ্ঘজীৱী আৰু সকলো জলবায়ুতে জীয়াই থাকিব পৰা উদ্ভিদ। এইবিধ উদ্ভিদ সহজেই গজে আৰু প্ৰায় ৫০বছৰ পৰ্যন্ত জীয়াই থাকে আৰু ৰোৱাৰ দুবছৰৰ পিছৰ পৰাই বীজ অংকুৰিত হয়। গতিকে বাণিজ্যিক ক্ষেত্ৰত ব্যৱহাৰৰ অতি উপযোগী।

ভোট-এৰাৰ বৈজ্ঞানিক নাম জেট্ৰোফা কাৰকাছ্ এল। বিশ্বত জেট্ৰোফা গছ দুশটা বিভিন্ন নামেৰে পৰিচিত। এই উদ্ভিদৰ প্ৰায় ১৭৫টা প্ৰজাতি আছে। ভাৰতত ইয়াৰে ১২টা প্ৰজাতি পোৱা যায়। ভোট-এৰা প্ৰায় ছয় মিটাৰ পৰ্যন্ত ওখ জোপোহাজাতীয় গছ। অসমৰ বিভিন্ন অঞ্চলত বাৰীৰ ঢাপত জেওৰা হিচাপে ব্যৱহাৰ হয়। সাধাৰণতে ভোট-এৰা গছক কীট-পতংগই আক্ৰমণ কৰাৰ পৰা দূৰত থাকে। গৰম, সেমেকা জলবায়ুত ভোট-এৰা গছৰ বীজ সহজে গজে। বীজ আৰু চালৰ পৰাও বংশবৃদ্ধি কৰাব পাৰি। শুকান গুটিৰ পৰা ৫৫ভাগ তেল পোৱা যায়। সৰিয়হৰ পৰা তেল উলিয়াব পাৰি। এই তেল শোধন কৰিয়েই জৈৱ ডিজেল পোৱা যায়। জেট্ৰোফা গ্ৰীক ভাষাৰ দুটা শব্দৰ পৰা উদ্ভৱ হৈছে। জেট্ৰোছ আৰু আনটো ট্ৰফি। জেট্ৰোছৰ অৰ্থ ডাক্তৰ আৰু ট্ৰফিৰ অৰ্থ হ'ল পৰিপুষ্টি। ভেষজৰত্ন ডঃ গুণ ৰাম খনিকৰৰ মতে, জেট্ৰোফাৰ ঔষধি গুণো আছে। ভোট-এৰাই কৰ্কট ৰোগৰ প্ৰতিৰোধক হিচাপেও কাম কৰে। ছালৰ ৰোগ নিৰাময়তো ব্যৱহাৰ হয়। পায়োৰিয়া ৰোগ ভাল কৰে। বাত বিষ, পক্ষাঘাত, টান টিউমাৰ, গ্ৰহণী, কুষ্ঠ ৰোগ, গনোৰিয়া, জণ্ডিচ, নিউমোনিয়া আদি বেমাৰৰ নিৰাময়ৰ বাবে ভোট-এৰা ব্যৱহাৰ কৰিব পাৰি। জাভাত ভোট-এৰা গছৰ গুটিৰ পৰা প্ৰস্তুত কৰা তেলৰ পৰা চুলি বৃদ্ধি কৰা ঔষধো আৱিষ্কাৰ কৰিছে। জৈৱ ডিজেল প্ৰস্তুত কৰাৰ লগতে এনেবিলাক ঔষধি গুণবিশিষ্ট ভোট-এৰাক সম্পূৰ্ণ ব্যৱসায়িক তথা বাণিজ্যিক দিশ আগত ৰাখি গুৰুত্ব দিয়াৰ সময় হৈছে। লক্ষণীয় বিষয় যে ভোট-এৰা গছৰ পৰা তেল নিষ্কাশন কৰাৰ পিছত অৱশিষ্টখিনিক সাৰ হিচাপেও ব্যৱহাৰ কৰিব পাৰি। ভোট-এৰাৰ অন্যান্য বৈশিষ্ট্য হ'ল— এই উদ্ভিদে মাটিৰ খহনীয়াক প্ৰতিৰোধ কৰে। অসমৰ বিভিন্ন খহনীয়া চৰিত্ৰৰ নদীসমূহৰ কাষত পৰিকল্পিতভাৱে ভোট-এৰা গছৰ খেতি কৰিব পৰা যায়। খহনীয়া প্ৰতিৰোধ হ'ব আৰু বাণিজ্যিক স্বাৰ্থতো ভোট-এৰাক ব্যৱহাৰ কৰিব পৰা যাব।

ৰাজস্থান ৰাজ্যিক খনিজ লিমিটেডে জৈৱ ডিজেলৰ ওপৰত বিশেষভাৱে গুৰুত্ব দি আহিছে। জেট্ৰোফাৰ ব্যৱসায়িক ভিত্তিত উৎপাদন কৰি আহিছে। স্কুল বাছত জৈৱ

তেল ব্যৱহাৰ কৰিছে। ৰাজস্থান ৰাজ্যিক খনিজ লিমিটেডে স্কুল বাছৰ পৰা পৰ্যায়ক্ৰমে ট্ৰাক, ডাম্পাৰ আদিত জৈৱ তেল ব্যৱহাৰ কৰিছে। ৩৫টনৰ পৰা আৰম্ভ কৰি ৮৫টনৰ ডাম্পাৰ আৰু ৬০০অশ্বশক্তিৰ মেচিন চলোৱাত জৈৱ তেল ব্যৱহাৰ কৰি সফল হৈছে। ৰাজস্থানৰ উদয়পুৰত ইতিমধ্যে ৫০০ হেক্টৰ মাটিত জেট্ৰোফাৰ খেতি আৰম্ভ কৰিছে। ভাৰতীয় ৰে'লৱেই পৰীক্ষামূলকভাৱে প্ৰায় পাঁচ হাজাৰ কিল'মিটাৰ পথত এই জৈৱ-ইন্ধন ব্যৱহাৰেৰে ৰে'লৰ চলাচল কৰাইছে। ইফালে ছত্তিশগড়ৰ মুখ্য মন্ত্ৰী ৰমন সিঙে ব্যৱহাৰ কৰা এম্বেছেদৰ গাড়ীখনত ডিজেল ব্যৱহাৰ কৰি ইয়াৰ জনপ্ৰিয়তা বঢ়াবলৈ চেষ্টা কৰিছে। উদ্ভিদৰ পৰা উৎপাদিত জৈৱ ডিজেল অন্য ডিজেলৰ লগত সংমিশ্ৰণ কৰি ব্যৱহাৰ কৰাত দেশৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলোৱা আৰম্ভ কৰিছে। দেশত এইবিধ বিকল্প ইন্ধন প্ৰয়োগৰ পূৰ্ণ প্ৰচেষ্টা চলিছে। জেট্ৰোফাৰ খেতি কৰা আৰম্ভ হোৱাৰ লগতে জৈৱ ডিজেলৰ ব্যৱহাৰৰ দ্ৰুত সম্প্ৰসাৰণ ঘটাই ইয়াৰ বজাৰ সৃষ্টি কৰাৰ বাবেও চেষ্টা চলিছে। ইতিমধ্যে 'ৰাষ্ট্ৰীয় জৈৱ ডিজেল ক্ৰয় নীতি' গ্ৰহণ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চল জৈৱ ডিজেল প্ৰকল্প নামেৰে এক যুটীয়া অভিযান অসমত আৰম্ভ হৈছে। জেট্ৰোফাৰ পৰা তেল উৎপাদন কৰি জৈৱ ডিজেল উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ, প্ৰচাৰ, কৃষক, উদ্যোগী যুৱক, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক জৈৱ ডিজেলৰ ব্যৱহাৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে নেড্‌ফিৰ ভাৰত চৰকাৰৰ অনুমোদিত প্ৰতিষ্ঠান পি চি আৰ এ (পেট্ৰ'লিয়াম কনজাৰভেছন ৰিছাৰ্চ এছ'চিয়েছন)ৰ মাজত এখন বুজাবুজি চুক্তি সম্পাদিত কৰিছে। ভোট-এৰা গছৰ পৰা উৎপাদিত জৈৱ ডিজেলৰ ব্যৱহাৰিক উপযোগিতা, সাম্প্ৰতিক পেট্ৰ'ইন্ধনৰ বিকল্প হিচাপে উক্ত জৈৱ ডিজেলৰ ব্যৱহাৰৰ লগতে নিবনুৱাৰ সংস্থাপনতো এই বুজাবুজি চুক্তিয়ে সহায় কৰিব। নেড্‌ফিৰ তত্ত্বাৱধানত আৰম্ভ কৰা 'উত্তৰ-পূৰ্বাঞ্চল 'জৈৱ ডিজেল প্ৰকল্প' জৈৱ ডিজেলৰ উদ্যোগ গঢ়ি তোলাত সহায়ক হ'ব। উল্লেখ্য যে পি চি আৰ এৰ উদ্যোগত উৎপাদিদ জৈৱ ডিজেল সম্প্ৰতি প্ৰতিলিটাৰত ৩১.৫০ টকাকৈ বিক্ৰী কৰি থকা হৈছে। তেল কোম্পানীসমূহেও দেশৰ ২০ খন ঠাইত উৎপাদিত জৈৱ ডিজেল প্ৰতিলিটাৰত ২৩ টকাকৈ কিনিবলৈ সন্মত হৈছে। দেশত ৫২ নিযুত মেট্ৰিক টন ডিজেলৰ প্ৰয়োজন হয়। পাঁচ শতাংশ জৈৱ ডিজেলৰ লক্ষ্য পূৰণ কৰিবলৈ দেশত বৰ্তমান ২.৬ নিযুত মেট্ৰিক টন জৈৱ ডিজেলৰ প্ৰয়োজন হৈছে। ২.৬ নিযুত মেট্ৰিক টন জৈৱ ডিজেল উৎপাদনৰ লক্ষ্য পূৰণ কৰিবলৈ হ'লে ২৫ লাখ নিবনুৱাৰ সংস্থাপনৰ পথ মুকলি হ'ব।

ব্যৱসায়িক দিশ ঃ এক হেক্টৰ মাটিৰ বাবে ৫/৬ কেজি ভোট-এৰাৰ বীজৰ প্ৰয়োজন হয়। সাধাৰণতে দুই মিটাৰৰ অন্তৰে অন্তৰে পুলি ৰুব লাগে যদিও নিয়মীয়া বৰষুণ হোৱা বা জলসিঞ্চনৰ ব্যৱস্থা থকা মাটিত ডেৰ মিটাৰৰ দূৰে দূৰে ভোট-এৰাৰ পুলি

ৰোৱা হয়। এক হেক্টৰ মাটিত পাঁচ হাজাৰ পুলি ৰুব পৰা যায়। প্ৰথম বছৰত উৎপাদনৰ পৰিমাণ কম যদিও পৰ্যায়ক্ৰমে বাঢ়ি যায়। প্ৰথম বছৰত ২৫০ কিল'গ্ৰাম উৎপাদন হ'ব পাৰে। কিন্তু দ্বিতীয় বছৰৰ পৰা ১,০০০ কিল'গ্ৰাম, তৃতীয় বছৰত ২,৫০০ কিল'গ্ৰাম, চতুৰ্থ বছৰত ৮,০০০ কিল'গ্ৰাম আৰু ষষ্ঠ বছৰত ১০,০০০ কিল'মিগ্ৰামলৈ বীজ পোৱা যায়। প্ৰায় দহ বছৰলৈ উৎপাদনৰ পৰিমাণ একেটা স্তৰতে থাকে। ভোট-এৰা গছৰ মাজে মাজে মিশ্ৰিত খেতিও কৰিব পৰা যায়। গছবিলাকৰ ৰং হালধীয়া হ'লেই ধাৰণা কৰিব পৰা যায় যে ইন্ধন গোট খাইছে। এজোপা ভোট-এৰা গছে চাৰিৰ পৰা ছয় কিল'গ্ৰাম গুটি উৎপাদন কৰে। পঞ্চম বছৰৰ পিছৰ পৰা প্ৰতি হেক্টৰত দহৰ পৰা বাৰ টন পৰ্যন্ত শুকান গুটি পোৱা যায়। গুটিৰ প্ৰতি কিল'গ্ৰামৰ বজাৰ মূল্য পাঁচ টকা। প্ৰতি বছৰত প্ৰতি হেক্টৰত ৬০,০০০ টকা লাভৰ সম্ভাৱনা থকা ভোট-এৰাৰ খেতিক অসমৰ কৃষকে গুৰুত্ব দিব পাৰে। শুকান গুটিৰ পৰা ৪৫/৫৫ ভাগ জৈৱ ডিজল পোৱা যায়। প্ৰতি হেক্টৰত প্ৰায় ডেৰ লাখ টকা মূল্যৰ জৈৱ ডিজেল উৎপাদন হ'ব। ৰে'ল বিভাগে ৰে'ললাইনৰ কাষে কাষে জেট্ৰোফা গছৰ খেতি কৰাৰ বাবে ইতিমধ্যেই পৰিকল্পনা হাতত লৈছে। দক্ষিণ ভাৰততো আৰম্ভ কৰিছে। আমাৰ প্ৰস্তাৱ হ'ল— বাৰীৰ ঢাপত হোৱা ভোট-এৰা বা ভতৰাজোপাক আমি বাণিজ্যিক দিশত ব্যৱহাৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তনৰ বাবে জৈৱ ডিজেলক আমি অন্য এক আধাৰ হিচাপে গ্ৰহণ কৰিব পাৰোঁ। ফলত কৃষিক্ষেত্ৰৰ লগতে সংস্থাপনৰো এটা শক্তিশালী পথ মুকলি হ'ব।

❑ ❑ ❑

খনিজ খণ্ড

ৰয়েল্টী প্ৰসংগত আমাৰ প্ৰস্তাৱ

কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ ৰয়েল্টীৰ ওপৰত নিৰ্ধাৰণ কৰা নতুন নিৰিখতে অসম চৰকাৰৰ ৰাজকোষলৈ অতিৰিক্ত প্ৰায় ১৮০ কোটি টকা প্ৰতি বছৰে আহিব। প্ৰশ্ন হ'ল ৰাজকোষলৈ অহা এই অতিৰিক্ত ১৮০ কোটি টকা অসম চৰকাৰে ক'ত খৰচ কৰিব। কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ ওপৰত ৰয়েল্টী নিৰ্ধাৰণৰ ক্ষেত্ৰত নতুন পদ্ধতিৰ প্ৰণয়ন কৰিছে। নতুন পদ্ধতি মতে আন্তৰ্জাতিক বিশেষকৈ নাইজেৰিয়ান খাৰুৱা তেলৰ মূল্যৰ বিছ শতাংশ ৰয়েল্টী হিচাপে ধাৰ্য কৰা হৈছে। ৰয়েল্টী নিৰ্ধাৰণৰ নতুন পদ্ধতিৰ ফলত খাৰুৱা তেল উৎপাদন কৰা ৰাজ্য অসম, গুজৰাট, তামিলনাডু আৰু অন্ধ্ৰই চাৰিশ কোটি টকা অতিৰিক্ত ৰাজহ লাভ কৰিবলৈ সক্ষম হৈছে। অসমে ১৮০ কোটি, গুজৰাটে ২২০ কোটি, তামিলনাডুৱে ১৭ কোটি আৰু অন্ধ্ৰই ১১ কোটি টকা লাভ কৰিছে। ৰয়েল্টী নিৰ্ধাৰণৰ নতুন পদ্ধতি ১৯৯৮-ৰ ১এপ্ৰিলৰ পৰা প্ৰযোজ্য হৈছে। ফলত অসম আৰু গুজৰাটে ৪০০ কোটিৰো অধিক বকেয়া ধন লাভ কৰিছে। খাৰুৱা তেলৰ আন্তৰ্জাতিক মূল্যৰ ওপৰত চল্লিশ শতাংশ ৰয়েল্টীৰ দাবী উত্থাপন হৈ থকা সময়ত কেন্দ্ৰীয় চৰকাৰে বিছ শতাংশকৈ ৰয়েল্টী নিৰ্ধাৰণ কৰিছে। অগভীৰ আৰু গভীৰ সামুদ্ৰিক ক্ষেত্ৰৰ পৰা উৎপাদিত খাৰুৱা তেলৰ ক্ষেত্ৰত এই হাৰ দহ শতাংশ। ফলত সামুদ্ৰিক ক্ষেত্ৰত খাৰুৱা তেলৰ ৰয়েল্টী পূৰ্বৰ তুলনাত কমিল। ইয়াৰ ফলত অ' এন জি চি-য়ে মুম্বাই হাই অঞ্চলত তেল উৎপাদনৰ বাবে সংগ্ৰহ কৰা প্ৰায় তিনিশ কোটি টকা ঘূৰাই দিয়াৰ পৰিবেশৰ সৃষ্টি হৈছিল। কেন্দ্ৰীয় চৰকাৰে ৰয়েল্টীৰ ওপৰত কৰা নতুন সিদ্ধান্তই ৰাজহুৱা খণ্ডৰ ওপৰত আঘাত পেলাব। ১৯৯৮-ৰ এপ্ৰিলৰ পৰা ২০০২-ৰ মাৰ্চলৈ নতুন নিৰিখ মতে চাউল উৎপাদনকাৰী ৰাজ্যকেইখনে পাবলগা বকেয়া ধন অ' এন জি চি আৰু অইল ইণ্ডিয়াই আদায় দিবলগা হ'ল। কেন্দ্ৰীয় চৰকাৰে দায়িত্ব নলয়। ফলত ৪৩৬ কোটি টকাৰ দুয়োটা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ওপৰত নতুন হেঁচা পৰিল। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্ত ৰাজহুৱা খণ্ডৰ ওপৰত সহযোগিতা নে ব্যক্তিগত বা বহুজাতিক গোষ্ঠীৰ স্বাৰ্থত ষড়যন্ত্ৰ, সেইটো সময়ত স্পষ্ট হ'ব। অৱশ্যে ৰয়েল্টীৰ নতুন নিৰিখ পদ্ধতিয়ে ৰাজ্যকেইখনৰ ৰাজহ কিছু পৰিমাণে বৃদ্ধি কৰিব আৰু অ' এন জি চি আৰু অইল ইণ্ডিয়াৰ প্ৰায় দুশ কোটি টকা মুনাফা কৰাৰ পথো প্ৰশস্ত কৰিব।

২০০২-ৰ এপ্ৰিলৰ পৰা আন্তৰ্জাতিক বজাৰৰ প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্য ২৭

ডলাৰ হিচাপে লৈ তাৰ ২০ শতাংশ ৰয়েল্টী নিৰ্ধাৰণ কৰাৰ ফলত অসম আৰু গুজৰাটে প্ৰতি মেট্ৰিক টন খাৰুৱা তেলৰ ওপৰত ১২৫০ টকাকৈ ৰয়েল্টী লাভ কৰিছে। অৱশ্যে আন্তৰ্জাতিক বজাৰৰ খাৰুৱা তেলৰ মূল্য প্ৰতি সপ্তাহতে পৰিৱৰ্তন হয়, গতিকে ৰয়েল্টীৰ পৰিমাণো প্ৰতি সপ্তাহতে পৰিৱৰ্তন হয়। ৰাজ্য চৰকাৰে তাৰ বাবে বিশেষ 'মনিটৰিং' ব্যৱস্থা কৰা প্ৰয়োজন অন্যথা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ৰেয়েল্টী হিচাপৰ তাৰতম্যত অসমে প্ৰাপ্য ৰয়েল্টী লাভ কৰাত জটিলতাৰ সৃষ্টি হ'ব পাৰে। খাৰুৱা তেলৰ উৎপাদনশীল ৰাজ্য একমাত্ৰ অসম আছিল যদিও পিচত গুজৰাটে হাইড্ৰ'কাৰ্বন উৎপাদন কৰি তেল উৎপাদনত বিশ্বৰ মেপলৈ আহিল। এতিয়া অৰুণাচল, নাগালেণ্ডৰ পৰা কৃষ্ণাই-গোদাবৰী উপত্যকালৈকে তেল আৱিষ্কাৰ হৈছে। ৰাজস্থান আৰু তামিলনাডুত হাইড্ৰ'কাৰ্বনৰ উৎস আছে। ত্ৰিপুৰাত এক বৃহৎ পৰিমাণৰ প্ৰাকৃতিক গেছৰ সন্ধান ওলাইছে। ১৯৯১-৯২-ৰ তথ্যমতে দেশৰ প্ৰাকৃতিক গেছৰ ২০.৮ শতাংশ অৰ্থাৎ ১৫১.৭ বিলিয়ন কিউবিক মিটাৰ আৰু খাৰুৱা তেলৰ ১৯.৪ শতাংশ অৰ্থাৎ ১৫৬.২ মিলিয়ন মেট্ৰিক টনৰ ভাণ্ডাৰ অসমত আছে। অৱশ্যে যোৱা পোন্ধৰ বছৰত আৰু নতুন তৈলক্ষেত্ৰৰ সন্ধান পোৱা গৈছে। ১৯৯১-৯২-ৰ তথ্যৰ ওপৰত ভিত্তি কৰি আলোচনা কৰিলে খাৰুৱা তেল ভাণ্ডাৰৰ এক ভয়াবহ ভৱিষ্যতৰ কথা স্পষ্ট হৈ পৰে। আজিৰ পৰ্যায়ত অসমত খাৰুৱা তেলৰ উদ্ঘাটন চলি থাকিলে অহা ত্ৰিছ বছৰৰ পিচত অসমত খাৰুৱা তেলৰ সংকটে সমস্যাৰ সৃষ্টি কৰিব। অসমৰ নিজস্ব পুঁজিৰ ক্ষেত্ৰত খাৰুৱা তেলৰ গুৰুত্ব যথেষ্ট। অতি দুৰ্বল বিত্তীয় অৱস্থাটোত খাৰুৱা তেলৰ পৰা পোৱা ৰয়েল্টী আৰু কৰ ৰজহৰ পৰা পোৱা অংশৰ দ্বাৰা কিছু সহায়ক হয়, অৱশ্যে যথেষ্ট নহয়। আমাৰ প্ৰস্তাৱ হ'ল — খাৰুৱা তেলৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত ত্ৰিছ বছৰৰ পিচত অসমৰ ৰাজকোষে সন্মুখীন হ'বলগা সংকটৰ ওপৰত গুৰুত্ব দিহে সিদ্ধান্ত ল'ব লাগে।

১৯৮৪-৮৫ চনত ৰয়েল্টীৰ পৰা অসমৰ ৰাজকোষলৈ আহিছিল ৩৩.১৫ কোটি টকা।১৯৮৯-৯০-ত ১৬৪.০৫ কোটিলৈ বৃদ্ধি হৈছিল। দেশত ঘৰুৱাভাৱে উৎপাদিত খাৰুৱা তেলৰ মূল্য নিৰুপন পদ্ধতি ১৯৯২ চনলৈ অ-পৰিৱৰ্তিত হৈ থকাত অ' এন জি চি আৰু অইলে প্ৰাপ্য মূল্য নাপাই আপত্তি কৰিছিল। তেতিয়া তেলৰ মূল্য নিৰ্ধাৰণ কমিটীৰ সূত্ৰ অনুসৰি সংসদ কমিটীয়ে খাৰুৱা তেলৰ নতুন মূল্য নিৰ্ধাৰণ কৰিছিল। সেই সময়ত কৰা পদ্ধতি অনুসৰি অ' এন জি চি আৰু অইলৰ উৎপাদন কৰা মূল্যৰ ওপৰত ভিত্তি কৰি খাৰুৱা তেলৰ ৰয়েল্টী নিৰ্ধাৰণ কৰা হৈছিল। উৎপাদিত মূল্য আৰু চেচ্‌ৰ বিছ শতাংশ ৰয়েল্টী হিচাপে ৰাজ্যৰ ৰাজহলৈ আহিছিল আৰু চাৰি শতাংশ কৰ গ্ৰহণ কৰা হৈছিল। ৯২-ৰ ৰয়েল্টী নিৰ্ধাৰণ পদ্ধতি অনুসৰি খাৰুৱা তেলৰ উৎপাদনৰ ব্যয় বৃদ্ধি নহ'লে ৰাজ্যই পাবলগা ৰয়েল্টীৰ পৰিমাণ বৃদ্ধি হ'ব নোৱাৰে। ১৯৯২-ৰ

পিচত ১৯৯৪-৯৫-ত ৰয়েল্টী হিচাপে অসমৰ ৰাজকোষলৈ আহিছিল ২৫৭.৫৬ কোটি। ১৯৯৭-৯৮-ত ৩০১.৯৬ কোটি, ১৯৯৮-৯৯-ত ৩১৯.৭৩ কোটি, ২০০০-২০০১-ত ৩৬৮.০৪ কোটি আৰু ২০০১-২০০২-ত প্ৰায় ৪০০ কোটি টকা। ৰয়েল্টীৰ উপৰিও তৈলখণ্ডৰ পৰা বিক্ৰী কৰ শিতানত খাৰুৱা তেলৰ পৰা ১০৫ কোটি আৰু তৈলজাত সামগ্ৰীৰ পৰা ৩৭১ কোটি লৈ মুঠ ৪৭৬ কোটি টকা অসমৰ সংগ্ৰহ হয়। বছৰে প্ৰায় ৮৮০ কোটি টকা সংগ্ৰহ হৈ থকা খাৰুৱা তেলৰ ক্ষেত্ৰখনৰ গুৰুত্ব অসমৰ অৰ্থনীতিত অপৰিসীম। উল্লেখ্য যে ১৯৯৯ চনলৈ ৰাজ্য চৰকাৰে প্ৰতি মেট্ৰিক টন খাৰুৱা তেলত ৫৭৮ টকাকৈ ৰয়েল্টী লাভ কৰিছিল। পিচত পৰ্যায়ক্ৰমে ৭৫০ টকা, ৮০০ টকা, ৮৫০ টকা হ'ল। নতুন পদ্ধতিমতে বৰ্তমান অসমে ৰয়েল্টী লাভ কৰে প্ৰতি মেট্ৰিক টনত ১২৫০ টকাকৈ। প্ৰশ্ন হ'ল ত্ৰিছ বছৰৰ পিচত খাৰুৱা তেলৰ সংকটৰ সৃষ্টি কৰাৰ সম্ভাৱনা থকা অসমৰ বাবে টকাই যথেষ্ট নে?

❑ **আমাৰ প্ৰস্তাৱ ঃ** অসমে খাৰুৱা তেলৰ ওপৰত ৰয়েল্টী হিচাপে ৫২৫ টকা পাই থকা একেটা সময়তে কিন্তু কেন্দ্ৰীয় চৰকাৰে চেচৰ নামত প্ৰতি টন খাৰুৱা তেলৰ পৰা ৯০০ টকাকৈ বছৰি প্ৰায় ৪৫০ কোটি টকা সংগ্ৰহ কৰিছিল। ২০০১ চনৰ পৰা চেচৰ পৰিমাণ ১৮০০ টকালৈ বৃদ্ধি কৰাত বছৰি প্ৰায় ৯০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা সংগ্ৰহ কৰে। সেই গতি এতিয়াও অব্যাহত আছে। ভাৰত চৰকাৰে দেশীয়ভাৱে উৎপাদিত খাৰুৱা তেলৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে তৈলক্ষেত্ৰৰ বিকাশ সাধন কৰাৰ বাবে এক ব্যৱস্থা কৰিছিল। ১৯৭৪ চনত অইল ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট এক্ট প্ৰণয়ন কৰি প্ৰতি মেট্ৰিক টন খাৰুৱা তেলৰ ওপৰত চেচ্ সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল, সংগৃহীত চেচ্ কেন্দ্ৰীয় পুঁজিত জমা কৰা হয় আৰু ইয়াৰ পৰা তৈলক্ষেত্ৰৰ সম্প্ৰসাৰণ আৰু উন্নয়ণৰ লগতে তৈল উদ্যোগৰ লগত জড়িত শিল্পায়নৰ বিকাশৰ বাবে দান অথবা অনুদান দিয়া হয়। অতি পৰিতাপৰ কথা যে তৈল উদ্যোগৰ বিকাশৰ বাবে সংগ্ৰহ কৰা এই টকা কেন্দ্ৰীয় চৰকাৰে ব্যয় নকৰি কেন্দ্ৰীয় বাজেটৰ অন্য শিতানত খৰচ কৰি আছে। খাৰুৱা তেল উৎপাদন কৰা ৰাজ্যৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ ই এক অন্য লুণ্ঠন। সংগৃহীত চেচ্ নামৰ উপকৰৰ বৃহৎ অংক অসমৰ। প্ৰতি বছৰে অসমৰ তৈলক্ষেত্ৰৰ পৰা চেচৰ জৰিয়তে প্ৰায় ৯০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে তৈলক্ষেত্ৰৰ উন্নয়ণৰ নামত সংগ্ৰহ কৰে। চেচৰ দ্বাৰা সংগৃহীত ৯০০ কোটি টকা যদি তৈলক্ষেত্ৰৰ সম্প্ৰসাৰণত খৰচ নকৰে তেন্তে কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ ওপৰত চেচ সংগ্ৰহ কৰাৰ কোনো অধিকাৰ থাকিব নোৱাৰে। যোৱা ৩০ বছৰত কেন্দ্ৰীয় চৰকাৰে চেচৰ নামত অসমৰ খাৰুৱা তেলৰ পৰা কমেও ১৫ হাজাৰ কোটি টকা সংগ্ৰহ কৰিছে। .... প্ৰস্তাৱ হ'ল নতুন নিৰিখৰ ৰয়েল্টী ১২৫০ টকা প্ৰতি মেট্ৰিক টনৰ নিৰ্ধাৰিত চেচৰ

১৮০০ টকা লৈ মুঠ ৩,০৫০ টকা কেন্দ্ৰীয় চৰকাৰে অসমক দিয়ক। চেচৰ পৰা কেন্দ্ৰই পোৱা বছৰি ৯০০ কোটি টকা অসমে নিজস্বভাৱে তৈলক্ষেত্ৰৰ সম্প্ৰসাৰণ, বিকাশ আৰু খাৰুৱা তেল আৰু প্ৰকৃতিক গেছৰ ওপৰত ভিত্তি কৰা শিল্পায়নৰ বিকাশৰ বাবে ব্যয় কৰিব পাৰিব। আমাৰ প্ৰস্তাৱ হ'ল অতিৰিক্তভাৱে ৰাজ্যই লাভ কৰা ১৮০ কোটি ৰয়েল্টীৰ টকা পাঁচ বছৰৰ বাবে জমা কৰি ৯০০ কোটি টকা মূলধন কৰিব লাগে। এই টকা ৰাজ্য চৰকাৰে আন্তৰ্জাতিক বিত্ত প্ৰতিষ্ঠানসমূহৰ লগত আলোচনা কৰি এক বৃহৎ অংকৰ পুঁজি সংগ্ৰহ কৰিব পাৰিব আৰু অহা পঞ্চাছ বছৰলৈ লক্ষ্য ৰাখি অসমৰ আন্তঃগাঁথনিৰ সমস্যা দূৰ কৰিবলৈ সক্ষম হ'ব।

❑ ❑ ❑

খাৰুৱা তেলৰ পিছত বিকল্প সম্পদৰ সন্ধান কৰিব লাগিব

অসমৰ সম্পদ বুলিবলৈ হ'লে অন্যান্য সম্পদৰাজি আছে যদিও খনিজ তেলক ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থত বেছি গুৰুত্ব দিয়া হয়। প্ৰাপ্য মূল্যৰ বিপৰীতে ৰয়েল্টি হিচাপে অতি কম মূল্য পালেও জাতীয় পুঁজিৰ ক্ষেত্ৰত ই এক উল্লেখযোগ্য বিষয়। তেল ক্ষেত্ৰৰ ওপৰত শতিকাজোৰা প্ৰৱঞ্চনাই আমাৰ অৰ্থনীতিক লুণ্ঠিত কৰিলে। নিৰৱচ্ছিন্নভাৱে খাৰুৱা তেলৰ উদ্‌ঘাটনেৰে এই সম্পদ শোষণ কৰা হ'ল। সম্প্ৰতি ক্ৰমহ্ৰাসমান হৈ অহা তৈল ভাণ্ডাৰে আমাক আজি উদ্বিগ্ন আৰু উৎকণ্ঠিত কৰিছে। বিশাল তৈলক্ষেত্ৰৰ অন্তৰ্ধানে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব তাক এতিয়াই উপলব্ধি কৰা উচিত হ'ব। বিশেষ এক সমীক্ষাৰ মতে পৃথিৱীৰ বুকুত ৬৭০ বিলিয়ন বেৰেল খনিজ তেল মজুত আছে। বৰ্তমানৰ দৰে ব্যৱহাৰ অব্যাহত থাকিলে এই খনিজ তেল ত্ৰিছটা বছৰত শেষ হোৱাৰ সম্ভাৱনা আছে। অসমৰ ক্ষেত্ৰতো পৰিস্থিতি একে। ভূ-গৰ্ভত খনিজ তেলৰ ভাণ্ডাৰ অক্ষয় নহয়, ত্ৰিছ নহ'লেও চল্লিছ বছৰত ভাণ্ডাৰ শেষ হ'ব। খনিজ তেলৰ সলনি আন ইন্ধনৰ বাবে প্ৰযুক্তিগত নতুন কৌশলৰ প্ৰয়োজন আছে। আজিৰ বিজ্ঞানে এতিয়াও এই ক্ষেত্ৰত স্পষ্ট ধাৰণা দিব পৰা নাই যে খনিজ তেল নোহোৱাকৈ প্ৰয়োজনীয় ইন্ধন ক'ৰ পৰা আহিব? অসমৰ ক্ষেত্ৰত খনিত তেলৰ অবিহনে কি সম্পৰ্কে ভৱিষ্যত অৰ্থনীতিৰ শূন্যস্থান পূৰণ কৰিব, এতিয়াই নিৰ্ণয় কৰা উচিত হ'ব। আমি ভাবো অসমত এক বিকল্প সম্পদৰ সন্ধান কৰা প্ৰয়োজন।

অসমৰ নিজস্ব অৰ্থনীতিৰ স্বাৰ্থত অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত বিজ্ঞানসন্মতভাৱে জৰীপ কৰি আমাৰ সম্পদৰ ভঁড়াল আমি জানি লোৱা উচিত আছিল। খনিজ সম্পদৰ বৰ্তমানৰ স্থিতি আৰু নতুন মূল্যবান খনিজ সম্পদ উদ্‌ঘাটন কৰিব পৰা যায় নেকি, আজিৰ প্ৰযুক্তিবিদ্যাৰ কৌশলৰ সহায়ত জৰীপৰ প্ৰয়োজন আছে। আমাৰ বাবে এই ক্ষেত্ৰটো অতি পুতৌজনক অৱস্থা যে আমি নিজস্বভাৱে ভূ-সম্পদৰ ওপৰত জৰীপ কৰাৰ অধিকাৰ পাব নোৱাৰো। কেন্দ্ৰৰ কৃপাৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। কেন্দ্ৰই মালিকীস্বত্ব দেখুৱাই থাকোতেই আমেৰিকাই 'ছেটেলাইত ছাৰ্ভে'-ৰ দ্বাৰা ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ ভঁড়ালৰ স্থিতি নিজৰ নখ-দৰ্পণলৈ নিছে।

বিকল্প সম্পদৰ সন্ধানৰ ক্ষেত্ৰত আমি অসমত জল সম্পদক চিনাক্ত কৰিব বিচাৰো। জলসম্পদ এক অক্ষয় ভঁড়াল। বাৰিষা কালত প্ৰতি ছেকেণ্ডত ৭০,০০০ ঘনমিটাৰ জলৰাশি বহন কৰা ব্ৰহ্মপুত্ৰ পৃথিৱীৰ ভিতৰতে এখন উল্লেখযোগ্য নদী। অসমৰ মাজেৰে ৭২০ কিল'মিটাৰ অতিক্ৰম কৰা এই নদীৰ ওপৰত অসম বহু বিষয়ত নিৰ্ভৰশীল। ব্ৰহ্মপুত্ৰই সমগ্ৰ ভাৰতৰ নদীসমূহে কঢ়িয়াই নিব পৰা জলৰাশিৰ এক-তৃতীয়াংশ পানী অকলেই কঢ়িয়ায়। এনে ক্ষেত্ৰত অসমৰ জলসম্পদৰ ভঁড়াল কিমান শক্তিশালী হ'ব পাৰে অনুমান কৰি ল'ব পৰা যায়। কম্পিউটাৰৰ সহায়ত নদীৰ প্ৰতিৰূপ তৈয়াৰ কৰি ব্ৰহ্মপুত্ৰই কঢ়িয়াই নিয়া পানীৰ পৰিমাণ আৰু পৰিবহনৰ ক্ষমতাক স্পষ্ট কৰি ল'ব পাৰিলে অসমৰ ভৱিষ্যৎ অৰ্থনীতিত জলসম্পদৰ সহযোগ এক অনন্য হৈ পৰিব। জলসম্পদৰ ওপৰত সম্পূৰ্ণ জৰীপ কৰি ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে গৱেষণা কৰি প্ৰকল্প প্ৰস্তুত কৰাৰ বাবে আমেৰিকা, জাপান, চীন আদি দেশৰ পৰা সহায় পাব পৰা যায়। ভাৰত, বাংলাদেশ আৰু নেপালত বানসমস্যাৰ সৃষ্টি কৰা হিমালয়ৰ নদীবিলাক নিয়ন্ত্ৰণ কৰাৰ বাবে বিশ্ববেংকে বিত্তীয় আৰু কাৰিকৰীভাৱে সহায় কৰে। এছিয়ান উন্নয়ন বেংকৰ দৰে বিত্তীয় প্ৰতিষ্ঠানবিলাকৰ পৰাও সাহায্য পোৱা যায়। কানাডাৰ দৰে কিছু দেশে বিশেষ ৰাষ্ট্ৰীয় সাহায্য আগবঢ়াই থকা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত কিছু পেছাদাৰী মানসিকতাৰ প্ৰয়োজন আছে। অৱশ্যে সাহায্য পোৱাৰ আশাত উটি-বুৰি যাওঁতে লক্ষ্য ৰখা প্ৰয়োজন হ'ব যে আমেৰিকাৰ দৰে শক্তিয়ে যাতে ভিন্ন সুযোগ গ্ৰহণ কৰিব নোৱাৰে।

ব্ৰহ্মপুত্ৰৰ জলৰাশিয়ে তিনিটা অৰ্থনৈতিক সহযোগিতাৰ দিশক স্পষ্ট কৰিছে। শক্তি উৎপাদন, পৰিবহন আৰু সামূহিক অৰ্থনৈতিক উন্নতিৰ অন্যান্য সুযোগ। অসমৰ জলসম্পদৰ ওপৰত ভিত্তি কৰি ইতিমধ্যেই প্ৰস্তুত কৰা পৰিকল্পনাসমূহক কাৰ্যকৰী কৰিব পাৰিলে ৪০,৬৯০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব। প্ৰকৃতাৰ্থত অসমত ৭০ হেজাৰ মেগাৱাট জল বিদ্যুৎ উৎপাদন কৰাৰ উৎস আছে। ১৯৯৫ চনৰ ৩১মাৰ্চলৈ ভাৰতৰ মুঠ বিদ্যুৎ উৎপাদনৰ ক্ষমতা ৮১,১৬৫ মেগাৱাট, তাৰে ২৫.৭ শতাংশ জলবিদ্যুৎ ৭১.৬ শতাংশ থাৰ্মেল আৰু ২.৭ শতাংশ নিউক্লিয়াছ শক্তিৰ দ্বাৰা আহৰণ কৰা। লক্ষ্য কৰিবলগা বিষয় যে জলসম্পদৰ ওপৰত ভিত্তি কৰি উৎপাদন কৰা বিদ্যুতৰ উৎপাদন ব্যয় অতি কম। অসমত ৭০ হেজাৰ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰিব পৰা সুযোগলৈ লক্ষ্য কৰিলেই জলসম্পদৰ শক্তিশালী স্থিতি স্পষ্ট হৈ পৰে। জলসিঞ্চন, মৎস্য পালন, সহজ পৰিবহন ব্যৱস্থা আদিৰ লগতে কৃষিৰ অৰ্থনীতিত সহযোগ কৰিব পৰা বহু দিশ আছে। মূলতঃ জলসম্পদক অৰ্থনীতিৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ লগতে বান সমস্যা সমাধানৰ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন হ'ব।

অসমৰ জলসম্পদৰ ওপৰত আমি আজিও গুৰুত্ব সহকাৰে আলোচনা কৰা নাই। এতিয়াও এই বিষয়ত জনমত গঠন হোৱা নাই। কিন্তু অসমৰ সম্পদৰ ওপৰত সদাজাগ্ৰত ৰাষ্ট্ৰই খনিজ সম্পদৰ ওপৰত চালু ৰখা লুণ্ঠনৰ বেহুৰ দৰে জলসম্পদৰ ক্ষেত্ৰতো ইতিমধ্যেই লুণ্ঠনৰ বেহু ৰচনা কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিশাল জলবিদ্যুৎ শক্তিৰ উৎস স্পষ্ট হৈ পৰাত ৰাষ্ট্ৰই 'নেচনেল পাৱাৰ গ্ৰীড'ৰ হাতত অসমৰ সম্ভাব্য জলবিদ্যুৎ শক্তি কুক্ষিগত কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। বিদ্যুৎ উৎপাদন, বিতৰণ আৰু সৰবৰাহৰ ক্ষেত্ৰত পাৱাৰ গ্ৰীডৰ লগত ৰাজ্য চৰকাৰৰ কিছু স্বত্ব থকা প্ৰয়োজন আছিল। যদিও ৰাজ্য চৰকাৰৰ দূৰদৰ্শিতাৰ অভাৱ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি সন্দেহজনক স্থিতিয়ে ৰাষ্ট্ৰৰ কৌশল কাৰ্যকৰী কৰাত সহায়ক হৈছে। অসম চৰকাৰৰ বিদ্যুতৰ ক্ষেত্ৰত কোনো নীতি নথকাৰ ফলত আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰশাসনিক অকৰ্মণ্যতাৰ ফলত পাৱাৰ গ্ৰীডে উৎপাদন কৰা বিদ্যুতৰ ওপৰত কোনো প্ৰভাৱ নাথাকিব। আনকি পাৱাৰ গ্ৰীডে সৰবৰাহ কৰা বিদ্যুৎ শক্তি ৰাজ্যিক বিদ্যুৎ পৰিষদলৈ অনাৰ কোনো সুবিধা নাই। অহা দহ বছৰৰ ভিতৰত উৎপাদন হ'বলগা ৰঙানদী প্ৰকল্পৰ ৪০৫ মেগাৱাট, কঁঠালগুৰিৰ অতিৰিক্ত ১০০ মেগাৱাট আৰু কপিলীৰ অতিৰিক্ত ১০০ মেগাৱাটক লৈ মুঠ ৬০৫ মেগাৱাট পাৱাৰ গ্ৰীডৰ ৪০০ কে বি প্ৰবাহ লাইনৰ পৰা ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰবাহ লাইনলৈ আনিব নোৱাৰে। তাৰ বাবে প্ৰয়োজনীয় কামেই ৰাজ্যিক বিদ্যুৎ পৰিষদে কৰা নাই। ৰাজ্য চৰকাৰৰ এনে চৰিত্ৰৰ ফলত ৬০৫ মেগাৱাট উৎপাদিত বিদ্যুৎ শক্তিক ৰাষ্ট্ৰই বহিঃগমন কৰাৰ সুযোগ গ্ৰহণ কৰিব পৰাৰ পাচত ৭০ হেজাৰ মেগাৱাট জলবিদ্যুতৰ ওপৰত ৰাষ্ট্ৰই আমাক বঞ্চনা কৰাৰ কেনে সুযোগ ল'ব, তাক এতিয়াই ধাৰণা কৰিব পৰা হৈছে।

খনিজ তেলৰ পিচত জলসম্পদক আমি বিকল্প সম্পদ হিচাপে চিনাক্ত কৰিবলৈ যোৱাৰ সময়ত এইটো লক্ষ্য কৰিব লগা বিষয় হৈছে যে জলবিদ্যুৎ শক্তিৰ দৰে অসমৰ পানীৰ ওপৰতো ৰাষ্ট্ৰই কৰ্তৃত্ব সাব্যস্ত কৰিবলৈ গৈছে। গংগাৰ জলসম্পদ বৃদ্ধি কৰিবলৈ গৈ মানাহ-সোণকোষ-তিস্তা-গংগা নদী সংযোগ আঁচনিৰে অসমৰ পৰা পানী লৈ যোৱাৰ পৰিকল্পনা কৰিছে। অসমবাসীৰ সন্মতি নোলোৱাকৈ অসমৰ পানী বিহাৰ, পশ্চিমবংগৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে ৰাষ্ট্ৰৰ ষড়যন্ত্ৰ কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। অসমৰ জলসম্পদক অসমৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বিপৰীতে বেলেগৰ স্বাৰ্থত ব্যৱহাৰ কৰিব আৰু ৰাজ্য চৰকাৰখন মৌন হৈ থাকিব, এনে চৰিত্ৰৰ পৰিবৰ্তন কৰিবৰ হ'ল। ৫৭টা বছৰৰ ৰাষ্ট্ৰৰ শোষণ আৰু প্ৰৱঞ্চনাৰ পৰম্পৰা হোৱাটো অসমৰ জনগণে আৰু সহ্য নকৰে আৰু কৰা উচিতো নহয়। অসমৰ বিভিন্ন অঞ্চল আজি খৰাংপীড়িত বুলি চিহ্নিত হ'বলগা হৈছে। অসমৰ ভূ-ভাগৰ উপবিভাগৰ বিশেষ অধ্যয়ন আৰু জৰীপ কৰা প্ৰয়োজন।

ভূ-ভাগত বৰ্তমান কিমান পানী আছে আৰু আগন্তুক এশ বছৰলৈ হ'বলগা জনসংখ্যাৰ ভিত্তিত কিমান পানীৰ প্ৰয়োজন হ'ব, এইবিলাক নিৰ্দিষ্ট কৰি লোৱা উচিত আছিল।

আমি এই ক্ষেত্ৰত আজি দৃঢ় হোৱা উচিত যে আমাৰ পানী অতিৰিক্তভাৱে আনক দিয়াটো আজিৰ পৰিস্থিতিত সন্মতি নিদিওঁ। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনদীসমূহে কঢ়িয়াই অনা পানী অসমৰ জনগণৰ সম্পদ। এই জলসম্পদ অসমৰ জনগণৰ আৰু ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত ব্যৱহাৰ হওক। অসমৰ বিকাশ হ'লে ৰাষ্ট্ৰৰো বিকাশ হ'ব, সেইটো ৰাষ্ট্ৰৰ বাহকসকলে উপলব্ধি কৰা ভাল। জনগণৰ পক্ষত থাকি বিষয়সমূহ অনুভৱ কৰিবলৈ চেষ্টা কৰিলে জাতিটোৰ কিছু লাভ হ'ব।

ব্ৰহ্মপুত্ৰ বিশ্বৰ ভিতৰত অন্যতম বৃহৎ নদী। চীন, ভাৰত আৰু বাংলাদেশৰ মাজেৰে বৈ যোৱা এই নদীখনৰ ২৯০০ কিল'মিটাৰ দৈৰ্ঘ্যৰ ভিতৰত আধাখিনি তিব্বতকে ধৰি চীনৰ মাজেদি বৈ গৈছে। অসমৰ ভিতৰত ব্ৰহ্মপুত্ৰ নদী ৯১৮ কিল'মিটাৰ দীঘল আৰু ৩-ৰ পৰা ১৯ কিল'মিটাৰ বহল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ২৬খন আৰু দক্ষিনপাৰে ১৫খন উপনদীয়ে বিশাল জলসম্পদ কঢ়িয়াই নিছে। ব্ৰহ্মপুত্ৰই বছৰি গড়ে ৫২৭ নিযুত টন পলস কঢ়িয়ায়। এই পৰিমাণ গোদাবৰী নদীতকৈ বহুগুণ বেছি। ব্ৰহ্মপুত্ৰই কঢ়িওৱা পানীৰ পৰিমাণ বছৰি প্ৰায় ৫০ নিযুত হেক্টৰ মিটাৰ। ই ভাৰতৰ মুঠ জলসম্পদৰ ২০ভাগ। ব্ৰহ্মপুত্ৰই পাণ্ডুৰেদি প্ৰতি চেকেণ্ডত ৭২,৭৯৪ ঘন মিটাৰ পানী কঢ়িয়ায়। প্ৰধান উপনদীসমূহে ব্ৰহ্মপুত্ৰত পেলোৱা পানীৰ পৰিমাণ হ'ল—

দিছাং —৩৪%
দিবাং — ৭·৫৪%
লোহিত — ৯·৫০%
সোৱণশিৰী — ৯০·৩০%
অন্যান্যবোৰে— ৩৮ ৫৫%

চীনৰ উত্তৰ-পশ্চিম অঞ্চল মৰুভূমি অঞ্চল। দেশখনৰ মুঠ ভূ-খণ্ডৰ প্ৰায় আধাখিনি এই অঞ্চলে সামৰি লৈছে যদিও এই অঞ্চলত দেশখনৰ ৭ভাগ জলসম্পদহে আছে। গতিকে এই অঞ্চললৈ ব্ৰহ্মপুত্ৰক বোৱাই নিয়াৰ বাবে চীনত চিন্তা-চৰ্চা চলি আছে। পাৰমাণবিক বিস্ফোৰণৰ জৰিয়তে ব্ৰহ্মপুত্ৰক সেই অঞ্চললৈ বোৱাই নিয়াত কঠিন নহয়। এই প্ৰসঙ্গতো অসমত অধিক আলোচনাৰ প্ৰয়োজন হ'ব। ব্ৰহ্মপুত্ৰক যদি চীনৰ উত্তৰ-পশ্চিম অঞ্চললৈ বোৱাই নিয়া হয়, তেতিয়া অসমত তাৰ কি প্ৰভাৱ পৰিব? অৱশ্যে চীনৰ মাজেদি বৈ অহা ব্ৰহ্মপুত্ৰৰ উজনি অংশই পাণ্ডুত আহি পৰা পানীখিনিৰ শতকৰা ৩৪ ভাগৰ যোগান ধৰে। গতিকে চীনে সেই পানী আনফালে বোৱাই নিলেও অসমৰ ক্ষতি নহ'ব পাৰে। অৱশ্যে ব্ৰহ্মপুত্ৰৰ আধা অংশই চীনা ভূ-খণ্ডৰ মাজেদি বৈ

আহিছে, গতিকে নদীখন চীন চৰকাৰেও ব্যৱহাৰ কৰাৰ অধিকাৰ আছে। অসমৰ প্ৰস্তাৱ হ'ল— এই দিশটোৰ ওপৰত অসম চৰকাৰে এক স্পষ্ট ধাৰণা গ্ৰহণ কৰা উচিত আৰু সম্ভাব্য অৱস্থালৈ নিজকে প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব।

একেটা সময়তে কেন্দ্ৰীয় চৰকাৰৰ নদী সংযোগৰ প্ৰস্তাৱিত প্ৰকল্পটোৰ ওপৰতো অসম চৰকাৰে গুৰুত্ব সহকাৰে সিদ্ধান্ত ল'ব লাগিব। পঞ্চৰত্ন-যোগীঘোপা অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ পানী বছৰৰ বিভিন্ন সময়ত প্ৰবাহিত হয় সৰ্বনিম্ন ১,৬৩,০০০ কিউচেকৰ পৰা সৰ্বোচ্চ ২৯,৯২,৫০০ কিউচেকৰ ভিতৰত, এই পানী গোৱালপাৰা চহৰৰ পৰা ১০০ কিল'মিটাৰ অতিক্ৰম কৰি বাংলাদেশত প্ৰৱেশ কৰে আৰু বাংলাদেশৰ মাজেৰে ৩৭০ কিল'মিটাৰ বৈ গৈ গংগাৰ লগত সংলগ্ন হয়।

ব্ৰহ্মপুত্ৰৰ জন্মস্থলী অৰুণাচলত ব্ৰহ্মপুত্ৰ হ'লেও ইয়াৰ মূল উৎস মানস সৰোবৰ হ্ৰদ। সিন্ধু আৰু ব্ৰহ্মপুত্ৰৰ উৎসৰ স্থান একেটা। ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ স্থান উত্তৰ হিমালয়ৰ দক্ষিণভাগৰ কৈলাস পৰ্বতমালাৰ চেমা ইয়ংদং গ্লেছিয়াৰৰ পৰা বুলিও বিশ্বাস কৰা হয়। যাৰ উচ্চতা সাগৰপৃষ্ঠৰ পৰা ৫,১৫০ মিটাৰ। তিব্বতৰ পৰ্বতমালাৰ এটা ভূটান, চীন প্ৰদেশ অতিক্ৰম, কৰি চেংপো, জোকা চেংপো আদি বিভিন্ন নাম লৈ কপিলী নামৰ ঠাইত অৰুণাচল প্ৰদেশত সোমাই উত্তৰ অংশ চিয়াং আৰু দক্ষিণ অংশ দিহং নামেৰে কমেও ২০০ কিল'মিটাৰ পাহাৰীয়া অঞ্চল বাগৰি আহি পাচিঘাটেৰে অসমত প্ৰৱেশ কৰি দিবং আৰু লুইতত সংলগ্ন হৈ বৰলুইত, মহাবাহু ব্ৰহ্মপুত্ৰ নামেৰে অসমৰ পশ্চিম প্ৰান্তৰ ধুবুৰীলৈ গতি কৰি বাংলাদেশত প্ৰৱেশ কৰে।

[জিতেন দাসৰ তথ্যলৈ কৃতজ্ঞতাৰে] বাংলাদেশত পদ্মা নাম লৈ বঙ্গোপসাগৰত পৰে। চেমা ইয়ংদং গ্লেছিয়াৰৰ পৰা বঙ্গোপসাগৰলৈ ব্ৰহ্মপুত্ৰৰ মূল দৈৰ্ঘ্য ২,৮৮০ কিল'মিটাৰ। ইয়াৰে ১৬২৫ কিল'মিটাৰ ভূটান-চীনত, ৯১৮ কিল'মিটাৰ ভাৰতবৰ্ষত, ৩৩৭ কিল'মিটাৰ বাংলাদেশত গঙ্গাৰ লগত সংলগ্ন হোৱা স্থানলৈ। ব্ৰহ্মপুত্ৰৰ মুঠ জলধাৰাৰ কালি ৫,৮০,০০০ বৰ্গ কিল'মিটাৰৰ ভিতৰত ভাৰতত ১,৯৫,০০০ আৰু বাংলাদেশত ৪৭,০০০ বৰ্গ কিল'মিটাৰ।

এই ব্ৰহ্মপুত্ৰৰ জলসম্পদক অসমৰ বিকল্প সম্পদ হিচাপে কেনেদৰে ব্যৱহাৰ কৰিব পৰা যায়, তাৰ আঁচনি প্ৰস্তুত কৰা অতি প্ৰয়োজন হ'ব।

❑ ❑ ❑

শতবছৰ গৰকা তৈল উদ্যোগকলৈ অসমৰ স্বাৰ্থত নতুন চিন্তাৰ প্ৰয়োজন

আমেৰিকাৰ পেনচিলভেনিয়াত ১৮৫৯চনত বাণিজ্যিক ভিত্তিত প্ৰথম খাৰুৱা তেল উৎপাদন কৰাৰ তিনি দশকৰ পাছতে অসমৰ ডিগবৈত ১৮৮৯চনত Assam Railway and Trading Company (ART Comp)-য়ে প্ৰথম তেল উলিয়াবলৈ সক্ষম হয়। ১৮৯০চনত অসমত প্ৰথম বাণিজ্যিক ভিত্তিত তেল উৎপাদন আৰম্ভ কৰা হয়। অৱশ্যে ১৮২৫চনতে বৃটিছ সৈন্য দলৰ আপোছদাৰী ভূবৈজ্ঞানীকে খাৰুৱা তেলৰ সন্ধান পায়। মেডলিবাট নামৰ ভূবৈজ্ঞানীক এজনে ১৮৬৫চনত তিনিচুকীয়া জিলাৰ লিডু, নামডাং, মাৰ্ঘেৰিটা অঞ্চলত ভূতাত্বিক জৰীপৰ কামেৰে মাকুমত পৰীক্ষামূলক খনন কাৰ্য আৰম্ভ কৰে। Mekelling Stewart and Company-ৰ হৈ গোদানাই ৬মিটাৰ তলতে খনন কাৰ্যকৰি তেল পাইছিল। পিচত বৃটিছ প্ৰতিষ্ঠান Burmah Oil Company-য়ে উজনি অসমৰ সমতল অঞ্চল আৰু নগা পাহাৰৰ লগতে কাছাৰ জিলাত তেলৰ বাবে ভূতাত্বিক জৰীপৰ কাম কৰি কতৃকাৰ্যতা লাভ কৰে। ভাৰতৰ স্বাধীনতাৰ পাছত অইল ইণ্ডিয়া লিমিটেড গঠন কৰা হয় আৰু ভাৰতীয় ভূতাত্বিক জৰীপ বিভাগৰ এটা অংশ তেল অনুসন্ধানৰ বাবে গঠন কৰা হয়। সেই অংশটোক Directorate of Oil and Natural Gas নামাকৰণ কৰি ১৯৫৫চনৰ হাইড্ৰ'কাৰ্বন অনুসন্ধানৰ বাবে অনুমতি প্ৰদান কৰা হয়। ১৯৫৬চনত ইয়াকে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ হিচাপে নামাকৰণ কৰা হয়। (উৎস ঃ বীৰেন্দ্ৰ ডেকাৰ পশ্চাপদ অসমৰ তৈল উদ্যোগ......)

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূগৰ্ভস্থ খনিজ তেল আৰু গেচৰ অন্বেষণ আৰু উদ্‌ঘাটনৰ বাবে অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেছ্ আয়োগে কাম কৰি আছে। ভাৰতীয় তেল নিগমে ডিগবৈ আৰু গুৱাহাটীত ক্ৰমে ০-৬৫নিযুত মেট্ৰিকটন আৰু ১০০০নিযুত মেট্ৰিকটন ক্ষমতা দুটা শোধনাগাৰৰ লগতে বঙাইগাঁৱত ২.৮৫নিযুত মেট্ৰিকটন ক্ষমতাৰ শোধনাগাৰ আৰু পেট্ৰ'ৰাসায়নিক প্ৰকল্প চলাই আছে। অসমৰ খাৰুৱা তেলৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভাৰতীয় তেল নিগমে বিহাৰৰ

বাৰাউনীটো শোধনাগাৰ আৰম্ভ কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনীভাগ, বৰাক উপত্যকা, ত্ৰিপুৰা, নাগালেণ্ড অইল ইণ্ডিয়া লিমিটেড আৰু অ এন্ জি চিয়ে খাৰুৱা তেলৰ ক্ষেত্ৰখনত কাম কৰি আছে। অইল ইণ্ডিয়া লিমিটেডে ডিগবৈ, নাহৰকটীয়া, মৰাণ, যোৰহাট, ডিগবৈ, শালমাৰী, কঠালনী, খাৰচাং, খুমতাই আদি তৈলক্ষেত্ৰসমূহৰ পৰা প্ৰায় ৩.৫০ নিযুত মেট্ৰিকটন খাৰুৱা তেল উৎপাদন কৰে। অইলে ইতিমধ্যে অসমৰ নতুন নতুন অঞ্চলৰ লগতে বাহিৰতো তেলৰ অম্বেষণৰ কামত জড়িত হৈ পৰিছে। অ' এন জি চি-য়ে মূলতঃ মুম্বাইৰ খাৰুৱা তেলৰ ওপৰত নিৰ্ভৰশীল যদিও অসমত প্ৰায় ২০৪০ নিযুত মেট্ৰিকটন খাৰুৱা তেল উৎপাদন কৰি আছে। অসম গেলেকী, ৰুদ্ৰসাগৰ, লাকুৱাত অ'এন জি চি-ৰ তৈল ক্ষেত্ৰ আছে যদিও কাছাৰ আৰু ত্ৰিপুৰাত নিগম তেলৰ উৎপাদন আৰু গেচৰ ব্যৱসায়িক উৎপাদনৰ বাবে জড়িত হৈ পৰিছে।

অসমত খাৰুৱা তেলৰ সম্ভাব্য-বাৰ্ষিক উৎপাদন (নিযুত মেট্ৰিকটন)				
	১৯৯৯-২০০০	২০০০-২০০১	২০০১-২০০২	২০০২-২০০৩
অইল ইণ্ডিয়া	৩·৩০	৩·৪২	৩.৫০	৩·৫০
অ এন জি চি	২ ০০	২·২০	২.৩০	২·৮০
জিঅ'এনেক্সো	০ ১৫	০·৪০	০·৫০	০·৬০
মুঠ উৎপাদন	৫·৪৫	৬·০২	৬·৩০	৬·৫০

নতুন ঔদ্যোগিক নীতিৰ গইনা লৈ তৈল ক্ষেত্ৰসমূহৰ প্ৰডাকচন চেয়াৰিং কণ্ট্ৰাক্ট, মেন মেনেজমেণ্ট কণ্ট্ৰাক্ট, জইণ্ট ভেনচাৰ কণ্ট্ৰাক্ট আদিৰ জৰিয়তে ব্যক্তিগত তথা বহুজাতিক গোষ্ঠীক সা-সুবিধা দি অইল ইণ্ডিয়া আৰু অ এন জি চি-ক দুৰ্বল কৰি অনা হৈছে। এই দুয়োটা প্ৰতিষ্ঠানৰ বহু কোটি টকা অবৈধভাৱে শ্বেয়াৰ বজাৰত বিনিয়োগ কৰাৰ প্ৰমাণ যৌথ সংসদীয় কমিটিৰ অনুসন্ধানত ধৰা পৰিছে। এইবোৰ সমস্যাই তৈল খণ্ডৰ এই ৰাজহুৱা প্ৰতিষ্ঠান দুটাক সংকটলৈ ঠেলি নিছে। ফলত নতুন তৈল ক্ষেত্ৰৰ আবিষ্কাৰত প্ৰতিষ্ঠান দুটা বিফল হোৱাৰ লগে লগে অসমৰ তৈল ভাণ্ডাৰৰ ওপৰত বহুজাতিক গোষ্ঠীৰ আগ্ৰাসন আৰম্ভ হৈছে। যিটো অসমৰ ভৱিষ্যৎ অৰ্থনীতিৰ বাবে ভয়াবহ। এই দিশটোৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিয়া উচিত হ'ব।

শতবছৰ গৰকি যোৱা তৈল উদ্যোগৰ প্ৰসংগত অসমত আজিও প্ৰকৃতাৰ্থত বিজ্ঞানসম্মত বাণিজ্যিক দিশেৰে আলোচনা কৰা হোৱা নাই, অতি তৰল আৰু আবেগক অত্যধিক গুৰুত্ব দিয়াৰ বাবে অসমে খাৰুৱা তেল শোধন কৰা উদ্যোগতে সীমাবদ্ধ থাকিবলগা হ'ল। তেল সম্পদৰ উদ্ঘাটন আৰু ইয়াৰ ব্যৱহাৰৰ দ্বাৰা ৰাজ্যখনৰ উদ্যোগিক ক্ষেত্ৰখনক কিমান দূৰ আগুৱাই নিব পৰা যায় সেইটো উপলব্ধি কৰিব

পৰা নহ'ল। কেন্দ্ৰীয় চৰকাৰৰ আৱেদনেই অৰ্থনীতিক আমি সমৰ্থন দি যোৱা হ'ল। পঞ্চশৰ দশকৰ শেষৰ ফালে অসমত শোধনাগাৰৰ দাবীত আন্দোলন হ'ল। ·৫০নিযুত মেট্ৰিকটন শোধন ক্ষমতা এটা পুতল্য শোধনাগাৰ আৰু ডিজেল, পেট্ৰ'ল আৰু কেৰাচিন প্ৰস্তুত কৰা সাধাৰণ ব্যৱস্থাটোতে আমি সকলো সন্তুষ্ট থাকিলো। আশীৰ দশকত একেটা ঘটনা ঘটিল বঙ্গাইগাওঁ শোধনাগাৰৰ ক্ষেত্ৰত, এটা পেট্ৰ'কেমিকেল প্ৰকল্প শোধনাগাৰৰ লগত সংলগ্ন কৰি স্থাপন কৰা হ'ল যদিও ভটিয়নী উদ্যোগ স্থাপনৰ প্ৰয়োজনীয় দিশটোক গুৰুত্ব দিয়া নহ'ল। পেট্ৰ'কেমিকেলছ প্ৰকল্পই উৎপাদন কৰা পলিয়েষ্টাৰ ফাইবাৰৰ ব্যৱহাৰেৰে অসমত অত্যাধুনিক সুতাকল কৰাৰ সুযোগ আমি গ্ৰহণ নকৰিলো। কেন্দ্ৰীয় চৰকাৰে ঔপনিবেশিক শোষণ কৰাটো সত্য, কিন্তু সেই শোষণ অব্যাহত ৰখাৰ বাবে সহযোগ আমিহে আগবঢ়াই আহিছো। অসমৰ ৰাজনীতিকসকল, চৰকাৰ আৰু সচেতন নাগৰিকসকলে চিন্তা-চেতনাৰে দিশটো মুকলি কৰিব পৰা হ'লে কেন্দ্ৰই ঔপনিবেশিক শোষণ চলাই ৰাখিব নোৱাৰিলেহেঁতেন। আমাৰ মানসিকতাক পৰিৱৰ্তন কৰিবৰ হ'ল। অসমতকৈ বহু পিছত ষাঠিৰ দশকত গুজৰাটত তেল উদ্‌ঘাটন হোৱাৰ পিছত তাৰ সচেতন চৰকাৰ আৰু উদ্যোগিক চিন্তা কৰা সকলে পেট্ৰ'কেমিকেলৰ উদ্যোগ স্থাপনত গুৰুত্ব দিলে। যোৱা পাঁচটা দশকত পেট্ৰ'কেমিকেলছ উদ্যোগৰ ক্ষেত্ৰত গুজৰাটে ৰাজ্যখনৰ লগতে দেশৰো ঔদ্যোগিক ছবিখনৰ পৰিৱৰ্তন কৰিব পাৰিছে। ইয়াৰ বিপৰীতে শতবছৰ তেল উদ্‌ঘাটনৰ ইতিহাসৰ গৰাকী অসমে চাৰিটা শোধনাগাৰ স্থাপন কৰি কেইটামান চাকৰিৰ বিনিময়ত অসমৰ খাৰুৱা তেলৰ দৰে সম্পদৰ ভঁড়াল শূন্য কৰাৰ প্ৰতিযোগিতাত নামি পৰিছে।

প্ৰয়াত বিশিষ্ট অৰ্থনৈতিক, চিন্তাবিদ ভূৱন বৰুৱাৰ মতে তেল সম্পদক কেন্দ্ৰ কৰি অসমত উদ্যোগ স্থাপনৰ বিপুল সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ এখন মুকলি হৈছিল ১৯৭৮চনত বঙাইগাঁৱৰ টালিগঞ্জত নিৰ্মিত হোৱা তেল শোধনাগাৰটোৰ স্থাপনত। আৰম্ভণিতে ১.৩৫ নিযুত টন শোধন ক্ষমতাৰে নিৰ্মিত এই শোধনাগাৰটোত সংযোজিত হৈছিল বহু প্ৰত্যাশিত পেট্ৰ'কেমিকেলছ গোট এটা আৰু তাত উৎপাদিত উৎপাদনৰাশিয়ে অসমৰ ভৱিষ্যত উদ্যোগীকৰণৰ এখন বিশাল ক্ষেত্ৰ মুকলি কৰিব বুলি স্বাভাৱিক কাৰণতে আশা কৰা হৈছিল। শোধনাগাৰ এটাই কেৱল মাথোন পেট্ৰ'ল, ডিজেল, এল পি জি, এভিয়েচন টাৰবাইন ফুৱেল আদিৰ দৰে কিছুমান মধ্যমীয়া পৰিবেশিক উৎপাদন কৰাটোৱেই যথেষ্ট নহয়। গুৰুত্বপূৰ্ণ হ'ল পেট্ৰ'কেমিকেল সামগ্ৰী উৎপাদন কৰাটো। তেতিয়াহে উদ্যোগৰ বিকাশ প্ৰকৃতাৰ্থত সম্ভৱ হ'ব। বঙাইগাঁৱত নিৰ্মিত শোধনাগাৰটোত যথেষ্ট পৰিমাণৰ ষ্টেইটৰান, মিক্সভাৰাণ আৰু ৰিফৰ্মাৰ নেপথ্য উৎপাদিত হোৱাৰ উপৰিও ইয়াৰ পেট্ৰ'কেমিকেলৰ গোটটোত

উৎপাদিত সামগ্ৰীবোৰ আছিল পেৰা জাইলিন, অৰ্থ জাইলিন, ডি এম টি, পলিষ্টাৰ ষ্টেবল ফাইবাৰ, কেলচিনেড পেট্ৰ'লিয়াম ক'ক আদিৰ নিচিনা বহুতো উৎপাদন ৰাশি। এনেবোৰ উৎপাদন ৰাশিৰ অৱলম্বনত গঢ়ি উঠিব পৰা সম্ভাব্য ভটিয়নী উদ্যোগবোৰ হ'ল— পেইণ্ট তৈয়াৰৰ বাবে দ্ৰাৱক, কীটনাশক দ্ৰব্য, ৰঞ্জকৰ উৎপাদন, পলিয়েষ্টাৰ ফিল্ম, ষ্টেবল ফাইবাৰ, পলিয়েষ্টাৰ ফিলামেণ্ট, য়াৰ্ন, ৰেজিন ইত্যাদি। পলিয়েষ্টাৰ, ষ্টেবল ফাইবাৰৰ নিচিনা সামগ্ৰীক অৱলম্বন হিচাপে লৈ অসমত বস্ত্ৰ উদ্যোগৰ বিশাল সম্ভাৱনাই দেখা দিছিল। কিন্তু দুটামান কেন্দ্ৰ উদ্যোগৰ বাহিৰে পেট্ৰ'ৰাসায়নিক আন উদ্যোগৰ বিকাশ নঘটিল।

অসম চুক্তিৰ আধাৰত ২৭৪০কোটি টকা ব্যয়ৰ সৰ্বাধুনিক প্ৰযুক্তি কৌশলৰে নুমলিগড়ত তিনি নিযুত মেট্ৰিকটন ক্ষমতাৰ শোধনাগাৰ আৰম্ভ কৰা হ'ল। ৰাজ্যখনৰ চাৰি নম্বৰ শোধনাগাৰটোৱেও এল পি জি, নেপথা, হাইস্পিদ ডিজেল, এভিয়েচন টাৰবাইন ফুৱেল, কেলচিনাইট ক'ক, উন্নত মানৰ কেৰাচিন আদি প্ৰস্তুত কৰিয়েই সন্তুষ্ট থাকিল।

দিল্লীৰ ওপৰত নিৰ্ভৰশীল অৰ্থনৈতিক ব্যৱস্থাৰ দ্বাৰা জাতীয় পুঁজি শক্তিশালী কৰা যে সম্ভৱ নহয়, সেই কথা ইতিমধ্যেই প্ৰমাণ হৈছে। সেইবাবেই আজি অসমবাসীৰ বাবে স্বতন্ত্ৰ জাতীয় অৰ্থনীতিৰ কাৰ্যসূচী অতীব জৰুৰী হৈ পৰিছে। স্থানীয় পুঁজিৰ বৃদ্ধিৰ দিশতো আগত ৰাখিয়েই সম্পদসমূহৰ অধিকাৰৰ প্ৰশ্নটো উত্থাপিত হ'ব লাগিব। আমি উপলব্ধি কৰিব পাৰিব লাগিব যে নিৰৱচ্ছিন্ন লুণ্ঠনৰ স্বাৰ্থতেই অসমৰ ভূ-গৰ্ভত থকা সকলো সম্পদৰ ওপৰত কেন্দ্ৰৰ অধিকাৰক সাব্যস্ত কৰি ৰখাৰ বাবে ভাৰতীয় সংবিধানত কৰ্তৃত্বৰ সংযোজন কৰা হৈছে। ৰাজ্যৰ ভূ-খণ্ডত ক'ত কিমান খনিজ সম্পদ আছে তাক জনাৰ ৰাজ্যৰ কোনো অধিকাৰ নাই। সকলো ধৰণৰ কৰ্তৃত্ব ৰাষ্ট্ৰই কুক্ষিগত কৰি ৰাখিছে। অন্যান্য খনিজ সম্পদৰ বিষয়ে আলোচনা এৰাই চলি কেৱল খাৰুৱা তেলৰ ওপৰতেই আলোচনা কৰিলেই এটাই স্পষ্ট হৈ পৰে যে ভাৰত ৰাষ্ট্ৰৰ লুণ্ঠনৰ বেহু কিমান শক্তিশালী আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত ফলাফল কিমান ইতিবাচক। খাৰুৱা তেলৰ উদ্‌ঘাটন, আহৰণ আৰু সৰবৰাহৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া তথা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ লাভজনক অৱস্থা আৰু অসমৰ সম্পদৰ পৰা কেন্দ্ৰই লাভ কৰা কৰৰ অংকলৈ লক্ষ্য কৰিলেই অসমৰ বঞ্চিত আৰু লুণ্ঠিত অৱস্থাটোক অনুভৱ কৰিব পৰা যায়। দেশৰ ঘৰুৱাভাৱে উৎপাদিত খাৰুৱা তেলৰ মূল্য নিৰূপণ পদ্ধতি ১৯৯২চনলৈ অপৰিৱৰ্তিত হৈ থকাত অ' এন জি চি আৰু অইলে প্ৰাপ্য মূল্য নাপাই আপত্তি কৰাত তেলৰ মূল্য নিৰ্ধাৰণ কমিটীৰ সূত্ৰ অনুসৰি সংসদ কমিটিয়ে খাৰুৱা তেলৰ নতুন মূল্য স্থিৰ কৰিলে। অ' এন জি চি আৰু

অইলৰ উৎপাদন কৰা খৰচৰ ওপৰত ভিত্তি কৰি খাৰুৱা তেলৰ মুল্য নিৰূপণ কৰা হ'ল ইয়াৰ উপৰি প্ৰতি মেট্ৰিকটন খাৰুৱা তেলৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে ৯০০টকাকৈ চেচ্ গ্ৰহণ কৰিলে। তদুপৰি উৎপাদিত প্ৰতিষ্ঠানে চাৰি শতাংশকৈ বিক্ৰীকৰ দিবলগা হ'ল। অন্যহাতে উৎপাদিত মুল্য আৰু চেচৰ কুৰি শতাংশ ৰয়েল্টি হিচাপে ৰাজ্যৰ প্ৰাপ্য নিৰ্ধাৰণ কৰা হ'ল। ১৯৯২চনৰ পদ্ধতি অনুসৰি তেলৰ মুল্য আৰু কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰি নিয়া চেচৰ পৰিমাণ বৃদ্ধি কৰাৰ ওপৰতে ৰাজ্যৰ প্ৰাপ্য ৰূপায়িত বৃদ্ধি নিৰ্ভৰ কৰিবলগা হয়। ১৯৯২চনত অসমে প্ৰতি মেট্ৰিটনত ৫২৮টকাকৈ ৰয়েল্টি পোৱাৰ পদ্ধতিগত দিশটো আছিল—

খাৰুৱা তেলৰ মূল্য নিৰূপণ	টকা/মেট্ৰিকটন
(ক)অ' এন জি চি আৰু অইলে উৎপাদন কৰা খাৰুৱা তেলৰ বাবে প্ৰাপ্য মূল্য	১৭৪১
(খ) কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা চেছ	৯০০
(গ)ৰাজ্যৰ প্ৰাপ্য ৰয়েল্টি ২০% (ক+খ)	৫২৮
(ঘ) বিক্ৰীকৰ ৪%	১২৭

উল্লিখিত তালিকাৰ পৰা এইটো স্পষ্ট যে ৰাষ্ট্ৰৰ নীতিমতে খাৰুৱা তেলৰ উৎপাদনৰ মূল্য বৃদ্ধি নহ'লে ৰাজ্যই পাব লগা ৰয়েল্টিৰ পৰিমাণ বৃদ্ধি হ'ব নোৱাৰে। ৰয়েল্টি নিৰ্ধাৰণৰ সম্পূৰ্ণ পদ্ধতিৰ পৰিৱৰ্তনৰ অবিহনে অসমে ৰয়েল্টিৰ নামত অতি সামান্য টকাৰ বৃদ্ধিতে সন্তুষ্ট থাকিবলগা হ'ব। যিটো আজিও হৈ আছে। বৰ্তমান ৰয়েল্টিৰ আহৰণৰ পদ্ধতিৰ পৰিৱৰ্তন হৈছে। খাৰুৱা তেল উদ্ঘাটনৰ বাবে প্ৰয়োজনীয় মূল্যৰ ১২.৫শতাংশ ৰয়েল্টি হিচাপে গ্ৰহণ কৰা হয়। আমাৰ প্ৰস্তাৱ হ'ল— এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগে। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্যৰ ওপৰত ভিত্তি কৰিহে ৰয়েল্টি নিৰ্ধাৰণ কৰা উচিত হ'ব। আজি আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ প্ৰতি মেট্ৰিকটনৰ মূল্য ১৮.৫৯৬টকা। আন্তৰ্জাতিক বজাৰৰ খাৰুৱা তেলৰ মূল্যৰ ওপৰত ১২.৫শতাংশ ৰয়েল্টি গ্ৰহণ কৰা ব্যৱস্থা কৰিব পাৰিলে ২,৩২৫টকাকৈ প্ৰতি মেট্ৰিক টনত অসমে ৰয়েল্টি পালেহেঁতেন। খাৰুৱা তেলে ৰাষ্ট্ৰৰ সম্পত্তি হিচাপে অসমে আন্তৰ্জাতিক বজাৰৰ মূল্য নাপাব পাৰে, কিন্তু আন্তৰ্জাতিক বজাৰৰ হিচাপত ৰয়েল্টি পাব পৰা ব্যৱস্থা কৰিব লাগিব। এনে ব্যৱস্থা কৰাব পাৰিলে কেৱল খাৰুৱা তেলৰ ৰয়েল্টিৰ পৰাই অসমৰ ৰাজ্যকোষলৈ বছৰি কমেও ১,১৬০কোটি টকাৰ সহযোগ আহিলহেঁতেন। ৰয়েল্টি নিৰ্ধাৰণৰ সম্পূৰ্ণ পদ্ধতিৰ পৰিৱৰ্তনৰ অবিহনে অসমে ৰয়েল্টিৰ নামত অতি সামান্য টকাৰ বৃদ্ধিতে সন্তুষ্ট থাকিব লগা হয়। এনে

ক্ষেত্ৰত প্ৰয়োজন হ'লে খাৰুৱা তেলৰ পৰা কেৱল ৰয়েল্টিতে সন্তুষ্ট নাথাকি ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা খাৰুৱা তেলৰ আন্তৰ্জাতিক বজাৰৰ মূল্য দাবী কৰা উচিত হ'ব। তৈল উদ্যোগৰ পৰা ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰা আৰু শিল্পায়নৰ বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ স্বাৰ্থত খাৰুৱা তেলৰ দৰে গুৰুত্বপূৰ্ণ সম্পদৰ ওপৰত আমাৰ অধিকাৰ কেনে হ'ব তাক স্পষ্ট কৰি পোৱা উচিত হ'ব। ৰাজকোষ টনকিয়াল নোহোৱাকৈ কেৱল কেন্দ্ৰৰ ৰাজকোষৰ স্বাৰ্থত অসমৰ খাৰুৱা তেল উদ্‌ঘাটন কৰি থকা ব্যৱস্থা সমৰ্থনযোগ্য নহয়। প্ৰয়োজন হ'লে অসমৰ খাৰুৱা তেলক ভৱিষ্যৎ পুৰুষৰ বাবে সংৰক্ষণ কৰা উচিত হ'ব। শতবছৰ গৰকি অহা অসমৰ তৈল খণ্ডৰ পৰা ৰাজ্যখনৰ সামূহিক উন্নয়নত কেনে বৰঙণি আগবঢ়ালে তাক পৰ্যালোচনা কৰাৰ প্ৰয়োজন হৈছে। অসমত প্ৰায় ১৫৮মিলিয়ন টন খাৰুৱা তেল জমা আছে বুলি ধাৰণা কৰা হয়। গতিকে এই খাৰুৱা তেল এটা সময়ত শেষ হৈ যাব বুলি ধৰি লৈহে খাৰুৱা তেলৰ মূল্য আৰু ব্যৱহাৰক নিশ্চিত কৰিব লাগিব।

অসমৰ চাৰিটা তেল শোধনাগাৰৰ প্ৰধান উৎপাদিত সামগ্ৰী (০০০ মেট্ৰিক টন)

প্ৰধান উৎপাদিত সামগ্ৰী	১৯৯৯-২০০০				২০০০-২০০১			
	ডিগবৈ	গুৱাহাটী			এ'ন আৰ এ'ল		বি আৰ পি এ'ল	
এল পি জি	৪	২৫	৩৯	৪৯	১৩	২৭	৬১	৪৯
নেপথা	-	-	৩৭৬	৪০২	-	-	৫০৯	৪০২
মইৰ-স্পিৰিট	৯০	৯২	-	৪৮	৯৮	১১২	-	৪৮
এভিয়েচন টাৰবাইন ফুৱেল	-	-	৪০	৭০	-	-	৮১	৭০
চুপিৰিয়ৰ কেৰাচিন	১৫২	৪১০	৬৯২	৯২১	২৮১	৪৫০	১২৩২	৯১২
এৰ'মেক্স	১০	১০	-	-	১০	-	-	-
ফাৰ্নেচ অইল	১০৩	-	৪৯	-	৮৬	-	৫৪	-
মম	৩৩	-	-	-	৩৫	-	-	-

উৎস ঃ অইল ইণ্ডিয়া আৰু অ এন জি চিৰ প্ৰতিবেদন

প্ৰাকৃতিক গেছৰ অবাধ প্ৰজ্বলন অন্য এক অনমনীয় অপৰাধ

অসমৰ সম্পদসমূহৰ প্ৰকৃত ব্যৱহাৰৰ দ্বাৰা ৰাজ্যৰ অৰ্থনৈতিক চিত্ৰখন সম্পূৰ্ণ কৰিব পৰা সম্ভাৱনাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই অসমৰ প্ৰাকৃতিক গেছৰ কথা মনলৈ আহে। বিশেষকৈ অহৰহ অবাবতে গেছবোৰ জ্বলাই দিয়াটোৱে আমাক বিদ্ৰোহী কৰি তোলে। সমগ্ৰ বিশ্বই অতি মূল্যবান বুলি স্বীকৃতি দিয়া প্ৰাকৃতিক গেছক অসমত বছৰত পিছত বছৰ ধৰি অবাবতে জ্বলাই থকা হৈছে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ শক্তিশালী সমল প্ৰাকৃতিক গেছ। প্ৰাকৃতিক গেছ সম্পদক কেন্দ্ৰীয় চৰকাৰৰ ৰাজহৰ প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ নিগম আৰু অইল ইণ্ডিয়া লিমিটেডে অবাবতে জ্বলাই নষ্ট কৰাটোক আমি প্ৰকৃততে এক গুৰুতৰ দণ্ডনীয় অপৰাধ বুলি গণ্য কৰাৰ প্ৰয়োজন আছে। প্ৰাকৃতিক গেছ জ্বলাই নষ্ট কৰাৰ প্ৰতিবাদত জনমত গঠন হোৱাৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট কৰ্তৃপক্ষই গেছ জ্বলাই নষ্ট কৰা যুক্তিক খণ্ডন কৰিবলৈ কাকতত বিজ্ঞাপন দিযা পৰিলক্ষিত হয়। অসমৰ মাটিত অত্যাধিক খাৰুৱা তেল উদ্ঘাটন কৰা সময়ৰে পৰা গেছ জ্বলাই দি নিমাতে থাকি আজি প্ৰাকৃতিক সম্পদ হিচাপে ব্যৱহাৰৰ দাবী উত্থাপনৰ সময়ত এনে বিজ্ঞাপনধৰ্মী প্ৰচাৰ কাৰ্যত সন্দেহৰ অৱকাশ আছে। প্ৰাকৃতিক গেছৰ সদব্যৱহাৰৰ প্ৰশ্নটো উত্থাপিত হোৱাৰ লগে লগে অসমত গেছৰ ভাণ্ডাৰ শেষ হোৱাৰ উপক্ৰম হৈছে বুলি ৰাষ্ট্ৰৰ দ্বাৰা প্ৰচাৰ চলোৱা হয়। উজনি অসমৰ তৈল ক্ষেত্ৰসমূহত বৰ্তমান ৭০হাজাৰ নিযুত ঘন মিটাৰ প্ৰাকৃতিক গেছ মজুত থকাৰ লগতে ইতিমধ্যেই কেইবাখনো গেছ ভাণ্ডাৰেৰে পূৰ্ণ তৈল পথাৰ চিনাক্ত কৰা হৈছে। আধুনিক প্ৰযুক্তি বিজ্ঞানৰ বাবে অতি প্ৰয়োজনীয় এই সম্পদক অসমৰ অৰ্থনৈতিক স্বাৰ্থত আজিও প্ৰকৃততে ব্যৱহাৰ কৰা হোৱা নাই। নামৰূপ সাৰ কাৰখানা, বিদ্যুৎ পৰিষদ, কিছু চাহ বাগিছা আৰু ঘৰুৱাভাৱে ব্যৱহাৰ হোৱাৰ বাহিৰে প্ৰাকৃতিক গেছক কেঁচামাল হিচাপে লৈ শিল্পায়ণৰ বিকাশৰ বাবে কাৰ্যকৰী পদক্ষেপ আজিও লোৱা হোৱা নাই। এটা উদাহৰণ— কেন্দ্ৰীয় চৰকাৰে অতি কৌশলেৰে গেছ নিৰূপণ সমিতি গঠন কৰি অসম চৰকাৰৰ দ্বাৰাই থলুৱা উদ্যোগসমূহৰ প্ৰাপ্য গেছৰ পৰা বঞ্চিত কাৰইছে। অসম চৰকাৰৰ দ্বাৰা গঠিত হোৱা

গেছ নিৰূপণ সমিতিয়ে নামৰূপ সাৰ কাৰখানাৰ পৰা পূৰ্বে নিৰ্ধাৰিত ১.৭৬৫নিযুত ঘনমিটাৰ গেছৰ পৰিৱৰ্তে মাত্ৰ ১.১৫নিযুত ঘনমিটাৰহে গেছ যোগান ধৰি ১৯৯৪চনৰ এপ্ৰিল মাহৰ পৰা ১৯৯৫চনৰ আগষ্ট মাহলৈ মুঠ আঠাইশ কোটি টকা লোকচানত অৰিহণা আগবঢ়ালে। একেদৰে বিদ্যুৎ পৰিষদৰ লগত গেইলে চুক্তি কৰা প্ৰয়োজনীয় গেছ নিদিয়াত বিদ্যুৎ পৰিষদৰ বিদ্যুৎ উৎপাদনত বাধাৰ সৃষ্টি হৈছে আৰু লোকচানৰ পৰিমাণ বাঢ়িছে।

অসমৰ প্ৰাকৃতিক গেছক শিল্পায়নৰ উদ্দেশ্যত ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে কেৱল ১৯৮৫-ৰ পৰা ১৯৯২চনৰ ভিতৰতে ৬৮৭৯.৮৭নিযুত ঘনমিটাৰ গেছ জ্বলাই দি অসম তথা ৰাষ্ট্ৰৰ সম্পত্তি নষ্ট কৰা হৈছে। ১৯৮৫চনৰ পৰা ১৯৯২চনলৈ অসমৰ প্ৰাকৃতিক গেছৰ অৱস্থিতিৰ প্ৰতি লক্ষ্য কৰিলে নিম্ন উল্লিখিত লোকচানৰ দিশটো স্পষ্ট হৈ পৰে—

বছৰ	মুঠউৎপাদন নি ঘ মি	জ্বলাই দিয়া পৰিমাণ নি ঘ মি.	জ্বলাই দিয়া শতাংশ হিচাপ	দৈনিক উৎপাদন নি ঘ মি	দৈনিক জ্বলাই নষ্ট নি ঘ মি	ব্যৱহাৰ কৰা নি.ঘ.মি
১৯৮৪ ৮৫	২০৪২ ৯৩	১০৮৮·৮৫	৫৩ ২৮	৫ ৫৯	২ ৯৮	২ ৬১
১৯৮৫-৮৬	২০১৩ ০১	৯৭৪ ৩২	৪৮·৪০	৫ ৫২	২ ৬৭	২৮ ৫
১৯৮৬ ৮৭	২১২৬ ২২	৯৫৮ ৭৪	৪০ ৩৪	৫ ৮৩	২ ৬৩	৩ ২০
১৯৮৭-৮৮	২১৪২ ৯৩	৮৭৩ ৯৪	৩৯ ১০	৫ ৮৭	২ ৩০	৩ ৫৭
১৯৮৮-৮৯	২১৫০ ৭৪	৮৪৯·২৩	৩৯ ৯৫	৫·৮৯	২ ৩৫	৩ ৫৪
১৯৮৯-৯০	২১৫১ ০১	৮০৫ ৮৯	৩৭ ৪৬	৫ ৮৯	২ ২১	৩ ৬৮
১৯৯০-৯১	২০০২ ৬০	৬৫৭·৫০	৩২·৮৩	৪ ৪৮	১·৮০	৩ ৫৮
১৯৯১-৯২	২০৪৬ ০০	৬৯৭ ৩৩	৩৮·০৮	৫ ৬১	১ ৯১	৩ ৭০
	১৬,৬৭৫·৪৪	৬,৮৭৯ ৮৭	৪১·৩৩	৫ ৭১	২ ৩৬	৩ ৩৪

১৯৮৫ আৰু ১৯৯২চনৰ ভিতৰত প্ৰাকৃতিক গেছ প্ৰকৃতভাৱে ব্যৱহাৰ নকৰি জ্বলাই দিয়াৰ ফলত অসমে উত্তৰ-পূৰ্বাঞ্চলৰ মূল্যত ৬৮৭.৯৯কোটি টকা, ৰাষ্ট্ৰীয় মূল্যত ১৯২৬.৩৬কোটি আৰু আন্তঃৰাষ্ট্ৰীয় মুল্যত ২৪০৭.৯৫কোটি টকা হেৰুৱাবলগা হৈছে। গেছৰ মূল্যৰ তাৰতম্যই অসমক কৰি অহা প্ৰৱঞ্চনাৰ দিশো অধিক অস্পষ্ট কৰিছে। শোষণৰ স্বাৰ্থতেই প্ৰাকৃতিক গেছৰ উত্তৰ-পূৰ্বাঞ্চলৰ মূল্যৰ লগত ৰাষ্ট্ৰীয় মূল্য আৰু আন্তঃৰাষ্ট্ৰীয় মূল্যৰ যথেষ্ট বিসংগতি ৰখা হৈছে। ৰাষ্ট্ৰই অসমৰ ওপৰত শোষণৰ অন্য এক দিশ হ'ল জ্বলাই দিয়া গেছৰ ওপৰত কোনো প্ৰকাৰৰ ৰয়েল্টি নোপোৱাটো। প্ৰকৃততে খনিজাত সামগ্ৰীসমূহ মাটিৰ তলৰ পৰা উলিওৱাৰ লগে লগে ৰাজ্য চৰকাৰে ৰয়েল্টি পাব লাগে। কিন্তু প্ৰাকৃতিক গেছৰ ক্ষেত্ৰত এইটো প্ৰয়োগ কৰা নহয়। প্ৰাকৃতিক গেছৰ সৰ্বমুঠ উৎপাদনৰ বিপৰীতে অৰ্থাৎ '৯২-ৰ তথ্য

অনুসৰি প্ৰতিদিনে গড়ে ৫.৭১নিযুত ঘনমিটাৰৰ বিপৰীতে মাত্ৰ ৩.৩৫নিযুত ঘনমিটাৰৰ ওপৰতহে অৰ্থাৎ বিভিন্ন উপভোক্তাই ব্যৱহাৰ কৰা গেছৰ ওপৰতহে অসম চৰকাৰে ৰয়েল্টি সংগ্ৰহ কৰিব পাৰে। কিন্তু বাকী অবাবতে জ্বলাই দিয়া দৈনিক ২.৩৬ নিযুত ঘনমিটাৰ গেছৰ পৰা অসমে একো ৰাজহ পাব নোৱাৰে। এনে ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগিব। প্ৰাকৃতিক গেছ জ্বলাই দিয়াৰ ফলত অসমৰ জনগন দুই প্ৰকাৰে বঞ্চিত হৈছে—

(এক) জ্বলাই দিয়া প্ৰাকৃতিক গেছৰ জৰিয়তে সম্ভাৱনাপূৰ্ণ শিল্পায়নৰ বিকাশৰ পৰা বঞ্চিত হৈছে।

(দুই) জ্বলাই দিয়া প্ৰাকৃতিক গেছৰ ওপৰত ৰয়েল্টি নিৰূপণ কৰিব নোৱাৰাৰ বাবে অসমৰ জনগণে প্ৰাপ্য ৰাজহৰ পৰা বঞ্চিত হৈছে।

প্ৰাকৃতিক গেছৰ জ্বলাই দিয়া অংশৰ ওপৰত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু অইল ইণ্ডিয়া লিমিটেডে কোনো ৰয়েল্টি বা কৰ দিয়াৰ ক্ষেত্ৰত দায়বদ্ধতা নথকাৰ বাবে গেছ জ্বলাই দিয়াৰ ক্ষেত্ৰত অনিষ্টকৰ দিশসমূহৰো কোনো প্ৰতিৰোধৰ ব্যৱস্থা নকৰে। ফলত প্ৰাকৃতিক গেছ জ্বলাই দিয়া অঞ্চসমূহত পাৰিপাৰ্শ্বিকতাৰ এক ডাঙৰ সমস্যা হৈ পৰিছে। ১৯৮৯চনৰ বিশ্ববেংকৰ সমীক্ষা মতে এনেদৰে প্ৰাকৃতিক গেছ জ্বলাই দিয়াৰ ফলত বায়ুমণ্ডলত অ'জন হোলৰ সৃষ্টি হৈছে আৰু তেলজাতীয় দ্ৰব্য জ্বলাৰ ফলত পৰিবেশত ইয়াৰ স্থিতি ০.২৩শতাংশ বুলি উল্লেখ কৰিছে। এনে পৰিস্থিতি অতিশয় উদ্বেগজনক। আমাৰ প্ৰস্তাৱ হ'ল— প্ৰাকৃতিক গেছক উৎপাদনশীল কাৰ্যত ব্যৱহাৰ কৰিব নোৱাৰিলে ভৱিষ্যতৰ স্বাৰ্থত উপযুক্তভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা উচিত। অসমৰ সম্পদক কেৱল শোষণৰ স্বাৰ্থত ব্যৱহাৰ কৰা আৰু শোষণ কৰিব নোৱাৰিলে জ্বলাই অবাবত নষ্ট কৰাটো সহ্য কৰা উচিত নহ'ব। প্ৰাকৃতিক গেছৰ প্ৰজ্বলনক ৰোধ কৰিবৰ বাবে লোকসভাৰ পেট্ৰ'লিয়াম আৰু ৰাসায়নিক বিভাগৰ ষ্টেণ্ডিং সমিতিক দায়িত্ব দিয়া হৈছিল, ষ্টেণ্ডিং সমিতিৰ চেয়াৰমেন বল্লভ পানীগ্ৰাহীৰ নেতৃত্বত প্ৰস্তুত কৰা ২২নং প্ৰতিবেদনত প্ৰজ্বলনৰ কাৰণসমূহ এনেদৰে চিহ্নিত কৰা হয়—

কাৰিকৰী কাৰণ,

নিম্নচাপ কম অথবা অকলশৰীয়াকৈ থকাৰ বাবে ব্যৱসায়িকভাৱে লাভজনক নোহোৱা,

গ্ৰাহকে ল'ব নোৱাৰাৰ বাবে,

সংলগ্ন ব্যৱস্থা আৰু যাৱতীয় কম্প্ৰেচাৰ নোহোৱাৰ বাবে।

প্ৰথম দুটা কাৰণ গ্ৰহণযোগ্য হ'লেও তৃতীয় কাৰণটো কেতিয়াও গ্ৰহণযোগ্য হ'ব

নোৱাৰে। গ্ৰাহকে ল'ব নোৱাৰাৰ বাবে বুলি কোৱাৰ সময়ত গেছৰ ওপৰত প্ৰতিষ্ঠিত নামৰূপ সাৰ কাৰখানা, অসম পেট্ৰ'ৰসায়নিক প্ৰকল্প, নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ সকলোৱেই আজি গেছৰ নাটনিত পৰি উৎপাদনত লোকচান ভৰিবলগা হৈছে। প্ৰাকৃতিক গেছ সাধাৰণতে দুটা অৱস্থাত খাদত থাকে। তেলখণ্ডৰ পৰা খাৰুৱা তেলৰ লগতে ওলোৱা গেছক 'এচোচিয়েটেড গেছ' বুলি কোৱা হয়। এই গেছক খাৰুৱা তেল উলিওৱাৰ সময়ত উলিয়াবলগীয়া হয়। যিবিলাক খাদত মাত্ৰ গেছহে থাকে, খাৰুৱা তেলৰ অৱস্থিতি অতি নগণ্য এনে গেছক 'নন্ এছোচিয়েটেড গেছ' বুলি কোৱা হয়। এল পি জি উদ্যোগত গেছ ব্যৱহৃত হোৱাৰ পিছত হাইড্ৰ'কাৰ্বনসমূহ আঁতৰি যোৱাত পাতল গেছ নামৰ গেছৰ উদ্ভৱ হয়। ৰাসায়নিক উদ্যোগত গেছৰ সম্পূৰ্ণ সংমিশ্ৰণৰ দৰকাৰ হয়। আমাৰ প্ৰস্তাৱ হ'ল এছোচিয়েটেড গেছহে ৰাসায়নিক উদ্যোগত যোগান ধৰিব লাগে আৰু পাতল গেছখিনিক পৃথক লাইনৰ দ্বাৰা ইন্ধন হিচাপে ব্যৱহাৰ কৰাৰ ব্যৱস্থা হ'ব লাগে।

গেছৰ মূল্যৰ তাৰতম্যই অসমক কৰি অহা প্ৰবঞ্চনাৰ অন্য এটা দিশো অধিকভাৱে স্পষ্ট কৰিছে। শোষণৰ স্বাৰ্থতেই প্ৰাকৃতিক গেছৰ উত্তৰ-পূৰ্বাঞ্চলৰ মূল্যৰ লগত ৰাষ্ট্ৰীয় মূল্য আৰু আন্তঃৰাষ্ট্ৰীয় মূল্যৰ বিসংগতি ৰখা হৈছে। ভাৰত চৰকাৰৰ বিভিন্ন ঠাইত উৎপাদিত প্ৰাকৃতিক গেছৰ দাম পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ এল ১২০১৫/২/৮৮ জি পি-ৰ দ্বাৰা নিৰ্ধাৰণ কৰি দিছিল, ১৯৯২চনৰ ১জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ গেছৰ মূল্য হ'ল—

১। এইচ বি জে লাইন— প্ৰতি ঘনমিটাৰত ২৪০০টকা

২। মুম্বাই সাগৰীয় অঞ্চল— প্ৰতি ঘনমিটাৰত ১৫৫০টকা

৩। উত্তৰ-পূৰ্বাঞ্চল— প্ৰতি ঘনমিটাৰত ১০০০টকা প্ৰতিবছৰে ১০০টকাকৈ বৃদ্ধি হোৱাৰ সূত্ৰে আজি ২০০৫-ত এইচ বি জে লাইনৰ প্ৰতি ঘনমিটাৰত ৩৭০০টকা, মুম্বাই সাগৰীয় অঞ্চলত ২৮৫০টকা আৰু উত্তৰ-পূৰ্বাঞ্চলত গেছ প্ৰতি ঘনমিটাৰত ২৩০০টকা হ'ব লাগে, অসমৰ অতি মূল্যবান প্ৰাকৃতিক গেছ আজিও প্ৰকৃত উদ্দেশ্যত ব্যৱহাৰ হোৱা নাই। বহু সংখ্যক ভটিয়নী উদ্যোগৰ সম্ভাৱনা থকা ক্ষেত্ৰসমূহত প্ৰাকৃতিক গেছক প্ৰয়োজনীয়ভাৱে ব্যৱহাৰ কৰা নহ'ল। বঙাইগাঁও তেল শোধনাগাৰ আৰু পেট্ৰ'কেমিকেলছ লিমিটেডত যথেষ্ট সংখ্যক ভটীয়নি উদ্যাগৰ সম্ভাৱনা থকাৰ পাছতো কাৰিকৰী ভুল আৰু ভাৰত চৰকাৰৰ ষড়যন্ত্ৰমূলক আচৰণৰ বাবে প্ৰকল্পটোত উৎপাদন হোৱা ডি এন টি-ৰ পৰা মাত্ৰ কেইটামান বস্ত্ৰ উদ্যোগহে স্থাপন কৰা হৈছে। প্ৰস্তাৱিত গেছ ক্ৰেকাৰ প্ৰকল্প সঁচা অৰ্থত গঢ়ি উঠিলে আৰু ভাৰত চৰকাৰে ব্যক্তিগত খণ্ডৰ গোষ্ঠীসমূহৰ স্বাৰ্থত যৌথ ষড়যন্ত্ৰৰে অসমক পুনৰ বঞ্চিত নকৰিলে কমেও এহেজাৰটা নতুন উদ্যোগ গঢ়ি তুলিব পৰা যাব। অসমত শিল্পায়নৰ বিকাশ হোৱাৰ

লগতে জাতীয় পুঁজিৰ আকাৰ বৃদ্ধি কৰিব পৰা যাব। সংস্থাপনৰ ক্ষেত্ৰ বাঢ়ি গ'লে দেশীয় বজাৰখনেও শক্তিশালী স্থিতি লাভ কৰিব আৰু অসমেও অৰ্থনৈতিক বিকাশৰ প্ৰকৃত দিশত গতি ল'ব পাৰিব। আমাৰ প্ৰস্তাৱ হ'ল গেছ ক্ৰেকাৰ স্থাপনৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাবিলাকক তৎকালে আঁতৰ কৰিব লাগে, ৰাজ্য চৰকাৰসমূহে নিস্ক্ৰিয়তাৰ নীতিসমূহ পৰিৱৰ্তন কৰিব লাগিব। অসমৰ তৈল ক্ষেত্ৰৰ গেছ ভাণ্ডাৰত মজুত থকা প্ৰাকৃতিক গেছৰ আধাৰত যদি ক্ৰেকাৰ প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠে তাৰ ফলত ভটিয়নী উদ্যোগৰ বাবে প্ৰয়োজনীয় উপাদান ৰাশিৰ বাৰ্ষিক উৎপাদন হ'ব ঃ

(১) ল'ডেনচিটি পলিইথিলিন—১.২০লাখ টন

(২) ইথিলিন গ্লাইকল — ১ ২০লাখ টন

(৩) প্ৰথিলিন — ৬০,০০০টন

(৪) ইথিলিন — ২৯,০০০টন

(৫) বুটাদিন — ১৯,৬০০টন

(৬) চি-৪ ৰাফিনেট — ২৬,৪০০টন

(৭) এনডি এ'ল এক্সট্ৰেক্ট — ২০,৮০০টন

(৮) পাইৰাইটিক গেছলিন হাইড্ৰ'জেটেড — ৫১,৪০০টন

(৯) পাইৰ'লাইলিটিক ফুৱেল অয়স — ৭ ১০০টন

এনেবোৰ উপাদান ৰাশিৰ অৱলম্বনত অসংখ্য আনুষ্ঠানিক উদ্যোগ গঢ়ি তোলাৰ সম্ভাৱনা আছে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ যথেষ্ট সম্বল থকা এই প্ৰাকৃতিক গেছক কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগ তথা অইল ইণ্ডিয়া লিমিটেডে অৱাবত জ্বলাই নষ্ট কৰাটো এক দণ্ডনীয় অপৰাধ বুলি গণ্য হোৱা উচিত। আমাৰ প্ৰস্তাৱ হ'ল খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত নিৰূপিত ৰয়েল্টিৰ লগতে কৰ পদ্ধতিৰ নীতি একে হোৱা উচিত আৰু তাৰ বাবে মাটিৰ তলৰ পৰা ওলাই অহা ব্যৱহৃত আৰু অ-ব্যৱহৃত সমুদায় গেছৰ ওপৰতে ৰয়েল্টি নিৰ্ধাৰণ কৰিব লাগে। প্ৰাকৃতিক গেছক অধিক উৎপাদনশীল ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰিলে ভৱিষ্যতৰ স্বাৰ্থত উপযুক্তভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা হ'ব লাগে। প্ৰাকৃতিক গেছৰ ওপৰত ৰাজ্য চৰকাৰৰ নেতৃত্ব নিৰ্দিষ্ট কৰা সময় হৈছে। ৰাজ্যিক স্তৰত প্ৰাকৃতিক গেছৰ এখন আয়োগ গঠন কৰাটো প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত আমাৰ প্ৰস্তাৱ হ'ল অসমৰ প্ৰাকৃতিক গেছৰ স্থিতি আৰু এই সম্পদৰ প্ৰকৃত ব্যৱহাৰৰ পথ নিৰ্দিষ্ট কৰি অসমৰ জাতীয় পুঁজি বৃদ্ধিৰ দিশটোক আগত ৰাখি এক পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিব লাগিব।

❑ ❑ ❑

ভৱিষ্যদৰ্শন ঃ অসম-সংস্থাপন

অসমৰ অৰ্থনৈতিক বিকাশৰ বাবেই সংস্থাপনৰ প্ৰয়োজন

নিয়োগৰ ক্ষেত্ৰত এখন জাতীয় কাৰ্যসূচীৰ প্ৰয়োজন হ'ব

অসমত ঔদ্যোগিক তথা কৃষি অৰ্থনীতিৰ বিকাশেৰে জাতীয় পুঁজিক শক্তিশালী কৰিবলৈ হ'লে অসমত আভ্যন্তৰীণ বজাৰ ব্যৱস্থা গটি তোলাৰ প্ৰয়োজন হ'ব। বজাৰ ব্যৱস্থাটোক শক্তিশালী কৰিবলৈ হ'লে অসমৰ জনগণৰ ক্ৰয়ক্ষমতা বৃদ্ধি হ'ব লাগিব। আৰু ক্ৰয়ক্ষমতা বৃদ্ধি হ'বলৈ হ'লে সংস্থাপন অপৰিহাৰ্য। সমস্যাবহুল অসমত এই মুহূৰ্তত সংস্থাপনৰ বিষয়টো অতিশয় গুৰুত্বপূৰ্ণ। বিভিন্ন সামাজিক সংঘাতৰ ক্ষেত্ৰত সংস্থাপনৰ অভাৱক অন্যতম কাৰণ বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। অসমৰ প্ৰতিজন ব্যক্তিক লৈ জনমূৰি আয় বৃদ্ধি কৰাৰ স্বাৰ্থ আগত ৰাখি নিয়োগ ব্যৱস্থাটোক গতিশীল কৰিব পাৰিলে আৰু প্ৰতিজন ব্যক্তিক এক ব্যস্ততাৰ মাজত ৰাখিব পাৰিলে সামাজিক সংঘাতৰ বহুখিনি উপশম কৰিব পৰা যাব। সেই বাবেই সামাজিক দায়বদ্ধতাৰ লগতে জাতীয় পুঁজি গঠনৰ স্বাৰ্থত সংস্থাপনৰ দিশটোত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিব লাগিব। অনুৎপাদনশীল ক্ষেত্ৰৰ বিপৰীতে উৎপাদনশীল ক্ষেত্ৰত অসমৰ মানৱ সম্পদক ব্যৱহাৰ কৰাত গুৰুত্ব দি কাৰ্যকৰী আঁচনি গ্ৰহণ কৰিব লাগিব। শিল্পায়নৰ ক্ষেত্ৰত পিছপৰা অসমৰ কৰ্মসংস্থাপনৰ সুযোগ-সুবিধা পূৰ্বৰে পৰা অতি সীমিত। ইতিমধ্যে শিল্পৰ ক্ষেত্ৰখন ৰোগাক্ৰান্ত। নতুন অৰ্থনীতিৰ প্ৰভাৱত অসমত দ্ৰুত শিল্পায়নৰ পথ সন্দেহজনক। ঔদ্যোগিক ক্ষেত্ৰখনত ব্যাপক ছাটাই, লে-অফ, তলাবন্ধ, ৰাজহুৱা খণ্ডক ব্যক্তিগত খণ্ডলৈ নিয়াৰ নামত বৰ্তমান উৎপাদন বন্ধ, দৰমহা বন্ধ আদিয়ে অসমৰ নিবনুৱা সমস্যাক এক জটিল অৱস্থালৈ ঠেলি দিছে। সাম্ৰাজ্যবাদী পুঁজি আৰু একচেটিয়া পুঁজিক আজি বিধি প্ৰণয়ন কৰি হ'লেও পৃষ্ঠপোষকতা কৰাৰ ফলত আধুনিক প্ৰযুক্তিবিদ্যাৰ নামত আৰু মুক্ত বজাৰ অৰ্থনীতিৰ নামত নিবনুৱা সংস্থাপনৰ বিষয়টো এক গণ্য কৰিব নলগা বিষয় হিচাপে ৰাষ্ট্ৰই ধাৰণা কৰিবলৈ লৈছে। সকলো ক্ষেত্ৰতে কৰ্তৃত্বহীনভাৱে ব্যক্তিগত পুঁজিৰ অত্যধিক প্ৰাধান্যই নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰত সামাজিক দায়বদ্ধতাক এক

গৌণ বিষয় হিচাপে গ্ৰহণ কৰিবলৈ লৈছে। অটোমেছনৰ নামত বেংক, বীমা, ডাক-তাঁৰ বিভাগ, ৰে'ল বিভাগৰ লগতে তৈল উৎপাদনকাৰী উদ্যোগসমূহত তড়িৎ গতিত কৰ্মসংস্থাপন সংকুচিত কৰি অনা হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰায়বিলাক বিভাগতে মাইক্ৰো কম্পিউটাৰ, মিনি কম্পিউটাৰ, মিডি কম্পিউটাৰৰ পৰা ছুপাৰ কম্পিউটাৰলৈকে প্ৰযুক্তিগত কৌশলৰ ব্যাপক প্ৰয়োগে নিবনুৱা সংস্থাপনৰ দিশটোত সংকটৰ সৃষ্টি কৰিবলৈ লৈছে। বিজ্ঞান আৰু প্ৰযুক্তিগত কৌশলে মানৱ সম্পদৰ বিকাশৰ বাবে কাম কৰাৰ লগতে মানৱ সম্পদৰ প্ৰকৃত ব্যৱহাৰত বাধা হিচাপে থিয় দিলে এনে ব্যৱস্থা সমাজখনৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপহে হ'ব।

নিবনুৱাৰ গতি

অসমত চাকৰিৰ হাৰ ১.৭০ শতাংশলৈ কমি যোৱাৰ বিপৰীতে নিবনুৱাৰ হাৰ ১০.২ শতাংশলৈ বৃদ্ধি পাইছে। প্ৰতি বছৰে নিবনুৱাৰ তালিকা বাঢ়িবলৈ ধৰিছে। ২০০১ চনত ১৫.২৪লাখ পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা ২০০৩ চনত ১৫.৪২ লাখ আৰু ২০০৪ চনত ১৫.৮৫ লাখলৈ বৃদ্ধি পালে। এনে স্তৰত বৃদ্ধি পাবলৈ হ'লে ২০২০ চনলৈ অসমত কমেও ২৫লাখ পঞ্জীয়নভুক্ত নিবনুৱাৰ সৃষ্টি হ'ব। উল্লেখ্য যে এক বৃহৎসংখ্যক শিক্ষিত নিবনুৱাই আশাহত হৈ চৰকাৰৰ কাৰ্যালয়ত নাম পঞ্জীয়নভুক্ত নকৰে। এনে ক্ষেত্ৰত চৰকাৰৰ তথ্যসমূহকে আমি সম্পূৰ্ণ শুদ্ধ বুলি বিবেচনা কৰিলে ভুল হ'ব। চৰকাৰী তথ্য মতে পঞ্জীয়নভুক্ত নিবনুৱাসকলৰ ভিতৰত ৬৭ শতাংশই শিক্ষিত নিবনুৱা। ইয়াৰে ৫২ শতাংশ উচ্চ মাধ্যমিক পৰ্যায়ৰ আৰু ২৯ শতাংশ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ। ১৫শতাংশ স্নাতক পৰ্যায়ৰ আৰু বাকী অন্যান্য উচ্চ শিক্ষিত। নিয়োগৰ বাবে অতি চিন্তনীয় দিশটো হ'ল উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পঞ্জীভুক্ত হৈ থকা শিক্ষিত নিবনুৱাসকলক লৈ। ২০০৩ চনলৈ অসমত অভিযান্ত্ৰিক স্নাতক ১,৬৯৮ জন, কৃষি স্নাতক ১,১৮৫ জন, পশু চিকিৎসা স্নাতক ২৮৯ জন, চিকিৎসা স্নাতক ২৫২জন, স্নাতকোত্তৰ ১৫,৫১২ জন আৰু স্নাতক পৰ্যায়ৰ ১,৫৬,২৩৪ জন নিবনুৱাই সংস্থাপনৰ বাবে শাৰী পাতি আছে। কাৰিকৰী শিক্ষা গ্ৰহণ কৰা ৩১,৪৯২ জনেও নিয়োগৰ অপেক্ষাত আছে। এইটোও স্পষ্ট যে কেৱল চৰকাৰী কাৰ্যালয় অথবা ৰাজহুৱা খণ্ডত চাকৰিৰ সৃষ্টি কৰি এনে বৃহৎসংখ্যকৰ সংস্থাপন সম্ভৱ নহ'ব। ঔদ্যোগিক বিকাশ বা শিল্পায়নৰ বিকাশলৈ অপেক্ষা কৰিলেও নিবনুৱাৰ সংখ্যা গুণিতক হিচাপে বৃদ্ধি হ'ব। ৰাজ্যৰ ৬৫শতাংশ শিক্ষিত নাগৰিকৰ ভিতৰত ৭৪ শতাংশ কলা, ১২ শতাংশই বিজ্ঞান, ৬ শতাংশই পৰম্পৰাগতভাৱে বাণিজ্য শাখাত শিক্ষা গ্ৰহণৰ বিপৰীতে প্ৰযুক্তিগত আৰু বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰে মাত্ৰ ০.৪শতাংশইহে। গ্ৰামাঞ্চলত এই হাৰ আৰু অধিক নিম্নমানৰ।

নিবনুৱা সংস্থাপনৰ বাস্তৱসন্মত কাৰ্যসূচীৰ প্ৰয়োজন হ'ব

নিয়োগৰ ক্ষেত্ৰখনত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটা দৃষ্টিভংগী আগত ৰাখি আঁচনি প্ৰস্তুত কৰা উচিত হ'ব। ইতিমধ্যে নিয়োগ বিনিময় কেন্দ্ৰত শাৰী পাতি থকাসকলৰ বাবে পথ স্পষ্ট কৰাৰ প্ৰয়োজন আছিল। নিয়োগৰ ক্ষেত্ৰখনক জাতীয় পুঁজি বিকাশৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পৰা যায় যদিও এক দীঘল সময়ৰ বাবে স্থবিৰ হৈ থকা অসমৰ নিয়োগৰ ক্ষেত্ৰখনক গতিশীল কৰাৰ স্বাৰ্থতে ব্যক্তিগত পুঁজিৰ বিকাশৰ দিশটোক কিছু প্ৰাধান্য দিয়াৰ প্ৰয়োজন হ'ব। হ্ৰস্বম্যাদী কাৰ্যসূচী অনুসৰি পঞ্জীভুক্ত নিবনুৱাৰ বাবে চৰকাৰে অতি সুস্থিৰভাৱে আৰু সামাজিক দায়বদ্ধতা আগত ৰাখি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব; এইটোও ঠিক যে কেৱল চৰকাৰী কাৰ্যালয় আৰু চৰকাৰী খণ্ডত চাকৰি সৃষ্টি কৰি ৰাজ্যৰ নিবনুৱা সমস্যাক যে সমাধান কৰিব নোৱাৰি তাক অসম চৰকাৰৰ বিত্তীয় অৱস্থাই ইংগিত দিছে। হ্ৰস্বম্যাদী কাৰ্যসূচী হিচাপে কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববেংকৰ বিশেষ অনুদানৰ ওপৰত নিৰ্ভৰশীল গ্ৰামোন্নয়ন, কৃষি, সমাজ কল্যাণ আদি বিভাগৰ ওপৰত নিবনুৱা হৈ থকা শিক্ষিত স্নাতকসকলক নিৰ্ভৰশীল কৰাব পৰা যায়। ৰেল বিভাগ, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, ভাৰতীয় তেল নিগম, ক'ল ইণ্ডিয়াৰ দৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ লগতে অন্যান্য বিত্তীয় বাণিজ্যিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰসমূহত চৰকাৰীভাৱে জৰীপ কৰিলে কমেও এক লাখ স্নাতক নিবনুৱাৰ যোগ্য খালী পদ পূৰণ কৰিব পৰা যাব। নিয়োগৰ বাবে অতি চিন্তনীয় দিশটো হ'ল উচ্চতৰ আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ পঞ্জীভুক্ত হৈ থকা শিক্ষিত নিবনুৱা। এই বৃহৎ অংকৰ নিবনুৱাক সংস্থাপনৰ ক্ষেত্ৰত উৎপাদনমূলক ক্ষেত্ৰত শক্তিৰ প্ৰয়োগৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত উৎপাদনৰ লগত সংগতি ৰাখি আঁচনি প্ৰস্তুত কৰা উচিত হ'ব। নিবনুৱাসকলৰ স্ব-নিয়োজন ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ যোজনাসমূহক আৰু বিত্তীয় প্ৰতিষ্ঠানত স্ব-নিয়োজন আঁচনিসমূহক অতি পৰিকল্পিতভাৱে আৰু বজাৰৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাৰ্যকৰী কৰাব লাগিব। শিক্ষিত নিবনুৱাক উৎপাদন আৰু বজাৰ— দুয়োটা ক্ষেত্ৰতে পৰামৰ্শ দিব নোৱাৰিলে আঁচনিৰ সফল ৰূপায়ণ সম্ভৱ নহ'ব। আমাৰ প্ৰস্তাৱ হ'ল— ৰাষ্ট্ৰীয় ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব বুলি আশা পালি বহি থকাৰ বিপৰীতে জাতীয় পুঁজি গঠনৰ স্বাৰ্থ আগত লৈ জনমূৰি আয় বৃদ্ধিৰ বাবে কৰ্মসংস্থাপন নিৰ্দিষ্ট কৰিব লাগিব। কৰ্মসংস্থাপনক অগ্ৰাধিকাৰ দি এখন বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰয়োজন হ'ব।

হ্ৰস্বম্যাদী কাৰ্যসূচী অনুসৰি পঞ্জীয়নভুক্ত নিবনুৱাসকলৰ বাবে চৰকাৰে অতি সুস্থিৰভাৱে আৰু সামাজিক দায়বদ্ধতা আগত ৰাখি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইতিমধ্যেই পঞ্জীভুক্ত হৈ থকা ১,৬৯৮ জন অভিযান্ত্ৰিক স্নাতক আৰু ১,১৮৫ জন

কৃষি স্নাতকৰ ক্ষেত্ৰত চৰকাৰে ৰাজকোষৰ পৰা অতিৰিক্ত খৰচ নোহোৱাকৈ সংস্থাপন দিয়াৰ দিহা কৰিব পাৰে। অসমত প্ৰায় ৮৪০খন বৃহৎ চাহ বাগিচা আৰু ৫৭০টা উৎপাদনকাৰী উদ্যোগ আছে। প্ৰতিখন চাহ বাগিচাত এজনকৈ কৃষি স্নাতকক সহকাৰী পৰিচালক পদত নিযুক্তি দিয়াৰ বাবে চাহ বাগিচা কৰ্তৃপক্ষৰ লগত আলোচনা কৰি সিদ্ধান্ত ল'ব পাৰিলে নিবনুৱা হৈ থকা কৃষি স্নাতকসকলক সংস্থাপিত কৰিব পৰা যায়। আগন্তুক সময়ত শিক্ষা শেষ কৰি ওলাই আহিবলগা কৃষি স্নাতকসকলক কৃষিক্ষেত্ৰত নিয়োগ কৰাৰ বাবে আঁচনি গ্ৰহণ কৰাৰ বাবে বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাত আঁচনি প্ৰস্তুত কৰিব লাগিব। একেদৰে, অসমৰ চাহ বাগিচাত থকা ৫৭০টা উদ্যোগত অভিযান্ত্ৰিক স্নাতক এজনকৈ ফেক্টৰী সহকাৰী পৰিচালক পদত নিযুক্তি দিয়াব পৰা যায়। আনহাতে, গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে চৰকাৰে পথ, দলং আদি নিৰ্মাণৰ বাবে যি পৰিমাণৰ পুঁজি বিনিয়োগ কৰে, তেনে পৰিমাণৰ পুঁজি বিনিয়োগ কৰি জলসিঞ্চন, বান নিয়ন্ত্ৰণ আদি বিভাগত যথেষ্টসংখ্যক অভিযন্তা নিয়োগ কৰা হয়। আমাৰ প্ৰস্তাৱ হ'ল— অভিযান্তিক কাম-কাজৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ 'এ' আৰু 'বি' শ্ৰেণীভুক্ত প্ৰতিটো ব্লকৰ বাবে এজনকৈ অভিযান্তিক স্নাতক নিয়োগ কৰিলে প্ৰায় ১০০জন নিবনুৱা অভিযন্তাৰ সংস্থাপন হ'ব। আজিৰ পঞ্জীভুক্ত স্নাতকোত্তৰ নিবনুৱাক শৈক্ষিক, পৰিকল্পনা আৰু প্ৰশাসনিক ক্ষেত্ৰখনত জড়িত কৰাটোত অসুবিধা নহ'ব। অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণৰ স্বাৰ্থতেই স্নাতকোত্তৰ স্তৰৰ নিবনুৱাক মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰখনত জড়িত কৰাৰ প্ৰয়োজন হৈছে। হ্ৰস্বম্যাদী কাৰ্যসূচী হিচাপে কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববেংকৰ বিশেষ অনুদানৰ ওপৰত নিৰ্ভৰশীল গ্ৰামোন্নয়ন, কৃষি, সমাজ কল্যাণ আদি বিভাগৰ ওপৰত আজিৰ সাধাৰণ স্নাতকক নিৰ্ভৰশীল কৰিব পৰা যায়। ৰেল বিভাগ, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, ভাৰতীয় তেল নিগম, ক'ল ইণ্ডিয়াৰ দৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ লগতে অন্যান্য বাণিজ্যিক ক্ষেত্ৰত চৰকাৰীভাৱে জৰীপ কৰিলে কমেও এক লাখ স্নাতক নিবনুৱাৰ যোগ্য খালী পদ পূৰণ কৰিব পৰা যাব। নিয়োগৰ বাবে অতি চিন্তনীয় দিশটো হ'ল— উচ্চতৰ আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ পঞ্জীভুক্ত হৈ থকা ৮,৪৯,৪০৭জন শিক্ষিত নিবনুৱা। এই বৃহৎ অংকৰ নিবনুৱাক সংস্থাপনৰ ক্ষেত্ৰত উৎপাদনমূলক ক্ষেত্ৰত শক্তি প্ৰয়োগৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত উৎপাদনৰ লগত সংগতি ৰাখি আঁচনি প্ৰস্তুত কৰা উচিত হ'ব। ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থতেই কৃষি উদ্যোগক অগ্ৰাধিকাৰ দি শিল্প উদ্যোগৰ প্ৰসাৰৰ প্ৰয়োজন আছে। এই দিশত দীৰ্ঘম্যাদী আঁচনিৰে এখন ৰাজ্যিক পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰয়োজন হ'ব।

❑ ❑ ❑

সংস্থাপনৰ বাবে এখন বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰয়োজন

ভাৰতৰ বিভিন্ন জনগাঁথনিৰে পূৰ্ণ ৰাজ্যসমূহত অসমতাপূৰ্ণ অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত একক ৰাষ্ট্ৰীয় পৰিকল্পনা সমৰ্থনযোগ্য নহয়। ৰাজ্যিক স্থিতিৰ ওপৰত ভিত্তি কৰি পৰিকল্পনাৰ প্ৰয়োজনক ৰাষ্ট্ৰই নিজৰ স্বাৰ্থতে গুৰুত্ব আৰোপ কৰিবলৈ নিবিচাৰে। কেন্দ্ৰীয় পৰিকল্পনা আয়োগ আৰু বিত্তীয় আয়োগৰ কাৰ্যপদ্ধতিয়ে তাৰেই ইংগিত বহন কৰি আহিছে। এই দিশটোৰ ওপৰত এক ৰাষ্ট্ৰীয় পৰ্যালোচনাৰ প্ৰয়োজন হৈছে। আজিৰ ব্যৱস্থাৰ ভিতৰত এনে পৰ্যালোচনা কৰিবলৈ গ'লেও ইয়াৰ ফলাফল উলিওৱাত সময়ৰ প্ৰয়োজন হ'ব। আমাৰ প্ৰস্তাৱ হ'ল ৰাষ্ট্ৰীয় ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব বুলি আশা পালি বহি থকাৰ বিপৰীতে জাতীয় পুঁজি গঠনৰ স্বাৰ্থ আগত লৈ জনমূৰি আয় বৃদ্ধিৰ বাবে কৰ্মসংস্থাপনক মুখ্য হিচাপে লৈ ৰাজ্য চৰকাৰে নিজস্বভাৱে এক পঞ্চবাৰ্ষিক পৰিকল্পনা কাৰ্যকৰী কৰাৰ বাবে প্ৰস্তুত কৰিব লাগে। ৰাজ্যৰ সংস্থাপনৰ ক্ষেত্ৰত বিশেষ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল বিষয়সমূহৰ ভিতৰত দুগ্ধ উৎপাদন, মীন পালন, কণী আৰু হাঁহ-কুকুৰা উৎপাদন, গাহৰি উৎপাদনক বিশেষ অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰা উচিত হ'ব। কেউটি বিষয় পুঁজিতকৈ কম নিৰ্ভৰশীল হোৱাত কৰ্মসংস্থাপনৰ এক বিশাল ক্ষেত্ৰৰ উন্মোচন হ'ব। কেউটা খণ্ডৰ এটা জাতীয় আয় বৃদ্ধিৰ নিশ্চিত ক্ষেত্ৰ আছে। আলোচ্য বিষয়কেইটাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্তমানৰ বজাৰখনেই এক নিৰ্ভৰযোগ্য বজাৰ হ'ব। উল্লেখিত বিষয়সমূহত প্ৰাকৃতিক সুবিধা থকাত অসমৰ আন্তঃগাঁথনিৰ সমস্যাই বাধাৰ সৃষ্টি কৰিব নোৱাৰিব। উৎপাদনৰ ক্ষেত্ৰখন বাণিজ্যিক দিশেৰে সম্প্ৰসাৰণ কৰাত প্ৰয়োজনীয় মূলধনৰো সমস্যা নহ'ব। বিত্তীয় প্ৰতিষ্ঠানসমূহৰ লগতে আন্তৰ্জাতিক সংস্থাসমূহৰ পৰাও প্ৰয়োজনীয় পুঁজিৰ সুবিধা কৰিব পৰা যাব।

শ্বেত বিপ্লৱ ঃ অসমৰ জনসাধাৰণৰ দৈনন্দিন গাখীৰৰ চাহিদা আৰু গাখীৰৰ পৰা হ'ব পৰা বিভিন্ন উপাদানসমূহ উৎপাদনৰ আঁচনি গ্ৰহণ কৰিব লাগে। গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীসমূহৰ বাবে উদ্যোগ গঢ়ি তোলালৈকে গোটেই প্ৰক্ৰিয়াটোক সাঙুৰি এক 'শ্বেত বিপ্লৱৰ' সূচনা কৰিব পৰা যায়। গ্ৰাম্য জনতাৰ অৰ্থনৈতিক উন্নয়ন আৰু ৰাজ্যৰ জাতীয় আয় বৃদ্ধি কৰাৰ লগতে শ্বেত বিপ্লৱৰ কাৰ্যসূচীৰ জৰিয়তে শিক্ষিত,

অৰ্ধশিক্ষিত, অশিক্ষিত নিবনুৱাৰ এক বৃহৎ সংখ্যকক সংস্থাপন দিব পৰা যাব। শ্বেত বিপ্লৱৰ উদ্দেশ্য হ'ব—

- গ্ৰাম্য অঞ্চলৰ নিবনুৱাসকলৰ গৰু পোহাৰ দ্বাৰা আত্মসংস্থাপন
- দীৰ্ঘম্যাদী ভিত্তিত নিবনুৱাসকলক বিভিন্ন দিশৰ লগতে দুগ্ধ উদ্যোগত সংস্থাপনৰ পথ উলিওৱা,
- অসমৰ জনগণক পুষ্টিকৰ আহাৰ যোগান,
- গ্ৰাম্য জনতাৰ অৰ্থনৈতিক উন্নয়ন,
- ৰাজ্যৰ জাতীয় আয় তথা ৰাজহ বৃদ্ধি কৰা,

অসম চৰকাৰৰ ২০০৩-ৰ পৰিসংখ্যামতে বৰ্ণসংকৰ গৰু ৪,৪০,৩২১, সাধাৰণ শ্ৰেণীৰ গৰু ৭৯,৭৯,৩২৬, মহৰ সংখ্যা ৭,২৮,২২৯। গাখীৰৰ উৎপাদন ২০০৩-২০০৪ চনত ৭৯৬ নিযুত লিটাৰ যদিও প্ৰকৃত চাহিদা ইয়াৰ চাৰিগুণ। কেৱল চৰকাৰী হিচাবৰ গাখীৰৰ চাহিদা সম্পূৰ্ণ কৰিবলৈ হ'লেও বৰ্তমানে থকা গাই-ম'হৰ সংখ্যা চাৰিগুণ বৃদ্ধি কৰিব লাগিব। শ্বেত বিপ্লৱৰ কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয়ভাৱে ৰাজ্যত 'অসম দুগ্ধ উৎপাদন আৰু উন্নয়ন নিগম' স্থাপন কৰি তাৰ অধীনত মহকুমাভিত্তিত প্ৰশাসনিক চক্ৰ থাকিব। মহকুমাভিত্তিক প্ৰশাসনিক চক্ৰৰ তলত কাৰিকৰী দিশ আৰু বাণিজ্যিক দিশ এই দুটা বিভাগ থাকিব। গো উন্নয়ন, প্ৰজনন, খাদ্য, চিকিৎসা, আনুষংগিক উদ্যোগসমূহৰ দায়িত্ব কাৰিকৰী বিভাগৰ ওপৰত ন্যস্ত হ'ব। গো, দুগ্ধ আৰু বিতৰণ ইয়াৰ পৰা হ'বলগা উপাদানসমূহৰ বিক্ৰী আৰু নিগমৰ বাণিজ্যিক লাভ-লোকচানৰ দায়িত্ব বাণিজ্যিক বিভাগৰ ওপৰত ন্যস্ত হ'ব। প্ৰত্যেক মহকুমাৰ প্ৰধান কাম হ'ব গাখীৰ উৎপাদন, সংগ্ৰহ, বিক্ৰী আৰু অতিৰিক্ত পৰিমাণৰ গাখীৰৰ এটা অন্যান্য উপাদান উৎপাদনৰ বাবে নিগমৰ অধীনত থকা উদ্যোগলৈ স্থানান্তৰ কৰা।

গাখীৰ উৎপাদন ঃ গাখীৰ উৎপাদন প্ৰক্ৰিয়াটো মূলতঃ তিনিটা স্তৰৰ পৰা কৰিব পৰা যায়।

১। চৰকাৰী অনুদানপ্ৰাপ্ত ব্যক্তিগত গোপালক

২। চৰকাৰী অনুদানপ্ৰাপ্ত দুগ্ধ সমবায়

৩। দুগ্ধ উৎপাদন কৰা ব্যক্তিগত গোপালক আৰু সমবায়সমূহ

প্ৰত্যেক মহকুমাত এক লাখ নতুনকৈ গোপালনৰ বিজ্ঞানসন্মত ব্যৱস্থা কৰিলে কেৱল গোপালনতে নিবনুৱা সংস্থাপনৰ এক বৃহৎ আঁচনি প্ৰস্তুত কৰিব পৰা যায়। মহকুমাভিত্তিত মুঠ গোপালনৰ বিশ শতাংশ ব্যক্তিগত লোকক আৰু আশী শতাংশ দুগ্ধ সমবায়ক নিৰ্দিষ্ট কৰি দি চৰকাৰী অনুদান আৰু বেংক সাহায্যৰ ব্যৱস্থা কৰিব

পাৰি। ব্যক্তিগত লোকক তিনিজনীকৈ গাই দিলে মুঠ এক লাখ গাইৰ বিশ শতাংশ, বিশ হাজাৰ গাইক ব্যক্তিগত লোকক দিলে প্ৰায় সাত হাজাৰ গোপালক ৰূপত নিবনুৱাক সংস্থাপন দিব পৰা যাব। দহজন লোকৰ মাজত এশজনীকৈ গাই লৈ এক সমবায় কৰিলে মহকুমা এটাত আঠশখন দুগ্ধ সমবায়ৰ ৰূপ দি মুঠ আঠ হাজাৰজন লোকক সংস্থাপনৰ পথলৈ আৰু আৰ্থিক দিশৰ টনকিয়াল অৱস্থালৈ আনিব পৰা যাব।

চৰকাৰী অনুদানৰ প্ৰসংগ ঃ অসমৰ সমাজখন আৰ্থিক দিশত অতি দুৰ্বল হোৱাৰ বাবেই প্ৰতিটো ক্ষেত্ৰত চৰকাৰমুখী হ'বলৈ বাধ্য হয়। চৰকাৰৰ অনুদানসমূহৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিবলগা হয়, চৰকাৰে অনুদান দিয়াৰ পিচত অনুদান দিয়াৰ ক্ষেত্ৰৰ পৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থাটো নিৰ্দিষ্ট নহ'লে অনুদানসমূহৰ প্ৰকৃত ব্যৱহাৰ নহয়। নিবনুৱাসকলক বা আৰ্থিক দুৰ্দশাগ্ৰস্ত লোকসকলক গোপালনৰ বাবে অনুদান দিলে, এই গোপালকসকলৰ গাখীৰ নিগমৰ প্ৰকল্পত বিক্ৰী কৰাটো বাধ্যতামূলক কৰিলে. এফালে চৰকাৰী অনুদানসমূহ কৰ্মত ব্যৱহাৰ হ'ব আৰু নিগমৰ গাখীৰ সংগ্ৰহৰ পথ স্থিৰ হৈ থাকিব।

গোপালনৰ ক্ষেত্ৰত বৰ্ণসংকৰ গাইক প্ৰাধান্য দিয়া সমীচীন হ'ব। স্থানীয় গাইতকৈ বৰ্ণসংকৰ গায়ে চাৰি-পাঁচগুণ বেছিকৈ গাখীৰ দিবলৈ সক্ষম হয়। অসম বানপীড়িত অঞ্চল হোৱা বাবে সৰহভাগ ঠাই বছৰৰ বহু সময় পানীৰ তল গৈ থাকে। এনে ক্ষেত্ৰত অসমত ম'হ পালন বিশেষভাৱে সুবিধাজনক। ম'হৰ গাখীৰত চৰ্বিৰ পৰিমাণ গৰুৰ গাখীৰতকৈ বেছি থকাৰ বাবে ম'হৰ গাখীৰৰ পৰা অধিক ধন আয় কৰিব পাৰি। অন্যহাতে মাইকী ম'হেৰে হাল বোৱাতো বিশেষভাৱে সামাজিক বা ধৰ্মীয় বাধা নাই। গতিকে গাখীৰ উৎপাদনৰ লগতে অসমৰ কৃষকৰ খেতিৰ ক্ষেত্ৰতো সহায়ক হ'ব। পঞ্জাব, হাৰিয়ানা, গুজৰাট আদি ৰাজ্যত মুঠ গাখীৰ উৎপাদনৰ পয়সত্তৰ শতাংশ ম'হৰ গাখীৰ।

চৰকাৰে বেংকৰ জৰিয়তে আৰু নিগমে নিজাববীয়াকৈ গোপালকলৈ ধন আগবঢ়াব পাৰে। বেংকৰ ঋণ, নিগমৰ ঋণ আৰু চৰকাৰী অনুদান দিয়াৰ ক্ষেত্ৰত এক কাৰ্যকৰী পদ্ধতি স্থিৰ কৰি ল'ব লাগে। যিসকল লোকৰ কোনো খেতিৰ মাটি নাই, ঘৰত অন্য কোনো লোকৰ সংস্থাপনৰ ব্যৱস্থা নাই, অভিভাৱকসকলৰ আৰ্থিক অৱস্থা সম্পূৰ্ণ নিম্নস্তৰৰ, তেনে শ্ৰেণীৰ লোকক চৰকাৰে এশ শতাংশ অনুদান আগবঢ়াই গোপালনৰ আঁচনিৰ অধীনলৈ আনিব লাগে। এইসকলৰ বাহিৰেও অন্য গোপালকসকলৰ পৰাও নিগমে গাখীৰ সংগ্ৰহৰ ব্যৱস্থা কৰিব লাগে।

গাখীৰ সংগ্ৰহ ঃ প্ৰত্যেক মহকুমাত উৎপাদিত গাখীৰৰ ওপৰত ভিত্তি কৰি

শীতলীকৰণ কেন্দ্ৰ স্থাপন কৰিব লাগে। নিগমৰ অধীনত গোপালক আৰু সমবায়সমূহৰ পৰা আৰু অন্য গোপালকসকলৰ পৰা গাখীৰ সংগ্ৰহ কৰি আনিবৰ বাবে এক সুস্থ ব্যৱস্থাৰে নিগমৰ গাখীৰ সংগ্ৰহ কৰ্মীৰ দ্বাৰা সংগ্ৰহ কৰাব লাগে, এই সংগৃহীত গাখীৰৰ সম্পূৰ্ণ বিজ্ঞানসন্মত দিশটোক লক্ষ্য কৰিব লাগিব। নিগমৰ মহকুমা পৰ্যায়ৰ প্ৰশাসনৰ ক্ষেত্ৰত শীতলীকৰণ কেন্দ্ৰৰ লগতে ক্ৰীম, ঘি ৰখাৰ ব্যৱস্থা কৰিব পৰা যাব। এই গাখীৰ সংগ্ৰহৰ ব্যৱস্থাত কমেও এহাজাৰজন নিবনুৱাক এটা মহকুমাত সংস্থাপনৰ পথ দিব পৰা যাব।

গাখীৰ বিক্ৰী ঃ নিগমৰ গাখীৰ সংগ্ৰহৰ কৰ্মীৰ দ্বাৰা সংগৃহীত গাখীৰ পৰিবহনৰ সুব্যৱস্থাৰে মহকুমাৰ নিগমৰ শীতলীকৰণ কেন্দ্ৰলৈ আনিব লাগে আৰু ইয়াৰ পৰা এক নিৰ্দিষ্ট দৰত জনসাধাৰণক যোগান ধৰিব পৰা যাব। চাহিদাৰ অতিৰিক্ত গাখীৰ ক্ৰীম, ঘি আদিৰ উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা হ'ব। গোপালন, গাখীৰ সংগ্ৰহ, বিক্ৰী এই আচঁনিখন পতাৰ লগে লগে অসমৰ সৌমাজত গাখীৰৰ পৰা তৈয়াৰ কৰিব পৰা উপাদানসমূহ তৈয়াৰ কৰিবৰ বাবে এটা দুগ্ধ উদ্যোগ স্থাপন কৰিব লাগিব। শ্বেত কাৰ্যসূচীত নিবনুৱা সংস্থাপনৰ এটা বৃহৎ সুযোগ ওলোৱাৰ লগতে জাতীয় অৰ্থনীতিত যথেষ্ট লাভ হোৱাৰ আশা আছে। নিগমৰ মহকুমা পৰ্যায়ৰ গোপালক, গাখীৰ সংগ্ৰহৰ কৰ্মী বাহিনী, গাখীৰ বিক্ৰীৰ বাবে কৰ্মী, শীতলীকৰণ কেন্দ্ৰ, ক্ৰীম-ঘি কেন্দ্ৰ, দুগ্ধ উদ্যোগ আৰু প্ৰশাসনীয় ক্ষেত্ৰতো যথেষ্ট সংখ্যক সংস্থাপনৰ পথ নিশ্চিত হ'ব।

গোপালন, গাখীৰ উৎপাদন, যোগান আদিৰে লগতে গো-প্ৰতিপালনৰ বিভিন্ন ব্যৱস্থাসমূহক বিশেষভাৱে লক্ষ্য কৰিব লাগিব। গোৰ কৃত্ৰিম প্ৰজনন কেন্দ্ৰ, আহাৰ যোগান, গোপালকক প্ৰশিক্ষণ, পশু খাদ্য আৰু ঘাঁহ উৎপাদন, ঘাঁহৰ বীজ উৎপাদন এই প্ৰক্ৰিয়াসমূহ যথেষ্ট সংস্থাপনৰ পথ বাহিৰ হ'ব। ছয় লাখ পঞ্চাছ হাজাৰজনৰ সংস্থাপনৰ অন্য এক পথ হ'ব 'শ্বেত বিপ্লৱ'।

ভাৰতৰ দুগ্ধ উদ্যোগৰ বজাৰখন যথেষ্ট বৃহৎ পৰিসৰৰ। পশ্চিমীয়া দেশসমূহে দখল কৰি ৰখা গাখীৰভিত্তিক উদ্যোগৰ ক্ষেত্ৰখনত এতিয়া ভাৰতে এক গুৰুত্বপূৰ্ণ অৱস্থান গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। সেয়া ২০০২-০৩ বৰ্ষত কেৱল দুগ্ধ সামগ্ৰী ৰপ্তানি কৰিয়েই ভাৰতে ৩৫·৮৭ নিযুত আমেৰিকান ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১,৭২১·৮০ কোটি টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ভাৰতৰ পৰা সৰ্বাধিক বাংলাদেশলৈ ৮·৭৯ নিযুত ডলাৰ, জাৰ্মেনিলৈ ৬·৫০ নিযুত, সংযুক্ত আৰব এমেৰিটাচলৈ ৪·৯৬ নিযুত, আমেৰিকালৈ ৪·৫২ নিযুত আৰু ছিংগাপুৰ, য়েমেন, মৰক্কো, ছৌডি আৰব, নেপাল, কুৱেইট, ইজিপ্ত আদিলৈ দুগ্ধ সামগ্ৰী ৰপ্তানি হয়। অসমে বাংলাদেশৰ বজাৰ দখল কৰাৰ সুযোগ আছে।

আনহাতে অসমৰ প্ৰায় ১০,০২,০১০ বিঘাৰ মাছৰ বাবে সংৰক্ষিত বিল আৰু পুখুৰী আছে। এক পৰিকল্পিত আঁচনিৰে ২০ বিঘাকৈ প্ৰায় ৫০,১০০ টা খণ্ড কৰি মীন পালনৰ জৰিয়তে প্ৰত্যক্ষভাৱে ২ লাখ ৫০ হাজাৰ আৰু পৰোক্ষভাৱে প্ৰায় ১০ লাখ মানুহৰ সংস্থাপনৰ পথ নিৰ্দিষ্ট কৰিব পাৰি। অসমৰ নৱৈ শতাংশ মানুহ মৎসভোজী। এজন মানুহে বছৰেকত ১১ কেজিকৈ মাছ খোৱা বুলি ধৰিলে অসমত বছৰি ২.৬০ লাখ মেট্ৰিক টন মাছৰ প্ৰয়োজন। সম্প্ৰতি মাত্ৰ ১.৪০ লাখ টনমানহে ঘৰুৱাভাৱে উৎপাদন হয়। অসমলৈ প্ৰতি সপ্তাহত ৬০ মেট্ৰিক টন মাছ বাহিৰৰ পৰা আহে। বিশেষভাৱে অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছৰ বাবে অসমে বছৰি প্ৰায় ৩০০ কোটি টকা হেৰুৱাবলগা হয়।

অসমত কণীৰ চাহিদা বছৰি প্ৰায় ১০হাজাৰ নিযুত যদিও স্থায়ীভাৱে বছৰি প্ৰায় পাঁচশ নিযুত কণী উৎপাদন কৰা হয়। বৃহৎ পৰিমাণৰ কণীৰ বাবে বাহিৰৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। সামাজিক দায়বদ্ধতা আগত ৰাখি পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিলে কণী উৎপাদনৰ এক বিশাল বাণিজ্যিক ক্ষেত্ৰৰ সম্ভাৱনা দেখা যায়। ন্যূনতম আয় কৰিব পৰা আঁচনিৰ ভিত্তিত অসমত প্ৰয়োজনীয় কণী উৎপাদন এটা কৰিব পাৰিলে প্ৰত্যক্ষভাৱে তিনিলাখ মানুহৰ সংস্থাপনৰ পথ স্পষ্ট হৈ পৰিব। আৰ্থিক সহায়ৰ ক্ষেত্ৰত সৰ্বভাৰতীয় সমবায় উন্নয়ন নিগমৰ নিচিনা সংস্থাসমূহৰ সহায় লোৱাৰ সুবিধা আছে। কণী উৎপাদনৰ লগতে কুকুৰা মাংসৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত এক বহল বজাৰ আছে।

অসমৰ ভৌগোলিক অৱস্থান আৰু জলবায়ু গাহৰি পালনৰ বাবে অতি উৎকৃষ্ট, অসমত অতীজৰে পৰা এক পৰম্পৰা হিচাপে গাহৰি পালন কৰি অহা হৈছে। মানুহৰ প্ৰয়োজনীয় মাংস কুকুৰা ছাগলীৰ দ্বাৰা পূৰণ কৰিব নোৱাৰাত গাহৰিৰ ব্যৱসায় এক লাভজনক ব্যৱসায় হৈ পৰিছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত গাহৰি মাংসভোজীৰ সংখ্যা উল্লেখযোগ্যভাৱে বেছি। সচৰাচৰ পেলনীয়া খাদ্য খায়েই ডাঙৰ (হোৱা গাহৰি পামৰ বাবে বেছি মূলধনৰো প্ৰয়োজন নহয়, গাহৰিৰ পৰা প্ৰস্তুত কৰা খাদ্যবস্তু আৰু ব্যৱহাৰিক বস্তুৱে আজিকালি বজাৰ দখল কৰিছে। মীন পামৰ লগত গাহৰি পামৰ সংমিশ্ৰিত পাম খোলাৰ ব্যৱস্থা কৰিলে লাভজনক হয়। শিক্ষিত নিবনুৱাক গাহৰি পালনত আকৃষ্ট কৰিব পাৰিলে সংস্থাপনৰ এখন বহল ক্ষেত্ৰ ওলোৱাৰ লগতে ৰাজ্যৰ অৰ্থনীতিলৈও শক্তিশালী বৰঙণি আহিব।

জাতীয় পুঁজি গঠন আৰু সংস্থাপনৰ সহায়ৰ বাবে অসমৰ নিজস্ব এটা পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰাৰ গুৰুত্ব উল্লেখিত বিষয়কেইটাই স্পষ্ট কৰে।

❑ ❑ ❑

চাহ কোম্পানীয়ে প্ৰয়োজনীয় সামগ্ৰী অসমত কিনিব লাগিব

অসমৰ জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰা আৰু জাতীয় পুঁজি শক্তিশালী কৰাটো জাতিটোৰ বৰ্তমান আৰু ভৱিষ্যতৰ স্বাৰ্থত অতীব প্ৰয়োজনীয় হৈ পৰিছে। জাতীয় পুঁজি বৃদ্ধি কৰাৰ স্বাৰ্থত অসমত শিল্পায়নৰ বিকাশৰ প্ৰয়োজন। শিল্পায়নৰ বিকাশৰ বাবে লাগে এক আভ্যন্তৰীণ বজাৰ ব্যৱস্থা। বজাৰ ব্যৱস্থাৰ উন্নয়ন নিৰ্ভৰ কৰিব অসমবাসীৰ ক্ৰয় ক্ষমতাৰ ওপৰত, আৰু ক্ৰয় ক্ষমতাৰ বৃদ্ধিৰ বাবেই মূলতঃ কৰ্মসংস্থাপন এক অপৰিহাৰ্য বিষয়। অসমত আজি সংস্থাপনৰ অভাৱত সৃষ্টি হোৱা নিবনুৱা সমস্যাই অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ জটিল ৰূপটোক উদঙাই দিছে। আগন্তুক দহ বছৰৰ সম্ভাব্য নিবনুৱাৰ কৰ্মসংস্থানৰ বাবে আমাৰ হাতত আজিও কোনো আঁচনি নাই। কৰ্মসংস্থানৰ অবিহনে জনমূৰি আয়ৰ গ্ৰাফডাল নিম্নগামী হ'ব। ইয়াৰ কুফল পৰিলক্ষিত হ'ব অসমৰ অৰ্থনীতিত, জাতীয় পুঁজি গঠনৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰখনত।

অসমত ভাগিবলৈ ধৰা অৰ্থনীতি পুনৰ্গঠন কৰি অধিক শক্তিশালী কৰাৰ স্বাৰ্থত নিয়োগ ব্যৱস্থাটোকো অধিক গতিশীল কৰাৰ প্ৰয়োজন হৈ পৰিছে। আজিৰ স্থিতিত অসমৰ চৰকাৰী খণ্ডৰ লগতে বে-চৰকাৰী খণ্ডতো নিয়োগৰ সুবিধা তেনেই সীমিত। শিল্পায়নৰ পৰোক্ষ প্ৰভাৱ জনমূৰি আয় বৃদ্ধিৰ সহায়ক যদিও অসমত শিল্পায়নৰ কোনো প্ৰভাৱ নাই। চৰকাৰী খণ্ডত থকা উদ্যোগসমূহৰ ইতিমধ্যেই মৃতপ্ৰায় অৱস্থা। অসমৰ কৃষিখণ্ডত যথেষ্ট জনশক্তি ব্যৱহাৰৰ সম্ভাৱনীয়তা আছে যদিও কৃষিয়ে এতিয়াও অসমৰ নিবনুৱাক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাই। কৃষিখণ্ডক এক উদ্যোগ হিচাপে লৈ মাটি, পুঁজি, বীজ, পানী আৰু বজাৰ ব্যৱস্থা স্পষ্ট কৰিব পাৰিলে অসমৰ গ্ৰাম্য শিক্ষিত, অশিক্ষিত, অৰ্ধশিক্ষিত নিবনুৱাক আকৃষ্ট কৰা সহজ হৈ পৰিব। ফলত নিবনুৱাৰ কৰ্মসংস্থাপন যথেষ্ট সহজ হ'ব।

জাতীয় পুঁজি গঠন আৰু জনমূৰি আয় বৃদ্ধিৰ এই দুটা গুৰুত্বপূৰ্ণ আৰু অৰ্থনীতিৰ অপৰিহাৰ্য বিষয়ৰ ওপৰত আজি শক্তিশালীভাৱে গুৰুত্ব আৰোপ কৰাৰো প্ৰয়োজন হৈছে, অসমৰ চাহ শিল্পত বছৰি ৪,০০০ কোটি টকাৰ লেন-দেন হয়। অৱশ্যে ৰাজ্যৰ

ৰাজকোষলৈ তাৰ প্ৰত্যক্ষ সহযোগ অতি নগণ্য। চাহ শিল্পই অসমৰ অৰ্থনীতিলৈ পৰোক্ষভাৱে এক বৃহৎ অৰিহণা আগবঢ়াব পাৰে যদিও অসমৰ সমাজখনৰ প্ৰতি চাহ উদ্যোগৰ দায়বদ্ধতা নথকা বাবে অসমৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে এই উদ্যোগ গোষ্ঠীটোৱে প্ৰকৃততে কোনো পদক্ষেপ লোৱা নাই। চাহ শিল্পত প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱহাৰ্যতাৰ প্ৰতি লক্ষ্য ৰাখি এই কথা নিশ্চিতভাৱে ক'ব পৰা যায় যে চাহ শিল্পত প্ৰতি বছৰে ছশৰ পৰা আঠশ কোটি টকাৰ সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱসায় গঢ়ি তুলিব পৰা যায়। এই আঠশ কোটি টকাৰ সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত স্থানীয় বজাৰৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ চাহ কোম্পানীসমূহ ইচ্ছুক নোহোৱাত আৰু অসম চৰকাৰেও ইয়াৰ গুৰুত্ব উপলব্ধি কৰিবলৈ নিবিচৰাত এই বৃহৎ অংকৰ টকাৰ বহিঃগমন হৈ আছে। চাহ কোম্পানীসমূহৰ সকলো ধৰণৰ কাৰ্যালয় কলকাতাত থকা সূত্ৰে চাহ বাগিচাৰ বিভিন্ন সামগ্ৰী ক্ৰয়ৰ বিষয়টো কলকাতাৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। আমাৰ হাতত থকা তথ্য মতে অসমত চাহ বাগিচাসমূহে ২৯৬বিধ বিভিন্ন ধৰণৰ সামগ্ৰী ক্ৰয় কৰে। ২৯৬বিধ সামগ্ৰীৰ প্ৰতিটো বিষয়ৰ ওপৰত আলোচনা এৰাই চলি দুটামান বিষয়ৰ ওপৰত আলোচনা কৰিলেই এইটো স্পষ্ট হৈ পৰে যে অসমত নিজস্ব বজাৰখন এতিয়াও উপেক্ষিত হৈ আছে। অসমত প্ৰায় ৬০০ হাজাৰ টন মৰাপাট উৎপাদন হয়। কিন্তু মৰাপাটৰ পৰা উৎপাদিত সামগ্ৰীৰ পৰিমাণ অতি নগণ্য। ১৯৭৩ চনত উৎপাদন আৰম্ভ কৰা শিলঘাট অসম সমবায় মৰাপাট কল আজিও লাভজনক বাণিজ্যিক উদ্যোগ হিচাপে গঢ়ি উঠিব পৰা হোৱা নাই। ফলত উৎপাদিত মৰাপাটৰ বেছি অংশ পশ্চিমবংগলৈ যায় অতি কম মূল্যত। পশ্চিমবংগত অসমৰ মৰাপাটৰ ওপৰত নিৰ্ভৰ কৰি অন্যান্য উদ্যোগ গঢ় লৈ উঠিছে। পশ্চিমবংগত অসমৰ মৰাপাটেৰে প্ৰস্তুত কৰা বেগ অসমৰ চাহ বাগিচালৈ প্ৰেৰণ কৰা হয়। আমাৰ প্ৰস্তাৱ হ'ল— অসমৰ চাহ বাগিচাত চাহপাত ভৰাবলৈ ব্যৱহাৰ কৰা বেগ অসমৰ মৰাপাটৰ দ্বাৰা অসমতে প্ৰস্তুত কৰিব লাগে। অসম চৰকাৰে চাহ কোম্পানীসমূহক অসমৰ বেগ ব্যৱহাৰ কৰিবলৈ বাধ্য কৰাব পাৰিলে শিলঘাট মৰাপাট কলক লাভজনক অৱস্থালৈ অনাৰ লগতে অসম চৰকাৰৰ প্ৰস্তাৱিত মঙলদৈৰ দলগাওঁ আৰু বৰপেটাৰ গুৱাগাছাৰ মৰাপাট কল দুটা আৰম্ভ কৰিব পৰা যাব। মৰাপাটৰ কৃষকসকল উৎসাহিত হ'ব আৰু প্ৰকৃত মূল্য পোৱাত সহজ হ'ব।

❖ প্ৰতিবছৰে অসমৰ চাহ বাগিচাত প্ৰায় এক কোটি চল্লিছ লাখ মৰাপাটৰ বেগৰ প্ৰয়োজন হয়। প্ৰতিটো বেগৰ মূল্য ৩০.৩০ টকাকৈ ধৰি প্ৰায় ৪২ কোটি টকা মৰাপাটৰ বেগ কিনাৰ নামত অসমৰ পৰা বাহিৰলৈ যায়। মৰাপাটৰ বেগ কিনাৰ বাবে প্ৰায় ৪২ কোটি টকাৰ অসমৰ বজাৰত লেন-দেন হোৱা হ'লে জাতীয় পুঁজি গঠনত

সহায়ক হ'লহেঁতেন। আনহাতে এই বেগ প্ৰস্তুত কৰা যথেষ্টসংখ্যক উদ্যোগ গঢ়ি উঠা সূত্ৰে অসমৰ নিবনুৱাৰ সংস্থাপনত সহায়ক হ'লহেঁতেন।

❖ চাহ বাগিচাৰ কৰ্তৃপক্ষই বাগিচাৰ শ্ৰমিকসকলক প্ৰতি বছৰে এযোৰ ৰবৰৰ চেণ্ডেল দিয়াৰ ব্যৱস্থা আছে। চাহ উদ্যোগৰ মুনাফাৰ অংক কমি যোৱাৰ ভয়ত উৎকৃষ্ট ৰবৰৰ চেণ্ডেলৰ পৰিৱৰ্তে কৰ্তৃপক্ষই শ্ৰমকিসকলক নিম্নমানৰ চেণ্ডেল যোগান ধৰে। প্ৰতিযোৰত ৩০ টকাকৈ বৰ্তমান চাহ কোম্পানীসমূহে ৰবৰৰ চেণ্ডেল কিনাৰ নামত প্ৰায় ১কোটি ৮৫লাখ টকা অসমৰ বাহিৰলৈ এৰি দিয়ে। চাহ কোম্পানীসমূহক ১কোটি ৮৫লাখ টকাৰ ৰবৰৰ চেণ্ডেল অসমত কিনিবলৈ বাধ্য কৰিব পাৰিলে বহুসংখ্যকৰ কৰ্ম সংস্থাপনৰ পথ ওলাব। উল্লেখ্য যে ভাৰতৰ প্ৰসিদ্ধ জোতা প্ৰস্তুতকাৰক বাটা কোম্পানীয়ে ভাৰতৰ ভিতৰত অসমত সৰ্বাধিক ৰবৰৰ চেণ্ডেল বিক্ৰী কৰে। যোৰহাটতে অভিলেখসংখ্যক ৰবৰৰ চেণ্ডেল বিক্ৰী কৰা হয় যদিও অসমত কিন্তু ৰবৰৰ চেণ্ডেল উদ্যোগ গঢ়ি তোলাৰ প্ৰয়োজন অনুভৱ নকৰে। অসমত অতি কমেও ৬০কোটি টকাৰ ৰবৰৰ চেণ্ডেলৰ এখন বজাৰ আছে। কেৱল চাহ বাগিচাৰ প্ৰয়োজনীয় চেণ্ডেলৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমত ৰবৰৰ চেণ্ডেল প্ৰস্তুত কৰা উদ্যোগ ঠন ধৰি উঠিব পাৰে।

❖ চাহ বাগিচাত ব্যৱহৃত অন্য এক প্ৰয়োজনীয় সামগ্ৰী হ'ল কম্বল। তিনি বছৰত এবাৰকৈ প্ৰতিজন চাহ শ্ৰমিকক কম্বল দিয়াৰ নিয়ম। চাহ কোম্পানীসমূহে চাহ শ্ৰমিকসকলক কম্বল দিয়াৰ বাবে প্ৰায় ছয় লাখ কম্বলৰ প্ৰয়োজন হয়। বৰ্তমান বাগিচাসমূহে প্ৰতিখন কম্বল এশ টকা মূল্যত ক্ৰয় কৰি আছে। এই কম্বল অসমৰ বজাৰত ক্ৰয় কৰা নহয়। ছয় কোটি টকা কম্বল কিনাৰ বাবেই অসমৰ বাহিৰলৈ যায়। কেৱল চাহ বাগিচাৰ বাবেই ছয় কোটি টকাৰ বজাৰ থকা কম্বলৰ এটা উদ্যোগ আমি কিয় কৰিব নোৱাৰোঁ? চাহ বাগিচাৰ বাহিৰতো কম্বলৰ এখন বিশাল বজাৰ আছে। চৰকাৰসমূহৰ দূৰদৰ্শিতাৰ অভাৱৰ বাবেই এনে ক্ষেত্ৰবিলাক আমি ধৰি ৰাখিব পৰা নাই।

❖ চাহ শ্ৰমিকক প্ৰতি দুবছৰত এটাকৈ ছাতি দিয়াৰ নিয়ম। বৰ্তমান ৭০টকাত ছাতি ক্ৰয় কৰা হয় বাগিচাসমূহত। প্ৰায় ৪.২২কোটি টকাৰ ছাতি কিনা হয় যদিও এই ছাতি কিনে কলকাতাৰ বজাৰৰ পৰা। কাৰণ ছাতিৰ উদ্যোগ অসমত নাই।

❖ প্ৰতিজন চাহ শ্ৰমিকক বছৰি এটাকৈ এপ্ৰ'ন দিয়া হয়। বৰ্তমান ৫০টকাত ক্ৰয় কৰা এই এপ্ৰ'ন আহে কলকাতাৰ বজাৰৰ পৰা। প্ৰায় ৩কোটি টকা এপ্ৰ'ন কিনাৰ বাবেই অসমৰ চাহ বাগিচাৰ পৰা কলকাতাৰ বজাৰে লাভ কৰে। এই অতি সামান্য সামগ্ৰীও আমি যোগান দিব নোৱাৰোঁ।

❖ কেঁচা চাহপাত ভৰাবৰ বাবে নাইলনৰ বেগ ব্যৱহাৰ কৰা হয়। ৫৫০ হেক্টৰৰ বাগান এখনত বছৰি ৫,০০০ নাইলন বেগৰ প্ৰয়োজন হয়। এনে বেগৰ মূল্য ২৩টকা। এখন বাগানে বছৰি প্ৰায় ৭.৫লাখ টকাৰ নাইলনৰ বেগ ক্ৰয় কৰে অসমৰ বাহিৰৰ পৰা। সমগ্ৰ অসমৰ বাগিচাসমূহত বছৰি প্ৰায় ৩৭কোটি টকাৰ এনে নাইলনৰ বেগৰ প্ৰযোজন হয়। প্ৰশ্নটো হ'ল আমি এনে বেগ অসমত প্ৰস্তুত কৰিব নোৱাৰোঁ কিয়?

❖ ৫৫০ হেক্টৰৰ বাগান এখনে প্ৰায় ৭০লাখ টকাৰ বছৰি কেমিকেল ক্ৰয় কৰে। দেখাত অসমত কিনা দেখুওৱা হয়, কিন্তু সকলো পৰিচালনা কৰা হয় কলকাতাৰ কাৰ্যালয়ৰ পৰা। জনৈক গাৰডিয়া নামৰ দিল্লীৰ ব্যৱসায়ী এজনে এই ক্ষেত্ৰখন দখল কৰি আছে। কমেও ৩৫কোটি টকাৰ কেমিকেলৰ বজাৰখন আমাৰ হাতত নাই।

আলোচ্য কেইটামান মাত্ৰ বিষয়তেই অসম চৰকাৰে আজিও যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক। জাতীয় পুঁজি গঠন আৰু কৰ্ম সংস্থানৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত সংশ্লিষ্টসকলৰ দায়বদ্ধতাৰ অভাৱ। চাহ বাগিচাই ক্ৰয় কৰা প্ৰায় ২৯৬বিধ সামগ্ৰীৰ প্ৰতি বিধৰে বিষয়ত আলোচনা কৰিলে প্ৰতিটো সামগ্ৰী অসমৰ বজাৰত যে পাব পৰাৰ ব্যৱস্থা কৰিব পৰা যায় সেইটো স্পষ্ট হৈ পৰিব। অসম চৰকাৰৰ উদ্যোগ বিভাগৰ জৰিয়তে যথেষ্ট কৰিবলগীয়া কাম আছে। অসম চৰকাৰে চাহ-শিল্পৰ মালিকপক্ষৰ লগত আলোচনা কৰি প্ৰথম পৰ্যায়ত আলোচ্য বিষয়কেইটা চৰকাৰৰ উদ্যোগ বিভাগৰ অধীনলৈ আনিব লাগে। উদ্যোগ বিভাগে অতি পৰিকল্পিত আঁচনিৰে সামগ্ৰীৰ কাম নিৰ্দিষ্ট ৰাখি উৎপাদন কৰাৰ বাবে অসমত ব্যৱসায় কৰিব বিচৰাসকলক জড়িত কৰিব পাৰে। অসম চৰকাৰে কিছু গুৰুত্ব দিলেই চাহ শিল্পৰ জৰিয়তে সংস্থাপন আৰু পুঁজি গঠনৰ এটা নতুন দিশৰ উন্মোচন হ'ব পাৰে।

❑ ❑ ❑

বিশেষ ভাট্টাৰ আঁচনি ঃ নিবনুৱাক প্ৰৱঞ্চনাৰ অন্য এপাট অস্ত্ৰ

নাগৰিক জীৱনৰ পূৰ্ণ বিকাশৰ অন্যতম বিষয় হ'ল ব্যক্তি-স্বাধীনতা আৰু সমতাৰ অধিকাৰ। ভাৰতৰ সংবিধান প্ৰণেতাসকলে এই দুয়োটা দিশক বিশেষ গুৰুত্ব প্ৰদান কৰিয়েই সংবিধানৰ তৃতীয় ভাগত ১২ৰ পৰা ৩৫ নং অনুচ্ছেদলৈ বিস্তৃতভাৱে নাগৰিকৰ মৌলিক অধিকাৰৰ বিষয় হিচাপে উত্থাপন কৰিছে। মৌলিক অধিকাৰসমূহৰ ভিতৰত সমতাৰ অধিকাৰ স্পষ্ট কৰি ১৪নং অনুচ্ছেদত লিপিবদ্ধ কৰা হ'ল যে 'ৰাজ্যই ভাৰতৰ ৰাজ্য ক্ষেত্ৰৰ ভিতৰত কোনো ব্যক্তিকে বিধিৰ আগত সমতাৰ পৰা বা নিয়োগৰ সমান সংৰক্ষণৰ পৰা বঞ্চিত নকৰিব।' চৰকাৰী নিয়োগৰ বিষয়ত সুযোগৰ সমতা ৰক্ষা কৰিবলৈ গৈ সংবিধানৰ ১৬নং অনুচ্ছেদৰ (১)ত ঘোষণা কৰা হ'ল যে ৰাজ্যৰ অধীনস্থ কোনো পদত নিয়োজন বা নিযুক্তিৰ বিষয়ত সকলোবোৰ নাগৰিকৰ বাবে সুযোগৰ সমতা থাকিব। ১৬ নং অনুচ্ছেদৰ (২)-ত অধিক স্পষ্ট কৰি প্ৰকাশ কৰা হ'ল যে 'কেৱল ধৰ্ম, জাতি, বৰ্ণ, লিংগ, জন্মস্থান, বাসস্থান বা তাৰ যিকোনো এটাৰ হেতুকে ৰাজ্যৰ অধীনস্থ কোনো নিয়োজন বা পদৰ বাবে কোনো নাগৰিকেই অপাত্ৰ বা বিভেদীকৃত নহ'ব। ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ এনেবিলাক বিষয় ভাৰতৰ প্ৰতিটো অঞ্চলতে শক্তিশালীভাৱে প্ৰযোজ্য হ'ব পাৰে। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এনে অধিকাৰ প্ৰাপ্য নহয়। ৰাষ্ট্ৰৰ কাৰ্যপালিকাই অসমবাসীৰ মৌলিক অধিকাৰসমূহৰ দ্বাৰা উপলব্ধি হ'ব পৰা প্ৰাপ্য বাধা প্ৰদান কৰি আহিছে। এই ক্ষেত্ৰত অন্যতম উদাহৰণ 'বিশেষ ভাট্টাৰ আঁচনি।'

অসম আন্দোলনৰ গইনা লৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে ১৯৮৩ চনৰ ১অক্টোবৰৰ ৪/১/৬/৮১ আই আৰ নং জাননীৰ ভিত্তিত ভাৰতৰ অন্যান্য প্ৰদেশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ কাম কৰিবলৈ অহা বিষয়াসকলৰ বাবে বিশেষ ভাট্টা দিয়াৰ আঁচনি গ্ৰহণ কৰে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াৰ লগতে জীৱন বীমা, সাধাৰণ বীমা, ডাক-তাঁৰ বিভাগ আৰু বেংক উদ্যোগত বিষয়াসকলৰ বাবে বিশেষ ভাট্টাৰ আঁচনি ঘোষণা কৰিলে যদিও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিষয়া-কৰ্মচাৰীসকলক বঞ্চিত কৰা হ'ল। উত্তৰ-পূৰ্বাঞ্চলক অশান্ত বুলি ঘোষণা কৰি বাহিৰৰ পৰা বিষয়াসকলক

এই অঞ্চললৈ অহাৰ বাবে অনুপ্ৰাণিত কৰাৰ প্ৰয়োজনত বিশেষ ভাট্টাৰ নামত বিশেষ আৰ্থিক সহযোগ কৰা হ'ল।

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ পৰা এই অঞ্চললৈ আহিলে এই বিশেষ ভাট্টা আঁচনিৰ অধীনত বিষয়াসকলে নিজৰ স্তৰৰ এটা স্তৰৰ ওপৰৰ দৰমহাৰ গাঁথনিত বেতন লাভ কৰে। অন্যথাই বিষয়াজনে দৰমহাৰ মূল গাঁথনিৰ ২৫শতাংশ ওপৰঞ্চি ভাট্টা লাভ কৰে। (খ) বিষয়াজনৰ নিজস্ব বাসস্থানত কৰ্তৃপক্ষৰ দ্বাৰা থকাৰ সুবিধাৰ বাবে ঘৰভাড়া পোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত কাম কৰাৰ বাবেও কৰ্তৃপক্ষৰ পৰা ঘৰভাড়া গ্ৰহণ কৰিব পাৰে। (গ) বিশেষ ভাট্টাৰ আঁচনিৰ অধীনত বিষয়াজনে কৰ্তৃপক্ষৰ পৰা বিভিন্ন অঞ্চললৈ যোৱাৰ সুবিধাৰ লগতে অতিৰিক্তভাৱে প্ৰতি বছৰে গৃহভূমিলৈ অহা-যোৱা কৰাৰ বাবেও কৰ্তৃপক্ষৰ পৰা বিশেষ সুবিধা লাভ কৰে। (ঘ) উত্তৰ-পূৰ্বাঞ্চললৈ বাহিৰৰ পৰা অহা বিষয়াসকলৰ নিৰাপত্তাৰ স্বাৰ্থত কৰ্তৃপক্ষৰ দ্বাৰাই জীৱন বীমা কৰি দিয়া হয়। (ঙ) উত্তৰ-পূৰ্বাঞ্চলত কাম কৰাৰ বাবে বিষয়াজনে দুবছৰৰ পিছত নিজৰ সুবিধা অনুসৰি বদলি স্থান লাভ কৰিব পাৰে।

একে নিয়োগ সেৱা নীতিৰ অধীনত থকাৰ পিছতো বিশেষ ভাট্টা আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ পৰা অহা বিষয়া-কৰ্মচাৰীয়ে ডেৰৰ পৰা দুই লাখ টকা ওপৰঞ্চি লাভ কৰে। সংবিধানপ্ৰদত্ত সমতাৰ অধিকাৰ অসমৰ মাটিত ভাৰতৰ ৰাষ্ট্ৰই প্ৰযোজ্য কৰিব নিবিচাৰে। ৰাষ্ট্ৰই অসমৰ নাগৰিকক ভাৰতৰ নাগৰিকৰ শ্ৰেণীত গণ্য কৰিবলৈ কৃপণালি কৰে। ৰাষ্ট্ৰই যিধৰণৰ কাৰ্যই নকৰক কিয়, বিশেষ ভাট্টা আঁচনি কেতিয়াও গণতান্ত্ৰিক বিধি হ'ব নোৱাৰে। ই লুণ্ঠন আৰু প্ৰৱঞ্চনাৰ বাবে ৰাষ্ট্ৰৰ অন্যতম এপাট অস্ত্ৰ।

বিশেষ ভাট্টা আঁচনিৰ ফলত অন্যান্য প্ৰতিষ্ঠানৰ লগতে বেংক উদ্যোগৰ ওপৰত বিশেষভাৱে আঘাত পৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অৰ্থনৈতিক অনগ্ৰসৰ ৰাজ্যত বিশেষ ভাট্টাৰ নামত লাখ লাখ টকা ওপৰঞ্চিভাৱে বাহিৰৰ পৰা অহা বিষয়াসকলক দিবলগা হোৱাত স্থানীয় বেংকসমূহৰ প্ৰশাসনিক খৰচৰ মাত্ৰা বৃদ্ধি হৈছে। ফলত লোকচানৰ পৰিমাণ বাঢ়িছে। ইয়াৰ ফলত নতুন শাখা সম্প্ৰসাৰণতো বাধাৰ সৃষ্টি হৈছে। ভাৰতৰ অন্যান্য বহু ৰাজ্যতকৈ শান্তিপূৰ্ণ উত্তৰ-পূৰ্বাঞ্চলক অশান্ত অঞ্চল নামকৰণেৰে বাহিৰৰ পৰা বিশেষ ভাট্টাৰ সুবিধা গ্ৰহণ কৰি এই অঞ্চললৈ বৃহৎ সংখ্যক বিষয়াৰ আগমন হোৱাত স্থানীয়ভাৱে নতুন নিযুক্তিৰ দিশটোত হেঙাৰ পৰিল। লক্ষণীয় বিষয় হ'ল— উত্তৰ-পূৰ্বাঞ্চললৈ বিশেষ ভাট্টালৈ অহা বিষয়াসকলে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য গ্ৰাম্য অঞ্চললৈ যোৱাৰ বিপৰীতে গুৱাহাটী বা জিলা সদৰ অঞ্চলত থকা বাবে 'মেনেজ' কৰি লয়। এওঁলোকে অসমৰ অৰ্থনৈতিক আৰু অসমৰ বাইজৰ

বাবে চিন্তা-চৰ্চা কৰাতকৈ বেংকৰ মুখ্য কাৰ্যালয়ৰ কৰ্তৃপক্ষৰ আস্থা লাভ কৰাতহে ব্যস্ত হয় আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সংগ্ৰহ কৰা বৃহৎ অংকৰ জমা টকা বেংকসমূহৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰাত গুৰুত্ব সহকাৰে সহযোগ আগবঢ়ায়। প্ৰকৃতাৰ্থত অসমৰ বাহিৰৰ পৰা অহা লোকক বিশেষ ভাট্টা দিয়াৰ ব্যৱস্থাৰে ৰাষ্ট্ৰৰ লগতে বেংকৰ কৰ্তৃপক্ষই অসমৰ ওপৰত অন্য এক শোষণৰ বেহু ৰচনা কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা পৰিবেশ আৰু ভাষা সম্পৰ্কে নূন্যতম জ্ঞান নথকা এই আমদানিকৃত বিষয়াসকলে সৰ্বাসাধাৰণ ৰাইজৰ কল্যাণৰ বাবে থকা আঁচনিসমূহৰ সফল ৰূপায়ণত প্ৰয়োজনীয় ভূমিকা পালন কৰিব নোৱাৰে। মাত্ৰ অধিক আৰ্থিক লাভৰ আশাত অহা এই বিষয়া-কৰ্মচাৰীসকলৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত বৰঙণি আশা কৰাটো ভুল বুলি প্ৰমাণিত হৈছে। অন্যহাতে এই বিশেষ ভাট্টাৰ ব্যৱস্থাই গণতান্ত্ৰিক ভাৰতৰ অংশ উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় বিষয়া-কৰ্মচাৰীক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে ব্যৱহাৰ কৰাৰ লগতে একে পৰ্যায়ৰ বিষয়াৰ মাজত আৰ্থিক বৈষম্যৰ সৃষ্টি কৰিছে। যিটো সংবিধানবিৰোধী কাৰ্য।

বিশেষ ভাট্টা আঁচনিৰ ওপৰত আমাৰ ব্যক্তিগত অভিমত হ'ল— (১) বিশেষ ভাট্টা আঁচনিৰ দ্বাৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পুঁজি শোষণৰ বাবে ৰাষ্ট্ৰৰ এক দালাল গোষ্ঠীৰ সৃষ্টি কৰা। (২) অসমত স্ব-নিৰ্ভৰশীল অৰ্থনীতি আৰু জাতীয় পুঁজিৰ বিকাশ যাতে হ'ব নোৱাৰে তাত বাধা প্ৰদান কৰা। (৩) বেংক উদ্যোগৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত এক দ্বন্দ্বৰ সৃষ্টি কৰি পুঁজি বহিঃগমনৰ পৰিবেশৰ সৃষ্টি কৰা। (৪) বাহিৰৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা স্থানীয় বেংকৰ উৰ্ধ্বতন পদসমূহ দখল কৰা, যাতে অসমৰ স্থানীয় বিষয়াসকলে বিকাশৰ সুবিধা নাপায় আৰু অসমৰ অৰ্থনীতি অসমৰ মানুহে পৰিচালিত কৰিব নোৱাৰে।

❑ ❑ ❑

গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকট কাল আঁতৰাব লাগিব

গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকটজনক অৱস্থাই অসমৰ চাহ-উদ্যোগৰ ওপৰতো আঘাত হানিছে। ৰাজ্যৰ ৰাজকোষৰ লগতে সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰখনৰ ওপৰতো প্ৰভাৱ থকা অসমৰ চাহ উদ্যোগ যাতে দুৰ্বল নহয়, তাৰ প্ৰতি অসমৰ ৰাইজ সজাগ। কিন্তু আমি আজি এই কথা ক'বলৈ বাধ্য যে বৃহৎ চাহগোষ্ঠীসমূহেই তেওঁলোকৰ স্বাৰ্থত অসমৰ চাহ উদ্যোগৰ সংকট কাল বুলি প্ৰচাৰ চলাবলৈ চেষ্টা কৰিছে আৰু তাৰ বাবে পৰিবেশৰ সৃষ্টি কৰিছে। এই পৰিবেশ সৃষ্টি কৰাৰ বাবেই উদ্দেশ্যমূলকভাৱে বৃহৎ চাহগোষ্ঠীযে চি টি চি চাহ বিক্ৰীৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথম স্থান দখল কৰা গুৱাহাটী চাহ নিলাম কেন্দ্ৰক শোচনীয় অৱস্থালৈ ঠেলি দিছে। উল্লেখ্য যে ১৯৮৪ চনৰ চাহ বজাৰ নিয়ন্ত্ৰণ নিৰ্দেশ মতে চাহ কোম্পানীসমূহে মুঠ উৎপাদনৰ ৭৫শতাংশ চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰাটো বাধ্যতামূলক আছিল। ২০০১-ত এই আইন উঠাই দিয়াত বৃহৎ চাহ জনগোষ্ঠীসমূহে সুযোগ গ্ৰহণ কৰিছে। অধিক মুনাফা আৰু সংশ্লিষ্ট কৰসমূহ পৰিশোধ কৰাত ফাঁকি দিয়াৰ স্বাৰ্থ আগত ৰাখি বৃহৎ চাহগোষ্ঠীসমূহে আজি চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে চাহ বিক্ৰী নকৰি মুকলি বজাৰত চাহ বিক্ৰী কৰা আৰম্ভ কৰিছে। যোৱা চাৰিটা বছৰত গুৱাহাটী চাহ নিলাম কেন্দ্ৰত চাহৰ বিক্ৰীৰ গ্ৰাফডাল ক্ৰমাৎ তললৈ নামি আহিছে। গুৱাহাটীৰ নিলাম বজাৰত ১৯৯৯-২০০০ বৰ্ষত ১৫৯ নিযুত কিল'গ্ৰাম চাহ বিক্ৰী কৰা হৈছিল। পিছৰ বছৰকেইটাত ক্ৰমে ১৪১নিযুত কিল'গ্ৰাম, ১৪০নিযুত কিল'গ্ৰাম আৰু ২০০২-০৩ বৰ্ষত মাত্ৰ ১২৫নিযুত কিল'গ্ৰাম চাহ বিক্ৰী হৈছে। অসমত বছৰি ৪৫০ নিযুত কিল'গ্ৰাম চাহ উৎপাদন হয়। তাৰ মাত্ৰ ১২৪নিযুত কিল'গ্ৰাম চাহ গুৱাহাটী চাহ নিলাম কেন্দ্ৰত বিক্ৰী হোৱাৰ যুক্তি কি? অসমত উৎপাদিত চাহৰ মাত্ৰ ৩৬শতাংশ চাহ গুৱাহাটী নিলাম কেন্দ্ৰত বিক্ৰী কৰি বাকী ৬৪ শতাংশ চাহ অসমৰ বাহিৰৰ মুকলি বজাৰত বিক্ৰী কৰাৰ ৰহস্য কি? বৃহৎ চাহ জনগোষ্ঠীসমূহৰ লগতে অধিক মুনাফাৰ স্বাৰ্থত ব্যৱসায় কৰা চাহ কোম্পানীসমূহে উৎপাদিত চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰাৰ পক্ষপাতী নহয়। গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে চাহ

বিক্ৰী কৰিলে চাহৰ মূল্য সকলোৰে অৱগত হয়, গতিকে সংশ্লিষ্ট ক্ষেত্ৰসমূহক মুনাফাৰ অংশটোত ফাঁকি দিব নোৱাৰে। মুকলি বজাৰত চাহ বিক্ৰী কৰাৰ লগে লগে তাত কোনো ধৰণৰ তথ্যগত স্বচ্ছতা নাথাকে। গতিকে চাহ উদ্যোগ সংকটত বুলি ক'বলৈ সহজ হয় আৰু ৰাজ্যৰ প্ৰাপ্য ৰাজহ কমাই অনাৰ পৰিবেশ সৃষ্টি কৰিবলৈ সহজ হয়।

চাহ কোম্পানীসমূহৰ ষড়যন্ত্ৰৰ ফলতেই ৰাজ্য চৰকাৰৰ ৰাজকোষলৈ কৃষি কৰ শিতানত অহা পুঁজিৰ পৰিমাণ ১৯৯৮-৯৯ বিত্তীয় বৰ্ষৰ পৰা দ্ৰুত হাৰত কমিব লৈছে। ১৯৯৮-৯৯ বৰ্ষত ৰাজ্যৰ কৃষি কৰ শিতানত ১০৩.২৬ কোটি টকা সংগ্ৰহ হৈছিল। উল্লেখ্য যে কৃষি কৰ শিতানত অহা কৰৰ সিংহভাগ আহে চাহ উদ্যোগৰ পৰা। ১৯৯৯-২০০০ বৰ্ষত কৃষি কৰ ৭৫.৮৪ কোটি, ২০০০-০১ বৰ্ষত ৪০.৭০ কোটি, ২০০১-০২ বৰ্ষত ১৫.৪৯ কোটি আৰু ২০০২-০৩ বিত্তীয় বৰ্ষত কৃষি কৰ ৪.২৬ কোটি টকালৈ হ্ৰাস পালে। পৰিতাপৰ বিষয় যে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ অতি গুৰুত্বপূৰ্ণ শিতানটোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। অসমৰ কংগ্ৰেছ দল আৰু চৰকাৰ চাহ উদ্যোগৰ ওপৰত ৰাজনৈতিকভাৱে নিৰ্ভৰশীল বুলি পৰিচিত। অভিযোগ উঠা মতে ৰাজ্যৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যৰ ৰাজনৈতিক স্বাৰ্থত চাহ কোম্পানীসমূহক অধিক গুৰুত্ব দিয়ে বা দিবলৈ বাধ্য হয়। চাহৰ মূল্য দ্ৰুত হ্ৰাস ঘটাৰ প্ৰভাৱত ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাতৰ মুল্য কমি গৈছে। এক সংকটজনক অৱস্থাত আজি থিয় হৈছে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ সংখ্যা আৰু উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে বটলিক ফেক্টৰীসমূহে অতি কম মূল্যত কেঁচা চাহপাত লৈ কম মূল্যতে বজাৰলৈ চাহ এৰি দিয়াৰ ফলত অসম চাহৰ বজাৰখনত আঘাত পৰিছে। বৃহৎ চাহ উদ্যোগীসকলে এতিয়া নিলাম কেন্দ্ৰত চাহ কিনাৰ পৰিৱৰ্তে অতি কম মূল্যতে বটলিক ফেক্টৰীসমূহৰ পৰা চাহ সংগ্ৰহ কৰি বাহিৰৰ বজাৰত অধিক মূল্যত বিক্ৰী কৰা ষড়যন্ত্ৰত লিপ্ত হৈছে। ৰাজ্য চৰকাৰৰ দায়িত্বহীনতাৰ ফলত বৃহৎ চাহগোষ্ঠীসমূহৰ মুনাফাৰ পৰিমাণ বৃদ্ধি হৈছে। কিন্তু ৰাজ্যৰ ৰাজহ কমিছে, চাহ নিলাম কেন্দ্ৰ সংকটত পৰিছে।

আমাৰ প্ৰস্তাৱ ঃ অসম চৰকাৰে গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সংকট কাল আঁতৰ কৰাৰ বাবে গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰক। গুৱাহাটী চাহ নিলাম কেন্দ্ৰ সংকটত পৰাৰ লগে লগে অসমৰ চাহ পণ্যাগাৰসমূহে প্ৰায় সত্তৰ কোটি টকাৰ লোকচান ভৰিবলগা হৈছে। পণ্যাগাৰসমূহত প্ৰত্যক্ষভাৱে জড়িত প্ৰায় এহেজাৰ লোকে আজি এক অসহায় অৱস্থাত থিয় হৈ আছে। দক্ষিণ ভাৰতত তিনিটা চাহ নিলাম কেন্দ্ৰ কম্বাতুৰ, কুলুৰ আৰু কচিন। এই নিলাম কেন্দ্ৰ তিনিটাত ২০০ কিল'গ্ৰাম

চাহ নিলাম হয়। পশ্চিমবংগত থকা কলকাতা আৰু শিলিগুৰি চাহ নিলাম কেন্দ্ৰত ১৮০ নিযুত কিল'গ্ৰাম চাহ নিলাম হয়। অসমত ৪৫০ নিযুত কিল'গ্ৰাম চাহ উৎপাদন হোৱালৈ লক্ষ্য ৰাখি আমি দুটা চাহ নিলাম কেন্দ্ৰ প্ৰতিষ্ঠা কৰিব পাৰিলোহেঁতেন। গুৱাহাটী চাহ নিলাম কেন্দ্ৰটো সুস্থ কৰিব পাৰিলে আৰু এটা নিলাম কেন্দ্ৰলৈ নিশ্চয় যাব পৰা যায়, ফলত নিয়োগ, ব্যৱসায় আৰু ৰাজহ তিনিওটা ক্ষেত্ৰতে ৰাজ্যখনৰ লাভ হ'ব। ৰাজ্য চৰকাৰে এই দিশটোলৈ মন দিয়া উচিত। তাৰ বাবেই গুৱাহাটী চাহ নিলাম কেন্দ্ৰক এক লাভজনক চাহ ব্যৱসায় কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব আৰু অসমত উৎপাদিত চাহ গুৱাহাটী কেন্দ্ৰত বিক্ৰী কৰাটো এক বাধ্যতামূলক ব্যৱস্থা কৰা প্ৰয়োজন হ'ব। আমাৰ প্ৰস্তাৱ হ'ল—অসমত উৎপাদিত চাহ গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰৰ জৰিযতে বিক্ৰী নকৰিলে প্ৰতি কেজি কেঁচাপাতত চাৰি টকাকৈ অসমৰ প্ৰাপ্য আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে উপকৰ প্ৰয়োগ কৰিব লাগে, গুৱাহাটী চাহ নিলাম কেন্দ্ৰইদি চাহ বিক্ৰী কৰিলে ইতিমধ্যে গ্ৰহণ কৰি থকা কেঁচা-পাতৰ ওপৰত থকা ৩২ পইচাৰ চেছ্ ২০ পইচালৈ কমাই আনিব লাগে। ৰাজ্য চৰকাৰে চাহ উদ্যোগৰ কৃত্ৰিম সংকট আৰু বিভ্ৰান্তিকৰ প্ৰচাৰ বন্ধ কৰাৰ বাবে ব্যৱসায়িক দৃষ্টিভংগীৰে সিদ্ধান্ত গ্ৰহণ কৰা উচিত হ'ব।

❑ ❑ ❑

কাৰ্যালয়সমূহৰ পৰা অসম বঞ্চিত হ'ব নালাগিব

স্বাধীনতাৰ স্বৰ্ণজয়ন্তী অনুষ্ঠিত কৰা সময়ত আমি আজি সকলোৱে এই কথাটো স্পষ্ট কৰি লোৱা উচিত হ'ব যে আমাৰ সমস্যাসমূহ কোনে সমাধান কৰিব? পঞ্চাছটা বছৰৰ অভিজ্ঞতাই আমাক এইটো নিশ্চিত কৰিছে যে অসমৰ সমস্যাসমূহ অসমবাসীয়েই সমাধান কৰিব লাগিব। আজিৰ সময়ত আমাৰ সমস্যাসমূহ ভাৰতৰ অন্য ৰাজ্যৰ লোকে সমাধান কৰিব বুলি ভবাৰো কোনো যুক্তি নাই। ৰাজনৈতিকভাৱে কেন্দ্ৰীয় চৰকাৰে আমাৰ দাবীসমূহ হয়তো শুনিব পাৰে, কিন্তু সমাধানসূত্ৰ কেন্দ্ৰৰ স্বাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। এই পটভূমিতেই আজি এইটো স্পষ্ট যে আমাৰ সমস্যাসমূহৰ সমাধানৰ বাবে অসমবাসীয়েই ঐক্যবদ্ধভাৱে চিন্তা কৰিব লাগিব, পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

ৰাজনৈতিক সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত আমি হয়তো বিভক্ত হৈ পৰিব পাৰো। কিন্তু অৰ্থনৈতিক সমস্যাসমূহৰ ক্ষেত্ৰত অসমবাসী হিচাপে আমি আজি থিয় হ'ব পাৰিব লাগিছিল। পৰিতাপৰ বিষয় যে সেইটো আজিও আমাৰ দৃষ্টিগোচৰ হোৱা নাই। অসমবাসীৰ উন্নয়নৰ স্বাৰ্থত আমি ৰাজনৈতিক দাবীসমূহ উত্থাপন কৰি অহাৰ বাবে আমাক আজি কেন্দ্ৰই বিভক্ত কৰাৰ সুযোগ গ্ৰহণ কৰিছে। আমাৰ উত্তৰণৰ দিশত অৰ্থনৈতিক দিশেৰে আমি আগবাঢ়িবলৈ বিচাৰিলে আমাৰ ভিতৰত বিভক্ত কৰাৰ সুযোগ কম থাকে। অসমৰ অৰ্থনৈতিক সমস্যাসমূহ যিহেতু অসমবাসীৰ প্ৰতিজন নাগৰিকৰ সমস্যা, গতিকে ঐক্যবদ্ধভাৱে আগবঢ়াৰ সুযোগ আছে আৰু প্ৰয়োজনো আছে।

অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত আমি সততেই আলোচনা কৰা বিষয় হ'ল—চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয় অসমত নাই। চাহ কোম্পানীসমূহে অসমত তিনি হেজাৰ কোটি টকাৰ লেন-দেন কৰি বৃহৎ মুনাফা লোৱাৰ পিচতো বেছিসংখ্যক কোম্পানীৰ অসমত বাগিচা আছে, প্ৰয়োজনীয় কাৰ্যালয় নাই। ফলত অসমৰ নিজস্ব পুঁজি গঠনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। অসমৰ প্ৰায় সমূহ দল-সংগঠনৰ দাবীচনদত এইটো দাবী সন্নিৱিষ্ট থকা দেখা যায়, কিন্তু একেটা দাবীত ঐক্যবদ্ধভাৱে যুঁজা দেখা নাযায়।

ইয়াৰ ফলতেই আজি অসমৰ প্ৰায়বোৰ ৰাজহুৱা খণ্ডৰ আৰু বৃহৎ ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰয়োজনীয় কাৰ্যালয়সমূহ অসমত খোলাৰ পৰা বিৰত থাকিবলৈ সুযোগ গ্ৰহণ কৰিছে। তাৰে কেইটামান উদাহৰণ আমি ইয়াত উত্থাপন কৰিছো।

হিন্দুস্থান সাৰ নিগমৰ অন্তৰ্গত পশ্চিমবংগৰ দুৰ্গাপুৰ আৰু হালদিয়াৰ সাৰ কাৰখানা আৰু বিহাৰৰ বাৰাউনী সাৰ কাৰখানাৰ লগতে অসমৰ নামৰূপত সাৰ কাৰখানা আছে। নামৰূপ সাৰ কাৰখানাৰ বাহিৰে হিন্দুস্থান সাৰ নিগমৰ বাকীকেইটা কাৰখানা জন্মৰে পৰা প্ৰায় অচল। ফলত লোকচানৰ অংক চক্ৰবৃদ্ধি হাৰত বৃদ্ধি হ'বলৈ লৈছে। ফলত লাভৰ পথ থকা নামৰূপ সাৰ কাৰখানাৰো লোকচান বৃদ্ধি হ'বলৈ লৈছে। হিন্দুস্থান সাৰ নিগমৰ অসমত কোনো দায়িত্বশীল কাৰ্যালয় নাই। দিল্লীত থকা কাৰ্যালয়ৰ পৰাই নামৰূপ সাৰ কাৰখানা পৰিচালিত হয় তেওঁলোকৰ স্বাৰ্থত। নামৰূপ সাৰ কাৰখানাক হিন্দুস্থান সাৰ নিগমৰ পৰা আঁতৰাই মহাৰাষ্ট্ৰত ট্ৰম্বে সাৰ কাৰখানাৰ দৰে সুকীয়া এটা নিগম কৰি সম্পূৰ্ণ লাভজনক উদ্যোগ হিচাপে প্ৰতিষ্ঠিত কৰিব পৰা যায়। কিন্তু দিল্লীৰ মুখ্য কাৰ্যালয় সন্মত নহয়। লুণ্ঠনৰ সুযোগ বন্ধ হোৱাৰ ভয়।

এছিয়া মহাদেশৰ আঠটা বৃহৎ কাগজ কলৰ অন্যতম কাগজ কল জাগীৰোডত অৱস্থিত হিন্দুস্থান কাগজ নিগমৰ জাগীৰোড কাগজ কল। হিন্দুস্থান কাগজ নিগমৰ নাগালেণ্ডৰ টুলী আৰু কাছাৰৰ পাঁচগ্ৰামত আন দুটা কাগজ কল আছে। জাগীৰোড কাগজ কলৰ অৱস্থা বৰ্তমান সংকটজনক। অসমত থকা কাগজ কল দুটাৰ মুখ্য কাৰ্যালয় কলিকতাত। কলিকতাৰ মুখ্য কাৰ্যালয়ত থকা বিষয়াসকল অসমৰ কাগজ কল দুটাৰ বাবে দায়বদ্ধ নহয়। কল দুটাৰ পৰা ব্যক্তিগত স্বাৰ্থ লুটাত তেওঁলোক ব্যস্ত। অন্যহাতে অসমত থকা কাগজ কল দুটাই ডেৰলাখ মেট্ৰিক টন কাগজ বছৰি উৎপাদন কৰে। দহ হেজাৰ মেট্ৰিক টন উত্তৰ-পূৰ্বাঞ্চলত ব্যৱহাৰ হয়। বাকী এক লাখ চল্লিশ হেজাৰ মেট্ৰিক টন কলিকতাত থকা মুখ্য কাৰ্যালয়ত বিক্ৰী হয়। পশ্চিমবংগত অসমৰ কাগজ বিক্ৰী কৰি পশ্চিমবংগ চৰকাৰে ন শতাংশকৈ বিক্ৰীকৰ গ্ৰহণ কৰি বছৰি ত্ৰিশ কোটি টকা ৰাজহ লাভ কৰে।

উত্তৰ-পূৰ্বাঞ্চলত থকা তিনিওটা কাগজ কলৰ বাবে মুখ্য কাৰ্যালয় অসমত-মুকলি কৰাৰ দাবী কাগজ কল কৰ্মীসকলে উত্থাপন কৰি অহা যুক্তিগত দাবীত আমাৰ কাৰো সঁহাৰি শক্তিশালী নহয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জীৱন বীমা নিগমৰ ব্যৱসায় শক্তিশালী। সৰ্বভাৰতীয় তুলনাত বিনিয়োগৰ পৰিমাণ অসমত যথেষ্ট কম যদিও বীমা কৰা আৰু অৰ্থৰ লেন-দেন সন্তোষজনক। জীৱন বীমা নিগমৰ মূল প্ৰশাসনিক তথা অৰ্থনৈতিক কৰ্তৃত্ব চলে মাণ্ডলিক কাৰ্যালয়ৰ পৰা। উত্তৰ-পূৰ্বাঞ্চলৰ এই বৃহৎ এলেকাত জীৱন বীমা নিগমৰ ব্যৱসায় আছে, কিন্তু মাণ্ডলিক কাৰ্যালয়

নাই। কলিকতাত থকা মাণ্ডলিক কাৰ্যালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত কৰ্তৃত্ব চলায়। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গুৱাহাটীত মাণ্ডলিক কাৰ্যালয় মুকলি কৰাৰ যুক্তিগত দাবী আছে—কিন্তু শক্তিশালী হেঁচা নাই।

আকাশবাণী আৰু দূৰদৰ্শনৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বৰ্তমান এক বিশাল ক্ষেত্ৰ আছে। উত্তৰ-পূৰ্বাঞ্চলে স্বতন্ত্ৰভাৱে পৰিচালিত হ'ব পৰাকৈ আকাশবাণী আৰু দূৰদৰ্শনৰ স্থিতি আছে। অথচ এতিয়াও উত্তৰ-পূৰ্বাঞ্চলৰ এই দুয়োটা বিভাগ কলিকতাৰ ওপৰত নিৰ্ভৰশীল। উত্তৰ-পূৰ্বাঞ্চলত আজি তেৰটা আকাশবাণীৰ কেন্দ্ৰ আছে আৰু সাতটা স্থানীয় অনাতাঁৰ কেন্দ্ৰ আছে। দূৰদৰ্শনৰ গুৱাহাটী কেন্দ্ৰৰ লগতে দহটা দূৰদৰ্শনৰ কাৰ্যসূচী প্ৰচাৰ কেন্দ্ৰ আছে। উল্লিখিত বহল ক্ষেত্ৰখনক লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে মাণ্ডলিক কাৰ্যালয়ৰ দাবী অতি যুক্তিসংগত যদিও দিল্লী আৰু কলিকতাৰ হেঁচাত এই পদক্ষেপ নলয়। ফলত স্থানীয়ভাৱে নিয়োগৰ লগতে সকলো ক্ষেত্ৰতে উত্তৰ-পূৰ্বাঞ্চল আজি বঞ্চিত হৈ থাকিবলগা হৈছে।

অৰ্থনৈতিক প্ৰগতিৰ মূল চালিকাশক্তি বেংকসমূহে উন্নয়নশীল ৰাষ্ট্ৰসমূহত অৰ্থনীতিক টনকিয়াল কৰাৰ লগতে দৰিদ্ৰ জনগণক দৰিদ্ৰতাৰ সীমাৰেখাৰ ওপৰলৈ আনিবৰ বাবে বিভিন্ন পৰিকল্পনাৰ বাস্তৱ ৰূপায়ণত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বেংকসমূহৰ ভূমিকা এই অঞ্চলৰ স্বাৰ্থৰ পৰিপন্থী হোৱা দেখা যায়। বেংকসমূহে ৰাষ্ট্ৰীয়কৰণৰ সকলো উদ্দেশ্য এই অঞ্চলত জলাঞ্জলি দিছে। অসমত জমা পুঁজিৰ বিনিয়োগ অতি পুতৌলগা। ৰাষ্ট্ৰীয়কৃত বেংকসমূহে অসমত প্ৰয়োজনীয় ৫৮০ টা বেংকৰ শাখা এতিয়াও মুকলি কৰা নাই। অন্যহাতে ৰাষ্ট্ৰীয়কৰণ কৰা বেংকসমূহৰ সাতটা বেংকে অসমত আজিও আঞ্চলিক কাৰ্যালয় মুকলি কৰা নাই। অসমৰ পৰা জমা পুঁজি সংগ্ৰহ কৰাতহে তেওঁলোকে শাখাসমূহক ব্যৱহাৰ কৰিছে। অসমত বিনিয়োগত তেওঁলোকৰ সহযোগ নাই।

ভাৰতীয় সাধাৰণ বীমা নিগমৰ চাৰিওটা বীমা প্ৰতিষ্ঠানৰ শাখাসমূহ অসমত স্থাপন কৰাৰ পৰা অসমৰ আৰ্থ-সামাজিক উত্তৰণৰ পৰিৱৰ্তে সম্পূৰ্ণ ব্যক্তিগত ব্যৱসায়িক দৃষ্টিভংগীৰেহে এই অঞ্চলত ব্যৱসায় কৰি আহিছে। সকলো কৰ্তৃত্ব কলিকতাত থকা কাৰ্যালয়সমূহত ৰখা হৈছে। একেদৰে পিয়াৰলেছ নামৰ বিত্তীয় অনুষ্ঠানটোৱে অসমত শক্তিশালী ব্যৱসায় আৰম্ভ কৰিছে। কিন্তু উদ্দেশ্য অসমৰ পৰা ধন সংগ্ৰহ। অসমত সংগ্ৰহ কৰা পুঁজিৰে পিয়াৰলেছে পশ্চিমবংগত অন্যান্য ব্যৱসায় আৰম্ভ কৰিছে। ব্যৱসায়ৰ ক্ষেত্ৰতেই হওক বা নিয়োগৰ ক্ষেত্ৰতেই হওক, অসমৰ মানুহ পিয়াৰলেছৰ গ্ৰহণযোগ্য নহয়। নামত গুৱাহাটীত মাণ্ডলিক কাৰ্যালয় ৰখা হৈছে যদিও মাণ্ডলিক কাৰ্যালয়ৰ কাম-কাজ চলায় শিলিগুৰিৰ পৰা।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ব্যাপক বিদ্যুৎ শক্তিৰ উৎসৰ বিষয়ে আজি স্পষ্ট হৈ পৰাত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিৰ অন্যতম চালিকা শক্তি বিদ্যুৎ শক্তি শোষণৰ স্বাৰ্থত নতুন কৌশল আৰম্ভ কৰিছে। কেন্দ্ৰৰ সম্পূৰ্ণ কৰ্তৃত্বৰ 'নেচনেল পাৱাৰগ্ৰীড'-ৰ হাতত অসমৰ বিদ্যুৎ শক্তিক আজি কুক্ষিগত কৰা হৈছে। গুৱাহাটী, শিলচৰ আৰু ডিমাপুৰত পাৱাৰগ্ৰীডৰ ডিভিজনেল কাৰ্যালয় মুকলি কৰিছে। উল্লেখযোগ্য যে অসমৰ ভৌগোলিক খণ্ডৰ ভিতৰতে পাৱাৰগ্ৰীডৰ আশী শতাংশতকৈ বেছি কম কাম হ'ব যদিও পাৱাৰগ্ৰীডৰ আঞ্চলিক কাৰ্যালয়টো গুৱাহাটীৰ পৰিৱৰ্তে শ্বিলঙত স্থাপন কৰিছে।

এইটোও লক্ষ্য কৰিবলগীয়া বিষয় যে ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰাৰ সহযোগী হিচাপে থকা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহ অসমৰ পৰিৱৰ্তে এতিয়াও শ্বিলঙত। কোম্পানীসমূহৰ পঞ্জীয়ন কাৰ্যালয়, কেন্দ্ৰীয় আবকাৰী শুল্ক আৰু সীমা শুল্কৰ কাৰ্যালয় শ্বিলঙত। গুৱাহাটীৰ পৰিৱৰ্তে শ্বিলঙত থাকিলেও আলোচ্য বিষয় নহয় যদিও কেন্দ্ৰীয় চৰকাৰৰ ষড়যন্ত্ৰৰ চৰিত্ৰটো নিশ্চয় লক্ষ্য কৰিবলগীয়া বিষয়।

ৰাজহুৱা খণ্ড তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এনে বহুসংখ্যক কাৰ্যালয় প্ৰতিষ্ঠান অসমত প্ৰতিষ্ঠা কৰা নাই যদিও আলোচ্য প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰতেই আমি আজি একো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। এই সমস্যা আমাৰ প্ৰতিজন নাগৰিকৰ সমস্যা। ৰাজনৈতিক শক্তি তথা চৰকাৰসমূহৰ অ-দূৰদৰ্শিতাৰ বাবে আমি প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছো যদিও আমি এনে অৰ্থনৈতিক বিষয়সমূহত ঐক্যবদ্ধভাৱে নিশ্চয় থিয় হ'ব পাৰো। জাতীয় পুঁজি গঠনৰ সহায়ক এই ক্ষেত্ৰবিলাকৰ ওপৰত অতি জৰুৰীভাৱে পদক্ষেপ গ্ৰহণ কৰাৰ সময় হৈছে। অসমবাসীও ঐক্যবদ্ধ হোৱাৰ ই এক সুচল ব্যৱস্থা।

❑ ❑ ❑

আবকাৰী মুখ্য কাৰ্যালয় অসমৰ প্ৰাপ্য

গুৱাহাটী আৰু ধুবুৰীত ২০০১-২০০২ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় আবকাৰী শুল্ক সংগ্ৰহ হৈছে ৬০৩ কোটি টকা। একেটা বিত্তীয় বৰ্ষত শ্বিলঙত সংগ্ৰহ হয় মাত্ৰ ৯ কোটি টকা। এনে এটা অৱস্থাত কেন্দ্ৰীয় আবকাৰী বিভাগৰ মুখ্য আয়ুক্ত কাৰ্যালয় আৰু আয়ুক্ত কাৰ্যালয়ৰ লগতে আয়ুক্ত (আবেদন) কাৰ্যালয় গুৱাহাটীৰ পৰিৱৰ্তে শ্বিলঙত স্থাপন কৰিবলৈ কৰা সিদ্ধান্তৰ যুক্তি কি থাকিব পাৰে? অসমৰ ৰাজনৈতিক আৰু সামাজিক নেতৃত্বৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি কেইজনমান বিষয়াই নিজৰ ব্যক্তিগত স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে গুৱাহাটীত হ'ব লগা কাৰ্যালয়সমূহ কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত সিদ্ধান্তৰ পৰিৱৰ্তন ঘটাই শ্বিলঙত স্থাপন কৰিবলৈ সক্ষম হৈছে। আবকাৰী কাৰ্যালয়কেইটা গুৱাহাটীত স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ ৰাজহ বিভাগে সিদ্ধান্ত গ্ৰহণ কৰাৰ তিনি মহাৰ ভিতৰতে সিদ্ধান্ত পৰিৱৰ্তন হোৱালৈ লক্ষ্য কৰি আবকাৰী বিভাগৰ দিল্লী আৰু স্থানীয় কাৰ্যালয়ত যে অসমৰ জাতীয় স্বাৰ্থবিৰোধী এটা শক্তিয়ে কাম কৰি আছে, সেইটো স্পষ্ট হৈ পৰিছে। গুৱাহাটীত আবকাৰী মুখ্য কাৰ্যালয় স্থাপনৰ সিদ্ধান্তঃ ৰাজধানী শ্বিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ হোৱাৰ লগে লগে সীমা শুল্কৰ মুখ্য কাৰ্যালয় আৰু কেন্দ্ৰীয় আবকাৰী বিভাগৰ মুখ্য কাৰ্যালয় গুৱাহাটীলৈ অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৭৫ চনৰ ২৩ জুলাইত ১১০১৯/৩৯/৯৫-এ.এ.ডি.আই ডি/২৬০/১৬৩৪৭/১৫১নং পত্ৰৰ জৰিয়তে অনুমোদন জনাইছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনক কেন্দ্ৰীয় আবকাৰী বিভাগে কোনো গুৰুত্ব নিদিলে। গুৱাহাটীত কাৰ্যালয় আৰু বিষয়া-কৰ্মচাৰীৰ থকাৰ অসুবিধাক দোহাই দি '৯৩ চনলৈ বিষয়টো গাপ দি ৰখা হ'ল। ১৯৯৩ চনৰ ২৩ মাৰ্চত ৰাজ্যসভাত সেই সময়ৰ ৰাজ্যসভাৰ সদস্যা বিজয়া চক্ৰৱৰ্তীয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰীক মুকলিভাৱে প্ৰশ্ন কৰাত কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক বিত্তমন্ত্ৰী এন ভি চন্দ্ৰশেখৰ মূৰ্তিয়ে প্ৰতিশ্ৰুতি দিবলৈ বাধ্য হৈছিল যে 'গুৱাহাটীত কাৰ্যালয়ৰ বাবে মাটি আৰু বিষয়া-কৰ্মচাৰীসকলৰ আবাসৰ সুবিধা কৰিব পাৰিলে শ্বিলঙত থকা কেন্দ্ৰীয় সীমা শুল্ক আৰু আবকাৰী বিভাগৰ মুখ্য কাৰ্যালয় গুৱাহাটীলৈ স্থানান্তৰ কৰিব পাৰে। এই বিষয়ত ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰিব লাগে।' ৰাজ্যসভাত বিভাগীয় মন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতিক কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে কোনো গুৰুত্ব দিয়াৰ উপলব্ধি নকৰিলে। লক্ষ্য কৰিবলগা

বিষয় যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় আবকাৰী আয়ুক্ত কাৰ্যালয়ৰ বাবে চাৰি বিঘা মাটি আৰু 'হাউছিং ব'ৰ্ড'-ৰ দ্বাৰা নাৰেংগীত বিষয়া-কৰ্মচাৰীসকলৰ বাবে ১৩২টা আবাসগৃহ নিৰ্মাণ কৰি দিয়াৰ পিছতো গুৱাহাটীক বঞ্চিত কৰাৰ ষড়যন্ত্ৰতহে ব্যস্ত হ'ল বিভাগীয় এচাম বিষয়া। সীমা শুল্ক আৰু আবকাৰী বিভাগৰ মুখ্য আয়ুক্তই '৯৭ চনৰ ৮ মে'ত মুখ্য কাৰ্যালয় শ্বিলঙৰ পৰা গুৱাহাটীলৈ পৰ্যায়ক্ৰমে স্থানান্তৰ কৰাৰ বাবে জনাইছিল যদিও দুষ্ট চক্ৰৰ হেঁচাত সেইটো তল পৰিল। কেন্দ্ৰীয় জলসম্পদ বিভাগৰ ৰাজ্যিক মন্ত্ৰী বিজয়া চক্ৰবৰ্তীৰ চিঠিৰ প্ৰসংগত কেন্দ্ৰীয় বিত্তমন্ত্ৰী যশৱন্ত সিন্হাই ২০০১ ৰ ৬ ডিচেম্বৰত ব্যক্ত কৰিছিল যে আবকাৰী বিভাগৰ কাৰ্যালয়কেইটা গুৱাহাটীলৈ স্থানান্তৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। পৰিতাপৰ বিষয় যে ৰাজ্যখনৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয় এটাক ৰাজ্য চৰকাৰে গুৰুত্ব দিবলগা বিষয় বুলি বিবেচনাই নকৰিলে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰ তথা সংশ্লিষ্ট বিভাগক হেঁচা প্ৰয়োগ কৰা পৰিলক্ষিত নহ'ল।

শেহতীয়াভাৱে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ ৰাজহ বিভাগে যোৱা ৮মাৰ্চত ১৪/২০০২ কেন্দ্ৰীয় আবকাৰী (এন টি)-নং অধিসূচনাৰ জৰিয়তে দেশৰ বিভিন্ন অঞ্চলৰ কেন্দ্ৰীয় আবকাৰী মুখ্য আয়ুক্ত কাৰ্যালয়ৰ অধীনৰ সংশ্লিষ্ট আয়ুক্ত কাৰ্যালয়সমূহৰ স্থান আৰু দায়িত্ব নিৰ্দিষ্ট কৰি এখন তালিকা প্ৰকাশ কৰিছিল। ৮মাৰ্চৰ অধিসূচনাখনৰ জৰিয়তে তালিকাৰ এঘাৰ নম্বৰত গুৱাহাটীত মুখ্য আয়ুক্ত কাৰ্যালয়লৈ গুৱাহাটী আৰু শ্বিলঙত আয়ুক্ত কাৰ্যালয়ৰ স্থান নিৰ্দিষ্ট কৰি দিছিল। তালিকাখনত কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীত আবকাৰী মুখ্য আয়ুক্তৰ কাৰ্যালয় স্থাপন হোৱাটো নিশ্চিত কৰিলে যদিও গুৱাহাটী আয়ুক্ত কাৰ্যালয়ৰ কৰ্তৃত্ব সংকোচিত কৰি শ্বিলঙৰ আয়ুক্ত কাৰ্যালয়ৰ হাতত আবকাৰী শুল্ক সংগ্ৰহ হোৱা গুৰুত্বপূৰ্ণ অঞ্চলসমূহ ন্যস্ত কৰা হ'ল। গুৱাহাটীৰ আয়ুক্ত কাৰ্যালয়ৰ অধীনত অৰুণাচল প্ৰদেশ আৰু অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, দৰং, শোণিতপুৰ, লখিমপুৰ আৰু ধেমাজি জিলাক অন্তৰ্ভুক্ত কৰিলে। কিন্তু শ্বিলং আয়ুক্ত কাৰ্যালয়ৰ অধীনত ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, মেঘালয় ৰাজ্যকেইখনৰ লগতে অসমৰ আবকাৰী শুল্ক সংগ্ৰহ হোৱা বিশেষ জিলাসমূহ ক্ৰমে ধুবুৰী, বঙাইগাঁও, কোকৰাঝাৰ, গোৱালপাৰা, নলবাৰী, বৰপেটা, মৰিগাঁও, নগাঁও, শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি, উত্তৰ কাছাৰ, কাৰ্বি-আংলং, গোলাঘাট আৰু কামৰূপ জিলাক সামৰি লোৱা হ'ল। আমি আগতেই উল্লেখ কৰিছো যে কোটি টকা আবকাৰী শুল্ক সংগ্ৰহ হয়। এনে অঞ্চলসমূহৰ নেতৃত্ব শ্বিলঙত ৰাখি কেন্দ্ৰীয় বিত্ত বিভাগে অসমৰ ওপৰত চলাই অহা প্ৰৱঞ্চনা অব্যাহত ৰাখিলে।

ৰাজ্য চৰকাৰৰ উদাসীনতাৰ সুযোগ লৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ ৰাজহ বিভাগৰ

৮মাৰ্চৰ অধিসূচনাখন ৮৭ দিনৰ পিছতে অসমৰ স্বাৰ্থক সম্পূৰ্ণ উপেক্ষা কৰি পৰিবৰ্তন কৰিলে। ৪ জুনৰ কেন্দ্ৰীয় চৰকাৰৰ বিত্ত বিভাগে ২২/২০০২ কেন্দ্ৰীয় আবকাৰী (এন টি)-নং অধিসূচনাৰে ৮ মাৰ্চৰ তালিকাৰ সংশোধন ঘটালে। ৪ জুনত প্ৰকাশিত তালিকাত অতি ষড়যন্ত্ৰমূলকভাৱে মুখ্য আয়ুক্ত কাৰ্যালয়ৰ তালিকাৰ পৰা গুৱাহাটীৰ নাম বাদ দিয়া হ'ল। গুৱাহাটীৰ পৰিবৰ্তে আবকাৰী মুখ্য আয়ুক্তৰ কাৰ্যালয় শ্বিলং বুলি ঘোষণা কৰাৰ লগতে গুৱাহাটীৰ আয়ুক্তৰ কাৰ্যালয় ডিব্ৰুগড়লৈ স্থানান্তৰ কৰাৰ কথা ঘোষণা কৰা হ'ল। ৮ মাৰ্চৰ অধিসূচনাত স্পষ্ট কৰি দিয়া গুৱাহাটীৰ আয়ুক্ত কাৰ্যালয়ৰ অধীনৰ স্থানসমূহ ডিব্ৰুগড়ৰ আয়ুক্ত কাৰ্যালয়ৰ অধীনলৈ অনা হ'ল। প্ৰৱঞ্চনাৰ এক বিৰাট ব্লু-প্ৰিন্ট। কেন্দ্ৰীয় আবকাৰী মুখ্য আয়ুক্ত আৰু আয়ুক্ত কাৰ্যালয়ৰ এচাম উচ্চস্তৰৰ বিষয়াই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আবকাৰী শুল্কৰ ক্ষেত্ৰত এক কেলেংকাৰীত জড়িত আছে বুলি অভিযোগ আছে, কেন্দ্ৰীয় চৰকাৰে অসমত উৎপাদন কৰিবলৈ অহা চিগাৰেট উদ্যোগসমূহৰ ক্ষেত্ৰত আবকাৰী শুল্ক ৰেহাই দিয়াক লৈ বহু কোটি টকাৰ কেলেংকাৰী ইতিমধ্যেই পোহৰলৈ আহিছে। এই চক্ৰটোৱে তেওঁলোকৰ লুণ্ঠনৰ স্বাৰ্থ সুৰক্ষা কৰি ৰখাৰ বাবেই গুৱাহাটীত কেন্দ্ৰীয় আবকাৰী মুখ্য আয়ুক্ত কাৰ্যালয় আৰু আয়ুক্ত কাৰ্যালয় স্থাপন কৰি নিদিয়ে। ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে তেওঁলোকে অবাধ স্বাধীনতা বিচাৰে। তেওঁলোকৰ বাবে উত্তম স্থান শ্বিলং। তাৰ বাবে অসম তথা গুৱাহাটীক বঞ্চিত কৰাৰ বাবে এক প্ৰৱঞ্চনাৰ ৰাজনীতি কৰা হ'ল। দুৰ্ভাগ্যৰ বিষয় যে দেউলীয়া নেতৃত্বৰ ৰাজ্য চৰকাৰখনে জাতীয় স্বাৰ্থত প্ৰতিবাদ কৰাত অভ্যস্ত নহয়। গতিকেই বঞ্চনা-প্ৰৱঞ্চনা-শোষণ-লুণ্ঠনৰ দৰে কাৰ্যসমূহৰ লগত অসমবাসী আজি অভ্যস্ত হৈ পৰিছে।

আমাৰ প্ৰস্তাৱ ঃ এনে অৱস্থাৰ পৰিবৰ্তন কৰিব লাগিব। আমি লক্ষ্য কৰি আহিছো যে ৰাজহুৱা খণ্ড আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ লগতে ব্যক্তিগত খণ্ডতো অসমৰ প্ৰাপ্য বহু কাৰ্যালয়-প্ৰতিষ্ঠান অসমত প্ৰতিষ্ঠা কৰা নাই। ডেৰশ বছৰে অসমৰ মাটিৰ পৰা মুনাফা লুটি থকা চাহ কোম্পানীসমূহৰ মুখ্য কাৰ্যালয় অসমত নাই। চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয় নাই। জাগীৰোড, টুলী, পাঁচগ্ৰামত হিন্দুস্থান কাগজ বিভাগৰ কাগজ কল পৰিচালনা কৰে কলকাতাৰ পৰা। হিন্দুস্থান সাৰ নিগমৰ নামৰূপ সাৰ কাৰখানা পৰিচালনা হয় দিল্লীৰ পৰা। জীৱন বীমা নিগমৰ সকলো কাম পৰিচালিত হয় কলকাতাৰ মাণ্ডলিক কাৰ্যালয়ৰ পৰা। আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ বাবে গুৱাহাটীত মাণ্ডলিক কাৰ্যালয় প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছতো কলকাতাৰ পৰা স্থানান্তৰ কৰিব পৰা নাই। ৰাষ্ট্ৰীয়কৰণ কৰা বেংকসমূহৰ সাতটা বেংকে অসমত আজিও আঞ্চলিক কাৰ্যালয় মুকলি কৰা নাই। পাৱাৰগ্ৰীডৰ আঞ্চলিক কাৰ্যালয়

গুৱাহাটীৰ পৰিবৰ্তে শ্বিলঙত স্থাপন কৰিছে। কোম্পানীসমূহৰ পঞ্জীয়ন কাৰ্যালয় শ্বিলঙত। এনেদৰে বহু উদ্যোগ, প্ৰতিষ্ঠানৰ আঞ্চলিক, মাণ্ডলিক, মুখ্য কাৰ্যালয়ৰ পৰা অসম আজিও বঞ্চিত। ৰাজনৈতিক শক্তি তথা চৰকাৰসমূহৰ অ-দূৰদৰ্শিতাৰ বাবে আমি আজি প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছোঁ। দিছপুৰক দিল্লীৰ দ্বাৰা পৰিচালিত কৰা বৰ্তমানৰ তৰুণ গগৈ চৰকাৰে এইবিলাক বিষয় নিশ্চয় উপলব্ধি কৰিব নোৱাৰে।

আমাৰ প্ৰস্তাৱ হ'ল নিয়োগৰ বহল ক্ষেত্ৰখনৰ লগতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জাতীয় পুঁজি গঠনত সহায়ক হোৱা এই কাৰ্যালয়সমূহ অসমত স্থাপন কৰাৰ বাবে শক্তিশালী জনমত গঠন কৰাৰ প্ৰয়োজন। অসমবিৰোধী চক্ৰসমূহৰ ষড়যন্ত্ৰক ওফৰাই কেন্দ্ৰীয় আবকাৰী মুখ্য আয়ুক্ত কাৰ্যালয়, আয়ুক্ত কাৰ্যালয় আৰু আয়ুক্ত (আবেদন) কাৰ্যালয় শ্বিলঙৰ পৰিবৰ্তে গুৱাহাটীত স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাব লাগিব। অসমৰ সচেতন ৰাইজে প্ৰবল জনমত গঠন কৰিব লাগিব। প্ৰাপ্য আদায় কৰাটো কেতিয়াও অপৰাধ হ'ব নোৱাৰে। কৰিব নোৱাৰাটোহে দুৰ্বলতাৰ পৰিচায়ক।

❑ ❑ ❑

‘বি আৰ পি এল’-ক সংস্থাপনৰ এক আধাৰ কৰিব পৰা যায়

ৰাজহুৱা খণ্ডত থকা লাভজনক উদ্যোগসমূহৰ ভিতৰত উল্লেখযোগ্য উদ্যোগসমূহ হ’ল তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, অইল ইণ্ডিয়া, এন টি পি চি, চেইল, এন আই এন এন, আই পি চি এল, এইচ পি চি এল, জি এছ এন এল, নের্লক। আৰু এই উদ্যোগকেইটাৰ ভিতৰত অন্যতম লাভজনক উদ্যোগ অসমৰ বঙাইগাওঁ ৰিফাইনাৰী আৰু পেট্ৰ’কেমিকেলছ লিমিটেড (বি আৰ পি এল)। এক সংগ্ৰামৰ ইতিহাস থকা বঙাইগাওঁ শোধনাগাৰ আৰু পেট্ৰ’কেমিকেলছ লিমিটেডৰ আধাৰশিলা স্থাপন কৰে প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে। ১৯৭৪ চনত ঢালিগাৱঁক মুখ্য কাৰ্যালয় হিচাপে লৈ বি আৰ পি এল এক স্বতন্ত্ৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ হিচাপে থিয় হ’ল। ১৯৭৮ চনত ব্যৱসায়িকভাৱে উৎপাদন আৰম্ভ কৰা বি আৰ পি এলৰ ঢালিগাৱঁক মুখ্য কাৰ্যালয় হিচাপে লৈ দিল্লী, কলকাতা, মুম্বাই, আহমেদাবাদ আৰু কইম্বাটোৰত বাণিজ্যিক কেন্দ্ৰ মুকলি কৰি আজি এক পূৰ্ণাঙ্গ অত্যাধুনিক উদ্যোগ হিচাপে গঢ়ি উঠিছে। শোধনাগাৰ গোটটোৱে ডিজেল, কেৰাচিন আদিৰ লগতে ৰন্ধন গেছ আৰু নেপ্‌থা উৎপাদন কৰে। পেট্ৰ’ৰাসায়নিক গোটটোৱে পলিয়েষ্টাৰ ফাইবাৰ, থিয়ানল আদিৰ লগতে কেইবাটাও হাইড্ৰ’কাৰ্বন চ’লভেট উৎপাদন কৰে। বি আৰ পি এলৰ উৎপাদনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে ১৯৯১ চনত বি আৰ পি এলৰ শোধন ক্ষমতা ১.৩৫ নিযুত টনৰ বিপৰীতে ২.৩৫ নিযুত টনলৈ বৃদ্ধি কৰাৰ অনুমতি দিছিল। ১৯৯৫ চনৰ পৰা এই নতুন গোটকেইটাৰ কাম আৰম্ভ কৰে।

আমাৰ প্ৰস্তাৱ হ’ল শোধনাগাৰৰ লগতে পেট্ৰ’কেমিকেলছৰ উদ্যোগে বি আৰ পি এলক ৰাজ্যৰ ৰাজহ আহৰণৰ অন্যতম ক্ষেত্ৰ কৰাৰ লগতে নিয়োগৰ ক্ষেত্ৰখনত অন্যতম আধাৰ হিচাপে ব্যৱহাৰ কৰিব লাগে। ভাৰত চৰকাৰে ১৯৬৪ চনৰ সিদ্ধান্ত মৰ্মে পেট্ৰ’লিয়াম উৎপাদন কেন্দ্ৰবিলাকক ভিত্তি কৰি বিভিন্ন আনুসঙ্গিক উদ্যোগ গঠন কৰাৰ

সিদ্ধান্ত লৈছিল। চিনাক্ত কৰা উদ্যাগসমূহৰ ভিতৰত আছিল নেপথা ক্ৰেকিং ইউনিট, অৰ্গেনিক কেমিকেলছ আৰু মধ্যমবৰ্গী উৎপাদক সামগ্ৰী উদ্যোগ, হাইড্ৰ'কাৰ্বন আৰু গেছৰ সদ্‌ব্যৱহাৰ কৰি পলিমাৰ প্লাষ্টিক, চিনথেটিক সূতা, ৰবৰ, খেতিয়কৰ বাবে পোক-পৰুৱা নিধনৰ কেইবিধমান দৰৱ, কাৰ্বন ব্লক, নেপথা আৰু সংযোগী গেছৰ মাধ্যমত খেতি-বাতিৰ বাবে সাৰ, বিভিন্ন অৰ্গেনিক কেমিকেল উদ্যোগ আদি। ভাৰত চৰকাৰৰ ১৯৬৪ চনৰ সিদ্ধান্তক কাৰ্যকৰী কৰাৰ সম্পূৰ্ণ সূচল উদ্যোগ হ'ল বি আৰ পি এল। আমাৰ প্ৰস্তাৱ হ'ল বি আৰ পি এলক ৰাজহুৱা খণ্ডত ৰাখি অসমৰ শিল্পায়নৰ বিকাশৰ বাবে অসম চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰক। অসম চৰকাৰে এইটো উপলব্ধি কৰা উচিত যে বি আৰ পি এলক কেন্দ্ৰ কৰি বহুসংখ্যক ভটিয়নি উদ্যোগৰ সম্ভাৱনা অসমত আছে। আৰু এই ভটিয়নি উদ্যোগৰ জৰিয়তে অসমৰ নিবনুৱা সমস্যা সমাধানৰ পথত খোজ দিব পৰা যাব।

বিমল কুমাৰ সিংহৰ তথ্য অনুসৰি বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'ৰাসায়নিক প্ৰকল্পৰ খাৰুৱা তেল শোধন কৰা সৰ্বমুঠ ক্ষমতা হ'ল বছৰি বৰ্তমান ২.৭ নিযুত মেট্ৰিক টন। শোধনাগাৰ উৎপাদনৰ মূল গোট কেইটা হ'ল দুটা ক্ৰুড ডিচটিলেশ্বন গোট (চিডিইউ), এটা কেৰাচিন ট্ৰিটিং গোট (কেটিইউ), দুটা বিলায়েট কুমাৰ গোট (ভিচিইউ) আৰু এটা কোক কেলছিনেশ্বন গোট (চিচিইউ)। বৰ্তমান শোধনাগাৰটোৱে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু অয়ল ইণ্ডিয়া লিমিটেডে যোগান ধৰা খাৰুৱা তেলৰ জৰিয়তে তেল শোধন কৰে যদিও বিদেশৰ পৰা খাৰুৱা তেল আমদানি কৰাৰ বাবেও চুক্তিবদ্ধ হৈছে। শোধনাগাৰটোৰ খাৰুৱা তেল শোধন গোট দুটাৰ ক্ষমতা প্ৰত্যেকটোৰে বছৰি ১.৩৫ নিযুত টন। উৎপাদিত সামগ্ৰীসমূহ হ'ল— Straight Run Naphtha. Reformer Feed Naphtha. Diesel Oil আৰু Reduced Crude Oil, কেৰাচিন ট্ৰিটিং গোটটোৰ উৎপাদন ক্ষমতা ২,৩০,০০০ টন, কেৰাচিনৰ পৰা Superior Kerosene oil (SKO) আৰু Aristion Turbine Fuel (ATF) উৎপাদন কৰে। ডিলায়েট কুকাৰ গোট দুটাৰ প্ৰত্যেকৰে বছৰি ৫,০০,০০০ টন Reduced Crude Oil processing কৰি Fuel Gas, LPG, Naphtha, Gas Oil, Fuel Oil আৰু Raw Petroleum Coke উৎপাদন কৰে। Raw Petroceum Coke (RPC)-ক Callined Petroleum Coke (CPC) লৈ ৰূপান্তৰিত কৰি Coke Calcination unit (CCU) কৰা হয়।

পেট্ৰ'ৰাসায়নিক প্ৰকল্পৰ গোটসমূহক উন্নত প্ৰযুক্তিৰ জৰিয়তে নিৰ্মাণ কৰা হৈছে। Xyline গোটটোৱে Paraxyline উৎপাদন কৰি DMT/PTA-ৰ Feed Stock হিচাপে ব্যৱহাৰ হয়। আন আন উৎপাদিত সামগ্ৰীসমূহ হ'ল Orthoxyline, Ceeseren আৰু Ceenine Solvent। Polyester Staple Fibre (PSF) গোটটোৰ বছৰি ৩০,০০০ টন বিভিন্ন আৰ্হিৰ ফাইবাৰ উৎপাদন কৰাৰ ক্ষমতা আছে। ডি এন টি গোটৰ পৰা তৰল টি এফ টি আৰু বাহিৰা উৎসৰ পৰা আমদানিকৃত Mono Ethylene Glycol (MEG) হ'লে PSF-ৰ মুখ্য কেঁচা সামগ্ৰী।

বি আৰ পি এলৰ উৎপাদিত সামগ্ৰীসমূহ অন্যান্য উদ্যোগত কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ হয়। তিনিবিধ নেপ্‌থাৰ দ্বাৰা মূলতঃ সাৰৰ কাৰখানা আৰু পেট্ৰ'ৰাসায়নিক উদ্যোগত ব্যৱহাৰ কৰা হয়, পেট্ৰ'ল (MS) মটৰ গাড়ী আৰু দুচকীয়া যান বাহনৰ ইন্ধন হিচাপে ব্যৱহাৰ হয়। Aviation Turbine Fuel (ATF) উৰাজাহাজৰ বাবে ইন্ধন হিচাপে ব্যৱহাৰ হয়। High Speed Diesel Oil (HSD) ডিজেল ইঞ্জিন, পাম্প আৰু ডিজেলচালিত মটৰ গাড়ীৰ বাবে প্ৰয়োজন। Light Diesel Oil (LDO) ডিজেল যন্ত্ৰ-পাতি, পাম্পৰ ইন্ধন, শক্তি উৎপাদনৰ কামত ব্যৱহৃত হয়। Furnace Oil (F O) শক্তি উৎপাদন আৰু উদ্যোগিক ইন্ধনৰ কামত, Raw Petroleum Coke (RPC)-ৰ দ্বাৰা Calcined Petrolium Coke (CPC), Feed Stock. CPC এলুমিনিয়ামৰ উদ্যোগ আৰু Graphite Elestrodes–ৰ উদ্যোগত ব্যৱহৃত হয়। ৰন্ধন গেছ ঘৰুৱা ব্যৱহাৰৰ লগতে বিভিন্ন উদ্যোগৰ ইন্ধন হিচাপেও ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি Polyster Staple Fibre (PSF)-ৰ সৈতে Cotton, Viscose Ragon, এৰি, মুগা, ৰেমি, উল আদিৰ লগত মিহলি কৰি Synthetic Textiles উৎপাদন কৰে। ডি এন টি-ৰ দ্বাৰা Polyster Filanent Yarn, Polyster Staple Fibrc (PSF), Film, Resih আৰু আন বহুতো সামগ্ৰী উৎপাদন কৰিব পাৰি। Orthoxyline আৰু Ceenine-ৰ দ্বাৰা কীটনাশক ঔষধ আৰু ৰং তৈয়াৰ কৰা উদ্যোগৰ বাবে প্ৰয়োজন। আমাৰ প্ৰস্তাৱ হ'ল বি আৰ পি এলত উৎপাদিত বিষয়সমূহ লৈ ভটিয়নী উদ্যোগ স্থাপনৰ বাবে বহুলভিত্তিক আঁচনি প্ৰস্তুত কৰিব লাগে। প্ৰথম পৰ্যায়ত অসম তথা উত্তৰ-পূবৰ বজাৰখনক লক্ষ্য ৰাখি উদ্যোগ গঢ়ি তোলাৰ বাবে নিবনুৱাসকলক পৃষ্ঠপোষকতা কৰিব লাগে। অসম চুক্তি অনুসৰি অসমত এটা এৰমেটিক কমপ্লেক্স স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ হৈছিল। এন চি জৈন কমিটীয়েও এই ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল। জৈন কমিটীৰ প্ৰতিবেদনত

নেপথাৰ এটা বেন্‌জিন প্ৰকল্প গঢ়ি উঠাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিছিল। অসম উদ্যোগিক উন্নয়ন নিগমে ১৯৯৩ চনৰ জানুৱাৰী মাহত ভাৰত চৰকাৰৰ পৰা বেন্‌জিন প্ৰকল্পৰ বাবে অনুজ্ঞা-পত্ৰ লাভ কৰিছিল, অনুজ্ঞা-পত্ৰখন অসম উদ্যোগিক উন্নয়ন নিগমে বি আৰ পি এল-লৈ হস্তান্তৰ কৰিছিল। বি আৰ এলে চৰকাৰৰ আৰ্থিক অনুদান নোলোৱাকৈ নিজস্ব পুঁজিৰে বেন্‌জিন প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ অনুমোদন বিচৰাত কেন্দ্ৰীয় চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে এই প্ৰকল্পৰ অনুমোদন দিয়াত বাধা দি আছিল। অসমৰ উৎপাদিত নেপ্‌থা বিহাৰৰ বাৰাউনিলৈ নি তাত এটি কেটেলিষ্টিক ৰিফৰ্মাৰ গোট তৈয়াৰ কৰাৰ গুৰুত্ব দি বি আৰ পি এলৰ বেন্‌জিন গোটটোৰ প্ৰস্তাৱ নাকচ কৰাৰ বাবে ষড়যন্ত্ৰ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ ষড়যন্ত্ৰৰ এনেবিলাক দিশৰ প্ৰতি বিশেষভাৱে চকু ৰখা প্ৰয়োজন হ'ব।

❑ ❑ ❑

সেনাবাহিনীৰ বাবে প্ৰয়োজনীয় সামগ্ৰী অসমতে ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব লাগিব

ভাৰতবৰ্ষৰ ১৭,৭০০ কিল'মিটাৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ ভিতৰত ৫,২০০ কিল'মিটাৰ চীন, ম্যানমাৰ, বাংলাদেশ, ভূটানৰ লগত সংলগ্ন হৈ আছে উত্তৰ-পূৰ্বাঞ্চল। ভাৰতবৰ্ষৰ লগত গড়ে ১২কিলোমিটাৰ বহল অঞ্চলৰে সংলগ্ন উত্তৰ-পূৰ্বাঞ্চল। আন্তঃৰাষ্ট্ৰীয় সীমাই অৰুণাচল প্ৰদেশৰ ১,৭০০ কিঃ মিঃ, অসমৰ, ৭০০ কিঃ মিঃ, মণিপুৰৰ ৩৯৮ কিঃ মিঃ, মেঘালয়ৰ ৪৪৩ কিঃমিঃ, মিজোৰামৰ ৮২৮ কিঃমিঃ, নগালেণ্ডৰ ২১৫ কিঃমিঃ আৰু ত্ৰিপুৰাৰ ৬২৫ কিঃ মিঃ চুই গৈছে। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰে আগুৰা উত্তৰ-পূবৰ বাবে ভাৰতবৰ্ষৰ প্ৰতিৰক্ষা দপ্তৰৰ বিশেষ গুৰুত্ব আছে। সেই বাবেই হয়তো কেন্দ্ৰীয় চৰকাৰে প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব অসমৰ সাংসদ বিজয়কৃষ্ণ সন্দিকৈৰ ওপৰত ন্যস্ত কৰিছে, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিৰক্ষা দপ্তৰৰ কাৰ্যক্ৰমণিকালৈ লক্ষ্য কৰিলে এইটো ধাৰণা হয় যে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা এজন মন্ত্ৰী দিব লাগে বাবেহে শ্ৰীসন্দিকৈক ৰাজ্যিক প্ৰতিৰক্ষা মন্ত্ৰীৰ পদ দিয়া হৈছে। অৱশ্যে আমি আত্মসন্তুষ্টি লাভ কৰিছোঁ— আমি এজন কেন্দ্ৰীয় মন্ত্ৰী পাইছোঁ।

দেশৰ প্ৰতিৰক্ষাৰ বাবে মন্ত্ৰী সন্দিকৈয়ে কি কৰে, সেইটো তেওঁৰ বিষয়। আমাৰ প্ৰস্তাৱ হ'ল— মন্ত্ৰী মহোদয়ে প্ৰতিৰক্ষা বিভাগৰ জৰিয়তে অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ স্বাৰ্থত বহু কৰিব পাৰে আৰু সেই কাম কৰা উচিত। অসমত সেনাবাহিনী, বায়ু সেনাবাহিনী, সীমান্ত সুৰক্ষা বাহিনী, চি আৰ পি এফ, সীমান্ত পথ সংস্থা, কেণ্টিন আদি বিশাল জনশক্তিৰ বিভাগ আছে। এই জনশক্তিক লৈ এখন বিশাল বজাৰ আছে। এই বজাৰখন দখল কৰাৰ বাবে অসমৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সহায় কৰিব পাৰে। ভাৰতীয় বায়ুসেনাই বজাৰৰ পৰা চল্লিছ হাজাৰবিধ সামগ্ৰী ক্ৰয় কৰে। লক্ষণীয়ভাৱে তাৰ এপদো সামগ্ৰী অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ক্ৰয় কৰা নহয়। বিশ্বৰ চতুৰ্থ বৃহৎ ভাৰতীয় বায়ুসেনাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ বাবে বহুকেইটা ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠা সম্ভৱ যদিও আজিলৈ সেইটো হৈ উঠা নাই। স্থানীয়ভাৱে পাব পৰা এনে সামগ্ৰীসমূহ উত্তৰ-পূৰ্বাঞ্চলতে কিনাৰ ব্যৱস্থা হ'লে এই অঞ্চলত

এখন বিশাল বজাৰ সৃষ্টিৰ লগতে ক্ষুদ্ৰ উদ্যাগৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পায়নৰ বিকাশত সহায়ক হ'লেহেঁতেন। ভাৰতীয় বায়ুসেনাৰ ইষ্টাৰ্ণ এয়াৰ কমাণ্ডাৰৰ মতে, উত্তৰ-পূবত এই বিভাগটোৰ বাবে বছৰি বিছ হাজাৰ কম্বল. ডেৰ হাজাৰ আঁঠুৱা, ছয় হাজাৰ বেল্ট, পাঁচ হাজাৰ জোতাকে আদি কৰি বহু বস্তুৰ প্ৰয়োজন হয়। ভাৰতীয় সেনাবাহিনীত কাৰ্যালয় পৰিচালনা আৰু জোৱানসকলৰ বাবে প্ৰয়োজনীয় সামগ্ৰী কিনাৰ বাবে বছৰি কমেও ছয় হাজাৰ কোটি টকাৰ বাজেট ধৰা হয়। উত্তৰ-পূৰ্বাঞ্চলত সেনাৰ বাবে বাৰ্ষিক এশ কোটি টকাৰ সামগ্ৰী ক্ৰয়ৰ প্ৰয়োজন হয়। ইয়াৰে প্ৰায় ৬০কোটি টকা ব্যয় হয় হাঁহ-কুকুৰা, মাছ, শাক-পাঁচলি, গাখীৰ, গাখীৰজাত সামগ্ৰীকে ধৰি অন্যান্য খাদ্যসামগ্ৰী ক্ৰয়ত। সেনাবাহিনীৰ দ্বাৰা ব্যৱহৃত বিভিন্ন সামগ্ৰী স্থানীয়ভাৱে ক্ৰয় কৰিব পাৰিলে অঞ্চলটোৰ বিকাশৰ গতি দ্ৰুত হ'লেহেঁতেন। দুৰ্ভাগ্যৰ বিষয় যে এই বৃহৎ অংকৰ ভিতৰত গুৱাহাটীৰ নাৰেংগী কাৰ্যালয়ৰ পৰা উত্তৰ-পূৰ্ব্বত বছৰি মাত্ৰ এক কোটি নবৈ লাখ টকাৰ সামগ্ৰীহে ক্ৰয় কৰা হয়। ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডাৰৰ মতে, সেনাবাহিনীৰ সাধাৰণ ব্যৱহাৰৰ বাবে ছবিছ হাজাৰবিধ সামগ্ৰী লাগে। প্ৰত্যেক বছৰে ইয়াৰ ভিতৰত নশবিধ বজাৰৰ পৰা কিনা হয়। সেনাবাহিনী ক্ষুদ্ৰ উদ্যোগৰ অন্যতম বৃহৎ ক্ৰেতা যদিও দুৰ্ভাগ্যজনকভাৱে এতিয়ালৈ সিংহ ভাগ ৰাজ্যৰ বাহিৰৰ পৰাই ক্ৰয় কৰি আহিছে। সেনাবাহিনীৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন স্তৰৰ গাড়ীসমূহৰ বাবে বহু বস্তুৰ প্ৰয়োজন। অসমত প্ৰয়োজনসাপেক্ষে পোৱা নাযায় বুলি বাহিৰৰ পৰা অনা হয়। কিন্তু গুৱাহাটীৰ বজাৰতে আজি সকলো ধৰণৰ গাড়ী আৰু গাড়ীৰ বাবে প্ৰয়োজনীয় সামগ্ৰী পোৱা যায়। গুৱাহাটীৰ বজাৰৰ পৰা অৱশ্যে প্ৰায় ডেৰ কোটি টকাৰ গাড়ীৰ বাবে প্ৰয়োজনীয় বস্তু কিনা হয়। সেনাবাহিনীৰ বাবে তথ্য-প্ৰযুক্তিৰ বহু সামগ্ৰীৰ প্ৰয়োজন হয়। তথ্য-প্ৰযুক্তিয়ে সেনাবাহিনীৰ বিভিন্ন বিভাগত যথেষ্ট পৰিমাণে গুৰুত্ব পাইছে যদিও এনে সামগ্ৰীৰ অসমৰ বজাৰখনক সেনাবাহিনীয়ে গ্ৰহণ কৰা নাই। উল্লেখ্য যে ১৯৪৮চনৰ ১জানুৱাৰীৰ পৰা সেনাবাহিনীৰ বাবে ৭খন কেণ্টিন মুকলি কৰা হয়। এই কেণ্টিনসমূহত বিভিন্ন সামগ্ৰী বিক্ৰী কৰা হয়। ৪৮লাখ টকাৰে আৰম্ভ কৰা কেণ্টিনসমূহত আজি ৪,২০০কোটি টকাৰ সামগ্ৰী বিক্ৰী হয়। বছৰি ১০০কোটি টকা কমেও লাভ কৰে। বৰ্তমান দেশত এনে কেণ্টিনৰ ৩৪টা আঞ্চলিক ডিপো আৰু প্ৰায় ৩,৪০০টা ইউনিট আছে। এই কেণ্টিনসমূহ প্ৰায় চাৰি লাখ পৰিবাৰে পৰিচালনা কৰে। এই কেণ্টিনবিলাকত বিক্ৰী কৰাৰ বাবেও স্থানীয়ভাৱে কোনো বস্তু ক্ৰয় কৰা নহয়।

অসম ৰাইফলছৰ যাঠি হাজাৰ জোৱানৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহক লৈ উত্তৰ-পূবত ক্ষুদ্ৰ উদ্যোগৰ যথেষ্ট সম্ভাৱনা আছে যদিও এই ক্ষেত্ৰত বৰ্তমানলৈ

কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। অসম ৰাইফলছ্‌ৰ মুখ্য অভিযন্তাৰ মতে, উত্তৰ-পূবত ওঠৰ হাজাৰ মেট্ৰিক টন চিমেণ্ট, তিনিশ মেট্ৰিক টন চি জি আই শ্বিট্‌, পোন্ধৰ হাজাৰ মেট্ৰিক টন লোহাকে আদি কৰি গৃহ নিৰ্মাণৰ সামগ্ৰীৰ বাবে ২২.৭০কোটি টকাৰ বাজেট আছে। ৯,৯১৫মেট্ৰিক টন চাউল, ১,৮৫৫মেট্ৰিক টন মাংস, আটা, দাইল, ফল-মূল আদি খাদ্যসামগ্ৰীৰ বাবে ৬০.৫০কোটি টকাৰ বাজেট আছে। ইয়াৰ লগতে অসম ৰাইফলছ্‌ৰ জোৱানসকলৰ বাবে ৭.১০কোটি টকাৰ কাপোৰ ক্ৰয় কৰা হয়। বহু কোটি টকাৰ ষ্টেছনাৰী সামগ্ৰীৰ লগতে ৯০লাখ টকাৰ বেটাৰী আদি কিনা হয়। এই সামগ্ৰীসমূহ উত্তৰ-পূৰ্বাঞ্চলতে ক্ৰয় কৰিব পাৰিলে অঞ্চলটোৰ এক সবল অৰ্থনীতি গঢ়ি তোলাত সহায়ক হ'লহেঁতেন। অসম ৰাইফলছ্‌ৰ বাৰ্ষিক বাজেট ৭০০কোটি। ইয়াৰে ১০০কোটি খাদ্যসামগ্ৰী আৰু ৩০০কোটি অন্যান্য সামগ্ৰীৰ বাবে ধাৰ্য কৰা হয়। অসমত সীমান্ত সংৰক্ষিত বাহিনীৰ বাবে বছৰি প্ৰায় ৮লাখ টকাৰ পি বি এছ ৰোল, ১০লাখ টকাৰ জি আই পাইপ, ৯লাখ টকাৰ ৰং, ১০লাখ টকাৰ চি জি আই শ্বিট আদিৰ প্ৰয়োজন হয়। এই বজাৰখনো অসমক দিয়া নহয়। সীমান্ত পথ শাখাৰ বহু প্ৰকল্পৰ কাম চলি আছে। চিমেণ্ট, শিল, ইটা নাই বুলিও বিভাগটোৱে বহু সময়ত কাম বন্ধ কৰি ৰখা দেখা যায়। অথচ স্থানীয় বজাৰখনক গুৰুত্ব দিব নিবিচাৰে।

আমাৰ প্ৰস্তাৱ হ'ল— প্ৰতিৰক্ষা বিভাগে উত্তৰ-পূবক ভাৰতৰ অংশ বুলি ভবা উচিত, আৰু উত্তৰ-পূবৰ বিকাশৰ বাবে ভাৰতীয় সেনাবাহিনীয়ে গুৰুত্ব দিয়া দৰকাৰ। ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা বিভাগটোক অসমৰ মানুহে বৰ সহজভাৱে গ্ৰহণ কৰিব নিবিচাৰে।

প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্যিকমন্ত্ৰী, অসমৰ সাংসদে বিজয়কৃষ্ণ সন্দিকৈয়ে এইক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিয়াৰ সময় হৈছে। আমাৰ প্ৰস্তাৱ হ'ল— সেনাবাহিনী, বায়ু সেনাবাহিনী, সীমান্ত সুৰক্ষা বাহিনী, চি আৰ পি এফ, সীমান্ত পথ সংস্থা আদি প্ৰতিৰক্ষা দপ্তৰৰ অধীনৰ বিভাগসমূহৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰয়োজন হোৱা, ব্যৱহাৰ কৰা সামগ্ৰীসমূহৰ তালিকা প্ৰস্তুত কৰিব লাগে। এই তালিকাবদ্ধ সামগ্ৰীসমূহৰ ভিতৰত অসমে যোগান ধৰিব পৰা আৰু অসমত প্ৰস্তুত কৰিব পৰা সামগ্ৰীসমূহক চিনাক্ত কৰিব লাগে। এই বিভাগসমূহে ৰাজ্যৰ বাহিৰৰ পৰা আমদানি কৰি থকা সামগ্ৰীসমূহৰ সিংহভাগ অসমৰ ক্ষুদ্ৰ উদ্যোগত প্ৰস্তুত কৰিব পৰা যায়, তথ্যৰ অভাৱ আৰু বিভাগসমূহৰ সহযোগৰ অভাৱত অসমৰ ক্ষুদ্ৰ উদ্যোগীয়ে এই ক্ষেত্ৰত সুযোগ গ্ৰহণ কৰিব পৰা নাই। ক্ষুদ্ৰ উদ্যোগী আৰু আত্মসহায়ক গোটসমূহৰ জৰিয়তে এই বিশাল বজাৰখনত অসমৰ যুৱক সোমাব পাৰে। অৱশ্যে সামগ্ৰীৰ মান সেনাবাহিনীৰ প্ৰয়োজন অনুসাৰে নিয়ন্ত্ৰণ কৰা নিশ্চয় দৰকাৰ হ'ব। প্ৰস্তুত কৰা

সামগ্ৰীসমূহৰ লগতে স্থানীয় বজাৰৰ পৰাও সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱস্থা কৰাব লাগিব, সেনাৰ পোছাক প্ৰস্তুত কৰা বজাৰখনো বৃহৎ। মন্ত্ৰী সন্দিকৈয়ে সেনাৰ পোছাক আৰু অসামৰিক সামগ্ৰী যোগান ধৰাৰ বাবে অসমত এটা ব্যৱস্থাৰ সৃষ্টি কৰিব পাৰে। সেনাবাহিনীৰ বজাৰখন নিশ্চিত কৰিব পাৰিলে ক্ষুদ্ৰ উদ্যোগীসকলক বিত্তীয় সাহায্য দিবৰ বাবে বিত্তীয় অনুষ্ঠানসমূহ নিশ্চয় আগবাঢ়ি আহিব। অসমত সেনাবাহিনীৰ বাবে প্ৰয়োজনীয় সকলো খাদ্য সামগ্ৰী সহজভাৱেই পোৱা যায়। স্থানীয়ভাৱে ক্ৰয় কৰিলে সংশ্লিষ্ট বিভাগসমূহৰ বাবে ব্যয়সুলভ হ'ব। প্ৰতিৰক্ষা দপ্তৰৰ বিভাগসমূহত সামগ্ৰী আদি যোগান ধাৰাৰ বাবে পদ্ধতিসমূহ অতি জটিল। সেই জটিলতাক আঁতৰ কৰা প্ৰয়োজন হ'ব। প্ৰতিৰক্ষাত সামগ্ৰী ক্ৰয়ৰ বাবে প্ৰতিৰক্ষা ৰাজ্যিকমন্ত্ৰী সন্দিকৈয়ে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়ক। প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰক। প্ৰতিৰক্ষা দপ্তৰৰ অসম তথা উত্তৰ-পূবত থকা বিভাগকেইটাৰ প্ৰয়োজনীয় সামগ্ৰীৰ বজাৰখনত অসমৰ উদ্যোগী আৰু ব্যৱসায়ীসকলক সোমোৱাৰ সুযোগ কৰি দিয়ক। এই বিশাল বজাৰখনে অসমৰ অৰ্থনীতিলৈ প্ৰভূত সহযোগ নিশ্চিতভাৱেই আনিব পাৰিব।

❑ ❑ ❑